

# প্ৰৱাহিনী

শিৱসাগৰ ছোৱালী কলেজ
বাৰ্ষিক আলোচনী
২০০৯-১০ বৰ্ষ



# প্ৰৱাহিনী

## শিৱসাগৰ ছোৱালী কলেজ
## বাৰ্ষিক আলোচনী
## ২০০৯-১০ বৰ্ষ

সম্পাদিকা ঃ ববিতা দত্ত


শিৱসাগৰ ছোৱালী কলেজ




SCIENCE SECTION









# প্রবাহিনী





# প্ৰৱাহিনী

সভাপতি

**ড° হেমন্ত কুমাৰ ফুকন**

তত্ত্বাৱধায়ক

**কিশোৰ কুমাৰ দেউৰী**

**প্ৰবীন শৰ্মা**

**শান্ত্বনা দুৱৰা সন্দিকৈ**

সম্পাদিকা

**ববিতা দত্ত**



# প্ৰ ৱা হি নী


**PRABAHINI**

Sibsagar Girls' College Magazine 2009 -2010 Edited by Babita Dutta, Published by Sibsagar Girls' College Students' Union : 2009-2010, on behalf of the Sibsagar Girls' College, Sivasagar - 785 640
Printed at : Binayak Offset, Sankar Mandir Road, Sivasagar - 785 640

অলংকৰণ আৰু অংগসজ্জা

অনিল বৰুৱা

অক্ষৰ বিন্যাস

গৌতম বৰচেতিয়া

মুদ্ৰণ ঃ

বিনায়ক অফ্‌ছেট

শংকৰ মন্দিৰ পথ, শিৱসাগৰ

# উছৰ্গা

একবিংশ শতিকালৈ
যি ভাল বতৰা লৈ আহে—
তেওঁলোকলৈ......

— সম্পাদনা সমিতি



## শ্ৰদ্ধাঞ্জলি

স্বদেশ আৰু স্বজাতিৰ মংগলৰ বাবে আত্মনিয়োগ কৰা
যিসকল নমস্য ব্যক্তিক যোৱা বছৰটোত আমি হেৰুওৱালো.....
সেইসকলৰ প্ৰতি আমাৰ অশ্ৰু-অঞ্জলি যাচিলোঁ....।

---

## কৃতজ্ঞতা

— কলেজৰ অধ্যক্ষ মহোদয়লৈ
— আলোচনীৰ সকলো লেখক-লেখিকালৈ
— সম্পাদনা সমিতি
— বিনায়ক অফ্‌ছেটৰ সমূহ কৰ্মকৰ্তালৈ...

## বিশেষ কৃতজ্ঞতা—

— সঞ্জয় দাস, অধ্যাপক, ভূগোল-বিজ্ঞান বিভাগ

**Prof.K.K. Deka,**
M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH - 786004
ASSAM, INDIA
Phone - 0373-2370239(0)
Fax : 0373-2370323
E.Mail:kkdekadu@yahoo.com

# শুভেচ্ছাবাণী

প্ৰতি

শ্ৰীমতী ববিতা দত্ত
সম্পাদিকা, সাহিত্য আৰু আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়
শিৱসাগৰ

মৰমৰ শ্ৰীমতী ববিতা,-

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ছাত্ৰী একতা সভাৰ বাৰ্ষিক আলোচনীৰ ২০০৯-১০ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ মুখপত্ৰই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও সমাজৰ বিভিন্ন দিশৰ ওপৰতো আলোকপাত কৰিব পাৰে। মই আশা কৰিছো শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ মুখপত্ৰখনিয়েও গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ ক ৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰীসকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব।

এখন সৰ্বাংগ সুন্দৰ আলোচনী তোমাৰ সম্পাদনাত প্ৰকাশ পাওক, এই কামনাৰে —

কন্দৰ্প কুমাৰ ডেকা
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ☐ ☏ (০৩৭৬) ২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ☐ ☏ (০৩৬১) ২৫১৫৮৩০
ফেক্স ঃ ২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ ৰাংছিলা ডিফু — ৭৮২৪৬০ ☐ ☏ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ☐ ☏ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩


## শুভেচ্ছাবাণী

ঐতিহাসিক চহৰ শিৱসাগৰৰ একমাত্ৰ নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজ'ৰ 'প্ৰবাহিনী' নামৰ বাৰ্ষিক মুখপত্ৰ প্ৰকাশৰ বাবে মন মেলাত আমি পৰম আনন্দিত হৈছোঁ। ছোৱালীসকলৰ মনৰ দাপোনস্বৰূপ 'প্ৰবাহিনী'ৰ মূল্যৱান পাতকেইটাই শিক্ষা-সাহিত্য-সংস্কৃতিৰ সুন্দৰ অনুভূতিবোৰক কঢ়িয়াই নিবলৈ নিশ্চয় সক্ষম হ'ব। ইতিহাসে গৰকি যোৱা দিখৌৰ দুয়োপাৰৰ মাটি আৰু মানুহৰ চিন্তাৰে কলেজৰ ছাত্ৰীসকলক নিশ্চয় উদ্ভাসিত কৰি, অনুভৱৰ পাতেৰে 'প্ৰবাহিনী'য়ে আত্মপ্ৰকাশ কৰিবলৈ নিশ্চয় চেষ্টা কৰি যাব। 'প্ৰবাহিনী' লৈ আমাৰ শুভেচ্ছা জনালোঁ— ভোগদৈ পাৰৰ পৰাই......

ৰংবং তেৰাং
১৪/১০/১০



**মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন**

এম এছ চি., এল এল বি, পি এইচ ডি, ডি এ এফ ই



মাননীয়া উপাধ্যক্ষা শ্ৰীযুতা কুসুম ফুকন, এম, এ



ড° হেমন্ত কুমাৰ ফুকন
সভাপতি



কিশোৰ কুমাৰ দেউৰী
তত্ত্বাৱধায়ক



প্ৰবীণ শৰ্ম্মা
তত্ত্বাৱধায়ক



শান্ত্বনা দুৱৰা সন্দিকৈ
তত্ত্বাৱধায়ক

# সম্পাদনা সমিতি

## প্ৰবাহিনী



ববিতা দত্ত
সম্পাদিকা





# সম্পাদকীয়....

সময় পাখি লগা কাঁড়ৰ দৰে এবাৰ গলে ঘূৰি নাহে। বাস্তৱিকতে সময় ধন সম্পদতকৈয়ো মূল্যবান। হেৰুৱা ধন সম্পদ ঘূৰাই পাব পাৰি; কিন্তু পাৰ হৈ যোৱা সময় পোৱা নাযায়। সময় সুযোগে কালেকো অপেক্ষা নকৰে। জীৱনৰ সফলতা আৰু সাৰ্থকতা নিৰ্ভৰ কৰে সময়ৰ সদ্ব্যৱহাৰৰ ওপৰত। সময়ৰ জন্ম, মৃত্যু, বৰ্তমান, অতীত, ভৱিষ্যৎ নাই। ছেকেণ্ড মিনিট ঘণ্টাৰ কাটাত নিৰ্ধাৰিত হয় এই সময়। সময়ক বাদ দি সকলো অৰ্থহীন। সময়ৰ ভেটিতেই সকলোবোৰ নিৰ্মিত। এই সময়ৰ তাগিদাতে এদিন শিৱসাগৰ ছোৱালী কলেজৰ সাহিত্য আৰু আলোচনী বিভাগৰ দৰে এটা গুৰু দায়িত্ব মূৰ পাতি লব লগা হ'ল। এই গুৰু দায়িত্ব পালন-কৰিবলৈ যাওঁতে এটা কথাত উপনীত হ'লো যে এখন মহাবিদ্যালয়ৰ আলোচনীখনেই হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ ঘটোৱাৰ মূল চাবি কাঠি। এখন মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যোৱাত অধিক সহায় কৰে। যদিহে মহাবিদ্যালয় সমূহত আলোচনী বৰ্ত্তি থাকে তেন্তে তাৰ পৰাই কালজয়ী সাহিত্যিকৰ জন্ম হ'ব।

শিক্ষাই মানুহক সচেতন কৰি গঢ়ি তোলে। আনুষ্ঠানিক পাঠ্যপুথিগত শিক্ষাই মানৱ জীৱনৰ একমাত্ৰ পাথেয় নহয়। আনুষ্ঠানিক শিক্ষা লাভ কৰিয়েই যে, একো একোজন নবীন লেখকৰ জন্ম হ'ব এনে নহয়। সেয়েহে একোখন মহাবিদ্যালয়ৰ পৰা একো একোজন নবীন লেখকৰ জন্ম দিবলৈ হ'লে সেই মহাবিদ্যালয়খনৰ আলোচনীখন একান্তই প্ৰয়োজনীয়। সাহিত্যই সেই যুগৰ ইতিহাস বহন কৰে। এটা জাতিৰ জাতিসত্বাৰ পৰিচয় ঘটে সেই জাতিৰ ভাষা সাহিত্যৰ ওপৰত আৰু সেই জাতিৰ পৰাই ভাল সাহিত্যিকৰূপে পৰিগণিত হৈ ভাল সাহিত্যৰ সৃষ্টি কৰে। সাহিত্য সাহিত্যৰ বাবে নহয় সাহিত্য মানুহৰ বাবে। কিন্তু ভাল সাহিত্য সৃষ্টি কৰা ভাল সাহিত্যিকজন ভাল মানুহ নহ'বও পাৰে। কথা আৰু কামৰ মাজত পাৰ্থক্য থকা একো অস্বাভাৱিক নহয়। কিন্তু এটা কথা মনলৈ আহে যে, যিসকল বিশ্ববৰেণ্য

মনিষীয়ে জীৱনজোৰা প্ৰচেষ্টাৰে সাহিত্য সম্ভাৰ চহকী কৰি থৈ গৈছে সেই লেখকসকলৰ ৰচনাৰাজিৰ ওপৰত ভৰ দি এক অন্য ৰূপত তেওঁলোকৰ মহান সাহিত্য ৰাজিক প্ৰস্তুত কৰিছে। এই সকলক ধাৰ কৰা ম'ৰা পাখিৰে শোভিত হোৰা কাউৰী বুলি কোৱা হয়। এইসকল লেখকৰ বাবেই হয়তু সাহিত্য পাহৰণিৰ গৰ্ভত বিলীন হৈ যাব।

সাহিত্য চৰ্চা এনে এটা বিষয় যাক বাহ্যিক দৃষ্টিত সহজ যেন লাগিলেও তাৰ আভ্যন্তৰীনত যে, বহুবোৰ কষ্ট নিহিত হৈ থাকে তাক যোগ্য জনেহে বুজি পায়। তাৰ বাবে অতিকৈ প্ৰয়োজন এটা সুস্থ পৰিৱেশ আৰু সু-শৃংখলাবদ্ধ জীৱনৰ। কিন্তু বৰ্তমান সমাজ সংস্থাত এনে সুস্থ পৰিৱেশৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা দেখা যায়। আজিৰ সমাজ ব্যৱস্থাত এক শ্ৰেণীৰ মানুহ কোঙা হৈ পৰিছে।

আজিৰ যুগ হৈছে বিজ্ঞানৰ যুগ। বিজ্ঞানৰ চৰম উন্নতিৰ দিনত মানুহ হৈ পৰিছে যান্ত্ৰিক, মানুহৰ মাজৰ পৰা মানৱীয় মূল্যবোধ হেৰাই গৈছে, বিলুপ্তি ঘটিছে পাৰস্পৰিক সহায় সহযোগিতাৰ। সমাজৰ চাৰিওফালে পুঁজিবাদ, সন্ত্ৰাসবাদৰ উৎপীড়নে গা কৰি উঠিছে ফলত আমাৰ জীয়াই থকাৰ সুস্থ বাতাৱৰণ কলুষিত হৈ পৰিছে আৰু ইয়াৰ পৰা নিজক মুক্ত কৰিবলৈ আমি সবল পদক্ষেপ লব লাগিব আৰু তেতিয়াহে এখন সম্ভাৱনাময় সমাজ গঢ়ি তুলিব পাৰিম।

কোনো এখন দেশৰ ভৱিষ্যতৰ উত্তৰাধিকাৰী হৈছে যুৱ সমাজ। আধুনিক জীৱনৰ গতিপথে সলনি কৰিছে যুৱচামৰ মানসিকতা। চিৰন্তন মানৱীয় মূল্যবোধৰ অৱক্ষয়েই বৰ্তমান যুৱ সমাজত বাঢ়ি অহা অপৰাধ প্ৰৱণতাৰ মূল কাৰণ। আজিৰ যুৱচামৰ মাজত আত্মবিশ্লেষণৰ অভাৱ দেখা গৈছে ফলত যুৱসকলৰ মাজত নানা অসামাজিক কাৰ্যকলাপে ঠন ধৰি উঠিছে। এখন দেশৰ প্ৰগতি নিৰ্ভৰ কৰে এই যুৱ সমাজৰ ওপৰত। এই যুৱ শক্তিৰ ওপৰতেই এটা জাতিৰ অস্তিত্ব নিৰ্ভৰ কৰে। যুৱশক্তি যদি বিপথে যায়, তেন্তে সমাজ ধ্বংসমুখী হ'বলৈ বাধ্য। গতিকে এই যুৱশক্তিক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবৰ বাবে ৰাইজ, চৰকাৰ, জনসাধাৰণ সকলো আগবাঢ়ি আহক, সংকীৰ্ণ স্বাৰ্থ ত্যাগ কৰি প্ৰতিবাদ কৰক। আনহাতে যুৱ শক্তিয়েও মাৰ বান্ধি আত্মবিশ্লেষণ কৰি বিশ্ব বিজয় কৰিবলৈ মুক্ত কণ্ঠে আগবাঢ়ি আহক, আৰু তেতিয়াহে এখন সমাজ আৰু এখন দেশ সৰ্বাংগসুন্দৰ হ'ব য'ত থাকিব শান্তি সমৃদ্ধি।

জয়তু শিৱসাগৰ ছোৱালী কলেজ

**ববিতা দত্ত**

সাহিত্য ও আলোচনী বিভাগৰ

সম্পাদিকা

# অনুক্ৰমণিকা

প্ৰবন্ধৰ টোপোলা


- নেতৃত্বৰ ছ-টা বছৰ — ড° হেমন্ত কুমাৰ ফুকন — ০৩
- সাহিত্য অকাডেমী বঁটা বিজয়ী বিশিষ্টা লেখিকা শ্ৰীমতী পূৰবী বৰমূদৈৰ সৈতে এটি সাক্ষাৎকাৰ — ০৯
- কেন্দ্ৰীয় গ্ৰন্থাগাৰ আৰু তথ্য কেন্দ্ৰ, শিৱসাগৰ ছোৱালী কলেজ — এক চমু অৱলোকন — অভিজিত বৰপূজাৰী — ১১
- ৰবীন্দ্ৰনাথৰ চুটিগল্প — এক চমু পৰ্য্যালোচনা — উৎপলা দেৱী — ১৫
- ফেংচুই আৰু বাস্তুশাস্ত্ৰ — সঙ্গীতা দাস বৰুৱা — ১৭
- গোলকীয় উষ্ণতা আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ — অনুপৰ্ণা শইকীয়া — ২২
- পৰ্যটনৰ স্থলী হিচাপে উত্তৰ-পূৰ্বাঞ্চল, ইয়াৰ অসুবিধা আৰু সম্ভাৱনীয়তাসমূহ — পিংকী কাকতি — ২৫
- ইতিহাসে গৰকা মেটেকা — ৰাজলক্ষ্মী গগৈ — ২৭
- ঢেঁকী অসমীয়া লোকজীৱনৰ অনন্য অংগ — জেবিন আখতাৰ ৰহমান — ২৯
- অসমীয়া গ্ৰাম্য সমাজত ভ্ৰোবাই তেলনি বিয়া — চয়নিকা বৰগোহাঁই — ৩১
- বিহু-সম্পৰ্কীয় এক আলোকপাত... — উৰ্মিমালা দুৱৰা — ৩৫
- পৰম্পৰাগত আৰু আধুনিক বিহুগীতৰ মাজত বৈসাদৃশ্য — নিতুস্মিতা ফুকন — ৩৭
- ভাষাৰ মৃত্যু, বুদ্ধিজীৱী আৰু ইতিহাসত আমি — পল্লৱী গগৈ — ৪২
- প্ৰকৃতিৰ ৰম্যভূমি মণিপুৰ — যুথিকা গগৈ — ৪৪
- জলবায়ু পৰিৱৰ্তন আৰু সামাজিক সমস্যা — অনুপৰ্ণা শইকীয়া — ৪৭
- সুস্থ চৰকাৰ গঠনত দেশৰ শিক্ষা পদ্ধতিৰ আৱশ্যকতা — যুথিকা বৰগোঁহাই — ৪৯
- কেইটিমান সভ্যতাৰ চমু আভাস — অলিমণি দেৱী — ৫০
- অসমৰ লোকবিশ্বাস — মিতালী শইকীয়া — ৫২
- মাতৃ তুমি অনন্যা — স্মৃতি মেচ — ৫৪
- মহাকাশত প্ৰথম মহিলা পৰ্যটক আনাউচ আনাছাৰী — নিৰ্মালী শইকীয়া — ৫৬
- ভাৰত গৌৰৱ অমৰ্ত্য সেন — ডিম্পী কলিতা — ৫৭
- কৰ্মকুশলী মাধৱ বেজবৰুৱা — জোনালী বেজবৰুৱা — ৫৮
- যুৱ প্ৰজন্মৰ বাইকপ্ৰীতি আৰু হৃদয়-বিদাৰক দুৰ্ঘটনাবোৰ — বন্দিতা বৰগোঁহাই — ৫৯
- মানৱ জীৱনৰ মূল্যবোধ — ফাৰমিন আহমেদ — ৬০
- প্ৰাণায়াম — পলী বৰুৱা — ৬১
- সাম্প্ৰতিক চিন্তা ঃ ৰেগিং — ময়ূৰী দেৱী — ৬২
- শক্তি স্বৰূপা নাৰী — প্ৰণীতা ফুকন — ৬৩
- গ্ৰন্থ সমালোচনা ঃনাহৰৰ নিৰিবিলি ছাঁ — কাশ্মিৰী গগৈ — ৬৪

গল্পৰ সঁফুৰা

| | | |
|---|---|---|
| ❑ সংযোগ | চিমী আহমেদ | ৬৭ |
| ❑ জীৱন, সংগ্ৰাম আৰু এমুঠি আশা | ৰিজু বৰগোঁহাই | ৬৯ |
| ❑ অভিশপ্ত এক অধ্যায় | গায়ত্ৰী শইকীয়া | ৭২ |
| ❑ সোঁৱৰণিৰ এখিলা পাত | মিতালী শইকীয়া | ৭৪ |
| ❑ হেৰুৱা দিনৰ স্মৃতি | নীলাক্ষী বড়া | ৭৬ |
| ❑ সংকল্প | জাহ্নৱী ভট্টাচাৰ্য্য | ৭৮ |
| ❑ সপোন | সংগীতা বৰুৱা | ৮০ |
| ❑ জন্মান্তৰ | নমিতা শইকীয়া | ৮২ |
| ❑ নিয়তিৰ অভিশাপ | ৰুমী গগৈ | ৮৫ |
| ❑ শেষৰজাক বৰষুণ | সোনমণি বড়া | ৮৬ |
| ❑ সংগ্ৰাম | কৃপাশ্ৰী দত্ত | ৮৮ |
| ❑ ভগ্ননীড় | ৰিজুমণি বৰগোঁহাই | ৮৯ |
| ❑ বাস্তৱ, স্বপ্ন আৰু অন্যান্য | মণিকা সন্দিকৈ | ৯১ |
| ❑ আশংকা | মৃগাক্ষী ফুকন | ৯৩ |

কৱিতা — ৯৭-১১২

সোঁৱৰণি

| | | |
|---|---|---|
| ■ কটনিয়ান হ'বলৈ গৈ.... | ডিম্পী গগৈ | ১৫ |
| ■ বোলছবিৰ মাজেৰে বান্ধৱীলৈ প্ৰেৰণ কৰা এটা লেফাফা | পল্লৱী বৰা | ১৭ |
| ■ মৰমৰ এনাজৰীৰে বন্ধু আৰু বন্ধুত্ব | পৰি দাস | ১৮ |
| ■ R.C.N.ৰ স্মৃতিবোৰ... | কংকনা কোঁৱৰ | ১৯ |
| ■ অনুভৱৰ শেতেলীত "প্ৰেম" | কাশ্মিৰী শৰ্মা | ২০ |
| ■ বৰ্ষা এটি সেউজীয়া অনুভৱ | বন্দিতা চেতিয়া | ২১ |
| ■ অনুভৱে কৰোৱায় চুক্তি জীৱনৰ স'তে | পল্লৱী গগৈ | ২২ |
| ■ সময়ৰ বোকোছাত মোৰ অনুভৱ | জুলীমণি বড়া | ২৩ |
| ■ শিৱসাগৰ গাৰ্লচ কলেজ আৰু মোৰ অনুভৱৰ সেউজীয়াজনী | অবিস্মিতা দত্ত | ২৪ |
| ■ ধৰালৈ যেতিয়া বৰষা নামে... | অপৰাজিতা দত্ত | ২৫ |
| ■ এক যাত্ৰাত.. | ঋতুস্মিতা বৰা | ২৬ |
| ■ স্মৃতিৰ একলম | স্বপ্না দেৱী | ১২৭ |
| ■ সোঁৱৰণি মোৰ হেৰুৱা দিনৰ... | ময়ূৰী দত্ত | ১২৮ |
| ■ কলেজীয়া ছোৱালীৰ টুকুৰা টুকুৰ সপোনবোৰ... | পিকুমণি গগৈ | ১৩০ |

চিঠি — ১৩২-১৩৫

নষ্টালজিয়াত ঃ আপোনত্ব আৰু শিৱসাগৰ ছোৱালী কলেজ — মাধুৰীমা ঘৰফলীয়া — ১৩৬

## ENGLISH


- Education from Philosophical Perspective — Mrs. Gairika Devi — ১৩৯
- MODERN LITERATURE AND EXISTENTIALISM — Kritanjali Konwar — ১৪১
- Natural dyes : The colour of nature — Dr. (Mrs) Rajashree Phukon — ১৪৬
- Where are We?–A Holiday Speech — Sanjay Das — ১৪৮
- 'AYURVEDA'THE SCIENCE OF HEALTH OR LIFE — Shivani Gogoi — ১৫৩
- The life history of STARS — Saptaka Baruah — ১৫৪
- The Hina Festival OF JAPAN — Bonita Mahanta — ১৫৫
- Winter- A dilemma — Jayshree Dutta — ১৫৬
- PEACE — Riya Day — ১৫৬

- মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ প্ৰতিবেদন ঃ ২০০৯-১০ বৰ্ষ
- মহাবিদ্যালয়ৰ গৌৰৱ
- Faculty Members and Office Staff



এই আলোচনীত প্ৰকাশিত হোৱা লেখনি তথা
অভিমতসমূহ লেখকসকলৰ নিজা।
তাৰবাবে সম্পাদনা সমিতি দায়ী নহয়।

# GATEWAY TO THE KNOWLEGDGE, INFORMATION AND WISDOM............





# প্ৰবন্ধৰ টোপোলা

## বিবিধ চিন্তা








# নেতৃত্বৰ ছ-টা বছৰ

■ ড° হেমন্ত কুমাৰ ফুকন

বিভিন্ন সময়ত সন্মুখত আহি পৰা যিকোনো প্ৰত্যাহ্বানেই গ্ৰহণ কৰাটো মোৰ স্বভাৱ। সেইবাবেই ২০০২ চনত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে অনুষ্ঠিত কৰা কলেজ অধ্যক্ষ বাচনিৰ সাক্ষাৎকাৰত অৱতীৰ্ণ হৈছিলো কিন্তু বিশেষ কাৰণত সেই সাক্ষাৎকাৰৰ ফলাফল প্ৰকাশ নকৰিলে। ইয়াৰ পিচত ২০০৩ চনত পুনৰ সাক্ষাৎকাৰৰ আয়োজন কৰাত সেইবাৰো প্ৰাৰ্থীত্ব আগবঢ়াই নিৰ্বাচিত হওঁ। তেতিয়া ভাবিছিলো সময়ৰ কাম এটা কৰি থৈছোঁ, দৰকাৰ হ'লে হ'ব কেতিয়াবা কিন্তু কোনো দিনেই গুৰুত্ব সহকাৰে ভবা নাছিলো যে মই সচাঁকৈয়ে কোনোবা কলেজত অধ্যক্ষ হমগৈ। কোনোদিনে নাভাবিলেও ২০০৪ চনৰ আগষ্ট মাহত হঠাতে চৰকাৰে অসমৰ কলেজ সমূহত ইতিমধ্যে নিৰ্বাচিত হৈ থকা তালিকাৰ পৰা স্থায়ী অধ্যক্ষ নিযুক্তিৰ বাবে (তেতিয়ালৈকে প্ৰায়বোৰ কলেজত ভাৰপ্ৰাপ্ত অধ্যক্ষহে আছিল) দুৱাৰ মুকলি কৰি দিলে। এখন দুখনকৈ বহুবোৰ কলেজত অধ্যক্ষ নিযুক্তিৰ বাবে বিজ্ঞাপন দিবলৈ আৰম্ভ কৰিলে আৰু প্ৰায় ওপৰা উপৰিকৈ বহু কলেজত সাক্ষাৎকাৰও অনুষ্ঠিত হ'ল। শিৱসাগৰ কলেজ, শিৱসাগৰ ছোৱালী কলেজ, শ্বহীদ পিয়লী ফুকন কলেজ, শ্বহীদ মণিৰাম দেৱান কলেজ আদি ওচৰৰ কলেজ সমূহত ওচৰা-ওচৰিকৈ সাক্ষাৎকাৰ অনুষ্ঠিত হ'ল, ফলাফল ওলাল মই একেলগে দুখন কলেজৰ অধ্যক্ষৰ দায়িত্ব ল'বলৈ সুবিধা পাইছো, পিছে আগৰে পৰা উৎসুকতাৰে পৰ্য্যবেক্ষণ কৰি থকা শিৱসাগৰ ছোৱালী কলেজকে নিৰ্বাচন কৰি কলেজ পৰিচালনা সমিতিৰ নিৰ্দেশমতে ২০০৪ চনৰ ১৭ চেপ্তেম্বৰৰ বিশ্বকৰ্মা পূজাৰ দিনা শিৱসাগৰ কলেজৰ শ্ৰেণী কোঠাৰ পৰা আহি অধ্যক্ষৰ দায়িত্ব চমজি ললোঁহি; সম্বল মাথো ছাত্ৰ জীৱনত পাই অহা অধ্যক্ষ ব্ৰাদাৰ ভিয়েৰা (শ্বিলঙৰ চেইন্ট এডমাণ্ডচ্ কলেজৰ সত্তৰৰ দশকৰ ইটালীয়ান অধ্যক্ষ), কৰ্ম জীৱনত বহুমুখী প্ৰতিভাৰ গৰাকী শিৱসাগৰ কলেজ নিৰ্মাতা পৰাগধৰ চলিহা আদিৰ কৰ্মশৈলী।

১৯৬৪ চনত প্ৰতিষ্ঠা হোৱা শিৱসাগৰ ছোৱালী কলেজৰ মই একাদশ সংখ্যক অধ্যক্ষ; ইয়াৰ আগতে একাদিক্ৰমে স্বৰ্গীয় তোষেশ্বৰ দত্ত, স্বৰ্গীয় মুহিৰাম শইকীয়া, স্বৰ্গীয় বীৰেন বৰকটকী, স্বৰ্গীয়া নিলীমা বৰুৱা, স্বৰ্গীয় হাফিজুৰ ৰহমান, শ্ৰীযুত চাহাবুদ্দিন আহমদ, শ্ৰীযুত বীৰেণ তালুকদাৰ, শ্ৰীযুত সোনাৰাম বৰুৱা, শ্ৰীযুতা যমুনা বৰগোহাঁঞি আৰু শ্ৰীযুত দিলীপ চক্ৰৱৰ্তীয়ে এই দায়িত্ব পালন কৰি গৈছে। চাৰিটা দশক গৰকা কলেজখনৰ চাৰিচুক চিনি পোৱাটো মোৰ প্ৰথম কৰ্তব্য, সহকৰ্মী সকলক বুজি উঠিবলৈ হয়তু কিছু সময়ৰ প্ৰয়োজন হ'ব আৰু ছাত্ৰী সকলৰ মৰম আৰু আস্থা বুটলাটো মোৰ আন এক দায়িত্ব। মনৰ মাজত সঞ্চিত হৈ থকা বহুবোৰ পৰিকল্পনা বাস্তৱায়িত কৰাত অগ্ৰসৰ হ'লোঁ। কলেজৰ অভাব অভিযোগবোৰতো আছেই। তদুপৰি আধুনিক যুগৰ লগত খাপ খুৱাই নতুন বিষয় সংযোজন, আধুনিক সৎ-সৰঞ্জামৰ যোগাৰ, পুথি ভঁৰালৰ উন্নয়ন, শ্ৰেণী কোঠাত অভাব দুৰীকৰণ, কাৰ্য্যালয়টো অধিক কাৰ্য্যক্ষম কৰি তোলা, ছাত্ৰী শিক্ষক আৰু অন্যান্য কৰ্মচাৰীৰ অভাব সমূহ দুৰিকৰণ, ছাত্ৰী নিবাসৰ উন্নয়ন, প্ৰসাৰ আৰু অধিক সুবিধা প্ৰদান, ১৯৮৯ চনতে আৰম্ভ কৰা বিজ্ঞান শাখাৰ চৰকাৰী সাহাৰ্যৰ ব্যৱস্থা কৰা আৰু বিজ্ঞানাগাৰৰ উন্নয়ন সাধন— এইবোৰ মোৰ তালিকাৰ আগস্থান পোৱা বিষয়। ইয়াৰ লগে লগে প্ৰায় ডেৰ কিলোমিটাৰ দূৰত্বত অধ্যক্ষা শ্ৰীযুতা যমুনা গোহাঁইৰ দিনত চৰকাৰক মুল্য আদায় দিয়া বণিয়াবাৰীৰ প্ৰায় আঠ বিঘা মাটিৰ চৌহদটো বেদখলকাৰীৰ হাতৰ পৰা মুক্ত কৰি স্থায়ী ভাবে নিজৰ দখললৈ অনাৰ চেষ্টা চলাব লাগিব। কম্পিউটাৰ আধুনিক যুগৰ এৰাব নোৱাৰা সঁজুলি। আমাৰ কলেজখনে দুটা মাত্ৰ পুৰণি ধৰণৰ কম্পিউটাৰেৰে আধুনিক যুগৰ এই প্ৰয়োজনীয়তাখিনি পূৰণ কৰি আহিছিল। এই দিশত বিশেষ দৃষ্টি দিয়াৰ প্ৰয়োজন আছিল। 'সু-স্বাস্থ্য উন্নতিৰ সোপান'- এই কথাষাৰি মনত ৰাখি মূল চৌহদত থকা একমাত্ৰ কেন্টিনখনৰ উন্নতি আৰু প্ৰসাৰ সাধন, পৰিষ্কাৰ খোৱা পানীৰ যোগান, স্বাস্থ্যসন্মত প্ৰস্ৰাৱগাৰ-শৌচাগাৰৰ ব্যৱস্থা, ছাত্ৰী শিক্ষক কৰ্মচাৰীক উৎকত গৰমৰ পৰা সকাহ দিবলৈ অবিৰত বিদ্যুৎ যোগান অব্যাহত ৰাখি বিজুলী পাংখা চলোৱা, ডাঙৰ শ্ৰেণী কোঠাত সহজ পাঠদানৰ বাবে সীমিত প্ৰাবল্যৰ মাইকৰ ব্যৱস্থা কৰা, ছাত্ৰী-শিক্ষকৰ কামৰ বোজা পাতলাবৰ বাবে জেৰক্সৰ ব্যৱস্থা এনেবোৰ ব্যৱস্থাৰ কথা মনতে পুহি ৰাখিছিলোঁ।

যাত্ৰা আৰম্ভ হ'ল - ওপৰত উল্লেখিত বিভিন্ন কাম প্ৰায় সমান্তৰালভাবে আগবঢ়াই নিয়াৰ পৰিকল্পনাৰে যাত্ৰা আৰম্ভ কৰিলো।

১) **বণিয়াবাৰী** ঃ- বণিয়াবাৰীৰ প্ৰয়োজনীয় চৰকাৰী নথি-পথ সংগ্ৰহ কৰাৰ লগে লগে মূল পথৰ (জেঙনীকটীয়া চাৰিআলিৰ পৰা আখৈফুটীয়া লৈ যোৱা পথ) পৰা সংলগ্ন পথ নিৰ্মাণ আৰু চৌহদটো নিৰাপদ কৰি তোলাৰ বাবে চাৰিওকাষে সুদৃঢ় পকীবেৰ নিৰ্মাণৰ কাম হাতত লওঁ ২০০৫ চনৰ নবেম্বৰ মাহত। কলেজ পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে সংলগ্ন পথ চোৱাৰ নিৰ্মাণৰ ধন কলেজ উন্নয়ন পুঁজিৰ পৰা পোৱা হয়।

ইতিমধ্যে ২০০৬ চনত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ত দিয়া আবেদন মৰ্মে এটি ছাত্ৰী নিবাস নিৰ্মাণৰ বাবে ২০,০০,০০০ টকাৰ (বিশ লক্ষ টকা) অনুদান লাভ কৰি এই চৌহদতে এটি ছাত্ৰী নিবাস নিৰ্মাণৰ কামো সমান্তৰালভাৱে হাতত লোৱা হয়। এনে বৃহৎ পুঁজিৰ আবন্টন পোৱাত বণিয়াবাৰীৰ এই চৌহদত উন্নয়নমূলক কাম চলাই নিয়াৰ সুবিধা হয় আৰু খৰতকীয়া ভাবে প্ৰায় ৪ বিঘা মাটি প্ৰায় চাৰিফুট উচ্চতালৈ নিবৰ বাবে (বানপানীৰ পৰা ৰক্ষা পাবলৈ) ট্ৰাকৰ সহায়ত মাটি পেলোৱাৰ কামো হাতত লোৱা হয়। উল্লেখযোগ্য যে বণিয়াবাৰীত কাম আৰম্ভ কৰা দিনাৰ পৰাই একাংশ সুযোগ সন্ধানী ব্যক্তিৰ পৰা বিশেষভাবে বাধাৰ সন্মুখীন হ'ব লগা হৈছিল, দা-কুঠাৰৰ দৰে অস্ত্ৰৰ প্ৰদৰ্শনৰে মৃত্যুৰ ভাবুকিলৈকে অনেক অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল যদিও পিচলৈ সকলোৰে কলেজে হাতত লোৱা কোনো কামতে বাধা আৰোপ কৰা নাছিল, স্থানীয় বহুলোকক পিচলৈ বিভিন্ন ধৰণেৰে সংস্থাপনৰ ব্যৱস্থা কৰি দিয়া হৈছিল। চৌহদৰ কেইবাঠাইতো ভেটি তুলিবলৈ মাটি খান্দি নিয়াৰ বাবে দ গাঁতৰ সৃষ্টি হৈছিল আৰু এনে কিছুমান ডাঙৰ গাঁত সংলগ্ন কৰি ডাঙৰকৈ এটি পুখুৰী খনা হ'ল আৰু বৃহদাকাৰৰ আন এটা গাঁতকো এটি পুখুৰীলৈ পৰিৱৰ্তন কৰা হ'ল। মাটি পেলোৱা আৰু পুখুৰী খনাৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত আন কেতবোৰ পৰিকল্পনা মনলৈ আহিল। ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগক দিয়া আবেদন মৰ্মে কলেজত গ্ৰাম্য উন্নয়নৰ বাবে এটি কেন্দ্ৰ (Centre for Rural Development) খোলাৰ সুবিধা হয় যাৰ যোগেদি এবছৰীয়া ডিপ্লʼমা পাঠ্যক্ৰম (Post Graduate Diploma in Rural Development, PGDRD) খোলা হয় আৰু ইয়াৰ বাবে প্ৰয়োজন হোৱা ব্যৱহাৰিক কামৰ (Practical) বাবে ইতিমধ্যে সাজু কৰি তোলা বণিয়াবাৰী চৌহদে সুবিধা কৰি দিয়ে। সিদ্ধান্ত কৰা হয় যে উদ্যান শস্যৰ অন্তৰ্গত কেতবোৰ কৃষি কৰ্ম, মৎস্য পালন, হাঁহ পালন, মৌ-পালন, মুগা পালন আদি

কামৰ বাবে এই চৌহদটো উপযুক্ত হব, সেই উদ্দেশ্যেৰেই উপযুক্ত স্থানৰ পৰা উন্নত জাতৰ কল খেতিৰ বাবে দিহা-পৰামৰ্শ লোৱাৰ লগতে কলা কৰ্ষণ (Tissue Culture) ৰ যোগেদি সৃষ্টি কৰা উৎকৃষ্ট জাতৰ কলৰ পুলিও সংগ্ৰহ কৰি প্ৰায় তিনি বিঘা মাটিৰ উন্নত পদ্ধতিৰে কলখেতি আৰম্ভ কৰা হয়। ইতিমধ্যে সাজু হৈ উঠা পুখুৰী দুটাত ৰৌ, বাহু, মিৰিকা, চেনিপুঠি, কুঢ়ি আদি জাতৰ মাছৰ পোনা মেলা হয় আৰু বিশেষজ্ঞৰ পৰামৰ্শমতে খাদ্য আৰু অন্যান্য সামগ্ৰী যোগান ধৰা হয়। ইয়াৰ লগে লগে প্ৰায় আধা বিঘা মাটিৰ নেমু টেঙাৰ খেতি আৰু পকীবেৰৰ কাষে কাষে মূল্যবান কাঠৰ গছ যেনে শিশু, তিতাচঁপা, বনচোম, হলখ, শিলিখা আদিৰ পুলি ৰোৱা হয় যাতে ভৱিষ্যতে কলেজে ইয়াৰ যোগেদি আৰ্থিকভাবে লাভান্বিত হ'ব পাৰে পুখুৰী দুটাৰ আলমতে সংহত মৎস-হাঁহ পালনৰ কথাও মনলৈ অহাত কলেজ পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে এই কামো আৰম্ভ কৰা হয়।

বণিয়াবাৰী চৌহদে এবছৰৰ পিচৰ পৰাই উৎপাদন দিবলৈ সক্ষম হৈছে। লহ-পহকৈ বাঢ়ি অহা কল পুলিৰ পৰা প্ৰথম বছৰৰ অন্ততে কেইবা হাজাৰ টকাৰ কল বিক্ৰি কৰিব পৰা হয়, তিনি বছৰৰ ভিতৰত কাজি নেমুও বিক্ৰি কৰিব পৰা জোখৰ হয়, গছ পুলি বোৰো ১৫-২০ ফুট উচ্চতা প্ৰাপ্ত হৈ আমাৰ মনবোৰ আশাপ্ৰদ কৰি তুলিছে। আশা কৰা গৈছে পুখুৰী দুটাতো সঘনাই সাৰি থকা ৰৌ-বাহু মাছবোৰৰ পৰাও উল্লেখযোগ্য মূল্য পোৱা যাব। পাঁচটা ডাঙৰ কোঠাযুক্ত ছাত্ৰী নিবাস ছাত্ৰী সকলৰ বাবে সাজু হৈ উঠিছে। ছাত্ৰী নিবাস হিচাবে ব্যৱহৃত নহ'লে এই ঘৰটিৰ আলমতে বাঁহ-বেত, ৰেস্তিং আদি জাতৰ প্ৰশিক্ষণৰ ব্যৱস্থাৰ কথা ভবা হৈছে। এই চৌহদত কলেজে একাধিক ব্যক্তিক কৰ্ম সংস্থাপন দিবলৈও সক্ষম হৈছে।

<u>২) মূল চৌহদ ঃ-</u> প্ৰশাসনিক কাৰ্য্যালয় সহ মূল চৌহদটিত কেন্দ্ৰীয় পুথিভঁৰাল, কেণ্টিন, প্ৰেক্ষাগৃহৰ বাবে মুকলি ঠাই আৰু কলা বিভাগৰ শ্ৰেণী কোঠা সমূহ অৱস্থিত। দায়িত্ব গ্ৰহণ কৰাৰ পিচতে থিৰাং কৰিলো হাবি-বননি-পিতনিৰে ভৰি থকা চৌহদৰ বিভিন্ন অংশ সমূহ সোনকালেই স্বাস্থ্য সন্মত কৰি তোলা উচিত আৰু সেয়ে কেন্দ্ৰীয় পুথিভঁৰালৰ সংলগ্ন পিতনি দৰা মাটি পেলাই পুৰাই পেলোৱা হ'ল। অস্থায়ী প্ৰেক্ষাগৃহ (প্ৰত্নতাত্বিক বিভাগৰ নিষেধাজ্ঞাৰ ভাবে স্থায়ী ঘৰ নিৰ্মাণ কৰিব নোৱাৰি) নিৰ্মাণ কৰিবলৈ সংৰক্ষণ কৰি ৰখা ঠাই টুকুৰাৰ কাষতে হাবিৰে আগুৰা অৰ্ধনিৰ্মিত ঘৰটিৰ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলা হয়। যিটো এতিয়া (২০০৭ চনৰ পৰা) বিউটিচিয়ান ট্ৰেইনিং এণ্ড পাৰ্চনেল গ্ৰুমিং, কাফেটেৰিয়া আদিৰ বাবে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ পিচতে মনলৈ আহে এটি স্থায়ী সভাগৃহ নিৰ্মাণৰ চিন্তা কিয়নো তেতিয়ালৈকে সভা এখন অনুষ্ঠিত কৰিবলৈ দুটা কোঠাৰ মাজৰ বেৰা আঁতৰাই (৭ আৰু ৮+৯ নং কোঠাৰ বেৰ) হলঘৰ তৈয়াৰ কৰাৰ উপৰিও এটি অস্থায়ী মঞ্চ সজাৰ প্ৰয়োজন হৈছিল। ঠাই বিচাৰি পোৱা গ'ল ছাত্ৰী জিৰণি কোঠাৰ কাষৰ নিৰ্মাণ কৰিবলৈ বাকী থকা প্ৰথম মহলৰ এক অংশ (১,২,৩ নং কোঠাৰ ওপৰৰ প্ৰথম মহলৰ অংশ)। জোখ-মাখ কৰি দেখা গ'ল ৩৪ ফুট বহল আৰু ৬০ ফুট দীঘল এক উপযুক্ত জোখৰ ঠাই পোৱা গৈছে - ভবা মতেই কলেজ পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে কামত হাত দিয়া হ'ল। কলেজ উন্নয়ন পুঁজিৰ সীমিত টকাৰে নিৰ্মাণ কৰিব লগা হোৱাৰ বাবে প্ৰতিটো খোজতে হাত ধৰি কামত আগবাঢ়িলো। উন্নত মানৰ এটি সভাঘৰ নিৰ্মাণৰ কথা ভবা হ'ল যদিও আৰ্থিক সংকটে জলা-কলা খুৱালে, কাৰিকৰি দিশৰ দিহা-পৰামৰ্শ অতি কম খৰছতে বন্ধুস্থানীয় অভিযন্তাৰ পৰা সংগ্ৰহ, পৰিকল্পনাৰ সঘন পৰ্য্যালোচনা আদিৰ অন্তত ২০০৭ চনত ঘৰটিৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিলো। কাৰিকৰি বহুবোৰ কথাত নিজৰ যুক্তিপূৰ্ণ চিন্তাৰে (Reasonable thinking) আগস্থান দি অতি কম খৰছতে ঘৰটিৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ সক্ষম হলোঁ। বেৰ আঁতৰাই সভাঘৰ তৈয়াৰ কৰা সেই তিক্ততা নোহোৱা হোৱাৰ লগতে বাহিৰা অনুষ্ঠান প্ৰতিষ্ঠানক সভা পাতিবলৈও সুবিধা কৰি দিয়া হ'ল আৰু কলেজে এনে প্ৰতিষ্ঠানৰ পৰা ভাৰা সংগ্ৰহ কৰি আৰ্থিক ভাবে লাভান্বিত হৈছে।

গ্ৰন্থাগাৰ শিক্ষানুষ্ঠান এখনৰ এটি মূল অংগ। দায়িত্ব লোৱাৰ দিন ধৰি কেন্দ্ৰীয় গ্ৰন্থাগাৰটিৰ প্ৰসাৰ আৰু অন্য দিশৰ উন্নয়নৰ কথা থিৰাং কৰিছিলো আৰু সেই বাবেই এই দিশতো মনোনিবেশ কৰিলো। আগৰ দৰেই আৰ্থিক সংকট থকা স্বত্বেও কলেজ উন্নয়ন পুঁজিৰ পৰাই প্ৰথম মহলৰ বাকী ৰোৱা এক অংশ (প্ৰায় ২,০০০ বৰ্গ ফুটৰ) নিৰ্মাণৰ যোগেদি গ্ৰন্থাগাৰটিৰ প্ৰসাৰৰ কৰা চিন্তা কৰা হ'ল। দৈনিক হাজিৰাৰ যোগেদি এই অংশটিৰ নিৰ্মাণো অতি কম খৰচতে সম্পূৰ্ণ হৈ উঠিল এবছৰতকৈও কম সময়তে। অংশটিৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাত গ্ৰান্থাগাৰটিৰ পঠন কোঠাৰ (Reading Hall) আসন আগতকৈ দুগুণ কৰিব পৰা হ'ল। ইয়াৰ লগে লগে আন এক অংশৰ কিছু পৰিৱৰ্তন সাধি ইণ্টাৰনেটৰ বাবে কমেও ১৫ টা কম্পিউটাৰ ৰাখিব পৰা জোখৰ এটি আহল বহল কোঠাও সাজু কৰি তোলা হ'ল।

ইংৰাজীত কোৱা হয় 'ফাৰ্ষ্ট ইম্প্ৰেচন ইজ দি লাষ্ট

ইম্প্রেচন' সেয়ে ঠিক কৰা হ'ল অধ্যক্ষৰ কোঠাৰ কিছু উন্নতি সধাৰ। ঠাইৰ অভাৱৰ বাবে যিমান পৰিৱৰ্তনৰ প্ৰয়োজন আছিল সিমান কৰিব পৰা নহয় যদিও সম্ভৱপৰ সংবৰ্ধন ঘটোৱা হ'ল। ছাত্ৰী সকলে ফিজ দিয়াৰ সময়ত শাৰী পাতি থাকোতে ৰ'দ বৰষুণে প্ৰায়ে আমনি কৰে বাবে আহল-বহল চালিৰ ব্যৱস্থা কৰি দিয়া হ'ল আৰু ইতিমধ্যে থকা চাইকেল-স্কুটাৰ, ষ্টেণ্ডটোৰো প্ৰসাৰ ঘটোৱা হ'ল। চৌহদৰ পৰা অতিৰিক্ত পানী ওলাই যাবলৈ এটি নলাৰ (১৩, ১৪, ১,২, আৰু ৩ নং কোঠাৰ আগেদি) নিৰ্মাণ কৰা হয় ২০০৭।

কলেজখনৰ আন এটা প্ৰধান অভাব যোগদান কৰা দিনৰ পৰাই অনুভূত হৈছিল। সেয়া হ'ল বিভাগীয় অফিচ কোঠাৰ (Departmental Office) অভাৱ। বহু বাধা যিথিনিৰ অন্তত মূল চৌহদত থকা কলাবিভাগৰ সকলোবোৰ বিভাগৰ বাবে একোটিকৈ বিভাগীয় অফিচ কোঠাৰ যোগানৰ কাম সম্পন্ন কৰিব পৰা যায় ২০১০ চনত; আশা কৰা হৈছে ইয়াৰ যোগেদি কলেজখনৰ সকলোবোৰ দিশতে আমূল পৰিৱৰ্তন আহিব।

আধুনিক যুগৰ শিক্ষানুষ্ঠান সমূহ কম্পিউটাৰ, জেৰক্স মেচিন, প্ৰয়োজনীয় চফ্‌ট্‌ৱেৰ, প্ৰজেক্টৰ এইবোৰৰ অবিহনে সম্পূৰ্ণ নহয়। ইয়াৰ লগে লগে এনে আধুনিক সা-সৰঞ্জাম সমূহ চলাবৰ বাবে প্ৰয়োজন হোৱা অবিৰত বিদ্যুৎ যোগানৰ বাবে জেনেৰেটৰ আন এক প্ৰয়োজনীয় সামগ্ৰী। এইবোৰ দিশলৈ লক্ষ কৰিয়েই কলেজত বিভিন্ন উৎসৰ যোগেদি প্ৰায় ষাঠিটা কম্পিউটাৰ (২০১০ চনলৈকে) চাৰিটা অত্যাধুনিক ডিজিটেল জেৰক্স মেচিন, ১৫ টা লেজাৰ প্ৰিণ্টাৰ, চাৰিটা LCD প্ৰজেক্টৰৰ উপৰিও অত্যাধুনিক EDUSAT ব্যৱস্থাৰ যোগেদি বিশ্বৰ বিভিন্ন শিক্ষানুষ্ঠানৰ লগত যোগাযোগৰ ব্যৱস্থা কৰা হৈছে, কলেজ অফিচ আৰু গ্ৰন্থাগাৰৰ বিভিন্ন কাম অধিক খৰতকীয়া আৰু সহজকৈ কৰিবৰ বাবে ২০০৬ চনৰ পৰাই আধুনিক চফ্‌ট্‌ৱেৰ প্ৰগ্ৰেম ব্যৱহাৰ কৰা হৈছে। শেহতীয়া ভাবে ২০১০ চনৰ পৰা আধুনিক ক্ল'জ চাৰ্কিট কেমেৰা (Close circuit camera) সংস্থাপনেৰে কলেজৰ গ্ৰন্থাগাৰ, কাৰ্য্যালয় কম্পিউটাৰ কক্ষ, চৌহদৰ বিভিন্ন স্থান নিৰাপত্তা সহায়ক কৰি তোলা হৈছে। সকলো কৰ্মচাৰীৰ উপস্থিতি অধিক বিজ্ঞানসন্মত কৈ সংৰক্ষণৰ বাবে আধুনিক উপস্থিতি অধিক বিজ্ঞানসন্মত কৈ সংৰক্ষণৰ বাবে আধুনিক উপস্থিতি মেচিন স্থাপন কৰা হৈছে। অবিৰত বিদ্যুৎ যোগানৰ বাবে মূল চৌহদত এটি বৃহদাকাৰৰ চাইলেণ্ট জেনেৰেটৰ বহুওৱা হৈছে। কলেজৰ ভিতৰত খৰতকীয়া যোগাযোগৰ বাবে সকলোবিভাগ সামৰি ইণ্টাৰকমৰ ব্যৱস্থা কৰা হৈছে।

শিৱসাগৰ কলেজত শিক্ষক হিচাবে কৰ্মৰত হৈ থকা কালত শ্ৰেণী কোঠাত এটা অভাব অনুভূত হৈছিল, সৰহীয়া ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণী কোঠাত শেষৰ ফালে বহা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ পাঠদান স্পষ্টকৈ শুনাৰ উপায় কৰিব পাৰিনে? এই অসুবিধা কেনেকৈ দূৰ কৰিব পৰা যায়? - এই চিন্তাৰ উত্তৰ স্বৰূপে বহুত বিচাৰ খোচাৰ কৰাৰ অন্তত ওচৰৰ কোঠাত আমনি নোহোৱাকৈ আৰু শিক্ষকৰ মুক্ত চলা ফিৰা অসুবিধা নোহোৱা সীমিত প্ৰাবল্যৰ বেতাৰ মাইকৰ সন্ধান পালো আৰু এটা দুটাকৈ চাৰিটা ডাঙৰ শ্ৰেণী কোঠাত এই ব্যৱস্থা লগোৱা হ'ল। শিক্ষক সকলে, বিশেষকৈ সৰু মাতৰ শিক্ষক সকলে এই ব্যৱস্থা কম দিনতে এক অপৰিহাৰ্য্য ব্যৱস্থা হিচাবে গণ্য কৰিবলৈ ললে আৰু ছাত্ৰী সকলো বিশেষভাৱে উপকৃত হ'ল।

ৰাতিপুৱা ৯ বজাৰ পৰা আবেলি ৪ বজালৈকে শিক্ষক-ছাত্ৰী আৰু অন্যান্য কৰ্মচাৰীয়ে নিজ নিজ কামত ব্ৰতী হৈ থাকোঁতে যাতে সময়ত উপযুক্ত মূল্যত পেটৰ ভোক পলোৱাব পাৰে তাৰ বাবে কেণ্টিনখনৰ উন্নতি সধা হয়, পৰিষ্কাৰ-পৰিচ্ছনতাৰ উপৰিও স্বাস্থ্য সন্মত খাদ্য সামগ্ৰী যোগানৰ বাবে কেণ্টিন পৰিচালকক বিশেষভাৱে নিৰ্দেশ দিয়া হৈছে। বৃদ্ধি হোৱা ছাত্ৰীৰ সংখ্যালৈ চাই এখন নতুন কাফেটৰীয়াৰ ব্যৱস্থাও কৰা হ'ল ২০০৮ চনৰ পৰা।

**৩) বিজ্ঞান চৌহদ ঃ-** ২০০৪ চনত অধ্যক্ষৰ দায়িত্ব লৈয়ে অসম চৰকাৰৰ বুনিয়াদ আঁচনিৰ যোগেদি ১০ লাখ টকাৰে শ্ৰেণী কোঠা নিৰ্মাণৰ সুবিধা পাঁও। সিদ্ধান্ত কৰা হ'ল ১৯৮৯ চনতে বিজ্ঞান চৌহদৰ একাংশত ৮৪ টা পাইল (Piling) কৰি থোৱা ঠাইতে বুনিয়াদ ঘৰটিৰ নিৰ্মাণ কৰা হওঁক, ইয়াৰ ফলত ভেঁটি নিৰ্মাণৰ খৰছো বহু পৰিমাণে ৰাহি হ'ব। কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে পাইল সমূহৰ অৱস্থা এনে নিম্ন মানৰ আছিল যে তাৰ ওপৰত ঘৰ সজাটো আত্মঘাটি বিবেচনাহে হ'ব, ইয়াৰ কাৰণ জানিবৰ বাবে সেই সময়ত ইয়াৰ দায়িত্বত থকা প্ৰাক্তন অধ্যাপক শ্ৰীযুত শিৱিষ ভট্টাচাৰ্য্য দেৱৰ লগত আৰু সংশ্লিষ্ট মিস্ত্ৰীৰ লগত যোগাযোগ কৰাতো প্ৰকৃত ৰহস্য উদ্ধাৰ কৰিব পৰা নগ'ল। সি যি কি নহওঁক প্ৰায় ২৪০০ বৰ্গ ফুটৰ কেইবা মহলৰো সুবিধা থকা এটি ঘৰ এই আঁচনিৰ যোগেদি নিৰ্মাণ কৰা হ'ল আৰু ঘৰটিৰ নিৰ্মাণৰ খৰছৰেই বাটৰ কাষৰ জৰাজীৰ্ণ ফেন্সিং আঁতৰাই পকী বেৰো নিৰ্মাণ কৰি চৌহদটো নিৰাপদ কৰি তোলা হ'ল।

২০০৭ চনত বুনিয়াদ ঘৰটিৰ ওপৰত প্ৰথম মহল নিৰ্মাণৰ কামো সম্পন্ন কৰা হয় আৰু এই দুয়োটা মহলত নতুনকৈ পৰিকল্পনা কৰা গ্ৰাম্য উন্নয়ন কেন্দ্ৰ (Centre for Rural Development) আৰু সংস্কৃতি জুনিয়ৰ কলেজ

প্ৰতিষ্ঠা কৰা হয়। উল্লেখযোগ্য যে ১৯৮৯ চনতে প্ৰতিষ্ঠাপিত কলেজৰ বিজ্ঞান শাখাটো চৰকাৰী সা-সুবিধাৰ আওতালৈ নহা বাবে শিক্ষক সকলে অতি কম বেতনতে শিক্ষাদান কৰিব লগা অৱস্থাটোৰ অবসান ঘটোৱাৰ পৰিকল্পনা আৰু ছাত্ৰীৰ লগতে ছাত্ৰ সকলকো শিক্ষা লাভৰ সুবিধা দিয়াৰ বাবেই ২০০৭ চনৰ পৰা সংস্কৃতি জুনিয়ৰ কলেজ খোলা হয়। ২০১০ চনত বুনিয়াদ ঘৰটিৰ দ্বিতীয় মহলো সাজি উলিওৱা হৈছে।

২০১০ চনতে বিজ্ঞান ভৱনৰ ওপৰতো তৃতীয় মহল সাজি উলিওৱা হৈছে যাৰ যোগেদি বিজ্ঞান শাখাৰ পৰীক্ষাগাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। ২০০৯ চনৰ পৰা অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ (Assam Science Technology and Environment Council) ৰ আৰ্থিক অনুদানেৰে আৰম্ভ কৰা আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বাবেও এই মহলতে কাৰ্য্যালয়ৰ লগতে এটি প্ৰয়োগশালা আচুতীয়াকৈ ৰখা হৈছে।

গ্ৰাম্য উন্নয়ন কেন্দ্ৰৰ বাবে প্ৰয়োজন হোৱা কেচুসাৰ উৎপাদনৰ বাবে দুটা কোঠা যুক্ত এটি সৰু ঘৰো বিজ্ঞান চৌহদত নিৰ্মাণ কৰা হৈছে। গাৰ্হস্থ্য বিজ্ঞান বিভাগত ৫ লাখ টকীয়া এটা নতুন ঘৰ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে। সংস্কৃতি জুনিয়ৰ কলেজ আৰু বিজ্ঞান শাখাৰ ছাত্ৰীৰ বাবে প্ৰয়োজন হোৱা কেণ্টিনৰ ব্যৱস্থাও কৰা হৈছে আৰু বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ জোৰা মাৰিবলৈ দুখন কেণ্টিনৰ ব্যৱস্থা কৰা হৈছে।

**৪) <u>ছাত্ৰী নিবাস ঃ-</u>** প্ৰায় ১৩০ গৰাকী ছাত্ৰী থাকিব পৰা এটি পুৰণি ছাত্ৰী নিবাসৰ সম্প্ৰসাৰণ ঘটাই নতুনকৈ দুটা ছাত্ৰী নিবাস নিৰ্মাণ কৰি উলিওৱা হৈছে আৰু তৃতীয় এটি নিৰ্মাণৰত অৱস্থাত আছে (২০১০ চনত) নতুন ছাত্ৰী নিবাসত আধুনিক সকলো সা-সুবিধাৰ ব্যৱস্থা ৰখা হৈছে। সভা-সমিতিৰ বাবে আচুতীয়া সভাঘৰৰ ব্যৱস্থাও নতুনকৈ নিৰ্মিত ছাত্ৰী নিবাসত কৰা হৈছে। স্বাস্থ্য সন্মত শৌচালয় আৰু গা ধোৱা ঘৰো নতুনকৈ নিৰ্মাণ কৰি দিয়া হৈছে। নিৰ্মাণৰত ছাত্ৰী নিবাস কেইটা সম্পূৰ্ণ হৈ উঠিলে আবাসীৰ সংখ্যা ২৫০ লৈ বৃদ্ধি কৰিব পৰা যাব।

উল্লেখযোগ্য যে ২০০৭ চনৰ পৰা ২০১০ চনৰ ভিতৰত ছাত্ৰী নিবাস নিৰ্মাণৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা মুঠ ৮০ লাখ টকাৰ অনুদান লাভ কৰা হয় আৰু **PWD** ৰ গৃহ নিৰ্মাণ শাখাৰ কাৰ্য্যবাহী অভিযন্তা, কলেজৰ পৰা নিয়োজিত অভিযন্তা, শিক্ষক প্ৰতিনিধি আদিৰে গঠিত নিৰ্মাণ কমিটিৰ তত্ত্বাৱধানত পূৰ্ব নিৰ্দ্ধাৰিত প্ৰাক্ কলনৰ যোগেদি কেওটা ছাত্ৰী নিবাস নিৰ্মাণ কৰা হৈছে।

ছাত্ৰী নিবাসত অবিৰত বিদ্যুৎ যোগান আৰু পৰ্য্যাপ্ত পানী যোগানৰ লগতে পৰিষ্কাৰ ৰান্ধনি ঘৰ, শৌচালয়, গা-ধোৱা ঘৰ, সভাঘৰ আদি আৱশ্যকীয় সেৱা সমূহ ত্ৰুটি বিহীন কৈ উপলব্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। ২০০৯ চনৰ পৰা আবাসী সকলৰ সুবিধাৰ বাবে আগৰ গ্ৰন্থাগাৰটিৰ পৰিৱৰ্তন ঘটাই প্ৰয়োজনীয় পাঠ্য পুথিৰ যোগান ধৰা হৈছে। ছাত্ৰী সকলৰ নিৰাপত্তাৰ বাবে চৌহদৰ সুদৃশ্য পকীবেৰৰ উপৰিও লোৰ বেষ্টনীৰ (**Grill**)ৰ ব্যৱস্থা কৰা হৈছে। আবাসী সকলক মবাইল ফোন ব্যৱহাৰত বাৰণ কৰা হৈছে যদিও সকলোৱে যুক্তিপূৰ্ণ ভাবে ব্যৱহাৰ কৰিব পৰাকৈ এটি **WLL** ফোনৰ যোগান ধৰা হৈছে। খেলা-ধূলাৰ বাবে বিভিন্ন সামগ্ৰী, আনন্দ উপভোগৰ বাবে দূৰদৰ্শন যন্ত্ৰ (সৌৰশক্তি চালিত)ৰ ব্যৱস্থা কৰা হৈছে।

সৌৰশক্তি চালিত বিভিন্ন সামগ্ৰী শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী নিবাসৰ বিশেষ লেখত লবলগীয়া সংযোজন। ষ্ট্ৰীট লাইট, হ'ম লাইট, লেণ্টাৰ্ণ এই তিনিও বিধৰ সৌৰশক্তি চালিত ৩৫ টা সৌৰ চাকিয়ে ছাত্ৰী নিবাসৰ সমগ্ৰ চৌহদৰ উপৰিও বিজ্ঞান চৌহদতো বিৰতি বিহীন ভাবে পোহৰৰ যোগান ধৰিছে; প্ৰতিদিনে সকলো আবাসীয়ে ব্যৱহাৰ কৰিব পৰাকৈ সৌৰ উত্তাপক (Solar heater) ৰ যোগেদি গৰম পানী, ৰন্ধনত ব্যৱহাৰ কৰিবলৈ চাৰিটা বিভিন্ন ধৰণৰ সৌৰ চৌকা (Solar Oven) বা বাতৰি আমোদ-প্ৰমোদৰ বাবে সৌৰ শক্তি চালিত ৰেডিঅ' আৰু টেলিভিচন এই সামগ্ৰী সমূহ ২০০৮ চনৰ পৰাই কাৰ্য্যক্ষম কৰি ৰখা হৈছে। ভাৰত চৰকাৰৰ নব্য আৰু পুনঃ নবীকৰণ যোগ্য শক্তি মন্ত্ৰালয়ে (Ministry of New and Renewable energy) যোগান ধৰা প্ৰায় ১০ লাখ টকাৰে স্থাপন কৰা শক্তি উদ্যান (Energy Park) খনৰ এই সৌৰ শক্তি চালিত সামগ্ৰী সমূহৰ আন কেতবোৰ ৰসায়ন বিজ্ঞানাগাৰতো স্থাপন কৰা হৈছে। শক্তি উদ্যানৰ পাতিত পানী (Distilled water) উৎপাদন কৰা যন্ত্ৰ বিধৰ পৰা গ্ৰাহকক কম মূল্যয়ে পাতিত পানীৰ যোগান ধৰিব পৰা গৈছে।

**৫) <u>বৌদ্ধিক পৰিবেশঃ-</u>** বৌদ্ধিক উত্তৰণেহে এখন শিক্ষানুষ্ঠানৰ গৌৰৱ বঢ়ায়, কেৱল ঘৰ-দুৱাৰে নহয়। সহজলভ্য কৰি তোলা পৰ্য্যাপ্ত সা-সুবিধা আৰু সঘন সকীয়নিৰ যোগেদি ছাত্ৰী সকলৰ চিন্তা ধাৰাৰ পৰিৱৰ্তন সধাত সফল হ'ব পৰা গৈছে- ইয়াৰ প্ৰতিফলন পৰীক্ষা সমূহত দেখা গৈছে। শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বেচি সংখ্যকেই গৱেষণাৰ যোগেদি শৈক্ষিক অৱদান আগবঢ়োৱাৰ লগতে পুথি প্ৰণয়ন, সভা-সমিতিত অংশ গ্ৰহণ আদি কামত হাত দিয়াতো এটা ইতিবাচক পদক্ষেপ। কলেজত এতিয়া কেইবাটাও বিশ্ববিদ্যালয় অনুদান

আয়োগৰ দ্বাৰা অনুবাদিত গৱেষণা প্ৰকল্প চলি থকাতো শুভ লক্ষণ। আমাৰ কাৰ্য্যকালৰ এই ছটা বছৰত দুখন ৰাষ্ট্ৰীয় আৰু এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছে। ছাত্ৰী সকলৰ বাবেও সুকীয়াকৈ আন্তঃ কলেজ আলোচনা চক্ৰ, সঘন ক্ষেত্ৰ অধ্যয়ন (Field study), কৰ্মশালা আদিৰ ব্যৱস্থা কৰা হৈছে। সত্ৰীয়া নৃত্যৰ এমহীয়া কৰ্মশালাও কলেজত অনুষ্ঠিত কৰা হৈছে। কলেজৰ মুখ্য পৃষ্ঠপোষকতাত সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক অধিবেশন, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক অধিবেশন আদি অনুষ্ঠিত কৰা হৈছে।

বৰ্তমান সময়ছোৱাত ছাত্ৰ-ছাত্ৰীক উচ্চ ডিগ্ৰী ধাৰী কৰি তোলাৰ লগতে প্ৰয়োজন সাপেক্ষে এনে কেতবোৰ কাৰিকৰী দিশৰ পাঠ্যক্ৰমৰ যোগান ধৰিব লাগে যিবোৰৰ যোগেদি স্বাৱলম্বী হ'ব পাৰে কিয়নো সকলো স্নাতকক চাকৰি যোগান ধৰা সম্ভৱ নহয়। সেই উদ্দেশ্যেৰেই কলেজত ২০০৭ চনৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্যত Interior Decoration, Food Service Management and Special Cookery, Fruit Preservation, BeuticianTraining and Personal grooming, Screen Printing, Montessory School Teacher Training আদি Career Oriented পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। এনেবোৰ পাঠ্যক্ৰমত স্নাতক পৰ্য্যায়ত পঢ়ি থকা অৱস্থাতে ৩-৬ মাহৰ বাবে নামভৰ্ত্তি কৰিব পাৰে আৰু নিজকে সেই বিষয়ত কৌশলী ব্যক্তি হিচাবে গঢ়িব পাৰে আৰু প্ৰয়োজন সাপেক্ষে স্বাৱলম্বীতাৰ দিশত খোজ পেলাব পাৰে।

২০০৭ বৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগত কৰা নিবেদন অনুযায়ী গ্ৰাম্য উন্নয়নৰ ১ বছৰীয়া স্নাতকোত্তৰ ডিপ্লমা (Post Graduate Diploma in Rural Development PGDRD) পাঠ্যক্ৰমৰো প্ৰৱৰ্তন কৰা হয় আৰু এই পাঠ্যক্ৰমত কলেজৰ পৰা ইতিমধ্যে স্নাতক ডিগ্ৰী লৈ ওলাই যোৱা বহুখিনি ছাত্ৰীৰ লগতে অন্যান্য যুৱক-যুৱতীয়েও নাম-ভৰ্ত্তি কৰিছে আৰু এচামে কৃতকাৰ্য্যতাৰে পাঠ্যক্ৰম সমাপ্ত কৰি ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিশ্বনত (NRHM) সংস্থাপন লাভ কৰিছে। এই পাঠ্যক্ৰম কৰা যুৱক-যুৱতীয়ে বেঙ্ক, স্বেচ্ছাসেৱী অনুষ্ঠান আদিতো সংস্থাপন লাভ কৰিব পাৰে আৰু নিজাববীয়াকৈ মৎস, হাঁহ-কুকুৰা, মুগা, মৌ আদি পালনৰ যোগেদি স্বাৱলম্বী হ'ব পাৰে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয় অনুদান আয়োগে এই পাঠ্যক্ৰম চলাবৰ বাবে ২০০৭ চনৰ পৰা ২০১২ চনলৈ এগৰাকী শিক্ষক সহ অনুদান আগবঢ়াইছে।

২০১০ বৰ্ষৰ শেষৰ ফালে কলেজত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদন আৰু অৰ্থ সাহাৰ্য্যৰে শ্ৰী শঙ্কৰদেৱ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যয়ন কেন্দ্ৰ স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে শিৱসাগৰ ছোৱালী কলেজৰ পৃষ্ঠপোষকতাতে অসমীয়া জাতিৰ পিতৃ স্বৰূপ শ্ৰীমন্ত শঙ্কৰদেৱক বিশ্ববিদ্যালয় অনুদান আয়োগৰ যুগান্তকাৰী পুৰুষ (Epoch Making Social Thinkers)ৰ তালিকাত অন্তৰ্ভূক্ত কৰিব পৰা গৈছে। এই দুয়োটা কেন্দ্ৰতে তিনিমহীয়া একোটা পাঠ্যক্ৰমৰ উপৰিও আলোচনা চক্ৰ, কৰ্মশালা, গৱেষণা, গ্ৰন্থ প্ৰণয়ন আদি কাম হাতত লোৱা হৈছে।

২০১১ চনৰ পৰা অন্যান্য কলেজৰ লগতে আমাৰ কলেজ খনেও স্নাতক পৰ্যায়ত ষান্মাষিক পদ্ধতি (Semester System) প্ৰৱৰ্তনৰ বাবে যো-জা চলাইছে। ইয়াৰ বাবে কলেজৰ সাংগঠনিক দিশত আমূল পৰিৱৰ্তনৰ প্ৰয়োজন আহি পৰিছে; বিশেষকৈ প্ৰায় তিনিৰ পৰা চাৰিশ ছাত্ৰীযুক্ত উচ্চতৰ মাধ্যমিক শাখাটো কলেজৰ পৰা উঠাই দিয়াটো। স্নাতক পৰ্য্যায়ৰ বৃহৎ সংখ্যক ছাত্ৰীৰ বাবে প্ৰয়োজন হোৱা পৰ্য্যাপ্ত শিক্ষক কৰ্মচাৰীৰ অবিহনে উচ্চতৰ মাধ্যমিক শাখাটো চলাই যোৱাটো সম্ভৱ নহ'ব, তাৰোপৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ নীতি নিৰ্দেশনাই উচ্চ শিক্ষাৰ অনুষ্ঠানত উচ্চতৰ মাধ্যমিক শাখাটো ৰখাত বাধা আৰোপ কৰিছে। এনে পৰিপ্ৰেক্ষিতত কেবাটাও বিভাগত ২০১১ চনৰ পৰাই স্নাতকোত্তৰ শ্ৰেণী খোলাৰ বাবে বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে কলেজত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ দুটা কেন্দ্ৰৰ যোগেদি দূৰ সংযোগী পাঠ্যক্ৰমৰ যোগান ধৰাৰ উপৰিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ শিক্ষণৰ পাঠ্যক্ৰমৰ যোগেদি স্নাতকোত্তৰ পৰ্য্যায়ৰ পাঠ্যক্ৰম আগবঢ়োৱা হৈছে। এই আটাইকেইটা পাঠ্যক্ৰমতে বহু ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি অধ্যয়ণ অব্যাহত ৰাখিছে।

**উপসংহাৰ** - সময়ৰ লগত খাপ খুৱাই কলেজখনক এটা গতি প্ৰদান কৰাৰ বাবে লব লগা সকলো ধৰণৰ কাৰ্য্য ব্যৱস্থাই লোৱা হৈছে - কায়িক উন্নতিৰ লগে লগে বৌদ্ধিক বিকাশৰ দিশতো গুৰুত্ব দিয়া হৈছে আৰু দাবীদাৰ (Stakeholder) সকলোৰে (ছাত্ৰী, শিক্ষক, অভিভাৱক, বিশ্ববিদ্যালয়, বিশ্ববিদ্যালয় অনুদান আয়োগ আদি) স্বাৰ্থক গুৰুত্ব প্ৰদান কৰাৰ চেষ্টা কৰা হৈছে। নেতৃত্বৰ এই সময়ছোৱাত অজানিতে ৰৈ যোৱা দিশবোৰ আঙুলীয়াই দিয়া সকলোলৈকে আমাৰ ফালৰ পৰা প্ৰতিশ্ৰুতি দিব পাৰো যে সামৰ্থ অনুযায়ী শিৱসাগৰ ছোৱালী কলেজৰ স্বাৰ্থনুকুল এই সকলোবোৰ কাৰ্য্যকৰী কৰাত কেতিয়াও কৃপণালী কৰা নহ'ব। ◻

# সাহিত্য অকাডেমী বঁটা বিজয়ী বিশিষ্টা লেখিকা

# শ্ৰীমতী পূৰবী বৰমূদৈৰ সৈতে এটি সাক্ষাৎকাৰ



সাক্ষাৎগ্ৰহণকাৰী-

**ববিতা দত্ত, ৰেখাৰাণী দত্ত, সীমাশ্ৰী শইকীয়া**

১ নং প্ৰশ্ন - বাইদেউ, সাহিত্য ক্ষেত্ৰলৈ আপোনাৰ আগমন কেনেদৰে ঘটিছিল? এই বিষয়ে কিছুকথা কওঁকচোন।

**উত্তৰ** মই সৰু হৈ থাকোতে মোৰ মনত খেলাইছিলে আৰু সৰুকৈ এটা পদ্য লিখিছিলো। সেই পদ্যটোৰে মোৰ সাহিত্য জীৱনলৈ প্ৰথম আগমণ বুলি ক'ব পাৰি, আৰু তাৰ পিছৰ পৰাই সৰু সৰুকৈ লিখিবলৈ ললো।

২ নং প্ৰশ্ন - পঢ়ি থকা কালৰ পৰাই হওঁক বা সাহিত্যিক জীৱনৰ বহুতো দিশত আপুনি কোনোবা ব্যক্তিৰ পৰা বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰিছিলনে?

**উত্তৰ** মই মোৰ পৰিয়াল, আত্মীয় স্বজন, বন্ধু-বান্ধৱ সকলোৰে পৰা বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰিছিলো। মই ভাবো অনুপ্ৰেৰণা বাবে কাৰো ওচৰ চাপিব নালাগে। প্ৰয়োজন হ'লে প্ৰকৃতি, আকাশৰ তৰা, গছত বহি থকা চৰাইজনী, ফুল এই সকলোৰে সকলোকে অনুপ্ৰেৰণা দিব পাৰে।

৩ নং প্ৰশ্ন - মহাবিদ্যালয়ৰ সৃষ্টি সন্ধানী ছাত্ৰ-ছাত্ৰীসকললৈ এগৰাকী লেখিকা হিচাপে আপোনাৰ পৰামৰ্শ ?

**উত্তৰ** লিখিবৰ বাবে পঢ়া-শুনাও কৰিব লাগিব। নিজৰ লেখাৰ বাহিৰে আনৰ লেখাত পঢ়িব লাগিব। মুঠৰ ওপৰত যিয়ে হাতত পোৱা যায় তাকে পঢ়িব লাগে।

৪ নং প্ৰশ্ন - সামগ্ৰিকভাৱে অসমীয়া সমাজ আৰু সংস্কৃতিলৈ দৃষ্টি দিলে বৰ্তমান যুৱ প্ৰজন্মৰ নৈতিকতা, শিষ্টাচাৰ আদি মূল্যবোধ অৱক্ষয়ৰ দিশত দেখা যায়। ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ সম্পৰ্কে আপুনি কি ভাৱে?

**উত্তৰ** মই ভাবো ডাঙৰ সকলে সৰুবোৰক শিকাব পৰা নাই। ডাঙৰে সৰুবোৰক আদৰ্শ দেখুৱাব পাৰিব লাগিব। অৱক্ষয় যদি হৈছে তেতিয়া হ'লে সৰুবোৰ যিমানেই দায়ী ডাঙৰ সকলো সমানেই দায়ী। কাৰণ মাক-দেউতাকে যিটো কথা শিকাই সৰুবোৰেও সেইটোৰে শিকে।

৫ নং প্ৰশ্ন - সাহিত্য জগতত ভৰি দিয়াৰ পাছৰ পৰা কোনবোৰ দিশে আপোনাক আনন্দ দিয়ে আৰু কোনবোৰ কথাই আপোনাক দুখ দিয়ে?

**উত্তৰ** সৰু সৰু কথায়েও মোক আনন্দ দিয়ে। গছত বহি থকা চৰাইটোৰ মাত শুনিও মই আনন্দ পাওঁ। মাকৰ পিছে পিছে দৌৰি থকা গৰু পোৱালিটো দেখিলেও মই আনন্দিত হওঁ। কোনোবাই কাৰোবাক ভালপাওঁ বুলি কলে, মাকে পুতেকক মৰম কৰা দেখিলে মই আনন্দিত হওঁ।

যেতিয়া এইবোৰ নেদেখো আৰু ইয়াৰ বিপৰীতটোহে দেখো তেতিয়াই মই দুখ পাওঁ।

৬ নং প্ৰশ্ন - সাহিত্যই সমাজ জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে বুলি আপুনি ভাৱে ?

**উত্তৰ** ল'ৰা-ছোৱালীয়ে পঢ়াৰ প্ৰতি ধাউতি

দিলে বাহিৰা কথাবতৰাই বৰকৈ আমনি নকৰিব। পঢ়োতে পঢ়াৰ যিটো আনন্দ, সেই আনন্দটো পালে ল'ৰা-ছোৱালী ধ্বংসৰ ফালে নাযাব। সেইকাৰণে সাহিত্যৰ এটা বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

৭ নং প্ৰশ্ন - জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কি? জীৱনটোক আপুনি কেনেভাৱে গ্ৰহণ কৰে? এই জীৱনটোক লৈ আপুনি সুখীনে?

উত্তৰ জীৱনেই প্ৰেম। প্ৰেম জীৱন। প্ৰেমৰ অবিহনে একো কাম নাই। সকলোৰে সকলোকে ভাল পাব লাগিব।

জীৱনটোক মই ভাল পাওঁ। জীৱনটোক ভালপোৱাৰ উৎস হিচাপে গ্ৰহণ কৰো।

সুখী। এই জীৱনটোক লৈ মই সুখী।

৮ নং প্ৰশ্ন - বাইদেউ, বৰ্তমান অসমত অসমীয়া সাহিত্যৰ পঢুৱৈ কমি আহিছে বুলি প্ৰায়ে শুনা যায়। এই ক্ষেত্ৰত আপোনাৰ মতামত?

উত্তৰ অসমতেই নহয়, সাহিত্যৰ মূল্য কমি আহিছে সকলোতে। সাহিত্যৰ মূল্য কমি অহাটোৱে মোক দুখীত কৰে। কোনোবাই যদি গল্প, কবিতা নপঢ়ে তেতিয়া মই দুখ পাওঁ।

৯ নং প্ৰশ্ন - কেনেধৰণৰ গল্প বা উপন্যাসে পঢুৱৈ সমাজৰ অধিক উন্নতি সাধিব বুলি আপুনি ভাৱে?

উত্তৰ আনন্দ দিব পৰা যিকোনো কথাই মানুহক আনন্দ দিয়ে। সুখী হ'লেই মানুহে অন্য অমংগলৰ ফালে ধাৱিত নহয়। গতিকে, আনন্দদান কৰিব পৰা যিকোনো গল্প বা উপন্যাসেই পঢুৱৈ সমাজৰ অধিক উন্নতি সাধিব বুলি মই ভাবো।

১০ নং প্ৰশ্ন - আপোনাৰ নষ্টালজিয়াৰ বিষয়ে অলপ ক'ব নেকি? যিয়ে আজিও আপোনাৰ মনৰ দুৱাৰত টোকৰ মাৰেহি?

উত্তৰ সৰু হৈ থাকোঁতে যিখন এৰাবাৰীত মই আপোনমনে লগৰীয়াৰ লগত ঘূৰি ফুৰিছিলো সেইখন এতিয়া এৰাবাৰী নোহোৱা হৈ গৈছে। তাত মই এতিয়া কেতেকী ফুলপাহঁ নেদেখো, ধেকীৰ মাত নুশুনো। হাবিখনৰ মাজত থাকিও শিয়ালৰ মাজ নুশুনো। এইবোৰেই মোৰ নষ্টালজিয়াৰ কাৰণ।

১১ নং প্ৰশ্ন - সাম্প্ৰতিক অসমীয়া সাহিত্যক লৈ আপুনি সুখী নে? 'ভৱিষ্যত অসমীয়া সাহিত্য' কেনে হোৱাটো বিচাৰে?

উত্তৰ সুখী। মই দেখিছো, অসমীয়া সাহিত্যত লিখিবৰ বাবে অহা বহুকেইজন, কবি, লেখকেই প্ৰতিভাসম্পন্ন।

সাহিত্য সাহিত্যৰ নিচিনা হোৱাটোৱে বিচাৰো।

১২ নং প্ৰশ্ন - বাইদেউ, বৰ্তমান নাৰী অধিকাৰ সম্পৰ্কে বহু বাক-বিতৰ্ক চলি আছে। এই সম্পৰ্কে আপোনাৰ মতামত?

উত্তৰ নাৰীবাদৰ বিষয়ে মোক সুধি লাভ নাই। নাৰীবাদৰ বিষয়ে চৰ্চা কৰা মানুহক সুধীলেই তেওঁলোকে জানিব। বৰ্তমানলৈকে মোৰ এই বিষয়ে কিতাপ-পত্ৰ পঢ়া ভালকৈ হোৱা নাই।

১৩ নং প্ৰশ্ন - বাইদেউ, আপোনাৰ এনে কোনো গল্প বা উপন্যাস আছে নেকি? যিখন নিজৰ জীৱনত ঘটা বাস্তৱ ঘটনাৰ আধাৰত ৰচিত?

উত্তৰ যিকোনো সাহিত্যিকেই ক'ব যে মানুহে লিখা প্ৰত্যেকটো কথায়ে অভিজ্ঞতাসম্পৃক্ত। অভিজ্ঞতা নহ'লে কোনেও এটা লাইনো লিখিব নোৱাৰে, মইও নোৱাৰো। সেইকাৰণে মই ক'ব বিচাৰিছো জীৱনৰ অৰ্থ হ'ল অভিজ্ঞতা। জীৱন হ'ল অভিজ্ঞতাৰ সমষ্টি।

১৪ নং প্ৰশ্ন এটা ব্যক্তিগত কথা সোধো আপোনাৰ সাহিত্যিক জীৱনৰ আঁৰত এনে কোনো ব্যক্তি বা ঘটনা আছে নেকি যাৰ অবিহনে আপুনি হয়তো বৰ্তমান অৱস্থাত উপনীত হ'ব নোৱাৰিহেঁতেন?

উত্তৰ নিশ্চয় আছে। মোৰ মা-দেউতাই মোৰ জন্ম দি ডাঙৰ দীঘল নকৰাহ'লে, মোক কিছুমান কথা নিশিকোৱা হ'লে মই আজিৰ অৱস্থাত উপনীত হ'ব নোৱাৰিলোহেঁতেন।

১৫ নং প্ৰশ্ন - নবীনচাম লেখকৰ প্ৰতি আপোনাৰ কোনো উপদেশ?

উত্তৰ উপদেশ দিব পৰাকৈ মই ইমান সমৃদ্ধ নহয়। কিন্তু মই এটা কথা কওঁ নবীন চামে বা যিকোনোৱে প্ৰচুৰ কিতাপ পঢ়িব লাগিব। তেতিয়াহে যিকোনো সুকুমাৰ কলা আয়ত্ব কৰিব পাৰে।



# কেন্দ্ৰীয় গ্ৰন্থাগাৰ আৰু তথ্য কেন্দ্ৰ, শিৱসাগৰ ছোৱালী কলেজ

## — এক চমু অৱলোকন


**অভিজিত বৰপূজাৰী**

গ্ৰন্থাগাৰিক






ঐতিহাসিক নগৰ শিৱসাগৰ। এই শিৱসাগৰ নগৰৰে স্বাক্ষৰ বহনকাৰী এটি কীৰ্ত্তিচিহ্ন শিৱদৌল। এই শিৱদৌলৰে চৰণস্থলত অৱস্থিত শিৱসাগৰ অঞ্চলৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষানুস্থান শিৱসাগৰ ছোৱালী কলেজ। এই মহাবিদ্যালয়ৰে প্ৰাণকেন্দ্ৰস্বৰূপ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি আৰু আজি আমাৰ লেখাৰ মূল বিষয়বস্তু।

বহুতো ব্যক্তিৰ আশাশুধিয়া প্ৰচেষ্টাৰ ফলত জন্ম হৈছিল শিৱসাগৰ ছোৱালী কলেজ ১৯৬৪ চনত আৰু লগে লগেই জন্ম লাভ কৰিছিল মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিয়েও। বহুতো ঘাট-প্ৰতিঘাটৰ মাজেৰে আহি গ্ৰন্থাগাৰটিয়ে আজিৰ এই অৱস্থা পাইছেহি। ইতিমধ্যে গ্ৰন্থাগাৰটিৰ নতুন নামাকৰণ কৰা হৈছে ‘কেন্দ্ৰীয় গ্ৰন্থাগাৰ আৰু তথ্য কেন্দ্ৰ’ (Central Library and Information Centre) নামেৰে।

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন চাৰৰ নেতৃত্বত মহাবিদ্যালয়খনে বৰ্তমানে নতুন দিগন্তৰ ফালে গতি কৰিছে। গ্ৰন্থাগাৰৰ উন্নয়নৰ বাবে তেখেতে কৰা প্ৰচেষ্টা সঁচাই অনিৰ্বচনীয়। আজি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত সৰ্বমুঠ ৪০,০০০ তকৈও অধিক গ্ৰন্থ, আলোচনী, সংবাদ পত্ৰ,

CD, DVD আদি মজুত আছে আৰু এই বিলাকৰ সুবিধা উপভোগ কৰিব পৰাকৈ পৰ্যাপ্ত সা-সুবিধা কৰ্তৃপক্ষৰ ফালৰ পৰা কৰি দিয়াৰ চেষ্টা কৰা হৈছে।

মহাবিদ্যালয়ৰ এই গ্ৰন্থাগাৰটিত বৰ্তমানলৈকে সংগৃহিত গ্ৰন্থৰ মুঠ সংখ্যা হ'ল ২৫,৩৫০ খন। আজি পৰ্যন্ত সংগ্ৰহ কৰা বিভিন্ন সাময়িক পত্ৰিকাৰ পৰিমান হ'ল ১২,৬২৬ খন। গ্ৰন্থৰ ভিতৰত বিভিন্ন বিষয়ৰ পাঠ্যপুথিৰ মুঠ সংখ্যা ১২২৭২ খন, প্ৰসংগ পুথিৰ সংখ্যা ৮৬০২ খন আৰু সাধাৰণ গ্ৰন্থ ৪৪৭৬ খন মজুত আছে। পাঠ্যপুথিৰ ভিতৰত কলা শাখাৰ অসমীয়া, ইংৰাজী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, বুৰঞ্জী, ভুগোল বিজ্ঞান, গাৰ্হস্থ্য বিজ্ঞান। বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, উদ্ভিদ বিজ্ঞান, প্ৰাণীবিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞানৰ উপৰিও পৰিবেশ বিজ্ঞানৰো পাঠ্যপুথি মজুত আছে। প্ৰসংগ পুথিৰ ভিতৰত মুলত 'Encylopaedia, Dictionary, Thesaurus, Yearbook, Guidebook, Handbook, Directory, Reports, Map, Atlas, Almanac, অসমীয়া অভিধান, বিশ্বকোষ, সাধাৰণ জ্ঞানৰ কিতাপৰ লগতে পাঠ্যপুথিৰ সহায়কগ্ৰন্থ ইত্যাদিৰ সমাহাৰ আছে। অন্যান্য গ্ৰন্থৰ ভিতৰত জীৱনী, আত্মীজীৱনী, ৰচনাৱলী, সংকলিত গ্ৰন্থ , গল্প, উপন্যাস, ভ্ৰমন কাহিনী, অনুবাদ সাহিত্য ইত্যাদি পোৱা যায়।

সাময়িক পত্ৰিকাৰ ক্ষেত্ৰত বৰ্তমানে ক্ৰয় কৰি থকা বিভিন্ন পত্ৰিকাৰ সংখ্যা হ'ল ২২ খন। এই বিলাকৰ ভিতৰত National Geography, Economic and Political weekly, University News, Third Concept, Pramana, Resonance, Current Science, Yojana, JSL, Edu, India Today, Frontline, Newsweek, The Week, Competition Success Review, Womens Era, Dream 2047, Spirit, Fortune ইংৰাজী ভাষাত, অসমীয়া ভাষাত প্ৰান্তিক, গৰিয়সী, প্ৰিয় সখী, পুবেৰুণ, সনাতন সাৰথী, অসমীয়া সাৰেগামা, কেৰিয়াৰ গাইড, কথা, হিন্দী ভাষাত নাগৰি পত্ৰিকা, বিধি ভাৰতী আদিয়েই প্ৰধান।

গ্ৰন্থাগাৰত লোৱা বিভিন্ন বাতৰি কাকতসমূহৰ ভিতৰত ইংৰাজী ভাষাৰ The Hindu, Times of India, The Sentinel, The Telegraph, The Assam Tribune, Employment News, অসমীয়া ভাষাৰ দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, আজিৰ দৈনিক বাতৰি, আমাৰ অসম, সাদিন অসম বাণী আদিয়েই প্ৰধান।

এই বিলাকৰ উপৰিও বিভিন্ন গৱেষণা পত্ৰ (Thesis, Dissertation, Project Report) আদিৰ লগতে প্ৰায় ৪০ খন মান Digital Document মজুত আছে। এই বছৰৰ পৰাই গ্ৰন্থাগাৰত এটি E-Library ৰ ব্যৱস্থা কৰা হৈছে। ইয়াত ছাত্ৰী তথা শিক্ষকসকলৰ সহায়ক হোৱাকৈ Online Journal. আৰু E-Book উপলব্ধ হ'ব।

**সংগ্ৰহালয় ঃ**

মহাবিদ্যালয় গ্ৰন্থাগাৰত এটি ক্ষুদ্ৰ অথচ সমৃদ্ধিশালী সংগ্ৰহালয় ব্যৱস্থা কৰা হৈছে য'ত বহুতো আপুৰুগীয়া সম্পদৰ যেনে -- অসমীয়া সমাজ জীৱনৰ লগত জড়িত বিভিন্ন সামগ্ৰী, মাছ মৰা সঁজুলী, বোৱা কটা সঁজুলী, ঘৰুৱা কাম কাজৰ লগত জড়িত সঁজুলী, অলংকাৰ, বাদ্যযন্ত্ৰ, বিভিন্ন জনগোষ্ঠীয় সাজ-পাৰৰ নমুনা, বিভিন্ন ৰাষ্ট্ৰৰ পুৰণি মুদ্ৰা, গ্ৰামোফোন ৰেকৰ্ড প্লেয়াৰৰ লগতে পুৰণি সাঁচিপাতৰ পুথি আদি বুৰঞ্জী আৰু অসমীয়া বিভাগৰ সহযোগত সংগ্ৰহ কৰি সজোৱাৰ ব্যৱস্থা কৰা হৈছে। পুৰণী সাঁচিপাতৰ পুথি, পুৰণী গ্ৰন্থবিলাকক স্কেন পদ্ধতিৰ দ্বাৰা কাৰিকৰীভাৱে সংৰক্ষিত কৰাৰো ব্যৱস্থা কৰা হৈছে। অদূৰ ভৱিষ্যতে এই সংগ্ৰহালয়টিক অধিক সম্পদেৰে ভৰপুৰ কৰাৰ আঁচনি আছে।

**গ্ৰন্থাগাৰত ছাত্ৰীসকলে লাভ কৰা বিভিন্ন সুবিধা সমূহ ঃ**

গ্ৰন্থাগাৰত ছাত্ৰীসকলৰ বাবে পৰ্যাপ্ত সুবিধাৰ ব্যৱস্থা কৰা হৈছে। তাৰে কিছুমান সা-সুবিধাৰ বিষয়ে তলত চমুকৈ বৰ্ণনা কৰাৰ প্ৰয়াস কৰা হৈছে।

১। Open Access : গ্ৰন্থাগাৰত ছাত্ৰীসকলৰ বাবে মুক্ত প্ৰৱেশৰ ব্যৱস্থা কৰা হৈছে। যি পদ্ধতিৰ দ্বাৰা ছাত্ৰীসকলে নিজৰ পছন্দৰ গ্ৰন্থ কিতাপ থোৱা স্থানৰ পৰা নিজে বাচি লব পাৰে। এনে কাৰ্যৰ দ্বাৰা তেওঁলোকে ক্ষীপ্ৰতাৰে সেৱা লাভ কৰিব পাৰে আৰু নিজৰ প্ৰয়োজনীয় গ্ৰন্থ বিচাৰি লোৱাত সুবিধা হয়।

২। Opac (Online public access Catalogue) : এই পদ্ধতিৰ দ্বাৰা কম্পিউটাৰৰ সহায়ত গ্ৰন্থ বিচাৰি লব পাৰে। ইতিমধ্যে Inflibnet Centre ৰ দ্বাৰা প্ৰদান কৰা SOUL চফটৱেৰৰ সহায়ত গ্ৰন্থাগাৰত মজুত থকা সকলো গ্ৰন্থৰ তালিকাকৰণ কৰা সম্পন্ন হৈছে আৰু গ্ৰাহকসকলে গ্ৰন্থৰ সাৰণী, উপস্থিতি, স্থান ইত্যাদি সৰ্ম্পকে অতি ক্ষীপ্ৰতাৰে জানি ল'ব পাৰে। তাৰ বাবে তেওঁলোকৰ কাৰণে পৃথক কম্পিউটাৰৰ ব্যৱস্থা কৰা হৈছে।

৩। Computerised Circulation : কম্পিউটাৰৰ সহায়ত গ্ৰন্থ আদান-প্ৰদানৰ ব্যৱস্থা। এই ব্যৱস্থাৰ দ্বাৰা ছাত্ৰীসকলে অতি কম সময়তে তেওঁলোকৰ প্ৰয়োজনীয় গ্ৰন্থসমূহৰ আদান-প্ৰদান নবীকৰণ আদি কৰিব পৰা হৈছে। প্ৰত্যেক মেজৰ পাঠ্যক্ৰমৰ ছাত্ৰীৰ বাবে তিনিখনকৈ আৰু পাচকৰ্চৰ ছাত্ৰীৰ বাবে ২খনকৈ গ্ৰন্থ দিয়াৰ ব্যৱস্থা আছে।

৪। Internet : আজিৰ এই তথ্য-প্ৰযুক্তিৰ যুগত ইণ্টাৰনেট অবিহনে আমি যেন এখোজো আগবাঢ়িব নোৱাৰো। সেয়েহে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ লগত ফেৰ মাৰিব পৰাকৈ শৈক্ষিক দিশত ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ এক পদক্ষেপ হিচাপে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত এটি আধুনিক ইণ্টাৰনেট কক্ষ স্থাপন কৰি তাৰ দ্বাৰা ছাত্ৰীসকলক প্ৰয়োজনীয় তথ্যৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। মুঠ ১২ টা কম্পিউটাৰ থকা কক্ষটিত একেসময়তে ২০ গৰাকী ছাত্ৰী আৰু ৪ জন শিক্ষক বহিব পৰাকৈ ব্যৱস্থা কৰা হৈছে।

৫। Edusat : এডুছেটৰ সুবিধা। এডুছেট হ'ল ভাৰতৰ প্ৰথমটো শিক্ষামূলক কৃত্ৰিম উপগ্ৰহ। ভাৰতৰ মহাকাশ গৱেষণা কেন্দ্ৰ আৰু মানৱ সম্পদ বিকাশ দপ্তৰৰ সৌজন্যত আৰম্ভ কৰা এই উপগ্ৰহৰ দ্বাৰা ভাৰতৰ বিভিন্ন শৈক্ষিক কেন্দ্ৰ যেনে UGC, DEC, IGNOU, CEC, Vigyan Prasar আদিৰ জৰিয়তে সম্প্ৰচাৰ কৰা কাৰ্যসূচী ছাত্ৰীসকলক দেখুৱাই নহয় এই বিলাক ৰেকৰ্ড কৰি বিভিন্ন সময়ত ক্লাছ ৰূপত শিক্ষা প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

৬। Book Bank : এই ব্যৱস্থাৰ দ্বাৰা আৰ্থিকভাৱে পিছপৰা আৰু লগতে বিদ্যায়তনিক দিশত উন্নত ফলাফল দেখুওৱা ছাত্ৰীসকলক বিশেষভাৱে গ্ৰন্থ প্ৰদান কৰা হয়। এই ব্যৱস্থাৰ ফলত বহুতো ছাত্ৰী উপকৃত হৈছে। বৰ্তমান এই ব্যৱস্থাৰ অধীনত ৭৯৫ খন গ্ৰন্থ আছে।

৭। Remedial Course for SC/ST : মহাবিদ্যালয়ত অনুসুচিত জাতি-জনজাতিৰ আৰ্থিকভাৱে অনুন্নত ছাত্ৰীসকলৰ বাবে এই বিশেষ প্ৰকাৰৰ শিক্ষাদানৰ ব্যৱস্থা আছে। এই শিক্ষাদান ব্যৱস্থাত সহায়ক হোৱাকৈ অনুসুচিত জাতি-জনজাতিৰ আৰ্থিকভাৱে অনুন্নত ছাত্ৰীসকলক গ্ৰন্থ প্ৰদান কৰা হয়। বহুতো তেনে ছাত্ৰীয়ে এই ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰি যথেষ্ট ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। বৰ্তমান ৫০৮ খন গ্ৰন্থ এই কৰ্চৰ ভিতৰত মজুত আছে। এই গ্ৰন্থসমূহ ক্ৰমে দশম আৰু একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ক্ৰয় কৰা হৈছে। পৰৱৰ্তী সময়ত আৰু অধিক গ্ৰন্থ এই ব্যৱস্থাই সামৰি লব।

৮। Entry into Service : মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সহায় হোৱাকৈ প্ৰতিযোগিতামুলক পৰীক্ষাত অৱতীৰ্ণ হব পৰাকৈ গ্ৰন্থৰ যোগান গ্ৰন্থাগাৰত আছে। যিসকল ছাত্ৰীয়ে এনে গ্ৰন্থ অধ্যয়ন কৰিবৰ ইচ্ছা কৰে সেইসকল ছাত্ৰীয়ে এই ব্যৱস্থাৰ সুবিধা ল'ব পাৰে।

৯। Xerox : বৰ্তমান গ্ৰন্থাগাৰত দুটাকৈ জেৰক্স মেছিন আছে আৰু বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকত, প্ৰশ্নকাকত আদি জেৰক্স কৰাৰ ব্যৱস্থা আছে। অতি কম দামত ছাত্ৰীসকলে গ্ৰন্থাগাৰত থকা জেৰক্সৰ সুবিধা লৈ তেওঁলোকৰ শৈক্ষিক দিশৰ উত্তৰণ ঘটাব পাৰে।

১০। Study Carrel : মহাবিদ্যালয়ৰ অধ্যাপকসকল তথা আন ঠাইৰ পৰা অধ্যয়নৰ বাবে অহা গৱেষকসকলৰ পঢ়াৰ বাবে এক নিৰ্দ্দিষ্ট স্থানৰ ব্যৱস্থা আছে। একেসময়তে ২০ জন ব্যক্তিয়ে পঢ়িব পৰা এই স্থান মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ওপৰ মহলাত স্থাপন কৰা আছে।

১১। Printing & Scanning : মহাবিদ্যালয়ৰ ছাত্ৰী তথা শিক্ষক কৰ্মচাৰীসকলে সুবিধা গ্ৰহণ কৰিব পৰাকৈ গ্ৰন্থাগাৰত প্ৰিণ্টাৰ আৰু স্কেনাৰৰ ব্যৱস্থা আছে। দুটা লেজাৰ প্ৰিণ্টাৰ আৰু এটা ডেক্স জেট প্ৰিণ্টাৰ আৰু এটা স্কেনাৰ মেছিনে বৰ্তমান সেৱা আগবঢ়াই আছে। অতি কম দৰত প্ৰিণ্টিং আৰু স্কেনিং ব্যৱস্থা কৰি দিয়া হয়।

১২। User Education : শিক্ষাৰ্থীক গ্ৰন্থাগাৰৰ ব্যৱহাৰিক জ্ঞান প্ৰদান - এই ব্যৱস্থাৰ দ্বাৰা ছাত্ৰীসকলক বিশেষকৈ নৱাগতা ছাত্ৰীসকল, যি সকলে মহাবিদ্যালয় গ্ৰন্থাগাৰ পূৰ্বতে ব্যৱহাৰ কৰি পোৱা নাই সেইসকলৰ বাবে এক শিক্ষামূলক পাঠদান কৰা হয়। ইয়াৰ দ্বাৰা ছাত্ৰীসকলে গ্ৰন্থাগাৰৰ প্ৰকৃত উদ্দেশ্য তথা উপযুক্ত ব্যৱহাৰ সম্পৰ্কে যথেষ্ট জ্ঞান লাভ কৰিব পাৰে। প্ৰয়োজনৰ সময়ত, কাৰিকৰী প্ৰযুক্তি ব্যৱহাৰ সন্দৰ্ভত শিক্ষক কৰ্মচাৰীসকলৰ বাবেও এনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়।

১৩। Reading Hall : মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত এটি সুন্দৰ পঢ়ুৱৈৰ কোঠালীৰ ব্যৱস্থা আছে য'ত একেলগে ১২০ গৰাকী পঢ়িব পৰাকৈ সুবিধা আছে। পঢ়ুৱৈৰ কোঠাৰ লগতে সংলগ্ন কৰি এটি বিশুদ্ধ খোৱাপানীৰ 'একুৱা ফিল্টাৰ'ৰো ব্যৱস্থা কৰা হৈছে। সাময়িক পত্ৰিকা সমূহ প্ৰদৰ্শিত হৈ থকাকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে আৰু লগতে পুৰণা পত্ৰিকাসমূহো বন্ধাই ৰখা হৈছে যাৰ ফলত ছাত্ৰীসকলে একে ঠাইতে পঢ়িবৰ বাবে সুবিধা হৈছে।

১৪। Career Corner : গ্ৰন্থাগাৰৰ প্ৰৱেশদ্বাৰতে এটি বিশেষ কেৰিয়াৰ কৰ্ণাৰৰ ব্যৱস্থা কৰা হৈছে। এই বৰ্ডত বিভিন্ন স্থানত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা, সাক্ষাৎকাৰ আৰু অন্যান্য কেৰিয়াৰ সম্পৰ্কীয় নথি পত্ৰ ৰখা হয় ছাত্ৰীসকলে নিজৰ প্ৰয়োজনীয় তথ্য তাৰপৰা সংগ্ৰহ কৰি ল'ব পাৰে।

১৫। Overhead আৰু LCD Projector ৰ সুবিধা ঃ এই কাৰিকৰী সুবিধাৰ দ্বাৰা ছাত্ৰীসকলে গ্ৰন্থাগাৰৰ ভিতৰতে বৃহৎ 'প্ৰজেকচন স্ক্ৰীন'ত এডুছেট প্ৰগ্ৰেম, ইণ্টাৰনেটৰ লাইভ প্ৰগ্ৰেম আৰু অন্যান্য প্ৰেজেণ্টেছনৰ ক্লাছ লাভ কৰিব পাৰে।

এই বিলাকৰ উপৰিও ছাত্ৰীসকলৰ বাবে এটা Suggestion Box স্থাপন কৰা হৈছে য'ত তেওঁলোকে বিভিন্ন পৰামৰ্শ, অভাৱ অভিযোগ আদি দাখিল কৰিব পাৰে। নতুনকৈ

গ্ৰন্থাগাৰত অন্তৰ্ভূক্ত কৰা গ্ৰন্থসমূহ প্ৰদৰ্শন কৰিব পৰাকৈ বিশেষ প্ৰকাৰৰ Moving Display Rack ৰ ব্যৱহাৰ কৰা হৈছে। বিশ্ব বিশ্ৰুত বৈজ্ঞানিক, সাহিত্যিক, মুক্তি সংগ্ৰামী, শিল্পী আদিৰ প্ৰতিচ্ছবিৰ লগতে গ্ৰন্থাগাৰৰ জনক এছ. আৰ. ৰংগনাথনৰ প্ৰতিচ্ছবি গ্ৰন্থাগাৰত সযতনে ৰখা হৈছে। বাতৰি কাকত পঢ়িব পৰাকৈ বিশেষ টেবুলৰ ব্যৱস্থা আছে। ছাত্ৰীসকলৰ বাবে Property Counter ৰ ব্যৱস্থা ৰখা হৈছে য'ত ছাত্ৰীসকলে নিজৰ নিজৰ বেগসমূহ সুকলমে ৰাখিব পাৰে। পোহৰ কমি গ'লে জৰুৰী অৱস্থাত ব্যৱহাৰ কৰিব পৰাকৈ সৌৰশক্তিৰ দ্বাৰা চলাব পৰা Solar Tube Light ৰ ব্যৱস্থাও ইতিমধ্যে কৰি ৰখা হৈছে।

গ্ৰন্থাগাৰত গ্ৰন্থবিলাক যাতে নষ্ট নহয় তাৰ প্ৰতি বিশেষ মনোযোগ দিয়া হয়। সাধাৰণতে আমাৰ গ্ৰন্থাগাৰত প্ৰাকৃতিক কীটনাশক দ্ৰব্যহে ব্যৱহাৰ কৰা হয় কিন্তু প্ৰয়োজনীয় স্থানত অন্যান্য ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ নকৰা নহয়, ইয়াৰ মাত্ৰা খুব কম। সাধাৰণতে নিম পাত, চিত্ৰনলা, নেপথালিন বল ইত্যাদি গ্ৰন্থৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। অৱশ্যে নিগনি, এন্দুৰ আদি থাকিব পৰা স্থানবিলাকত ঠাইমল, বেগন আদি ব্যৱহাৰ কৰিব লগা হয়।

তাপমাত্ৰা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত 'চিলিং ফেন', 'ষ্টেণ্ড ফেন', 'ৱাল ফেন', এডজাষ্ট ফেন' আদি ব্যৱহাৰ কৰা হৈছে। ধূলি নিৰাময়ৰ কাৰণে ইতিমধ্যে এটা ভেকুৱাম ক্লীনাৰ ক্ৰয় কৰাৰ কথা চিন্তা কৰা হৈছে। খোজকাঢ়োতে হ'ব পৰা শব্দ নিয়ন্ত্ৰণৰ বাবে ঠায়ে ঠায়ে ডাঠ কাৰ্পেট পাৰি দিয়া হৈছে। গ্ৰন্থাগাৰত সংঘটিত হ'ব পৰা অপৰাধমূলক কাৰ্য যেনে কিতাপ চুৰ কৰা, কিতাপৰ পাত ফলা, পইচাৰ বেগ চুৰি কৰা আদি নিয়ন্ত্ৰণ কৰিব পৰাকৈ বিভিন্ন ঠাইত CCTV Camera লগোৱা হৈছে।

মহাবিদ্যালয়ৰ বৰ্তমানে থকা গ্ৰন্থাগাৰ সমিতিখন গঠন কৰা হয় ২০০৮ চনত। অধ্যক্ষ মহোদয়ক সভাপতি হিচাপে লৈ গঠন কৰা সমিতিখনত আহ্বায়ক আৰু সম্পাদক হিচাপে আছে গ্ৰন্থাগাৰিক, আন আন সদস্যৰ ভিতৰত উপাধ্যক্ষ, তদাৰকী কাৰ্যালয় সহায়ক আৰু এজন জ্যেষ্ঠ শিক্ষক প্ৰতিনিধি থাকে। সমিতিয়ে গ্ৰন্থাগাৰ উন্নয়ণৰ লগত জড়িত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াই। নতুন গ্ৰন্থ ক্ৰয় কৰা, নতুনকৈ আচবাব পত্ৰ কিনা, নতুন আঁচনি তৈয়াৰ কৰা আদি ক্ষেত্ৰ বিলাকত সততে পৰামৰ্শ আগবঢ়ায়। প্ৰত্যেক বছৰতে নতুন শিক্ষাবৰ্ষৰ আগে আগে সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয় আৰু আগন্তুক শিক্ষাবৰ্ষৰ বাবে গ্ৰন্থাগাৰৰ আঁচনি তৈয়াৰ কৰা হয়।

গ্ৰন্থাগাৰটিৰ উন্নয়নত গ্ৰন্থাগাৰ কৰ্মচাৰীসকলৰ ভূমিকা অনস্বীকাৰ্য। তেওঁলোকৰ আশাশুধীয়া প্ৰচেষ্টা তথা কৰ্ম সচেতনতাই গ্ৰন্থাগাৰৰ উন্নয়নৰ চাবি কাঠি। বৰ্তমান আমাৰ গ্ৰন্থাগাৰত এজন গ্ৰন্থাগাৰিক (লেখক নিজে), দুগৰাকী গ্ৰন্থাগাৰ সহায়ক আৰু দুজন গ্ৰন্থাগাৰ বাহক আছে। তেওঁলোকৰ প্ৰত্যেকেই নিজৰ কামসমূহ নিয়াৰিকৈ পালন কৰি আহিছে আৰু সাধ্যানুসৰি সকলোকে সহায়ৰ হাত আগবঢ়াই আহিছে।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষৰ দূৰদৰ্শী দৃষ্টিভংগী তথা প্ৰত্যেকজন শিক্ষক কৰ্মচাৰীৰ সহযোগিতাই গ্ৰন্থগাৰটিক যে অদূৰ ভৱিষ্যতে ৰাজ্যখনৰ ভিতৰতে এক জাকত জিলিকা জ্ঞানৰ ভঁৰাল হিচাপে গঢ়ি তুলিব পাৰিব সি নিশ্চিত। আমি আগুৱাই গৈছো প্ৰবল ইচ্ছাশক্তি আৰু কাম কৰাৰ দুৰ্বাৰ হেপাহৰ সৈতে। আমৰ লক্ষ্য মানৱ সম্পদ গঢ়া আৰু এই ক্ষেত্ৰত শিৱসাগৰ ছোৱালী কলেজৰ গ্ৰন্থাগাৰে সদায়েই ইতিবাচক ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ভৱিষ্যতলৈও কৰি থাকিব। ☐



# ৰবীন্দ্ৰনাথৰ চুটিগল্প — এক চমু পৰ্য্যালোচনা



**উৎপলা দেৱী**
গৱেষণা সহযোগী
ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যয়ন কেন্দ্ৰ

ৰবীন্দ্ৰনাথ ঠাকুৰ কুৰি শতিকাৰ ভাৰতীয় সাহিত্যিক সকলৰ ভিতৰতে নহয় পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যিক সকলৰ এজন। কবিতা, গীতি সাহিত্য, কবিতা, উপন্যাস, চুটিগল্প, গদ্য-পদ্যত বিৰচিত সামাজিক আৰু ৰূপক নাটক, ৰাজনৈতিক-দাৰ্শনিক বিষয়ৰ ৰচনাৱলী, শিশু সাহিত্য, আত্মজীৱনী আদিৰে বাংলা সাহিত্যৰ প্ৰতিখন ক্ষেত্ৰই তেওঁৰ সৃষ্ট ৰচনাৰাজিৰে সমুজ্জ্বল হৈ আছে। বিংশ শতিকাৰ প্ৰথমাৰ্ধক সেয়ে ৰবীন্দ্ৰ প্ৰভাৱিত যুগ বুলি কোৱা হয়। চুটিগল্পকাৰ হিচাপে বিশ্বসাহিত্যত তেওঁৰ বিশিষ্ট স্থান আছে। ১৮৭৭ চনত "ভাৰতী" পত্ৰিকাত তেওঁৰ প্ৰথম গল্প 'ভিখাৰিণী' প্ৰকাশ পায়। চুটিগল্পৰ বৈশিষ্ট্যৰ দিশ্‌ৰ পৰা 'ভিখাৰিণী' এটা পৰিপূৰ্ণগল্প নহলেও ই বাংলা সাহিত্যৰ সৰ্বপ্ৰথম চুটিগল্প। ৰবীন্দ্ৰনাথৰ চুটিগল্পবোৰ স্বকীয় মহত্বৰে সমুজ্জ্বল। বাস্তৱ জীৱনক নিৰীক্ষণ কৰাৰ সূক্ষ্মতম অনুভূতি, সুবিমল কল্পনাশক্তি, বিশ্বমানবতাৱোধ, অন্যায় অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদী কণ্ঠ, অনন্য কলাত্মক সৌন্দৰ্য তেওঁৰ গল্পবোৰৰ মাজেদি প্ৰকাশিত হৈছে। সমসাময়িক বংগীয় সমাজৰ নানান সমস্যাৰ প্ৰতিফলন আৰু মনোজগতৰ বিভিন্ন অৱস্থাৰ অৱলোকনৰ দিশ্যৰ পৰাও ৰবীন্দ্ৰনাথৰ গল্পবোৰৰ মূল্য কম নহয়।

ৰবীন্দ্ৰনাথৰ 'ভিখাৰিণী' গল্পৰ পাছত প্ৰকাশিত 'ঘাটেৰ খতা' আৰু ৰাজপথেৰ খতা' আদি গল্পত চুটিগল্পৰ সংহতিতকৈ বিক্ষিপ্ততা বেছি দেখা যায়। তেওঁৰ গল্প প্ৰতিভাই পৰৱৰ্ত্তী সময়ত প্ৰধানকৈ তিনিখন পত্ৰিকাৰ মাধ্যমেদি বিকাশ লাভ কৰে। 'হিতবাদী' কাকতৰ সাহিত্যৰ সম্পাদক থকা কালছোৱাত তেওঁৰ 'দেনা-পাওনা ' 'পোষ্টমাষ্টাৰ', গিন্নী', 'ব্যৱধান', 'তাৰাপ্ৰসন্নেৰ কীৰ্ত্তি' আদি গল্পৰাজি প্ৰকাশ পায়। 'হিতবাদী' কাকতৰ পাছত ৰবীন্দ্ৰনাথে 'সাধনা' কাকতত লিখিবলৈ ধৰে। এই সময়ছোৱা অৰ্থাৎ ১৮৯১ চনৰ পৰা ১৯০১ চনলৈ ৰবীন্দ্ৰনাথৰ সৃষ্টিৰ শ্ৰেষ্ঠ কাল বুলিব পাৰি। 'সাধনা' কাকতৰ উপৰিও 'ভাৰতী'ত প্ৰকাশিত তেওঁৰ উল্লেখ্যযোগ্য গল্পবোৰ হ'ল - 'অতিথি', 'কংকাল', 'ত্যাগ', কাবুলিৱালা', 'সমাপ্ত', নষ্টনীড়' 'মেঘ ও ৰৌদ্ৰ' আদি। এই গল্পসমূহৰ ভিতৰত 'বিচাৰক', শাস্তি' 'মেঘ ও ৰৌদ্ৰ', দুৰ্বুদ্ধি আদি গল্পত সমাজ বাস্তৱতাৰ লগতে ৰাজনৈতিক ধাৰণাই ভুমুকি মাৰিছে। 'নিশীথে', ক্ষুধিত পাষাণ', গুপ্তধন আদি গল্প অতি প্ৰাকৃত উপাদানেৰে পৰিপুষ্ট। ১৯১৪ চনত প্ৰকাশিত 'সবুজপত্ৰ' আলোচনীত ওলোৱা ৰবীন্দ্ৰনাথৰ গল্পবোৰৰ পটভূমি আৰু ভাববস্তু পূৰ্বৰ গল্পবোৰতকৈ পৃথক। 'হালদাৰ গোষ্ঠী', 'স্ত্ৰীৰ পত্ৰ' আদি গল্পত প্ৰতিবাদী সুৰ স্পষ্ট হৈ উঠা দেখা যায়।

ৰবীন্দ্ৰনাথৰ চুটিগল্পত মানৱজীৱনৰ বিচিত্ৰ ঘটনাই স্থান পাইছে। তেওঁৰ গল্পৰ বৰ্ণনাশক্তি ইমান মোহনীয় আৰু কাব্যিকতাৰে ভৰা যে শব্দটো শেষ নোহোৱা পৰ্যন্ত পাঠক সন্মোহিত হৈ থাকে। ৰবীন্দ্ৰনাথৰ গল্পসমূহৰ বিষয়বস্তু আৰু ভাববস্তু বিশ্লেষণ কৰিলে কেইটামান বিশিষ্ট দিশ উজ্জ্বল হৈ পৰে, সেয়া হৈছে -- প্ৰেমৰ বিচিত্ৰ ৰূপৰ প্ৰকাশ, গভীৰ প্ৰকৃতি চেতনা, নাৰীৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতিবাদ, দৰিদ্ৰ সমাজৰ প্ৰতি সহানুভূতিশীল দৃষ্টি আৰু অতিপ্ৰাকৃত ৰহস্যময়তা।

**(ক) প্ৰেমৰ বিচিত্ৰ ৰূপৰ প্ৰকাশ ঃ**

ৰবীন্দ্ৰনাথৰ গল্প সমবহত প্ৰেমৰ বিভিন্ন অভিব্যক্তিয়ে স্থানপাইছে। ব্যক্তি প্ৰেমৰ পৰা দেশপ্ৰেমলৈকে প্ৰেমৰ বিচিত্ৰ ৰূপে তেওঁৰ গল্পক আৰ্কষণীয় কৰি তুলিছে। কোনো কোনো গল্পত প্ৰেমৰ ব্যৰ্থতাই জীৱনলৈ কাৰুণ্য কঢ়িয়াই অনাৰ বিপৰীতে কোনো গল্পত প্ৰেমৰ মধুৰ ক্ষণে জীৱন সাৰ্থক কৰিছে। প্ৰেমৰ গল্পৰ ভিতৰত 'মহামায়া', 'সমাপ্তি', 'মাল্যদান', 'একৰাত্ৰি', 'দৃষ্টিদান', 'প্ৰায়শ্চিত্ত','দুৰাশা', 'শেষেৰ ৰাত্ৰি', 'নষ্টনীড়' আদি প্ৰধান। 'মহামায়া' গল্পত জীৱনৰ কঠোৰ বাস্তৱে মহামায়া আৰু ৰাজীবৰ প্ৰেমৰ সম্পৰ্কলৈ কৰুণ পৰিণতি আনিছে। 'সমাপ্তি' গল্পত অপূৰ্বৰ প্ৰেমৰ মাজেৰে ক্ৰমে ক্ৰমে মৃন্ময়ীৰ অবাধ্য নাৰী

প্ৰকৃতিয়ে নাৰীত্বৰ গুণ লাভ কৰা দেখা যায়। 'মাল্যদান' গল্পত যতীন আৰু কুড়ানিৰ অকৃত্ৰিম প্ৰেমৰ বিপৰীতে 'প্ৰায়শ্চিত্ত' গল্পত পতিৰ প্ৰেমৰ বাবে সৰ্বস্ব শেষ কৰা বিন্ধ্যবাসিনীক তেওঁৰ পতিয়ে প্ৰতাৰণা কৰিছে। 'একৰাত্ৰি' ত এজন আবেগ প্ৰৱণ দেশপ্ৰেমিকে প্ৰাক্তন প্ৰেমিকাৰ লগত কটোৱা এটা ৰাতিক জীৱনৰ চৰম সাৰ্থকতা বুলি ভাবিছে। 'নষ্টনীড়' ৰবীন্দ্ৰনাথৰ এটা অসামাজিক প্ৰেমৰ গল্প। নিষিদ্ধ প্ৰেমৰ বৰ্ণনা ইয়াত সংযত আৰু সুকৌশলীভাবে অংকন কৰা হৈছে।

**(খ) গভীৰ প্ৰকৃতি চেতনা ঃ**

ৰবীন্দ্ৰনাথৰ গল্পত প্ৰকৃতিৰ এক বিশেষ স্থান আছে। তেওঁৰ গল্পত প্ৰকৃতিৰ লগত মানৱ মনৰ নিবিড় সম্পৰ্ক ফুটি উঠাই নহয়, প্ৰকৃতি ঠাই বিশেষে গল্পৰ একোটা চৰিত্ৰৰ দৰে হৈ পৰিছে। 'সুভা' গল্পতো তাৰ উৎকৃষ্টি উদাহৰণ। 'সুভা' গল্পৰ নায়িকা সুভাষিণী মূক হ'লেও প্ৰকৃতিয়ে তাইৰ ভাষাক প্ৰাণদান দিছে।

"প্ৰকৃতি যেন তাহাৰ ভাষাৰ অভাৱ পূৰণ কৰিয়া দেয়। যেন তাহাৰ হইয়া কথা কয়। নদীৰ কলধ্বনি, লোকেৰ কোলাহল, মাঝিৰ গান, পাখিৰ ডাক, তৰুৰ মৰ্মৰ সমস্ত মিশিয়া চাৰি দিকেৰ চলাফেৰা আন্দোলন কম্পনেৰ মহিত এক হইয়া সমুদ্ৰেৰ তৰঙ্গৰাশিৰ ন্যায় বালিকাৰ চিৰনিস্তব্ধ হৃদয় উপকূলেৰ নিকটে আমিয়া ভাঙিয়া ভাঙিয়া পৰে।" ( গল্পগুচ্ছ, ৰবীন্দ্ৰনাথ ঠাকুৰ, পৃঃ ১৩৫)

'চুটি', 'অতিথি', 'সমাপ্তি' আদি গল্পতো প্ৰকৃতি লীলাৰ বিভিন্ন ৰূপ চিত্ৰিত হৈছে। 'অতিথি' গল্পত তাৰাপদ চৰিত্ৰই সংসাৰৰ বন্ধনক বিসৰ্জন দি প্ৰকৃতিৰ মুক্ত বিশ্বলৈ গতি কৰিছে।

**(গ) নাৰীৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতিবাদ ঃ**

ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত নাৰীৰ সামাজিক অৱস্থানৰ লগতে নাৰীৰ বিভিন্ন সমস্যাৰ প্ৰতিফলন ঘটিছে। উচ্চ শ্ৰেণীৰ বঙালী নাৰীৰ লগতে নিম্ন শ্ৰেণীৰ পৰিয়ালৰ নাৰীৰ কৰুণ অৱস্থিতিও তেওঁ উদঙাই দেখুৱাইছে। সামাজিক আইন-কানুনে নাৰীৰ জীৱনলৈ দুৰ্দশা কঢ়িয়াই অনাৰ চিত্ৰ 'দেনা-পাওনা', 'বিচাৰক', 'প্ৰতিবেশিনী, মহামায়া' আদি গল্পত সুন্দৰকৈ পোৱাযায়। 'দেনা-পাওনা' গল্পত পণ প্ৰথাই নিৰুপমাৰ জীৱনলৈ দুৰ্ভাগ্য কঢ়িয়াই আনিছে। 'বিচাৰক', প্ৰতিবেশিনী' আদি গল্পত বাল বিধবাই সমাজত সন্মুখীন হোৱা সমস্যা, তেওঁলোকৰ দু-বেদনা চিত্ৰণ দেখা যায়। বাল-বিধবাৰ বিবাহৰ সপক্ষে ৰবীন্দ্ৰনাথে তেওঁৰ গল্পত যুক্তিও আগবঢ়াইছে। 'সবুজপত্ৰ' আলোচনীত প্ৰকাশিত 'স্ত্ৰীৰ পত্ৰ', পয়লা নম্বৰ', 'পাত্ৰ ও পাত্ৰী' আদি গল্পত নাৰী চৰিত্ৰই তেওঁলোকৰ প্ৰতি কৰা অবিচাৰৰ তীব্ৰ প্ৰতিবাদ কৰিছে। বিশেষকৈ 'স্ত্ৰীৰপত্ৰ' গল্পৰ নায়িকা মৃণালে তাইৰ প্ৰতি কৰা অবজ্ঞাৰ প্ৰতিবাদত পোন্ধৰ বছৰৰ দাম্পত্য জীৱন ছিন্ন কৰি পেলাইছে।

**(ঘ) দৰিদ্ৰ সমাজৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভঙ্গীঃ**

জমিদাৰী কাৰ্য পৰিচালনাৰ অৱস্থাত ৰবীন্দ্ৰনাথে সাধাৰণ শ্ৰেণীৰ লোকৰ জীৱনৰ দুখ-দুৰ্দশা, জমিদাৰ শাসিত অঞ্চলৰ লোকসকলৰ বিভিন্ন সমস্যা প্ৰত্যক্ষ কৰিছিল। সেয়ে তেওঁৰ গল্পত দৰিদ্ৰ সাধাৰণ জনসাধাৰণ প্ৰতি সহানুভূতিশীল দৃষ্টিভঙ্গী লক্ষ্য কৰা যায়। 'দুৰ্বুদ্ধি' গল্পত সাধাৰণ মানুহে বিষয়া শ্ৰেণীৰ শোষণ আৰু অত্যাচাৰৰ বলি হোৱাৰ চিত্ৰ দাঙি ধৰা হৈছে। তেওঁ দেখুৱাইছে যে শোষণ আৰু লাঞ্চনাৰ প্ৰতিবাদ কৰিলেহে সাধাৰণ মানুহৰ মুক্তিৰ স্বপ্ন সাৰ্থক হ'ব। 'সমস্যাপূৰণ',"শাস্তি', 'উলুখড়েৰ বিপদ' আদি গল্পতো জমিদাৰৰ শোষণত অভ্যস্ত কৃষক সকলৰ জীৱনৰ বিভিন্ন প্ৰতিচ্ছবি ফুটি উঠিছে। কৃষক আৰু শ্ৰমিক শ্ৰেণীৰ অৰ্থনৈতিক দুৰৱস্থাকলৈ ৰবীন্দ্ৰনাথ সজাগ আছিল আৰু এনে সামাজিক বাস্তৱতাৰ চিত্ৰণে তেওঁৰ গল্পক বিশিষ্ট সত্তা প্ৰদান কৰিছে।

**(ঙ) অতি প্ৰাকৃত ৰহস্যময়তা ঃ**

ৰবীন্দ্ৰনাথৰ কেইটামান গল্পত ৰহস্যময়তা আৰু অতি প্ৰাকৃত পৰিবেশৰ সংযোজন ঘটোৱা হৈছে। এই ক্ষেত্ৰত তেওঁৰ গল্পৰ লগত এডগাৰ এলেন পোৰ গল্পৰ সাদৃশ্য দেখা যায়। 'নিশীথে', 'কংকাল', 'গুপ্তধন', 'সম্পত্তি সৰ্মৰ্পণ' আদি গল্পত ৰবীন্দ্ৰনাথৰ ৰোমাণ্টিক দৃষ্টিভঙ্গী অতি প্ৰাকৃত অৱস্থাৰ চিত্ৰণৰ যোগেদি সুন্দৰভাবে প্ৰতিফলিত হৈছে। 'নিশীথে' গল্পত জীৱনৰ বাস্তৱতাৰ মাজত অতি প্ৰাকৃত ৰহস্যময়তা দেখুওৱা হৈছে। ইয়াত দক্ষিণাচৰণ বাবুৱে প্ৰথমা স্ত্ৰীৰ মৃত্যুৰ পাছত মনোৰমাক বিবাহ কৰাইছে আৰু তেওঁৰ আগত প্ৰেম নিবেদন কৰোঁতে প্ৰথমা পত্নীৰ অট্টহাস্য শুনিবলৈ পাইছে। 'কংকাল' গল্পত কংকালটোৱে দুখৰ কাহিনী বৰ্ণনা কৰি ভৌতিক পৰিবেশ সৃষ্টি কৰিছে। 'জীৱিত ও মৃত' গল্পৰ পৰিবেশো ৰহস্যময়। ইয়াত কাদম্বিনীয়ে জন্ম আৰু মৃত্যুৰ দোমোজাত তাই যে মৰা নাই তাক প্ৰমাণ কৰিবলৈ মৃত্যুক সাৱতি লৈছে।

এই বিশেষত্ব সমূহৰ উপৰিও ৰবীন্দ্ৰনাথৰ গল্পৰ আৰু বহুতো বিশিষ্ট দিশ আছে। বিশ্বজনীন অনুভূতিৰে সিক্ত তেওঁৰ গল্পসমূহ আঙ্গিক কলা-কৌশলৰ দিশৰ পৰাও অসাধাৰণ। আড়ম্বৰপূৰ্ণ ভাষা আৰু কাব্যিকতাৰে ভৰপূৰ ৰবীন্দ্ৰনাথৰ গল্পত অনাৱশ্যক বৰ্ণনাৰ স্থান নাই। বৰ্ণনাশক্তিৰ সুদক্ষতাই তেওঁৰ গল্পক সুখপাঠ্য কৰি তুলিছে। বিষয়গত, ভাবগত আৰু আঙ্গিক কলা-কৌশল সকলো দিশৰ পৰাই ৰবীন্দ্ৰনাথ এজন সাৰ্থক গল্পকাৰ। তেওঁৰ গল্পই সমসাময়িক বিভিন্ন বাংলা গল্পকাৰক প্ৰভাৱিত কৰাৰ উপৰিও সমগ্ৰ ভাৰতৰ বিভিন্ন সাহিত্যিক দিকৃদৰ্শন কৰিবলৈ সক্ষম হৈছে।





# ফেংছুই আৰু বাস্তুশাস্ত্ৰ


## সঙ্গীতা দাস বৰুৱা

গ্ৰন্থাগাৰ সহায়িকা


"Feng Shui আৰু Vastu Sastra" -- এই শব্দকেইটা বৰ Interesting শব্দ। আজিকালি প্ৰায় সকলোৰে মুখে - মুখে এই শব্দকেইটাৰ উচ্চাৰণ হোৱা দেখা যায়। নহ'লেনো পৃথিৱীৰ প্ৰায় বেছি ভাগ মানুহ এই শব্দকেইটাৰ প্ৰতি কিয় আকৰ্ষিত হৈছে? Fengshui আৰু Vastu Sastra প্ৰকৃততেনো কি?

আমিও প্ৰায় দহবছৰমান আগতে এই বিষয়ে শুনিছিলো আৰু বিভিন্ন কিতাপ-পত্ৰ, বাতৰি-কাকত, আলোচনী আদিত এই বিষয়ে বিভিন্ন জনে লেখা পঢ়িবলৈ পাইছিলো আৰু বিষয়টোৰ প্ৰতি কিছু আকৰ্ষণ অনুভৱ কৰিছিলো যদিও তেতিয়া সিমান উপলব্ধি হোৱা নাছিল ইয়াৰ প্ৰকৃত অৰ্থ আৰু ব্যৱহাৰৰ ফলত হ'ব পৰা আশ্চৰ্য্য আৰু সফলতা-বিফলতা।



প্ৰথমতে পোৱা সৰু সৰু লেখা আৰু প্ৰবন্ধ পাতি আৰু পাছলৈ নিৰ্দ্দিষ্ট কিছুমান লেখক-লেখিকাৰ কিতাপ-পত্ৰ পঢ়াৰ পাছত Feng Shui আৰু Vastu Sastra ৰ ব্যৱহাৰৰ ফলত একোজন ব্যক্তিৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলাব পাৰে তাৰ এটা বদ্ধমূল ধাৰণা লাহে লাহে গঢ় লৈ উঠিছে।

Feng Shui আৰু Vastu Sastra প্ৰকৃততেনো কি-- এই প্ৰশ্নটোৰ উত্তৰ সহজে দিয়াটো কঠিন। Feng Shui হ'ল -- চীনদেশৰ পৰম্পৰাগত বিশ্বাস আৰু গৃহসজ্জাৰ কলা আনহাতে Vastu Sastra হ'ল -- গৃহ নিৰ্মাণ বিষয়ক বিদ্যা। Feng Shui কলা হ'ল -- জীৱন যাপন মানে উন্নত জীৱন ধাৰণ কৰা সু-স্বাস্থ্য, সম্পদ আৰু সুখৰ সন্ধান আৰু প্ৰাপ্তিৰ পথ। এই Feng Shui শব্দটোলৈ বহু মতবাদ আছে যদিও মূল উদ্দেশ্য এটাই সম্পদ, দীৰ্ঘায়ু আৰু সুখ। অৰ্থাৎ মানুহৰ জীৱনক প্ৰভাৱিত কৰা প্ৰাকৃতিক শক্তিবোৰক কাৰ্য্যকৰীভাৱে ভাল উদ্দেশ্যত ব্যৱহাৰ কৰা, ধনাত্মক শক্তিক কামত লগোৱা আৰু ঋণাত্মক শক্তিক প্ৰতিৰোধ কৰা। Feng মানে বতাহ আৰু Shui মানে পানী। ভাল বতাহে ভাল ভাগ্য আৰু বেয়া বতাহে বেয়া ভাগ্য কঢ়িয়াই বুলি বিশ্বাস আছে। ভাল বতাহ, ভাল পোহৰ পৰা অৱস্থা পাবলৈ হ'লে আপোনাৰ ঘৰখন, কাৰ্যালয়খন, দোকান Feng Shui আৰু Vastu Sastra ৰ নিৰ্দেশাৱলী মতেহে নিৰ্ম্মাণ কৰিব লাগিব।

বেদ-পুৰাণ ইত্যাদি যিদৰে ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ ঠিক তেনেদৰে Feng Shui ও চীনা সমাজ -সংস্কৃতিৰ মূল আধাৰ আৰু মেৰুদণ্ড স্বৰূপ। চীনা Feng Shui বিদ সকলে এই বিদ্যাৰ বাস্তৱতাক স্বীকাৰ কৰি ইয়াৰ নীতি-নিয়মবোৰ মানি ঘৰ-দুৱাৰ নিৰ্ম্মাণ কৰি, গৃহসজ্জা কৰি অকল্পনীয় সুফল লাভ

কৰিছে।

Feng Shui ত বৰ্ণিত বিষয়বস্তুৰ ব্যাপকতা আৰু বৈচিত্ৰ্যতা অতি আৰ্কষণীয়। এই সংসাৰৰ জীৱন-যাত্ৰাৰ লগত জড়িত সামাজিক আৰু ব্যক্তিগত জীৱনধাৰাৰ অতীব প্ৰয়োজনীয় কেইটামান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অতি বিস্তৃত ভাৱে Feng Shui ৰ নিয়মাৱলীত বৰ্ণনা কৰা হৈছে। Feng Shui ৰ কিতাপ-পত্ৰবিলাকত ভৌগোলিক পৰিসীমা, পাহাৰ-পৰ্বত, নৈ-নিজৰা, গছ-গছনি, পৰিৱেশ, বস্তু-বাহানি , সামগ্ৰী অৱস্থান সম্পৰ্কে সুন্দৰ আৰু বহল ভাৱে উল্লেখ আছে। Vastu Sastra তো উপৰোক্ত কথা বিলাকতেই বিশেষ ভাৱে গুৰুত্ব দিহে গৃহ নিৰ্ম্মাণ কৰাৰ কথা উল্লেখ আছে।

গৃহ নিৰ্ম্মাণৰ প্ৰাৰম্ভিক পৰ্যায়টো হ'ল — নিৰ্ম্মাণৰ পৰিকল্পনা। সু-চিন্তিত আৰু সু-পৰিকল্পনাৰ দ্বাৰাহে যিকোনো কামত আশাপদ সফলতা অৰ্জন কৰিব পাৰি। জীৱনজোৰা কষ্ট তথা বহু সফলতা অৰ্জন কৰিব পাৰি। জীৱনজোৰা কষ্ট তথা বহু পৰিশ্ৰমৰ অন্তত উপাৰ্জিত ধনেৰে নিৰ্মাণ কৰিব লগা সপোনৰ ঘৰটিৰ পৰিকল্পনাত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত। সুন্দৰ পৰিকল্পনাৰ এটা ঘৰত বাস কৰাৰ আমেজেই সুকীয়া। তলত উল্লেখ কৰা দিশ, মাটি, কোঠালী আদিৰ ওপৰত বিশেষ দৃষ্টি ৰাখি ঘৰটোৰ পৰিকল্পনা আগবঢ়া উচিত। দিক নিৰ্ণয় (Orientation), মাটি, স্থানৰ সু-ব্যৱহাৰ, স্থানীয় নিকায়ৰ আইন, Foundation, Plinth, Super Structure, Basement Floor, সৌন্দৰ্য, Structural design, aspect, furniture,মিতব্যয়িতা, শোৱনীকোঠা, সামুহিক অৱস্থান (খোৱা কোঠা, ৰান্ধনীঘৰ আদি) উপাসনা গৃহ, বাৰাণ্ডা ,দুৱাৰ, খিৰিকী,ভেন্টিলেটৰ, চিৰি, পানী টেংকি, পুখুৰীৰ অৱস্থান আদি। বৰ্ত্তমান যুগত গৃহ -নিৰ্মাণে আমাৰ দেশৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ আসন দখল কৰিছে। এজন সাধাৰণ বনুৱাৰ পৰা কোটিপতি ব্যক্তিলৈকে বহুলোকে নিৰ্মাণ কায আৰু ইয়াৰ ব্যৱসায়ত জড়িত হৈ বহুজনৰ উপাৰ্জনৰ পথো প্ৰশস্ত কৰিছে।

Feng Shui হ'ল - পৰিৱেশৰ লগত সামঞ্জস্য ৰক্ষা কৰি সুন্দৰভাৱে জীয়াই থকা ক'লা। ই হ'ল পাঁচ হেজাৰ বছৰীয়া প্ৰয়োগ, পৰ্যবেক্ষণ আৰু ফলাফলৰ পৰা চালিজাৰি উলিওৱা চীনদেশীয় কিছুমান নীতি-নিয়ম। ই হ'ল প্ৰাকৃতিক শক্তিৰ ভাল খিনিক নিজৰ ঘৰৰ বাবে ব্যৱহাৰ কৰাৰ নিয়ম। যাৰ ফলত ভাল শক্তিবোৰে ঘৰৰ বাসিন্দাসকলৰ শ্ৰীবৃদ্ধি ঘটায়, মানসিকতাৰ উত্তৰণ ঘটায় যাতে ই ঘৰৰ বাসিন্দাসকলক উন্নত জীৱনৰ ফালে লৈ যাব পাৰে। কিন্তু যিমানেই যি কোৱা নাযাওঁক লাগিলে — Feng Shui নাইবা Vastu Sastra কোনো মেজিক বা যাদুবিদ্যা নহয় যে ই আপোনাক এদিনতে আচৰিত অভি[illegible]ৰ মুখা-মুখি কৰাই দিব। পাঁচহেজাৰ বছৰীয়া চীন দেশীয় এই কলা ( Feng Shui) পৃথিৱীৰ সকলোতে আজিকালি ব্যৱহাৰ হয় আৰু বহুদেশে ইয়াৰ ব্যৱহাৰৰ ফলত ভাল ফল লাভ কৰা বুলিও দাবী কৰিব খোজে।

Feng Shui ৰ মূল আদৰ্শ হ'ল - সামূহিক মঙ্গল ।ই প্ৰতিটো প্ৰতিঘটনাৰ বিশ্লেষণ কৰিব পৰা ক্ষমতাৰ সমষ্টি। Feng Shui ব্যৱস্থাই ব্যক্তি এজনৰ জীৱনত নিৰ্দিষ্ট প্ৰভাৱ পেলায়, শুদ্ধ আৰু সঠিকভাৱে আপুনি যদি Feng Shui ব্যৱহাৰ কৰে তাৰ ভাল বা বেয়া ফল আপুনি লাভ কৰিবই। Feng Shui ৰ সামগ্ৰীবোৰ আপুনি ব্যৱহাৰ কৰিলেই নহ'ব সেই সামগ্ৰীবোৰৰ প্ৰতি আপোনাৰ বিশ্বাস, ভালপোৱা আৰু আন্তৰিকতা থাকিব লাগিব। Feng Shui ৰ ব্যৱহাৰ জটিল নহলেও একেবাৰে সহজো নহয়। নিৰ্দিষ্ট এটা আদৰ্শ আগত ৰাখিহে Feng Shui ৰ সাধনা কৰিব লাগে।

আজিকালি দোকানে বজাৰে Feng Shui ৰ সামগ্ৰী বহুত কিনিবলৈ পোৱা যায় আৰু বহুলোকে নিজৰ উন্নতি বিচাৰি সেই সামগ্ৰী কিনিও কিয় ফল লাভ কৰা নাই? কিয় সেই সামগ্ৰীবিলাকে তেওঁলোকৰ জীৱনত বিশেষ প্ৰভাৱ পেলাব পৰা নাই? আচলতে, Feng Shui ৰ বিষয়ে ভালদৰে জানিব লাগিব, ইয়াৰ ওপৰত গভীৰ অধ্যয়ন কৰিব লাগিব আৰু তেওঁলোকে ক্ৰয় কৰা সামগ্ৰীসমূহ ক'ত, কেনেকৈ থব লাগে জানিলেহে ক্ৰয় কৰা উচিত হ'ব আৰু ঘৰত সজোৱা উচিত হ'ব। সঠিক ঠাইত থোৱা সামগ্ৰীসমূহে নিশ্চয় সুফল দিব। নহ'লে তাৰ ওলোটা ফল যে লাভ কৰিব তাক ডাঠি ক'ব পাৰি। দোকানী বা ব্যৱসায়ী সকলৰ কথামতে সামগ্ৰীসমূহ ক্ৰয় কৰি যধে-মধে ঘৰত সজালে কেতিয়াও ভাল ফল লাভ নকৰে।

গভীৰ আত্মবিশ্বাস আৰু উৎসাহেৰে কাম কৰিলে যিকোনো কামতেই সফলতা আছে। ভাৰতীয় আধ্যাত্মিক সমাজত এটা সুন্দৰ কথা আছে — "বিশ্বাসত মিলে হৰি, তৰ্ক কৰি বহুদূৰ" অৰ্থাৎ বিশ্বাস কৰি কাম কৰিলে ভগৱানে ভক্তৰ হাতত ধৰা দিয়ে, কিন্তু যুক্তি-তৰ্ক ভগৱানে থকা-নথকাৰ বিচাৰ কৰিবলৈ গ'লেই ভগৱান বতাহত মিলিহে যায় - যাক কেতিয়াও লাভ কৰিব নোৱাৰি।

Feng Shui ও হ'ল সেই ভাৰতীয় আধ্যাত্মিক মতবাদৰ দৰে এটি চীনা পুৰণি মতবাদ। Feng Shui বিধিমতে ঘৰৰ ভিতৰ-বাহিৰৰ বস্তুবোৰৰ অৱস্থানগত পৰিৱৰ্তন কৰি সৌভাগ্যৰ দুৱাৰ মুকলি কৰিবলৈ আমি সকলোৱে দেখোন চেষ্টা কৰিব পাৰো - কিজানিবা ভাগ্যৰ দুৱাৰ মুকলি হয়েই। মনত ৰাখিব লগা কথাটো হ'ল — এই বিদ্যা চীনা মনীষীসকলৰ হেজাৰ-হেজাৰ বছৰৰ বাস্তৱ অভিজ্ঞতাৰ ফল। পৃথিৱীৰ কোটি কোটি মানুহ ইয়াৰ

দ্বাৰা উপকৃত হৈছে যেতিয়া সঠিক পথেৰে গ'লে আমিও নিশ্চয় এই বিদ্যাৰ ফল লাভ কৰিব পাৰিম।

Feng Shui ৰ সঠিক ব্যৱহাৰে আপোনাক ভাল স্বাস্থ্য দিব পাৰে, জীয়াই থকাৰ আনন্দ দিব পাৰে, মনোযোগ বৃদ্ধি কৰিব পাৰে, ভাল আৰু শুদ্ধ সিদ্ধান্ত গ্ৰহণৰ সাহস দিব পাৰে, ব্যক্তিসকলৰ মাজত সু-সম্পৰ্ক বজাই ৰখাত সহায় কৰে, ভাল-চিন্তা, ভাল-মানসিকতা দিব পাৰে, সমাজত প্ৰতিষ্ঠা লাভ কৰাত সহায় কৰে, ঐশ্বৰ্যশালী আৰু ধনে-সম্পদে উভৈনদী হোৱাৰ বিভিন্ন পথৰ সন্ধান দিব পাৰে, সম্পদ বৃদ্ধি কৰিব পাৰে, এই সকলোবিলাক অকল আপোনাৰ বাবেই নহয়, সকলোৰে বাবেই প্ৰযোজ্য।

ভাগ্য উন্নতিৰ ক্ষেত্ৰ খন Feng Shui য়ে তিনিভাগত ভাগ কৰিছে, যেনে — (১) স্বৰ্গীয় ভাগ্য - (Heaven Luck) ই হৈছে অমূল্য ভাগ্য যাক লৈ মানুহ জন্ম গ্ৰহণ কৰে অৰ্থাৎ গ্ৰহ-নক্ষত্ৰ, পূৰ্বজন্মৰ পাপ-পূণ্যৰ প্ৰভাৱে যি নিয়ন্ত্ৰিত হয় আৰু যি ভাগ্য মানুহৰ পূৰ্বে নিৰ্দ্ধাৰিত হৈ থাকে, ইয়াক সলনি কৰিব নোৱাৰিব।

(২) মানুষ্য ভাগ্য (Mankind Luck) -- যাক কঠোৰ পৰিশ্ৰম, অধ্যৱসায়, একাগ্ৰতা, কৰ্মৰ মাজেদি লাভ কৰিব পাৰি।

(৩) ভূ-ভাগ্য - (Earth Luck) যাক মানুহে লাভ কৰে, অৰ্জন কৰে বাসস্থান আৰু কৰ্মস্থান আদিৰ পৰা।

আমাৰ সৌভাগ্য আচলতে আমাৰ ঘৰৰ ভিতৰতে লুকাই থাকে যাক মাত্ৰ সামগ্ৰীসমূহৰ সঠিক অৱস্থানৰ যোগেদি সৌভাগ্যৰ দুৱাৰ আমি নিজে মুকলি কৰিব পাৰো। Feng Shui আৰু Vastu Satra ৰ মাজত বহুত মিলও আছে। Feng Shui ৰ নীতি নিয়মবোৰ ভাৰতীয় জ্যোতিষ শাস্ত্ৰৰ লগতো বহুত মিলে। যি জন্ম ,তাৰিখ, চন, সময় প্ৰভৃতি চাই নিৰূপীত হয়। Feng Shui আৰু Vastu Satra ৰ মূল উপাদান (Elements) পাঁচোটা একেই আৰু এই পাঁচোটা উপাদানকেই বিশেষ গুৰুত্ব দিহে তেওঁলোকে সকলো কামতে আগবাঢ়িছে। সেই কেইটা হ'ল — (১) মাটি (Earth), (২) পানী (Water), (৩) কাঠ (Wood), (৪), জুই (Fire) আৰু (৫) ধাতু(Metal) এই উপাদান কেইটাৰ জড়িত হৈ আছে। তলত বহলাই দিয়া হৈছে।

(১) পুব (East) — কাঠতত্ব (Wood) -- Spring Season, Wooden Dragon, Health & Family, face the East when cooking.

(২) উত্তৰ পুব (North-East) - মাটিতত্ব (Earth) -- Sweet Season, Education & Knowledge, Brown, Yellow, Square, Globe & Crystals.

(৩) পশ্চিম (West) ধাতুতত্ব ( Metal) — Autumn season, Children, Sorrow, Creative work, Car, Machinary Tools, Gold, Silver, Gray, White, Refigerator.

(৪) উত্তৰ -পশ্চিম (North-West) (ধাতুতত্ব)- Autumn, Season, Friends, Mentors, Wishes from old & Dead men, Car, Machinary Tools, Gold, Gray, White-Silver.

(৫) উত্তৰ – ( North) (পানীতত্ব) (Water) -- Winter Season, Growing of Life, source of earning, Black, Dark Blue, Acquirium, Salty, Wavy Lines, Fear.

(৬) দক্ষিন- (South) ( জুই তত্ব) (Fire) -- Summer Season, Red, Orange, Kitchen, Bitter, Joy, Name & Frame, Wooden Sun, Respects, Wealth & Prosperity.

(৭) দক্ষিণ পুব- (South-East) কাঠতত্ব (Wood) -- Spring season, Green, Orange, Violate, Kitchen, Wealth & Money, Name & Frame.

(৮) দক্ষিণ-পশ্চিম (South-West) মাটিতত্ব (Earth) Sweet Season, Marriage, Relations in Husband & Wife, Globe, Crytals, Square, Brown, Yellow,

(৯) কেন্দ্ৰস্থল (Center Place) বা ব্ৰহ্মস্থান – Open Space / Place, Sweet Season, Brown, Yellow, Drawing Room, Light Weight Furniture, Etc.

Feng Shui ৰ নিয়মাৱলী কেইটামান উল্লেখ কৰা হৈছে – যেনে – পুব দিশত মুৰ থৈ শুলে টোপনি ভাল হয়, দক্ষিণ দিশত মুৰ থৈ শুলে ব্যক্তিজনৰ নাম-যশ-খ্যাতি বৃদ্ধি পায়, কিন্তু মুৰৰ শিতানত সদায় এখন পূৰ্ণ বেৰ থকা উচিত। Laughing Budha সকলোৰে পৰিচিত মূৰ্ত্তি। পিঠিত জোলোঙা লৈ থকা এই মূৰ্ত্তিয়ে ঘৰখনলৈ সৌভাগ্য কঢ়িয়াই আনে। ইয়াকে (বেকাকৈ) মূল দুৱাৰলৈ চাই থকাকৈ ৰাখিব লাগে। ইয়াক মজিয়াৰপৰা তিনিফুট ওপৰত স্থাপন কৰা উচিত। এই ধন-দেৱতাক পূজা আৰাধনা কৰা অনুচিত। ইয়াক শোৱনি কোঠা, ৰন্ধা ঘৰত, গা-ধোৱা ঘৰত ৰখা উচিত নহয়। The Swastika 卐 is very powerful and it is used over the gates of main Doors for protection and positive energy. Swastika বিভিন্ন ধৰ্মীয় আচাৰৰ বাবে বিভিন্ন ৰঙত অঁকা হয়। সাধাৰণতে ৰঙা Swastika হালধী,

সেন্দুৰ আৰু তেল দি অঁকা হয় সকলো কামৰ বাবে। সেউজীয়া Swastika ই সম্পদ বৃদ্ধি কৰে আৰু বগাSwastika শান্তি আৰু সমন্বয় বোলে। যি ৰঙতেই অঁকা নহওঁক লাগে Swastika সদায় দক্ষিণ দিশৰ বেৰত লগোৱা উচিত আৰু ইয়াৰ সন্মুখত কোনোধৰণৰ আইনা আদি ৰখোৱা উচিত নহয়। তিনিঠেঙীয়া ভেকুলীয়ে সম্পদ কঢ়িয়াই ইয়াক মূল দুৱাৰৰ কাষত ভিতৰলৈ মুখ কৰি ৰখা উচিত। মূল দুৱাৰ মুখত উপযুক্ত পোহৰ আৰু ৰ'দ পৰা উচিত। Yin-Yang ৰ চিহ্নটিও বহুত গুৰুত্ব পূৰ্ণ। টাও মতবাদৰ এই প্ৰতীকটোৱে ভাল-বেয়া, পুৰুষ-স্ত্ৰী, পোহৰ আন্ধাৰ আদিৰ দৰে বিপৰীত শক্তিবোৰৰ বৃত্তিয় পথৰ কথাকে বুজায়। ই ভাল-বেয়াৰ সমতা ৰক্ষা কৰে। পাকঘৰৰ বাহিৰে ইয়াক সকলো ঠাইতে লগাব পাৰি। পশ্চিমৰ দেশবোৰত এই প্ৰতীক চিহ্নটি ☯ খুব জনপ্ৰিয়। দূৰদৰ্শনৰ প্ৰতীক চিহ্নটিও এই চিহ্নৰ আধাৰতে অংকিত। ইত্যাদি ইত্যাদি।

ওপৰত আগতে উল্লেখ কৰি অহা নানা দিশবোৰ আৰু উপাদানবোৰৰ দুই ধৰণৰ ক্ৰিয়া আছে। যেনে -- (১) সৃজনীশীল আৰু (২) ধ্বংসকাৰী। যেনে -- আমি "কাঠ" জ্বলালে জুই পাওঁ মানে "অগ্নি"। কাঠ পুৰি ছাই হৈ "মাটিৰ" সৃষ্টি হয়। সেই মাটিৰ পৰাই "ধাতু" উৎপাদিত হয়। কাৰণ মাটিতেই খনিজ পদাৰ্থ "ধাতু" উৎপাদিত হয়। কাৰণ মাটিতেই খনিজ পদাৰ্থ "ধাতু" লুকাই থাকে। আনহাতে ধাতুৰ পৰাই আমি "পানী" পাওঁ, কাৰণ ধাতু গলালে তৰল ৰূপ ধাৰণ কৰে আৰু এই তৰল পদাৰ্থৰ পৰাই পৃথিৱীত গছৰ সৃষ্টি হয়। সেই গছৰ পৰাই আমি "কাঠ" পাওঁ। অৰ্থাৎ Recircle Production হয়। এই দুয়োবিধৰ অৰ্থাৎ সৃজনীশীল আৰু ধ্বংসকাৰী আৱৰ্ত্তনৰ স্বৰূপ সম্পৰ্কে অৱগত হৈ ঘৰখনৰ বাহিৰ ভিতৰৰ সামগ্ৰীসমূহ যথা-যথ স্থানত আৰু যথাযথভাৱে প্ৰয়োগ কৰিলে আপুনিও এজন সমৃদ্ধিশালী সুখী মানুহত পৰিণত হ'ব। তাৰ বাবে আপোনাক এজন Feng Shui Specialist বা Vastu Sastra ৰ পৰামৰ্শৰ বিশেষ প্ৰয়োজন হ'ব। নাইবা ঘৰখনত যি সামগ্ৰী আছে তাকে দিশ আৰু তত্ব চাই-চিন্তি নিৰ্দিষ্ট স্থানত থৈও এই বিষয়ত প্ৰথমতে এটা খোজ আগবঢ়াই চাব পাৰে।

ওপৰত দিয়া পা-ক্যুৱা নক্সাখনত একোটা নিৰ্দিষ্ট দিশৰ লগত একোটা নিৰ্দিষ্ট উপাদান বা তত্ব উল্লেখ আছে। উদাহৰণ স্বৰূপে -- দক্ষিণ দিশ হ'ল যশ -- প্ৰসিদ্ধিৰ স্থান। তাৰ উপাদান হ'ল জুই। এতিয়া আপুনি যদি জুইৰ ঠাইত পানী বা পানীৰ পাত্ৰ ৰাখে তেনেহ'লে তাৰ প্ৰতিক্ৰিয়াটো বা পৰিণতিতো ভাল নহ'ব। ঘৰ সজাৰ সময়তো এই পা-ক্যুৱা নক্সা মানি চলা উচিত। যদিহে আপুনিVastu Satra বা Feng Shui মানিব খোজে তেনেহ'লে আপোনৰ জীৱন সৌভাগ্যৰে ভৰি পৰিব। অন্যথাই আপোনৰ জীৱন বিধ্বস্ত হৈ পৰিব আৰু নানা বেমেজালিয়ে আপোনাৰ জীৱন আউল লগাই দিব।

অকল এই খিনিয়েই নহয়। আৰু বহুতো সৌভাগ্য সুচক আৰু দুৰ্ভাগ্যকাৰক দিশ আছে যিবোৰৰ ওপৰত নানা ধৰণৰ শুভা শুভ বহুখিনি নিৰ্ভৰ কেৰ। Feng Shui Speacialist বা Vastu Satra য়েহে প্ৰত্যেকৰে জন্ম, চন, সময় আদি বিচাৰ কৰি নিয়মাৱলী ঠিক কৰি দিব পাৰে। শেহতীয়াভাৱে চীনদেশত হোৱা ৰাজনৈতিক আৰু সামাজিক পৰি বৰ্তনৰ পাছত Feng Shui ৰ চৰ্চ্চা আৰু বৃদ্ধি পাবলৈ ধৰিছে। মন কৰিবলগীয়া কথাটো হ'ল - Feng Shui ৰ লগে লগে ভাৰতীয় Feng Shui ৰ চৰ্চাও বৃদ্ধি পাবলৈ ধৰিছে। কুৰি শতিকাৰ শেষ ভাগত Vastu Satra ও সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। ইয়াৰ ভিতৰত অন্তৰ্নিহিত শক্তিক লৈ বহু গৱেষণাও চলিছে আৰু বহুত কিতাপ-পত্ৰও ৰচিত হৈছে।

Vastu Sastra আচলতে হাজাৰ বছৰ পুৰণা এক নীতি, যাৰ আধাৰত সেই সময়ত ভাৰতবৰ্ষত গৃহ নিৰ্মাণ কৰা হৈছিল, কিন্তু কালক্ৰমত ইয়াৰ প্ৰয়োগ কমি আহি লুপ্ত প্ৰায় অৱস্থা পাইহি। কিন্তু কিছু বছৰৰৰ আগতে জাৰ্মানী, কানাডা, আমেৰিকা আদি দেশৰ বহুলোকে Vastu Sastra অনুযায়ী ঘৰ নিৰ্মাণ বা থকা ঘৰটোকে পুনৰ নিৰ্মাণ কৰি ঈপ্সিত লক্ষ্য পুৰণ হোৱাত ই পুনৰ জনপ্ৰিয় হৈ পৰিল আৰু ভাৰতত যোৱা ডেৰ দশক ধৰি ই আলোচনাৰ বিষয় হৈ পৰিল। আমেৰিকাৰ ৰাষ্ট্ৰপতি Bill Clinton , ভাৰতৰ দুই প্ৰাক্তন প্ৰধান মন্ত্ৰী H.D. Devegoura, Atal Bihari Bajpeyi , অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী Chandra Babu Naidu আদিয়ে নিজৰ কাৰ্য্যালয় Vastu Sastra অনুযায়ী পুনৰ নিৰ্মাণ কৰাৰ পাছত নিজৰ নিজৰ ৰাজনৈতিক ক্ষেত্ৰত বিশেষ সফলতাৰ মুখ দেখিছিল। বৰ্তমা ৰাজস্থান বিশ্ববিদ্যালয়, ৰাজকীয় বাস্তুকলা মহাবিদ্যালয় (লক্ষ্ণৌ), আৰ্যভট্ট পলিটেকনিক, ৰাজকীয় মহিলা মহাবিদ্যালয়, চুৰাট) আদিত Vastu Sastra ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে।

"Vastu" ৰ অৰ্থ হ'ল ঘৰ আৰুVastu Sastra ৰ অৰ্থ হ'ল স্থাপত্য বিজ্ঞান। Vastu Satra ৰ গৃহনীতি অৰ্থাৎ গৃহ-নিৰ্মাণ নীতি সমূহ সম্পূৰ্ণ প্ৰকৃতি নিৰ্ভৰশীল। এই ধৰিত্ৰী আৰু মানৱদেহ ঘাইকৈ পাঁচটা উপাদানেৰে (পঞ্চভূত) গঠিত -- - মাটি, পানী জুই,বতাহ, আৰু আকাশ। Vastu Satra ৰ প্ৰধান নীতি হ'ল-- এই পাঁচটা উপাদানক সঠিক ক্ৰম আৰু সমানুপাতিক ভাৱে সজ্জিত কৰি নিজৰ থকা ঘৰ আৰু কৰ্ম্মস্থানত প্ৰয়োগ কৰা উত্তৰ ভাৰতত প্ৰধানকৈ ৰাজস্থান আৰু উত্তৰ প্ৰদেশত) জ্যোতিষ শাস্ত্ৰৰ আধাৰত ৰচিত "লাল কিতাব" নামৰ এখন গ্ৰন্থৰ আলমত গৃহ নিৰ্মাণ কৰা হয় আৰু এই "লাল কিতাব" নামেৰে এখন গ্ৰন্থৰ আলমত গৃহ নিৰ্মাণ কৰা হয় আৰু এই "লাল

কিতাব" উত্তৰ প্ৰদেশত এতিয়াও জনপ্ৰিয়।

"Vastu" মূলত প্ৰকৃতিৰ নিয়মৰ ওপৰত প্ৰতিষ্ঠিত আৰু ই হ'ল মানৱ আৰু প্ৰকৃতিৰ মাজত সাকোঁ। প্ৰতিটো বস্তু নিৰ্মাণ কৰিবলৈ মৌলিক উপাদানেই হ'ল — জুই, পানী, মাটি, বায়ু আৰু মহাকাশ। পৃথিৱীত এই পাচোঁবিধ উপাদান উপলব্ধ হোৱা হেতুকে ইয়াত জীৱন তথা প্ৰকৃতিৰ সৃষ্টি হৈছে। পৃথিৱীৰ প্ৰতিটো সামগ্ৰীৰে আকাৰ, আকৃতি, বৰণ নিৰ্বিশেষে পঞ্চভূতৰ সৈতে যোগসূত্ৰ আছে। প্ৰত্যেকৰে ভিনভিন কম্পন শক্তি হোৱা হেতুকে মানুহৰ বুদ্ধিমত্তাৰ ওপৰত ই বিভিন্ন ক্ৰিয়া কৰে। মৎস্য পুৰাণতো Vastu ৰ আৰ্বিভাব সম্পৰ্কে উল্লেখ আছে।

Vastu পুৰুষৰ তিনিটি অৱস্থা সৰ্ম্পকে জনা যায়- (১) নিত্যবাস্তু (২) চৰ বাস্তু (৩) স্থিৰ বাস্তু। বাস্তুপুৰুষে অধোমূখী হৈ মাটিৰ ওপৰতে শুই থাকে আৰু উত্তান দেহত পূজা কৰা হয়, আৰু পূজাৰ সময়ত বাস্তুপুৰুষৰ সন্মুখ ভাগহে কল্পনা কৰা হয়। বৈদিক ধৰ্ম্মগ্ৰন্থ সমূহৰ মতে — যিদৰে ব্ৰহ্মা হ'ল বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা, বিষ্ণু স্থিতিকৰ্তা, বায়ু হ'ল বতাহৰ দেৱতা, কুবেৰ হ'ল ধন-সম্পত্তিৰ দেৱতা বৰুণ হ'ল বৰষুণৰ দেৱতা, ঠিক সেইদৰে বাস্তুপুৰুষ হ'ল সকলো ঘৰৰ নিৰ্মাণৰ আৰু বস্তুৰ দেৱতা।

পৃথিৱীৰ আঠোটা দিশৰ বিভিন্ন প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰি Vastu Satra অনুযায়ী বিভিন্ন কোঠাৰ অৱস্থানবোৰ নিৰ্ণয় কৰা হয়। পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তি, চুম্বকীয় ধৰ্ম্ম, সূৰ্যৰ পোহৰ আৰু তাপ, ব্ৰহ্মাণ্ডৰ কচ্‌মিক্ ৰশ্মিৰ প্ৰভাৱ মানৱ স্বাস্থ্যৰ বাবে অপৰিহাৰ্য্য আৰু এই বিলাকে মানুহৰ জীৱনত প্ৰভুত প্ৰভাৱ বিস্তাৰ কৰে। মনত ৰখা উচিত যে — Vastu ৰ দ্বাৰা কাৰো ভাগ্য পৰিৱৰ্তন নহয়। পূৰ্বজন্মৰ কৰ্মফলৰ ওপৰত নিৰ্ভৰ কৰি ভাগ্য পূৰ্ব নিৰ্ধাৰণ কৰা থাকে, কিন্তু Vastu ৰ সংস্কাৰ অনুযায়ী পদক্ষেপ ল'লে মানুহে জীৱনত হোৱা বহু বাধাৰ সন্মুখীন হ্ৰাস হয়। অষ্ট দিশ অনুযায়ী বিভিন্ন গ্ৰহৰ স্থান বিলাক হ'ল - পূব দিশত - সূৰ্য্য আৰু ইন্দ্ৰদেৱতা পশ্চিম দিশত শণি আৰু বৰুণ দেৱতা, উত্তৰ দিশত বুধ আৰু কুবেৰ দেৱতা দক্ষিণ দিশত — মঙ্গল আৰু যম দেৱতা, উত্তৰ পূব দিশত বৃহস্পতি দেৱতা আৰু ঈশান কোণ, উত্তৰ পশ্চিমে দিশত চন্দ্ৰ আৰু বায়ু দেৱতা, দক্ষিণ পশ্চিম দিশত ৰাহু দেৱতা আৰু নৈঋত কোণ, দক্ষিণ-পূব দিশত শুক্ৰ আৰু অগ্নি দেৱতা। এই আঠোটা দিশৰ মাজত আছে ব্ৰহ্মস্থান। যাক কেন্দ্ৰবিন্দু বা মধ্যস্থান বুলি জনাযায়। বাস্তু পুৰুষে ভূমিত ওপৰ মুখ কৰি শুই থাকে আৰু বাস্তুপুৰুষৰ নাভিস্থানেই হ'ল ব্ৰহ্মস্থান। প্ৰতিজন ব্যক্তিৰ নাভিস্থল যিদৰে স্পৰ্শকাতৰ, সেইদৰে ভূমিভাগৰো ব্ৰহ্মস্থানৰ সুৰক্ষাও অতিকৈ জৰুৰী, ব্ৰহ্মস্থান খালী থকাই শ্ৰেয়, ঘৰৰ পূজা-পাৰ্বন আদি ব্ৰহ্মস্থানত কৰিলে সু-ফল লাভ কৰিব পাৰি। মনত ৰখা উচিত যে এই স্থানত ঘৰৰ খুঁটা বা দেৱাল নিৰ্মাণ নহয় যাতে।

Vastu Sastra ৰ নিয়মাৱলী কেইটামান উল্লেখ কৰা হৈছে। যেনে — মূল দুৱাৰ আৰু খিৰিকি ভগা-ছিগা হ'ব নালাগে আৰু শব্দহীন হ'ব লাগে, পুবফালে মুৰ কৰি শুলে টোপনি ভাল হয়, পানীৰ পাত্ৰ আদি Telephone, Computer, Freeze, T.V. আদিৰ ওচৰত নাৰাখিব যদি ৰাখে ইয়াৰ Electric Ray য়ে পানীক Effect কৰিব। The Tulsi plant is very auspicious in North-East & East. some people keep costly perfumes or cosmetics in the cash Box. This should be avoided because the perfumes interfare with positive energy. etc.

গৃহ নিৰ্মাণ কৰিবলৈ লোৱাৰ আগতে আপুনি যেতিয়া মাটি কিনিব পাৰিলে Vastu Specialist ৰ পৰামৰ্শ ল'ব। তথাপিও Vastu Satra মতে নিম্নোক্ত সকলৰ পৰা মাটি নিকিনিব। যেনে — দেউলীয়া লোক, কুষ্ঠ ৰোগী, পাগল মানুহ, আগতে মৃতদেহ সৎকাৰ ঠাই, কাছপিঠিয়া মাটি, মঠ-মন্দিৰ, ট্ৰাষ্টৰ বাবে ৰখা মাটি আদি ক্ৰয় কৰি অনুচিত। নিজৰ মাটিৰ লগত সংলগ্ন মাটিৰ উত্তৰ পূবৰ নতুন ভু-খণ্ড ক্ৰয় কৰিলে ই উন্নতি আৰু সা-সম্পত্তি উত্তৰত শুভ আৰু লাভজনক, পূবত সু-স্বাস্থ্য, পশ্চিমত অস্থিৰতা, আৰু দুখকাৰক, দক্ষিণ-পূবত অগ্নিৰ দ্বাৰা দূৰ্ঘটনা, দক্ষিণ-পশ্চিমত ৰোগ, উত্তৰ-পশ্চিমত সামান্য লাভজনক ইত্যাদি ইত্যাদি।

শেষত, আজিৰ বিশৃঙ্খলিত জীৱন-ধাৰাৰ মুল উৎস হ'ল — সদাগৰ আৰু শুদ্ধাচাৰহীন জীৱন-প্ৰণালী, ঘৰে-ঘৰে অসুখ-অশান্তি, হাই-কাজিয়া, মৰামৰি, হিংসা-খেয়াল ইত্যাদি। কিন্তু যিমানেই যি নহওঁক লাগে কিয় সুখ-শান্তি সকলো মানুহেই বিচাৰে। এই কথাবিলাক হৃদয়ংগম কৰিব পাৰিলেহে, উপলব্ধি কৰিব পাৰিলেহে, সকলোৰে প্ৰচেষ্টাত দেশত ঘৰত শান্তি-প্ৰতিষ্ঠা সম্ভৱ হ'ব। এই ক্ষেত্ৰত Feng Shui আৰু Vastu Sastra ৰ নিয়মাৱলী পথ-পদৰ্শক হ'ব। ঘৰতে সাধাৰণভাৱে যি-যি সামগ্ৰী আছে তাকে অলপ ইফাল-সিফাল কৰি সঠিক স্থানত ৰাখি দীৰ্ঘ-জীৱন, সু-স্বাস্থ্য, শান্তিৰ বাতাবৰণ বিচাৰি পাব পাৰি। Feng Shui আৰু Vastu Sastra ৰ দ্বাৰা অনুপ্ৰাণিত হোৱা সকলোৰে প্ৰচেষ্টা সফল হওঁক। তথাপিও কওঁ, মানুহে কোনো কৰ্ম নিজ ইচ্ছাৰে কৰিব নোৱাৰে, সকলো কৰ্ম পৰমেশ্বৰৰ ইচ্ছাতহে সম্পাদিত হয়।

লগতে এইটো কৈ থোৱা ভাল হ'ব যে - বিভিন্ন কিতাপ-পত্ৰ, প্ৰবন্ধ আদি পঢ়িহে এই লেখা যুগুতোৱা হৈছে। গতিকে, অনেক ভুল ত্ৰুটি থাকিব পাৰে। □



# গোলকীয় উষ্ণতা

# আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ

**অনুপৰ্ণা শইকীয়া**

স্নাতক প্ৰথম বৰ্ষ, ভূগোল বিজ্ঞান বিভাগ

পৃথিৱীৰ বাবে সকলো শক্তিৰ উৎসই হ'ল সূৰ্য। এই সূৰ্যৰপৰাই পৃথিৱীয়ে প্ৰায় অফুৰন্ত তাপ শক্তি। আমি যদি বায়ুমণ্ডলৰ উৰ্ধ্বস্তৰত প্ৰৱেশ কৰা সৌৰশক্তিক ১০০ শতাংশ বুলি ধৰোঁ, বায়ুমণ্ডলত প্ৰৱেশ কৰাৰ পাছত তাৰ ৩২ শতাংশ শক্তি (৫ শতাংশ) ধূলিকণাই, ২১ শতাংশ ডাৱৰে আৰু ৬ শতাংশ ধৰা পৃষ্ঠই ) প্ৰতিফলনৰ ফলত পুনৰ মহাকাশলৈ উভতি যায়। বাকী থকা ৬৮ শতাংশ শক্তিৰ ১৮ শতাংশ শোষণ কৰে ডাৱৰ জলীয় বাষ্প, ধূলিকণা আৰু কাৰ্বন-ডাই-অক্সাইড আদি গেছে আৰু বৈ যোৱা ৫০ শতাংশ ধৰা পৃষ্ঠই শোষণ কৰে। কিন্তু প্ৰতিদিনে সূৰ্যৰপৰা লাভ কৰা এই শক্তি পৃথিৱীয়ে চিৰদিনৰ বাবে ধৰি নাৰাখে। নহ'লে এই পৃথিৱীও শুক্ৰ বা বুধ গ্ৰহৰ দৰেই উত্তপ্ত হৈ জীৱৰ বসবাসৰ অনুপযোগী হ'লহেঁতেন। পৃথিৱীৰ জলবায়ুতন্ত্ৰই প্ৰতি মুহূৰ্তত এই সূৰ্যৰপৰা অহা শক্তি আৰু পৃথিৱীয়ে এৰি দিয়াশক্তিৰ মাজত সমতা স্থাপন কৰি ৰাখে। কিন্তু মুঠ এৰি দিয়া শক্তিৰ এক ক্ষুদ্ৰ অংশ বায়ুমণ্ডলৰ সেউজগৃহ গেছসমূহ (green house gases) যেনে -- কাৰ্বন-ডাই অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড, অ'জন আৰু জলীয় বাষ্প আদিয়ে ধৰি ৰাখি জীৱৰ বসবাসৰ উপযোগী কৰি পৃথিৱীৰ গড় উত্তাপ প্ৰায় ১৫° ছেলছিয়াচ কৰি ৰাখে।

ভূ-বৈজ্ঞানিক সময়ৰ হিচাপক প্ৰিকেমব্ৰিয়ান যুগৰ পৰা বৰ্তমানৰ কোৱাটাৰনেৰী যুগলৈকে, এই বৃহৎ সময় ছোৱাত কেইবাবাৰো চলিছে বায়ুমণ্ডলৰ উষ্ণতাৰ হ্ৰাস-বৃদ্ধি, বায়ুমণ্ডলৰ উষ্ণতাৰ হ্ৰাস ঘটাৰ শেহতীয়া ঘটনাটো ঘটিছিল প্লিষ্ট'চিন যুগত, ধৰাপৃষ্ঠৰ বিস্তীৰ্ণ অঞ্চল ঢাক খাই পৰিছিল বৰফেৰে। ফলত বাম সাগৰ সমূহ জলশূণ্য হৈ পৰিছিল। তাৰ পাছৰ পৰাই পুণৰ ধৰা পৃষ্ঠৰ উষ্ণতা বৃদ্ধি পাবলৈ ধৰে। গতিকে পৃথিৱীৰ পৰিৱেশ দিনক দিনে অধিক গৰম হৈ এক স্বাভাৱিক প্ৰাকৃতিক ঘটনা। কিন্তু পৃথিৱীৰ পৰিৱেশ ওপৰত উল্লেখ কৰা প্ৰাকৃতিক নিয়ম অনুসৰি যি হাৰত গৰম হ'ব লাগিছিল বাস্তৱ ক্ষেত্ৰত ই অধিক দ্ৰুত গতিত গৰম হোৱা দেখা গৈছে। সংগৃহীত তথ্যৰপৰা জনা মতে ১৯২০-৯৫ চনৰ মাজৰ সময়ছোৱাতে বায়ুমণ্ডলটোৰ উত্তাপ ১৫° চেলচিয়াছ বৃদ্ধি পাইছে। অৰ্থাৎ সেই অনুসাৰে তিনি চাৰি হাজাৰ বছৰৰ ভিতৰতে ভূ-পৃষ্ঠত নিৰক্ষীয় অঞ্চলৰ উত্তাপ পানীৰ উতলাংকৰ সমান হ'বগৈ। অন্ততঃ যোৱা ডেৰ হাজাৰ নিযুত বছৰৰ কোনো আন্তঃতুষাৰ যুগতে

অনুৰূপ ঘটনা ঘটা নাই অৰ্থাৎ পৃথিৱীপৃষ্ঠৰ এনে ক্ষীপ্ৰ উত্তাপনৰ বাবে প্ৰকৃতি মুঠেই দায়ী নহয়। এনে এক সম্ভাব্য অঘটনৰ বাবে মানুহেই একমাত্ৰ দায়ী। বৌদ্ধিক মানৱৰ উন্নয়নমূলক কামকাজৰ ফলস্বৰূপে বায়ুমণ্ডলত অহৰহভাৱে কাৰ্বন-ডাই-অক্সাইড ($CO_2$), মিথেন ($CH_4$) নাইট্ৰাছ অক্সাইড ($N_2O$) ক্লৰ’-ফ্লৰ’-কাৰ্বন (CFC), অ’জন ($O_3$) প্ৰভৃতি গেছৰ সংযোগ ঘটিছে আৰু অক্সিজেনৰ ($O_2$) পৰিমাণ কমি গৈ আছে। বায়ুমণ্ডলৰ সংযুতিৰ এনে পৰিৱৰ্তনৰ ফলত সমগ্ৰ বায়ুমণ্ডলটোৰ মাজেৰে সূৰ্যৰ পৰা পৃথিৱীলৈ অহা তাপ শক্তিৰ ঠিক সম পৰিমাণৰ তাপ পৃথিৱীৰ পৰা মহাকাশলৈ ওলাই যোৱাত বাধা জন্মিছে। গতিকে পৃথিৱীখন দ্ৰুতগতিত গৰম হৈ আহিছে। বায়ুমণ্ডলৰ মাজেৰে ভূ-পৃষ্ঠলৈ সৌৰ সক্তিৰ আগমণ আৰু বহিৰ্গমনৰ এই ভাৰসাম্যহীন অৱস্থাটোক সেউজগৃহ পৰিঘটনা (Greenhouse effect) অথবা গোলকীয় উত্তাপন (Global warming) বোলে।

কিন্তু উষ্ণতাৰ এই ক্ষুদ্ৰ বৃদ্ধিয়েই পৃথিৱীৰ বায়ুমণ্ডলত যথেষ্ট প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। উষ্ণতা বৃদ্ধিৰ বাবে—

১) ডাৱৰৰ প্ৰকাৰ আৰু পৰিমাণৰ তাৰতম্য ঘটিছে। ফলত চৰম জলবায়ুৰ সৃষ্টি হৈছে। অতিবৃষ্টিৰ ফলত প্ৰচণ্ড বানপানী আৰু অনুবৃষ্টিৰ ফলত বিস্তীৰ্ণ অঞ্চল জলশূণ্য হৈ মৰুভূমি সদৃশ পৰিৱেশ বিৰাজ কৰি কৃষি আৰু খোৱাপানীৰ নাটনিৰ সৃষ্টি কৰিছে।

২) সাগৰীয় সোঁত আৰু বতাহৰ গতি আৰু দিশৰ পৰিৱৰ্তন ঘটিছে। ফলত সাগৰীয় জীৱৰ লগতে স্থলভাগতো জলবায়ুৰ পৰিবৰ্তন ঘটি বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, প্ৰাণীৰ জীৱন বিপন্নৰ পথত আগুৱাই গৈছে।

৩) জলকণাৰ গঠন আৰু পৰিমাণৰ তাৰতম্য ঘটিছে। ফলত বৰষুণৰ পৰিমাণ অনিয়মীয়া হৈছে। বিস্তীৰ্ণ খেতিপথাৰ নষ্ট হৈছে, শস্যৰ স্বাভাৱিক উৎপাদন হ্ৰাস হৈ পৃথিৱীক অকাল দুৰ্ভিক্ষৰ ফাললৈ ঠেলি নিছে।

৪) দুই মেৰু অঞ্চলৰ বৃহৎ বৰফৰ পাহাৰ আৰু উচ্চ পৰ্বতৰ ওপৰত থকা সৰু বৰ হিমবাহসমূহ গলিবলৈ লোৱাত সমুদ্ৰপৃষ্ঠৰ উচ্চতা বাঢ়িছে। চিৰপ্ৰৱাহী নদীসমূহ শুকাই যাবলৈ লোৱাত এফালে একো একোখন দেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে আৰু আনফালে সাগৰ সংলগ্ন কম উচ্চতাৰ দেশসমূহ, যেনে -- বাংলাদেশ, ফিলিপাইন, মালদ্বীপ, পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ আদিৰ দৰে দেশসমূহ যেনে -- বাংলাদেশ, ফিলিপাইন, মালদ্বীপ, পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ আদিৰ দৰে দেশসমূহ সাগৰৰ তলত ডুব যোৱাৰ অতিক্ৰম হৈছে। মাটিৰ নাটনি বিদেশী প্ৰব্ৰজন আদি নতুন নতুন সমস্যাই গা কৰি উঠিছে।

৫) বেছি পৰিমাণে বৰফ গলা নিৰ্মল পানী সাগৰলৈ বৈ অহাত সাগৰৰ পানীৰ লৱণতাৰ তাৰতম্য গটিছে।

৬) পৃথিৱীৰ প্ৰতিটো জীৱই যেতিয়া পোনপটীয়াকৈ বা আওপকীয়াকৈ প্ৰতিটো জীৱৰ ওপৰত নিৰ্ভৰশীল, বিভিন্ন জীৱৰ প্ৰতি অহা এই ভাবুকিৰ ফলত সমগ্ৰ জৈৱ-বৈচিত্ৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। দিনে দিনে নতুন নতুন সমস্যা, বেমাৰ আদিৰ প্ৰাদুৰ্ভাৱ ঘটিছে। বৰ্ষাৰণ্যসমূহৰ বিলুপ্তি ঘটিবলৈ লোৱাৰ ফলত বায়ুমণ্ডলৰ উৰ্ধৰ্বস্তৰত অজ’ন গেছত বিন্ধা আদি ভয়াবহ ঘটনা ঘটিবলৈ লৈছে।

৭) সেউজগৃহ গেছসমূহৰ পৰিমাণ বৃদ্ধিয়েই যদি এই সমস্যাসমূহৰ প্ৰধান কাৰণ হয়, তেন্তে এই গেছসমূহ বৃদ্ধি পোৱাৰ প্ৰধান কাৰণ সমূহ হ’ল ---

১) **বনাঞ্চল ধ্বংস** ঃ উদ্ভিদৰ সেউজীয়া পদাৰ্থই খাদ্য প্ৰস্তুত কৰিবৰ বাবে বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড গেছ ব্যৱহাৰ কৰে। দিনে দিনে নতুন নতুন নগৰ চহৰৰ আৰ্বিভাৱ ঘটাৰ লগে লগেই গছৰ সংখ্যা কমি যোৱাত বায়ুমণ্ডলত এই গেছৰ পৰিমাণ ঘটিছে।

২) কল-কাৰখানা, মটৰ গাড়ী ব্যৱহাৰ কৰা কাৰ্বন যুক্ত জৈৱিক ইন্ধনৰ দহন, ধাতু কাৰ্বনেটৰ বিয়োজন, বনজুই আৰু



জৈৱিক পচন আদিৰ পৰা বহু পৰিমাণৰ কাৰ্বন-ডাই অক্সাইড গেছৰ পৰিমাণ বৃদ্ধি পাইছে।

৩) বিগত কিছু বছৰত বৃহৎ মাত্ৰাত বৃদ্ধি পোৱা চৰ্ম উদ্যোগ সমূহৰ বাবেও বায়ুমণ্ডলত মিথেন গেছৰ পৰিমাণ বাঢ়িছে।

৪) জনসংখ্যা দিনকদিনে বৃদ্ধি পাই অহাৰ বাবে খাদ্য শস্যৰ বাবে বাসস্থানৰ বাবে গছ-গছনি কটা, জীৱ-জন্তু বধ কৰা আদি দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে।

সেউজগৃহ গেছসমূহৰ বৃদ্ধিত অৰিহণা যোগোৱা ক্ষেত্ৰ সমূহৰ ভিতৰত ৪ শতাংশ আহে উদ্যোগ সমূহৰ পৰা, ৭ শতাংশ আহে খেতি পথাৰত ব্যৱহাৰ কৰা জৈৱিক সাৰ আৰু ৰাসায়নিক সাৰৰ পৰা, ২১ শতাংশ আহে যান-বাহনৰ পৰা আৰু বাকী ৬৫

শতাংশ আহে দাহ্য বস্তু অৰ্থাৎ খৰি, কয়লা আদি গৃহ উষ্ণতা বৃদ্ধিৰ কাৰক সামগ্ৰী দহনৰ পৰা। ৰকেট, জেট আদিৰ ধোঁৱাইও ইয় ত অৰিহণা যোগাইছে। কল-কাৰখানা আৰু ঘৰুৱা কামত তাপৰ উৎস হিচাপে জীৱাশ্ম ইন্ধন দহন কৰাৰ ফলত বায়ুমণ্ডলত বছৰি ৫৩০ কোটি টন কাৰ্বন -ডাই-অক্সাইড গেছৰ সংযোগ ঘটে। ইয়াৰে ২১২ কোটি টন সামুদ্ৰিক জলৰাশিয়ে আৰু ১০০ কোটি টন কাৰ্বন-ডাই-অক্সাইড স্থলভাগৰ বিভিন্ন ধৰণৰ শিলাই শুহি লোৱাৰ পাছত ১০০ কোটি টনৰ অধিক বায়ুণ্ডলত থাকি যায়। ধাননি পথাৰ আৰু জৈৱ অৱক্ষেপৰ পচনস্থলী সমূহত সৃষ্টি হোৱা মিথেন গেছৰ পৰিমাণ বাৰ্ষিক কম পক্ষেও ৭ নিযুত টন বুলি ঠাৱৰ কৰিব পৰা হৈছে। ঘাইকৈ ৰাসায়নিক সাৰ প্ৰয়োগৰ ফলত ।১৯৮০ -৮৯ দশকত বায়ুমণ্ডলত সংযোগ ঘটা নাইট্ৰাছ অক্সাইডৰ পৰিমাণ আছিল ৩.৭ নিযুত টন। আকৌ শীতক (Refrigerator) , বাতানাকুলন (Air Conditioning), সুগন্ধি ৰাসায়নিক দ্ৰব্য প্ৰভৃতি ব্যৱহাৰৰ ফলত বায়ুমণ্ডলত ক্ল'ৰ-ফ্ল'ৰ কাৰ্বন (CFC) অঞ্চলভেদে নানা পৰিমাণত সংযোগ ঘটে।

বৰ্তমানৰ নিৰিখত গোলকীয় উত্তাপন অব্যাহত থাকিলে ২১০০ চনৰ ভিতৰত ভূ-পৃষ্ঠৰ গড় উষ্ণতা ১° -৩-৫° বৃদ্ধি পোৱাটো প্ৰায় নিশ্চিত। তেতিয়া স্থল পৃষ্ঠৰ ওপৰত আৱদ্ধ হৈ থকা বৰফ গলাৰ ফলত নদ-নদীৰ বানপানী আৰু ভূমিক্ষয় কাৰ্যই তীব্ৰ ৰূপ ধাৰণ কৰিব। তদুপৰি এনেঘটনাই সমুদ্ৰ পৃষ্ঠৰ উচ্চতা কমেও এফুট বৃদ্ধি কৰিব আৰু ফলস্বৰূপে বিস্তীৰ্ণ উপকুলীয় সমভূমি বহুত অঞ্চলেই পানীত তল যাব। বাংলাদেশৰ প্ৰায় এক- পঞ্চমাংশ ভূ--ভাগ, মালদ্বীপ, বাহামা, লাক্ষাদ্বীপ প্ৰভৃতি ভূ-অৱয়ববোৰ সাগৰে বুৰাই পেলাব। গোলকীয় উত্তাপণৰ ফলত পৃথিৱীৰ জলবায়ুৰ ব্যাপক পৰিৱৰ্তন অৱশ্যম্ভাৱী হৈ উঠিব। ইয়াৰ ফলত বাষ্পীভৱন, বৃষ্টিপাত, নিয়ত বতাহৰ দিশ প্ৰভৃতি জলবায়বীয় প্ৰক্ৰিয়াবো অদল-বদল হ'ব। ফলস্বৰূপে অতিবৃষ্টি, অনাবৃষ্টি আদিয়ে জীৱ-জগতক বেয়াকৈ অক্ৰান্ত কৰিব। অৰ্থাৎ গোলকীয় জৈৱ বিচিত্ৰৰ ওপৰত উত্তাপনৰ প্ৰভাৱ পৰিব। দ্ৰুতহাৰৰ ভূমিক্ষয় আৰু উষ্ণ পৰিৱেশৰ ফলত মাটিৰ গুণাগুণ পৰিৱৰ্তনে উদ্ভিদৰ বৃদ্ধি আৰু কৃষি কাৰ্যৰ ওপৰত সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়া সৃষ্টি কৰিব । অণুজীৱৰ প্ৰকৃতি আৰু বৃষ্টিপাত পৰিৱৰ্তনৰ ফলত মানুহকে ধৰি প্ৰাণী আৰু উদ্ভিদ সমূহ কিছুমান নতুন ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰো সম্ভাৱনা আছে।

গোলকীয় উত্তাপনৰ প্ৰকোপৰ পৰা পৃথিৱীক ৰক্ষা কৰাৰ উপায় হিচাপে কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড, ক্ল'ৰ-ফ্ল'ৰ কাৰ্বন প্ৰভৃতি সেউজ গৃহ গেছ সমূহৰ উৎপাদন প্ৰতিৰোধ আৰু পৃথিৱীত উদ্ভিদৰ সেউজীয়া আৱৰণটোক অধিক শক্তিশালী কৰি তোলাৰ কথাকে প্ৰধান ভাৱে উল্লেখ কৰিব পাৰি। কাৰ্বন -ডাই-অক্সাইডৰ উৎস স্বৰূপে জীৱাশ্ম ইন্ধন অৰ্থাৎ কয়লা, পেট্ৰ'লিয়াম অথবা প্ৰাকৃতিক গেছৰ স্থানত জলবিদ্যুৎ সৌৰশক্তি,বতাহ, সামুদ্ৰিক ঢৌ অথবা পাৰমাণবিক উৎসৰ পৰা আহৰণ কৰা শক্তিসমূহক উদ্যোগ আৰু পৰিবহনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰি।

গতিকে সাম্প্ৰতিক সময়ত এই বিষয়টোক অতি স্পৰ্শকাতৰ আৰু ভয়াবহ। যদি সেই সময়তে মানবকুল সৰ্তক আৰু সজাগ নহয়, তেনেহ'লে আৰু খুব কম সময়ৰ ভিতৰতে পৃথিৱী আৰু জীৱকুল ধ্বংসৰ গৰাহত পৰিব। মানুহ প্ৰকৃতিৰেই অংশ। হাজাৰ হাজাৰ বছৰ চলি আহিছিল এই সম্পৰ্ক অন্ততঃ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৱিৰ্ভাব ঘটাৰ আগলৈকে। কিন্তু তাৰ পাছত মানৱ জাতিৰ উন্নতিৰ বাবে মানুহেই সৃষ্টি কৰা কিছুমান কাৰকৰ বাবে পৃথিৱীখন যেন ক্ৰমে ধ্বংসৰ গৰাহলৈ আগুৱাই গৈ আছে। প্ৰাকৃতিক পৰিৱেশৰ বাবে ভাবুকি আহি পৰিছে, লুপ্ত হৈ গৈছে বহুতো প্ৰজাতিৰ উদ্ভিদ, জীৱ-জন্তু আৰু কীট পতংগ। ভাবুকিৰ সৃষ্টি হৈছে মানুহৰ প্ৰতিও। ফলত মানুহ পুনৰ প্ৰকৃতিমুখী হ'বলৈ চেষ্টা কৰিছে। Ω













# পৰ্যটনৰ স্থলী হিচাপে উত্তৰ-পূৰ্বাঞ্চল, ইয়াৰ অসুবিধা আৰু সম্ভাৱনীয়তাসমূহ

পিংকী কাকতি

স্নাতক দ্বিতীয় বৰ্ষ

"পৰ্যটন" এই শব্দটোৱে সাধাৰণতে ভ্ৰমণ প্ৰিয় লোকৰ মনত হঠাতেই আলোড়নৰ সৃষ্টি কৰিব পাৰে। কাৰণ এই শব্দটোৱেই পলকতে কঢ়িয়াই আনিব পাৰে ভ্ৰমণৰ আনন্দ, উৎসাহ আৰু উদ্দীপনা। এই পৰ্যটন শব্দটোৰ বিভিন্ন সংজ্ঞা থকা দেখা যায়। সাধাৰণতে পৰ্যটন শব্দটোৱে "কৰ্মব্যস্ত তাৰপৰা বিৰতি লৈ দৈনন্দিন পৰিৱেশৰ পৰা আঁতৰৰ কোনো ঠাইলৈ মন পাতলাবৰ বা আমোদ-প্ৰমোদৰ উদ্দেশ্যে ভ্ৰমণ কৰিবলৈ যোৱাকে বুজায়।"

পৰ্যটন এই সংজ্ঞাৰ উপৰিও আধুনিক পৰ্যটন আৰু পৰ্যটকৰ সংজ্ঞা সম্বন্ধে ভালেমান পণ্ডিতে বেলেগ বেলেগ ধৰণৰ মতামত আগবঢ়াইছে। সেইবোৰৰ ভিতৰত অষ্ট্ৰিয়াৰ শ্যুলাৰ্ডে আগবঢ়োৱা সংজ্ঞাটো অন্যতম। তেওঁৰ মতে — "পৰ্যটন প্ৰধানকৈ অৰ্থনৈতিক প্ৰকৃতিৰ। কোনো এক নিৰ্দিষ্ট নগৰ অঞ্চল বা দেশলৈ বিদেশী লোকৰ প্ৰৱেশ থকা আৰু আহ যাহৰ লগত পোনপটীয়াকৈ জড়িত ব্যৱস্থাৰ মুঠ পৰিমাণেই হ'ল "পৰ্যটন"। বিভিন্ন প্ৰকাৰৰ পৰ্যটনৰ ভিতৰত — সাংস্কৃতিক পৰ্যটন, শিক্ষামূলক পৰ্যটন, ক্ৰীয়াকেন্দ্ৰিক পৰ্যটন, স্বাস্থ্য লাভাৰ্থক পৰ্যটন, পৰিৱেশ পৰ্যটন আদিয়ে প্ৰধান। এই পৰ্যটনে মানৱ সমাজৰ নানান দিশক স্পৰ্শ কৰি সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। পৰ্যটনে যুগে যুগে ভ্ৰমণপিপাসু লোকক আকৰ্ষিত কৰি আহিছে। সেয়ে ভ্ৰমণস্থলী হিচাপে উত্তৰ পূৰ্বাঞ্চল অতি লেখতলবলগা স্থান। অৰ্থাৎ উত্তৰ-পূৰ্বাঞ্চল পৰ্যটকৰ বাবে স্বৰ্গৰ অনুপম। এই অঞ্চলৰ ৰূপ পৰ্বত-পাহাৰ, কুলুকুলু সুৰেৰে বৈ যোৱা নৈ জান-জুৰিবোৰ, ঘন সেউজীয়া অৰণ্য, বৰ্ষাৰ জলধাৰা, অলেখ বন্যপ্ৰাণী, সুললিত লোকসঙ্গীত চিত্তাকৰ্ষক নৃত্যগীত আৰু উৎসৱ, বিবিধ জুতিলগা খাদ্য সামগ্ৰী শিপিণীয়ে তাঁতৰ শালত ৰচা সপোনৰ বয়ন সামগ্ৰী অপূৰ্ব সুন্দৰ হস্তশিল্প আৰু ইয়াৰ মনোহৰ সেউজীয়া দৃশ্যৰাজিয়ে যুগযুগান্তৰ ধৰি পৃথিৱীৰ নানান ঠাইৰ পৰ্যটকক ইয়ালৈ আকৰ্ষণ কৰি আহিছে। তাৰোপৰি শিৱসাগৰ, চৰাইদেউ, গড়গাঁও, গুৱাহাটীকে ধৰি ঐতিহাসিক স্থানসমূহেও পৰ্যটকক আকৰ্ষিত কৰি আহিছে আদিকালৰে পৰাই। এইবোৰৰ উপৰিও সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুও পৰ্যটকৰ আকৰ্ষণৰ বিন্দু। কাৰণ ইয়াত জাৰকালি জাৰৰ পৰিমাণ আৰু জহকালি গৰমৰ পৰিমাণ অতি উচ্চ নহয়। অৰ্থাৎ ভ্ৰমণৰ বাবে এক অনুকূল পৰিবেশেই বিৰাজ কৰে।

কিন্তু অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে পৰ্যটনৰ অনুকূল উপাদান প্ৰচুৰ পৰিমাণে থকা স্বত্বেও আৰ্থ সামাজিক দিশত সবল স্থিতিৰে পৰ্যটনে এই অঞ্চলত এক প্ৰধান উদ্যোগৰূপে এতিয়াও প্ৰতিষ্ঠা লাভ কৰিব পৰা নাই। এনে অনগ্ৰসৰতাৰ বাবে দায়ী কেইবাটাও কাৰণ আমাৰ চকুত পৰে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান কাৰণ হৈছে — পৰ্যটনৰ উপযোগী আন্তঃগাঁথনিৰ অভাৱ, সন্ত্ৰাসবাদৰ সমস্যা, প্ৰচাৰ সম্পৰ্কীয় সমস্যা, সুপৰিকল্পিত আঁচনিৰ অভাৱ, বিত্তীয় সমস্যা আদি।

যিহেতু কোনো অঞ্চলত পৰ্যটনৰ সফলতাৰ বাবে প্ৰধান প্ৰয়োজনীয় চৰ্ত হ'ল উন্নত আন্তঃগাথনিৰ সা-সুবিধা। কিন্তু প্ৰাকৃতিক

সম্পদৰ প্ৰাচুৰ্য স্বত্বেও উত্তৰ পূৰ্বাঞ্চলত উল্লিখিত আন্তঃগাথনিৰ দুৰ্বলতাই পৰ্যটনত বিৰূপ প্ৰভাৱ পেলাইছে। ইয়াৰ বেছিভাগ স্থলপথ আৰু জলপথৰ অৱস্থা সন্তোষজনক নহয়। ইয়াৰ উপৰিও অসমৰ অন্যতম প্ৰধান সাংস্কৃতিক কেন্দ্ৰস্থল মাজুলীৰ পৰ্যটন সম্ভাৱনীয়তাৰ ক্ষেত্ৰত যথেষ্ট চিন্তা-চৰ্চা কৰা হৈছে যদিও এই নদী দ্বীপটোৰ যাতায়াতৰ যি দুৰৱস্থা; সি সততে পৰ্যটক সকলক অসুবিধাত পেলায়।

ইয়াৰ উপৰিও বৰ্তমান অৱস্থিত সন্ত্ৰাসবাদৰ সমস্যাই পৰ্যটন উদ্যোগটোক যথেষ্ট পৰিমাণে জুৰুলা কৰিছে। বিশ্বৰ দৰবাৰত উত্তৰ-পূৰ্বাঞ্চল এক সন্ত্ৰাসবাদীৰ এলেকা হিচাপে চিহ্নিত হ'বলৈ ধৰিছে। যাৰ ফলস্বৰূপে এই অঞ্চলটো ভ্ৰমণকৰিবলৈ পৰ্যটকসকলে সাহস নকৰা হৈছে।

ইয়াৰ উপৰিও প্ৰচাৰ সম্পৰ্কীয় দুৰ্বলতা তথা পৰ্যটন স্থলসমূহৰ সংৰক্ষণৰ দুৰ্বলতাই পৰ্যটন উদ্যোগটোক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে বাধাৰ সৃষ্টি কৰিছে। সংৰক্ষণ দুৰ্বলতাৰ বাবে ঐতিহাসিক স্থানসমূহৰ অনেক আহোমযুগৰ স্বাক্ষৰ বহনকাৰী কীৰ্তিচিহ্ন আৰু প্ৰাকৃতিক সম্পদৰ অস্তিত্ব সংকটৰ সন্মুখীন হৈছে। চৰকাৰ আৰু জনসাধাৰণৰ সচেতনতা আৰু সদিচ্ছাৰ অভাৱ, বিত্তীয় নাটনি, দুনীৰ্তি আৰু প্ৰাকৃতিক কাৰণ আদিৰ ফলত পৰ্যটনৰ উপেযোগী বহু সমল হেৰাই যোৱাৰ উপক্ৰম হৈছে।

সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত পৰ্যটনৰ ক্ষেত্ৰত এশ এবুৰি সমস্যাই দেখা দিলেও ইয়াত পৰ্যটনৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনীয়তা আছে। যিহেতু অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি হৈছে বাৰেবৰণীয়া সংস্কৃতি। সংস্কৃতিবান এই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটনৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনীয়তাৰে পৰিপূৰ্ণ। বিভিন্ন জনগোষ্ঠীৰ বাসভূমি এই উত্তৰ-পূৰ্বাঞ্চলত বছৰৰ বিভিন্ন সময়ত উল্লেখযোগ্য হৈছে — বিহু, ৰাস, দুৰ্গাপূজা, ঈদ, পালনাম, জন্মাষ্টমী, মিচিংসকলৰ, আলি -আই-লৃগাং, বড়োসকলৰ খেৰাই পূজা, বাথৌ পূজা, তিৱাসকলৰ ৱানচাৱা, আহোমসকলৰ মে-ডাম-মেফি আদিয়ে প্ৰধান। তাৰোপৰি অসমৰ পৰম্পৰাগত প্ৰধান লোক শিল্পসমূহ হৈছে - বস্ত্ৰ আৰু বয়ন শিল্প, বাঁহ-বেত আৰু কাঠৰ শিল্প, মৃৎ শিল্প, কাঁহ পিতলৰ শিল্প, কমাৰৰ শিল্প, হাতীদাঁতৰ শিল্প, সোণ কমোৱা আৰু অলংকাৰ নিৰ্মাণ শিল্প ইত্যাদি। এইবোৰে পৰ্যটকসকলক যথেষ্ট পৰিমাণে আকৰ্ষিত কৰি আহিছে। ফলস্বৰূপে বছৰৰ সময়ত এই পৰ্যটক সকলক উত্তৰ পূৰ্বাঞ্চললৈ আগমন ঘটিছে।

এইবোৰৰ উপৰিও অসমৰ ঐতিহাসিক কীৰ্তিচিহ্ন, গুৰুত্বপূৰ্ণ ধৰ্মীয়স্থল আৰু বাণিজ্যিক গুৰুত্বৰ বাবে অসমত ভালেমান ধৰ্মীয়স্থল আৰু বাণিজ্যিক গুৰুত্বৰ বাবে অসমত ভালেমান উল্লেখযোগ্য নগৰ চহৰ গঢ়ি উঠিছে। পৰ্যটক সকলক এনেবোৰ স্থানে যথেষ্ট পৰিমাণে আকৰ্ষিত কৰে। এনে ঐতিহাসিক স্থানসমূহৰ ভিতৰত — গুৱাহাটী, হাজো, শদিয়া, গড়গাঁও, শিৱসাগৰ, চৰাইদেউ, গৌৰীসাগৰ, মাজুলী আদিয়ে প্ৰধান। এনে ঐতিহাসিক স্থানসমূহে পূৰ্বৰেপৰা পৰ্যটকসকলক আকৰ্ষিত কৰি আহিছে আৰু এইবোৰৰ উপযুক্ত সংৰক্ষণ ব্যৱস্থা ল'লে আগলৈ বৰ্তমানতকৈও বেছি পৰ্যটক সকলক আকৰ্ষিত কৰিবলৈ সক্ষম হ'ব।

ঐতিহাসিক স্থানসমূহৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ তথা বনজ সম্পদত চহকী, কাজিৰঙা, মানাহ, ডিব্ৰু-চৈখোৱা, ওৰাং আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যান, সোণাই ৰূপাই, লাওখোৱা, পবিতৰা, নামবৰ, বৰনদী আদি অভয়াৰণ্যবোৰে পৰ্য্যটকসকলক যথেষ্ট পৰিমাণে আকৰ্ষিত কৰি আহিছে। তাৰোপৰি খনিজ সম্পদত চহকী অসমত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা আদি প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি ভালেকেইখনমান ঔদ্যোগিক নগৰী গঢ়ি উঠিছে আৰু এইবোৰে সম্প্ৰতি পৰ্যটকসকলক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত চাহ উদ্যোগ আৰু অন্যান্য বাণিজ্যিক কাৰ্যকলাপেও যথেষ্ট পৰিমাণে অৱদান আগবঢ়াইছে।

গতিকে দেখা যায় যে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল পৰ্যটনৰ বাবে ভূ-স্বৰ্গস্বৰূপ। কিন্তু বৰ্তমান সময়ত এই ভূ-স্বৰ্গ স্বৰূপ ৰূপটো ক্ৰমান্বয়ে হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। কাৰণ ক্ৰমান্বয়ে হ্ৰাস পাই অহা পৰিলক্ষিত হৈছে। কাৰণ প্ৰত্যেকটো দিন বা মাহতেই এই পৰ্যটন স্থলীসমূহলৈ বহুতো দেশী বিদেশী পৰ্যটকৰ দল তথা বনভোজৰ দলৰ আগমন ঘটে আৰু এই বনভোজৰ দলসমূহে সেই ঠাইবোৰত প্লাষ্টিকৰ প্লেট, বটল আৰু আন আন অলাগতিয়াল, লেতেৰা পদাৰ্থ সেই স্থানসমূহত পেলাই থৈ যায়। ফলস্বৰূপে পৰ্যটকৰ আকৰ্ষণৰ এই স্থলীসমূহৰ পৰিৱেশ দূষিত হৈ পৰে। অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক যদি আমি বিশ্বৰ দৰবাৰত পৰ্যটনৰ স্থলী হিচাপে উচ্চ শিখৰত বিচাৰো তেনেহ'লে আমি সকলোৱে মিলি এই দুষ্কাৰ্যসমূহ পৰিত্যাগ কৰি এক সুস্থ পৰ্যটনৰ পৰিৱেশ গঢ়ি তোলা উচিত। তাৰোপৰি এই ক্ষেত্ৰেত চৰকাৰে পূৰ্ণ সহযোগ আগবঢ়োৱা উচিত। বৰ্তমান সময়ত চৰকাৰী পৰ্যটন বিভাগসমূহ অধিক আমোলাতান্ত্ৰিক দৃষ্টিভংগীৰে পৰিচালিত হোৱাৰ বাবে — ইয়াত বাণিজ্যিক আৰু পেছাদাৰী মনোভাৱৰ অভাৱ হোৱা দেখা যায়। ৱাইল্ড লাইফ টুৰিজিম, এডভেন্সাৰ টুৰিজিম, ৰিভাৰ টুৰিজিম আদিৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ প্ৰভূত উন্নতি সাধন কৰিব পাৰি। এইক্ষেত্ৰত চৰকাৰে উপযুক্ত আঁচনি হাতত লৈ, পৰ্যটনৰ স্থলীসমূহৰ বিষয়ে এক উপযুক্ত প্ৰচাৰৰ ব্যৱস্থা হাতত ল'ব লাগে।

শেষত ক'ব পাৰি যে প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ সমগ্ৰ উত্তৰ -পূৰ্বাঞ্চলক বিশ্বৰ দৰবাৰত এক উন্নত মানৰ পৰ্যটনৰ স্থলী হিচাপে গঢ়ি তুলিবলৈ আমি সকলোৱে মাৰ বান্ধি থিয় দিবৰ সময় হ'ল। যোজনাতেই আছেনহয় — "ৰাইজে নখ জোকাৰিলে নৈ বয়।" ফকৰা-আহক, আমি সকলোৱে মিলি জুলি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ভূ-স্বৰ্গৰূপে গঢ়ি তোলো।

# ইতিহাসে গৰকা মেটেকা

**ৰাজলক্ষ্মী গগৈ**
স্নাতক দ্বিতীয় বষ

কোনো এটা অঞ্চলৰ লোকসকলৰ সভ্যতা, সংস্কৃতি, গঢ় লৈ উঠে তাৰ ইতিহাস বা বুৰঞ্জীৰ ভেটিত। যিহেতু বুৰঞ্জী সত্যৰ ওপৰত প্ৰতিষ্ঠিত। কোনো এখন দেশৰ এটা জাতিৰ বিষয়ে লিখিত বুৰঞ্জীৰ পৰাই জানিব পাৰি। কিন্তু এটা অঞ্চল বা এখন নিৰ্দ্দিষ্ট ঠাইৰ ইতিহাস পোৱাটো কঠিন। কাৰণ সেই অঞ্চলৰ বিষয়ে লোক প্ৰবাদৰ বাহিৰে বিশেষ তথ্য পোৱা নাযায়।

শিৰোনামাত উল্লেখ কৰা 'মেটেকা' অঞ্চলৰ নামকৰণ সম্পৰ্কে পোৱা নাযায়। যিহেতু আহোম ৰজায়ো মেটেকাত ৰাজধানী পাতিছিল বুলিহে উল্লেখ আছে। বোধ হয় মেটেকাৰে পৰিপূৰ্ণ হৈ থকাৰ বাবেই সেই নাম হয়। বুৰঞ্জীৰ পাত লুটিয়ালে দেখা যায় যে, াহোম ৰজা সকলে এই মেটেকা অঞ্চলসীমা পূবে বগীদল পশ্চিমে নামদাং উত্তৰে দিখৌনদী আৰু দক্ষিণে বৰআলি আছিল।

আহোম ৰজা ৰাজেশ্বৰ সিংহই মেটেকাত ৰাজধানী স্থাপন কৰি সজা কাৰেং বা তলাতল ঘৰ এটা সাতমহলীয়া অদ্ভুত কৌশলৰ পকীঘৰ ইয়াত সময়তল এতলা ওপৰে তিনিতলা আৰু তললৈ তিনিতলা। সমতলত তলত বাওঁপাকে ঘূৰিলে সোঁ-দুৱাৰেদি ওপৰৰ তিনি তলালৈ উঠি যায় আৰু সোঁ পাকে ঘূৰি বাওঁ দুৱাৰেদি তলৰ তিনিতলালৈ নামি আহে। এই ৰাজগৃহৰ পশ্চিমে প্ৰমত্ত সিংহই ২৭ মিটাৰ দীঘল ১১ মিটাৰ বহল আৰু ১০ মিটাৰ ওখ দুমহলীয়া হাঁহ কণীৰ আকৃতিৰ ৰংঘৰ নিৰ্মাণ কৰে। তাৰোপৰি আহোম ৰজা সকলে ফাকুৱা দল দুৱৰণি আলি মেটেকা আলি বন্ধাই। যুগৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত মেটেকা অঞ্চলৰো নামাকৰণ ক্ষেত্ৰত কিছু পৰিৰ্তন হোৱা দেখা যায়। তথাপি অঞ্চলটোৰ পৰিসীমা সালসলনি হোৱা নাই। দুৱৰণি আলি পূব ভাগত কুৰুলাকটীয়া আৰু শলগুৰিয়া খণ্ড আৰু দক্ষিণ দিশত বৰআলি লৈকে ক্ৰমে মেটেকা খণ্ড। শলগুৰিয়া খণ্ডৰ পশ্চিমত হাতীখোক চিপাহি গাঁৱৰ আলি পুনত আমগুৰি ঘাট আৰু শলগুৰিয়া খণ্ডত বৰঘাট মেটেকা ঘাটকে বৰঘাট বুলি কোৱা হয়।

জনশ্ৰুতিমতে গড়গাঁওৰ পৰা ৰজাভটিয়াই আহি ৰাজঘাটত পৰা ৰাজধানীলৈ গৈছিল। ঘাটৰ পৰা ৰাজধানীলৈ এটা নাওযোৱা খাল আছিল। এইখণ্ডৰ পশ্চিমৰ দিশত আছে দেওজান এই জান দিখৌ নদী খনন কাৰ্য দ্বাৰা উৎপত্তি হৈ মেটেকা পথাৰৰ মাজেদি বৈ গৈ বৰআলি খাৱৈত পৰিছেগৈ। এই জানটোৰ নামেৰেই দুবৰণি আলিৰ কাষত দেওজান প্ৰাথমিক বিদ্যালয় গঢ়ি উঠিছে। ইয়াৰ কাষেদিয়েই ৰাইজৰ শ্ৰমদানেৰে বন্ধোৱা সাতৰ আলি বৰআলিত লাগিছেগৈ। হাতীখোক ন-আলি আৰু আমগুৰি গাঁৱৰ মুছলমান সকলে

মেটেকা অঞ্চলৰ খিলঞ্জীয়ালোক। এই বাসিন্দা সকলৰ ভিতৰত থকা বড়া, শইকীয়া আৰু হাজৰিকা উপাধিৰ লোকসকল আহোম ৰজাৰ উপাধি ধাৰী বুলি অনুনেয়। আজিৰে পৰা প্ৰায় তিনি চাৰি দশকৰ আগত মেটেকা পথাৰত মাঘৰ বিহুত হোৱা ম'হৰ যুঁজ সঁচায়ে বৰ সুন্দৰ। আগৰ নামকৰণ অনুযায়ী মেটেকাৰে পৰিপূৰ্ণ অঞ্চল আজি মেটেকানি হৈ থকা নাই। মেটেকা গাঁৱৰ হিন্দু সম্প্ৰদায়ৰ লোক সকলৰ মাজত বিভিন্নঠাইত দেখা দিয়া ধৰ্ম মতবাদৰ প্ৰাদুৰ্ভাৱ হোৱা নাই। পূৰ্বপুৰুষৰ নীতি অনুযায়ী মহাপুৰুষীয়া ধৰ্মতে দীক্ষিত হৈ একটা দোলেৰে বান্ধ খাই সামাজিক জীৱন-যাপন কৰি আহিছে। এইদৰে সকলোৱে অত্যাধিক আৰু নৈতিক জীৱন-যাপন কৰি আহিছে। এইদৰে সকলোৱে অত্যাধিক বলত বলীয়ান হৈ সমাজৰ একোজন আদৰ্শবান ব্যক্তি ৰূপে পৰিগণিত হ'লে উত্তৰ পুৰুষৰ বাবে মঙ্গলজনক হ'ব। তেতিয়াই এই গাঁও তথা অঞ্চলৰ উন্নতি অৱশ্যম্ভাবি।

মেটেকাৰ উত্তৰ পশ্চিমলৈ দিহিঙৰ থান আৰু মৈদাম। মেটেকাৰ উত্তৰলৈ এতিয়াও এটা খট্‌খটী পুখুৰী আৰু তাৰ পাৰত মৈদাম আৰু এটা দ'লৰ চিন আছে। সম্ভৱত সেয়া কোনোবা ফুকনৰ বাৰী আছিল। কাৰণ বুৰঞ্জীত "ফুকনৰ বাৰী" মেটেকাত আছিল বুলি পোৱা যায়। ল'ৰা ৰজাৰ শহুৰেক তথা লাচিত বৰফুকনৰ ককাইয়েক লালোকসোলা বৰফুকনৰ ঘৰ আছি মেটেকাত। আহোম যুগৰ বুৰঞ্জী সংগ্ৰাহক "চিৰিং ফুকন" ৰ ঘৰ আছিল মেটেকাত। আহোম ৰজাৰ খাদ্য পৰীক্ষক "লাইমেকুৰী" বৰুৱাঘৰো ইয়াতেই আছিল। তাৰোপৰি "ডেকা বড়া" আৰু "ভড়ালী বৰুৱা" ঘৰো এই অঞ্চলতেই আছিল। স্বাভাৱিকতে মেটেকা এক ৰাজকীয় ঠাই আছিল। মেটেকাৰ বৰআলি নামটোৱেই প্ৰকাশ কৰে যে আলিটো বৰপোন আৰু বহল। এই আলিটো নাজিৰাৰ পৰা আৰম্ভ কৰি পশ্চিমলৈ ব্ৰহ্মপুত্ৰৰ পাৰত লগ লাগিছে। আহোম যুগত যুদ্ধৰ সময়ত এই আলিটো দুয়োপাৰে যুদ্ধৰ আখৰা হৈছিল।

৪৩৮ নং মেটেকা দেওজান প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ পতা হয় ১৯৪৯-৯৯ চনত, ২৪,২৫,২৬ ডিচেম্বৰত বৰ্তমান আৰু এই জয়ন্তী বৰ্ষ পতা হোৱা নাই। এখন প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী অৰ্থ হ'ল এই বিদ্যালয়খনে যোৱা ৫০ বছৰেই এই অঞ্চলৰ শিশুক অন্তৰৰ জ্ঞান বন্তি জ্বলাই আন্ধৰৰ পৰা পোহৰৰ পথলৈ আগবঢ়াই লৈ আহি জীৱন যুঁজত অৱতীৰ্ণ কৰালেহি। তেওঁলোকৰ জয় পৰাজয় নিষ্ঠা আৰু কৰ্মশক্তিয়ে নিৰ্ণয় কৰিছে। এইদৰেই ভৱিষ্যতেও এই বিদ্যালয়ে প্ৰাথমিক পৰ্য্যায়তে মানুহ গঢ়াৰ প্ৰাথমিক অনুষ্ঠান ৰূপে জাতীয় জীৱনলৈ অৱদান আগবঢ়াই যাব বুলি আশা কৰি শুভেচ্ছা জ্ঞাপন কৰিলো।

এইদৰে ঐতিহাসিক ঠাই মেটেকা আৰু ইয়াৰ লগত জড়িত হৈ থকা বুৰঞ্জী ঘটনা, ইয়াৰ লগত জড়িত হৈ থকা বুৰঞ্জী ঘটনা, ইয়াৰ মানুহৰ আচাৰ-ব্যৱহাৰ, কথা-বতৰা, খাদ্য সম্ভাৰ, বাসস্থান, ধৰ্ম, কীৰ্তিস্তম্ভ, বাট-পদূলি বিষয়ে আলেচনা কৰিব পাৰি। এতিয়াও কওঁ যে মেটেকা ঐতিহাসিক সম্পদেৰে ভৰপূৰ অঞ্চল। কিন্তু এতিয়াও কিছুমান তথ্য পোহৰলৈ অহা নাই। বিজ্ঞজনে চকু দিলে বহুতো তথ্য উদঘাটন হ'ব পাৰে বৰ্তমানেও। তাৰ বিষয়ে জানিবলৈ চেষ্টা কৰিব বুলি বিজ্ঞজনলৈ মোৰ অশেষ অনুৰোধ থাকিল। লেখকৰ অজ্ঞাতে কিছু ঘটনা, ঠাই ইত্যাদিবোৰ উক্ত আলোচনাত ঠাই নাপাব পাৰে আৰু লগতে ক'ৰবাত ভুল হ'ব পাৰে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। ⩍



# ঢেঁকী
# অসমীয়া লোকজীৱনৰ অনন্য অংগ

**জেবিন আখতাৰ ৰহমান**
উঃমাঃদ্বিতীয় বৰ্ষ

যন্ত্র যুগৰ কোবাল ঢৌত উটি যাব পৰা কৃষিজীৱী সমাজৰ দৈনন্দিন ব্যৱহাৰ যোগ্য আহিলা ঢেঁকীৰ স্থান যে জনমানসত এতিয়াও উৰ্দ্ধত এই কথা নুই কৰিব নোৱাৰি। ঠাই ভেদে ঢেঁকীক বেলেগ বেলেগ নামেৰে জনা যায়। কোনো কোনো ঠাইত উৰাল, সুচল আদি নামেৰে জনা যায়। মহাকাব্য যুগৰ পৰা ঢেঁকীয়ে চহা জীৱনৰ চাহিদা পূৰণ কৰাৰ লগতে জনবিশ্বাসতো গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। নাৰদ মুনিৰ বাহন, অঘাইটং শিশু কৃষ্ণক মাক যশোদাই উৰালত বন্ধা কথা আমি সকলোৱে জানো। আমাৰ অসমীয়া সমাজত ন-কইনাক ৰান্ধনিশালৰ লগতে ঢেঁকীশাল দেখুৱাই আদৰণি জনোৱা নিয়ম বৰ্তমানেও প্ৰচলিত। কিছুমান ঠাইত আকৌ ন-কইনাৰ উপস্থিতিৰ লগে লগে ঢেঁকী বন্ধা নিয়মো আছে। ন কইনাক ঢেঁকীশাল দেখুওৱাৰ অৰ্থ হ'ল লখিমীশাল স্বৰূপ ঢেঁকীশালকো তেওঁ নিজে তদাৰক কৰি লখিমী হৈ ভৱিষ্যৎ উজ্জ্বল কৰা। ঢেঁকীৰ সৈতে জড়িত বহুতো লোকবিশ্বাসো আমাৰ সমাজত প্ৰচলিত আছে। খৰাংৰ পৰা হাত সাৰিবলৈ গৃহস্থই নজনাকৈ ঢেঁকী ওলোটাকৈ পুতিলে বৰষুণ হয় বুলি অসমীয়া সমাজত এক বিশ্বাস আছে। ঘৰৰ কোনো মাছ মাৰিবলৈ গ'লে গৃহিনীয়ে মাছুৱে ওলাই যোৱাৰ পিছত ঢেঁকী পঘাৰে বান্ধিলে ডাঙৰ মাছ পায় বুলি বহুত লোকে এতিয়াও বিশ্বাস কৰে। মুঠৰ ওপৰত জনজীৱনৰ বহু ঠাই এতিয়াও দখল কৰি আছে ঢেঁকীয়ে। অৱশ্যে ঠাই আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিতত ঢেঁকীৰ ওপৰত জন জীৱনৰ ভূমিকাও বিচিত্ৰ।

অসমৰ বিভিন্ন সম্প্ৰদায়ৰ ঢেঁকী সজা নিয়ম বেলেগ বেলেগ। আহোমসকলে সাতহতীয়া দীঘল ঢেঁকী ব্যৱহাৰ কৰে। স্বৰ্গদেউ চুকাফাই সৌমাৰ অভিযানত আহি জীৱিকা নিৰ্বাহৰ পাম হিচাপে খেতিকেই লৈছিল। খেতিৰ লগত সম্পৰ্ক ৰাখি ধান মুঠি চাউললৈ ৰূপান্তৰিত কৰিবলৈ সাতঘৰ লোকৰ বাবে সাতহতীয়া ঢেঁকী ব্যৱহাৰৰ নিৰ্দেশ দিছিল। যি কি নহওঁক। আঢ়ৈ-ডেৰ গজে মুঠি বুলি ঢেঁকীৰ এটা জোখ আছে। আঢ়ৈ হাত, ডেৰ হাত আৰু এগজ এমুঠি যথাক্ৰমে ঢেঁকীৰ নেজৰ পৰা কটৰালৈ, কটৰাৰ পৰা ঢেঁকী থোৱালৈ আৰু থোৱাৰ পৰা মুৰলৈকে ঢেঁকীৰ জোখ লোৱা হয়। অসমত বাস কৰা প্ৰায় সকলো সম্প্ৰদায়ৰ মানুহে

চাৰিহাতৰ পৰা সাত হাতলৈ দীঘল ঢেঁকী ব্যৱহাৰ কৰে। ঢেঁকী গৃহস্থৰ একেবাৰে ভিতৰৰ বস্তু আৰু নাৰীৰ আছুতীয়া আহিলা। একে কাঠেৰে ঢেঁকী থোৰা, গাৰিপলি, কটৰা, ৰান্ধনি সালত থকা হেতা তলীয়া, পাগমাৰি ব্যৱহাৰ কৰা মানুহৰ ঘৰত কোনো তান্ত্ৰিকে কু-মন্ত্ৰ কৰিব নোৱাৰেবুলি বহুলোকে কয়। একেটা পৰিয়ালত একেটা পৰিয়ালত একেটা চৰুতে ভাত খোৱা মানুহৰ ঘৰত দুটা ঢেঁকী থাকিলে সেই পৰিয়ালত উন্নতিৰ অন্তৰায় হয় বুলি কয়। শিলিখা কাঠৰ ঢেঁকীৰ ব্যৱহাৰে গৃহস্থৰ উন্নতিৰ অনুকূল পৰিৱেশ সৃষ্টি কৰে বুলি অসমীয়া সমাজত লোক বিশ্বাস আছে।

উৎসৱ-পাৰ্ৱণতো ঢেঁকীৰ স্থান মন কৰিবলগীয়া। অসমৰ বাপতি সাহোন বিহু উৎসৱত বিশেষকৈ বহাগৰ বিহু আৰু মাঘৰ বিহুত আগতে কেইবাদিনৰ আগৰে পৰা গাঁৱৰ তিৰোতাসকলে পিঠা পনা আদি তৈয়াৰ কৰিবৰ বাবে ধান শুকুৱাই ঢেঁকীত খুন্দি চাউল উলিয়াই আৰু সেই চাউলৰ পৰা পিঠাগুৰি তৈয়াৰ কৰে। আৰু তাৰ লগেত তিল আদিও ঢেঁকীত খুন্দে। সেই পিঠাগুড়িৰ লগত তিল মিহলাই তিল পিঠা আৰু নানা ধৰণৰ মুখৰোচক ব্যঞ্জন তৈয়াৰ কৰে। কাতি বিহুৰ দিনা পিঠা পনা খুন্দি শালতে চাকি জ্বলোৱা হয়। অসমীয়া লোকসকলৰ উপৰিও চাহ বনোৱাসকলে কাতি মাহৰ অমাৱস্যা তিথিত পতা বিহুত ( চহৰাই পৰৱ) ঢেঁকীশালত ফুল বাঢ়ি ঢেঁকীক লখিমী শাল বুলি জ্ঞান কৰে। ন-খাওঁতেও শুকান ধান ভাজি ঢেঁকীত চিৰা খুন্দে। এইদৰে উৎসৱ পাৰ্ৱণ আদিত ঢেঁকীৰ লগত জড়িত বহুতো নীতি-নিয়ম আৰু জনবিশ্বাস প্ৰচলিত হোৱা দেখিবলৈ পোৱা যায়।

অসমীয়া জনজীৱনৰ বুজন অংশ- ঢেঁকীয়ে অধিকাৰ কৰি আছে যদিও বৰ্তমান সময়ত আমাৰ সমাজত ঢেঁকীক এবিধ আপুৰুগীয়া সম্পদ হিচাপেহে গণ্য কৰা হৈছে। কিয়নো নৱ-প্ৰজন্মৰ মাজত এতিয়া ঢেঁকীৰ মহত্ব নাইকিয়া হৈ পৰিছে। বিজ্ঞানৰ নন আৱিষ্কাৰৰ ফলস্বৰূপে বিভন্ন যন্ত্ৰ পাতিয়ে ঢেঁকীৰ স্থান অধিকাৰ কৰিছে। বৰ্তমানৰ শিশুসকলৰ মাজততো ঢেঁকী আচহুৱা বস্তু হৈ পৰিছে। কাৰণ আমাৰ সমাজত গাওঁ অঞ্চলত ঢেঁকী নাইকিয়াই হৈ আহিছে। যি দুই এঘৰ মানুহৰ ঘৰত আছে তথাপিও ই এক অৱহেলাৰ বস্তুহে হৈ পৰিছে। কিয়নো মানুহৰ ব্যস্ততাপূৰ্ণ জীৱনত আৰু বিজ্ঞানৰ প্ৰভাৱৰ ফলস্বৰূপে বৰ্তমান সময়ত মানুহে ধান, চাউল আদি ঢেঁকীত খুন্দা বস্তুবোৰ বিভিন্ন বৈদ্যুতিক যন্ত্ৰৰ দ্বাৰা অতি কম সময়ৰ ভিতৰতে খুন্দাই ল'ব পাৰে। সেয়েহে ঢেঁকীৰ ব্যৱহাৰ বৰ্তমান আমাৰ সমাজত কমি অহা দেখা গৈছে। ঢেঁকীৰ প্ৰতি অসমীয়া সমাজৰ অৱহেলাৰ ভাৱ পৰিলক্ষিত হ'লেও ঢেঁকীৰ ভূমিকা সম্পৰ্কে আমি নুই কৰিব নোৱাৰো।

প্ৰকৃততে ঢেঁকীশালক নাৰীৰ মন আৰু জীৱনলোচনাৰ কেন্দ্ৰস্থল বুলি ক'ব পাৰি। লগৰীয়াৰ লগত ধান বানি থাকোতে নিজৰ মনৰ কথা লগৰীয়াৰ আগত মুকলি মূৰীয়াকৈ কোৱা আনৰ বাসনা, আনৰ বেয়া ঘটনাৰ লগতে সমাজৰ প্ৰতিচ্ছবি ব্যক্তি হোৱা কেন্দ্ৰ এই ঢেঁকী শালখনেই। নাৰীৰ অন্তদৃষ্টি পুৰুষতকৈ বহু গুণে বেছি। হঠাৎ কিবা এটা দেখি কাব্যিকতা অন্তৰত জগাই তুলি কথাকে সুৰলৈ ৰূপান্তৰিত কৰিব পৰা গুণ নাৰীৰ আছে। ঢেঁকীক নাৰীয়ে সাতটা মুখৰ এটা মুখ বুলি গণ্য কৰে। ঢেঁকীত ধান বনোৱা গীত চচ্ছা আৰু কুলা-চালনীকলৈয়ো গীত গোৱা স্বাভাৱিকতে শুনিবলৈ পোৱা যায়। নাৰীক বনগীত একাংশৰ অৰিহণা যোগাইছিল ঢেঁকীয়ে, "ঢেঁকী দি থাকোতে তোলৈ মনত পৰে বৰণী হাততলৈ কান্দো, আইয়ে নেদেখাকৈ ঢেঁকী শালত বহি তোৰ কথাকে ভাবো" — ইত্যাদি বনগীত ইয়াৰ সাক্ষী স্বৰূপ। আচলতে নাৰীৰ মন চচ্ছা, অন্তৰ বিকাশত ঢেঁকীৰ বৰঙণি অনবদ্য। ◻

> তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা।
> তেতিয়া দেখিব যে তুমি কেতিয়াওঁ অকৃতকাৰ্য নোহোৱা ।
>
> — উইলিয়াম শ্বেক্সপীয়েৰ।



# অসমীয়া গ্ৰাম্য সমাজত
# নোৱাই তোলনি বিয়া

**চয়নিকা বৰগোহাঁই**
প্ৰাক্তন ছাত্ৰী

অসমীয়া গ্ৰাম্য সমাজত কন্যা পুষ্পিতা হ'লে নিৰ্দ্দিষ্ট দিনত পৰম্পৰাগতভাৱে পালন কৰা অনুষ্ঠানকে নোৱাই তোলনি বিয়া বা শান্তি বিয়া বুলি কোৱা হয়। এই বিয়া হঠাতে হয়। সাধাৰণতে ১২/১৪ বছৰ ছোৱালীৰ কন্যাকালৰ বয়স বুলিব পাৰি। কোনো কোনো সম্প্ৰদায়ত এই বিয়া ধুমধামেৰে অনুষ্ঠিত কৰা নহয়। অসমৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত এই বিয়াৰ নীতি-নিয়ম বেলেগ বেলেগ হোৱা দেখা যায়। কিন্তু আমাৰ অসমীয়া খাচ গ্ৰাম্য সমাজত আজিও বৰ জাক্-জমকতাৰে এই নোৱাই তোলনি বিয়াখন অনুষ্ঠিত হৈ আহিছে।

ছোৱালীজনী পুষ্পিতা হোৱাৰ লগে লগে ঘৰখনত উদুলি-মুদুলি লাগে। চুবুৰীৰে দুগৰাকীমান আয়তী-বাইতি আৰু এঁৰা ছোৱালী বিচাৰি মাক, বায়েকহঁতে খদম-দম লগাই। সেয়েহে বিয়াৰ কথা সকলোৰে মন-গা সাতখন -আঠখন লাগে। কথাতে কয় —"তোলনি বিয়া বুলিলে মাইকী মানুহৰ মৰিশালীও দাং খাই উঠে।"

প্ৰথমে কন্যাৰ ৰখাৰ বাবে এটা কোঠা নিৰ্বাচন কৰি লোৱা হয়। কোঠাটোৰ চুক এটাত আগলী কলপাত এযোৰ পাৰি তাত ছোৱালীজনী বহুৱাই মূৰত এটা তামোল দি, তামোলটোৰ ওপৰত এটা সোণৰ আঙুঠি লৈ তিনিজনী এঁৰা ছোৱালীয়ে প্ৰত্যেকে একোটাকৈ তিনিটা আঙুলি দি উৰুলি ধ্বনিৰে মিঠাতেল দিয়া হয়। তেল দিওঁতে উৰুলি দিয়াৰ নিয়ম। উৰুলি দিয়াতো মংগলৰ চিন। মূৰত তেল দিয়া তামোলটো এখন চুৰি কটাৰীৰে সৈতে কইনাই বিয়া নভগালৈকে লৈ থাকিব লাগে। কইনাই বিয়া নভগালৈকে মতা মানুহ দেখাটো অবাঞ্চনিয় বুলি ধৰে।

কইনাৰ কাষত মাটিৰ ঘট বা পিতলৰ কলহ নতুবা কাঁহৰ লোটা দিয়া হয়। তাতে পাঁচখন বা সাতখন পাতযুক্ত আমদালি দুটা আৰু কলৰ ঠুৰি দুটা ভৰাই ডিঙিত সূতা এনেছা মেৰিয়াই দিব লাগে।পিচত আমপাত কপাহ লৈ মালা গাঁথি তিনিবাৰ উৰুলি দি সেই মালাধাৰী পিন্ধাব লাগে। ইয়াকে কলচি বুলি কোৱা হয়। ইয়াৰ কাষতে এটা দুণৰিত আৰৈ চাউল ভৰাই তাৰ ওপৰত এআখি কল আৰু দুটা কলডিল লোৱা হয়। সন্মুখত এখন আগলি পাতত এডাল শলিতা বা মিঠাতেলৰ চাকি এগজ দিয়া হয়।

কইনা চুকুত সোমোৱোৰ পিছত বিয়াখনৰ বিষয়ে চোৱা-চিতা কৰিবলৈ কইনাৰ পিতৃ বা নিকত আত্মীয়ই গণকৰ ওচৰলৈ যায়। গণকে দিয়া দিহা মতেই বিয়াখন তোলা হয়।

কইনাক চুকত সোমোৱাৰ দিনাৰ পৰা লেখ কৰি চাৰিদিনৰ দিনা গাঁৱৰ মহিলা, গাভৰু ছোৱালীবিলাকে পানী তোলে। চুকত সোমোৱাৰ দিনা কইনাৰ কাষত থোৱা কলচী আৰু দুণৰি লৈ ক্ৰমে কইনাৰ মাকে আৰু দুণটি দুগৰাকীক লৈ ছোৱালীবোৰে পানী তুলিবলৈ যায়। দুণৰিটো ইতিপূৰ্বে উল্লেখ কৰা সামগ্ৰী সমূহৰ সৈতে এগছি মিঠাতেলৰ চাকি চাউলৰ ওপৰতে বহুৱাই লৈ পানী তুলিবলৈ যায়। পানী তুলিবলৈ যোৱাৰ আগেয়ে প্ৰত্যেকখন দুৱাৰত কপাহ আৰু আমডালি আঁৰা

হয়। কইনাৰ মাকক কলচি ল'বলৈ দিয়া হয় আৰু দুণটিয়ে দুণৰি লয়। পানী তুলিবলৈ ওলাই দুৱাৰডলি বাজ হওঁতে ৰাম-কৃষ্ণ বুলি লগে লগে উৰুলি দিয়ে। পানী তুলিবলৈ নামতী সকলোৱে গায়—

"ৰামকৃষ্ণ সন্ধ্যাতে গমনে
ৰামকৃষ্ণ যাত্ৰা সুমঙ্গলে
হৰি মোৰ ঐ পানী তুলিবলৈ যাওঁ।
ৰাম কৃষ্ণ অলনি দলনি
ৰাম কৃষ্ণ পকা চপৰানি
হৰি মোৰ ঐ পানী তুলিবলৈ লাগে।।"

এইদৰে গৈ সুবিধাজনক পুখুৰী, কাল, জান, জুৰি নিৰ্বাচন কৰি তাৰ পৰাই তোলাৰ ব্যৱস্থা কৰা হয়। কলচীত পানী ভৰাবলৈ লওঁতে প্ৰথমতে পূবফালে আগ কৰি এযোৰ আগলি পাতত তামোল পাণ দি লয়। তাৰ পিচত তিনিবাৰ কটাৰীৰে পানী কাটি লৈ কলচীত ভৰাব লাগে। পানী কাটোতেও গাব লগা বিয়নাম আছে। চাৰি দিনীয়াৰ পানী তোলোতে বেছি দূৰলৈ নগলেও হয় বাবে পানী থাকিলে ঘৰৰ পদূলি মুখতেই তোলা হয়। সেইবাবে সেইদিনা পানী তোলাৰ সময়ত বেছি নাম গোৱাৰ সময় নহয় পানী তুলি ঘূৰি আহোঁতে গায় ——

" ৰাম কৃষ্ণ জলভৰি যশোদা
ৰাম কৃষ্ণ পাবলৈ নাচাবা
হৰি মোৰ ঐ সাগৰো আহিব ভাগি
ৰাম কৃষ্ণ সাগৰো ভাগিব
ৰাম কৃষ্ণ জগৰো লাগিব
হৰি মোৰ ঐ ৰাইজকো নিবহি ধৰি।।"

পানী তুলি আহি ঘৰৰ দুৱাৰমুখ পাই ছালত পানী দি উৰুলি দিহে ঘৰৰ ভিতৰলৈ সোমাব লাগে। পানী তুলি আহি কন্যা গৰাকীক লগৰ ছোৱালীয়ে চুলি ফণিয়াই দিয়ে আৰু গামখাৰুকে আদি কৰি অলংকাৰ পাতি যি যেনেকৈ পাৰে পিন্ধাব আৰু আন ছোৱালী বিলাকে নাম গাব। মূৰ ফণিয়াওঁতে গোৱা নাম এনেধৰণৰ ——

"কেশ মেলাই চুঁচি পেলাই
কেশত লাগিল গাঁঠি
কেশত লাগিল গাঁঠি
ৰজতৰে ফণিখনি আটাই ৰঙা কাঠি।।
গুঠিছে ঘুনুচাজৰি মেলাইছে চণ্ডিকা
মেলাইছে চণ্ডিকা
ৰজতৰে ফণিখনি ৰত্নৰে চণ্ডিকা।।"

তদুপৰি ছোৱালীবিলাকে কন্যা, মাক-দেউতাক আৰু কাকয়েক আদিক জুৰি দুই এষাৰ নাম গায় সামৰণি মাৰে। যেনে —

"হাতে মুঠি ঢেঁকীয়া, হাতেপদুম কলীয়া
ভণ্টি তুমি শান্তি হ'লা যেতিয়া
বাটে পথে অকলশৰে নুফুৰিবা এতিয়া।"

"অ' মন নাচি
মাকে আছিলে মচলা বাচি
দেউতাকে ক'লৈগে চকুৰে টিপত
মছলা নিদিবা টকা নাই হাতত।।"

কইনাই চাৰি দিনৰ দিনা কেচাঁ পিঠা খাব পাৰিব আৰু ৰাতিলৈ এসাঁজ ভাত খাব পাৰে। অৱশ্যে কইনাৰ বাবে দুণৰি ধৰা ছোৱালীজনীয়ে মাটিৰ মলাত ৰান্ধি দিয়ে বা কইনাই নিজেও ৰান্ধি খাব পাৰে। ৰান্ধিবৰ বাবে আম ডালৰ খুঁটি, আমৰ পাক মাৰিৰে মাটিৰ মলাত ৰান্ধি খায়। দাইল, তেল, পিয়াঁজ, জ্বলা, মাছ-মাংস খাব নাপায়। বিয়া ভগাৰ আগৰাতিও কইনাই লঘোণে থাকিব লাগে।

বিয়াৰ আগৰাতি আখৈ ফুটুৰা হয়। আখৈ ভজা এটা আনন্দদায়ক কাম। গাঁৱৰ প্ৰায়বোৰ গাভৰু আৰু ডেকাসকলে এই অনুষ্ঠানত উপস্থিত থাকে। আখৈ ভাজিবলৈ দুটা চৰু লাগে। এই চৰু বহুৱাবৰ বাবে দুটা চৌকা পতা হয় বা উধান আদি পতা হয়। এই চৰুৰ তলত জুই লগোৱা ছোৱালী দুজনী মাক-দেউতাক থকা ছোৱালী হ'ব লাগে। চৰু দুটা চৌকাত বহুৱাৰ আগতে দুয়োটা চৌকাতে দুযোৰ তামোল পাণ আগবঢ়াই লোৱা হয় আৰু লগে লগে ছোৱালীবিলাকে উৰুলি দিয়ে। প্ৰথম তিনিবাৰ আখৈ ভাজোতে দুয়োটা চৰুতে আখৈৰ ধান একেলগে দিয়ে আখৈ ভাজি হোৱাৰ পিছত চৰুপতা ছোৱালী কেইজনীয়ে পুনৰ চৰুকেইটা নমাব। নমাওতেও উৰুলি দিব। ভজা আখৈবোৰ ধালি পাচিত ভৰাই আছুতীয়াকৈ ভঁৰালৰ গাধৈ আদিত আবুৰকৈ ৰাখে।

আগৰ দিনত তোলনি বিয়া অনুষ্ঠুপীয়া হৈছিল। সাধাৰণতে চোতালত বাঁহৰ খুঁটা কেইটামান পুতি কলমাৰলি কেইডালমান পেলাই চাল চোৰা হয়। অনাড়ম্বৰভাৱে হৈছিল এনে বিয়া অনুষ্ঠান।

বিয়াৰ দিনা আগবেলা কন্যাক গা-ধুৱাই ছোৱালীবিলাক ঘৰাঘৰি যায়গৈ। পুনৰ পৰা ঘৰৰ পৰা খাই বৈ সাজি-কাচি ওলাই আহি ছোৱালীবিলাকে দুৱাৰত আমডালি আঁৰিব। পানী তুলিবৰ বাবে খৰিকা আঠডাল, কেঁচা সূতা এনেচামান, তামোল-পাণ এটা আগলি পাতত লয়। খনীয়া তামোল আঠখন পানী তুলিবৰ পৰত আৱশ্যক হয়। কন্যাৰ মাক আৰু দুণৰি ধৰা ছোৱালীজনী পানী তুলিবলৈ যায়। পানী তুলিবলৈ ওলাই ছোৱালী গোপিনী সমাজত সেৱা ধৰি চালত পানী দিব আৰু ছোৱালীবিলাকে উৰুলি দি পানী তুলিবলৈ ওলায় বিয়া নাম গায় -

"ৰামকৃষ্ণ পানী তুলিবলৈ
ৰামকৃষ্ণ ওলাইছে দৈৱকী
হৰি মোৰ ঐ ৰূপতে ধূপে জ্বলাই।
ৰামকৃষ্ণ আগতে গৈছে
ৰামকৃষ্ণ গায়নে বায়নে
হৰি মোৰ ঐ পিছতো গৈছে ভাৰি।।
ৰামকৃষ্ণ দূৰৈকৈ পুখুৰী
ৰামকৃষ্ণ খনালা দেউতা
হৰি মোৰ ঐ বন্ধালো সেন্দুৰী আলি।"

পানী তোলাৰ নিয়ম হ'ল — প্ৰথমতে কন্যাৰ মাকেপুখুৰীৰ

পৰা দুয়োখন হাত কেৰিয়া কৰি দুমুঠি বোকা আনি পাৰত থ'ব। এইদৰে তিনিবাৰ বোকা তুলিব। তাৰে দুভাগৰ ওপৰত ঘৰৰ পৰা নিয়া দুঠাইত চাৰিওফালে চাৰিটাকৈ খুঁটি গুজিব। পিঠিত আঠটা খুঁটিত পকাই পকাই কেঁচা সূতা মেৰিয়াব। পিছত প্ৰত্যেক খুঁটিতে এখন এখন তামোল দিব। এইদৰে কৰাৰ পিছত পানীৰ মাজলৈ গুৱা-পাণ এটা দি ছুৰী কটাৰীৰে তিনিবাৰ পানী কাটি একে চোঁচাই খুটিকেইটা গুৱাপাণেৰে সৈতে ভেটিটো পানীলৈ খহায় দি কন্যাৰ মাকে মুখ দাত ধুই কলচীৰ পানী কিছু অংশ পেলাই অৰ্থাৎ একেবাৰে খালী নকৰি পুনৰ কলচীৰ পানী ভৰাই সূৰ্যলৈ সেৱা কৰি। কোনো ঠাইত কন্যাৰ মাকে কলচীত পানী ভৰোৱাৰ পিছত তিনিওজনীয়ে আঙুলি দি পানী কাটি কলচীত পানী ভৰায়। পানী ভৰাওতে উৰুলি দিব আৰু আয়তীসকল ঘৰমুৱা হ'ব। পানী তুলি উভতি আহোঁতে গায় —

"লগাই থৈ আহিছো ফুল চন্দন তুলসী
সোণৰ খুঁটি গছা ফুল চন্দন তুলসী
এতিয়াই আহোঁগৈ বুলি ঐ ফুল চন্দন তুলসী।।"

পানী তুলি আহি ছোৱালী বিলাকে ঘৰৰ পিৰালিৰ কাষতে ৰৈ নাম গাই থাকে। কন্যাৰ মাক আৰু দুণতীজনীয়ে ভিতৰলৈ গৈ কন্যাক এখন আঁৰ কাপোৰেৰে আঁৰ দি লৈ আহে। কইনাক বহিবলৈ দিয়া পীৰাখন পিৰালিতে পাৰি এখন আগলি পাতত এটা খেৰৰ জুমুঠি, এটা শিলগুটি আৰু এটা কেঁচুমতা দিয়ে। দৈয়ন দিবৰ বাবে এটা বাটিত মিঠাতেল আৰু এটা বাটিত দৈ গাখীৰ লৈ গাখীৰৰ বাটিটোত পাণ দুখিলা আৰু তেলৰ বাটিটোত দুডাল দুবৰী বন ল'ব লাগে। একেডাল সূতাৰেই দুমুৰে পাণ আৰু দুবৰি বন যুতি বান্ধিব লাগে। কইনাৰ মাকে আঠুকাঢ়ি প্ৰথমে কইনাক দৈয়ন দিব পিছত দুণতী আৰু এজনী সৰু ছোৱালীয়ে দৈয়ন দিব। দৈয়ন দি হোৱাৰ পিছত পাণ আৰু দুবৰিবন কেই ডালি ঘৰৰ ছালৰ ওপৰলৈ পেলাই দিয়ে। নামতী ছোৱালীয়ে কন্যাক বাহিৰলৈ অনা, কন্যাই ঘৰৰ ভিতৰৰ পৰা আহি দুৱাৰডলি পাৰ হওঁতে এইদৰে গায়।

"ওলাই আঁহা আইদেৰে
মাটিত মঙ্গল চায়
গণকে গণিতা কৰে
ক্ষণ চৰি যায়।"

দৈয়নৰ কামশেষ হোৱাৰ পিছত কইনাক বেইৰ তললৈ নিয়া হয়। কইনাক নোৱাবৰ বাবে এই বেইখন সজা হয়। বেইখন গণকে গণনা কৰি ঘৰৰ যি দিশত সাজিবলৈ নিৰ্দেশ দিয়ে সেইমতে বনাই লোৱা হয়। সাধাৰণতে বিয়াৰ দিনা পুৱাৰ ভাগতে গাঁৱৰ দুজনমান ডেকাই বেইখন সাজি দিয়ে। বেইখন বনাবলৈ দুডালমান পোন আৰু ভাল বুঢ়াবাঁহ লাগে। ইয়াৰে গুৰিফালৰ সাতফুটমান দীঘল চাৰিটা খুঁটা কটা হয়। খুঁটাকেইটাৰ পুতন ডেৰ ফুটমান দি পাঁচ ফুটমান উৰ্ধ কৈ ৰাখিব লাগে। খুঁটাকেইটাৰ ওপৰফালে এপাৰ চুঙা ৰখা হয়। খুঁটাকেইটা পুতি টানকৈ খুন্দি লৰচৰ নকৰাকৈ ৰাখিব লাগে। খুঁটাকেইটাৰ গাটো চাঁচি চুৰুকি পেলোৱা হয়। তাৰ পিছত আন এডাল পোন বাঁহৰ গুৰি ডোখৰ ৭-৮ ফুট বাদ দিলে যি অংশ থাকে অৰ্থাৎ আগমূৰলৈকে এইচোৱাৰ পাঁচফুটমানলৈকে শকত অংশৰ চাৰিফাল কৈ ফালি চাঁচি চুৰুকি কাম কৰি লোৱা হয়। ফালি লোৱাৰ মাজভাগ বাদ দি আগলৈকে যি অংশ থাকে সেই অংশত কটাৰীৰে চাঁচি চোঁচ উলিয়াই আগলিলৈকে ঘূৰাই মৰাই ফুল কটাৰ পাছত কেঁচা হালধী আৰু চৰ্টৰ বেটাৰী খুন্দি লৈ সানি পুতুকি ৰং দিয়া হয়। বাঁহডালৰ আগত এটা কলডিল গুজি দিয়া হয়। এইবাৰ চাৰিওফালে কামি পুতি থোৱা খুঁটা চাৰিটাৰ চুঙাত প্ৰত্যেকটোত একোটা কামি এনেভাৱে ভৰাই দিয়াৰ পিছত খুঁটাৰ ওপৰৰ কামিকেইডাল নতুন চাদৰ বা চেলেং কাপোৰেৰে মেৰিয়াই দিয়া হয়। খুঁটাকেইটা কল পচলাৰ ডোঙ উলিয়াই পিছৰ অংশ পেলাই ভিতৰৰ মিহিফাল বাহিৰলৈ ৰাখি খুঁটাবোৰ ঢাকি বান্ধি দিয়া হয়। সেইদৰে চাৰিটা খুঁটাৰ মাজৰ ডোঙেৰে গাধৈ বোৰনেৰে বৈ দিয়া হয় আৰু পূবফালে অলপ বাহিৰলৈ প্ৰায় দুফুটমান বঢ়াই দিয়া হয়। কলপচলাৰ ডোং এৰুৱাই দিয়াৰ পিছত থকা অৱশিষ্ট পচলা দুফাল কৰি প্ৰতিটো খুঁটালৈকে কামিৰ দৰে পাৰি তাত বাঁহৰ খুঁটিৰে শালি দিয়া হয়। পূবফালে বেইৰ সন্মুখত এটা ভীমকলৰ পুলি ৰুই দিয়া হয়। ভেটিৰ মাজত এটা গুৱাপাণ আৰু হাঁহকণী পুতি থোৱা হয়।

দৈয়ন শেষ হোৱাৰ পিছত কইনাজনীক বেইখনৰ সোঁফালৰ পৰা তিনিপাক প্ৰদক্ষিণ কৰি বেইখনৰ পশ্চিম ফালেদি পূবলৈ মুখ কৰি সুমুৱাই কলপুলিটোৰ ফালে বহুওৱা হয়। বহিবৰ বাবে এখন চাম কাঠৰ তামুলী পীৰা আৰু ভৰি থবৰ বাবে এখনি আগলি পাত পাৰি দিয়া হয়। এইদৰে তামুলী পীৰাত কলপাতত খোৱা দুটা খেৰৰ মুঠিত ভৰি থয়। কন্যাৰ মাকে ছোৱালীৰ চুলিকোচা ওভোতাই ধৰি তামোলটো এপৰলৈ মূৰৰ চুলিৰ ওপৰত ৰাখি তাৰ ওপৰত সোণৰ আঙুঠি এটা দিয়ে। আঙুঠিৰ ওপৰত মিঠাতেল দিয়ে দাৰ নিচিগাকৈ। লগে লগে আয়তীসকলে উৰুলি দিব। মাহ-হালধিৰে মূৰ ধুওৱাৰ পিছত কাৰ পানীৰে ধোৱাব। এইবাৰ মাকে প্ৰথম নোৱাৱ। ইয়াৰ পিছতে কোনোবাই ইচ্ছা কৰিলে নোৱাব পাৰিব। সকলোৰে নোৱাই হোৱাৰ পিছত কইনাই বেইৰ সন্মুখত ৰুই থোৱা কলপুলিটোক দৰা ভাবেৰে তিনি বাৰ আঁঠুকাঢ়ি নমস্কাৰ কৰি লৈ নোৱাব। পিছত তিনি লোটা পানীৰে গা-ধুৱাব। কইনাক দৰাক গা-ধুওৱাৰ পিছতহে কইনাক গা-ধুৱাই দিয়ে।

কইনাই গা-ধুই তিতা গাৰেই বেইৰ আগৰ কলপুলিটোক মাহ-হালধিৰে নোৱাব। আয়তীসকলে উৰুলি দিব। গা-ধুৱাৰ পিছত পিঠা এভোক আৰু আখৈ এভোক, প্ৰতিটো ভোকতে তামোল-পাণ একোটাকৈ দি কইনাই আঁঠুকাঢ়ি লৈ কলপুলিটোৰ গুড়িত বাকি দি সেৱা কৰিব লাগে।

কইনাক নোৱাই হ'লে, কইনাই নিজে হাত-ভৰি আৰু গাত মাহ-হালধি ঘঁহি ল'ব। পিচত ছোৱালীক বেলেগ লোটা এটাত পানী দিয়ে। প্ৰথমে মূৰত পানী ঢালোতে উৰুলি দিব। কিন্তু লোটাৰ পানী খালী হ'বলৈ নিদিয়ে। গা-ধুই হোৱাৰ পিছত এজনীয়ে কইনাৰ চুলি

টুকিব আৰু কাপোৰ-কানি সলাই পিন্ধাই দিব। তাৰ পিছত মুখত পাণ-তামোল ভৰাব আৰু এডাল খৰিকাৰে সৈতে কলচীৰ এচলুকৈ পানী মুখত ভৰাই সোঁফালে ঘূৰি চাৰিটা খুঁটাত চাৰিখন আৰু বেইৰ মাজত এখন তামোল পেলাই কইনাজনী বহিব। এইবাৰ কইনাৰ মূৰৰ ওপৰত এখন কাপোৰ দুজনীয়ে দুমূৰে ধৰিব। দুণৰি ধৰা ছোৱালীজনীয়ে কইনাৰ নখ কাটি এটোপোলাকৈ বান্ধিব। কপাহগুটি এটোপোলা কলপাতেৰে টোপোলা কৰি বান্ধিব আৰু এটোপোলা ফুটচাই বান্ধিব। মুঠতে তিনিটা টোপোলা বান্ধি হ'লে কইনাৰ মূৰৰ ওপৰত ধৰা কাপোৰখনেৰে দুফালে দুটা পেলাই তৃতীয়টো ওপৰলৈ দলিয়াই পেলাব। তাৰ পিছত মণি, আঙুঠি, খাৰু লগতে কইনাক চুকত সুমুওৱাতে দিয়া তামোল আৰু ছুৰী কটাৰীখন কাপোৰখনেৰে সৈতে কইনাৰ মাকক দিব। মাকে কাপোৰেৰে আঁচল পাতি ল'ব। এইবাৰ কইনাই থিয় হৈ সোঁহাতে এটা তামোল-পাণ বাঁওহাতে কেঁচা পিঠা লৈ এজোপা ভৰুণ গছ চাই দলিয়াই পেলাব। তাৰ পিছত এবাটি পানী তামোল-পাণ এটাৰ সৈতে পিছফালে ঘূৰিব। কিছুমানে বেইতলত কাপোৰ সলোৱাৰ পিছত মাকে দুণৰিৰ চাউল লৈ নিজৰ মূৰত এপাক ঘূৰাই কইনাৰ মূৰত ঘূৰাই চাউল ছটিয়াই দিয়ে। এইদৰে তিনিবাৰ কৰে। কলচিৰ পৰা আমডালিৰে মাকে কইনাৰ মুখলৈ তিনিবাৰ পানী ছটিয়ায়। তাকে আমসেৰা কৰা বোলে। দুণৰিত থকা চাকিটোৰ পৰা দুইহাতে চাকি সেৰা কৰে। এইদৰে বেইৰ তলৰ কাম শেষ হয়। এজনী তিৰোতাই কইনাক কোলা কৰিল দাঙি লৈ বেইখন তিনপাক ঘূৰি সোমোৱা বাটে ওলাই আহিব। বেইতলত কইনাক নোৱাওতে ছোৱালীবোৰে গায় —

"কঁকালৰ টঙালি
লাহেকৈ নোৱাব
কুমলীয়া ছোৱালী।"

ৰভাত সমাজৰ মাজত কইনাক বহুৱাবলৈ পাটী পাৰিব লগা ঠাইত দুণৰিৰ চাউল ছটিয়াব। আয়তীসকলে লগে লগে উৰুলি দিব। পাটীৰ ওপৰত দলিচা, গাৰু আদি পাৰি কইনাক বহুৱাব। কইনাৰ সন্মুখত আৱশ্যকীয় সামগ্ৰীসমূহ ৰখা হয়। আমাৰ চুবুৰীয়া অঞ্চলত সাধাৰণতে কইনাৰ সন্মুখত গোপিনীৰ মাননীৰ বাবে গুৱাপাণ অৰিহণা সহ তিনিখন শৰাই সজাই ৰখা হয়। তিনিটা ডালি পাচিত আখৈ সজাই ৰখা হয়। কিছুমানে আখৈ এখৰাহী, এখৰাহী কেঁচা পিঠা, এখন কাঁহীত পাঁচটা লাডু আৰু কাষতে দুণৰি আৰু কলচী ধুনীয়াকৈ সজাই থয়।

কইনাক বেইৰ পৰা আনি পাটীত বহুৱাবহি। সাধাৰণতে কইনা অনা গৰাকীয়ে কইনাক সজাব লাগে। প্ৰথমে তেল ঘঁহিব। কলপাত এচিটিত তিনিডাল ৰেখা কাটি তিনিটা সেন্দুৰৰ ৰেখা দিব। ৰেখাৰ তলত ফুঁট এটা আৰু শিৰত সেন্দুৰ দিব। গালৰ কুমৰ পৰা কাণৰ গুৰিলৈ দুয়োফালে দুটা সেন্দুৰ ফুঁট দিব। মেখেলা পিন্ধোতে আয়তী সকলে উৰুলি দিব। দুণৰিত থকা কনাইটো এবাটি চাউলৰ ওপৰত তুলি লৈ মাকে কইনাৰ লগত তিনিবাৰ সলনা কৰে। কিছুমানে কনাইটো বেলেগকৈ সাজি লয়। যেনে - কইনাৰ চুলি ফণিয়াওঁতে চিগা চুলিবিলাক আৰু একেটা ঠেঙণিত থকা কেঁচা তামোল তিনিটি, চুলি টুকা গামোচা খনেৰে এগৰাকী সধৱা বোৱাৰীয়ে কনাইটো সাজিব লাগে। এই কনাইটোকে মাকৰ লগত তিনিবাৰ সলোৱাৰ পিচত উপহাৰ হিচাপে কেইটামান টকা দিয়ে। তাৰ পিছতে দুণতীয়ে কনাই লয়। কইনা সজাওঁতে কইনা সজোৱা গৰাকীক জোকাই ছোৱালীবোৰে গায়—

"উষা পোতো আঁতৰত
সজাবলৈ নাজানা
কিয় বহা ওচৰত।"

কনাই কোলা লওঁতে আয়তীসকলে গায় —

"অ' শকুন্তলা !
গোপিনী সকলে লৈছে কনাই কোলা
বাৰীৰ পিছফালে অ' শকুন্তলা
কজলা উৰহী অ' কুন্তলা
গোপিনী সকলে লৈছে কনাই কোলা।"

কনাই কোলা লোৱাৰ পিছতে এখন কাঁহীত পাঁচটা পিঠাৰ লাডু কইনাৰ সন্মুখত ৰখা হয়। কইনাই সৰু ল'ৰা ছোৱালীক চুমা খাই প্ৰত্যেক পিঠাৰ লাডু একোটাকৈ দিয়ে। ইয়াৰ পিছতে প্ৰত্যেককে আখৈ ভগাই দিয়ে। অৱশ্যে কিছুমান ঠাইত ইয়াৰ নিয়ম অলপ বেলেগ।

কনাই সলোৱাৰ লগে লগে আয়তীসকলে কইনাৰ সন্মুখত উপহাৰ বোৰ দিব। এইদৰে কনাই সলোৱাৰ পিছত প্ৰথমে সৰু ল'ৰা এটাক কইনাই চুমা খাব আৰু লাডু এটা হাতত দিব। লাডুটো ল'ৰাটোৰে খাব নাপায়, পেলাই দিব লাগে। এইদৰে প্ৰত্যেকটো ল'ৰাক চুমা খাই লাডু দিব। প্ৰথমে বয়োজ্যেষ্ঠ গোপিনী বা বোৱাৰী এগৰাকীক বাটিৰে পিঠা এবাটি লৈ আধা বাটি দিব আকৌ একেদৰেই আখৈ এবাটি লৈ আধাবাটি দিব। পিছত ল'ৰা-ছোৱালী কেইটাকো পিঠা আৰু আখৈ দিব। শেষত পিঠা, আখৈবোৰ ল'ৰা-ছোৱালীক ভগাই দিব।

কইনা, কইনাৰ মাক, দুণতীয়ে গোপিনী সমাজত সেৱা ল'ব। বয়োজ্যেষ্ঠ গোপিনী এগৰাকীয়ে কইনাৰ মংগল আৰু বিদ্যা শিক্ষা আহৰণৰ বাবে আশীৰ্বাদ দি ঘৰখনৰো কুশল মঙ্গল কামনা কৰিভ লগা সদাচাৰ আৰু আত্মৰক্ষা কৰাকে ধৰি বুজনিও আগবঢ়ায়।

পৰিৱৰ্তিত সময়ৰ লগে লগে পৰম্পৰাগত এই নোৱাই তোলনি বিয়াৰ নীতি নিয়ম সমূহৰো পৰিৱৰ্তন হোৱাতো স্বাভাৱিক।



# বিহু-সম্পৰ্কীয় এক আলোকপাত...

উৰ্মিমালা দুৱৰা
স্নাতক দ্বিতীয় বৰ্ষ



আমাৰ জাতীয় কৃষ্টি- নিজা পৰিচয় ৰঙালী বিহুটি অবিচ্ছেদ্য অংগ "বিহু নাচে" মৃদু আলোড়ণ তুলি যায় প্ৰত্যেকজন মানৱৰ মনত... ই স্বাভাৱিক।

আমি যদি বিহু নাচৰ থল সমন্ধে বিচাৰ কৰি চাওঁ তেন্তে দেখা পাওঁ যে - পূৰ্বতে এই নাচৰ যোগেদি প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰা ৰ এক জনবিশ্বাস সন্নিবিষ্ট হৈ আছে। যিকি নহওক প্ৰথমতেই এটা কথা আমি প্ৰত্যেকজন অসমীয়াই লক্ষ্য কৰা উচিত অথবা নিজকে প্ৰশ্ন কৰা উচিত নতুবা জানিবলৈ চেষ্টা কৰা উচিত। আচলতে " বিহু নাচ" নে "বিহু নৃত্য"। বিহু নাচ বৰ্তমান মঞ্চৰ বুকুত ... এই কথাষাৰ আমি সকলোৱে সহজ ভাৱে লও। নলৈ নিৰুপায়। কিন্তু ই পৰম্পৰা বা ঐতিহ্য হেৰুৱাটোহে সহজভাৱে আমি মানি ল'বলৈ টান পাও। আজি প্ৰত্যেকখন বিহু "মঞ্চত" আয়োজিত প্ৰতিযোগিতাৰ কাৰ্যসূচীখন চালে দেখা যায় "বিহুনৃত্য প্ৰতিযোগিতা ..." বিহু নৃত্য নে বাৰু? অন্যান্য নৃত্য সমূহৰ লগত শাৰী মিলাই লগত আমাৰ জাতীয় কৃষ্টি তথা অসমীয়াৰ চিনাকী - বিহুনাচক লৈ বিহুনৃত্য কৰি পেলালেটো। এতিয়া আচল কথাটো হৈছে বিহুনৃত্য নকৈ বিহুনাচ বুলি ক'লে শুদ্ধ যেন লাগিব। অৰ্থাৎ যদিও বিহু এতিয়া মঞ্চত পৰম্পৰাগত নামটো শুদ্ধভাৱে প্ৰচলিত হ'লে।

এতিয়া আহো বিহু নাচ সম্বন্ধীয় কথালৈ। বিহু নাচক কেইটামান নিৰ্দ্দিষ্ট ভংগীমাৰ ভিতৰত ধৰি ৰাখিব নোৱাৰি সঁচা। কিন্তু সেইবুলি নিৰৰ্থক ভাব লেখহীন ভংগীমা বিহু নাচৰ অন্তৰ্গত কৰাৰো প্ৰয়োজন নাই। আজিকালি দেখা যায় ভি.চি.ডি. ত নায়ক নায়িকাই অভিনয় যুক্ত নৃত্য কৰা দেখি আমাৰ এচাম বিহু নাচৰ শিল্পীয়ে অভিনয় যুক্ত বিভিন্ন প্ৰকাৰৰ ভংগীমা অন্তৰ্গত কৰি বিহুনাচ প্ৰদৰ্শন কৰে। হাতৰ সৰু গাঁঠিয়েই ভাঙে নে কিলাকুটি ভাঙে তালৈ ভ্ৰূক্ষেপেই নাই। ককাঁল ভঙাৰ নামত নিতম্ব সঞ্চালন, ডিঙি ভাঙি নচা, হাত পকাই নচা, পেপাঁৰ লহৰত আঠুকাঢ়ি নচা আদি বিহু নাচৰ অন্তৰ্গত কৰিছে। আনহাতে বিহুৱতীবোৰে নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈগৈ গোটেই মঞ্চটো ঢপলিয়াই ফুৰে। প্ৰকৃততে বিহু নাচ এনে উদণ্ড নহয়। প্ৰথমতেই সকলোৱে (বিহুনাচ নাচিবলৈ ইচ্ছা কৰা সকল) বিহুৰ অন্তৰ্গত সুন্দৰ লাস্যময়ী ভংগীমাসমূহ শিকি ল'ব লাগে। দ্বিতীয়তে বিহু নাচত যিহেতু জপিয়াই নচা নিয়ম নাই, সেয়ে যিমান সম্ভৱ ভৰি মাটিত চোঁচৰাই নাচিবলৈ চেষ্টা কৰা উচিত। নহ'লেও ঢপলিয়াই ফুৰিবলৈ প্ৰয়োজন নাই বুলি ভাবো। তৃতীয়তে অভিনয় বৰ্জন কৰিব লাগে। কাৰণ আমাৰ বিহু হৈছে অভিনয়হীন তালাশ্ৰয়ী লোকনৃত্য। অসমৰ বিহুনাচ অন্যান্য কোনো নৃত্যশৈলীৰ লগত নিমিলে। ইয়াত



আকৰ্ষণীয় যৌৱন তথা দৈহিক আবেদন আৰু মুখৰ অভিব্যক্তি প্ৰকাশত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। এই নাচৰ ঢুলীয়া- নাচিনীৰ চকুৰেমুখে অনবৰতে মিলনৰ এক মিঠা আকাংক্ষাই ক্ৰিয়া কৰি থাকে। বিহু যিহেতু বাংকৰা নাচ নহয়। সেয়েহে নতুন নতুন "মুদ্ৰা" সংযোজন কৰি "আধুনিক" কৰিবলৈ যোৱা সকলে এই কথা মনত ৰখা দৰকাৰ যে বিহু নাচক অন্যজাতীয় নৃত্যৰ দৰে "মুদ্ৰা" "হস্ত" আদি নাথাকে। বিহু নাচ প্ৰেমৰ আকোলতাত স্বতঃস্ফুট ভাৱে বহিঃ প্ৰকাশ হোৱা কিছুমান ভংগীমাহে। সেয়ে পৰম্পৰাগত বিহু নাচৰ স্পষ্ট ধাৰণা নথকাকৈ অন্য নৃত্যশৈলীৰ মুদ্ৰা আনি বিহুত সোমালে এই সুন্দৰ নাচটো বিকৃত ক'ৰা হ'ব।

এই বাৰ আহোঁ সাজপাৰৰ ক্ষেত্ৰলৈ। বিহু নাচত সাধাৰণতে মুগাৰ ৰিহা-মেখেলা আৰু মুগা গোটা বচা ফুলৰ অথবা ৰঙা কিলাকুটিলৈকে বৈ পৰা ব্লাউজ পিন্ধা হয়, আৰু ইয়েই প্ৰযোজ্য। কিন্তু আধুনিক বিহুৱতীয়ে ৰিহাৰ ঠাইত পৰিধান কৰা দেখা যায় গেজেপ মৰা ফুলৰ চাদৰ অৰ্থাৎ হাজাৰ টকীয়া মুগাৰ ছেট । প্ৰকৃতাৰ্থত বিহু মাৰিবলৈ পিন্ধা এই মুগাৰ সাজজোৰত দাঙিব নোৱাৰাকৈ এসোপা ফুল থাকিব নালাগে। বুলি বিশিষ্ট ব্যক্তি জয়কান্ত গন্ধিয়াদেৱে মত পোষণ কৰিছে। ইয়াত অৱশ্যে মুগাৰ সাজ জোৰক অৱমাননা কৰা হোৱা নাই। মুগাৰ সাজ অসমীয়াৰ জাতীয় পৰিচয়। কিন্তু মুগাৰ মেখেলাৰ লগত দহি বটা ৰিহাখন নাচনীয়ে গায়ে দি পকাই আনি কঁকালত টানকৈ মেৰিয়াই ল'লে ককাঁলৰ ভাঁজ স্পষ্ট হয়। আৰু নাচিলে দেখিবলৈ খুব সুন্দৰ হয়। মহিলাৰ বিহু সাজৰ সৰ্ম্পকত প্ৰদীপ চলিহা দেৱে কৈছে—— "শুৱালকুছি মুগাৰ ফুল বছা, বৌটা বছা, হাজাৰ টকীয়া মেখেলা-চাদৰ খেতিয়ক গাভৰুৰ সাজ কেতিয়াও হ'ব নোৱাৰে।" কথাযাৰ ভালদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে হয়তু বিলাসিতাৰ ছেট এটা কিনিব নোৱাৰি। দুখীয়া গাভৰুৱেচোন বিহু মৰাৰ পৰা বাদ পৰিব লাগিব। সেয়েহে মই ভাবো নাচিবলৈ সুবিধা হোৱাৰ উপৰি নাচনীয়ে যদি ৰিহাখন লয় তেনেহ'লে লোপ পাই যাবলৈ ধৰা গাৰি দিয়া , কেছ বছা, চৰাইনখীয়া ৰিহাবোৰে আকৌ প্ৰাণপায় উঠিব। যি অসমৰ বাহিৰে আন সকলো ঠাইতে দেখিবলৈ পোৱা নাযায়।

তাৰোপৰি বিহু নাচিবলৈ লোৱা প্ৰায়বোৰ নাচনীকে দেখা যায় অলংকাৰৰ প্ৰতিযোগিতা চলোৱা অৰ্থাৎ বৰ্তমান নাচনীয়ে নাচৰ প্ৰতিযোগিতাতকৈ অলংকাৰ পিন্ধাৰ প্ৰতিযোগিতাহে কৰা দেখা যায়। ( বিশেষকৈ ডিঙিত) কিন্তু থাকিল বুলিয়ে সোপাকে নিপিন্ধি দুই-এপদ পিন্ধিলেই ভাল হয়।

এইখিনিতে এটা কথা উল্লেখ কৰিব বিচাৰো যে -- বিহুৰ বতৰত অৰ্থাৎ বহাগ বিহুত নাচনিৰ খোপাত বিশেষকৈ কপৌ ফুল , তগৰ ফুল আৰু নাহৰ ফুল দেখা যায়। ই প্ৰযোজ্য যিহেতু। বিহু নহৈ আন সময়ত কেতিয়াবা বিহু নাচ প্ৰদৰ্শন কৰিবলগীয়া হয়। যেতিয়া সৰহ সংখ্যক নাচনিৰ খোপাত কাগজৰ ফুল দেখা যায়। সেয়েহে সেই বিহুৱতী সকলৰ জ্ঞাতাৰ্থে কওঁ যে যিকোনো সময়তে বিহুনাচ প্ৰদৰ্শন কৰোতে অনুগ্ৰহ কৰি কাগজৰ ফুল খোপাত গুজি লোৱাতকৈ প্ৰকৃতিত ফুলা যিকোনো ফুল গুজি ল'লে কোনোধৰণৰ ভুল নহয়। কাৰণ কপৌ, তগৰ, নাহৰৰ লগতে প্ৰকৃতিৰ যিকোনো ফুলেই নাচনিৰ খোপাত প্ৰযোজ্য।

এতিয়া আচল কথা হ'ল - সমাজ, সংস্কৃতি পৰিবৰ্তনশীল। হয়, কথাযাৰ সঁচা। কিন্তু ই পৰিবৰ্তন হলেও কিছুমান নীতি-নিয়মৰ মাজেৰে হয়। বিহুত ইয়াৰ ব্যতিক্ৰম নহয়। আধুনিক অস্ত্ৰোপ্ৰচাৰত বিহু এতিয়া শৰ্য্যাশায়ী হৈ কেলঢোপ কেলঢোপ কৰিছে। সেয়েহে বিহু নচা প্ৰত্যেকগৰাকী নাচনীয়ে শুদ্ধ ভংগীমাৰে, শুদ্ধ মাৰ্জিত সাজপাৰেৰে গহনা পাতিৰ পৰা আদি কৰি খোপাত কাগজ অথবা প্লাষ্টিকৰ ফুলৰ সলনি প্ৰকৃতিৰ সতেজ ফুল মৰালৈকে শুদ্ধভাৱে নীতি-নিয়মৰ মাজেৰে পৰিচালিত হলে অসমীয়াৰ দাপোণ" স্বৰূপ বিহু সংস্কৃতিয়ে কেতিয়াও লোপ নাপায়। যুগৰ পৰিবৰ্তনৰ লগত বিহুত পৰিবৰ্তন হ'লেও বিহু যে আমাৰ লোকপৰম্পৰা এই কথা সকলোৱে মনত ৰখা উচিত। অতাধুনিক মঞ্চত আমি বিহু নাচিলেও বিহু যে আধুনিক নহয় এই কথাযাৰ আমি প্ৰত্যেকেই মনত ৰাখি মঞ্চত উঠোতে বিহুৰ পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। ☐

বিঃদ্ৰঃ- বিহু সম্বন্ধীয় বিভিন্ন আলোচনা / কিতাপ পত্ৰ যি ক্ষুদ্ৰ জ্ঞান পাইছো আৰু বিভিন্ন মঞ্চত প্ৰদৰ্শন কৰি যি অভিজ্ঞতা লাভ কৰিছো তাৰেই পৰিণতি এই লেখাটো। যদি ক'ৰবাত কিবা থাকিও গৈছে শুধৰাই লয় যেন)

# পৰম্পৰাগত আৰু আধুনিক বিহুগীতৰ মাজত বৈসাদৃশ্য

**নিতুস্মিতা ফুকন**
স্নাতক তৃতীয় বর্ষ



*বিহুৱাৰ আনন্দিত হৃদয়ৰ ভাষাৰে ঃ*

*অতিকৈ চেনেহৰ মুগাৰে মহুৰা*
*তাতোকৈ চেনেহৰ মাকো,*
*তাতোতকৈ চেনেহৰ বহাগৰ বিহুটি*
*নানাচি কেনেকৈ থাকো।*

অসমীয়া বাপটি সাহোন ৰঙালী বিহুটি জাতীয় গৌৰৱ। ফাগুণৰ বাউলী বতাহজাকৰ স'তে গুচি যায় শীতৰ কুঁৱলি, হালধীয়া সৰাপাতবোৰ, ধূলিৰ ধূসৰতা, প্ৰকৃতিৰ বুকুৰ পৰা চিৰদিনৰ বাবে যাবলৈ ওলোৱা সৰাপাতবোৰ গোটেইখনতে সিঁচি থৈ যায় বসন্ত অহাৰ বাতৰি। আৰম্ভ হয় গছ-বিৰিখৰ সাজোন-কাচোন, পাহৰে - ভৈয়ামে আকাশে বতাহে মাথো নতুনৰ গুণ-গুণনি, ফুলে পাহি মেলে, জাক-পাতি উৰি ফুৰে ফুটুকী পখিলাবোৰ আৰু মলয়াৰ লাহী আঙুলিৰ বুলনিত কুঁহিপাতে সাৰ পায়। ক্ৰমাৎ গছে বান বিয়পি পৰে কুঁহিপাতৰ আলফুলীয়া সপোন। শিমলু-পলাশৰ বৰ্ণময় তোৰণ সৰকি বহাগ আছে, নাহৰৰ শাৰী শাৰী বীথিকাৰ মাজেৰে বহাগ হে, সৌন্দৰ্য্যৰ বৰ্ণাঢ্যমুকুট আৰু শ্যামলী বসনপিন্ধি বহাগ আহে। ফুলৰ কুমলীয়া পাহিত চুমা সানি গুচি যোৱা মতলীয়া বতাহজাকে ডেকা-গাভৰুৰ মনতো বিয়পাই দিয়ে গান, হৃদয়ত তোলে প্ৰেমৰ জোৱাৰ। বুকুৰ বহু গভীৰলৈ সোমাই যায় বহাগ। মেঘৰ মাদলৰ ছেৱত নামি অহা বহাগৰ প্ৰথমজাক বৰষুণে ধুই নিয়ে পৃথিৱীৰ আটাইবোৰ পংকিলতা, মনৰ বিষাদ। কুলি-কেতেকীৰ মিঠা মাতে হৃদয়ত সানে নতুন ৰং। মন উন্মাদ হয়, যেনি-তেনি উৰিব খোজে মন।

থোৰতে ক'বলৈ গ'লে বিহু যদিও আহোমসকল অহাৰ আগৰে পৰা উদ্‌যাপিত কৰা হৈছিল। আহোমসকলে অসমলৈ অহাৰ পাছত তেওঁলোকৰ কিছু সান্নিধ্যতহে ই অধিক জাতিষ্কাৰ হৈ পৰিল। তেওঁলোকেহে ইয়াৰ পূৰ্ণাংগ ৰূপ দিয়ে। বিহু শব্দটো আহোম ভাষাৰ পৰা আহিছে। ই আহোম 'বহু' শব্দৰ পৰা আহিছে। বৈ-উৎসৱ, হু-গৰু, প্ৰচলিত প্ৰথামতে চ'তৰ সংক্ৰান্তিৰ দিনা গৰু গা-ধুৱাই পতা বৈহু বা বিহু উৎসৱ। এই বিহু যে আহোমসকলৰ দিনৰে পৰা পূৰ্ণাংগ ৰূপ পাই তাৰ এটি বিহুগীতৰ যোগেদি চিত্ৰণ কৰি দেখুৱাব পাৰি, যিটো গীত আহোমসকলৰ দিনৰ পৰা যুগ যুগ ধৰি আজিও প্ৰচলিত। সেইয়া হ'ল --

*"লাহে লাহে ঐ*
*বিহু কোনে ঢালে আহে*

*পূবে-পশ্চিমে উত্তৰে-দক্ষিণে*
*বিহু কোনে ঢালে আহে*
*মান দেশত আছিলে মানতৰা এযুৰি*
*আছিলে নৰিয়াত পৰি*
*যেতিয়া শুনিলে বিহুৰে বতৰা*
*আহিলে কচ্ছুৰি ধৰি।*

এই অতিকৈ চেনেহৰ, হেঁপাহৰ বহাগৰ বিহুটি কিছুমান গীতৰ যোগেদিয়েই ফুটাই তুলিব পাৰিছিল অতীতৰ বিহুৱা ডেকা-আদহীয়াই গাভৰুসকলে সেই সময়ৰ গাঁৱলীয়া অসমীয়া সমাজ এখনৰ প্ৰতিচ্ছবি, অসমীয়া জাতিটোৰ স্বদেশ প্ৰেম, বিভিন্ন ধৰণৰ উপদেশ তথা নীতিগত কিছুমান কথা। অসমীয়া জাতিৰ জীৱনৰ প্ৰাত্যহিক কৰ্মৰাজিৰ সতেও সংযুক্ত হৈ আছে বহাগ।

কৃষিজীৱি অসমীয়াই এই বহাগতেই কৃষি কৰ্মৰ পাতনি মেলে। বহাগৰ ন-বৰষুণ জাকে ধৰালৈ উৰ্বৰা শক্তি অনাৰ লগতে কৃষকৰ মনলৈও উৰ্বৰতা আনে। নতুন উদ্যমেৰে কৃষকে ককাঁলত টঙালি বান্ধে বাৰিষাতে। ভঁৰালৰ গাধৈ অথবা ধোঁৱা চাঙৰ পৰা নমাই আনে নাঙল-যুঁৱলি, চাঁচি-চুঁচি নতুন কৰি তোলে। কঠিয়া পাৰে। গজালিৰ পৰা ক্ৰমাৎ সেউজীয়া হৈ উঠা, কঠিয়া পাতে কৃষকৰ মনো সেউজীয়া কৰ তোলে। বাহুলৈ শক্তি আহে, দুচকুত ভিৰ কৰেহি সপোনৰ ৰঙীন ভাস্কৰ। পুৱাই হালখন লৈ ধনবৰ কাই ওলাই যায় পথাৰলৈ। মাটিখিনিত বহাগৰ কঢ়াই থলে কোমল হৈ থাকে। এইবাৰ ধনবৰে নিজৰখিনিৰ উপৰি দুহালিচা মাটি বেছিকৈ উলিয়াইছে! বৰা আম পাখি ধানৰ কঠিয়াও আনবাৰতকৈ দুটোপাল বেছিকৈ পৰিছে। অহা মাঘ-ফাগুণতে সি তাৰ চেনেহৰ ৰোৱনীজনী গোটোৱাৰ কথা ভাৱি আঁওৰাইছে এনেদৰে --

তুমি কৰি যাবা      ৰোৱনী দাৱনী
মইয়ে কৰি যাম হাল
তুমি লগাই যাবা বিহুৰে গামাচা
মইনো পাতি      দিম ঐ শাল।

বহাগৰ বিহুত জ্যেষ্ঠ-পূজ্যসকলক তামোল পাণৰ শৰাইত নতুন গামোচাৰে সেৱা জনোৱা নিয়মে আমাৰ পৰিয়াল তথা সমাজৰ শৃংখলাবদ্ধতাৰ পৰিচয় দিছে।

তদুপৰি প্ৰিয়জনক বিহুত উপহাৰ প্ৰদানৰ নিয়মো এক প্ৰকাৰৰ মানৱীয়তাৰ নিদৰ্শন। বহাগৰ বিহু আৰু তাঁতশালৰ সম্পৰ্ক একালত আছিল প্ৰায় অভিন্ন। বহাগক আদৰিবলৈ মৰমৰ দীঘ দি চেনেহেৰ বাণিৰে ফুলাম বিহুৱান ববলৈ ঘৰে ঘৰে ব্যস্ত হৈ পৰিছিল। তাকে লৈ এদল বিহুৱা ডেকাই বহাগৰ ৰং উপভোগ কৰিছে এনেদৰে --

১. উলুজৰী তাঁতৰ খুটা
তাঁতৰ পাতত বহি আইতা
মিচিক-মাচাক হাঁহি আতি
মৰমৰ দীঘ দিয় চেনেহৰ বাণি দি
ফুলামনোকৈ গামোচা কালৈ আছিলা বৈ।

২. আই নাই মাউৰা তিৰী নাই বৰলা
গামোছা বঁওতা নাই
পেৰাৰ এঁৰা সূতা পেৰাতে থাকিলে
বৈ কাটি দিওঁতা নাই।

আকৌ এই তাঁতশালখনকে লৈ গাঁৱৰ ৰাংঢালী গাভৰুজনীয়েও মনৰ ভাৱ প্ৰকাশ কৰে এনেদৰে --

ক. বহো তাঁতৰ পাতত      চকু আলি বাটত।

খ.      আগলি বাঁহৰে লাহৰী গগনা
বহি তাঁতৰ পাতত বাঁও
আহে কি নাহে ঐ মোৰে ধন চেনাই
চিৰিপাতি মাংগলখন চাঁও।

গ.      ৰাতি দুপৰলৈ      কাটি সূতালাহী
ধনলৈ বিহুৱান বলো
ৰঙাকৈ আঁচুৰে      বাছি পাণকটা
টিপতে লুকুৱাই থলো।

তাঁতশালখনৰ দৰেই আগৰ দিনত বিহুৰ সৈতে এৰাব নোৱাৰা সম্পৰ্ক আছিল ঢেঁকীশালখন! বিহু আহিছিল তাঁতশালৰ মাকোৰ খিট্‌খিট্‌নিত-ঢেঁকীশালখনৰ ডেংকুৰ ডেংকুৰ মাতত। চিৰা, সান্দহ আখৈ, হুৰুম নানা ৰকমৰ পিঠা, কোমল চাউল আছিল বিহুৰ অংগ সেয়েহে বিহুৱা ডেকাই পাইছিল এনেদৰে --

ক.      দিখৌ গুমে গুমায়
কোম্পানীৰ জাহাজে
ঢেকীত গুমে গুমায় খোৰা
বুকু গুমে গুমায় মনে শুদে
শুদায় তোমকে দেখিবৰ পৰা

খ.      এ লীলা বহি পাতিছিলা
সান্দহৰ খোলা
লীলা মাতিছিলা
বহিবলৈ নিদিলা পীৰা
লীলা কনা হাঁহক পতান ধান দিলা।

ঢেঁকীশাল, তাঁতশাল, পথাৰখনৰ উপৰিও বিহুটিৰ লগত জড়িত হৈ আছে প্ৰকৃতিৰ সৃষ্টি নৈ পাৰ, বলুকানি,পলাশ, মদাৰ, শিমলু তগৰ, কপৌ, কেতেকী আদি ফুল আৰু এযাৰ মাত শুনিলেই হৃদয় পমি যোৱা কুলি, কেতেকীজনীৰ মিঠা-মাতত সৃষ্টি হয় বহুতো বিহুগীত। য'ত নিদৰ্শন দাঙি ধৰিব পাৰি এনেদৰে-

ক.      বিহুৱা চৰায়ে কৰে বিহু বিহু
বীণৰে নলা যেন মাত,

গছত লতায়ে হালিছে জালিছে
ধৰি সেউজীয়া পাত।

খ. ব্ৰহ্মপুত্ৰৰ কাণতে বৰহমথুৰি জুপি
আমি খৰি লোৰা ঠাই
উটুৱাই নিনিবা ব্ৰহ্মপুত্ৰ দেৱতা
তামোল দি মাতোতা নাই।

গ. নাইৰৰ গোন্ধ পাই / লাহৰীৰ ততে নাই
গছকত ভাঙিলে যঁতৰ

এইবোৰৰ উপৰিও অন্যতম প্ৰধান অংগ হুঁচৰি আৰু তাহানিৰ ৰাতি বিহুৰ অনুষ্ঠানো লোকবিশ্বাসৰ ভিত্তিতে সৃষ্টি হোৱা বুলিব পাৰি। নতুন বছৰটোৰ বাবে গৃহস্থক আৰ্শীবাদ দিবলৈ ৰাইজ সমবেত হয় গৃহস্থৰ চোতালত। গাঁৱৰ ৰাইজে গৰে ঘৰে গৈ গৃহস্থক নৃত্য-গীত কৰি এইদৰে আৰ্শীবাদ দিয়া প্ৰথা আন দেশত থাকিলেও ই যে এক উৎকৃষ্ট সাংস্কৃতিক চিন্তা তাত দ্বিমত থাকিব নোৱাৰে। এই চিন্তা প্ৰতিফলিত হয় হুঁচৰিৰ আৰ্শীবাদত।

গোহালিত গৰু - হওক।
খুটিত ম'হ - হওক।
ভঁৰালত ধান — হওক
বাৰীত তামোল-পাণ হওক। গৃহস্থৰ কুশলৰ অৰ্থে জয় অ' হৰি বোলা।

আমি সৌভাগ্যৱান যে এনে মহান চিন্তা এনে মহান দৰ্শন আমাৰ জাতীয় উৎসৱ বিহুৰ লগত পৰম্পৰাগত ভাৱেই জড়িত হৈ আছে। এই হুঁচৰিৰ নামবোৰ বিহুৱা ডেকাই বিশেষ সন্মান সহকাৰে গাইছিল। তেওঁলোকৰ বাবে আছিল সেইবোৰ স্বৰ্গীয় দান ভগৱানৰ সৃষ্টি। সেয়েহে গাইছে —

ক. প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয় প্ৰণামো হৰি
তৃতীয় প্ৰণামো গাঁৱৰ বুঢ়া-মেথা
ধৰি যাঁও নামেৰে গুৰি।

খ.নামৰে কঠিয়া ব্ৰহ্মাই সৰজ
ঈশ্বৰে সৰজা নাম
বেয়া নাম শুনালে দায়দোষ খেমিবা
বতৰৰ নামকে পাম।

ঠিক সেইদৰে গৃহস্থৰ গুৱিয়ালজনক সম্বোধি গোৱা হয়, এনেদৰে —

স্বৰ্গদেউ ওলালে, বাটচৰা মুখলৈ
দুলীয়াই পাতিলে দোলা,
কাণক জিকিলে নৰা জাংফাই
গাতে গোমচেঙৰ চোলা

গৃহস্থক আৰ্শীবাদৰ উদ্দেশি এনেদৰে পৰিবেশন কৰে —

চ'ততে চকৰী বহাগৰ বাবৰি
জেঠতে আমনা ধান
গৰু বিহু দিনা বস্ত্ৰ দান কিৰবা
তেহে পাবা বৈকুণ্ঠত স্থান।

খ. এবাটি নহৰু এবাটি পনৰু
এবাটি খুটুৰা শাক
মূৰৰ চুলি ডিঙি আৰ্শীবাদ কৰিছো
গৃহস্থ কুশলে থাকক।

এই হুঁচৰিৰ উপৰিও গাঁৱৰ ডেকা-গাভৰুৱে একত্ৰিত হৈ অথবা ভাগ ভাগ হৈ গছৰ তলত বিহু মাৰে, এই বিহুক জেংবিহু মানে গাভৰুৰ বিহু আৰু ডেকা বিহু বোলা হয়। এই বিহুৰ মানবোৰত স্বতঃস্ফুট হয় ডেকা-গাভৰুৰ যৌৱনৰ উদ্যম, আৱেগ-অনুভূতি, কামনা-বাসনা ইত্যাদি। এই নামবোৰ প্ৰেম-প্ৰণয়ৰ গীত হ'লেও এই গীতবোৰ অন্য ভাষাৰ লোকগীতৰ প্ৰেমৰ দৰে অবৈধ প্ৰেম বা পৰকীয়া প্ৰেম নহয়। এই প্ৰেম প্ৰাক্-বৈবাহিক প্ৰেম, অবিবাহিত ডেকা-গাভৰুৰ প্ৰেম। বিবাহোত্তৰ পৰকীয়া প্ৰেম নহয়। এই সকলোবাৰৰ অন্তৰালত আছে অদৃশ্যজনৰ কৃপা। সেয়েহে গাইছে এনেদেৰে —

প্ৰথমে ঈশ্বৰে পৃথিৱী সৰজিলে
তাৰ পিছত সৰজিলে জীৱ
সেইজন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয়

এই প্ৰেম দৈহিক প্ৰেম। বিলাতী কবি এজনে কৈছিল— "Love is the son of soul. since soul is taking a body for its excistence love must also take a body- the body of his beloved. her eyes ..."

ক. হাতলৈ কি চাবা হাতীৰ শুঁৰ যেন
ভৰিৰনো কি চাবা গোট
মুখলৈ কি চাবা দোলা দাপোন যেন
কঁকালটি বীণৰে গোট।

খ. ঘিলাধাৰীৰ পৰতে চেনাইয়ে ডোল বায়
কাহানি লগ পাঁও
নাও লঁও বিচাৰি বঠা লওঁ বিচাৰি
পাৰি দি সিপাৰ হঁও।।

এইবোৰৰ উপৰিও বিহুগীত আৰু নৃত্যত ব্যৱহৃত হোৱা বিভিন্ন বাদ্যযন্ত্ৰ যেনে ঃ ঢোল, পেঁপা, গগণা, তাল, টকা, সুতুলি আদি আৰু বিভিন্ন ধৰণৰ আ-অলংকাৰ যেনে ঃ কাণৰ থুৰীয়া, ডিঙিৰ ঢোলবিৰি, জোনবিৰি, গলপতা, গোৱাল মণি, হাতৰ গাম-খাৰু, মুঠিখাৰু দেহৰ বাবে মুগাৰ সাজ যুৰিক লৈ গোৱা হায় বিভিন্ন প্ৰকাৰৰ বিহুগীত।

বিহুত ব্যৱহৃত হোৱা অন্যতম বাদ্য ঢোলৰ ব্যৱহাৰ, আহোম যুগৰ পৰাই হৈছিল। কিয়নো তাৰ জ্বলন্ত প্ৰমাণ দিয়ে বিহুৰ বতৰত গোৱা আহোমৰ দিনৰ বিহুনামবোৰত

ক. চাম'গুৰি হাটতে
ঢোলে গিৰ্‌গিৰাই
ঢোলৰ কি কি নাওঁ
এটি চামতে এটি আমৰে
বাঁহৰ মাৰি সাজি বাঁও।
খ. পেঁপাটি লৰিব
মাজতে আঙুলি
তেতেকে জেউতি চৰে।
গ. ঔৰ গছতে
মৌৰে বাঁহে ল'লে
ককাই পাৰি দিয়া খাঁও
এতোলা সোমেৰে
বিৰি গঢ়াই দিয়ে
তাকে পিন্ধি বিহুলৈ যাঁও।

এই বিহুৰ গীত-পদবোৰ লক্ষ্যৰ কৰিলে দেখা যায় যে ৰচনাশৈলী আৰু সুৰৰ ক্ষেত্ৰত পুৰণি দিনৰ বিহুৰ গীত পদৰ লগত আহোম যুগৰ বিহুৰ গীত-পদবোৰ চুটি-চুটি বাক্যৰে ৰচিত। সাধাৰণতে একাধিক পদত দুটাহে বাক্য থাকে। সিও চুটি। এয়া তাই আহোম ভাষাৰে গীত পদৰে পৰিৱৰ্তিত ৰূপ। তলৰ বিহুগীত কেইফাঁকিয়েই ইয়াৰ নিদৰ্শন –

ক. হোৱাই লৈ সৰগৰ তৰা
চাই থাকে ঐ নিলগৰ পৰা।"
খ. বাঁহ পাত ঐ বিচন দৈ ঐ
চিকুণ সৰিয়হৰ তেলে ঐ।

পৰম্পৰাগত লোকাচাৰ, নৃত্য-গীতৰ পয়োভৰ প্ৰকৃতিৰ বিনন্দীয়া অৱদান কুলি-কেতেকীৰ মধুৰ মাত, নাহৰ তগৰ কপৌফুলৰ সমাৰোহ, পাৰস্পৰিক কুশল মংগল কামনা, সামূহিক মংগল চিন্তা আদি উৎকৃষ্ট মানৱীয় চিন্তাতে সমৃদ্ধ বহাগ বিহুৰ তাৎপৰ্য সম্পূৰ্ণভাৱে সোমাই আছে, পৰম্পৰাগত চলি অহা বিহুনামবোৰত ১৯২০ চনত "বহাগী" নামৰ এখন বিহুগীতৰ সংকলন প্ৰস্তুত কৰ্তা নকুল চন্দ্ৰ ভূঞাই লিখিছিল - "ভালকৈ ফঁহিয়ালে পোৱা যায় আমাৰ বনগীত বা বিহুগীতৰ প্ৰতিটো শাৰীতে সোমাই আছে আমাৰ অসম দেশখনৰ প্ৰতি থকা স্বদেশ প্ৰেম। এইবাবেই বিহু আমাৰ প্ৰাণৰো জাতীয় উৎসৱ।

লোক-সংস্কৃতিৰ সাধক হেমাংগ বিশ্বাসে লিখিছিল এনেদৰে যি নাই বিহুগীতত, সি নাই অসমত। যি নাই অসমত সি নাই বিহুগীতত। অসম আৰু অসমীয়াত জনমানসৰ নিৰ্ভুল দাপোণ এই বিহু। গীতৰ সাহিত্যিক সাংগীতিক ভেটিৰ ওপৰতেই থিয় হৈ আছে অসমীয়া সংস্কৃতিৰ উপৰিসোধ।

১৯২৩ চনত শিক্ষামন্ত্ৰী খান বাহাদুৰ চৈয়দুৰ ৰহমানে ডাঙৰীয়াই মন্তব্য কৰিছিল এনেদৰে -- The festival of Bihu is predominently a national festival to the Assamese and the song sung there in are national to the care.

বিহুনামবোৰৰ বিশেষত্ব হ'ল পূৰ্বৰাগ, অনুৰাগ, প্ৰেম কামনা-বাসনা, বিৰহ, বিৰহৰ বেদনা সকলো থাকিলেও সমানে সমানে সামাজিক জীৱন, দৈনন্দিন কাম-কাজৰ কথাও বিহু নামত থাকে। কৰ্মও যে সংস্কৃতিৰ অন্যতম অংগ বিহুনামবোৰেই তাৰ সঠিক উদাহৰণ দিয়ে। প্ৰায়বোৰ বিহুনামতেই প্ৰেম-প্ৰণয়, প্ৰকৃতিৰ লগে লগে দৈনন্দিন কৰ্মৰাজিৰ উল্লেখ থাকে।

হাল লৈ লিখিলে মোকে ঐ লাহৰী
কোৰ লৈ লেখিলে মোক
চাৰি আঙুল কপালত বিধাতাই কি লেখিলে
মোলে নিলিখিলে তোক।

এই বিহুনামবোৰত প্ৰেম-পূৰ্বৰাগৰ লগতে আছে কৰ্ম সংস্কৃতিৰ কথা প্ৰকাশ পাইছে বৈবাহিক প্ৰেম-পূৰ্বৰাগ।

অসমৰ বসন্তকালৰ বিনন্দীয়া প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা, সমাজ জীৱনৰ বিভিন্ন প্ৰতিচ্ছবি, বিভিন্ন যুগৰ ঐতিহাসিক ঘটনাৰ আভাস পৰিৱৰ্তিত সময়ৰ বিৱৰণো বিহুনামৰ অন্যতম সম্পদ।

পূবেদি ওলাবৰ ৰেণু ঐ মইনা
পূবেদি ওলাবৰ ৰেণু
সুন্দৰ বৰগোঁহাই ৰণলৈ ওলালে
আটাই ঘুণে খোৱা ধেনু।

কবি নৰকান্ত বৰুৱাই লিখি গৈছে। "বিহুগীতৰ গাঁথনিক ৰূপটোৰ পৰাই মই অসমীয়া গণচিত্তৰ এটা বিৰাট সত্তা অনুমান কৰি লৈছো। ভাৰতৰ পশ্চিম অঞ্চলৰ পৰা অহা কোনো ধৰ্মীয় বা সামাজিক পৰম্পৰাই ইয়াৰ ঐহিক (Secular) চৰি এটা কাঢ়ি লৈ যাব পৰা নাই।"

শিক্ষামন্ত্ৰী চৈয়দুৰ ৰহমানে আকৌ কৈছে– To a casual reader these pastorals may appear state and common place having no efficasy beyond affording certain vulger enjoyment to the rural youth of Assam, but to a curious student of literature they are of historic importance as they do one of the chief stocks in trade of Assamese literature.

মুঠ ওপৰত ক'ব পাৰি যে বিহুৱে আমাৰ জাতীয় উৎসৱৰ মৰ্য্যদা লাভ কৰাৰ ক্ষেত্ৰত চহাকবিয়ে যুগে যুগে ৰচি অহা বিহুনামবোৰৰে বৰঙনি অধিক। কিন্তু অতি সাম্প্ৰতিক কালত বিহুনামবোৰেই লোকগীতৰ চৰিত্ৰ হেৰুৱাবলৈ লৈছে। তাহানিৰ বিহু আহিছিল গছে-বনে, ডালে-পাতে, বিহু আহে ঢোলে পেপাঁ-গগণাৰ মাতত। কিন্তু আজিৰ বিহু আহে প্ৰাচ্য পাশ্চাত্যৰ সংমিশ্ৰিত বিহুগীতৰ লহৰত, বিহু আহে দোকানে-বজাৰে। আধুনিক সংস্কৃতিৰ চিন্তাকৰ্মক উপাদানবোৰৰ লগত ফেৰ মাৰিবলৈ হ'লে ৰহালী বিহুৰ

স্বৰূপটোৰো বিৰ্বতন হোৱাৰ নিশ্চয় দৰকাৰ।

বিৰ্বতনৰ প্ৰথমটো শক্তিশালী স্তৰ হিচাপে বিহু মঞ্চলৈ উঠিল। বিহুনামৰ চৰ্চাৰ বাবে নতুন নতুন মাধ্যম সৃষ্টি হ'ল। আকাশবাণী, কেছেট, অতি সম্প্ৰতি ভি.চি.ডি. এইবোৰ মাধ্যমৰ জনপ্ৰিয়তা অদমনীয়। শেহতীয়াকৈ এচাম মানুহে বিহুগীত ৰচনা কৰিবলৈকো আৰম্ভ কৰিছে। পূৰ্বে লোকগীত হিচাপে প্ৰচলিত চহা সমাজৰ স্বতঃস্ফুট সৃষ্টি বিহুগীতবোৰৰ স্থান ল'লে বৰ্তমানৰ জনপ্ৰিয় গীতিকাৰে লিখা আৰু জনপ্ৰিয় সুৰকাৰে সুৰ ৰচনা কৰা বিহুগীতে। এই বিহুগীতবোৰ ৰচনা কৰে কেৱল শ্ৰোতাক আকৰ্ষণ কৰি সেই কেছেটৰ জনপ্ৰিয়তা কৰিবলৈ, ই ব্যৱসায় ভিত্তিক। ইয়াত নিহিত হৈ আছে স্বাৰ্থৰ। কিয়নো এখন বিহু কেছেট মাথো এমাহ বা দুমাহৰ বাবেহে, গোটেই জীৱনৰ বাবে নহয়। সেই কেছেটৰ নামেৰে পুনৰ বজাৰত মুকলি হয় আগন্তুক বহাগৰ বাবে। এতিয়া বিহু আহে ইংৰাজী বছৰৰ শেষৰ মাহ কেইটাৰ পৰাই, শ্ৰোতাৰ বাবে প্ৰস্তুত কৰা বিহুগীতৰ কেছেটত। এই বিহুগীতবোৰত নাথাকে কোনো মাৰ্জিত বাৰে। থাকে মাথোঁ গীতিকাৰজনৰ মনৰ পৰা নিগৰি অহা কেইটিমান শব্দ। এই গীতবোৰত মাথোঁ যেন ডেকা-গাভৰুৰ উশৃংখল প্ৰণয়ৰ ভাৱ আদান-প্ৰদানৰ সপোনহে নিহিত হৈ ৰয়।

উদাহৰণস্বৰূপে ঃ-

নেদেখাকৈ নুবুজাকৈ /পৰিলো প্ৰেমত<br>
ৰাতি ৰাতি কথা পাতি সদায়নো ফোনত<br>
নেদেখাকৈ পৰিলো মই তোমাৰ প্ৰেমত।

আকৌ গাইছে কোনোবা কণ্ঠশিল্পীয়ে নিজৰ খ্যাতিৰ বাবে প্ৰেমৰ মূল নুবুজি এনেদৰে —

সাগৰলৈ চালো। পাৰ দেখা নাপালো<br>
তোমাক দিপালী ভাল পাই মই ভুলেই কৰিলো

কোনোবা এখন কেছেটত হয়তো ছোৱালীবোৰৰ গুণ-গৰিমা এনেদৰে ফুটাই য'ত ছোৱালীবোৰৰ প্ৰশংসাৰ লগতে সমানে সমানে চৰ্চাও কৰিছে এনেদৰে ঃ-

পৰ্বতৰ ঢেকীয়া লিহিৰীপতীয়া / বতাহৰ যেনেকৈ হালে<br>
ছোৱালীৰ ধুনীয়া / মাগুৰ বৰণীয়া কঁকাল খামুচীয়া হ'লে<br>
ডেকাটো বাদেই দে / বুঢ়াইও জাপ মাৰিব/বিহু নাচিবলৈ পালে।

বৰ্তমানৰ এই বিহুগীতবোৰলৈ ভালদৰে কাণ দিলে শুনাযায় ঃ বিহু গীতত ব্যৱহৃত হোৱা বাদ্য ঢোল, পেঁপা, তাল, বাঁহীৰ মাত নাহ । এই মাত সৃষ্টি আধুনিক ইলেকট্ৰনিক বাদ্যযন্ত্ৰত হোৱা দেখা যায়। এই বিহু গীতত টানি আজুৰি ব্যৱহাৰৰ বাবে পপ, ভাংৰা আদিৰ লগত একাকাৰ কৰি ইয়াৰ বৈচিত্ৰ নাইকিয়া কৰিবলৈ ধৰিছে। হয়তু এদিন ই বিশ্বৰ সংস্কৃতিক প্ৰেক্ষাপটত মৰ্য্যদা হেৰুৱাৰ উপক্ৰম হ'ব। ইয়াতে ক্ষান্ত নাথাকি এচাম ব্যৱসায়ীয়ে বিহু গীতৰ কেছেটৰ লগত ৰজিতা খুৱাই এখন ভি.চি.ডি. কে প্ৰস্তুত কৰি পেলাইছে। এই কামবোৰোত বাধা দিয়াৰ কোনো চৰকাৰী ব্যৱস্থা অসমত নাই।

আটাইতকৈ ডাঙৰ কথাটো হ'ল আমি অসমীয়া মানুহবোৰে নিজক শ্ৰদ্ধা কৰিব নাজানো। নিজৰ ভাষা, সমাজ, সংস্কৃতি আদিৰ প্ৰতি বেপেৰুৱাভাৱে উদাসীন জাতি অসমীয়াৰ দৰে ২য় এটা বোধহয় নোলাব। দিনৰ পিছত দি বিলাতী প্ৰত্যাহিকতাত বুৰ গৈ থাকি একমাত্ৰ বন্য উল্লাসৰ লোভত বিহু কেছেটত ব্যস্ত হৈ পৰা বিহুপ্ৰেমীৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈ থাকিলে অতি শীঘ্ৰেই বিহুৰে কিম্ভুত কিমাকাৰ ৰূপ পৰিগ্ৰহণ কৰিব। আজিকালি বিহুত দেখি -বিদেশী বাদ্যযন্ত্ৰ সোমাইছে, তাত আপত্তি নাই। কিন্তু ঢোলটোক চেৰাই যাব নালাগে। বিহুগীতত ন ন সুৰ দিয়া হৈছে - ঠিকেই, কিন্তু ই যে আন জাতিৰ লোকৰ সুৰৰ কাষ নাচাপে ইয়ালৈ লক্ষ্য কৰিব লাগে।

বিহুটো হ'ল অসমীয়া জাতি লোক-সংস্কৃতিৰ প্ৰতীক স্বৰূপ। অসমীয়া লোক-সংস্কৃতি প্ৰত্যেকটো উপাদানেৰে বিহুৰ লগত যোগসুত্ৰ আছে। বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। গতিকে বিহুৰ মৌলিকতা অক্ষুন্ন থাকিলেহে। আমাৰ জাতিটোৰএক নিজা চিনাকী বৰ্তি থাকিব।

সহায়ক গ্ৰন্থপঞ্জী –

১. তাই সংস্কৃতি - সম্পাদক- চাও পুষ্প গগৈ, চাও ৰগেন গগৈ

২. বসন্ত সম্ভাৰ - সাদিন- ২০০৮ চন

৩. জন্মভূমি ৰঙালী বিহু সংখ্যা- ২০০৭

৪. বিহুবান - কিংশুকৰ ৰহালী বিহু সন্মিলন স্মৃতিগ্ৰন্থ - ১৯৮৯



# ভাষাৰ মৃত্যু, বুদ্ধিজীৱী আৰু ইতিহাসত আমি



**পল্লৱী গগৈ**

স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

জীৱনৰ আনন্দময় মুহূৰ্তত মানুহে মৃত্যুৰ কথা পাহৰি যায়। গ্ৰন্থমেলাৰ বতৰত প্ৰকাশ পোৱা ন-পুৰণি লেখকৰ হৃদয়-বাৰ্তা বহনকাৰী গল্প উপন্যাস, কবিতাৰ উখল মাখল আৰু সাহিত্য সভাৰ উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰা উল্লাসৰ এই সময়তো আমি পাহৰি যাওঁ সেই নিদাৰুণ সত্য ভাষা স্বয়ংক্ৰিয়ভাৱে অমৰ নহয়। মানুহৰ দৰে ভাষাৰো মৃত্যু হয়। সকলো মানুহৰেই এদিন মৃত্যু হয় সকলো মানুহৰেই এদিন মৃত্যু হ'ব। কিন্তু সকলো ভাষাৰেই এদিন মৃত্যু হ'ব বুলি হয়তো ঘোষণা কৰিব নোৱাৰি। কাৰণ নিজৰ হৃদয় আৰু অস্বিত্বৰ প্ৰয়োজনতে অন্ততঃ এটা ভাষা মানুহে চিৰকালৰ বাবে জীয়াই থাকিব। ভাষাবিহীন মানৱ সমাজ এখন আজি আৰু কল্পনা কৰাটো সম্ভৱ নহয়। অসমীয়া গল্প, উপন্যাস অথবা কবিতাত যেতিয়া নিমজ্জিত হৈ থাকে মন, অসমীয়া শব্দৰ মাধুৰ্য আৰু মহিমাই আচন্ন কৰি কৰি থাকে সত্বা, তেতিয়া এনে প্ৰশ্ন কোনোদিনেই মনত উদয় নহয় যে অসমীয়া ভাষাৰো মৃত্যু সম্ভৱ।

আমাৰ জীৱনত হয়তো অসমীয়া ভাষা জীৱন্ত ৰূপতেই বৰ্তি থাকিব, আমি অসমীয়া বন্ধুবৰ্গ, আত্মীয় স্বজনৰ সৈতে বাৰ্তালাপ কৰিম অসমীয়াতে, গ্ৰন্থমেলাৰ বতৰত অপেক্ষা কৰিম কোনো নবীনৰ গল্প অথবা কবিতাৰ কিতাপ এখনৰ বাবে, পুৱা কেতিয়া হকাৰে আহি দি যায় অসমীয়া কাকতখন বাটচাম তাৰ বাবে, কেতিয়াবা মন গ'লে কলম তুলি লম য'ৰ পৰা নিঃসৃত হ'ব অসমীয়া আখৰ।

ভাষাৰ মৃত্যু হঠাতে গ্লোৱেলাইজেশ্যনে আনি দিয়া এটা নতুন ঘটনা নহয়, যদিওবা এই কথা সত্য যে ভাষাৰ মৃত্যুৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত হোৱাৰ ক্ষেত্ৰত গ্লোৱেলাইজেশ্যনৰ দিশ এটাও জড়িত হৈ আছে। গ্লোৱেলাইজেশ্যনে সাফল্যৰ এক নতুন সংজ্ঞা আমাৰ বাবে কঢ়িয়াই লৈ আনিছে আৰু মধ্যবিত্ত শ্ৰেণী উন্মাদ অথবা আতংকগ্ৰস্ত হৈ পৰিছে। সাফল্যৰ এক নতুন সপোনেৰে যিকোনো প্ৰকাৰে নিজৰ ল'ৰা-ছোৱালীক ঠেলি হেচি ওপৰলৈ উঠোৱাৰ বাবে তেওঁলোকে এনেদৰে উত্ৰাৱল হৈ পৰিছে যে বৈষয়িক কোনো প্ৰত্যক্ষ লাভ নহলে তেওঁলোকে অসমীয়া ভাষা, সাহিত্য অথবা সংস্কৃতিৰ কিবা প্ৰয়োজনীয়তা আছে বুলি ভাবিবলৈ এৰি দিছে। লাহে লাহে এনে এটা ধাৰণাও গা কৰি উঠিবলৈ আৰম্ভ কৰিছে যে পৃথিৱীৰ এটাৰ বাহিৰে সকলো ভাষাৰে যদি এদিন মৃত্যু হয়, সকলোৰে যদি কথা কয় একেটা ভাষাৰে,

অ আ ই ঈ উ ঊ ঋ এ ঐ ও ঔ
a ā i ī u ū ṛ e ai o au

ক খ গ ঘ ঙ চ ছ জ ঝ ঞ
ka kha ga gha ṅa ca cha ja jha ña

ট ঠ ড(ড়) ঢ(ঢ়) ণ ত থ দ
ṭa ṭha ḍa ḍha ṇa ta tha da

ধ ন প ফ ব ভ ম য(য়) ৰ
dha na pa pha ba bha ma ya ra

ল ৱ শ ষ স হ
la va śa ṣa sa ha

তেতিয়া অন্ততঃ ই পৰস্পৰিক বুজাবুজিৰ জৰিয়তে বিশ্বশান্তিৰ পথ সুগম কৰিব।

ভাষাৰ মৃত্যুৰ আগে আগে সাধাৰণতে মৃত্যু হয় সেই ভাষিক গোষ্ঠীৰ নিজস্ব সংস্কৃতি। যি ভাষিক গোষ্ঠীৰ নিজস্ব সংস্কৃতি। যি ভাষিক গোষ্ঠী আত্মসন্মানবিহীন, যিয়ে নিজৰ সংস্কৃতিক লৈ গৌৰান্বিত হোৱাতকৈ হয় লজ্জিত, যিয়ে নিজৰ বিস্মৃতিৰ গৰ্ভত নিক্ষেপ কৰিও কেতিয়াও নহয় অনুতপ্ত, সেই ভাষিক গোষ্ঠীৰ মৃত্যু হয়তো অৱধাৰিত।

সৃষ্টিৰ উন্মাদনাত ব্যস্ত অসমীয়া লেখকসকলে এটা অসমীয়া কবিতাৰ স্তৱকে ৰাতিৰ নিদ্ৰা হৰণ কৰা পঢ়ুৱৈবৰ্গ, সাহিত্যৰ সভাক আৱেগৰ ঢৌৱে প্লাৱিত কৰা আগণন জনগনে বাৰে বাৰে আশ্বাস দিয়ে ঃ থাকিব, অসমীয়া ভাষা থাকিব, আমি আছো যেতিয়া ভাষাও থাকিব। থাকিবনে?

সমাজ এনে জটিল আৰু বিভন্ন ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সমীকৰণত আজি এনেদৰে চালিত যে কোনো ব্যক্তি বিশেষ আজি আৰু দাবী কৰিব নোৱাৰে যে সকলো সমস্যাৰ সমাধান তথা মানুহৰ মুক্তিৰ প্ৰকৃত পথ তেওঁ আৱিষ্কাৰ কৰিছে। এনে হোৱাহেঁতেন যুগে যুগে বুদ্ধিজীৱীৰ জন্ম নহ'লহেঁতেন অতীতৰ কোনো এজন মাত্ৰ বুদ্ধিজীৱীয়ে পৃথিৱীৰ সকলো সময়ৰ সকলো মানুহৰ বাবে চিৰকাললৈ এক সঠিক আৰু অব্যৰ্থ পথৰ সন্ধান দি যাবলৈ সক্ষম হলহেঁতেন। ইতিহাসে এটা কথা আমাক বাৰে বাৰে সোঁৱৰাই থাকে যে নিজৰ পথৰ শুদ্ধতাৰ ওপৰত অতি আত্মবিশ্বাস আৰু বাস্তৱৰ সমস্যাৰ অতি সৰলীকৰণে সঘনাই মানুহক ভ্ৰান্তিৰ গহ্বৰতো নিক্ষেপ কৰে। সেই ভ্ৰান্তিয়ে সকলো শেষ কৰি দিয়াৰ পিছতহে মানুহে হৃদয়ংগম কৰে যে বাস্তৱত আমি ভবাতকৈ বহু বেছি জটিল আৰু অতি সৰলীকৰণে তাৰ সহজ সমাধান দিব নোৱাৰে।

## ইতিহাসত আমি

বৰ্তমান শতিকাৰ যিকোনো মুহূৰ্ততে আমি নিয়তিৰ অমোঘ বিধান মানি নিশ্চিতভাৱে এই পৃথিৱীৰ পৰা মেলানি মাগিম। বিজ্ঞানৰ দ্ৰুত জয়যাত্ৰায়ো মানুহক অন্ততঃ এই শতিকাত দুশতিকাৰ আয়ুস প্ৰদান কৰিবলৈ সক্ষম নহ'ব; এনে এটা শতিকাত এদিন মানুহে প্ৰৱেশ কৰিব, যি শতিকাৰ বিজ্ঞানৰ জৰিয়তে মানুহে মানুহক মৃত্যুহীন মানুহ উপহাৰ দিবলৈ সক্ষম হ'ব। বৰ্তমানৰ শতিকাটোৰ বিষয়ে এতিয়া অন্ততঃ এটা কথা কব পাৰি যে এই শতিকাৰ শেষৰ ফালে এক শতিকাতকৈও অধিক কাল পৃথিৱীত অতিবাহিত কৰাৰ সৌভাগ্য অৰ্জন কৰা লোকৰ সংখ্যাটো বেছ ডাঙৰ হৈ পৰিব।

কুৰি শতিকাত জীৱনৰ অধিকাংশ কাল অতিবাহিত কৰাৰ বাবেই বিগত শতিকাৰ অলেখ স্মৃতি জীৱন্ত ৰূপত দুচকুৰ সন্মুখত ভাস্কৰ হৈ উঠে। জানিবৰ মান যায় বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ সৰু বৰ জাতি-প্ৰজাতিয়ে কিদৰে নিজৰ অৱদানেৰে কুৰি শতিকাৰ বিশ্ব ইতিহাসত নিজৰ নাম সগৌৰৱে লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছে। অক্সফ'ৰ্ডৰ প্ৰখ্যাত ইতিহাসবিদ গিলবাৰ্টে অৱশ্যে তেওঁৰ এহাজাৰ পৃষ্ঠাৰ গ্ৰন্থ খনৰ আধা পৃষ্ঠা এটাত লিপিবদ্ধ কৰিছে আমাৰ কথা। বিশ্ববাসীৰ ওচৰত অসমীয়া মানুহৰ পৰিচয় দাঙি ধৰিছে গিলবাৰ্টে এইদৰে – "Among the non Indian population of India were the Assamese people living in the for north-east of the country whose affinities were for more with Burma and Thailand than with India.

খ্যাতিবিদ ইতিহাসবিদ দৰ্পণত নিজকে আৱিষ্কাৰ কৰিবৰ বাবেই কৌতুহলীলোকে গিলবাৰ্টৰ প্ৰখ্যাত গ্ৰন্থখন পঢ়ি চাব পাৰে।



# প্ৰকৃতিৰ ৰম্যভূমি মণিপুৰ



**যুথিকা গগৈ**
স্নাতক তৃতীয় বৰ্ষ

ভাৰতবৰ্ষ হ'ল প্ৰাকৃতিক বৈচিত্ৰ্যতাৰে ভৰপুৰ এখন অনবদ্য দেশ। উত্তৰ-পূৰ্বাঞ্চল হ'ল ভাৰতবৰ্ষৰ এক অন্যতম অংগ। মণিপুৰ হ'ল জৈব বৈচিত্ৰ্যতাৰে ভৰপুৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন মনোৰম ৰাজ্য। ইতিহাসে গৰকা মণিপুৰ হ'ল চিত্ৰাংগদাৰ জন্মভূমি। পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা বন্দী কৰা বীৰ বব্ৰুবাহনৰ দেশ মণিপুৰ। প্ৰকৃতিৰ সকলো সৌন্দৰ্যৰে পৰিপূৰ্ণ মনোৰম এই দেশখন অসমৰ দক্ষিণ কোণত অৱস্থিত। মণিপুৰৰ দৰে আনদেশ, দক্ষিণে ব্ৰহ্মদেশ (ম্যানমাৰ) আৰু মৃদু পাহাৰ, পশ্চিমে কাছাৰ জিলা আৰু উত্তৰে নগা পাহাৰ। পৌৰাণিক আখ্যান ঃ- মণিপুৰী সকলৰ উৎপত্তি সমন্ধে বহুতো মতবাদ আছে। বহুতৰ মতে, তেওঁলোক হিন্দু ধৰ্মী মুনি সকলৰ বংশধৰ. তেওঁলোকৰ আদি পুৰুষ সকলৰ বংশাৱলী তলত উল্লেখ কৰাৰ দৰে নিৰূপণ কৰিছে।

নাৰায়ণৰ নাভিৰ পৰা ব্ৰহ্মাৰ উৎপত্তি হয়। মৰীচি মুনিৰ ব্ৰহ্মা দেৱৰ অংগৰ পৰা জন্ম হয়। মৰীচি মুনিৰ পুতেক কাশ্যপ মুনি, কাশ্যপ মুনিৰ পুতেক - সূৰ্য্য, সূৰ্য্যৰ পুতেক সুৰৰ্ণ মুনি, সুৰৰ্ণৰ পুতেক ইন্দ্ৰমুণি, ইন্দ্ৰমুণিৰ- পুতেক চিত্ৰকেটু, চিত্ৰকেটুৰ পুতেক - চিত্ৰধ্বজ, চিত্ৰধ্বজৰ পুতেক- চিত্ৰ বীজ, চিত্ৰবীজৰ পুতেক চিত্ৰসৰ্ব, চিত্ৰ সৰ্বৰ পুচেক চিত্ৰৰথ, চিত্ৰৰথৰ পুতেক চিত্ৰ ভানু, চিত্ৰ ভানুৰ জীয়েক আছিল চিত্তাঙ্গদা, চিত্তাঙ্গদাৰ পুতেক বব্ৰুবাহন, বব্ৰুবাহনৰ পুতেক সুপ্ৰবাহু, সুপ্ৰবাহুৰ পুতেক পাখাংবা। এই পাংখা বা খৰিতাই হ'ল মণিপুৰৰ প্ৰথম ৰজা।

কৰ্ণেল মেক্কালেকৰ মতে মণিপুৰী ঠাইখন বহুত পৰ্বতীয়া জাতিৰ বাসস্থান আছিল। তেওঁলোকৰ প্ৰধান জাতি সকল আছিল কোমোল, লোৱাং মইৰা আৰু মৈতে। এই জাতিবিলাক মণিপুৰলৈ বেলেগ বেলেগ ঠাইৰ পৰা আহিছিল। তেওঁলোকৰ ভিতৰত প্ৰথমে কোমোল সকলে অধিপত্য বিস্তাৰ কৰিছিল। কোমোল সকলৰ পিছত মৈৰাং সকলে, অৱশেষত মৈতে সকলে সকলোৰে ওপৰত অধিপত্য বিস্তাৰ কৰিলে, শেষত তেওঁলোকৰ নামেৰে মণিপুৰি সকল জনাজাত হ'ল।

শাৰীৰিক গঠনঃ-মণিপুৰীসকল হ'ল মঙ্গোলীয়ান সকলৰ আকৃতিৰ। মণিপুৰীসকলৰ শাৰীৰিক গঠন সুন্দৰ আৰু সুঠাম দেহৰ। তেওঁলোকৰ মধ্যমীয়া ধৰণৰ ওখ। মতা মানুহ বিলাক সাধাৰণতে ৫''—৭'' ওখ হয়। মণিপুৰী সকল সদ্যহতে বহল মূৰৰ, মতা মানুহৰ মুখখন বহল হনু ওলোৰা। কপাল মধ্যমীয়া ধৰণৰ বহল, চকু সৰু, চেলাউৰি মধ্যমীয়া আৰু বেলেগ বেলেগ, কিছুমান বৈ পৰা চেলাউৰিৰ মানুহো আছে। নাক মধ্যমীয়া ধৰণৰ দীঘল। ওঠ মধ্যমীয়া ধৰণৰ, কাণ মধ্যমীয়া আৰু থুতুৰি ঘূৰণীয়া। তেওঁলোকৰ মূৰ বহল, কপাল মধ্যমীয়া, চকু সৰু, নাক বহল, গালৰ হাড় ডাঙৰ, চেলাউৰী মধ্যমীয়া, চুলি ক'লা আৰু মোটা। তেওঁলোকৰ গাৰ বৰণ তামবৰণীয়া।

ভাষা-সাহিত্যঃ- মণিপুৰীসকলৰ নিজা ভাষা আছে। তেওঁলোকৰ ভাষা তিৰ্ব্বত-বৰ্মাৰ ঠাল বুলি কোৱা হয় যদিও আন কিছুমানে তেওঁলোকৰ ভাষা কুকি-চীন ঠালৰ পৰা বেলেগ বুলি অভিহিত কৰে। মণিপুৰীসকলৰ কিছুমান শব্দ বৰ্মা ভাষা আৰু কিছুমান শব্দ তিব্বতবাসী সকলৰ লগত মিলে। বড়ো (কছাৰী) সকলৰ ভাষাৰ লগতো তেওঁলোকৰ মিল আছে আনহাতে কাচিৰ ঠালৰ লগত তেওঁলোকৰ ভাষাৰ সম্বন্ধ বেছি।

অতীজত মণিপুৰৰ শিক্ষা লবৰ কাৰণে তেনে কোনো স্কুল বা কলেজ নাছিল। তেওঁলোকৰ শিক্ষাৰ স্থান আছিল ডেকাচাং। ডেকাচাংতেই তেওঁলোকে খাপে খাপে শিক্ষালাভ কৰিছিল। তেওঁলোকে আন বিষয় সমূহৰ লগতে কমাৰ, কুমাৰৰ শিক্ষাও লাভ কৰিছিল।

অলংকাৰ পাতি আৰু সাজ-পাৰ ঃ মণিপুৰ শব্দটোৰ অৰ্থ হ'ল মণি বা মুকুতাৰ ভূমি ( A juweled land ) তেওঁলোক হ'ল খুব সৌন্দৰ্য পিপাসু। তেওঁলোক খুব পৰিপাটি আৰু সৌন্দৰ্য্যৰ প্ৰতি খুব সচেতন। তেওঁলোকৰ প্ৰতিটো কামতেই, প্ৰতি যোৰ পোছাকতেই সৌন্দৰ্যবোধৰ প্ৰমাণ পোৱা যায়। দেশ ভেদে মানুহৰ পোছাক-পৰিচ্ছদো বেলেগ বেলেগ হয়। ক'লা চুলিখিনি আটোম টোকাৰিকৈ ৰখাটোও অলংকাৰ আৰু পোছাকৰ ভিতৰত পৰে।

মণিপুৰী লোকসকলে চুলি পাছফাললৈ ফণিয়াই। কপালৰ ওপৰৰ চুলিখিনি চুটিকৈ কাটে আৰু পাচফালে চুলিখিনি খোপা বান্ধে। সৰু ল'ৰাবোৰে চুলিবোৰ চুটিকৈ কাটে।

মণিপুৰী ছোৱালীবোৰ বিশেষকৈ ১০ বছৰ বয়সলৈকে কপালৰ ওপৰৰ চুলিবোৰ চুটিকৈ কাটে। কিন্তু পিছফালে দীঘলকৈ বান্ধিবলৈ দিয়ে। বিয়া হোৱা মাইকী মানুহবিলাকে চুলিবোৰ দীঘলকৈ ৰাখে আৰু পাছপালে ফণিয়াই খোপা বান্ধে।

মণিপুৰী মাইকী মানুহৰ পোছাকবোৰ অসমীয়া মাইকী মানুহৰ পোছাকৰ লগত প্ৰায় একে, পাৰ্থক্য খুব কমেইহে দেখা যায়। তেওঁলোকে অসমীয়া মেখেলাৰ নিচিনা এখন কাপোৰ বুকুৰ ওপৰত মেঠনী মাৰি পিন্ধে। তলফালে কাপোৰ খনৰ মূৰ দুটা দুই-তিনি ইঞ্চিমান ওপৰলৈকে লগ লগাই চিলাই কৰা। এই কাপোৰখন ভৰিৰ সৰু গাঁথিৰ ওপৰত পিন্ধে। কাপোৰখনৰ ওপৰৰ আৰু তলৰ পাৰিটো বহল। পাৰি দুটা ৰঙীন সূতাৰে নানা কাৰুকাৰ্য্যৰে 'ডিজাইন' কৰা ফুলেৰে বছা। এই কাপোৰখন কপাহ বা পাটৰ সূতাৰে বৈ লয়। এই কাপোৰখনক 'ফানেক' বুলি কোৱা হয়। 'ফানেক' আৰু ব্লাউজৰ ওপৰত তেওঁলোকে এখন চাদৰ অসমীয়া মাইকী মানুহে লোৱাৰ দৰেই লয়। বিয়া নোহেৱা গাভৰুসকলে চাদৰখন গাত মেৰিয়াই লয়।

ঘৰুৱা সামগ্ৰী ঃ- মণিপুৰী সকলৰ প্ৰধান সঁজুলি হ'ল দাখন। দাখনেৰে তেওঁলোকে বেলেগ বেলগে ধৰণৰ কাম কৰিছিল। কৃষি কুটীৰ শিল্প আৰু যুদ্ধক্ষেত্ৰতো ইয়াক ব্যৱহাৰ কৰিছিল। তেওঁলোকে ঘৰ-দুৱাৰবোৰ কাঠ আৰু বাঁহেৰে তৈয়াৰ কৰি লৈছিল। ঘৰৰ চালখন খেৰেৰে চায় লগতে তেওঁলোকে ঘৰবিলাক পূব মুৱা কৰি সাজে আৰু সেইফালে এখন বাৰান্দা দিয়ে। তেওঁলোকৰ ঘৰবিলাকৰ খিৰিকী নাথাকে আগফালে পাছফালে দুখন দুৱাৰ থাকে। ঘৰৰ মুখিয়াল মানুহজনৰ বিছনাখন চাৰিটা খুটাৰ ওপৰত এচটা ডাঙৰ কাঠেৰে তৈয়াৰ কৰে। কিন্তু বৰ্তমান সময়ৰ সৈতে খাপ খাব পৰাকৈ তেওঁলোকে আজিকালি ঘৰবিলাকত খিৰিকী দিছে। চকী ঘৰ-দুৱাৰ, মঠ-মন্দিৰে সজাই পৰাই তুলিছে।

তেওঁলোকৰ প্ৰত্যেক গৰাকী মাইকী মানুহেই (তিৰোতা) একোগৰাকী সুনিপুণ শিপিনী। মণিপুৰীসকল মাটিৰ আৰু শিলৰ পাত্ৰ তৈয়াৰ কৰাত পাৰ্গত। তেওঁলোকে বিভিন্ন কাৰুকাৰ্য খোদিত সোণ-ৰূপৰ অলংকাৰ তৈয়াৰ কৰি লয়। ইয়াৰ লগতে খেলা-ধূলা আদিতো তেওঁলোক খুব পাৰ্গত।

সমাজ পদ্ধতি ঃ- মণিপুৰীসকলৰ পৰিয়াল কেইবাধৰণৰো থাকে সৰল পৰিয়াল, যুটীয়া পৰিয়াল আৰু বহল পৰিয়াল। তেওঁলোকৰ সৰল পৰিয়ালটোত মাক-বাপেক আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী থাকে। যুটীয়া পৰিয়ালত দুই তিনিজন বিয়া কৰা বা বিয়া নকৰোৱা বাই-ককাই আৰু ল'ৰা-ছোৱালী থাকে। বহল পৰিয়ালত মাক-দেউতাক, পুতেক বোৱাৰীয়েকহঁত আৰু নাতিয়েকহঁত থাকে।

মৈতেসকল সাতটা খেলত (ক্লেন) বিভক্ত। এই খেলবিলাক হ'ল -- মিন্-গঠাজা' কোমোল', লোৱং, এনগ্ম, মইবাঙ্গ, কাৰানানক আৰু চেঙলেই। তেওঁলোকে এই খেলবোৰক চচলেই বোলে। এই প্ৰত্যেক খেলৰে কিছুমান সৰু সৰু ভাগ আছে। এই ভাগবিলাকক তেওঁলোকে 'জেমনাক' বোলে।

বিবাহ পদ্ধতি ঃ- মণিপুৰী সকলৰ সাধাৰণ বিবাহ পদ্ধতি হৈছে প্ৰজা পতি। ল'ৰা -ছোৱালীৰ মাক-দেউতাকে যা-যোগাৰ কৰাৰ পাছত বিয়াৰ প্ৰস্তাৱ দিয়ে। এই প্ৰস্তাৱ দিয়া নিয়মকৈ 'যথাংখাবা' বোলে। এই প্ৰস্তাৱৰ পিছত দৰাঘৰৰ পৰা কন্যা ঘৰলৈ তিনি বাৰলৈ মিঠাই আৰু মাংস পঠিয়ায়। ইয়াক তেওঁলোকে হেইজাপত বোলে। বিয়াৰ দিনা দৰাই ছোৱালী ঘৰলৈ যায়। বিয়াত দৰা কন্যা একলেগে বহে আৰু পুৰোহিত লগে লগে মন্ত্ৰ পাঠ কৰে। তাৰ পাছত সপ্ত প্ৰদক্ষিণ অৰ্থাৎ কন্যাই দৰাৰ চাৰিওফালে সাত পাক ঘূৰে আৰু দৰাৰ গাত ফুল ছটিয়ায়। তাৰ পাছত তেওঁলোকে উভয়ে উভয়কে মাল্য প্ৰদান কৰে। লগুণ পুঁথি দিয়াৰ পাছত তেওঁলোকক ৰান্ধনী ঘৰলৈ লৈ যোৱা হয়। ৰান্ধনী ঘৰত।



দৰা-কন্যা দুয়ো বহে আৰু পৰস্পৰে পৰস্পৰক মিঠাই খুৱায়। খোৱা-বোৱা পৰ্ব হোৱাৰ পাছত ছোৱালী দোলাত তুলি দৰা ঘৰলৈ নিয়ে।

উৎসৱ পাৰ্বণ ঃ- মণিপুৰী সকল উৎসৱ সমূহৰ ভিতৰত হোলী আৰু বসন্ত উৎসৱ হ'ল অন্যতম। মণিপুৰী সকলৰ এটা ধৰ্ম সম্বন্ধীয় উৎসৱ হৈছে – লাইহাৰাওবা। এই উৎসৱত পুৰোহিতৰ পিছে পিছে মতা-মাইকী সকলোৱে আগৰ দিনীয়া নাচৰ পোছাক পিন্ধি ঘূৰি ঘূৰি নাচে। মহিলাসকলে হাতৰ ফল-মূল বেদীত উছৰ্গা কৰে।

তেওঁলোকৰ আন এটা উৎসৱ হ'ল 'চইৰওবা' এই উৎসৱ সৰগ পূজাৰ লগত সমন্ধ থকা বুলি কয়। এই উৎসৱ অসমীয়া বহাগ মাহৰ আৰম্ভৰ লগে লগে আৰম্ভ হয়। এই উৎসৱ 'চেমামেহি' অৰ্থাৎ জগতৰ শাসনকৰ্তাক সন্মান জনাবৰ কাৰণে পালন কৰে। এই উৎসৱৰ দিনত তেওঁলোকে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে আৰু নতুন কাপোৰ-কানি পিন্ধে আৰু পুৰণা মাটিৰ পত্ৰবিলাক পেলাই দিয়ে। সেইদিনা তেওঁলোকে আলহি অতিথি নোসোধে। এই দিনতো তেওঁলোকে চাহিটাবা অৰ্থাৎ গোটেই বছৰটোৰ পাপৰ ভাৰ লবৰ কাৰণে এজন মানুহে তেওঁলোকৰ মাজৰ পৰা বাছি লয়। এই মানুহ জনৰ ভাগ্যৰ ওপৰতে গোটেই জাতিটোৰ সেই বছৰৰ ভাগ্য নিৰ্ভৰ কৰে। সেইদিনা নতুন আৰু পুৰণি দুয়োজন 'চাহিটাবাই' লগ লাগে আৰু পুৰণি জনে নতুন জনক কাৰ্য্যভাৰ অৰ্পণ কৰে। এনেদৰে এই উৎসৱৰ সামৰণি পৰে।

এয়াই হ'ল প্ৰকৃতিৰ সকলো সৌন্দৰ্যৰে ৰহন সনা মণিপুৰ । য'ত আছে প্ৰকৃতিৰ সেউজীয়া পাহাৰ, নীলা হ্ৰদ আৰু বিলবোৰত বনৰীয়া ৰাজহাঁহ, বনৰীয়া হাঁহ। নীলা সেউজীয়া ৰঙেৰে ব'দত জিলিকা পাহাৰৰ ওপৰত শুকুলা মেঘে পিন্ধোৱা কিৰিটি। বিভিন্ন ৰঙৰ গোলাপ আৰু জবা ফুলেৰে শুৱনী কৰা মণিপুৰী ঘৰৰ শুৱনী চোতাল। যাৰ সৌন্দৰ্যত বিভোৰ হৈ মন হাঁহ পাখী মেলি উৰি যায় লোকটোক হ্ৰদৰ পাৰলৈ ....

**বি.দ্ৰ.ঃ শ্ৰী মানবেন্দ্ৰনাথ ফুকনৰ প্ৰবন্ধৰ আলম লৈ।**



# জলবায়ু পৰিৱৰ্তন আৰু সামাজিক সমস্যা



অনুপৰ্ণা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ

বৰ্তমান পৃথিৱীপৃষ্ঠৰ জীৱজগতৰ ঘাই সমস্যা হৈছে গোলকীয় উত্তাপ বৃদ্ধি। জলবায়ু পৰিৱৰ্তনে বিশেষকৈ গোলকীয় উত্তাপ জীৱ-জগতৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। উদ্ভিদৰ আকাৰ-প্ৰকাৰ আৰু ভৌগলিক বিতৰণ জলবায়ুৰ ওপৰত পোনে পোনে নিৰ্ভৰশীল। উত্তাপ বৃদ্ধিয়ে প্ৰাকৃতিক উদ্ভিদৰ লগতে কৃষিক্ষেত্ৰ আৰু শস্যকো প্ৰভাৱিত কৰে। ভূমিক্ষয়, মৰুকৰণ, খৰাং আদি প্ৰক্ৰিয়া বা পৰিঘটনাই ভূ-পৃষ্ঠৰ বহু অংশৰ উৎপাদিকা শক্তি হ্ৰাস কৰিছে। যিবোৰ পৰিৱেশিক সমস্যাই মানুহৰ সমুখত প্ৰবল প্ৰত্যাহ্বান ৰূপে থিয় দিব বা ইতিমধ্যে দিছে, সেইবোৰৰ ভিতৰত ভূমিৰ অৱনতি (Land degardation) অন্যতম। ভূমিৰ অৱনতিৰ উত্তাপ বৃদ্ধিৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে।

জনসংখ্যাৰ দ্ৰুত বৃদ্ধি আৰু আনহাতে জলবায়ুৰ কৃষিৰ প্ৰতিকূল পৰিবৰ্তন ঘটাত বিশ্বজুৰি অদূৰ ভৱিষ্যতে খাদ্য সংকটৰ সৃষ্টি হ'ব পাৰে। বিশ্বজুৰি জলবায়ুৰ অনিশ্চয়তা বিশেষকৈ ঠায়ে ঠায়ে সংঘটিত বতৰৰ চৰম অৱস্থাই (খৰাং আৰু অতিবৃষ্টি) তৃতীয় বিশ্বৰ পেলাই খাদ্য সংকট গভীৰ কৰি তুলিছে।

অতি পৰিতাপৰ কথা যে পৃথিৱীৰ বেছিভাগ পাৰিৱেশিক সমস্যাৰ গুৰিতে আছে মানুহ আৰু মানুহেই সেইবোৰৰ কুফল ভুগিবলৈ লৈছে। জলবায়ুৰ পৰিবৰ্তন আৰু তৎজনিত মৰুকৰণ আদি প্ৰক্ৰিয়াই ইতিমধ্যে পৃথিৱীৰ প্ৰান্তীয় এলেকাবোৰৰ নিবাসীসকলৰ ওপৰত নেতিবাচক প্ৰভাব পেলাইছে। মৰুকৰণে মাটিৰ গঠন সলনি কৰে, পানীৰ ভয়ংকৰ অভাৱ ঘটায় আৰু জৈৱ-বৈচিত্ৰ্য সংকুচিত কৰে। ই কৃষি আৰু সেইহে মানুহক অন্য ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰে। কুৰি শতিকাৰ ত্ৰিছৰ দশকত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ মধ্য-পশ্চিম অঞ্চলত সংঘটিত তীব্ৰ খৰাং আৰু সত্তৰৰ দশকত আফ্ৰিকাৰ ছাহাৰা মৰুভূমিৰ দক্ষিণৰ ছাহেল অঞ্চলৰ উদ্ভৱ হোৱা দুৰ্য্যোগৰ কথা এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য । এই দুৰ্যোগে দুয়োটা অঞ্চলৰ পৰা বহু লোকক প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰাইছিল।

জলবায়ু পৰিবৰ্তনৰ সবাতোকৈ ভয়াবহ প্ৰতিশ্ৰুতি হৈছে মেৰু অঞ্চল আৰু উচ্চ পাৰ্বত্য অঞ্চলত যুগ যুগ ধৰি সঞ্চিত হৈ থকা বৰফস্তুপৰ গলন ক্ৰিয়া ইতিমধ্যে এণ্টাৰকৰ্টিকা, গ্ৰীণলেণ্ড, আলাস্কা আৰু উত্তৰ মেৰু অঞ্চলৰ অন্যান্য ঠাইত পুঞ্জীভূত বৰফস্তুপৰ বহু অংশ এই গলন ক্ৰিয়াৰ কবলত পৰিছে। মধ্য এছিয়াৰ উচ্চ পাৰ্বত্য অঞ্চলত





থকা হিমবাহবোৰত গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত গলন ক্ৰিয়া চলিছে আৰু অহা কেইদিনমানৰ ভিতৰত অঞ্চলটোত হিমবাহৰ অস্তিত্বই বিলুপ্তি হ'ব পাৰে। এই অঞ্চলৰ পৰা প্ৰবাহিত গংগা, সিন্ধু, ব্ৰহ্মপুত্ৰ, চালউইন, মেকং, ইয়াংজি, হোৱাংহো আদি নদীবোৰে নিজৰ নিজৰ অৱবাহিকাত যি ধৰণৰ ভূমিকা পালন কৰি আছে হিববাহবোৰ সংকুচিত হৈ আহিলে তাৰ দ্ৰুত পৰিৱৰ্তন ঘটিব আৰু অৱবাহিকাবোৰৰ বাসিন্দাসকল ভয়াবহ পানীৰ নাটনিৰ সন্মুখীন হ'ব আৰু তাৰদ্বাৰা পোনে পোনে নৈপৰীয়া কৃষি, খোৱাপানীৰ যোগান, মাছ-পুঠিৰ উৎপাদন বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ব আৰু এইবোৰৰ ওপৰত নিৰ্ভৰশীল নিযুত মানুহৰ জীৱন বিপন্ন হৈ পৰিব।





গোলকীয় উত্তাপ বৃদ্ধিৰ অন্যতম ভয়াবহ প্ৰতিশ্ৰুতি হৈছে সাগৰপৃষ্ঠৰ উত্থান উপকূলীয় অঞ্চলৰ নিমজ্জল (Submergence) আৰু বানপানীৰ সৃষ্টি। উত্তাপ বৃদ্ধিৰ হাৰৰ লগত বৰফৰ গলনক্ৰিয়া আৰু সাগৰপৃষ্ঠৰ উত্থান পোনপতীয়াকৈ জড়িত। সাগৰপৃষ্ঠ যদি বৰ্তমানৰ উচ্চতাতকৈ এক মিটাৰ ওপৰলৈ উঠে, তেতিয়া হ'লে পৃথিৱীৰ উপকূলভাগৰ প্ৰায় ৫ নিযুত বৰ্গ কিল'মিটাৰ পৰিমাণৰ ভূমি জলমগ্ন হৈ পৰিব।

জলবায়ুৰ পৰিবৰ্তনে জনস্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পেলাইছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ (Institute of Medicines ( IOM) অৰ তৰফৰপৰা প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। এটা নতুন ৰোগৰ ছিটাৰ লগতে চিকিৎসা ব্যৱস্থা উলিওৱাৰ পাছতেই অন্য নতুন ৰোগৰ উদ্ৰেক ঘটি মানুহক আতংকিত কৰি তোলে। West Nile Virus, Avian flu, Ebala hemorrhagic fever, SARS আৰু Swine Flu আদি এই ধৰণৰ সংক্ৰামক ৰোগ। এইবোৰ ৰোগ বহুতো কাৰকৰ সমন্বিত ক্ৰিয়াৰ ফল। এনে কাৰকবোৰৰ ভিতৰত জলবায়ুৰ পৰিবৰ্তন জনসংখ্যাৰ বৃদ্ধি আৰু জীৱ-জন্তুৰপৰা উৎপন্ন আহাৰৰ চাহিদাই প্ৰধান। বননি ধ্বংস কাৰ্যও বন্যপ্ৰাণীৰপৰা পোহনীয়া জীৱ-জন্তুলৈ আৰু শেহত মানুহৰ মাজলৈ কিছুমান ৰোগৰ সংক্ৰমণ ঘটাত সহায় কৰিছে। আনহাতে খাদ্য হিচাপে মাংসৰ চাহিদা বৃদ্ধি হোৱাৰ ফলতো প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰোগৰ মাত্ৰা বাঢ়িছে। পশুপালন কাৰ্যই মুঠ সেউজগৃহ গেছ নিৰ্গমণৰ প্ৰায় ১৮ শতাংশ নিৰূপণ কৰে দুটা প্ৰক্ৰিয়াৰে। তাৰে এটা হৈছে পশুপালনৰ উদ্দেশ্যে বননি-ঘাঁহনি ধ্বংস কৰা আৰু আনটো হৈছে ইয়াৰ যোগেদি মিথেন আৰু নাইট্ৰাছ-অক্সাইড সৃষ্টি কৰা। গোলকীয় উত্তাপ বৃদ্ধিৰ যি ধাৰা সেয়া অব্যাহত থাকিলে মানুহ আৰু প্ৰকৃতিৰ মাজৰ প্ৰচলিত সম্পৰ্কৰ ব্যাপক পৰিবৰ্তন ঘটিব। ক্ৰমবিকাশৰ মাজেদি মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কই পৃথিৱীক আজি যি ৰূপ প্ৰদান কৰিছে তাৰ আমুল পৰিৱৰ্তন ঘটিব। এনে পৰিৱৰ্তনে সমাজলৈ কি ধৰণৰ সমস্যা আৰু সম্ভাৱনা কঢ়িয়াই আনিব, সেইটো এটা গভীৰ আৰু বিস্তৃত অধ্যয়নৰ বিষয়। ▭



## সুস্থ চৰকাৰ গঠনত

# দেশৰ শিক্ষা পদ্ধতিৰ আৱশ্যকতা

**যুথিকা বৰগোঁহাই**
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰত্যেক স্বাধীন গণতান্ত্ৰিক ৰাষ্ট্ৰতে এখন চৰকাৰ থাকে। চৰকাৰৰ গুণাগুণৰ ওপৰত দেশৰ শাসন ব্যৱস্থা নিৰ্ভৰ কৰে। আকৌ এখন সুস্থ চৰকাৰ নিৰ্ভৰ কৰে নাগৰিক তথা জনসাধাৰণৰ নিৰ্বাচিত প্ৰতিনিধিৰ দক্ষতাৰ ওপৰত। সেয়েহে প্ৰতিনিধি নিৰ্বাচন কৰা জনসাধাৰণ হ'ব লাগিব শিক্ষিত আৰু ৰাজনৈতিকভাৱে সচেতন। শিক্ষা হ'ল গণতন্ত্ৰৰ কৃতকাৰ্যতাৰ পূৰ্বচৰ্ত। বিখ্যাত ৰাজনৈতিক প্ৰৱক্তা জন ৱাৰ্টচ মিলে কৈছিল, “গণতন্ত্ৰত সাৰ্বজনীন ভোটাধিকাৰতকৈ সাৰ্বজনীন শিক্ষাহে আগতে সু-নিশ্চিত কৰিব লাগে। কিন্তু ভাৰতবৰ্ষৰ দৰে দেশত বুজন সংখ্যক নাগৰিক নিৰক্ষৰ কাৰণে তেওঁলোকৰ সজ্ঞানতাৰ ফলত প্ৰতিনিধি নিৰ্বাচন কৰোঁতে কৰা ভুলৰ বাবে ভাৰতত প্ৰশাসনীয় দুনীৰ্তি ইমানেই বেছি যে ই বিশ্বৰ দুনীৰ্তিগ্ৰস্থ ৰাষ্ট্ৰ সমূহৰ তালিকাত শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

শিক্ষা হৈছে বিৱৰ্তনৰ এক শক্তিশালী উপাদান তাৰ হাতত ধৰি সমাজ উত্তৰণৰ দিশত আগবাঢ়ে। সেয়েহে এখন সন্তোলিত শিক্ষা আঁচনি হাতত লোৱা বাবে, এই আঁচনিয়ে সমাজখনৰ মানৱ সম্পদৰ বিকাশত যথোচিত ব্যৱস্থা ল'ব পাৰে। যোৱা দুটা দশকত ৰাজনৈতিক গ্ৰহে গোটেই শিক্ষা ব্যৱস্থাটোৰেই বলিৰ প্ৰথা সজাইছে। নিৰ্বাচনত জড়িত হোৱাৰ পাছত দলীয় কৰ্মীক সন্তুষ্ট কৰিবলৈ গৈ শাসনাধিস্থ দলে যোগ্যতাৰ অবিহনেও শিক্ষকতাৰ দৰে মহান বৃত্তিত বহুতো অযোগ্য লোকক যধে-মধে নিযুক্তি দিয়াৰ ফলত গোটেই শিক্ষা ব্যৱস্থাটোৰেই কলুষিত হৈ পৰিছে।

শিক্ষাৰ্থীসকলে জন্মৰ লগতে সুপ্ত অৱস্থাত নানা আশা আকাংখ্যা ৰুচি-অভিৰুচি আৰু পৰিকল্পনা লৈ আহে। এই অন্তনিৰ্হিত সম্ভাৱনীয়তা কেৱল মাত্ৰ শিক্ষাৰ দ্বাৰাহে বিকশিত হ'ব পাৰে। অৰ্থাৎ কণ কণ শিশু সকলক সু-শিক্ষাৰ জৰিয়তহে এজন সুদক্ষ ব্যক্তিলৈ ৰূপান্তৰিত হ'ব পাৰে। কিন্তু, অসম তথা ভাৰতবৰ্ষত প্ৰচলিত শিক্ষা ব্যৱস্থাই দেশৰ শান্তি-সম্প্ৰীতি ভাতৃত্ববোধ আদিৰ প্ৰগতি সাধন কৰাৰ বিপৰীতে বিয়পাইছে ৰাজনৈতিক উশৃংখলতা, অৰ্থনৈতিক বৈষম্য, সামৰিক বিভেদৰ বীজ। গতিকে সস্থ শিক্ষা ব্যৱস্থাইহে এখন দেশৰ ঐক্য, শান্তি, প্ৰগতিৰ এখন চৰকাৰ গঠন কৰিব পাৰে। তাৰোপৰি প্ৰচলিত শিক্ষা ব্যৱস্থাইহে মানসিক উৎকৰ্ষ সাধন আৰু বৌদ্ধিক বিকাশ ঘটায়। বিশেষকৈ ভাৰতৰ দৰে ভৌগলিক বৈচিত্ৰতাপূৰ্ণ দেশ এখনৰ সুস্থ সুচল সবল শিক্ষা ব্যৱস্থাইহে ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক উন্নয়নত অৰিহণা যোগাব পাৰে। বৰ্তমান শিক্ষা ব্যৱস্থাটোৰ দুৰৱস্থা স্থবিৰতা ইয়াৰ প্ৰয়োগ আৰু পৰিচালনাত থকা ভূ-ত্ৰুটিবোৰ অধ্যয়ন কৰি ইয়াক সংশোধন কৰাটো নিতান্তই আৱশ্যক। যুগৰ লগত খাপ খুৱাকৈ শিক্ষা পদ্ধতি পুনৰ নিৰ্মাণ আৰু সংস্কাৰ কৰিলেহে দেশ এখন সু নাগৰিকৰ ৰাষ্ট্ৰ পাব বুলি সঁচা অৰ্থত আশা কৰিব পাৰি। এই সু-নাগৰিক সকলেই যদি দেশৰ শাসনবাৰ গ্ৰহণ কৰিব পাৰে তেন্তে আমাৰ দেশ ভাৰতবৰ্ষ হ'ব বিশ্বৰ উন্নত দেশ সমূহৰ মাজত এখন। তাৰোপৰি সমাজখন হ'ব সকলোৰে গ্ৰহণীয়। শিক্ষা ব্যৱস্থা হ'ব উচ্চ খাপৰ। ঠিক এইদৰে আমাৰ দেশ উন্নতিৰ পথত ধাবমান হ'ব। সেইদৰে চৰকাৰখনো এখন সবল চৰকাৰ ৰূপে পৰিগণিত হ'ব আৰু ভাৰতবৰ্ষ হৈ পৰিব এখন দুনীৰ্তিমুক্ত ৰাষ্ট্ৰ। গতিকে দেখা যায় যে সুস্থ চৰকাৰ গঠনত শিক্ষা ব্যৱস্থা তথা বৰ্তমান উঠি অহা যুৱ শক্তিৰ প্ৰভাৱ অপৰিহাৰ্য। ⍓

# কেইটিমান সভ্যতাৰ চমু আভাস

**অলিমণি দেৱী**
স্নাতক দ্বিতীয় বৰ্ষ



সভ্যতাৰ অভিধানিক অৰ্থ হ'ল কোনো জাতি, দেশ বা যুগৰ উন্নত বা বিকাশপ্ৰাপ্ত জীৱন-যাপনৰ পদ্ধতি। বুদ্ধি আৰু মানৱিকভাৱে প্ৰলেপেৰে যিদিনাই আধা পশুৰপৰা মানুহ হ'বলৈ চেষ্টা কৰিবলৈ আৰম্ভ কৰিলে সভ্যতাৰ জন্মও তেতিয়াই হ'ল। অৰ্থাৎ, আৰম্ভ হ'ল মানুহৰ নিজকে সংস্কাৰ কৰাৰ প্ৰয়াস। যীশুখ্ৰীষ্টৰ জন্মৰ ছয়-সাত হাজাৰ বছৰৰ আগেয়ে ইউফ্ৰেটিছ আৰু টাইগ্ৰীছ নদীৰ মধ্যৱৰ্তী অঞ্চলত মানৰ সভ্যতাৰ প্ৰথম পুৰাৰ উন্মেষ হয়। এই অঞ্চলৰ নাম মেছোপটেমিয়া। ইয়াতেই অক্কাডীয় আৰু ছুমেৰীয় নামৰ দুটা সভ্য জাতিৰ উদ্ভৱ হয়। অৱশ্যে মানুহৰ সভ্যতা কেৱল মেছোপটেমিয়াতেই আবদ্ধ হৈ নাথাকিল। সময়ৰ লগে লগে সিন্ধু নদীক কেন্দ্ৰ কৰি ভাৰতত, হোৱাংহোক কেন্দ্ৰ কৰি চীনত, এছিয়ান সাগৰৰ ক্ৰীট দ্বীপত আৰু মধ্য আমেৰিকাত একো একোটি উন্নত সভ্যতাই গা কৰি উঠিল। এই প্ৰাচীন সভ্যতাসমূহ একে দল বা একে জাতিৰ মানুহে, সৃষ্টি কৰা নাছিল। বিভিন্ন ঠাইত, বিভিন্ন মানুহে, বিচ্ছিন্নভাৱে এই সভ্যতাসমূহৰ জন্ম দিছিল। তলত এই প্ৰাচীন সভ্যতাসমূহৰ কেইটামান সভ্যতাৰ বিষয়ে চমুকৈ বিৱৰণ দিয়া হ'ল—

**(ক) মেছোপটেমিয়াৰ ছুমেৰীয় সভ্যতা ঃ-**

টাইগ্ৰীছ আৰু ইউফ্ৰেটিছ নদীৰ পাৰৰ এই সভ্যতা প্ৰায় ৬০০০ বছৰৰ পুৰণি। খ্ৰীষ্টপূৰ্ব ৩৫০০ মানৰ পৰা একসভ্য জাতিৰ মানুহে এই অঞ্চলত বসবাস কৰিবলৈ লয়। তেওঁলোকক ছুমেৰীয় বুলি জনা যায় আৰু তেওঁলোকে গঢ় দিয়া সভ্যতাক ছুমেৰীয়া সভ্যতা বুলি কোৱা হয়। খ্ৰীষ্টপূৰ্ব ৩১০০ ৰপৰা ২১০০ ৰ ভিতৰত ছুমেৰীয়সকলৰ সভ্যতাই উন্নতিৰ শিখৰ পাইছিলগৈ। কিন্তু খ্ৰীষ্টপূৰ্ব ২০০০মানত বাহিৰা শত্ৰুৱে ছুমেৰীয় ৰজা উৰক পৰাস্ত কৰে আৰু ছুমেৰীয় সভ্যতা ক্ৰমে লোপ পায়।

ছুমেৰীয়াসকলে পোন-প্ৰথমে লিপি আৰু চিন ব্যৱহাৰ কৰিছিল। তেওঁলোকে মাটিৰ বাচন সাজিছিল, ধাতুৰ ওপৰত কাৰুকাৰ্য কৰিছিল। ঘৰৰ সন্মুখত বাটচ'ৰা সাজিছিল। তেওঁলোকে খাগৰিৰ কলম ব্যৱহাৰ কৰিছিল। ইটাৰে ঘৰ সাজিব জানিছিল, মাটিৰ চকা সাজিছিল। জ্ঞান-বিজ্ঞানৰ চৰ্চাতো ছুমেৰীয়াসকল বৰ আগবঢ়া আছিল। তেওঁলোকে সংখ্যাৰ লিখা দশমিক পদ্ধতি ব্যৱহাৰ কৰিছিল, সময় আৰু বৃত্তকোণ জুখিবলৈ ৬০ক একক হিচাপে ধৰিছিল, চান্দ্ৰমাহৰ ওপৰত ভিত্তি কৰি কেলেণ্ডাৰ তৈয়াৰ কৰিছিল।

**(খ) সিন্ধু উপত্যকাৰ সভ্যতা ঃ**

ভাৰতীয় উপমহাদেশৰ উত্তৰ পশ্চিমাঞ্চলত প্ৰধানকৈ সিন্ধু নদীক কেন্দ্ৰ কৰি এই সুপ্ৰাচীন সভ্যতা গঢ়ি উঠিছিল। কোনো কোনো ঐতিহাসিকে এই সভ্যতা খ্ৰীষ্টপূৰ্ব ৪০০০বছৰ মানৰ পুৰণি বুলি ক'ব খুজিলেও, অধিক সংখ্যকৰ মতে সিন্ধু সভ্যতাৰ যুগ খ্ৰীষ্টপূৰ্ব ৩০০০ মানৰ পৰা খ্ৰীষ্টপূৰ্ব ১৫০০ মানৰ ভিতৰত। পঞ্জাবৰ মহেঞ্জোদাৰো। সিন্ধুৰ হৰপ্পা, লোফালে, কালিবামগান আদি চহৰত সিন্ধু সভ্যতা দেখিবলৈ পোৱা যায়।

সিন্ধু উপত্যকাৰ মানুহে ইটাৰে ঘৰ সাজিছিল। চহৰবোৰত সুপৰিকল্পিতভাৱে ব্লক হিচাপত ঘৰ নিৰ্মাণ কৰা হৈছিল। ৰাস্তাবোৰ সমকোণত ছেদ কৰিছিল। চহৰবোৰত শস্যৰ এ...িক ডাঙৰ ভঁৰাল আছিল। কৃষকসকলে গ্ৰাম্যঞ্চলত গম, বাৰ্লি, মাহ, কপাহৰ খেতি

কৰিছিল। তেওঁলোকে বলদৰে হাল বাইছিল, কাঠৰ নাঙলেৰে মাটি চহাইছিল। তেওঁলোকে তাম আৰু ব্ৰঞ্জেৰে মূৰ্তি সজাৰ উপৰি দা-কুঠাৰ, যাঠী আদি তৈয়াৰ কৰিছিল। নাওঁ আৰু চকাযুক্ত গৰুগাড়ী আছিল যাতায়তৰ ঘাই মাধ্যম। এই সভ্যতা প্ৰধানকৈ ব্যৱসায়-বাণিজ্যকেন্দ্ৰিক আছিল। প্ৰাকৃতিক দুৰ্যোগ, মৰুভূমিলৈ ৰূপান্তৰ আদি কাৰণত সিন্ধু সভ্যতা ক্ৰমে ধ্বংস হৈ পৰে।

### (গ) মায়া সভ্যতা ঃ-

আমেৰিকাৰ প্ৰাচীন কেইবাটাও সভ্যতাৰ উত্থান পতন হৈ পৰৱৰ্তী কালত মেক্সিকো মালভূমি অঞ্চলত মায়া সভ্যতাৰ বিকাশ হয়। খ্ৰীষ্টপূৰ্ব ১২০০ ৰ পৰা ৩০০ খ্ৰীষ্টাব্দলৈকে বিস্তৃত এই সভ্যতাই গুৱাটেমালা, হণ্ডুৰাছ, যুকাটানা আদি মধ্য আমেৰিকাৰ এক বৃহৎ এলেকা সামৰি লৈছিল। বণ্ডুৰাছ আৰু অন্যান্য অঞ্চলত, এই সভ্যতাৰ কীৰ্তিচিহ্ন স্বৰূপে কিছুমান শৈল ভাস্কৰ্য আৰু চিত্ৰাক্ষৰ খোদিত শৈলখণ্ড আৱিষ্কৃত হৈছিল।

মায়া সভ্যতা আছিল কৃষিপ্ৰধান। ঋতুৰ সঠিক জ্ঞানৰ বাবে তেওঁলোকে কেলেণ্ডাৰ প্ৰস্তুত কৰি উলিয়াইছিল। এওঁলোকে ২০ দিনত এমাহ হিচাপে ধৰি ১৮ মাহেৰে এটা বছৰ সম্পূৰ্ণ কৰিছিল। অৰ্থাৎ এবছৰত ৩৬০ দিন হৈছিল। মায়া সভ্যতাৰ মানুহে দেৱ-দেৱীৰ পূজা কৰিছিল। তেওঁলোকে দেৱতাৰ পূজাত বলি-বিধানৰ প্ৰচলন কৰিছিল। মায়া জাতিৰ প্ৰধান খাদ্য আছিল মাকৈ। অন্যান্য খাদ্যবস্তুৰ ভিতৰত আলু, উৰহী, অমিতা, জলকীয়া আদিয়েই প্ৰধান। কোনো এখন সাম্ৰাজ্যৰ অন্তৰ্গত নোহোৱাকৈ বিভিন্ন চহৰত বিকশিত হোৱা এই সভ্যতাৰ, মহামাৰী আৰু দুৰ্ভিক্ষৰ ফলতেই পতন হৈছিল বুলি ধাৰণা কৰা হৈছে।

### (ঘ) চীনা সভ্যতাঃ

চীনত বহু নিযুত বছৰ আগৰে পৰা মানুহে বসবাস কৰাৰ প্ৰমাণ পোৱা যায়। হোৱাংহো আৰু আন নদীবোৰৰ পাৰত ৫,০০০ বছৰ আগতেই চীনা কৃষকে খেতি-বাতি কৰিছিল। ইতিহাস আৰু পৰম্পৰাগত কাহিনীৰ পৰা জনা যায় যে চীনৰ প্ৰথম শাসক পৰিয়াল আছিল ছিয়া (Hsia) পৰিয়াল।



খ্ৰীষ্টপূৰ্ব ১৫০০ মানৰ পৰা ছাং (Shang) বংশৰ ৰজাসকলে হোৱাংহো উপত্যকাত ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পাচত ঝাউ (Zhou) বংশীয় ৰজাসকলে চীন শাসন কৰে। খ্ৰীষ্টপূৰ্ব ২২ৰ - ত ছিহ হুয়াং- ডি ( Shi Huang-Di) চীনৰ সম্ৰাট হয় আৰু তেওঁৰেই বিখ্যাত চীনৰ প্ৰাচীৰ নিৰ্মাৰ্ণৰ কাম আৰম্ভ কৰে। চীনাসকল লিপি আৰু লিখাৰ ক্ষেত্ৰতো যথেষ্ট আগবঢ়া আছিল। চীনতে প্ৰথম কাগজ তৈয়াৰ কৰা হৈছিল।

### (ঙ) ৰোমান সভ্যতা ঃ

ৰোমান সভ্যতা মূলতঃ ৰোমক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। খ্ৰীষ্টপূৰ্ব এহাজাৰমানত টাইবাৰ নদীৰ দক্ষিণত ৰোম নগৰ স্থাপন কৰা হৈছিল বুলি ধাৰণা কৰা হয়। এই অঞ্চলত বসবাস কৰা মানুহবোৰক ৰোমান নামেৰে জনা গৈছিল। তেওঁলোকৰ ভাষা আছিল লেটিন। ৰোমান সকলে পোৰা ইটা, কাঠেৰে ঘৰ সাজিছিল। অভিজাত আৰু ধনী বণিক শ্ৰেণীয়ে বহল ঠাইত ডাঙৰ প্ৰাসাদৰ দৰে ঘৰ সাজি লৈছিল। তেওঁলোকৰ মাজত দাস প্ৰথাৰ প্ৰচলন আছিল।

ৰোমান নগৰবোৰ আছিল সুপৰিকল্পিত। দীঘল ৰাস্তাবোৰে নগৰখনক কেইটামান ব্লকত ভাগ কৰিছিল। এই ব্লকবোৰক ইনছুলা ( Ensula, অৰ্থ ঃ দ্বীপ) বোলা হৈছিল। ৰোমানসকলৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হ'ল আইনৰ বিধি ব্যৱস্থা আৰু প্ৰশাসনীয় নীতি। আন এক গুৰুত্বপূৰ্ণ অৱদান হ'ল ৰোমান কেলেণ্ডাৰ। ৰোমানসকলে ৰমুলাছ, ৰেমুছ আদি দেৱতাক পূজা কৰিছিল। ⍓

# অসমৰ লোকবিশ্বাস


## মিতালী শইকীয়া

স্নাতক তৃতীয় বৰ্ষ




কোনো এটা জাতিৰ মাজত প্ৰচলিত লোকবিশ্বাসসমূহ প্ৰথমে অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল যদিও পৰৱৰ্ত্তী সময়ত এই লোকবিশ্বাসৰ মাজেদিয়ে জাতিটোৰ মানসিকতা, ৰুচি অভিৰুচি তথা জাতীয় সংস্কৃতিৰ স্বৰূপ প্ৰকাশিত হয়।

প্ৰাচীন কালৰেপৰা অসমীয়া সমাজতো বিবন্ন ধৰণৰ অন্ধবিশ্বাস, লোকবিশ্বাসৰ প্ৰচলন হৈ আহিছে। আই এই বিলাকে অসমীয়া সমাজখনৰ সভ্যতাৰ ধৰ্ম-বিশ্বাস, যখ-যখিনী, ভূত-প্ৰেত, পিশাচ, বুঢ়া ডাঙৰীয়া আদিৰ বিশ্বাস প্ৰচলিত হৈ আহিছে। উল্লেখনীয় যে গছ পাহাৰ-পৰ্বত, নদ-নদীৰ পূজাও আমাৰ সমাজত প্ৰচলন আছে। অসমত বাস কৰা অন্যান্য জনগোষ্ঠীসমূহ নিজ নিজ সমাজ ব্যৱস্থা অনুসৰি বিভিন্ন বিশ্বাস মানি চলে।

অসমীয়া সমাজত অশৰীৰি দেৱ-দেৱীক বিশ্বাস কৰাৰ লগতে জড় বস্তুকো কোনো কোনোৱে দেৱতাৰ প্ৰতীক ৰূপে বিশ্বাস কৰি পূজা অৰ্চনা কৰিছিল। উদাহৰণস্বৰূপে অসমীয়া লোকে শিলক পৱিত্ৰ জ্ঞান কৰি পূজা-অৰ্চনা কৰাৰ কথা ক'ব পাৰো। অসমীয়া সমাজত সন্তান জন্ম হ'লে বাজ ওলোৱা অনুষ্ঠানত পটাগুটি যুঁজোৱা হয়। বিশ্বাস অনুসৰি পটাগুটি যুঁজালে সন্তান অধিক কাৰ্যক্ষম হয়। সেইদৰে আঘোণমহীয়া নধানৰ পতান অলপ তিনিমুঠি ন ধানৰ খেৰেৰে পদুলিমুখত শিলগুটি এটাৰে পতানী দেৱীক পূজা আগবঢ়োৱা হয়। মৰা শ খৰি দি বাহিৰে বাহিৰে গাধুই চোতালৰ মূৰৰ জুই একোৰাত ভৰি দুখন সেকি শিল চেটাৰ ওপৰত ভৰি খোৱা হয়। অৰ্থাৎ শিলত ভৰি থোৱাৰ লগে লগে মৰাশৰ লগত থকা অশৌচ দূৰ হোৱা বুলি বিশ্বাস কৰা হয়। বহুতো জনজাতীয় লোকে মৃতকক পোতা ঠাইৰ ওপৰত থিয় শিল পোতে। অসমীয়া বিবাহ, মৃত্যু আৰু শপত খোৱা অনুষ্ঠানত শিলৰ ব্যৱহাৰ আছে। এই আচাৰ পদ্ধতি বিলাক অষ্ট্ৰিকসকলৰ পৰা অহা।

অসমীয়া সমাজত জীৱ-জন্তু সমন্ধীয়ও বহুতো লোকবিশ্বাসৰ প্ৰচলন আছে। প্ৰাচীন যুগৰে পৰা ইজিপ্ত আৰু ভাৰতৰ সকলোতে গৰুক সন্মান কৰি অহা হৈছে। অসমীয়া সমাজতো বিশেষকৈ গৰুক বিহুত শুশ্ৰূষা কৰা হয়। গৰুৰ গোবৰকো পৱিত্ৰ জ্ঞান কৰা হয়। আন পশুৰ ভিতৰত বহুবোৰে সম্প্ৰদায়ে বান্দৰৰ পূজাও কৰে। বিশ্বাস অনুসৰি বান্দৰ বধ কৰাতো পাপ। মেকুৰীৰ ভিতৰত কলা বৰণৰ মেকুৰীক ভূত-প্ৰেতৰ লগত সমন্ধ থকা জীৱ বুলি বিশ্বাস কৰা হয়। বহুতো ঘৰত মেকুৰীয়ে মেও মেও কৈ ঘুৰি ফুৰাটো অমঙ্গলৰ চিন বুলি বিশ্বাস কৰে। কিছুমান নগা সম্প্ৰদায়ৰ লোকে ক'লা মেকুৰী বধ কৰি পূজা কৰে। বহুতে আকৌ দুই শত্ৰুৰ মাজত পূৰ্বৰ সমন্ধ ঘূৰি আহিবৰ বাবেও মেকুৰী বলি দিয়ে।

সাপ আৰু জেঠীক লৈয়ো বহুবোৰ লোকবিশ্বাস অসমীয়া সমাজ ব্যৱস্থাত প্ৰচলন আছে। জেঠীক অদ্ভুত ৰহস্যময় জীৱন হিচাপে বিশ্বাস কৰা হয়। মানৱ শৰীৰত জেঠী পৰিলে শৰীৰৰ স্থান অনুসৰি বিভিন্ন ফলাফল পোৱা যায় বুলি বিশ্বাস প্ৰচলিত আছে। আনহাতে মণিপুৰী সকলৰ মাজত বিশ্বাস আছে যে তেওঁলোকৰ পূৰ্বপুৰুষে পৰিয়ালৰ মঙ্গলৰ অৰ্থে সাপ ৰূপে জন্ম গ্ৰহণ কৰে। মণিপুৰী সকলৰ পূৰ্বপুৰুষ এজন হ'ল পাখংবা। তেওঁলোকৰ বিশ্বাস যে, এ পাংখবাই মাজে সময়ে সৰ্পৰূপে দেখা দিয়ে। আনহাতে, ৰাজ সিংহাখনৰ তলত যিমান দিন পেখংবা থাকিব সিমান দিন ৰজা নিৰাপদে সিংহাসনত উপবিস্থ থাকিব বুলি বিশ্বাস কৰে। খাচীয়া,

চেমা, নগা, আও নগা, ৰাভা আদি জনগোষ্ঠীৰ মাজতো সাপৰ লগত জড়িত বহুতো বিশ্বাসৰ প্ৰচলন আছে। ৰাভাসকলে সৰ্পদেৱতাক সন্তুষ্ট কৰিবৰ বাবে বছৰি নৰবলি দিছিল।

চৰাই পখিলা, মৌ-মাখিৰ লগতো বহুতো লোকবিশ্বাস জড়িত হৈ আছে। চৰাইৰ ভিতৰত ফেঁচা আৰু কাউৰীৰ চিঞৰ-বাখৰ, গতিবিধি অনুযায়ী শুভ অশুভ দুয়োবিধ কাৰ্য ঘটে বুলি বিশ্বাস কৰা হয়। উদাহৰণস্বৰূপে, পুৱাৰ ভাগত কাউৰীয়ে মাতিলে আলহী অহাৰ বাতৰি দিয়ে। আনহাতে, ঘৰৰ চৌহদৰ ভিতৰত কাউৰীয়ে কোৰ্হাল কৰিলে অমঙ্গলৰ আগজাননী বুলি বিশ্বাস কৰা হয়। নগাসকলৰ মাজত পখিলা মৰাটো নিষিদ্ধ, কাৰণ নগাসকলৰ বিশ্বাস যে, পখিলা হ'ল মৃতকৰ আত্মা। অসমীয়া সমাজত হঠাৎ মৌ-মাখিবাহে ঘৰৰ ভিতৰত আহি প্ৰৱেশ কৰাটো সৌভাগ্যৰ লক্ষণ আৰু পোহনীয়া মৌ-মাখি এবাহে ঘৰ এৰিলে দুৰ্ভাগ্যৰ চিন বুলি বিশ্বাস কৰা হয়। ফেঁচাক লক্ষ্মীৰ বাহন স্বৰূপে গণ্য কৰিলেও ইয়াক কুলক্ষণীয়া চৰাই হিচাপেহে বহুতে বিশ্বাস কৰে। কাৰণ ফেঁচাই নিউ নিউ কৰিলে মানুহৰ মৃত্যু হয় বুলি বিশ্বাস কৰা হয়। ঘৰত ফেঁচা সোমোৱাটো অমঙ্গলজনক।

অসমীয়া আৰু জনজাতীয়সকলৰ মাজত বিশ্বাস যে, ধানৰ ভঁড়াল, পানী, ধন-সম্পত্তি আদি থোৱা ঠাইত ফেঁটী সাপে ৰখীয়া হৈ বাস কৰে আৰু সেইবাবে মাৰিব নাপায়। অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত বিশ্বাসবোৰ হ'ল -- যুৰীয়া ফেঁটী সাপে ধানৰ ভঁৰালৰ ৰখীয়া হৈ থাকে। এই ফেঁটীবোৰক মানুহে পৱিত্ৰ জ্ঞান কৰে। বিশ্বাস অনুযায়ী যুৰীয়া ফেঁটী সাপ থাকিলে ধান ভঁৰালৰ উন্নতি হয়। নামঘৰ, মন্দিৰ আদিত থকা সাপকো মানুহে পৱিত্ৰ জ্ঞান কৰে। বহুতো জনজাতিৰ মাজত বিশ্বাস আছে যে, গৰ্ভৱতী অৱস্থাত তিৰোতাই বা স্বামীয়ে সাপ-বেং মাৰিব নাপায়। যাত্ৰাপৰত সোঁহাতে সাপ দেখাতো অমঙ্গলৰ চিন। আনহাতে অসমীয়া সমাজত যোৰপতা সাপ দেখিলে প্ৰণয় আৰু কাজিয়াত সফলতা লাভ হয় বুলি বিশ্বাস। বহুতে যোৰাপতা সাপৰ গাত নতুন কাপোৰ এখন পেলাই দি সেই কাপোৰখন গাত ল'লে মঙ্গল হয় বুলিও বিশ্বাস কৰে। আকৌ সপোনত সাপ দেখিলে বন্ধুৰ লগত মনোমালিন্য হোৱাৰ পূৰ্বাভাস বুলি ও বিশ্বাস প্ৰচলিত আছে।

বিভিন্ন গছ-গছনিৰ লগতো বহুতো লোকবিশ্বাসৰ সম্পৰ্ক আছে। কিন্তু যুগৰ পৰিবৰ্ত্তনৰ লগে লগে গছবোৰত ভূত-প্ৰেত থকা বুলিও বিশ্বাস কৰিবলৈ ধৰে। হিন্দুসকলে পূজা কৰা গছসমূহৰ ভিতৰত বৰগছ, আঁহত গছ, কদম গছ, শিলিখা গছ, নিমগছ, সিজু গছ আদি উল্লেখযোগ্য। অসমত নিম গছৰ পাত ভূত খেদোৱাৰ দৰব হিচাপে ব্যৱহাৰ কৰা হয়। বড়ো কছাৰী আৰু নগা সকলৰ সমাজতো সিজু গছক লৈ বহুতো বিশ্বাস জড়িত হৈ আছে। অসমীয়া সমাজত বিশ্বাস যে ঘৰৰ মূধত সিজু গছ থাকিলে জুই, বৰষুণ আৰু ধুমুহাৰ পৰা ৰক্ষা পোৱা যায়। পথাৰৰ চাৰিসীমাত ৰোৱা সিজু গছ জোপাই কেৱল গৰু-মহৰ অত্যাচাৰৰ পৰা ধাননি পথাৰৰ বাৰী আদিকে ৰক্ষা কৰাৰ উপৰি ভূত-পিশাচৰ পৰাও ৰক্ষা কৰে বুলি জনমানসত বিশ্বাস । অসমীয়া বিশ্বাসমতে প্ৰসূতিৰ দুৱাৰমুখত সিজু গছ ৰোৱাটো নিয়ম। আমাৰ ব্যৱস্থাত আজিকালিও বিহলঙনিৰে জৰা ফুকা কৰি ভূত-পিশাচ খেদোৱাৰ জনবিশ্বাস প্ৰচলিত আছে। বাঁহ গছত ভূত থাকে বুলি বহুতে কয় আৰু সেইবাবে অমাবস্যা, একাদশী আৰু শনিবাৰে বাঁহ কটাটো আমাৰ সমাজত নিষেধ।

মাছ খোৱা বা ধৰা সন্দৰ্ভতো বহুতো লোকবিশ্বাস জড়িত হৈ থাকে। আমাৰ সমাজত মাছ ধৰিবলৈ যোৱাৰ আগমুহূৰ্ত্তত জাকৈ, জুলুকি, পল আদি বাচনিৰে কোবাই আৰু পানীত নমাৰ আগতে তিনিবাৰ সঁজুলি কেইবিধত থুৱাই লোৱা হয়। বড়ো সমাজত এটা বিশ্বাস আছে যে, মাছ মাৰোতে প্ৰথমে পোৱা মাছটোৰ ফিচাখন দাঁতেৰে কামুৰি ছিঙি পেলাব লাগে, কাৰণ তেতিয়া বোলে মাছ বেছিকৈ পায়। আনহাতে, প্ৰথম খেওতে গেদগেদী মাছ উঠাটো বেয়া। তদুপৰি আমাৰ সমাজৰ বিশ্বাস যে, সপোনত বগা মাছ দেখিলে ভাল আৰু ক'লা ৰঙৰ মাছ দেখিলে বেয়া। অসমীয়া সমাজৰ বিয়াত, অন্যান্য মাঙ্গলিক অনুষ্ঠানতো উৰ্বৰতাৰ প্ৰতীক ৰূপে মাছৰ বহুল প্ৰয়োগ আছে।

অসমীয়াৰ সমাজত লোহা আদিৰ লগতো বহুতো লোকৰ বিশ্বাস জড়িত হৈ আছে। লোহাত এক ঐন্দ্ৰজালিক গুণ আছে বুলি বিশ্বাস যে, লোহা ধাৰন কৰিলে বা লগত থাকিলে ভূত-প্ৰেত বা প্ৰেতাত্মাৰ পৰা ৰক্ষা পাব পাৰি। সেইবাবে মৃতকৰ মুখাগ্নি কৰা জনক লগত এখন কটাৰি লৈ ফুৰিবলৈ দিয়া হয়। কুমন্ত্ৰ আদিৰ পৰা ৰক্ষা পাবৰ বাবেও বিয়াত দৰা-কন্যাক একোখনকৈ কটাৰী লগত ৰাখিবলৈ দিয়া হয়।

ভূত-প্ৰেত আদিক লৈয়ো আমাৰ সমাজত বহুতো বিশ্বাস প্ৰচলিত। বিশেষকৈ খেতৰ-খেতৰণি নামৰ ভূত-প্ৰেতৰ পৰা ৰক্ষা পাবলৈ বহুতে জৰা ফুকা কৰে। গৰু আদি জন্তুকো ভূত-প্ৰেতৰ পৰা ৰক্ষা কৰিবলৈ খেতৰ খেতৰণিৰ পূজা বিভিন্ন জনৰ মাজত বিভিন্ন ধৰণে পতা হয়।

অন্যান্য দেশৰ লগতে আমাৰ অসমতো জন্ম, প্ৰেম, বিবাহ আৰু মৃত্যু সমন্ধীয় নানান বিশ্বাস আছে। আৰু এইবোৰৰ প্ৰতি থকা অগাধ বিশ্বাসে আমাক নৈতিক দিশটোৰ প্ৰতিও সততে সম্পৰ্ক ৰক্ষা কৰি চলাই নিয়ে। এনে ধৰণৰ লোকবিশ্বাসবোৰৰ বাস্তৱিক বা বৈজ্ঞানিক সত্যতা আছেনে নাই আজিও জনা হোৱা যদিও এনে বিশ্বাসবোৰেই সামাজিক বান্দোন কটকটীয়া কৰে আৰু সাংস্কৃতিক বুনিয়াদ এটি গঢ়ি তোলাত সহায় কৰে। ⍓



# মাতৃ তুমি অন্যনা

*"মৃত্যু সৰ্বহৰেশ্য হামোৎ ভৱাম ভবিষ্যতাম কীৰ্তিশ্ৰী, বাক্ক নাৰী তুমি স্মৃতি মেধা ধৃতি ক্ষমা।"*

**স্মৃতি মেচ**
স্নাতক দ্বিতীয় বৰ্ষ

অৰ্থাৎ মই মৃত্যুৰ গৰাকী ভৱিষ্যতৰ আশা ভৰষা আৰু কল্পনা আৰু নাৰী জাতিৰ মাজত মই কীৰ্তিশ্ৰী, বাক, স্মৃতি, মেধা, ধৃতি, ক্ষমা এই গুণেৰে বিদ্যমান।

চিৰনমস্য মাতৃ তুমি। যুগে যুগে স্থান কাল পাত্ৰ ভেদে তোমাৰ চিনাকী বেলেগ হলেও যুগৰ পৰিৱৰ্ত্তনে বা সমাজৰ পৰিৱৰ্ত্তনে তোমাৰ স্থান পৰিৱৰ্তন কৰিব নোৱাৰে। সাগৰৰ দৰে গভীৰ পৃথিৱীৰ দৰে বহল এই মাতৃ শব্দটোক বিৰোধিতা কৰাৰ সাহস মোৰ নাই। কিন্তু আমি সততে পোৱা শব্দ যুৱ উশৃংখলতাৰ লগতে যুৱতী উশৃংখল এই অচিনাকী শব্দটোৰ কিবা সম্পৰ্ক আছে নেকি বাৰু? 'যুৱ' মানে কোন?

প্ৰতিজন যুৱক একোগৰাকী মাতৃৰে গৰ্ভজাত সন্তান নহয় জানো? এতিয়া মূল কথা হ'ল সেই মাতৃগৰাকী কি আদৰ্শৰ দ্বাৰা আদৰ্শিত হৈ মাতৃৰ ৰূপ পাইছে। মুখত মিচিকিয়া হাঁহি, অশালীন পোছাক পৰিহিতা সততা আৰু শীলনতাৰ প্ৰতি কৰ্ণপাত নকৰি সমাজত বিষবাষ্প এৰি পুৰা গধুলি ঘূৰি ফুৰা গৰাকীনে? নে শালীনতা, সততা দয়া, ক্ষমা, কৰুণা আদিয়ে তুষ্ট আৰু পুষ্ট হৈ থকা নাৰী গৰাকী। দাৰ্শনিক হেনৰী বাৰ্টৰ মতে, "মাতৃৰ হৃদয় হৈছে সন্তানৰ শ্ৰেণী কোঠা।" মাতৃ হৈছে শিশুৰ মনোবিজ্ঞানী কাৰণ শিশুৰ কথা মাতৃয়ে যিমান বুজিব পাৰে আন কোনো ব্যক্তিয়ে নোৱাৰে। যদিহে মাতৃ আদৰ্শবান নহয় তেন্তে শিশু কিদৰে আদৰ্শবান হ'ব? শিশুৱে আদৰ্শ অনুকৰণ কৰে মাতৃৰ

পৰা মহান ত্যাগী মাতৃসকলৰ অৱদানৰ কাৰণে সমাজত মহান ব্যক্তিসকলৰ আবিৰ্ভাৱ হৈছে। যিদৰে শংকৰদেৱৰ আঁৰত খেৰসুঁতি আই। মহাত্মা গান্ধীৰ আঁৰত পুতলী বাই আদি মাতৃসকল। এই সকল নাৰীৰ মহান আদৰ্শৰে আদৰ্শিত হৈছে এইসকল ব্যক্তি। এওঁলোকৰ মহান আদৰ্শৰ দ্বাৰা আমি অনুপ্ৰাণিত হৈছো। কিন্তু, সেইসকল নাৰীৰ পৰা আমি কি পাইছো? যি সকল নাৰীয়ে বগা চাহাবৰ লোকক অনুসৰণ কৰি বুদ্ধিভ্ৰম হৈ অন্তৰ সাৰ শূণ্য ফোপোলা মৰ্যদাক বুকুৰ মাজত বন্ধুৱাইছে। তাৰে পুৰস্কাৰ আমাৰ এই যুৱ উশৃংখলতা নহয় নে? মাতৃ এগৰাকীৰ সন্মুখেদি গাভৰু এগৰাকীয়ে শালীনতাৰ পোছাক পিন্ধি ক'ৰবালৈ বা কোনোবা অনুষ্ঠানলৈ ধাপলি মেলিছেনে; অশালীন পোছাক পৰিধান কৰি গৈছে তাৰ বিচাৰ মাতৃসকলে কৰিছেনে? মই মাতৃ বুলি কওঁতে প্ৰত্যেকগৰাকী মাতৃক বুজোৱা নাই। অশালীন পোছাক পৰিহিতা এগৰাকী গাভৰুক এজন যুৱকে জোকালে, এটা অশ্লীল শব্দৰে। সেই একেজন যুৱকেই শালীনতাবোধ বজাই পোছাক পৰিধান কৰি যোৱা গাভৰু গৰাকীকো জোকালে। প্ৰশ্ন হ'ল যুৱকজন দোষী। কিন্তু -- সেই অশালীন পোছাক গাভৰু গৰাকী। অন্যহাতে শালীনতা বজাই যোৱা গৰাকীক কিয় জোকালে? এই বিষবাস্পবাণ প্ৰথম গৰাকীৰ পৰা বিয়পিল নিশ্চয়। উশৃংখল কেৱল যুৱকেই নে। সমগ্ৰ নাৰীজাতি আৰু সমাজৰ অভিশাপস্বৰূপ যুৱতী সকলো? যুৱকসকল যে উশৃংখল হৈছে ইয়াৰ কেৰোণটো ক'ত?

নাৰী অবিহনে এখন সমাজ সুশৃংখল হ'ব নোৱাৰে। সমাজৰ দুখন ডেউকাৰ এখন যদি নাৰী হয় তেন্তে সভ্যতাৰ লগত সমাজ আগুৱাবলৈ নাৰী অৱদান স্বীকাৰ কৰিব লাগিব। টকা নামৰ ভূতটোক আপোন কৰিবলৈ গৈ বোৱাৰী হত্যা, যুৱতী ধৰ্ষণকাৰী অপসাৰণ দৰে ঘটনা নঘটিবলৈ নাৰীৰ শৃংখলাবদ্ধতা, সুস্থিৰ মানসিকতাৰ আৱশ্যক। আজিৰ নাৰীক সমঅধিকাৰ লাগে। বৰ্তমান সমঅধিকাৰ পোৱা নাই ক'ত? কৰ্ম ক্ষেত্ৰত, ধৰ্ম ক্ষেত্ৰত, ৰাজনীতিত সমাজনীতিত, অৰ্থনীতিত ক'ত? নাৰীৰ সমঅধিকাৰৰ নামত ইমান উশৃংখল আৰু অস্থিৰ হৈছে যে আমাৰ মৰমৰ ঘৰখন যুদ্ধক্ষেত্ৰত পৰিণত হৈছে। নাৰীয়ে বৰ্তমান যি সমঅধিকাৰ বিচাৰিছে সি- সম অধিকাৰ নহয়, নাৰী প্ৰধান সমাজ গঢ়াৰ অধিকাৰ। তেওঁলোকে পাহৰি হৈছে বেৰাহীন ফুলনি আয়ুস আৰু সৌন্দৰ্য্য কিমান দিন। গতিকে সমঅধিকাৰ, স্বাধীনতাৰ নামত আমাৰ নাৰীসকলে ইমান নিজৰ অস্তিত্বৰ কথা পাহৰি উশৃংখল ভাৱে ক্ষুধাতুৰ হৈ পৰিল উশৃংখল যুৱকসকলক মাতৃৰ মৰম, ভগ্নীমৰম , প্ৰেয়সী মৰম দি শৃংখলাবদ্ধভাৱে গঢ়ি তুলি সমাজত সুস্থ বাতাবৰণ সৃষ্টি কোনে কৰিব? ঈশ্বৰে নেকি? নাৰীসকলে মাত্ৰ এটা সমঅধিকাৰ পাবলৈ বাকী আছে। সেয়া হ'ল পুৰুষ আৰু নাৰীৰ মৌলিক পাৰ্থক্যৰ ওপৰত। নাৰী দেহৰ প্ৰত্যেকটো কোনে পোষণ কৰা লৈঙ্গিক বিশেষত্ব আৰু নক্ষত্ৰ জগতৰ নিয়মৰ দৰেই অপ্ৰতিৰোধনীয় দেহতত্ব নিয়মৰ ওপৰত। এই সমঅধিকাৰ সমাজে দিব নোৱাৰে। ঈশ্বৰৰ ওচৰত বিচাৰিব লাগিব। গতিকে সতাত, শালীনতা আৰু শৃংখলতাৰ মাজত মাতৃৰূপত, ভগ্নীৰূপত থাকি সভ্যতাৰ লগত খোজ আগবঢ়োৱাতো নাৰী সমাজৰ প্ৰগতিৰ অন্তৰায় নহয় আৰু ই হবও নোৱাৰে। শেষত পদ্মনাথ গোঁহাই বৰুৱাদেৱৰ দুশাৰীমান কবিতাৰে ----

*"জনাতো সৃষ্টিৰ লীলা বিধিৰ হাতত,*
*প্ৰকৃতি পুৰুষ, যিবা মানৱ-মানৱী।*
*সৃষ্টিৰ পাতনি ৰূপে মায়াৰ বিকাশ,*
*সৰগ, মৰত আৰু পাতাল নামত*
*ত্ৰিজগত নিৰমান ব্ৰহ্মাণ্ডৰ ভাগ।"*



# মহাকাশত প্ৰথম মহিলা পৰ্যটক

# আনাউচ আনাছাৰী

নিৰ্মালী শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

সৰুকালৰে পৰা তেওঁৰ সপোন পখী হৈ আকাশত উৰি ফুৰা। পাখি মেলি উৰি যাব নীল আকাশৰ তৰাবোৰ কাষৰ পৰা চোৱাৰ। ইয়াৰ তেওঁৰ সপোন যে সঁচাকৈয়ে পূৰণ হ'ব সেয়া হয়তো তেওঁ নিজেই ভবা নাছিল। কিন্তু বিশ্বাস কৰিবলৈ মন নগলেও সঁচা যে আনাউচ আনছাৰীৰ এনে সপোন বাস্তৱ হৈছে। মহাকাশত ঘূৰি আহিল আনাউচ- মহাকাশ পৰ্যটক হিচাপে চতুৰ্থ তেওঁ আৰু মহিলা হিচাপে প্ৰথম। আনাউচৰ আগতে আন তিনিজনেও ফুৰি আহিছে মহাকাশ। আৰ্থিক স্বচ্ছলতা আৰু শৰীৰ ফিট থাকিলে আজিকালি এনে পৰ্যটক হোৱাত অসুবিধা নাই। তেতিয়া হ'লে আনাউচে কি নতুন কাম কৰিলে? আনাউচে ইতিহাস ৰচিলে, মহাকাশত তেওঁ প্ৰথম মহিলা পৰ্যটক হোৱা উপৰিও তেঁৱেই প্ৰথম মুছলমান মহিলা আছিল আৰু ইৰাণৰ প্ৰথম মহিলা।

আনাউচৰ সপোন ইমান দ্ৰুত সফল হোৱাৰ কথা নাছিল, মহাকাশ পৰ্যটক হোৱা ইচ্ছাৰে আবেদন কৰা সকলৰ তালিকাতহে বহুত পিছত নাম আছিল তেওঁৰ। তেওঁৰ আগত নাম আছিল জাপানী ব্যৱসায়ী ডাইচুকো ইনোসাতোৰ কিন্তু যাত্ৰা কিছুদিন পূবে ডাইচুকোক আনফিট ঘোষণা কৰাত আনাউচৰ ভাগ্যোদয় হয়।

আনাউচ বয়স চল্লিছ বছৰ। আচাৰ ব্যৱহাৰত সম্পূৰ্ণ ইৰাণীয়। ১৯৭৯ চনত ইৰাণ ত্যাগ কৰে আনাউচে। ইৰাণৰ মাছাদাৰ পৰা তেওঁলোক গুচি যায় আমেৰিকা ৱাশ্বিংটনলৈ। তাতে জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়ত ইলেকট্ৰিকেল তথা কম্পিউটাৰ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আনাউচে। বৰ্তমান স্বামী হামিদৰ সতে নিজ ব্যৱসায় চোৰা-চিতা কৰে আনাউচে। আমেৰিকা তথা প্ৰযুক্তি সংস্থাবোৰৰ অন্যতম 'প্ৰভিয়াছিষ্টেমছ'ৰ অধিকাৰী তেওঁলোক। ইয়াৰ মাজতে আনাউচৰ মনত আকাশত উৰি তৰাবোৰৰ ওচৰৰ পৰা চোৱাৰ সপোন সদায়েই আছিল। তেওঁৰ আন এক ইচ্ছা জাগ্ৰত হৈছিল 'স্পেচ এডভেঞ্চাৰ'ক ব্যৱসায় পৰ্যায়লৈ লৈ অহা। কিন্তু তাৰ আগতে যে নিজে মহাকাশখনক ভালদৰেই চাই আহিব লাগিব। আনাউচৰ মহাকাশৰ যাত্ৰাৰ অন্তিম মুহূৰ্ততো এক অনিশ্চয়তাই দেখা দিছিল। মহাকাশখন আটলাণ্টিছ তেতিয়া মহাকাশ ষ্টেচনত উপস্থিত। ষ্টেচনত দুখন মহাকাশযান থকা ঠাই নাই। সেয়ে পৃথিৱীৰ পৰা যাত্ৰা বাতিল কৰাৰ বাহিৰে উপায় নাছিল। কিন্তু অন্তিম মুহূৰ্তত আটলাণ্টিছ মহাকাশৰ পৰা যাত্ৰা আৰম্ভ কৰাত আনাউচহঁতৰ যান পৃথিৱীৰ পৰা যাত্ৰা কৰে। ২০০৬ চনৰ ১৮ চেপ্তেম্বৰত কাজাখাস্তানৰ কছমোডাৰ পৰা ৰাওনা হয় ৰুছ মহাকাশযান ছয়ুজ টি এম —৯। এই অভিযানৰ কৰ্ণধাৰ আছিল ভলাডিমিৰ ছোলভিয়ৰ। মহাকাশ যাত্ৰাৰ পৰ্যটক হিচাবে কিন্তু অকলেই আছিল আনাউচ। তেওঁৰ সংগীসকল আটাইকেইজনেই আছিল মহাকাশ বিজ্ঞানী। তেওঁলোক হ'ল — ৰাছিয়া পাৰভেল ভিনোগ্ৰোদোভ, মিখাইল তুৰিণ, মাইকেল লোপেজ — আনৌপ্ৰয়া, জাৰ্মানিৰ টমাছ ৰাইটাৰ আৰু আমেৰিকাৰ জেক উলিয়ামছ। আনাউচৰ যাত্ৰাৰ লগে লগেই মানুহৰ মনত এক কৰুণ স্মৃতি জাগ্ৰত হৈ উঠিছিল। কেইবছৰমান আগতে মাৰ্কিন মহাকাশযান কলম্বিয়াই মহাকাশ যাত্ৰা শেষ কৰি পৃথিৱীলৈ উভতি আহোতে হঠাতে ধ্বংস হৈ গৈছিল য'ত আছিল ভাৰতীয় বংশোদ্ভূতা মহিলা কল্পনা চাওলা। মহিলা হোৱা বাবে আনাউচৰ যাত্ৰাৰ প্ৰাক মুহূৰ্তত মানুহৰ মনত এক আশংকাই দেখা দিয়ে। তথাপি মহাকাশ যানত উঠাই দিয়া মুহূৰ্ততে আনাউচৰ মাতৃয়ে কৈছিল — "কন্যাৰ আনন্দই মোৰ আনন্দ। তাই যাতে সুস্থ শৰীৰেৰে উভতি আহে তাকে প্ৰাৰ্থনা কৰিছো।" সফল হৈছিল তেওঁৰ প্ৰাৰ্থনা। সকলো বাধা, আশংকা আঁতৰাই পৃথিৱীৰ মাটিলৈ উভতি আহিছে আনাউচ। কাজাকাস্তানৰ স্থানীয় সময় অনুযায়ী পুৱা ৫ বাজি ১৫ মিনিটত আৰকালিকৰ পৰা ৫৬ মাইল দূৰত নিৰ্দিষ্ট স্থানত অৱতৰণ কৰে ছয়ুজ-টি এম ৯।

দহটা দিন মহাকাশত থাকি কি কৰিলে আনাউচে। তথ্যচিত্ৰ তোলা, মহাকাশ, পদাৰ্থ বিদ্যা স্পেচষ্টেচন সম্পৰ্কে নানা জ্ঞান আহৰণ কৰা একোৱে বাদ দিয়া নাছিল আনাউচে। ইৰাণত এতিয়াও আছে মধ্যযুগীয়া শাসন ব্যৱস্থা। মহিলা সকলৰ স্বাধীনতা প্ৰায় নাই বুলিলে চলে। আনাউচৰ পদক্ষেপ নিশ্চয় শিকলি ভঙাৰ আগজাননী। (কিতাপৰ সহায়লৈ)

# ভাৰত গৌৰৱ অমৰ্ত্য সেন

## (যষ্ঠজন নোবেল বঁটা প্ৰাপ্ত ভাৰতীয়)




### ডিম্পী কলিতা

স্নাতক দ্বিতীয় বৰ্ষ


১৯৯৮ চনৰ অৰ্থনীতিৰ নোবেল বঁটা লাভ কৰিছে এজন ভাৰতীয়ই। যাক লৈ আমি ভাৰতীবাসী গৌৰাম্বিত, সেইজন মহান তথা ভাৰতৰ সুযোগ্য সন্তান অধ্যাপক অৰ্মত্য সেন। তেওঁ কল্যাণমুখী অৰ্থনীতিৰ দিশত আগবঢ়োৱা অসামান্য অৱদানৰ বাবে এই সন্মানেৰে বিভূষিত কৰা হৈছে। ইয়াৰ পূৰ্বে এই বঁটা প্ৰাপ্তিৰে ভাৰতক গৌৰাম্বিত কৰা আন পাঁচজন ভাৰতীয় হৈছে ৰবীন্দ্ৰ নাথ ঠাকুৰ, চি.ভি. ৰমন, হৰগোবিন্দ খোৰানা, মাদাৰ টেৰেছা আৰু সুব্ৰমনিয়ম চন্দ্ৰশেখৰ।

অধ্যাপক অমৰ্ত্য সেনৰ এনে কোনো ক্ষেত্ৰ নাই যি তেওঁৰ অৱদানেৰে ধন্য নোহোৱাকৈ থকা নাই। তেওঁ সমাজত সম্পদৰ সঠিক বিতৰণ, বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ কল্যাণৰ দিশত সুদক্ষ ভূমিকা দাঙি ধৰিছে। ভাৰত, বাংলাদেশ, ইথিওপিয়া আৰু চহৰীয়া ৰাষ্ট্ৰ সমূহৰ বিস্তৃত অধ্যয়ণ চলাইছে। এই ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক বিপৰ্যয়ৰ কাৰণ হিচাপে তেওঁ চিহ্নিত কৰি সিদ্ধান্ত দিছে যে ইয়াৰ কাৰণ খাদ্য সংকটেই একমাত্ৰ নহয়। তদুপৰি মূল্যতত্ত্ব, ৰাজনৈতিক, অৰ্থনৈতিক, উন্নয়ণমূলক অৰ্থনীতি, সামাজিক বাচনি তত্ত্ব নাইবা ইকনমেট্ৰিক্স আদি প্ৰতি ক্ষেত্ৰতেই তেওঁৰ অৱদান অপৰিসীম। তেওঁৰ কৰ্মক্ষেত্ৰত এহাতে যিদৰে সামাজিক নাইবা সমষ্টি গত তত্ত্ব বা জনকল্যাণ আৰু দৰিদ্ৰৰ সংখ্যা নিৰূপণ হৈছে আনহাতে নিৰূপিত হৈছে দুৰ্ভীক্ষৰ পৰিসংখ্যাভিত্তিক সমীক্ষা। উচ্চ পয্যায়ৰ তাত্বিক চিন্তাৰ পৰা বৰ্তমানৰ জলন্ত সমস্যাবোৰৰ কাৰণ উদঘাটনলৈকে তেওঁৰ চিন্তা ব্যাপ্ত। দৰিদ্ৰতা, ক্ষুধা, আকাল আদি হৃদয়াংগম কৰা অৰ্মত্য সেনক এজন মানৱ দৰদী অৰ্থনীতিবিদ হিচাপে অভিহিত কৰিব পাৰি। তেওঁৰ সুস্পষ্ট ধাৰণা হ'ল অৰ্থনৈতিক উদাৰীকৰণৰ সুফল জনসাধাৰণে ভোগ কৰিবলৈ সমৰ্থ হ'ব শিক্ষা, স্বাস্থ্য, অপুষ্টি আদিৰ ক্ষেত্ৰত চলি থকা সীমাহীন বাধা সমূহ আঁতৰ হলেহে। অন্যথাই জনসাধাৰণে অৰ্থনৈতিক উন্নয়ণ কৰিব নোৱাৰিব।

অধ্যাপক অমৰ্ত্য সেনৰ কৰ্মৰাজি তথা চিন্তা বিশ্বৰ জনসাধাৰণৰ সকলোতে ব্যাপ্ত হৈ আছে। বিশ্বৰ প্ৰান্তে প্ৰান্তে তেওঁৰ চিন্তা সমূহ আদৰণীয় তথা গুৰুত্বপূৰ্ণ। কিন্তু এজন ভাৰতীয় বা এজন অসমবাসী হৈ এই আমাৰ নিচেই আপোন মানুহজনৰ চিন্তাৰাজি আমি দেশখনৰ বা ৰাজ্যখনৰ বাবে প্ৰয়োগ কৰিব নোৱাৰোনে? নিশ্চয় পাৰো।

এই মহান লোকজনে ছাত্ৰ অৱস্থাৰ পৰাই কল্যাণমূলক কাম কাজত জড়িত হৈ থাকিছিল। ছাত্ৰ অৱস্থাত তেওঁ এজন ভাল ফুটবল খেলুৱৈও আছিল। তদুপৰি ভাল অভিনয় কৰিছিল আৰু গান শিকিব লৈছিল যদিও শিকা নহৈছিল। "স্ফুলিংগ" নামৰ এখন আলোচনী ২ জন লোকৰ লগ হৈ প্ৰকাশ কৰিছিল। তদুপৰি কাঠৰ বয়বস্তু সজাতো তেওঁ পাৰদৰ্শী আছিল। তেওঁ ছাত্ৰ অৱস্থাত কিন্তু নিজৰ পাঠ্যপুথিৰ প্ৰতি আগ্ৰহ নথকা ছাত্ৰ এজনহে আছিল। ৰহস্য, গল্প, উপন্যাস আদি পঢ়িয়েই সময় পাৰ কৰিছিল। তেনে এজন ছাত্ৰ হৈও অত্য সেন হৈ পৰিছিল প্ৰেছিডেন্সি কলেজৰ এজন প্ৰাক্তন ছাত্ৰ, কেমব্ৰিজ ট্ৰিনিটি কলেজৰ এজন প্ৰাক্তন ছাত্ৰ, ভাৰতৰ যাদবপুৰ বিশ্ববিদ্যালয়ৰ ২৪ ( চৌবিশ) বছৰীয়া এজন অধ্যাপক তথা দিল্লী স্কুল অব ইকনমিক্সৰ এজন শিক্ষক। তদুপৰি তেওঁ তিনিটি সন্মানীয় আডাম স্মিথ বঁটা, ৰেণবাৰী স্কলাৰস্বিপ আৰু ষ্টিডেনচন বঁটা পায়। পাঠ্যপুথিৰ প্ৰতি ছাত্ৰ অৱস্থাত ৰাপ নথকা এই লোকজন তিনিবছৰ আমেৰিকান ইক'নমিক এচছিয়েচন আৰু ইণ্টাৰ নেশ্বনেল ইক'নমিক এচছিয়েচনৰ সভাপতি, ইকনমিকা, ইক'নমিকচ আৰু ফিল'ছফিৰ নিচিনা সমাজত আলোচনীৰ সম্পৰ্কীয় মণ্ডলীৰ সদস্য আদিৰ দৰে সন্মানীয় পদত অধিষ্ঠিত আছিল আৰু এই ছাত্ৰ জনেই বিশ্বৰ সন্মানীয় বঁটাৰে বিভূষিত নোবেল লৰেট অধ্যাপক অমৰ্ত্য সেন।

তেখেতলৈ আন্তৰিক শ্ৰদ্ধা জনাই ভাৰতৰ বিষয় মন্তব্য আগবঢ়োৱা তেওঁৰ এই কথাটোৰে "ভাৰতৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশ হৈছে যদিও ই সমাজৰ দুৰ্ভগীয়া শ্ৰেণীটোক স্পৰ্শ কৰিব পৰা নাই।"

ঃঃঃঃঃঃঃঃ

# কৰ্মকুশলী মাধৱ বেজবৰুৱা



জোনালী বেজবৰুৱা
উঃমাঃ দ্বিতীয় বাৰ্ষিক

**স্মৃতি তৰ্পণ ঃ**

মানুহে মৃত্যুৰ বৰপাগ মাৰি জন্ম গ্ৰহণ কৰে। এই মৃত্যুৰ পৰা হাত হাৰি আজিলৈকে কোনোৱে থাকিব পৰা নাই। কিম্বা আগলৈকো নাথাকিব।

আজি কালি নহলেও এশ বছৰত
এদিন পৰিব লাগে মৃত্যুৰ হাতত

কিন্তু মৃত্যুক জয় কৰি অমৰত্ব লাভ কৰি যোৱা লোকৰো এই মৰ্ত্যৰ বুকুত অভাৱ ঘটা নাই। জন্ম আৰু মৃত্যুৰ দুখন তোৰণ দ্বাৰ সৰকি যোৱা ধৰণৰ এক আৰু তাৰ সামান্য ব্যৱধানৰ সময় জীৱনটোৰ আয়ুসখিনিক 'বজ্ৰলেপ' লগাই নিজৰ কৰ্ম শক্তি অফুৰন্ত প্ৰতিভাৰে তিলতিলকৈ জীৱনৰ শলিতা গছি পুৰি থৈ যোৱা সকলৰ কথা অন্য ধৰণৰ। বহু কথা সুঁৱৰি, বহু কাহিনীৰ উক লৈ থমকি থমকি এই অকণ মান প্ৰবন্ধ এটি লিখিবলৈ বহিছো।

মানুহ জনৰ নাম আছিল মাধৱ বেজবৰুৱা। নিজে লিখিছিল 'ডেকা বেজবৰুৱা' আৰু লগৰ সমনীয়াইও আদৰকৈ 'ডেকাবেজ' বুলিহে ভাল পাইছিল।

ইংৰাজী১৯১২ চনৰ মহাপুৰুষ মাধৱদেৱৰ জন্ম তিথিৰ দিনা শিৱসাগৰৰ চহৰত ৰংপুৰ নগৰৰ দিখৌ পাৰত 'ডেকাবেজ মাধৱ জন্ম হয়। মহাপুৰুষ মাধৱ দেৱৰ জন্ম তিথিত জন্ম লাভ কৰাৰ কাৰণে তেওঁৰ নামো ৰখা হ'ল মাধৱ। তেওঁ পিতৃ দেৱৰ নাম আছিল বিনন্দ্ৰ চন্দ্ৰ বেজবৰুৱা আৰু মাতৃদেৱীৰ নাম আছিল ইন্দুমতি দেৱী। বিনন্দ চন্দ্ৰ বেজবৰুৱা ডাঙৰীয়া দীননাথ বেজবৰুৱা পুত্ৰ আৰু স্বনামধন্য সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ অন্যতম ককাইদেৱক। ১৮৯৫ খ্ৰীষ্টাব্দৰ পৰা ২৭ মে' তাৰিখে ৮২ বছৰ বয়সত তেখেতে কমলাবাৰী সত্ৰত নৰতনু ত্যাগ কৰে। তেখেতেই পোনতে শিৱসাগৰ চহৰৰ বেজবৰুৱা উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠা কৰি শিক্ষাবিদ পুত্ৰ গোবিন্দ বেজবৰুৱাক পৰিচালনাৰ দায়িত্বত অধিষ্ঠিত কৰিছিল। এটি কথা মনত ৰাখিব লাগে যে গুৰি গছ ভাল হ'লে সকলো ভাল। আজি কালি অৱশ্যে বৃহৎ গণতন্ত্ৰৰ দিনৰ এনে কথা কব লগা নহয়। অসমীয়া সমাজে ইয়াক এৰিব পৰা নাই। অসমীয়া সমাজ নালাগে পৃথিৱীৰ সকলো সভ্য দেশতে পুৰুষ পৰম্পৰা আৰু বংশৰ তেজৰ ধাৰাত এটি শ্ৰুতিৰ কথা একেমুখে চিকাৰ কৰি আহিছে আৰু সদায় কৰিবও। কাৰণ ঔৰ গছত ঔ টেঙা লাগে বেলেগ নালাগে। লাগিব নোৱাৰেও। ই প্ৰকৃতিৰ নিৰ্বন্ধ নিয়ম। ১৯৪৬ ইংৰাজী চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখ সেইদিনা পূৰ্ণিমা, শুক্ৰবাৰ আবেলি ৪ বজাত। সুদূৰ দাক্ষিণাত্যৰ আৰোগ্যবৰয় স্বাস্থ্য নিবাসত মাথোন ৩৪ বছৰ বয়সত ভৰি দিওঁতেই অসমৰ আদৰৰ ডেকাগিৰী শ্ৰীযুত মাধৱ বেজবৰুৱাই ইহলীলা সম্বৰণ কৰিলে। আমি তেওঁৰ জীৱন কাল আয়ুসৰ বছৰেৰে নেলেখি কৰ্মৰ ওজনেৰেহে জুখিব লাগিব। মৃত্য শয্যাত পৰি থাকিও তেখেতে কৈ গ'ল — আমি দেশক চালে দেশেও আমাক চাব।

মাধৱ বেজবৰুৱাক স্মৃতিক সজীৱ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু মাধৱ বেজবৰুৱাৰ নুমাই যোৱা বন্তি গজি জানো কেতিয়াবা জ্বলি উঠিব কোনো দিন, কোনে কালে। তথাপিও

"তৰিলে স্বদেশ পাম মৰিলে স্বৰ্গলৈ যাম
এটি মাথো মন্ত্ৰ লৈ কৰ্তব্য সাধিলে
মৰণক জয় কৰি গুৰুৰ আশীষ ধৰি
স্বদেশ স্বজাতি স্মৰি প্ৰাণ ত্যাগিলে।

# যুৱ প্ৰজন্মৰ বাইকপ্ৰীতি আৰু হৃদয়-বিদাৰক দূৰ্ঘটনাবোৰ

**বন্দিতা বৰগোঁহাই**
স্নাতক তৃতীয় বিভাগ



শিৱসাগৰৰ পৰা গুৱাহাটীলৈ যাঁওতে বুঢ়াপাহাৰ পাৰ হঁওতেই পাহাৰৰ শিলত কিছুমান যানবাহনৰ গতি সম্পৰ্কিত মূল্যবান সতৰ্কবাণী লিখি থোৱা বোধ হয় সকলোৰে দৃষ্টিগোচৰ হৈছে। এই সৰ্তক বাণীৰ ভিতৰত অন্যতম হ'ল -- " Speed thrills but it kills " এই উক্ত বাক্যশাৰীয়ে যেন শিৱসাগৰত প্ৰতিমাহে বাস্তৱত পৰিণত হৈছে। কলেজীয়া ছাত্ৰৰ মাজত আধুনিক দ্ৰুত বাহন হিচাবে চিহ্নিত হোৱা দুচকীয়া যান ভিন্ন মডেল আৰু দামৰ বাইক কিনাৰ অঘোষিত প্ৰতিযোগিতাই ছাত্ৰসকলৰ বহুতৰ জীৱনলৈ ধ্বংস মাতি আনিছে।

আধুনিক বাইকৰ দ্ৰুত গতিক আদৰি লোৱা মাথো মহাবিদ্যালয় সদ্য পদাপৰ্ণ ছাত্ৰক একোখন দামী বাইক কিনি দিয়াৰ পৰিণাম কিমান দূৰ সমিচীন তাক ছাত্ৰসকলৰ পিতৃ-মাতৃয়ে ভাবি চোৱাৰ সময় সমাগত। — দ্ৰুততাই আনি দিয়া শিহৰণকাৰী বন্য আনন্দই বহু ক্ষেত্ৰত ই ঘাটক ঘটনালৈ পৰ্যবেশিত হৈছে। ফলত এটি অমূল্য তেজাল, দগমগীয়া আৰু প্ৰস্ফুটিত জীৱনৰ অকালতে পৰিসমাপ্তি ঘটি মানৱ সম্পদৰ অপচয় ঘটিছে। অকালতে মৃত্যু হোৱা অথবা পংগু হোৱা সেইসকলৰ মাক-দেউতাকলৈ আনি দিছে গভীৰ অন্ধকাৰ, বিষাদ আৰু নৈৰাশ্য।

যদিও যুৱ প্ৰজন্মৰ বাইক প্ৰীতি এক সাৰ্বজনীন পৰিঘটনা তথাপি আজি আমি এই লেখাত কেৱল শিৱসাগৰ জিলাৰ যুৱছাত্ৰ সকলৰ বিষটোহে সামৰিব বিচাৰিছো। অৱশ্যে এইটো ঠিক যে এটুকুৰা লো গলাই তাৰ পৰা মৰণাস্ত্ৰও সাজিব পাৰি আৰু মানুহৰ জীৱন দায়নী অস্ত্ৰোপ্ৰচাৰৰো যন্ত্ৰ নিৰ্মাণ কৰিব পাৰি। এইটো নিৰ্ভৰ কৰিব ব্যৱহাৰ কৰোতা জনৰ মানসিক কাঠামো আৰু আবেগিক বুদ্ধিমত্তাৰ ওপৰত। সেয়েহে ইয়াৰ যোগেদি আমি ক'বলৈ যোৱা নাই যে আধুনিক দ্ৰুতবাহন বাইকে আধুনিক জীৱনলৈ সৰ্বনাশ মাতি আনিছে বুলি। আমি মাথো উল্লেখ কৰিব বিচাৰো বাইকৰ সুপ্ৰয়োগ আৰু জীৱনৰ গতি অধিক সুস্থিৰ আৰু মসৃণ কৰি তুলিব পাৰে আৰু ইয়াৰ বেয়া প্ৰয়োগে তৎকালে জীৱনলৈ আনি দিয়ে ঘোৰ অমানিশা। বিগত এবছৰত শিৱসাগৰ জিলাত ভিন্ন অঞ্চলত সংঘটিত হোৱা বাইক দূৰ্ঘটনাসমূহৰ পৰ্যলোচনা কৰিলে দেখা যায় যে যিসকল ব্যক্তি বাইক দূৰ্ঘটনাত মৃত্যু হৈছে বা চিৰকালৰ বাবে জীৱনটো ঘুনীয়া হৈছে সেইসকলৰ ভিতৰত এশ শতাংশই হৈছে মহাবিদ্যালয়ত সদ্য পদাপৰ্ণ কৰা ছাত্ৰ। বহু ছাত্ৰৰ স্কুলীয়া জীৱনতে এখন চকচকীয়া দামী বাইকৰ গৰাকী হোৱাৰ সপোনৰ বীজ সংগোপনে ৰোপন হয়। অৱশ্যে বাইকৰ লগত এটি দামী মোবাইল ছেটৰ গৰাকী হোৱাৰ সপোন ইয়াৰ লগত জড়িত হৈ থাকে। বহু ছাত্ৰই মাক-দেউতাকক মৌখিক চুক্তি কৰাই লয় যে — মেট্ৰিকত ভাল ফল দেখুৱালে তেওঁক এখন বাইক কিনি দিব লাগিব বুলি আৰু ধনী বহু পিতৃ-মাতৃয়ে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি নিজ সন্তানে মহাবিদ্যালয়ত ভৰি দিয়াৰ লগে লগে প্ৰাপ্তবয়স্ক হোৱাৰ ১৮ বছৰ আগতেই অনুজ্ঞাপত্ৰ নোহোৱাকৈয়ে দামী বাইক পুত্ৰমোহত কিনি দিয়ে। ফলত Speed thrills but it kills " ৰ বাক্যশাৰীৰ সাৱধানবানী জিয়া বাস্তৱত পৰিণত হৈ তেনে মাক-দেউতাকৰ একমাত্ৰ সন্তানক বাইকৰ বাবে চিৰদিনৰ বাবে জলাঞ্জলি দিয়াৰ উদাহৰণ জিলাখনত অলেখ আছে। শিহৰণকাৰী গতিবেগৰ বন্য আমেজ লাভ কৰিবলৈ গৈ নিয়ন্ত্ৰণ হেৰুৱাই বা যান-বাহনৰ নিয়ম নামানি আগৰ গাড়ী পিছ পেলাবলৈ গৈ নিজৰ অমূল্য জীৱন ট্ৰাক বা বাছৰ চকাৰ তলত পিষ্ঠ হৈ হেৰুৱাব লগা হয়। লক্ষ্যনীয় যে জিলাখনত এতিয়ালৈকে যিমান কেইটা বাইকৰ দূৰ্ঘটনা সংঘটিত হৈছে সেইসকল ছাত্ৰ বা যুৱক মহাবিদ্যালয়ৰ একাদশ বা দ্বাদশ শ্ৰেণীৰ অধ্যয়নৰ ছাত্ৰ। সমস্ত পৃথিৱী জয়ী কৰিবলৈ বিচৰা এই সকল ছাত্ৰৰ বয়স সন্ধিৰ সময়ছোৱা অতি স্পৰ্শকাতৰ। সমস্ত পৃথিৱী পদানত কৰিবলৈ বিচৰা যুক্তি তৰ্কই বশ বনাব নিবিচৰা এই বয়সন্ধিৰ ( ১৬-১৭ ) ছাত্ৰসকলক পিতৃ-মাতৃসকলে ল'ৰাই যি খোজে তাকেই দিয়াৰ মানসিকতাই বাইক লৈ দুষ্কাৰ্য চলোৱাৰ প্ৰৱণতাক সাৰ পানী যোগোৱা হয়। কেৱল ধন থাকিলেই নিজ সন্তানক লাখটকীয়া বাইক কিনি দিয়াৰ প্ৰৱণতাক পাৰ্যমানে ৰোধ কৰিব পাৰিলেহে জিলাখনৰ মহাবিদ্যালয়ত অধ্যয়নত ছাত্ৰৰ বাইক দূৰ্ঘটনাত অকাল বিয়োগ হোৱাৰ গতি ৰোধ কৰিব পৰা যাব। অৱশ্যে ইয়াৰ লগত আৰক্ষী বিভাগৰ চোকা দৃষ্টি, হেলমেট পিন্ধা বাধ্যতামূলক, অনুজ্ঞাপত্ৰ নোহোৱাকৈ চলোৱা বাইক জব্দ কৰা, তীব্ৰ গতিৰে চলোৱা বাইক আৰোহীক অধিক জৰিমনা বিহা আদি ব্যৱস্থা লোৱাটো অতিশয় প্ৰয়োজনীয়। আমি গভীৰ প্ৰত্যাশাৰে বাঞ্চা কৰো অন্য জিলাৰ তুলনাত শিৱসাগৰ জিলাত অন্য অৰ্থত ক'বলৈ গ'লে প্ৰতিমাহতে একো একোজন ডেকা যুৱকৰ বাইক দূৰ্ঘটনাত মৃত্যু হোৱাটো অতি হৃদয়বিদাৰক ঘটনাৰ অন্ত পৰক আৰু মাক দেউতাক সকলে প্ৰাপ্তবয়স্ক নহওতেই বাইক কিনি দিয়াৰ ৰেট দৌৰৰ পৰিসমাপ্তি ঘটালে নিশ্চয় জিলাখনত এনে মৃত্যুৰ হাৰ কমি আহিবলৈ ধৰিব। লগতে জিলাখনে বাইকত ছাত্ৰৰ মৃত্যু হোৱাৰ বদনামৰ পৰা পৰিত্ৰাণ পাব। ◻

# মানৱ জীৱনৰ মূল্যবোধ

**ফাৰমিন আহমেদ**
স্নাতক দ্বিতীয় বৰ্ষ



এই পৃথিৱী দুদিনীয়া। এই ক্ষণস্থায়ী জীৱনটোত যদি মানুহে পৃথিৱীত মহৎ কাম কৰি যাব পাৰে তেতিয়া সেই ব্যক্তিৰ জীৱনটো সাৰ্থক হয়। জীৱনৰ মূল্যবোধ তেতিয়াহে হয়। যিজন ব্যক্তিয়ে এই পৃথিৱীত জন্ম গ্ৰহণ কৰি নিজৰ কৰ্মৰ যোগেদি দেশ আৰু জনগণৰ হকে নিজৰ জীৱন সপি দিয়ে সেইজন ব্যক্তিয়েহে বুজে জীৱনৰ মূল্য কিমান। নিজ কৰ্মৰ দ্বাৰা মানুহ পৃথিৱীত মৰিও অমৰ হৈ থাকিব পাৰে। তাৰ চানেকী আমাৰ মহাপুৰুষসকলে আমাক দি গৈছে। ইতিহাসৰ পাত লুটিয়াই চালে দেখা পাওঁ আমাৰ দেশৰ ঋষি-মুনি, বীৰ-বীৰংগনাসকলে কেনেকৈ আনৰ কাৰণে জীৱন উছৰ্গা কৰি জীৱনৰ মূল্য আৰু মহত্ব কত তাৰ সুন্দৰ উদাহৰণ দেখুৱাই থৈ গৈছে। দধীচি মুনিয়ে অসুৰ নিধন কৰি স্বৰ্গৰাজ্য উদ্ধাৰৰ কাৰণে নিজৰ বুকুৰ হাড় দেৱতাসকলক উপহাৰ দিছিল। গৌতম বুদ্ধই প্ৰাণীৰ কল্যাণ আৰু মুক্তিৰ কাৰণে ৰাজ সিংহাখন এৰি সাধনাত মগ্ন হৈ অৱশেষত সিদ্ধি লাভ কৰি অহিংসাৱ মহাৰাণী জগতত প্ৰচাৰ কৰি থৈ গ'ল। তেনেকৈ ফ্লোৰেন্স নাইটিংগেল, মাডাৰ টেৰেছায়ো জীৱনৰ সুখ ভোগ ত্যাগ কৰি ৰোগী সকলৰ শুশ্ৰূষাৰ যোগেদি মানৱ জীৱনৰ যি আদৰ্শ দেখুৱাই গ'ল সেই আদৰ্শ বিশ্বত সদায় জিলিকি থাকিব। আমাৰ ভাৰতবৰ্ষত জাতিৰ পিতা মহাত্মা গান্ধীয়ে অহিংসাৰ মন্ত্ৰৰে ভাৰত স্বাধীন কৰি দেশৰ কাৰণে জীৱন ত্যাগ দি মানৱ জীৱনৰ মূল্য দেখুৱাই থৈ গ'ল। এই মূল্য উপলব্ধি কৰি তাক ৰূপায়ন কৰিব পৰাটোহে আচল জীৱন। এই মহান পুৰুষসকলৰ জীৱনৰ আদৰ্শ আগত ৰাখি দেশ আৰু জনগণৰ কাৰণে কাম কৰি থৈ যাব পাৰিলেহে আমাৰ জীৱন সাৰ্থক হ'ব। ◻



# প্ৰাণায়াম

**পলী বৰুৱা**
স্নাতক প্ৰথম বৰ্ষ



আমি নাকেৰে যি বায়ু সেৱন কৰো তাৰ দ্বাৰা হৃদপিণ্ড আৰু হাঁওফাঁও সবল আৰু সক্ৰিয় কৰে। বিজ্ঞানৰ গৱেষক সকলে প্ৰমাণ কৰিছে যে বিশুদ্ধ বায়ুত শতকৰা ২০.৬০ ভাগ অম্লজান, ০.০৪ ভাগ আংগাৰম্ল আৰু ৭৭.১৬ ভাগ যৱক্ষাৰজান থাকে। উশাহ-নিশাহৰ যোগেদি দেহৰ প্ৰয়োজনীয় এই বায়ুখিনি গ্ৰহণ কৰি আলাগতিয়াল বোৰ নিশ্বাসৰ দ্বাৰা শৰীৰৰ পৰা বাহিৰ কৰি দিয়া হয়। গতিকে বায়ুৰ পৰা যথেষ্ট পৰিমাণে উশাহ-নিশাহৰ যোগেদি খাদ্যপ্ৰাণ আহৰণ কৰি শৰীৰৰ পুষ্টিসাধন হ'ব পাৰে। সুস্থ শৰীৰৰ কাৰণেঅম্লজান, অংগাৰম্ল আৰু যৱক্ষাৰজান বায়ু নিৰ্দিষ্ট পৰিমাণে প্ৰয়োজন। এবিধ আনবিধৰ পৰিপূৰক বায়ু। আগতে কৈ অহা হৈছে যে যি প্ৰক্ৰিয়াৰ দ্বাৰা নিশ্বাস বা প্ৰাণবায়ুক সম্প্ৰসাৰিত, নিয়মীয়া আৰু নিয়ন্ত্ৰণ কৰিব পৰা তাকেই প্ৰাণময় বোলা হয়। মানৱ জীৱনৰ সকলো কাম প্ৰাণৰ লগত জড়িত। প্ৰাণবিহীন জীৱন হ'ব নোৱাৰে। প্ৰাণে জীৱনক সচেতন আৰু জীৱন্ত কৰে, মৃত্যুৱে জীৱনক প্ৰাণৰ পৰা বিচ্ছিন্ন কৰে। মুনি মনুৱে প্ৰকাশ কৰিছে যে, Pranayama Clear the body and mind, as the five clears dress elements cortarned in the gold when heated.' প্ৰাণাময়ৰ এনে এটা গুণ আছে যি মনটোক অসত্য, অজ্ঞান, দৈহিক আৰু মানসিক তাপৰ পৰা মুক্ত কৰিব পাৰে। পৱিত্ৰ মনেৰে সাধকে আকাংক্ষিত উদ্দেশ্য সাধনৰ কাৰণে ধ্যান আৰু সমাধি স্তৰলৈ আৰোহণ কৰিব পাৰে। ই আমাৰ শাৰীৰিক আৰু মানসিক দুৰ্বলতা নাশ কৰিব পাৰে। প্ৰাণায়মৰ বিজ্ঞান সন্মত শ্বাস-প্ৰশ্বাস লোৱা পদ্ধতি। শৰীৰত তেজ চলাচল প্ৰক্ৰিয়াৰ উন্নতি সাধন কৰে।

মানুহৰ হাঁওফাঁওটো মৌচাকৰ দৰে, ইয়াত প্ৰায় ৭৩ কোটি কোষ আছে। সাধাৰণ উশাহ-নিশাহত ইয়াৰ ২৩ কোটি কোষেহে অক্সিজেনপাব নোৱাৰে, তাৰ বিনিময়তে এই কোষবোৰত নানান ধৰণৰ ৰোগ যেনে ঃ- যক্ষ্মা, কাঁহ, বংক্ৰাইটিছ আদি হ'ব পাৰে। কলিজাত তেজ চলাচল ক্ৰিয়া দুৰ্বল হয়। সেয়ে সুস্থ আৰু সবল শৰীৰ আৰু জীৱনৰ কাৰণে পাশ্চাত্য চিকিৎসকসকলে প্ৰাণায়ামৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁলোকৰ মতে নিয়মীয়া ব্যায়াম আৰু প্ৰাণায়ামে বহুত ৰোগ নিৰাময় কৰিব পাৰে। সুস্থ শৰীৰেৰে মানুহে সুখ আৰু আনন্দ অনুভৱ কৰিব পাৰে।

প্ৰাণায়াম, যোগমুদ্ৰা আৰু আসন ব্যায়ামে শৰীৰৰ স্নায়ু আৰু গ্ৰন্থিবোৰত তেজ চলাচল সঠিকভাৱে হোৱাত সহায় কৰে। মানুহৰ হৃদপিণ্ড আৰু হাঁওফাঁও যিমানেই শক্তিশালী আৰু সবল হ'ব সিমানেই শৰীৰৰ খাদ্যপ্ৰাণ আহৰণ ক্ষমতা বৃদ্ধি পায়, শৰীৰ সবল আৰু নিৰোগী হ'ব। এইখিনিতে প্ৰাণায়ামৰ গুৰুত্ব মানুহে উপলব্ধি কৰিব পাৰে। নিয়মীয়া প্ৰাণায়াম আৰু যোগাসনে শৰীৰৰ ৰোগ নিৰাময় কৰাৰ ক্ষমতা বৃদ্ধি কৰে, হৃদপিণ্ড আৰু হাওঁফাঁওৰ দুৰ্বলতা নাইকিয়া কৰিব পাৰে। মানুহে নিয়মীয়াকৈ প্ৰাণায়াম অভ্যাস কৰিলে শাৰীৰিক অশান্তিৰ উপৰি মানসিকভাৱে অহা শোক, তাপ আদিৰ পৰা পৰিত্ৰাণ পাব পাৰে। মগজু স্থিৰ কৰে, বুদ্ধি, স্মৃতি শক্তিৰ উন্নতি সাধে, বিবেক প্ৰখৰ হয়, প্ৰাণায়ামৰ সফলতা হ'ল প্ৰাণবায়ুৰ গভীৰতা প্ৰসাৰতা আৰু নিয়ন্ত্ৰণ। যিজন লোকে নিয়মীয়াভাৱে প্ৰাণায়াম কৰে তেওঁৰ প্ৰতি মিনিটত শ্বাস-নিশ্বাস লোৱা সংখ্যা কমি যায়। পণ্ডিত সকলে চলোৱা সমীক্ষাৰ পৰা দেখা যায় যে যিবিলাক প্ৰাণী, পশু-পক্ষী, জীৱ-জন্তুৱে প্ৰতি মিনিটত বেছি সংখ্যক ভাৱে উশাহ লয় আৰু এৰে তেনেবোৰ প্ৰাণীৰ বা জীৱনৰ জীৱন কাল চুটি। সমীক্ষাত পোৱা গৈছে যে কাছই প্ৰতি মিনিটত পাঁচবাৰ উশাহ লয়, সেয়ে তাৰ আয়ুস চাৰিশ বছৰৰ অধিক। এইটো প্ৰবাদ আছে যে যিমানেই উশাহ লোৱাৰ গতি কম হয়, সিমানেই জীৱনকাল বেছি হয় অৰ্থাৎ "Lesser the speed of respiration per munite, longer the life span."



**ময়ূৰী দেৱী**
স্নাতক তৃতীয় বৰ্ষ




# সাম্প্ৰতিক চিন্তা : ৰেগিং

ঘৰৰ পৰা ওলোৱাৰ পৰত ঋতুৱে সকলোৱে পৰা বিদায় লৈছে। মাকৰ চকুত চকুলো। আইতাকৰ আৰ্শীবাদ আৰু দেউতাকৰ মৰমসনা অনুৰোধ তথা আদেশ শিৰত লৈ বাহিৰত পঢ়িবলৈ ওলাইছে। ঘৰৰ এটাই ল'ৰা। গতিকে সকলোৰে আশা-আকাংক্ষাৰ স্থল এটাই। স্কুলীয়া জীৱন সামৰি কলেজীয়া জীৱনত ভৰি দিছে বহু আকাশলংঘী উচ্চাকাংক্ষাৰে। নতুন কলেজত পৰ্দাপন কৰোতে প্ৰথম অৱস্থাত মনত এফালে তীব্ৰ কৌতুহল আৰু আনফালে ৰেগিঙৰ আশংকা। কলেজত প্ৰৱেশ কৰিয়ে দুৰত দেখিলে এটা ল'ৰাৰ জুম। জুমটোৰ পৰা দাদা যেন লগা এজনে বৰ বেপেৰুৱা সুৰত মাতি নিলে। কিংকৰ্তব্য বিমূঢ় হৈ সি ল'ৰাজনৰ পাছে পাছে খোজ ল'লে। জুমটোৰ সকলো ল'ৰাই বেঢ়ি ধৰি তাক প্ৰশ্ন কৰিবলৈ ধৰিলে। সি ইমানেই নাৰ্ভাচ কৰিলে যে কোনো প্ৰশ্নৰে সঠিক উত্তৰ দিব নোৱাৰিলে। লাহে লাহে তাৰ ওপৰত আৰম্ভ হ'ল মানসিক তথা শাৰীৰিক উৎপীড়ন। এদিন নহয় দুদিন নহয় কেইবাদিনো ধৰি ধাৰাবাহিকভাৱে চলিল এই উৎপীড়ন। অৱশেষত ঋতুৱে টালি টোপোলা বান্ধি উচ্চাকাংক্ষা মনৰ এচুকত তলা লগাই ঘৰলৈ উভতি আহিল।

উল্লেখিত ল'ৰাজনৰ দৰে বহুজন ছাত্ৰই মুখামুখী হ'বলগীয়া হৈছে একেই ভয়ংকৰ পৰিস্থিতিৰ। বহুজনৰ আশা-আকাংক্ষা নিজৰ সপোন কল্পনা তথা উৎসাহ উদ্দীপনাবোৰ জলাঞ্জলী দি স্থবিৰ কৰি পেলাই উৰ্ধগামী জীৱনৰ গতি। ইয়াৰ মূলতে হৈছে ৰেগিং। বৰ্তমান সময়ৰ ছাত্ৰ সমাজত এক ভয়ংকৰ ব্যাধি স্বৰূপ হ'ল ৰেগিং। ৰেগিঙৰ বলি হোৱা ছাত্ৰ সকলৰ কোনো মানসিক অৱস্থাৰ বুজ নোলোৱাকৈ আনটো পক্ষই তেওঁলোকক ব্যতিব্যস্ত কৰি তোলে। যাৰ ফলত ছাত্ৰসকলে আধাতে নিজৰ জীৱন ধ্বংস কৰাৰ বাদেও আত্মহত্যা পৰ্যন্ত সংঘটিত কৰাটো পৰিলক্ষিত হয়।

অৱশ্যে প্ৰথম অৱস্থাত হোৱা চিনাকী পৰ্বত যদি নাম, ঠিকনা, হবি আদিবোৰ সোধা হয় বহুতো ছাত্ৰ-ছাত্ৰীয়ে তাক ৰেগিং বুলি ধৰি লয়। প্ৰকৃততে ৰেগিং শব্দটো আহিছে 'Rag' শব্দৰ পৰা। ৰেগ শব্দৰ অৰ্থ হৈছে খং তোলা, বিৰক্তি কৰা বা তিৰস্কাৰ কৰা। কিন্তু প্ৰাথমিক চিনাকীত সোধা এই নাম ঠিকনা আদিবোৰে কেতিয়াও ছাত্ৰ-ছাত্ৰী সকলৰ মনত বিৰক্তি জন্মাব নোৱাৰে বুলি ভাৰিব পাৰি। অৱশ্যে সকলো ঠাইতে সকলোৱে যে ইমান ভদ্ৰ আৰু সাৱলীল ভাৱে কাৰোৱাৰ লগত চিনাকী হ'ব সেইটো নহয়। উদাহৰণ স্বৰূপে দেখা যায় প্ৰথম অৱস্থাত মাৰ্জিত ভাৱে চিনাকী হোৱাৰ পাছত যেতিয়া তেওঁ কি কৰি ভাল পায়, কি কায় ভাল পায় আদি বিষয়ে ছাত্ৰজনক সোধা হয়, তেতিয়া ছাত্ৰজনেও যদি সকলোৰে ভাল পোৱাৰ দৰে সিও গান শুনি ভাল পাও বুলি কয় তেতিয়া বিপৰীত পক্ষৰ পৰা প্ৰস্তাৱ আহিব যে মাইকেল জেকচনৰ দৰে এটা গান গোৱা। কিন্তু এজন সাধাৰণ ছাত্ৰই মাইকেল জেকচনৰ দৰে গোৱাটো সম্ভৱ নহয়। এনেবোৰ কথাত ছাত্ৰজনে বিৰক্তি পোৱাটো সাধাৰণ কথা। গতিকে মাৰ্জিত ভাৱে এনে আচৰণ কৰিলেও ৰেগিং বুলি ধৰি ল'ব নোৱাৰি জানো? কাৰণ এনেবোৰৰ মাজতেইটো বিৰক্তিৰ কথা জড়িত হৈ আছে।

জীৱনৰ ফুলপাহ সদ্য প্ৰস্ফুতিত অৱস্থাতেই মৰহাই পেলোৱা এই ৰেগিং নামৰ ব্যাধিটো দূৰ কৰিবলৈ বৰ্তমান চৰকাৰেও আইনী ব্যৱস্থা হাতত লৈছে। ৰেগিং কৰা ছাত্ৰ-ছাত্ৰীক কলেজৰ পৰা বহিষ্কাৰ কৰাৰ লগতে ৫০,০০০ টকাৰ জৰিমনা ভৰিব লাগে। চৰকাৰৰ এই পদক্ষেপ ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ পৰা ৰেগিঙৰ আশংকা কিছুদূৰ কৰাৰ লগতে তেওঁলোকৰ উচ্চাকাংক্ষাবোৰ পূৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি ক'ব পাৰি। কিয়নো ৰেগিঙৰ ভয়ত বাহিৰত পঢ়িবলৈ দ্বিধাবোধ কৰা ছাত্ৰ-ছাত্ৰী সকলে বৰ্তমান সময়ত নৱ উদ্যমেৰে আগবাঢ়ি যাবলৈ সাহস কৰিছে। ৰেগিং নামৰ ভয়াবহ ব্যাধি দূৰীকৰণত কেৱল চৰকাৰ বা কলেজ কৰ্তৃপক্ষই কাৰ্যসূচী হাতত ল'লেই নহ'ব, এই অভিযানত সমাজৰ প্ৰতি দায়বদ্ধ হৈ প্ৰতিজন লোকৰ সক্ৰিয় অংশ গ্ৰহণতহে সফল ৰূপত ৰূপায়িত হ'ব। গতিকে, আঁহক আমি সকলোৱে ৰেগিংৰ বিপক্ষে সজাগ হৈ শিক্ষাৰ ক্ষেত্ৰত এক সৌষ্ঠৱপূৰ্ণ পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰো।

# শক্তি স্বৰূপা নাৰী

**প্ৰণীতা ফুকন**
স্নাতক দ্বিতীয় বৰ্ষ



পূৰ্বৰেপৰা ভাৰতীয় নাৰীয়ে জীৱনৰ সকলো শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ সুবিধা পাই আহিছে। ভাৰতবৰ্ষ বিদেশীৰ গ্ৰাসত থকা কালছোৱাত ভাৰতীয় নাৰীৰ ভূমিকা কিছু ম্লান পৰিছিল যদিও ঝান্সিৰ ৰাণী লক্ষ্মীবাই আৰু ৰাণী মংগাম্মাৰ দৰে যোদ্ধাৰ অমৰ যুঁজে নাৰীৰ মান যুগমীয়া কৰি গ'ল। ভাৰতে স্বাধীনতা লাভ কৰাৰ লগে লগে নাৰীৰ পুনৰোত্থান সোনকালেই দেখা গ'ল। দ্বাদশ শতিকাৰ লীলাৱতী, মৈত্ৰেয়ীৰপৰা আৰম্ভ কৰি মানৱ সেৱাৰ মূৰ্ত্ত প্ৰতীক মাদাৰ টেৰেছাৰ লগতে সশস্ত্ৰ সেনা বাহিনীতো প্ৰবুদ্ধ নাৰী অতিকে গুৰুত্বপূৰ্ণ। কাৰণ, তেওঁলোকৰ চিন্তাভাৱনা, কৰ্মপদ্ধতি এখন ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত উপযুক্ত।

অসমীয়াত এষাৰ প্ৰবচন আছে — লাউ সদায় পাতৰ তল।" যেনেকৈ পাতৰ অবিহনে লাউ নিটিকে ঠিক তেনেকৈ লাউ অবিহনে পাত মূল্যহীন। অৰ্থাৎ নাৰীৰ অবিহনে পুৰুষৰ জীৱন মৃতপায় গছৰদৰে। কিন্তু, দুৰ্ভাগ্যবশতঃ অসমীয়া সমাজৰ কিছু পুৰুষে নাৰীক চাৰিসীমাৰ ভিতৰত উপযোগীস্বৰূপে আৱদ্ধ কৰি ৰখাৰ ভুল ধাৰণা মনত আজিও পুহি ৰাখিছে। যাৰ বাবে ২০১০ বৰ্ষৰ ভিতৰত ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ ৰাষ্ট্ৰীয় স্বপ্ন যেন কঠিন হৈ পৰিব। গতিকে, অসমীয়া সমাজৰ প্ৰতিজন পুৰুষে উপলব্ধি কৰা উচিত লাও বিহীন এজোপা গছ প্ৰাণহীন। কিয়নো দেশৰ উন্নয়নত নাৰীৰ ভূমিকা পুৰুষতকৈ কোনো গুণে কম নহয়।

নাৰী — সৃষ্টিৰ এক অনন্য শব্দ। নাৰী সকলে সৃষ্টি কৰ্তাৰ এই অপূৰ্ব শব্দৰ মান ৰাখি কাম কৰা উচিত। প্ৰভুত্বৰ বলত বলীয়ান কিছু নাৰী অপকৰ্মত লিপ্ত হৈ সমাজৰ আন কিছু নাৰীৰ বাট গ্ৰাস কৰি পেলাইছে। অসমীয়া সমাজৰ এগৰাকী নাৰীৰ এটি সাধাৰণ ভুলে বহুতো নাৰীৰ মুকলি দুৱাৰ বন্ধ কৰি পেলাই। উদাহৰণস্বৰূপে, কিছু পুৰুষে বা যুৱকে কৰা ভুল জীৱন ব্যাপি সমাজত স্পষ্টভাৱে জঁহি নাথাকে। কিন্তু, একোগৰাকী তিৰোতা বা যুৱতীয়ে কৰা ভুল জীৱনব্যাপি সমাজৰ চকুত এটি ক'লা দাগ হৈ জিলিকি থাকে। সমাজত নাৰীৰ ভুল যেন এক অভিশাপ। গতিকে, সকলো আওকাণ কৰি অসমীয়া সমাজৰ প্ৰতিটো কামতে অসমীয়া নাৰীয়ে নিজক শক্তিস্বৰূপা নাৰী হিচাপে পৰিগণিত কৰি আগবাঢ়ি গ'লে অসমে ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰ হিচাপে স্বীকৃতি পোৱাত সহায় কৰিব।

সৃষ্টিৰ পুৱতি কালৰে পৰা নাৰীক পুৰুষৰ সমানে আসন দিয়া হৈছে। এই কথা লক্ষ্য ৰাখি নাৰীসকল নিজৰ প্ৰতিভাত আগবঢ়া উচিত। নাৰীসকলে একো একেটা সবল পৰিৱেশ সৃষ্টি কৰি তড়িৎগতিত নিজেই মানৱ কেন্দ্ৰিক মিছন তৈয়াৰ কৰা উচিত। নাৰীৰ এই সবল সংগঠনত নিশ্চয় পুৰুষেও সহায়ৰ হাত আগবঢ়াব। নাৰীসকলে নিজৰ মাজত এক আত্মবিশ্বাস গঢ়ি তুলিব লাগিব; যাৰ দ্বাৰা পূৱৰপৰা পশ্চিমলৈ প্ৰত্যেকেই জীপাল হৈ উঠে। সংঘৰ্ষৰ আন এক ৰূপ নাৰী। গতিকে, কিছুমান ভ্ৰান্ত ধাৰণা হৃদয়ত পুহি নাৰাখি নাৰীসকল আগবাঢ়ি অহা উচিত। সমাজৰ প্ৰতি গৰাকী নাৰীয়েই যদি নিৰ্ভীক ভাৱে আগবাঢ়ি আহে তেন্তে নাৰীসবলীকৰণ প্ৰথাৰ নিশ্চয় প্ৰয়োজন নহ'ব।



## গ্ৰন্থ সমালোচনা

# নাহৰৰ নিৰিবিলি ছাঁ

কাশ্মিৰী গগৈ
স্নাতক প্ৰথম বৰ্ষ

শাৰী শাৰী নাহৰ গছৰ মাজত স্ব-মহিমাৰে উজ্জ্বল থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পাৰ কৰা আঢ়ৈটা বছৰৰ অভিজ্ঞতা, উপলব্ধি তথা অনুভৱে সম্পূৰ্ণ ১৪টা বসন্তৰ পাছত আঁহফালি সাৰটি ধৰাৰ মনোৰম কাহিনীৰে উপন্যাসখনৰ পাতনি মেলি লেখিকাই ইয়াৰ মূল নাৰী চৰিত্ৰ ভাস্বতীৰ যোগেদি কাহিনীত প্ৰাণ সঞ্চাৰ কৰিছে। বিশ্ববিদ্যালয়ৰ চৌহদৰ উত্তালযৌৱনৰ স্বতঃস্ফুট প্ৰকাশৰ স্মৃতি সজীৱ কৰি ভাস্বতী উভতি গৈছে বিশ্ববিদ্যালয়ৰ শাৰী শাৰী নাহৰৰ মাজলৈ; যেতিয়া বিশ্ববিদ্যালয়ৰ দুহাতত স্মৃতিৰ পানচৈ মেলিছে। এক আৱেগ, হোষ্টেলীয়া জীৱনৰ কথাৰে উজ্জ্বলি উঠিছে " নাহৰৰ নিৰিবিলি ছাঁ।"

অসমীয়া সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ এইখন শেহতীয়া উপন্যাস। আন উপন্যাসৰ বিপৰীতে এই উপন্যাসখনে পাঠকক আনন্দ দিবলৈ সক্ষম হৈছে। এই উপন্যাসখনে নাৰীবাদী চিন্তাৰ বহুতো নতুন দিশ উন্মোচিত কৰিছে। নাৰীৰ মুখে আন এগৰাকী নাৰী ৰূপ লাৱণ্যৰ অকপটভাৱে প্ৰশংসা কৰাৰ কাহিনীভাগে নাৰী সমাজলৈ নতুন চিন্তা কঢ়িয়াই অনাটো ধ্ৰুৰূপ।

উপন্যাসখনত আন এক দৃশ্যত "সমকামিতা" বিষয়ত স্থান দি ঔপন্যাসিকাই এই ক্ষেত্ৰত জ্ঞান, শিক্ষা আৰু ভাবনাৰ এক সাহসী দৃষ্টি নিক্ষেপ কৰাত উপন্যাসখনে আন এক মাত্ৰা লাভ কৰিছে। গাৰ্লচ হোষ্টেল কেন্দ্ৰীক উপন্যাসখনৰ মাজেদি এজাক তৰুণীৰ বুকুৰ উখল-মাখল উন্মোচিত কৰাৰ লগতে "ৰেগিং"ৰ ক্ষেত্ৰত বিশ্লেষণ আগবঢ়াবলৈ সক্ষম হৈছে। তদুপৰি গাৰ্লচ হোষ্টেলৰ মজিয়া গৰকা ইয়াৰ সৈতে একাত্মীয়তা গঢ়ি তোলা প্ৰতি গৰাকী নাৰীৰ বাবে ই এক জীৱন্ত ছবি। আনহাতে " জ্যোতি বাটচৰা" গৰাকী নাহৰ গছৰ সৈতে বন্ধুত্ব পাতি অহা বহুজনৰ বাবে এই উপন্যাসখন এক সতেজ নষ্টালজিয়া। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ ভাস্বতীৰ সংস্পৰ্শলৈ অহা বিভিন্নজনৰ চৰিত্ৰৰ মাধ্যমেদি ডিব্ৰুগড় বিশ্ববিদ্যালয় গৰাকি অহা বিভিন্নজনৰো বাস্তৱত সংস্পৰ্শলৈ অহা প্ৰিয়জন তথা বন্ধুবৰ্গ, জ্যেষ্ঠ, কনিষ্টসকল ভাস্বৰ হৈ উঠে অতীতৰ এক সুমধুৰ স্মৃতি হৈ।

উপন্যাসখনৰ শেষ পৃষ্ঠাত ঔপন্যাসিকাই ভাস্বতীৰ মুখেদি কোৱাৰ দৰেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নিজৰ উপস্থিতি জাহিৰ কৰি অহা অন্যসকলেও পিছৰ জীৱনত তেওঁৰ সংস্পৰ্শলৈ অহা বিভিন্ন জনৰ মাজেৰে দুই এজনকহে পিছৰ জীৱনত কাষত পাই আহিছে। বহুজন হয়তো হেৰাই গৈছে, সময়ৰ বালিচৰত নাইবা বহুজন থাকিও নথকাৰ দৰেই হৈছে।

উপন্যাসখনৰ উপস্থাপন, কাহিনীৰ প্ৰবাহমান গতি আৰু বিষয়বস্তুৰ যথোপযুক্ত অৱতাৰণাই পাঠক সমাজত বহুতো আনন্দ দিছে।



# গল্পৰ সঁফুৰা





**ঠাইতে লিখা গল্প**

# সংযোগ

**চিমী আহমেদ**
স্নাতক দ্বিতীয় বৰ্ষ



অশোকহঁতৰ চুবুৰীটোত এইকেইদিন ব্যস্ততা আৰু কৌতূহলতাই ছানি ধৰিছে। ইফালে মাকনহঁতৰ ঘৰত কন্দা-কটা আৰু এইফালে অপুহঁতৰ পুখুৰীৰ পাৰত মানুহৰ ভিৰ। সৰু সৰু ল'ৰা -ছোৱালীকেইটাৰ বাবে এক উৎসৱমুখৰ পৰিৱেশ। পুখুৰীৰ পৰা ঘৰলৈ, ঘৰৰ পৰা পুখুৰীলৈ নিয়া তাঁত-বাটি, পুলিচৰ চাইৰেন বজোৱা গাড়ীৰ পিছে পিছে দৌৰা এইবোৰেৰে সৈতে শিশুবোৰে বহুত স্ফূৰ্তি কৰিছে। কিন্তু ডাঙৰবোৰৰ মনবোৰ গোমা, অনাহকতে এনেবোৰ ঝামেলাত সোমাবলৈ পাই; তাতে আকৌ পুলিছৰ ঝামেলা।

আচলতে কি ঘটিল কোনেও গম নাপায়, মাত্ৰ যোৱাকালি মাকনে আত্মহত্যা কৰা খবৰটোৰ বাদে। অপুৰ মাকেও মনৰ ভিতৰতে মাকনক গালি পাৰিছে -- " মৰিছিলি, মৰিছিলি! তাতে আকৌ আমাৰ পুখুৰীটোতহে মৰিবলৈ পালিনে? মৰাৰ লগতে জীয়াবোৰৰো অশান্তি কৰি থৈ যাবলৈ তোক কিহে পাইছিল" ইত্যাদি ইত্যাদি। প্ৰথমতে অপুৰেহে কথাটো গম পালে। সি ৰাতিপুৱাই উঠি ডিব্ৰুগড়লৈ যোৱাৰ কথা , সেয়ে মাকক জগাই থৈয়েই ল'ৰালৰিকৈ পুখুৰীৰ পাৰত বাল্টি আৰু মগ এটা লৈ থিয় হ'লগৈ। পানী তুলিবলৈ দলংখনত ভৰি দিওঁতেই সি মাকনৰ ৰঙা চুৰ্ণিখন উপঙি উঠা দেখি মাকক জোৰেৰে চিঞৰিবলৈ ধৰিলে। মাকেও হাঐ -বিঔ কৈ দৌৰি আহি যি ধৰণেৰে চিঞৰ-বাখৰ লগালে গোটেই গাওঁখনেই পুখুৰীৰ পাৰটোত জমা হ'বলৈ বাধ্য হ'ল। প্ৰথমতে কোনেও কথাটো তৎ ধৰিবই পৰা নাছিল। মাকনৰ মাকেহে "মাকন ঔ, ক'ত আছ ঔ, মাকন, মাকন" বুলি ধুম-ধুপাল লগাই থাকোঁতে বীৰেনৰ মাকে দৌৰাদৌৰিকৈ আহি পুখুৰীৰ পাৰত খবৰ দিলেহি যে, মাকন ঘৰত নাই'। অপু, বীৰেন, অশোকহঁতে ধৰা-ধৰিকৈ মাকনৰ নিষ্প্ৰাণ দেহটো পাৰলৈ তুলি অনাত উপস্থিত সকলো হতভম্ব হ'ল ! প্ৰথমে সকলোৱেই নিজৰ চকুক বিশ্বাস কৰিবলৈ টান

পালে, কিয়নো ইমান স্মাৰ্ট, টাউনৰ কলেজত পঢ়া ছোৱালীজনীয়ে হঠাতে এনেদৰে পুখুৰীত জাঁপ দিয়াৰ কাৰণ কি কোনেও উলিয়াব পৰা নাই। লাহে লাহে খবৰটো বিয়পি পৰিল, পুলিছ আহিল আৰু আহিয়েই সকলোকে আনকি কান্দি কাটি আউলী-বাউলী হোৱা মাকনৰ মাককো শটোৰ ওচৰৰপৰা আঁতৰাই পঠালে আৰু উপস্থিত সকলোকে সোধা-পোছা আৰম্ভ কৰি দিলে।

মাকন থাকে নগৰৰ ভাৰাঘৰত, তাৰপৰাই তাই কলেজলৈ অহা-যোৱা কৰে। বন্ধ পালে বা উৎসৱে পাৰ্বণে ঘৰলৈ আহে, দুদিনমান কণা-মুনাকৈ থাকি গুছি যায়। কিন্তু এইবাৰ তাইৰ কি হ'ল বা প্ৰায় পোন্ধৰদিনমানহে হ'ল তাই ঘৰলৈ অহা। যোৱাৰ কোনো নাম গোন্ধই নাই, মাকে সুধিলেও 'যাবৰ মন নায়', ' পঢ়িব নোখোজোঁ', 'মোক তাৰ ( চহৰৰ) কথা নক'বা' এনেধৰণৰহে উত্তৰ দিয়ে। মাজে মাজে তাই ঘৰৰ পৰা পৰীক্ষাৰ মাচুল দিব লাগে বুলি কৈ সৰকাই নিয়া টকাৰে কিনা মোবাইলটোৰে আৰ তাৰ লগত কথা পতাও মাকে শুনে, কিন্তু একো নুসুধে। পুলিছেও তদন্ত কৰি একো সন্দেহজনক তথ্য উদ্ধাৰ কৰিব নোৱাৰিলে। কিয়নো মাকনৰ আজিকালি গাঁৱৰ কাৰোৰে লগত একপ্ৰকাৰ সম্পৰ্ক নাই বুলিয়ে ক'ব পাৰি। পুলিচে শ-টো দুপৰীয়া সময়ত পোষ্টমৰ্টেমৰ কাৰণে পঠালে, লগত গ'ল অপু আৰু বীৰেন। অপুৰ যাবৰ মন নাছিলেই, তাইৰ বাবেই সি ডিব্ৰুগড়লৈ যাব নাপালে। বীৰেনে জোৰ কৰাতহে ওলাইছে। প্ৰায় গধূলি সময়ত পোষ্টমৰ্টেমৰ ৰিপৰ্ট ওলাল, অপু আই.এ. পাছ হোৱাৰ বাবে ৰিপৰ্টটো পঢ়াৰ বাবে সুবিধা পালে। বাকী একো বিশেষ বুজি নাপালেও এটা শব্দই তাৰ মনত জোঁকাৰণি তুলি দিলে। সি বাৰে বাৰে পঢ়ি চাইছে, কিজানি বানানেই ভুল হৈছে। কিন্তু নাই, Pragnent শব্দটো ঠিকেই আছে, তাৰ বানানো ঠিকেই আছে। তাতকৈ প্ৰায় ৫ বছৰৰ সৰু এইজনী গাভৰু ছোৱালী গৰ্ভৱতী কেনেকৈ হ'ল ? সি গাঁৱত ক'ব কেনেকৈ বা কাক এই প্ৰশ্নটো সুধিব তৎ উলিয়াব নোৱাৰি হস্পিটালৰ বাৰাণ্ডাৰ বেঞ্চখনতে বহি পৰিল। বীৰেনে কথাটো জানি একো প্ৰতিক্ৰিয়া নেদেখুৱালে আৰু অপুক জোৰকৈ তাৰ পৰা উলাই সিহঁতি যাবলাগা এম্বুলেঞ্চখনৰ পিনে খোজ ল'লে।

কথাটো গাঁৱত জনাজাত হোৱাত কিছুমানে ঘৃনাত নাক কোঁচালে, কিছুমানে দুখ প্ৰকাশ কৰিলে কিছুমানে চহৰলৈ গৈ বদনামী হোৱাৰ ওপৰত এটা এটা প্ৰকাণ্ড প্ৰকাণ্ড বক্তৃতা দিলে। অপুৱেও মাকক বিচাৰি নেপাই মাকনহঁতৰ ঘৰত থাকিব পাৰে বুলি তালৈ গ'ল। মাকনৰ মাক বেহুঁচ প্ৰায়, ওচৰৰ বয়সীয়াল মহিলাৰ গুণগুণনিৰে ঘৰ ভৰি আছে। মাকনৰ বিচনাখনৰ কাষতে মূঢ়া এটাত অপু বহি পৰিল। সি গোটেই ঘটনাটো মনতে পাগুলিবলৈ ধৰিলে। চাৎকৰে তাৰ তিনি দিনৰ আগৰ ঘটনাটোলৈ মনত পৰিল। সি দুপৰীয়া নৈৰ পাৰত মাছ মাৰিবলৈ গৈছিল, মাক দুদিনৰ আগতেই বায়েকৰ ঘৰলৈ গ'ল। দেউতাকে বাৰাণ্ডাতে চকীএখনৰ ভঙা খুৰাটো মেৰামতি কৰি আছিল। প্ৰায় দুঘণ্টামানৰ পিছতে সি ভোক লগাত ল'ৰা লৰিকৈঘৰলৈ আহি দেখে ঘৰত কোনো নাই। কিন্তু দেউতাক গ'ল ক'লৈ ? সি টিউবেলৰ পাৰলৈ গৈ চালে, দেউতাক তাতো নাই।

গাতে লাগি থকা মাকনৰ ঘৰৰ পৰা কিছুমান অস্ফুট ধ্বনি আৰু কিবা পেলোৱাৰ শব্দ শুনা গ'ল। সি অলপ আঁচৰিত হ'ল, মাকনৰ আৰু মাকনৰ মাক মোমায়েকৰ ঘৰলৈ যোৱা কথাটো সি জানে। মাকনেনো ঘৰত অকলে থাকোঁতেই ইমান হুলস্থুল কৰি আছেনে ? সি বেছি গুৰুত্ব নিদিলে। তাৰ মনটো তেতিয়া নৈৰ আনটো পাৰৰ ঘূলিত বৰশী টোপোৱাৰ বাবে ব্যাকুল। ওলাই আহোঁতেই মাকনহঁতৰ নঙলাডাল মাৰি দেউতাক ওলাই অহা দেখিলে যদিও সি নৰ'ল। তৎক্ষণাৎ সাপে খোঁটা মানুহৰ দৰে সি জাপ মাৰি উঠিল। কি কথাত কেনে সময়ত এই কথাটো মনলৈ আহিল ? কথাটোৰ আচম্বিত সংযোগত তাৰ মূৰ ঘূৰাই যোৱাৰ উপক্ৰম হ'ল। সি আৰু ভাবিব নোৱাৰিলে। তাৰমানে সেইদিনা দেউতাকে মাকনক..... সি ঠাইতে মূৰে কপালে হাত দি বহি পৰিল। ☒

# জীৱন, সংগ্ৰাম আৰু এমুঠি আশা

**ৰিজু বৰগোঁহাই**
স্নাতক দ্বিতীয় বষ



পুৰতি নিশা ক'ৰবাৰ পৰা ভাহি আহে বাঁহীৰ কৰুণ সুৰ। কোনে বজাইছে ইমান কৰুণ সুৰ কোনে ...? নৈপৰীয়া বতাহজাকে চুই গ'ল সুকন্যাৰ আলসুৱা মন। খিড়িকীৰ কাষত ভেজা দি চাই ৰ'ল নিজান শেষ নিশাটো। ক্ৰমশঃ ... পোহৰবোৰ হেঁচা ঠেলাকৈ সোমাই পৰিছে ...? কংক্ৰিটৰ নগৰীত ব্যস্ততাও যে তাইক সংগ দিব খোজা নাই আজি। ওহো আজি তাই হেৰুৱাব নোখোজে নষ্টালজিয়া।

ঃঃঃঃঃঃ

মৰহিব ধৰা ফুলৰ পাপৰিবোৰ পুনৰ জীপাল হৈ পুলি উঠিব পাৰেনে? ওহো নোৱাৰিব যদিহে তাত সহায় নকৰে দুখন কোমল হাতৰ পৰশে। তাইয়ো ক্ৰমে মৰহিবধৰা ফুলৰ পাপৰি হৈ পৰিছিল কিন্তু কাৰ জানো সোণ কাঠিৰ পৰশত প্ৰাণ পাই উঠিল তাইৰ

উকা উকা মন। ফাগুনে ৰিক্ত কৰি খোৱাৰ পাছতো তাই সজীৱ হৈ উঠিল। তাই যে হেৰুৱাব নোখোজে দেউতাকে দেখা সপোনবোৰ যি চুব খোজে নীলা আকাশখন।

সুকন্যাই এৰি থৈ আহিছিল এখন সুখৰ ঘৰ। য'ত চৰাইৰ কাকলিত সাৰপাই চৌপাশ। বৰগীতৰ অমিয়া সুৰে স্নিগ্ধতা বিলাই সকলোৰে মনত। তেনে এখন ঘৰ এৰি আহিছিল কেৰিয়াৰ গ্ৰাফডাল ওখ কৰাৰ খাতিৰত। বিদায় বেলাত উচুপিছিল ঘৰখনৰ চৌপাশে। তথাপিও তাই আহিছিল সপোনবোৰ দিঠকত সজাবলৈ। কিন্তু তাই ইয়ালৈ আহি হেৰুৱাই পেলাইছিল নিজস্বতা। পশ্চিমীয়া ঢৌত উটি ভাহি শেষ হৈ গৈছিল তাইৰ দেবদাৰু ওখ হেপাঁহবোৰ। ক'ত হেৰাই গ'ল ক'ত? ক'ত ভূল হৈ গ'ল।

ঃঃঃঃঃঃঃঃঃ

জীৱনত একোৱে চিৰস্থায়ী নহয়, যিদৰে নহয় যন্ত্ৰণাবোৰ হেৰুৱা দুখবোৰ। তাইয়ো প্ৰথমে হেৰুৱাইছিল নিজস্ব চিন্তাধাৰা তথাপিও সুখত আছিল। কিয় তাই সুখত আছিল কিয়? সেই প্ৰশ্নৰ উত্তৰ তাই এতিয়া দিব নোৱাৰে।

" সুখৰ লগৰী বহু পাবা নিবিচাৰিলেও
কিন্তু দুখৰ লগৰী বিচাৰি ফুৰিলেও
নিজৰ বাহিৰে কাকো নাপাবা, কাকো নাপাবা।"

মাকে সৰুতে কোৱা এই কবিতা লগা কথাষাৰি মনত পৰি গ'ল। ঠিকেই কৈছিল তাইৰ চেনেহী মাকে। উহঃ মা তুমি মোক এৰি নিদিবা এই দুখৰ সাগৰত।

ঃঃঃঃঃঃঃঃ

সকলো আছিল সুকন্যাৰ। সকলো আছিল ......। ৰূপে গুণে তাইৰ সমান কোনো নাছিল যদিওবা নাছিল ঐশ্বৰ্য বিভূতি। কিন্তু তাই এই নগৰীলৈ আহি এখন প্লেটফৰ্ম পালে য'ত হেৰাই যাবলৈ দিয়া হয় পৰিৱৰ্তনৰ ধামখুমীয়াত য'ত শেষ হয় অতীতৰ মধুৰীবোৰ।

সুকন্যা, সুকন্যা ব'লাচোন আজি মোৰ লগত ওলাই যাওঁ। কিমাননো ভিতৰতে সোমাই থাকা। পঢ়িবলৈ আহিছা বুলি অকল পঢ়িয়েই থাকা। এতিয়াই এনজয় কৰি নল'লে কেতিয়া কৰিবা বিয়াৰ পাছত হাঁ। খিলখিলাই হাঁহি সুকন্যাৰ পঢ়াৰ চকীত হাত থৈ জোকাৰি দিলে তাইৰে ৰূমমেট নীলাই। সেয়াই আছিল নিজস্বতা হেৰুৱাব প্ৰথম আহ্বান।

গৈছিল তাই ওলাই গৈছিল নীলাৰ সৈতে সন্ধিয়া সময়ত এটা বিলাসী ক্লাববলৈ। হোষ্টেলৰ ৰোলচ তাই ভংগ কৰিছিল মিছা কথা কৈ। তথাপি তাই দুখ নহৈছিল ক্লাবত অশ্লীল কাৰবাৰবোৰ দেখি কাৰণ তাইয়ো বিচাৰিছিল ৰংচঙীয়া এখন পৃথিৱী। তাই আত্ম প্ৰতাৰণা কৰিছিল। দেউতাকৰ সমাজৰ যি মৰ্যাদা সেয়া তেওঁ গম নোপোৱাকৈ ক্ৰমে ক্ৰমে শেষ হ'ব ধৰিছিল। তাইক লৈ সপোন দেখা ঘৰখনত তাই সৃষ্টি কৰিছিল এক আলোড়ন।

.......

"ক'ৰবাত এটা উল্কাপিণ্ড খহি পৰিছিল
কোনেও নজনাকৈ কোনেও নেদেখাকৈ।"

সুকন্যাই ঘৰলৈ যাবলৈ প্ৰায় বাদ দিছিল। তাই আনিছিল সেই সমাজত তাইৰ স্থান নাই তাইৰ স্থান এই নগৰীতহে। যি যুৱ উশৃংখলাৰ বিৰুদ্ধে থিয় হ'বৰ বাবে প্ৰাণে পণে যত্ন কৰিছিল। সেই উশৃংখলতাৰ গ্ৰাসত তাইয়ো ক্ৰমাত হেৰুৱাই পেলাইছে তাইৰ অস্তিত্ব। কলেজৰ ক্লাচবোৰো যে কেতিয়াবা তাইৰ কাৰণে বৰ আমনিদায়ক হ'ব এয়াতো ভবাই নাছিল। ৰঞ্জন, দীপ, অনুজৰ বাইকৰ ছীটবোৰে তাইৰ বাবে অপেক্ষা কৰা হ'ল। কিন্তু তাইৰ শুভচিন্তক অভিনৱৰ চাৱনিতো তাইৰ বাবে হ'ল তাচ্ছিল্য। সেয়ে তাই ত্যাগ কৰিছিল তাইৰ প্ৰিয় বন্ধুক। এনেদৰে ক্ৰমে ... হেৰাই গৈছিল। কিমানৰ সৈতে ফুলশয্যা নিশা কটাব লগা হ'ল সেয়া যে তাই হিচাপো কৰিব নোৱাৰিলে।

দেউতাকে মাতিছিল বেমাৰী দেহাৰে আহি।

ঃ মাজনী ঘৰলৈ উভতি যাওঁ ব'ল। ইয়াৰ বতাহে তোৰ নোসোজে।

ঃ দেউতা সেই আউটডেটেড গাঁৱত গৈ মই নিজৰ ষ্টেনৰ্ডাড হেৰুৱাব নোখোজো।

নীলা আকাশ চুবলৈ সপোন দেখোৱা দেউতা বিধ্বস্ত হৈ উলটি গ'ল। এৰি গ'ল একেলগে বহুতো হুমুনিয়াহ। দেউতা ঢুকুৱা আজি চাৰিমাহ হ'ল।

ঃঃঃঃঃ

সমাজৰ হৈ কিবা কৰাৰ মানসিকতা জগোৱা তাইৰ দেউতাকৰ শ্ৰাদ্ধতো যাব নোৱাৰিলে এৰাব নোৱাৰাৰ ব্যস্ততাত। এতিয়া যে তাই সম্পূৰ্ণ অকলশৰীয়া। তাই এতিয়া সোঁৱৰণীৰ পৃষ্ঠাবোৰ লুটিয়াই চকুলো টুকিলেও কান্ধত হাত থৈ সান্ত্বনা দিবলৈও কোনো নাই।

সুকন্যাই নিজৰ দেহটোলৈ চালে। ইয়াতে সোমাই আছে এইডছৰ দৰে মাৰাত্মক ৰোগ। নাজানে তাই, কাৰ দ্বাৰা তাই এনেদৰে বহন কৰিছে এই বিধ্বংসী ৰোগটো। কান্দিবলৈ পাহৰি পেলাইছে, চকুলোবোৰ শুকাই গ'ল এধাৰি দুখৰ মালা গাথিবলৈকো।

অৱশ্যে তাই একেবাৰে নিঃস্ব হৈ যোৱা নাই এতিয়াও। অভি আহিছিল তাইক সান্ত্বনা দিবলৈ। এতিয়াও আহে এই বন্ধ কুঠৰিৰ পৰা তাইক উলিয়াই নিবলৈ। কিন্তু তাইক এডাল গধুৰ সংকোচৰ শিকলিয়ে বান্ধি থৈছে দুভৰি।

ঃঃঃঃঃ

ঃ সুকন্যা, সুকন্যা আৰে তুমি ইয়াতে বৈ আছা। মই গোটেইখন বিচাৰি ফুৰিছোহি ব'লাছোন আজি টাউনৰ ফালে

অলপ ওলাই যাওঁ। - এয়া অভিয়ে তাই খিড়ীকীৰ মুখতে বৈ থাকোতেই আহ্বান জনাইছে। যাবনে তাই ... আকৌ নীলাই ওলাই যাবলৈ প্ৰথমে মতাৰ দৰে তাই বাৰু নিজা চিন্তাধাৰা এৰি এতিয়াও ওলাই যাবনে। ভয় লাগিছে, কিজানি আকৌ তাই ভুল পথতেই ভৰি দিব।

ঃ নাই নাই মই নাযাওঁ। সুকন্যাই আকৌ অভিৰ ফালে পিঠি দিলে আগৰ কেইবাৰৰ দৰে।

ঃ ধেৎ সুকন্যা কিয় একেটা জিদতে আছা। ব'লাচোন অলপ ওলাই ফুৰিবা। ইয়াত তুমি কিমান দিন সোমাই থাকিবা। যিমান দিন পাৰো সিমান দিন নমৰালৈকে।

ঃনহয় সুকন্যা তুমি পাহৰি নাযাবা যে এয়া অকল তোমাৰ লগতে হৈছে। বহুতৰে লগত হৈছে আৰু হ'ব। এই সামাজিক অৱক্ষয়ৰ তুমি মাত্ৰ এটা উদাহৰণহে। তুমি এতিয়াও সমাজত বহু কিবা কিবি দি যাবা পাৰা তোমাৰ পৰা।

ঃ কি দিব পাৰো। যাৰ এতিয়া নিসংগতাই সংগী।

ঃ সুকন্যা, সমাজৰ বাবে তোমাৰ কৰণীয়া তেতিয়াও আছিল এতিয়াও আছে। এতিয়াও তুমি যুৱ প্ৰজন্মক প্ৰতিনিধিত্ব কৰিব পাৰা।

ঃ কেনেদৰে।

ঃ চোৱা, তুমি যিদৰে ক্ৰমে ক্ৰমে ধ্বংস হৈছিলা সেইবোৰ যুৱ প্ৰজন্মক জনাই দিয়া। তোমাৰ গাত থকা ৰোগটোৰ বিষয়েও সজাগ কৰা। মই জানো সমাজৰ এচাম সচেতন লোকে এতিয়াও এই কামাবোৰৰ বাবে সহায় কৰিব।

ঃ কিন্তু সেই বাক্যবোৰ যিবোৰ মই শুনিবলৈ পাম অতীতৰ দোষ বোৰৰ বাবে।

ঃ সেইবোৰ সাময়িক হ'ব সুকন্যা, সকলো সমায়িক কাৰণ কোনো দোষে স্থায়ী নহয় যিদৰে নহয় সুখৰ মাদকতাও।

ঃ ব'লা সুকন্যা আগবাঢ়ো আমি একেলগে। এতিয়া বহু সময় আছে। আমি ঐক্যবদ্ধ হৈ সমাজৰ বিশৃংখলতাবোৰ আঁতৰাবই লাগিব। পংকিলময় বাটেৰে আগবাঢ়ি যায় সময়।

ঃঃঃঃঃঃঃ

প্ৰিয় পাঠক সুকন্যাই বাৰু গ'ল নে অভিনৰে দেখুৱাই দিব খোজা বাটেৰে আগবাঢ়ি, আপোনাৰ জানিবৰ মন নাযায় নেঃ আহকচোন শুনো সুকন্যা কথাৰে —

সুকন্যা ঃ- মই হেৰুৱাই পেলাইছো ক্ৰমশঃ বহুতো সপোন। কিন্তু জীৱন মানেই সংগ্ৰাম। ময়ো সংগ্ৰাম কৰিছো অভিয়ে দেখুৱাই দিয়াৰ বাটেৰে। দেউতাৰ সপোনবোৰে পাহ মেলিছে। সমাজৰ বাবে মই কিবা এটা কৰিবলৈ আগবাঢ়ি আহিলো অভিৰ প্ৰেৰণাতে। এইড্ছৰ দৰে ভয়াবহ ৰোগ মোৰ গাত থিতাপি ল'লেও মই আজি মানসিকভৱে ভাগি পৰা নাই কাৰণ মই যে মোৰ দৰে বহুতো লোকক দেখুৱাইছো জীয়াই থকাৰ এমুঠি আশা। আহকচোন সকলো মিলি সামাজিক অৱক্ষয় ৰোধ কৰো। আমিয়ো মানুহ হোৱাৰ গৌৰৱ কৰো প্ৰতিনিধি হওঁ যুৱ প্ৰজন্মৰ আৰু এই ধৰাতেই ৰচো সুখৰ অলয়।



# অভিশপ্ত এক অধ্যায়

**গায়ত্ৰী শইকীয়া**

স্নাতক তৃতীয় বৰ্ষ

সেমেকা শীতৰ এটি কোমল পুৱাত বহু আকাংক্ষিত এটি সপোনে পূৰ্ণতা পাইছিল স্নিগ্ধা আৰু অমলৰ জীৱনত। ফুলকুমলীয়া অয়নৰ কান্দোনে ঘৰখনৰ চৌদিশে আনন্দ সিঁচি দিছিল। অয়নৰ আগমনে স্নিগ্ধ আৰু অমলৰ ব্যস্ততাপূৰ্ণ জীৱনলৈ আৰু অলপ ব্যস্ততা নমাই আনিছিল।

চাই থাকোতেই অয়নে শৈশৱ, কৈশোৰ পাৰ কৰি যৌৱনৰ দুৱাৰ দলিত খোজ পেলালে। শিক্ষাৰ দিশতো মেট্ৰিকৰ দেওনা পাৰকৰি হায়াৰ ছেকেণ্ডৰী পৰীক্ষাও পাছ কৰিলে। অৱেশ্যে সুখ্যাতিৰে। মাক-দেউতাকৰ এতিয়া এটা ডাঙৰ চিন্তা। কি পঢ়াব, ক'ত পঢ়াব। প্ৰতিস্থিত ব্যৱসায়ী অমলটো একেলগে বহি চাহ কাপ খাবলৈও যেন সময়ৰ নাটনি। এই ক্ষেত্ৰত পেছাত কলেজৰ লেক্‌চাৰাৰ স্নিগ্ধাৰ অলপ দায়িত্ব গধুৰ হৈ পৰিল। প্ৰথমতে একো সিদ্ধান্ত ল'ব পৰা নাই। ল'ৰাৰ জিদ বাহিৰত কিবা লাইনলৈ পঢ়িব। কিন্তু মাকে একমাত্ৰ পুত্ৰক চকুৰ আঁতৰতো ৰাখিব খোজা নাই। বহুত গুণা গঁঠা কৰিলে। লগতে সন্মানৰ কথাও আছে। লগৰবোৰৰ ল'ৰা-ছোৱালী প্ৰায়ে দেখুন বাহিৰত ডাক্তৰ-ইঞ্জিনিয়াৰ পঢ়ি আছে। মাক-দেউতাকৰ প্ৰতিযোগিতাৰ দৌৰখন আছেই। কাৰ ল'ৰাক যিমান দূৰত ৰাখি পঢ়াব পাৰে। অৱশেষত মাক-দেউতাক দুয়ো আলোচনা কৰি একমাত্ৰ পুত্ৰ অয়নক বাংগালুৰুৰ এখন বৃত্তিমুখী শিক্ষা প্ৰতিষ্ঠানত নাম লগাই দিলে।

নিজ পুত্ৰক আঁতৰাই ৰখা বেদনা স্নিগ্ধৰে মাতৃ হৃদয়ে বাৰুকৈয়ে অনুভৱ কৰে। কিন্তু অনলৰ সেই দুখ অনুভৱ কৰিবলৈ আহৰিয়েই নাই। হঠাৎ গাড়ীৰ হৰ্ণ শুনি স্নিগ্ধা বাস্তৱলৈ ঘূৰি আহিল। ল'ৰা ল'ৰিকৈ গৈ গেটখন খুলি দিলে। গাড়ীৰ পৰা নামি আহিল পুত্ৰ অয়ন। বেছিদিন নহয় এটা মাত্ৰ বছৰ পুত্ৰৰ পৰা আঁতৰি আছিল। তথাপিও তাৰ ইমান পৰিৱৰ্তন দেখি স্নিগ্ধৰে মাতৃ হৃদয়ৰ কোনোবা এডোখৰ বিষাই উঠিল। নতুনকৈ গজিব ধৰা অপৰিপাতি ডাড়ি, দীঘলকৈ চুলি, ক্ষীণকায় শৰীৰেৰে এইটো অয়নক দেখি স্নিগ্ধা হতভম্ব হ'ল। ঘৰৰ ভিতৰ সোমায়ে এশ এবুৰি প্ৰশ্ন। অনলৰটো সময়ৰ নাটনি পুত্ৰক নমাই নিজৰ কামত গুচি গ'ল। কৈ গ'ল গধূলি আহি কথা পাতিব।

ইফালে পুত্ৰৰ সাংঘাতিক পৰিৱৰ্তনে স্নিগ্ধাক ভাবুক কৰি তুলিছে। অহাৰ পৰা ৰুমটোৰ ভিতৰতে সোমাই আছে। মাকৰো কিবা আচহুৱা যেন লাগিল। যিটো অয়নে স্কুলৰ পৰা অহাৰ পাছত দিনটো মাকক নোপোৱাৰ আব্দাৰ কৰি পিছনেৰে ৰাতি বিচনাত যোৱালৈকে। সেইটো অয়নে এটা বছৰ মাকৰ পৰা আঁতৰি থাকিও আজি মাকৰ সন্মুখত বহি এষাৰ কথা ভালদৰে পতা নাই। হয়তু তাৰ ভাগৰ লাগিছে। স্নিগ্ধাই নিজকে সান্ত্বনা দিলে। ভাৱিলে ৰাতিলৈ চাগে মাকৰ বুকুৰ উম লৈ শুবলৈ জিদ কৰিব। কিন্তু সেইয়াও নহ'ল।

এনেদৰেই তিনিটা দিন পাৰ হ'ল। কালিলৈ স্নিগ্ধাৰ কলেজৰ ছুটিও শেষ হ'ব। আজি তাই অয়নৰ বুজ লবই লাগিব। একমাত্ৰ পুত্ৰৰ এনে পৰিৱৰ্তনৰ আঁৰত নিশ্চয় কিবা এটা জড়িত হৈ আছে। অয়নৰ ৰুমলৈ মাক সোমাই গ'ল। সি ৰুমত নাই। বাথৰুমৰ পৰা মাকক মাত দিলে। অলপ পিছত ওলাই আহি বিচনাত আকৌ কাপোৰৰ মাজত সোমাল কঁপি কঁপি। মাকে মূৰে গায়ে হাত বুলাই চালে কিজানিবা জ্বৰ হৈছে। কিন্তু নহয়। মাকে আধা খুলি অহা বাথৰুমৰ দৰ্জাখন জপাবলৈ যাওতে সি মাকক বাধা দিলে। সি নিজেই উঠি গৈ পুনৰ বাথৰুমত সোমাল। মাকৰ নাকত এটা বিকট গোন্ধ লাগিল। চিগাৰেটৰ। বিচনাৰ পৰা নামি আহোতে তাৰ জেপৰ পৰা ওলাই পৰা বগা চূণৰ দৰে পাউদাৰৰ পেকেটোত মাকৰ চকুত পৰাত হাতত তুলি ল'লে। বিচনাখন পাৰি দিও বুলি বিচনা চাদৰখন তানি আনোতে কাপোৰৰ মাজৰ পৰা সৰি পৰা কিতাপখনে মাকৰ চকু কপালত তুলিলে। অশ্লিল ছবিৰে ভৰপূৰ এখন মেগাজিন। তলত পৰি ৰোৱা পুত্ৰৰ জন্মদিনৰ উপহাৰ দিয়া দামী কোম্পানীৰ ম'বাইলটো হাতত লৈ মাকে নিজৰ ৰুমলৈ গ'ল। স্নিগ্ধাৰ বুজিবলৈ আৰু বিশেষ একো বাকী নাথাকিল। বিচনাত পৰি কঁপা হাতেৰে ম'বাইলটো পৰীক্ষা কৰিলে পুত্ৰৰ নৈতিক স্খলনে মাকৰ বুকু দংশন কৰি থকা সৰকা কৰিলে।

হঠাতে পুত্ৰ অয়ন পাগলৰ দৰে দৌৰি আহি মাকৰ হাতত থকা বগা পাউদাৰ সদৃশ পেকেট কেইটা কাঢ়ি ল'বলৈ উদ্যত হ'ল। মাকৰ আনকি ডিঙি চেপি ধৰিবলৈও কুণ্ঠাবোধ নকৰিলে। মাকে চৎফটাব ধৰোতে অমল আহি একমাত্ৰ পুত্ৰক সজোৰে এটা চৰ শোধাই আজুৰি আঁতৰাই আনিলে সিহঁত হালৰ মূৰত গোটেই সৰগখন ভাগি পৰিল। স্নিগ্ধাই অনলক অয়নৰ প্ৰতিটো তাৰ পৰিৱৰ্তন আৰু আজিৰ ঘটনাটো বিবৰি ক'লে।

স্নিগ্ধা আৰু অমল এতিয়া উপায়বিহীন। আধুনিকতাৰ বলিয়া বতাহজাকে প্ৰকৃত অনুশাসনৰ অভাৱে চপৰা চপৰে খহাব ধৰা অয়নৰ নৈতিকতাৰে গৰাখহনীয়া ৰোধ কৰে কেনেকৈ! সিহঁত হাল এতিয়া অনুতপ্ত। পুত্ৰৰ পাত দোষ দিবলৈ সিহঁতৰ সাহস নাই। ভুল সিহঁতৰ নিজৰ। যিটো বয়সত সিহঁতে অয়নক মৰমৰ আবুৰত ৰাখি কোমল অনুশাসনেৰে নৈতিকতাৰ শিক্ষা, সামাজিক দায়বদ্ধতাৰ লগতে নিজ দায়িত্ব আৰু কৰ্তব্যৰ শিক্ষা যিটো সময়ত দিব লাগিছিল সেইটো বয়সত অয়নক এৰি দিছিল ঘৰৰ কাম কৰা মানুহ, পুতলা আৰু কম্পিউটাৰৰ লগত। তাত অয়নৰ দোষ ক'ত। ভুলটো সিহঁত মাক-দেউতাক হালৰ। সামাজিক ষ্টেটাছৰ দৌৰত নামি পুত্ৰক চকুৰ আঁতৰলৈ পঠাইছিল পঢ়িবলৈ। চকুৰ আগতে ৰাখিওটো পুত্ৰক পঢ়াই শুনাই মানুহ কৰি গঢ়ি তুলিব পাৰিলেহেঁতেন। সৌ স্বনামধন্য ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, ভূপেন হাজৰিকা, কলাগুৰুৰ আদৰ্শৰে ইয়াতেই পুত্ৰক মানুহ কৰি গঢ়ি তুলিব পাৰিলেহেঁতেন।

এতিয়া স্নিগ্ধা আৰু অমল দুয়ো অনুতপ্ত। নৈতিকতাক বিসৰ্জন দি সমাজ বিৰোধী কাৰ্য্যত লিপ্ত হৈ লৈ অহা বৃত্তিমুখী শিক্ষা আৰু অয়নৰ প্ৰয়োজন নাই। সিহঁতে ঘূৰাই আনিব অয়নক। ইয়াতেই শিক্ষা দিব জাতীয় আদৰ্শৰে। গঢ়িব তুলিব সামাজিক দায়বদ্ধতাৰে সুগঢ়ি কৰি। ভোগ সৰ্বস্ব জীৱন আদৰা বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনবোধ আৰু সিহঁতে নকৰে। মূল্যবোধৰ শিক্ষাৰে শিক্ষিত ত্যাগ সৰ্বস্ব জীৱন আপৰি ল'ব পৰা এটা অয়ন গঢ়ি তুলিব সিহঁতে নতুনকৈ। তাৰ হেৰুৱা নৈতিকতাপুনৰ ঘূৰাই আনিব।

এইয়া আছিল স্নিগ্ধা আৰু অমলৰ জীৱনৰ এক অভিশপ্ত অধ্যায়। দুয়োটাই লগ লাগি সেইয়া সমাধান কৰি ল'ব, কিন্তু পাৰিবনে ড্ৰাগচৰ আসক্তিৰ পৰা অয়নক আঁতৰাই আনিব!



# সোঁৱৰণিৰ এখিলা পাত


**মিতালী শইকীয়া**

স্নাতক দ্বিতীয় বৰ্ষ


খিৰিকীখন খুলি দি লুনাই চাই পঠিয়ালে দূৰৰ পথাৰখনিলৈ। পথাৰখনত এতিয়া সেউজীয়া ৰঙবোৰে এখন বৃহৎ আকাৰৰ চাদৰ পাৰি দিছে। লুনাৰ মনটোও আগুৱাই গ'ল বহুদিনৰ আগলৈ। এনেকোৱা এটা দিনতে তাই ...

ৰাতিপুৱা ঘৰখনত ব্যস্ততাবোৰ বাঢ়ে লৰা ঢপৰাকৈ মাকে নিজৰ কামবোৰ কৰি যায় কালৈকো ঘূৰি নোচোৱাকৈ। দেউতাকক অফিচলৈ যোৱা বাবে লৰালৰিকৈ ভাত কেইটামান বঢ়াই দিয়াৰে পৰা মাকে পাহৰি যায় নিজৰ ভৰি এখনত হোৱা তীব্ৰ বিষে উৰে ৰাতি উজাগৰে ৰখাৰ কথা। লেঙেৰাই লেঙেৰাই মানুহজনীয়ে সকলোবোৰ কাম বৰ নিয়াৰিকৈ কৰি যায়। এনেদৰেই ঘড়ীয়ে কেতিয়ানো পুৱা ১০ বজাৰ সংকেত দিয়ে মানুহজনীয়ে ভাবিৱেই নোৱাৰে। লৰালৰিকৈ নিজেও নাকে-কাণে ভাত দুটামান গিলি তেওঁ ওলাই যায় কাষৰে এল. পি. স্কুলখনলৈ। এনেদৰেই টাকুৰি ঘূৰাৰ মাজতো তেওঁৰ বাবে এটাই মাত্ৰ এটাই সুবিধা তেওঁ শিক্ষকতা কৰা স্কুলখন ঘৰৰ কাষতে। এনেদৰেই ব্যস্ততাৰ মাজেৰেও তেওঁলোকৰ চাৰিজনীয়া সংসাৰখন ভালকৈয়ে চলি আছিল।

লাহে লাহে লুনাৰ লগতে ভায়েকেও খেলিব পৰা হ'ল। কাষৰ স্কুলখনৰ ফিল্ডখনত খেলা-ধূলা কৰি থাকোতেই কেতিয়ানো সিহঁত দুটাই শৈশৱ পাৰ হ'ল কাৰো মনত উমানেই নহ'ল। এদিন দুদিনকৈ লুনাই স্কুলীয়া শিক্ষা সামৰি কলেজৰ ভৰি থলে। সকলো ক্ষেত্ৰতে আগৰণুৱা লুনাই কলেজীয়া পৰিবেশতো সহজেই খাপখুৱাই ললে নিজকে। লাহে লাহে তাইৰ কলেজত বন্ধু বান্ধৱৰ সংখ্যা বাঢ়ি গ'ল। পঢ়া-শুনাতো অলপ আগবঢ়া হোৱা বাবে তাই শিক্ষক শিক্ষয়িত্ৰীৰো প্ৰিয়পাত্ৰ হৈ উঠিল। কেতিয়ানো সময়ে তাইক কলেজৰ পৰাও আগবঢ়াই নিলে তাই গমেই নাপালে। অনাৰ্ছসহ প্ৰথম স্থান পায় লুনাই বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে ছিনিয়ৰৰ সৈতে হোৱা পৰিচয় পৰ্বত্তহে তাইক বৰকৈ কলেজীয়া দিনবোৰৰ মিঠা সোঁৱৰণিয়ে জোকাৰি গ'ল। এদিন দুদিনকৈ এদিন তাই বিশ্ববিদ্যালয়তো পুৰণি হৈ আকৌ এদিন তাই বিশ্ববিদ্যালয়তো পুৰণি হৈ আকৌ এদিন অতীত হ'ল।

দেউতাকে চাকৰিৰ পৰা অৱসৰ লোৱা দিনটোতে তাই হেৰুৱাই পেলালে দুজনকৈ আত্মীয়ক। দেউতাকে তেওঁৰ অফিচৰ কৰ্মকৰ্তা সকলে আয়োজন কৰা আনুষ্ঠানিক ভাৱে বিদায় সভাৰ পৰা আহি ভায়েকৰ সৈতে ওলাই গৈছিল বজাৰলৈ বুলি। ভায়েকেও বৰ উৎসাহেৰে সেই দিনা বায়েক লুনাক দুগালত দুটাকৈ চুমা টপটপকৈ খাই দেউতাকৰ হাতত ধৰি ধৰি আগুৱাই গৈছিল। কিন্তু কোনেও জনা নাছিল নিয়তিৰ নিষ্ঠুৰ ষড়যন্ত্ৰৰ কথা। লুনাইও এবাৰৰ বাবেও ভবা নাছিল বায়েক আৰু

দেউতাকৰ সৈতে যে, সেইয়াই যে, তাইৰ শেষ দেখা। বজাৰলৈ বুলি যোৱা দেউতাকক কোনোৱাই বোলে মুখ, চকুত কলা কাপোৰ বান্ধি গাড়ী এখনত ঠেলা মাৰি সুমুৱাই দি দুৱাৰ খন বন্ধ কৰি দিছিল। দেউতাকক তেনে কৰা দেখি ভায়েকে বৰকৈ চিএঞৰ বাখৰ কৰিছিল কাৰোবাৰ পৰা সহায় বিচাৰি। কিন্তু চিএঞৰি থকা ভায়েকক তাতে এৰি গাড়ীখন জোৰেৰে তাৰ পৰা গুচি গৈছিল। ভায়েক সংজ্ঞাহীন হৈ পৰি ৰৈছিল তাতে।

এইবোৰ খবৰ লুনাই তাইৰ মাকে বহু পলমকৈ পাইছিল। গধূলি বহু সময়লৈকে দেউতাক আৰু ভায়েক ঘৰলৈ উভতি নহাত মাকে কাষৰে লৰা এটাক বজাৰৰ ফালে পঠাইছিল। যেতিয়া সেই লৰাটো উভটি আহি খবৰ দিছিল ঘটি যোৱা ঘটনাটোৰ সম্পৰ্কত তেতিয়া মাকে কান্দোনত গছৰ পাত সৰোৱাৰ দৰে অৱস্থা হৈছিল। তথাপি লুনাৰ মুখলৈ চাইয়ে মাকে নিজকে সান্ত্বনা দিছিল। কিন্তু পাঁচদিনৰ পাছতে মাকেও হেৰুৱাই পেলালে নিজৰ বিবেক, মনৰ শক্তি। কাৰণ পাঁচদিনৰ পাছতে মাকে মুচিব লগীয়া হ'ল শিৰৰ সেন্দুৰ চিৰদিনৰ বাবে। লুনাহঁতৰ ঘৰৰ কিছুদূৰৰ ধনশিৰী নদীখনত মাছমৰীয়া দুজনমানে উদ্ধাৰ কৰিলে লুনাৰ দেউতাকৰ মৃতদেহ হাত ৰৰি বন্ধা অৱস্থাত। সেইদিনাৰ পৰাই মাক একেবাৰে নিশ্চুপ হৈ পৰিল। বজাৰলৈ বুলি ওলাই যোৱা দেউতাকক মৃতদেহৰ ৰূপত ঘূৰাই পালে। কিন্তু দেউতাকৰ লগতে যোৱা, দেউতাকক তুলি নিয়া ঘটনাটো প্ৰত্যক্ষ কৰা একমাত্ৰ ব্যক্তি ভায়েকৰ সংজ্ঞা লুনা আৰু ৰুগীয়া মাকে আজিও নাপালে।

এনেদৰেই লুনা আৰু মাকে বহুদিন অতিবাহিত কৰিলে কাৰো সহায় নোলোৱাকৈ। বিপদৰ সময়ত আত্মীয় স্বজনৰ পৰা এযাৰি সহানুভূতিৰ মাতো নাপালো। ৰুগীয়া মাকজনীয়েও আজিকালি তাইক কিবা কাম বা কথাত সহায় কৰাতকৈ অশান্তিহে দিয়ে যি ঘটি কথা বকি থাকে মাকজনীয়ে।

বাহিৰৰ চোতালত কাৰোবাৰ অস্ফুট মাত শুনি তাই বাস্তৱলৈ ঘূৰি আহিল। খপখপকৈ তাই উঠি গ'ল বহি থকাৰ পৰা। এনেদৰেই খিৰিকী খন খোলাৰ পৰা কিমান সময় বহি থাকিলে গমেই নাপালে। ৰাতিপুৱা সময়ত এনেদৰে খিৰিকী খুলি বাহিৰৰ জগতখনলৈ চোৱাতো তাইৰ বহুদিনৰে অভ্যাস। ৰুগীয়া মাকজনীৰ সৈতে তাই জীৱন সংগ্ৰামত নামি পৰিল। গতানুগতিকভাৱেই তাই কৰি গ'ল কেৱল কাম আৰু কাম। কাষৰ বিচনাখনত শুই থকা ৰুগীয়া মাকক মাত নলগোৱাকৈ লুনা নামি গ'ল বিছনাখনৰ পৰা। ইতিমধ্যে দুৱাৰ টোকৰৰ সংখ্যা বাঢ়ি গ'ল। লুনা নামি গ'ল ভয়ে ভয়ে দুৱাৰৰ সন্মুখত ৰৈ ৰুগীয়া মাকজনীলৈ চাই খুলিবলৈ তাই হাত এখনি আগবঢ়াই দিলে ...। ◻

## মহৎ লোকৰ বাণী –

— মই টোপনি গৈছিলো আৰু সপোনত দেখিলো যে জীৱন মানে সৌন্দৰ্য।
মই সাৰ পালো আৰু দেখিলো যে জীৱন মানেই কৰ্তব্য। ——এলেন ষ্টাৰ্গিজহুপাৰ

— কালিৰ কথা শোক কৰি থাকিলে আজিও হেৰাব। বৰ্ত্তমানৰ সদ্ব্যৱহাৰ কৰা । - লক্ষ্মীনাথ বেজবৰুৱা।

— অসম্ভৱ কথাটো মূৰ্খৰ অভিধানতহে পোৱা যায়।
পৃথিৱীত অসম্ভৱ বুলি কোনো কামেই থাকিব নোৱাৰে। —— নেপোলিয়ন বোনাপাৰ্ট

— আজিৰ কাম কাইলৈ কৰিব বুলি পেলাই নথবা; কাৰণ কাইলৈ তোমাৰ অৱস্থা কি হ'ব তুমি নাজানা।
—— হজৰত মহম্মদ

— এখন কুৎচিত মুখমণ্ডল এটা কুৎচিত মনতকৈ বহুগুণে ভাল। -- টমাছ ইলিছ

চিত্ৰালী হাজৰিকা
উঃমাঃ দ্বিতীয় বৰ্ষ



# হেৰুৱা দিনৰ স্মৃতি


**নীলাক্ষী বড়া**

স্নাতক তৃতীয় বৰ্ষ


বৰ্ত্তমান জীৱনৰ দুকুৰি বসন্ত গৰকা প্ৰিয়াই ৰোমন্থন কৰিছে তাইৰ পুৰণা দিনৰ স্মৃতি। জীৱনৰ যান্ত্ৰনা আৰু জটিলতা বোৰে তাইক বয়সৰ তুলনাত আগতীয়াকৈ স্পৰ্শ কৰিলে। কিছুমান পুৰণা ৰঙানীলা এলবামত টুকুৰা টুকুৰ হৈ পৰি থাকিল তাইৰ জীৱনৰ অলিখিত ধুসৰিত পৃষ্ঠা সমূহ। এতিয়াৰ পৰা কুৰি বছৰ মানৰ আগতে যি খন ঠাইৰ লগত তাইৰ ওতঃপ্ৰোতঃ ভাৱে সম্পৰ্ক আছিল; বৰ্ত্তমান সেই ঠাইখনো কিছুমান ধূলিৰে ধুসৰিত পৃষ্ঠা। বাৰে বাৰে পাহৰি থাকিব খোজা কথাবোৰে তাইক বেছিকৈ আমনি কৰিছে। আজিও মনত নপৰিহেঁতেন সেই কথাবোৰ। কিন্তু কিয় জানো, বাতৰি কাকতৰ সেই খবৰটোৱে তাইক বাৰে বাৰে ভাৱিবলৈ

বাধ্য কৰাইছে; তাইৰ আশাহত দিনৰ কথা বোৰ।

বৰ্ত্তমান তাই এখন মহাবিদ্যালয়ৰ অধ্যাপিকা। বৰ্ত্তমান তাই বহুতো পাইছে যদিও তাই মানুহ হিচাপে বৰ অকলশৰীয়া। কলেজৰ ব্যস্ততাপূৰ্ণ জীৱন। শৈশৱৰ দুঃস্বপ্নবোৰ ব্যস্ততাৰ মাজৰেই তাই পাহৰি থাকিব খোজে। তাইৰ অনুভূতিবোৰ তাই মোহাৰি পেলাই দিয়ে হৃদয়ৰ ডাষ্টবিনত। তাই অকলশৰীয়াকৈ থাকিয়েই ভাল পায়। কাৰোবাৰ সংগই বিৰক্তিহে কঢ়িয়াই আনে তাইৰ বাবে।

শিৱসাগৰ জিলাৰ অবিচিন্ন চৰ অঞ্চল দিখৌমুখ। ইয়াতেই বিজড়িত হৈ আছে তাইৰ শৈশৱৰ অলেখ অযুত স্মৃতি আৰু একো একোটা পুৱা আৰু সন্ধ্যা। এই অঞ্চলতেই আনুষ্ঠানিক শিক্ষা লাভ কৰিছিল প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে। অ-আ, ক-খ, এক-দুই, শিকিছিল খুড়াকৰ কোলাত। এটা মধ্যবিত্ত পৰিয়ালৰ ছোৱালী হিচাপে কোনো অভাৱ অনুভৱ নকৰাকৈ পাৰ কৰিছিল শৈশৱ। তাই ঘৰ খনক সুখী কৰিব বিচাৰিছিল। তাইৰ মাক-দেউতাক, খুড়াক আৰু একমাত্ৰ ককায়েক-ভায়েকৰ সৈতে এটি সুখী পৰিয়াল। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ তাই উজনি অসমৰ এখন নামী কলেজত আৰম্ভ কৰিছিল তাইৰ কলেজীয়া জীৱন। কলা শাখাত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উৰ্ত্তীণ হৈ পুনৰ একেখন কলেজতে স্নাতক পৰ্যায় পঢ়িবলৈ থিৰাং কৰিলে। সেয়ে এদিন সপোন বুকুত বান্ধি মাক-দেউতাক, খুড়াক আত্মীয় কুটুম্ব আৰু ককায়েক বায়েকৰ মৰম আৰ্শীবাদ কুটুম্ব আৰু ককায়েক ভায়েকৰ মৰম আৰ্শীবাদ লগত লৈ তাই গুছি গৈছিল এম. এ. ডিগ্ৰী ল'বলৈ। জীৱনত কিবা এটা কৰি দেখুৱাৰ প্ৰতিশ্ৰুতি লৈ। কিন্তু হঠাতে তাই গম পালে যে, মাক দেউতাক 'কাৰ' এক্সিডেন্টত ঢুকাল। থাকি গ'ল মাথো খুড়াক আৰু ককায়েক, ভায়েক। নিমিষতে ভাগি চুৰমাৰ হৈ গ'ল তাই ঘৰৰ সুখৰ সংসাৰ খন। তাই নিমাত হৈ পৰি ৰ'ল। তাইৰ চকুৰ পানীবোৰ যেন শুকাই গ'ল। এটি দুটিকৈ সৰ্বস্ব হেৰুৱাৰ বেদনাই তাইক মুক কৰি পেলালে।

ধৈৰ্য্যশীল খুড়াকে তাইক সান্ত্বনা দিলে আৰু এই বিলাক দুৰ্য্যোগ প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰি আগবাঢ়ি যাবলৈ বুজনি দিলে। তাইৰ ঘুৰি আহিল তাইৰ বিশ্ববিদ্যালয়খনলৈ। অন্তৰৰ কেঁচা ঘাঁ টুকুৰা যেন লাহে লাহে বাঢ়িবলৈ ধৰিলে। কিন্তু আত্মীয় কুটুম্বৰ উপদেশ আৰু আৰ্শীবাদে তাইক পুনৰ আগবাঢ়ি যাবলৈ প্ৰেৰনা যোগালে। অদৃষ্ট জনৰ কঠোৰ প্ৰত্যাহ্বান নেওচি তাই প্ৰস্তুতি চলালে তাইৰ শেষ পৰীক্ষাটোলৈ। ফলাফল ওলাল। তাই বিচৰা ধৰণেই উত্তীৰ্ণ হ'ল আৰু এখন কলেজত তাইৰ চাকৰি জীৱনৰ পাতনি মেলিলে।

তাইৰ কলেজৰ ওচৰতে এটা ভাড়াঘৰ ল'লে আৰু তাতে থাকিবলৈ ল'লে। তাই অকলশৰীয়াকৈ থাকি সকলো প্ৰকাৰে ঘৰ খনৰ সকলো মানুহকে সন্তুষ্ট কৰিবলৈ যত্ন কৰিলে। মাজে মাজে চুটি পালেই ঘৰলৈ বুলি ৰাওনা হয় আৰু খুড়াকৰ লগত বজাৰ কৰিবলৈ যায় ঘৰৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী আনিবলৈ। কিন্তু এই সামান্য সুখকনো নেদেখাজনে কাঢ়ি নিব, তাই কল্পনাই কৰা নাছিল।

সেইদিনা আছিল সোমবাৰ। তাই তাইৰ কলেজলৈ যাবলৈ ওলাইছিল। হঠাতে তাইক খুড়াকে ক'লে "মা, তই আজি কলেজলৈ যাব নালাগে। মোৰ গাতো ভাল লগা নাই।"

প্ৰিয়াই ক'লে, "খুড়া আপুনি চিন্তা কৰিব নালাগে। মই এতিয়াই ডক্টৰক মাতি দিছো।"

"নহয় অ' ডাক্টৰ মতাৰ কোনো প্ৰয়োজন নাই। তাই মাত্ৰ অলপ সময় মোৰ ওচৰতে বহচোন। প্ৰিয়া খুড়াকৰ ওচৰত বহিল।

'তই এতিয়া নিজৰ ভৰিত নিজে থিয় দিব পৰা হ'লি। তোক লৈ মোৰ বৰ্ত্তমান কোনো চিন্তা নাই। তই তোৰ ভৱিষ্যতৰ চিন্তা নিজেই কৰিবি। তোৰ প্ৰতি মোৰ কোনো আক্ষেপ নাই। তোক মই অকলশৰীয়া কৰিয়েই বিদায় ল'বলৈ ওলাইছো। মোৰ মাজনী অ' ,... মই চাগে আৰু বেছি সময় .... নাথাকিম। ভগৱানে তোক মংগল কৰক।"

প্ৰিয়াৰ চকু চলচলীয়া হৈ পৰিল। তাই গম পালে যে, খুড়াকে তাইক চিৰদিনলৈ বুলি অকলশৰীয়াকৈ এৰি যাবলৈ ওলাইছে। তাই অস্থিৰ হৈ পৰিল। তাই ফোনৰ যোগেদি ককায়েক ভায়েকলৈ খবৰ দিলে আৰু ডাক্টৰলৈ ফোন কৰিলে। কিন্তু ডাক্টৰ আহি পোৱাৰ আগতে খুড়াকে শেষ নিশ্বাস ত্যাগ কৰিলে। তাই শেষ বাৰৰ বাবে খুড়াকক জোকাৰি চালে। কিন্তু একো লৰচৰ নকৰা দেখি তাই হিয়া উজাৰি কান্দিবলৈ কৰিলে। তাইৰ বাবে আৰু আপোন যেন কোনো নাই তাইৰ অনুভৱ হ'ল। বহুত জোৰকৈ তাই এটা শব্দ উচ্চাৰণ কৰিলে খুড়া ..... খুড়া.. .. ।

খুড়াকৰ মৃতদেহটো গাঁৱৰ সকলোবোৰ মানুহে আহি বগা কাপোৰেৰে ঢাকি দিছে। তাৰ পাছত ........... তাৰ পাছত ....... তাই আৰু ভালদৰে মনত নাই। খুড়াকক কেইজনমান মানুহে চাঙিত লৈ গৈছে আৰু জ্বলাই দিছে খুড়াকৰ সেই নিথৰ দেহটো ........ ।

হাতৰ পৰা এলবামটো পৰি যোৱাত হঠাতে তাই চকুখাই বৰ্ত্তমানলৈ উভতি আহিল। তাই উপলব্ধি কৰিলে যে, তাই সেই অতীতৰ হেৰুৱা দিনৰ স্মৃতিবোৰহে ৰোমন্থন কৰি আছিল।

# সংকল্প



জাহ্নৱী ভট্টাচাৰ্য্য
স্নাতক দ্বিতীয় বৰ্ষ

মৰমে আৰক্ষী থানাখনৰ ভিতৰতে থকা অন্ধকাৰ কোঠাটোত বহি ওখোৰা-মোখোৰা, পংকিল পতেৰে গতি কৰা জীৱনটোৰ জোখ মাপ কৰিছে। হিচাব কৰি কৰি সি ভাগৰি পৰিছে। ক'ত ভুল হ'ল তাৰ? কিয় তাৰ জীৱনটো এটা নিমিলা অংক হ'ল? কিয় পিছল খালে তাৰ ভৰি? সিটো এনেকুৱা হ'ব নালাগিছিল। কিহৰ অভাৱ ঘটিছিল তাৰ। মৰম-চেনেহ, টকা-পইচা, মান যশ ......। তাৰ দেখোন সকলো আছিল। অথচ ........?

অনুতপ্ত সি। অনুতপ্ত তাৰ অন্তৰ দগ্ধ। অনুতাপৰ দাবানলে তাৰ সমস্ত সত্বাকে আজি ক্ষত বিক্ষত কৰিছে। দহি দহি তাৰ শৰীৰ এফালৰ পৰা ছাই কৰি নিছে। তাই দাবানলৰ পৰা পৰিত্ৰাণ পোৱাৰ আৰু কোনো উপায় নাই। তাৰ দুচকুৰেদি ধাৰাসাৰে লোতকবৈ আহিছে। অৱশ্যে এই লোতক থানাখনৰ কোঠাটোত থকা আন্ধাৰখিনিৰ বাহিৰে কোনেও দেখা নাই। আন্দাৰখিনিয়েও যেন তাক উপহাস কৰিছে। আস ....... ! তাৰ কাণ তাল মাৰি গৈছে।

মৰম, অৰ্থাৎ মৰম দুৱৰা। অধ্যাপক অজয় দুৱৰা আৰু অধ্যাপিকা নীলিমা দুৱৰাৰ একমাত্ৰ সন্তান। মাক-দেউতাকৰ আলসৰ লাড়ু। মূৰত থলে ওকণিয়ে খায় আৰু মাটিত থলে পৰুৱাই খায়। ইফালে গ'লেও মৰম, সিফালে গ'লেও মৰম। মুঠতে মৰম আৰু মৰম ......!

সৰুৰে পৰাই মেধাৰ পৰিচয় দি আহিছিল। মৰমে স্কুল-কলেজৰ কোনো পৰীক্ষাত সি দ্বিতীয় হোৱা নাছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষা দিওঁতে সকলোৱে আশা কৰিছিল – সি ভাল ৰিজাল্ট কৰিব। ভবা মতেই হৈছিল। সি অসমৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি গৌৰৱ কঢ়িয়াইছিল। উচ্চতৰ মাধ্যমিকতো সেই ধাৰা অব্যাহত থাকিল। সুখ্যাতিৰ উত্তৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত নাম লগালে। লক্ষ্য এজন পদাৰ্থ বিজ্ঞানী হোৱা। কিন্তু তাৰ লক্ষ্যত উপনীত হ'বলৈ নাপালেই, দুঃসময়ে তাৰ বাবে অপেক্ষা কৰি আছিল।

বি.এচ.চি.ৰ প্ৰথম বাৰ্ষিকতে সি লগ পাইছিল সন্দীপক। তাৰ সহপাঠী হিচাপে। কিন্তু সন্দীপৰ কথা-বতৰাবোৰ আছি বেলেগ ধৰণৰ।

কথাই প্ৰতি স্বাধীনতা। শোষণ-নিষ্পেষণৰ কথা। প্ৰথম অৱস্থাত মৰমে তাৰ কথাবোৰত গুৰুত্ব দিয়া নাছিল। কিন্তু লাহে লাহে সন্দীপৰ কথাবোৰে তাক আকৰ্ষণ কৰিবলৈ ধৰিলে আৰু এদিন ..... সকলোৰে অজ্ঞাতে সি যোগ দিলেগৈ উগ্ৰপন্থী সংগঠনত। কলমৰ পৰিৱৰ্তে হাতত তুলি ল'লে বন্দুক। চিয়াঁহীৰ পৰিৱৰ্তে নিগৰিত হ'ল বাৰুদৰ ধোঁৱা।

মানুহৰ তেজেৰে ফাকু খেলিবলৈ তাৰ অলপো ভয় নলগা হ'ল। এবাৰলৈও তাৰ অন্তৰাত্মা কঁপি নুঠিল। কোনোবাই যেন ধাতুৰ প্ৰলেপ সানিলে তাৰ হৃদয়খনত। এতিয়াও তাৰ মনত পৰে সেই ঘটনাটোলৈ। ডাৱৰীয়া বতৰৰ কোনোবা এটা দিনত দেউতাকৰ মন গৈছিল মাংস খাবলৈ। কাম কৰা ল'ৰা ৰামুৱে ওচৰৰ জীৱনৰ ঘৰৰ পৰা আনিছিল পাৰ চৰাই এযোৰ। কেৱল তৃপ্তিৰ এসাঁজ খাবৰ বাবেই মৰম লগা ধুনীয়া পাৰ যোৰ মাৰি পেলোৱাত তাৰ কোমল অন্তৰখনে হাহাকাৰ কৰিছিল। সি চিঞৰি চিঞৰি কান্দিছিল। তাৰ চিঞৰে গগণ ফালিছিল। সেইদিনাৰ পৰা সিহঁতৰ ঘৰত আৰু মাংস খোৱা হোৱা নাছিল।

এতিয়া দয়া-মমতা এইবোৰ তাৰ বাবে অপৰিচিত শব্দ। তাৰ এতিয়া অতি আপোন শব্দটো হ'ল 'হত্যা', অ', হত্যা কৰাই হ'ল এতিয়া তাৰ কাম। সংগঠনৰ নেতৃত্বৰ নিৰ্দেশ মানি সি কিমান যে হত্যাযজ্ঞ সমাপন কৰিলে তাৰ হিচাপ নাই। কিন্তু এয়াই জানো তাৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য আছিল। ধ্বংসযজ্ঞ জানো তাৰ কাম্য আছিল। মাক-দেউতাকৰ মুখ দুখনে তাক মাজে সময়ে বৰকৈ আমনি কৰে। দুয়োগৰাকী আছিল আদৰ্শ শিক্ষক। সৰুৰে পৰা তাক নীতি-আদৰ্শৰ শিক্ষা দিছিল। তাৰ প্ৰতি ৰাখিছিল গভীৰ আস্থা আৰু বিশ্বাস। কিন্তু সি জানো তেওঁলোকৰ সেই আস্থা আৰু বিশ্বাসৰ মূল্য দিব পাৰিলে? এই কথা ভাবিলে তাৰ বুকুখন চিৰিংকৈ যায় — সি অবাটে যোৱা খবৰটো শুনি মাক-দেউতাক কেনেকৈ স্থিৰে আছিল? সহ্য কৰিব পাৰিছিল নে তেওঁলোকে?

মাত্ৰ অকণমান অসাৱধানতাৰ ফলত পিছল খাই সি যি বোকাত সোমাই পৰিল তাৰ পৰা উঠি অহাৰ কোনো পথ নাই। যৌৱনৰ বলিয়া বানে তাক উটুৱাই লৈ গ'ল এখন পুতিগন্ধময় জগতলৈ। মৃত্যুৰ অবিহনে এই জগতখনৰ পৰা উভতি অহাৰ উপায় নাই। সংগঠনৰ পৰা উভতি অহাৰ উপায় নাই। সংগঠনৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰিলেই সতীৰ্থৰ বুলেটেৰে তাৰ দেহ ছিন্ন-ভিন্ন কৰি পেলাব। এতিয়া পিছলৈ খোজ দিয়াৰ কথা সি ভাবিবই নোৱাৰে। যিমান পাৰে সি আগুৱাই যাব। কেৱল আগুৱাই যাব।

কূটাঘাটমূলক কাৰ্য সম্পাদনৰ বাবে সি এতিয়া সংগঠনৰ নিৰ্ভৰযোগ্য কেডাৰ। শীৰ্ষ নেতৃত্বৰ নিৰ্দেশ উজনিমুৱা 'এক্সপ্ৰেছ ৰে'লখন বগৰাই দিব লাগে। সেই নিৰ্দেশ পালনৰ বাবেই সি ৰে'ল লাইনত থকা দলংখনৰ ফালে আগবাঢ়িছে। দলংখনত দূৰ নিয়ন্ত্ৰিত বোমাটো স্থাপন কৰি সন্তৰ্পণে সি আঁতৰত থকা জোপোহাজোপাৰ মাজত সোমাই পৰিল। হাতৰ ঘড়ীটোলৈ চালে — আঠ বাজি সাতাইছ মিনিট গৈছে। চাৰে আঠ বজাত ৰেলখন আহি দলঙৰ ওপৰত উঠিব। দূৰৈত সি ৰেল'ৰ উকি শুনিবলৈ পালে। পকেটৰ পৰা ৰিম'টটো উলিয়াই সি সাজু হ'ল। এক দুই তিনি .... । ৰেলখন দলঙত উঠাৰ লগে লগে সি ৰিম'টটো টিপি দিলে। প্ৰচণ্ড শব্দ কৰি লোহাৰ দলঙখন টুকুৰা টুকুৰ হৈ পৰিল। মুহূৰ্ত্ততে কেইবাটাও ডবা দূৰৈত ছিটিকি পৰিল। জুই আৰু ধোঁৱাই ৰে'লখন আগুৰি ধৰিলে। চাৰিওফালে হাহাকাৰ লাগিল। মানুহৰ কান্দোন, বিননি আৰু আৰ্তনাদে কোলাহল সৃষ্টি কৰিলে। দলঙৰ আশে পাশে মৃতদেহ ছিটিকি পৰিল। আহত মানুহবোৰ প্ৰাণৰ মমতাত যেনি-তেনি দৌৰিবলৈ ধৰিলে। সেই মানুহবোৰৰ মাজত মৰমো সোমাই পৰিল।

পিছদিনা পুৱা মৰমে বাতৰি কাকতখন মেলি ল'লে। প্ৰথম পৃষ্ঠাত বোমা বিস্ফোৰণৰ ভয়ানক ঘটনাটোৰ বাতৰি সবিস্তাৰে প্ৰকাশ হৈছে। উদ্ধাৰ কৰা মৃত ব্যক্তিসকলৰ ফটোও কাকতখনত প্ৰকাশ হৈছে। মৰমে এফালৰ পৰা ফটোবোৰৰ ওপৰত তাৰ দৃষ্টি নিবদ্ধ হ'ল। সি তাৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে। কাকতখন আৰু অলপ ওপৰলৈ চপাই ভালকৈ চালে। তাৰ হাত দুখন কঁপিবলৈ ধৰিলে। উশাহবোৰ চুটি আৰু ঘন হ'বলৈ ধৰিলে। ঘামবোৰে তাৰ গোটেই গাটো তিয়াই পেলালে। লৰালৰিকৈ কাকতখনত থকা নিহত ব্যক্তিৰ নামৰ তালিকাখনত সি চকু থৰ হৈ গ'ল। অণ্ঠ-কণ্ঠ শুকাই গ'ল।

বহি থকা চকীখনৰ পৰা উঠি সি শিবিৰৰ ভিতৰলৈ গ'ল। তেজৰ দাগ লগা চোলাটো সি লিৰিকি বিদাৰি চালে। চোলাটো বুকুৰ মাজলৈ নি সি হুকহুকাই কান্দি দিলে। চিঞৰি উঠিল — মা-দেউতা। যেতিয়া কোনোবা আপোনজনৰ মৃত্যু হয়, তেতিয়াহে বেছিকৈ উপলব্ধি হয় মৃত্যুৰ শোক কিমান গভীৰ।

কান্দি কান্দি সি মাটিত বহি পৰিল। যি গৰাকী মানুহে দহমান দহদিন গৰ্ভত ধাৰণ কৰি তাক জন্ম দিলে আৰু যিজন পিতৃয়ে লালন পালন কৰি ডাঙৰ-দীঘল কৰিলে সেই পিতৃ-মাতৃকে সি হত্যা কৰিলে। তেওঁলোকৰ আলসৰ লাডু মৰমে নিজ হাতেৰে তেওঁলোকক পৃথিৱীৰ পৰা মুক্তি দিলে। শোক আৰু দুখত তাৰ অন্তৰখন চুচুৰ্মে হোৱা যেন লাগিল। কিছু সময়ৰ পিছত সি স্থিৰ হ'ল। সি সংকল্প কৰিলে — তাৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব। হিংসাৰ পথ ত্যাগ কৰি মানৱতাৰ জয়গান গাব। অহিংসাই পৰম ধৰ্ম। এই বাণী সমগ্ৰ বিশ্বতে বিলাব। শান্তিৰ আশ্ৰম স্থাপন কৰি সন্দীপহঁতৰ নিচিনা অবাটে যোৱা ল'ৰাবোৰক ঘূৰাই আনিব। গোটেই পৃথিৱী প্ৰেমময় কৰি তুলিব।

কোনেও গম নোপোৱাকৈ খুউব সন্তৰ্পণে সি শিবিৰৰ পৰা বাহিৰলৈ ওলাল। শিবিৰৰ পৰা সি পোনে-পোনে চৰকাৰী চিকিৎসালয়খনলৈ গ'ল। নিথৰ হৈ পৰি থকা মৃতদেহকেইটাৰ ওপৰত সি উবুৰি খাই পৰিল। তাৰ শান্তি যাত্ৰা যাতে শুভ হয় তাৰ বাবে সি মৃত মাক-দেউতাকৰ পৰা আৰ্শীবাদ বিচাৰিলে। শেষবাৰৰ বাবে সি দুয়োৰে চৰণ চুই সেৱা কৰিলে। এইবাৰ সি স্থানীয় আৰক্ষী থানাখনৰ দিশে খোজ দিলে। থানাত সি সকলোবোৰ অপৰাধৰ কথা স্বীকাৰ কৰি আত্মসমৰ্পন কৰিলে। ☐

# সপোন

**সংগীতা বৰুৱা**
স্নাতক দ্বিতীয় বৰ্ষ



চাৰিওফালে ঢোল-পেঁপা বাজিছে। কপৌফুল, তগৰফুলৰ গোন্ধত গোটেই সোণাপুৰ গাওঁখন আমোলমোলাই আছে। চাৰিওফালে বিহুৰ উখল মাখল পৰিৱেশ। বহাগৰ বিহুটিয়ে যেন সকলোবোৰ প্ৰাণৱন্ত কৰি তুলিছে। আজি বহুত দিনৰ মূৰত বুবুল ঘৰলৈ আহিছে। বুবুলৰ মাক আইজনীৰ গাত তত্ নাই কি কৰিব কি নকৰিব ইমান দিনৰ মূৰত সি ল'ৰাটো ঘৰলৈ আহিছে। বুবুলৰ দেউতাক চহৰৰ ফালে ওলাই গ'ল বিহু পালেহিয়েই কাইলৈ উৰুকা। গতিকে তেওঁ বিহু বুলি বজাৰ কৰিবলৈ চহৰলৈ গ'ল। তেওঁ যে বুবুলক ইমান দিনৰ মূৰত দেখা পাই কিমান আনন্দিত হ'ব সেইটো ভাবিৱেই আইজনীৰ আনন্দত মন নধৰা হ'ল। ইফালে বুবুলে আহিয়েই আইজনীক কৈ দিলে সি হেনো এইবাৰ আৰু সেই অস্ত্ৰধাৰী যুৱকৰ দলৰপৰা একেবাৰে ওলাই আহিল। সি অতদিনে বুজি পাইছে যে সেই সংগঠনত জড়িত থাকি কোনো লাভ নাই। সেইবোৰ সংগঠনত তাৰ কোনো ভৱিষ্যত নাই। কেৱল পদে পদে আছে মৃত্যুৰ আশংকা জীৱনৰ ভয়। সেই নিষিদ্ধ ঘোষিত সংগঠনত তাৰ লগতে ফুৰা বহুতো যুৱক ইতিমধ্যে মৃত্যু মুখত পৰিছে। গতিকে সেইবোৰ দেখি শুনি সি সেই সংগঠনৰ পৰা একেবাৰে ওলাই আহিছে এটা নিৰাপদ তথা শান্তিৰে জীৱন-যাপন কৰিবলৈ য'ত হিংসা, সন্ত্ৰাস, হত্যাৰ দৰে জঘন্য অপৰাধবোৰৰ বাবে ঠাই নাই। বুবুলে এইবাৰ বিহুত মাকলৈ চাদৰ এখন আৰু দেউতাক ৰত্নেশ্বৰলৈ গেঞ্জি এটা আৰু চুৰিয়া এখন আনিছে। তাকে দেখি আইজনীৰ চকুলো বৈ আহিল হওঁক তেওঁ ল'ৰাটোৱে সময় থাকোতেই সৎ পথলৈ ঘূৰি আহিল।

শিৱসাগৰ নগৰৰে এখন ভিতৰুৱা গাঁও সোণাপুৰ। এই সোণাপুৰ গাৱৰে বাসিন্দা ৰত্নেশ্বৰ শইকীয়া আৰু তেওঁৰ পত্নী আইজনী। বৰ সহজ সৰল মানুহ। মনত কাৰোৰে প্ৰতিহিংসা নাই। তেওঁলোকৰ একমাত্ৰ সন্তান বুবুল। বুবুলক সৰুৰে পৰাই বৰ মৰমেৰে বৰ আশাৰে ডাঙৰ কৰিছিল। তেওঁলোকে বুবুলকলৈ বহুতো সপোন দেখিছিল। কিন্তু তেওঁলোকৰ সপোন বোৰতযেন কাৰোবাৰ নজৰহে লাগিল। ৰত্নেশ্বৰ শইকীয়া চাকৰিয়াল ব্যক্তি নাছিল। গাতে তেওঁৰ পাঁচবিঘামান মাটি আছিল। গতিকে খেতি বাতি কৰি ধান চাউল বেছি তিনিজনীয়া পৰিয়ালটো চলিবলৈ একো অসুবিধা হোৱা নাছিল। বুবুল সৰুৰেপৰাই পঢ়-শুনা, খেলা-ধূলা, দেখাই-শুনাই সকলোতে আগবঢ়া আছিল। গাৰ সকলোৰে বৰ প্ৰিয়পাত্ৰ আছিল বুবুল। মেট্ৰিকটো সি প্ৰথম বিভাগত সুখ্যাতিৰে উৰ্ত্তীণ হৈছিল। হায়াৰ ছেকেণ্ডৰীতো বিজ্ঞান শাখাত প্ৰথম বিভাগত এটা সুন্দৰ ফলাফল কৰিছিল। সেইয়ে ৰত্নেশ্বৰ আৰু আইজনীয়ে পুত্ৰৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজত বুবুলক পঢ়ুৱাবলৈ যা-যোগাৰ কৰিলে। নিজৰ একমাত্ৰ সন্তানক এনেদৰে নিজৰপৰা দূৰত ৰাখি পঢ়ুৱাৰ ইচ্ছা তেওঁলোকৰ সমূলি

নাছিল। কেৱল বুবুলৰ ভৱিষ্যতটোৰ কথা চিন্তা কৰিয়েই মাক-দেউতাকৰ কলিজাৰ এফাল বুবুলক গুৱাহাটীত পঢ়ুৱাবলৈ সিদ্ধান্ত ল'লে। গাৱৰে মাটি অলপ বিক্ৰী কৰি ৰত্নেশ্বৰ বুবুলৰ নামভৰ্ত্তি, হোষ্টেলত থকা ইত্যাদিৰ কাৰণে টকাৰ যোগাৰ কৰি মৰমৰ পুত্ৰক সকলো প্ৰকাৰে সহায় কৰিলে। বুবুলেও মৰমৰ মাক-দেউতাকৰ আশা পূৰণ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। এনেদৰে ছমাহমান পাৰ হ'ল। তেতিয়ালৈকে সকলো ঠিকেই আছিল। গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজত একেলেগে বুবুলৰ লগত পঢ়া ল'ৰা প্ৰবাল। প্ৰবাল বুবুলৰ ৰুমমেট আছিল। সেয়েহে দুয়োটা কম দিনতে বন্ধু হৈ পৰিল। কিন্তু প্ৰবাল বৰ ভাল ল'ৰা নাছিল। প্ৰবালে এটা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ এজেণ্ট হিচাপে কাম কৰিছিল। প্ৰবালৰ এই সত্যটো যেতিয়া বুবুলে গম পাইছিল তেতিয়া তাক সেইবোৰ সংগঠনৰ হৈ কাম নকৰিবলৈ বুবুলে বহুত বুজালে, বহুত বুজালে, বহুত বাধা দিলে কিন্তু প্ৰৱালে সেই সংগঠনৰ হৈ কাম কৰি গ'ল আৰু লাহে লাহে বুবুলকো সেই সংগঠনত জড়িত কৰিলে। বুবুলে ক'ব নোৱাৰাকৈয়ে সিহঁতৰ ফাঁচত সোমাই পৰিল। বহুত দিন হ'ল বুবুল সেই সংগঠনৰ সক্ৰিয় সদস্য হৈ পৰিল। এদিন আৰক্ষীৰ হাতত ধৰা পৰি বুবুল ইঞ্জিনিয়াৰিং কলেজৰ পৰাও — বহিষ্কৃত হ'ল আৰু জেলৰ ভাত যাবলগীয়া হ'ল। কিন্তু কিবা উপায়েৰে জেলৰ পৰা পলাই সাৰিল। বুবুলক আৰক্ষীয়ে পুনৰ বিচাৰি উলিওৱাটো কঠিন হৈ পৰিল। এদিন বুবুলৰ বন্ধু প্ৰবাল আৰক্ষীৰ গুলীত মৃত্যুমুখত পৰিল। ইফালে বুবুলৰ মাক আইজনী আৰু দেউতাক ৰত্নেশ্বৰৰ যেন মূৰত সৰগ ভাগি পৰিল। তেওঁলোকৰ জীৱনৰপৰা ৰংবোৰ যেন ক'ৰবাত হেৰাই গ'ল। হাঁহিবলৈও তেওঁলোকে পাহৰি গ'ল। ৰত্নেশ্বৰ যেন মূক হৈ গ'ল। ওচৰ চুবুৰীয়া আনকি আইজনীৰ লগতো ভালদৰে কথাই নপতা হ'ল। তেওঁলোকে কৰা কি দোষৰ কাৰণে ল'ৰাটো এনেকুৱা পথলৈ গ'ল তেওঁলোকে ভাবি ভাবিয়েই উলিয়াব নোৱাৰিলে। এইদৰে থাকোতেই বুবুল এদিন সন্ধিয়া হঠাতে ঘৰলৈ আহিছিল। দেউতাকে খং আৰু দোষত বুবুলক মাত লগোৱাতো দূৰৈৰ কথা মুখেই নাচালে। আইজনীৰো মাকৰ মন হেজাৰ হলেও নিজৰ সন্তান ইমান দিনৰ মূৰত পুত্ৰক দেখা পাই — অশ্ৰু নিগৰি আহিল। আথে বেথে খুৱাই বুৱাই বুবুলক যিমান পাৰে হিয়া উজাৰি মৰম আৰু দীৰ্ঘ আয়ুসৰ আশীৰ্বাদ কৰিলে। এইদৰে ৰাতিটো পাৰ হ'ল পিছদিনা কাহিলীপুৱাতে বুবুল পুনৰ গুছি গ'লগৈ। ক'লৈ যাব কি কৰিব মাকক একো নকলে মাথোন মাকক তাৰ কাৰণে চিন্তা নকৰিবলৈ ক'লে। বুবুলে এইদৰে ঘৰলৈ অহা কথা কেনেবাকৈ আৰক্ষীয়ে গম পায় পিছদিনা বুবুলক অনুসন্ধান কৰি ঘৰ ওলালহি আৰু বুবুলক ঘৰত বিচাৰি নাপায় ৰত্নেশ্বৰ শইকীয়া আৰু আইজনীক সুধি সুধি হাৱাশাস্তি কৰিবলৈ ধৰিলে। ৰত্নেশ্বৰে খংত বুবুল তেওঁলোকৰ কাৰণে মৰি গ'ল বুলি ক'লে আৰু তেওঁলোকক এই বিষয়ে নুসুধিবলৈ হাতযোৰ কৰি অনুৰোধ কৰিলে।

দিন বাগৰিল, মাহ বাগৰিল, বছৰ বাগৰিল চাওতে চাওতে চাৰিটা বছৰ পাৰ হ'ল। বুবুলৰ কিন্তু একো সন্ধানেই নাপালে আৰক্ষীয়ে। ইফালে ৰত্নেশ্বৰ ও বুবুলৰ বিষয়ে একো খবৰ নোপোৱা হ'ল তাৰ পিছত হঠাতে এদিন খবৰ ওলালে যে বুবুল বোলে নামনিৰ ফালে কোনোবা অৰণ্যত আৰক্ষীৰ হাতত ধৰা পৰিছিল। কিন্তু সি আৰক্ষীৰ হাতৰ পৰা কেনেবাকৈ পলাই সাৰিবলৈ সক্ষম হ'ল তাৰ লগতে সি দুজন আৰক্ষী বিষয়াক হত্যা কৰি থৈ গ'ল। এনে শোকতে ৰত্নেশ্বৰ বুকুৰ কোনোবা এটা কোনত বিষ এটাই লগ ললে। বিষে ধৰিলে মানুহজন ছটফটাই ফুৰে বিচনাতো আইজনীয়ে কি কৰিব ভাবিয়েই নাপায় ডাক্তৰৰ ওচৰলৈ নিবলৈ জোৰ কৰিলেও ৰত্নেশ্বৰ নাযায়। তেওঁৰ এটাই কথা এই বিষতে তেওঁৰ প্ৰাণ গুছি যায় তেনেহ'লে তেওঁ মুক্তি পাব। বেচেৰা মানুহহালৰ দুখ কোনে বুজিব। ওচৰ-চুবুৰীয়াইও হীন চকুৰে চায় তেওঁলোকক।

আজি বহুত দিনৰ মূৰত এটা ব্যতিক্ৰম ঘটনা ঘটিল। চাৰিবছৰ দিন ধৰি আইজনীয়ে সদায়ে সন্ধিয়া পদুলিমুখৰ নাহৰজোপাৰ তলত বৈ বাটলৈ চায় কিজানি মৰমৰ বুবুল ওভটি আহেই। নাই বুবুলৰ আগমনৰ কোনো ইংগিতেই নাপায়। কিন্তু আজি চাৰি বছৰৰ দিনৰ পিছত বুবুল ঘৰলৈ ওভতি আহিছে তাকো সম্পূৰ্ণৰূপে সেই সংগঠন ত্যাগ কৰি তাতোকৈ আৰু সুখৰ কথা কি হ'ব পাৰে। আইজনীয়ে বুবুলৰ কাৰণে ঘৰত যি আছিল তাৰেই ভাত সাজ ভালদৰে ৰান্ধিলে। তাৰ পিছত বুবুলক নিজ হাতেৰে খুৱাই দিলে। কিমান দিনৰ মূৰত যে বুবুলক এনেদৰে নিজ হাতেৰে খুৱাই দিছে কথাষাৰ ভাবি চকুলো বৈ আহিল। বুবুল আলফুলে মাকৰ চকু পানীখিনি মোহাৰি দিলে। আইজনীয়ে মৰমতে বুবুলৰ হাততে চুমা আঁকি দিলে আৰু দেউতাক বজাৰৰ পৰা আহিলে বুবুলক এষাৰো গালি নাপাৰিবলৈ বা দুখ লগাকৈ ক'বলৈ নিদিওঁ বুলি ভাবিলে। তেনেতে ঘৰৰ ভিতৰলৈচোন এটা আৰ্মিৰ দল সোমাই আহিল আৰু বুবুল বা ভাতৰ পাতৰ পৰাই ঠেলি হেচি মাৰ পিট কৰি নিবলৈ চেষ্টা কৰিলে। আইজনীয়ে হাজাৰ কাকুতি মিনতি কৰিলে কিন্তু সিঁহতৰ কাণত একো নোসোমাল। বুবুলক বেঁছিকৈহে মাৰপিট কৰিবলৈ ধৰিলে। আইজনীয়ে চাৰিওফালে অন্ধকাৰ দেখিলে। চিঞৰি চিঞৰি কান্দি কান্দি ভাগৰি পৰিল অষ্ঠ কণ্ঠ শুকাই গ'ল দুখত, পিয়াহত চিৎকাৰ কৰি উঠিল অসহায়তাত কতা চাৰিওফালে নিজান জান বুবুলো নাই, আৰক্ষী নাই কাষতেচোন ৰত্নেশ্বৰহে বুকুৰ বিষত কেকাই কেকাই শুই আছে। সময় তেতিয়া ৰাতি দুইমান বাজিছে। বিহুৰ বতৰত দূৰৈত ঢোলৰ মাত শুনা গ'ল। আইজনীয়ে তেতিয়াহে বুজিলে সেইয়া প্ৰকৃততে সপোনহে আছিল। তেওঁৰ মৰমৰ বুবুল সঁচাকৈ ঘৰলৈ অহা নাছিল। ▢

# জন্মান্তৰ

নমিতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ



কিমানসময় ছোৱালীজনীয়ে মাতি আছিল সি জনা নাছিল। বজ্ৰ পৰাৰ দৰে থৰ হৈ বহি আছিল হস্পিতালৰ দীঘল বেঞ্চখনত। দিক্ বিদিক হেৰুৱাই পেলাইছিল সি। সিহঁতৰ দৰে মানুহৰহে তেনে এটা বিপদ হ'ব লাগেনে? সিনো অদৃশ্য জনৰ ওচৰত কি দোষ লগালে? বাৰে বাৰে তাৰ মানুহজনীৰ এইহেন বেমাৰটো হ'বলৈ পালে। ভগৱানো আচলতে ধনীলোকৰহে সহায়ক হয় নেকি বাৰু? নিজৰ দুবাহুৰে যিমান পাৰে কষ্ট কৰিয়ে ভাত কেইটা মোকোলাইছে। তাৰ তিনিচকীয়া বাহনখনকেই তিনিটা প্ৰাণীৰ ভৰণ-পোষণৰ সম্বল হিচাপে সি গ্ৰহণ কৰিছে। তাৰ বাবে সি কিমান তিতা-কেঁহা কথা শুনিবলগীয়া হৈছে। সকলো নিৰৱে সহ্য কৰিছে। হঠাৎ তাৰ সেই ছোৱালীদুজনীলৈ মনত পৰিল। সিদিনাই সি মানুহ হিচাপে পাব লগীয়া সন্মানৰ অলপ হ'লেও পোৱা বুলি অনুভৱ কৰিছিল। আধা ভিজা কাপোৰেৰে ছোৱালী দুজনী আহিছিল তাৰ ৰিক্সা নামৰ বাহনখনৰ কাষলৈ। গভীৰ মমতাবোধ উপলব্ধি কৰিছিল সি সেই চকুকেইটাত। 'দাদা গাৰ্লছ কলেজ যাব?" -- সুধিছিল এজনী ছোৱালীয়ে। সি তাইৰ চকুলৈ চাইছিল আৰু স্বতস্ফুৰ্তভাৱে কৈছিল - 'যাম'। উঠো-নুঠো কৰিছিল এজনী ছোৱালীয়ে। "উঠ স্বাগতা, নহ'লে কাপোৰ, কিতাপ, সকলো তিতি শেষ হ'ব"। উঠিছিল তাই কিন্তু, অস্বস্তিৰে পাৰ হৈছিল সময়। এটা সময়ত তাই সহজ হ'বলৈকে ৰিক্সা চালকজনক সুধিছিল। "আপোনাৰ ঘৰত কোন কোন আছে বাৰু?" মোৰ ল'ৰা এটা ছোৱালী এজনী আৰু মাইকী মানুহ"-- কৈছিল সি। "ৰিক্সা চলোৱা টকাৰে ঘৰখন চলিবলৈ জোৰা মৰেনে?" "আমাৰনো কি বিলাস বোলা কথা, টাপলি মাৰি থঁও আৰু যেনে তেনে। "তেনেকৈনো কিয় কৈছে, বাৰু ল'ৰা-ছোৱালী কেইটাই খাবলৈ, পঢ়িবলৈ সুবিধা পাইছেনে?" সহানুভূতিৰে সুধিছিল তাই। "ছোৱালীজনী ঘৰত নাথাকে; ল'ৰাটোক এইবাৰ দ্বিতীয় শ্ৰেণীত নাম লগাই দিছো। চৰকাৰৰ যে মধ্যাহ্ন ভোজন নে কি আঁচনি তাত দুপৰীয়া ভাত খাবলৈ পায়েই নহয় পুৰা নাখালেও হয়। বাকী কেইসাঁজ চলি যায় যেনে-তেনে ।" " তোমালোক ক'ত থাকা ইমানকৈ তিতিলা যে।" সুধিছিল ৰংমনে। " আমি - মিলনজ্যোতি হোষ্টেলত থাকো, ওলায়েই ৰিক্সা পাঁও কিন্তু, এই স্বাগত ৰিক্সাত উঠিব নোখোজে আক', তাইৰ বোলে খুব বেয়া লাগে ৰিক্সাত উঠিবলৈ।" " কিয় বেয়া লাগে?" "নাজানো কিয় বেয়া লাগে কিন্তু, ৰিক্সাত উঠিবলৈ হ'লে মোৰ কষ্ট অনুভৱ হয়। আজিও ৰবযুণ এৰিব বুলি ভাবিছিলো কিন্তু, বেছিহে হ'ল ক্ৰমে।" এনেদেৰেই বিভিন্ন সমস্যাত পৰি ছোৱালীদুজনী ৰিক্সাত উঠিব লগীয়া হৈছিল আৰু আচৰিতভাৱে সেই সময়ত সিহঁতে ৰংমনকে হাতত পাইছিল। সিহঁতৰ মাজত আলোচনাবোৰ বাঢ়ি গৈছিল। ৰংমনহঁতৰ ঘৰৰ পৰা কলেজৰ ছোৱালী বোৰলৈকে সকলো সিহঁতৰ আলোচনালৈ অহা হ'ল। তাৰ ভাল লাগে ছোৱালী দুজনীৰ আচাৰ-ব্যৱহাৰ। "অই ৰিক্সা অমুকলৈ ব'ল, ASTC ৰ পৰা এইখিনিলৈ দুই কিল'মিটাৰেই নহয় নিদিও আঠ টকা, এনেধৰণৰ কথাই তাৰ প্ৰতিটো দিন পাৰ হয়, তেনেক্ষেত্ৰত এই ছোৱালীদুজনী যেন ব্যতিক্ৰম। হঠাৎ তাৰ তন্ময়তা ভাগিল স্বাগতৰ চিঁঞৰত। "খুড়া ইমান সময় মাতি আছো [illegible]ই নাই, আজি ৰাতি খুড়ীৰ কাষত কাশ্মীৰী আৰু মইয়ে থাকিম কাইলৈ চনুইঁতো

অহাৰ কথা আছে নহয় আপোনাৰ কেইবাদিনো টোপনি খতি হৈছে। আপুনি আজি যাওকগৈ। একো ভাবি থাকিব নালাগে। অলপ শুবলৈ চেষ্টা কৰিব।" "নালাগে দিয়া, তোমালোকে যথেষ্ট কষ্ট কৰিছাই মইয়ে থাকিব পাৰিম।" "আজি যাওক আপুনি, আমাৰ কাৰণে চিন্তা নকৰিব আমি ঘৰতকৈ সকলো ঠিক কৰি আহিছো।কাইলৈ টেষ্ট ৰিপৰ্ট কেইটাও লৈ লওঁ তাৰ পাছত বেলেগ ব্যৱস্থা ল'ব লাগিব দৰকাৰ হ'লে। তেনে সময়তে কাশ্মীৰীও ওলাই আহি একোখিনি কথাই কৈছিল। এটা সময়ত মানুহজনীক এবাৰ দেখা কৰি সি ওলাই আহিছিল হস্পিতাল চৌহদৰ পৰা। গোটেই বাটছোৱা সি সিহঁতৰ কথাকে ভাবি আহিছিল। ইমান সচেতন ছোৱালী দুজনী। স্বাগতা যথেষ্ট সাহসী, কাশ্মীৰীয়ে সকলোকে সমীহ কৰি চলে যদিও তাই অতি চতুৰ। অসহায় লোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱা গুণ দুয়োজনীৰ চৰিত্ৰতে বিদ্যমান। সেই প্ৰথম দিনাই সি সিহঁতৰ বিষয়ে অনুমান কৰিছিল। এদিন সি দাদাৰ পৰা খুড়া হৈছিল আৰু এদিন আলোচনাৰ মাজত ওলাইছিল জেউতিৰ অসুখটোৰ কথা। কিছুদিনৰ পৰা বোলে তাইৰ বুকুৰ ভিতৰত কোনোবাখিনিত বিষি এটা হৈছে। তাৰ পাছত আৰু সি নাজানে। সিহঁতেই জেউতিক হস্পিতাললৈ লৈ আহিছে। ডাক্তৰৰ লগত কথা পাতিছে। এদিন সি সিহঁতক বৰ পুখুৰীৰ পাৰত সন্ধিয়া দেখিছিল যাবনে সোধাত অলপ কথা আছে পলম হ'ব বুলি ক'লে। তেতিয়াই সিহঁতে জেউতিৰ চিকিৎসাৰ কথা পতা বুলি আজি তাইক কৈ থকা সি শুনিছিল। কথাবোৰ ভাবি থাকোতে কেতিয়ানো ঘৰ পালে সি গমেই নাপালে। নঙলাডাল খুলি সি সোমাই গ'ল। চোতালৰ আগৰ শেৱালি জোপাৰ মিঠা গোন্ধ এটা লাগিলেহি তাৰ নাকত।

সি সোনকালেই শুই পৰিছিল ৰাতি। মাকৰ অসুখৰ বাবে মোময়েকৰ ঘৰত তোৱা ল'ৰাটোলৈ মনত পৰিছিল যদিও কেইবা ৰাতিও টোপনি ক্ষতি কৰা বাবে বিচনাখনত পৰাৰ লগে লগেই তাৰ টোপনি আহিল। পুৱা উৰিয়ে সি হস্পিতাললৈ যাবলৈ বুলি সাজু হ'ল।

জেউতি আৰু স্বাগতা, কাশ্মীৰীলৈ কাষৰে জয়ৰামৰ ঘৰৰ পৰা এৰা গাখীৰ অলপ আনি গৰম কৰি ফ্লাস্কটোতে ভৰাই ল'লে। তাতে আজি চনুও আহিব তাইও খাব পাৰিব। তাই এঘৰ মানুহৰ কাম কৰা ছোৱালী হিচাপে থাকে। কিন্তু, সেই ঘৰ মানুহেও মানুহক মৰ্য্যদা দিয়ে। চনু নামতহে কাম কৰা ছোৱালী, ঘৰখনে তাইক সেইখন ঘৰৰ সদস্য হিচাপেই গ্ৰহণ কৰিছে। সেইখন ঘৰৰ ল'ৰা-ছোৱালী তিনিটা। ডাঙৰ ল'ৰাটোৱে বাঙ্গালোৰত পঢ়ি আছে। ছোৱালীজনীয়ে বি.এছ.চি. কৰি আছে ওচৰৰে কলেজ এখনত আৰু সৰুটো ল'ৰা এইবাৰ হায়াৰ ছেকেণ্ডেৰী ছেকেণ্ড ইয়েৰৰ। সিটো চুনুক নিজৰ ভনীয়েকৰ দৰেই মৰম কৰে। দেউতাক চাকৰি সূত্ৰে ঘৰৰ পৰা আঁতৰত থাকে। সেয়ে চনু, বায়েক, মাক আৰু সি চাৰিজন মানুহেই ঘৰখনত বাস কৰে। দেউতাকক কৈ চনুক যিয়ে কাষৰে এম. ই. স্কুলখনৰ সপ্তম শ্ৰেণীত নাম লগাই দিছে। আজিও সিয়ে তাইৰ লগত হস্পিতাললৈ অহাৰ কথা। স্বাগতাহঁতক জনাইছিল বোলে ফোনেৰে। সি পদুলি মুখৰ পৰা বাৰান্দাৰ এচুকত ৰৈ থকা ৰিক্সাখনলৈ চাই পঠিয়ালে। এই কেইদিন সেইখন একেঠাইতে ৰৈ আছে। আনদিনা হোৱা হ'লে ASTC ৰ পৰা টেম্প'ল ৰ'ড, গণকপট্টী, বৰ্ডিংৰ'ড গোটেইখন ঘুৰি ফুৰিলেহেঁতেন। ৰিক্সা চলাই পৰিয়ালটো চলোৱাৰ পাছত ৰাহিহোৱা টকা কেইটা ইতিমধ্যে শেষ হওঁ হওঁ হস্পিতাললৈ অহা-যোৱা কৰোতেই। হস্পিতালৰ বাকী খৰচ স্বাগতা, কাশ্মীৰীহঁতেই কৰিছে। ক'ৰ পৰা সিহঁতে সেই টকা পাইছে সি নাজানে। সি সুধিছিল। সিহঁতৰ বোলে "নিচাযুক্ত দ্ৰব্য প্ৰতিৰোধ গোট এটা আছে। সমনীয়া কেইটামানৰ লগ হৈ পাতিছিল গোটটো। আজৰি সময়খিনি কটাবলৈ সিহঁতে বাঁহৰ সামগ্ৰীৰ দোকান এখন দি লৈছে। তাতে সিহঁতে আলোচনা কৰে বৰ্তমান দেশৰ পৰিস্থিতিৰ পৰা ভৱিষ্যতৰ যুৱ সমাজৰ দায়িত্বলৈকে, বৰ্তমান যুৱ মানসিকতাৰ পৰা প্ৰাকৃতিৰ ভাৰসাম্যহীনতালৈকে। লাভৰ টকা সিহঁতে বেংকত জমা কৰে আৰু সুত ৰাহি হোৱা টকাৰে প্ৰয়োজন সাপেক্ষে ............জনক সহায় কৰে। এদিন আন দুটা ল'ৰাও আহিছিল। সিহঁতৰ সিহঁতৰ গোটৰ জেউতিৰ খবৰ ল'বলৈ। বাছত আহি থাকোতে সি সিহঁতৰ কথাই ভাবি আহিছিল। স্বাগতা, কাশ্মীৰীহঁতৰ বয়সৰ সকলো ল'ৰা ছোৱালীয়ে যদি কথাবোৰ সিহঁতৰ দৰে চিন্তা কৰিলেহেঁতেন! সিহঁতেই যে তাৰ চকু মেল খোৱালে সেই বৰবিহবোৰৰ পৰা কিমান বিপদ হ'ব পাৰে। তাৰ ৰিক্সাত উঠি যাঁওতেই এদিন স্বাগতাই বেমাৰৰ লক্ষণ শুনিয়ে কৈ "হাঁওফাঁওৰ কিবা বেমাৰ হ'ব পাৰে।" বুকুখন ধপ্‌কৈ মাৰিছিল ৰংমনৰ। সেই সময়তে তাই সুধিছিল - "খুড়ীয়ে কিবা বেয়া বস্তু খাই নেকি খুড়া?" "বেয়া বস্তু মানে?" থত্‌মত খাইছিল সি। "মদ, ভাং, খৈনী, গোট্‌কা আদি..." তাই জানিছিল, অশিক্ষিত এই জনশ্ৰেণীৰ মাজত এইবিলাক মাদক দ্ৰব্যৰ বহুল প্ৰচলন। সেয়ে ৰংমনৰ ঘৈণীয়েকে এইবোৰ খোৱা কোনো আচৰিত কথা নহয়। "তাই মদ, ভাং নাখায় যদিও গোট্‌খা বহুতদিনৰ পৰাই খায়।" কৈছিল ৰংমনে। স্বাগতাই কথা সলাই সুধিছিল— "খুড়ীৰ অসুখটো ডাক্তৰক দেখুৱাইছেনে?" "ডাক্তৰক দেখুওৱা নাই, ওচৰৰে বেজ এজনক দেখুৱাইছিলো, শিৱদৌলত শৰাই এখন দিবলৈ কৈছিল, দিয়াও হৈ গ'ল কেইবা সপ্তাহো, ফলহে একো পোৱা নাই।" সিহঁতে কলেজৰ সন্মুখ পাইছিলগৈ ৰিক্সাৰ পৰা নামি সি পাব লগা টকা কেইটা দি সিহঁত কলেজত সোমাল।

সি আহি হস্পিতাল পাইছিল। ইতিমধ্যে চনু আৰু প্ৰকাশ আহি জেউতিৰ ওচৰতে বহি আছিল। স্বাগতা আৰু কাশ্মীৰীয়ে প্ৰকাশৰ লগত কথা পাতি আছিল। চনুৱে মাকৰ চুলিত হাত বুলাই দেউতাক সোমাই যোৱালৈ চাই আছিল। ৰংমনেও স্বাগতাহঁতৰ কথাকে শুনিবলৈ বহি ল'লে। সিহঁতে ৰাগিয়াল বস্তুবোৰৰ কথাকে পাথি আছে। প্ৰকাশক ধেমালিৰ চলেৰে বুজাই দিছে এই বস্তুবোৰৰ ব্যৱহাৰৰ ভয়াবহতাৰ বিষয়ে কথাবোৰ সি বুজি আৰু স্বাগতাহঁতৰ কথাৰ সন্মতি জনাই সিও সিহঁতৰ গোটটোত সোমোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। তাৰ আটাইকেইটালৈ শ্ৰদ্ধা উপজিল আৰু এটা সময়ত উঠি গ'ল সিহঁতৰ কাষলৈ। মনতে ভাৱিলে সিও সিহঁতৰ এই গোটটোত সোমাই ল'ব আৰু লগৰ ৰিক্সাচালকবোৰক মাদক দ্ৰব্যৰ মহামাৰীবোৰৰ পৰা আঁতৰি থাকিবলৈ ক'ব। তেনে সময়তে ডাক্তৰ এজন আহি স্বাগতাক একাষৰীয়াকৈ মাতি লৈ গ'ল। "হ'ব, হ'ব, ৰোগীৰ সকলো দায়িত্ব আমাৰ সংগঠনে গ্ৰহণ কৰিছো। আপুনি লিখি দিয়ক আমি সোনকালেই মুম্বাইলৈ লৈ যাম। "তোমালোকে সঁচাই বহুত পবিত্ৰমনৰ ল'ৰা-ছোৱালী, তোমালোকৰ দৰে সকলো যুৱক-যুৱতীয়ে কথাবোৰ চিন্তা কৰা হ'লে যুৱ উশৃংখলতা বোলা শব্দটো আমাৰ সমাজত প্ৰয়োগেই নহ'লহেঁতেন।" ডাক্তৰৰ পৰামৰ্শ গ্ৰহণ কৰি তাই সোমাই আহিল। ব্যস্ততাৰ বাবে এটা তাইৰ চকুৱে মুখে প্ৰস্ফুটিত হৈ উঠিল। চনু, প্ৰকাশ আৰু ৰংমনক কিবা এটা খাবলৈ হোটেললৈ পঠিয়াই সিহঁতে মুম্বাই যাত্ৰাৰ পৰিকল্পনা কৰিলে। সিহঁতৰ সংগঠনৰৰ লগতো ফোনেৰে আলোচনা কৰিলে।

দুদিনৰ পিছত জেউতিক চিকিৎসাৰ বাবে মুম্বাইলৈ নিবলৈ ঠিক কৰা হ'ল। বিমানৰ টিকট সংগ্ৰহ কৰা হ'ল। ৰোগীৰ লগত স্বাগতা, কাশ্মীৰী, ৰংমন যাবলৈ ঠিক কৰা হ'ল। বাঙ্গালুৰুত পঢ়ি থকা প্ৰকাশৰ ককায়েক দিগন্তইও হস্পিতালতে ৰোগীকে দেখা কৰাৰ কথা। খৰচৰ আধা প্ৰকাশৰ দেউতাকে গাত লৈছে।

অৱশেষত সেই নিৰ্দিষ্ট সময়খিনি উপস্থিত হ'ল। যোৰহাটৰ ৰৌৰিয়াস্থিত বিমান বন্দৰৰ পৰা মুম্বাই অভিমুখী বিমানখন আন বহুতো যাত্ৰীৰ লগতে, জেউতি, ৰংমনহঁতক লৈ উৰিবলৈ সাজু হ'ল। পুৱা ৯-৩০ বজাত সিহঁত মুম্বাই অভিমুখে উৰা মাৰিলে। ৰংমনে খিৰিকিৰে তলৰ পৃথিৱীখনলৈ চাই পঠিয়ালে। নানা ধৰণৰ চিন্তাই পঠিয়ালে। নানা ধৰণৰ চিন্তাই তাৰ মনটো জুমুৰিদি ধৰিলে। আকাশত উৰা এই বিমান বোৰলৈ সি সৰুতে পথাৰত গৰু চৰাই থকা দিনতে চাইছিল। এদিন উঠাৰ সপোন দেখিছিল। সি জেউতিলৈ এবাৰ চালে। বহুদিন ধৰি গোট্খা খোৱাৰ বাবেই মানুহ জনীৰ এইটো বেমাৰ হ'ল বুলি ডাক্তৰে কৈছে। কথাবোৰ শুনি তাৰ এনেকুৱা লাগিছে যেন সি চিঞৰি চিঞৰি ক'ব সকলোকে "ৰাগিয়াল বস্তু নাখাবা, এইবোৰ স্বাস্থ্যৰ বাবে মহামাৰী সদৃশ, এইবোৰ সেৱন কৰি নিজৰ জীৱনটো ধ্বংস নকৰিব ইত্যাদি ...। আগৰ আসনত বহি যোৱা স্বাগতাই এবাৰ তালৈ ঘূৰি চাইছিল। সি ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে যাতে ছোৱালী দুজনীৰ সকলো মনৰ ইচ্ছা পূৰণ হয়। সিহঁতৰ বাবেই আজি সি মানুহজনীক ভালকৈ দেখুৱাবলৈ আনিছে বুকুত হাজাৰ সপোন বান্ধি। দুচকুত সি সুখময় ভৱিষ্যত এটাৰ কল্পনা কৰিছে। কথাবোৰ ভাবি ভাবি তাৰ নিজকে কোনোবা অচিনাকি যেন লাগিল। স্বাগতা, কাশ্মীৰীৰ প্ৰতি শ্ৰদ্ধাত শিৰ নত হৈ গ'ল। দুচকুৰে তাৰ দুধাৰি চকুলো অজানিতে বৈ গ'ল। হঠাৎ যেন তাৰ চমক ভাঙিল। সি গম পালে। ইতিমধ্যে সিহঁতে গন্তব্য স্থানত উপস্থিত হৈছে। বিমানৰ পৰা নামিয়ে সি এক আচৰিত অনুভৱ কৰিলে। জাগতিক পৃথিৱীৰ পৰা যেন সি বহু দূৰত। জন্মান্তৰৰ শেষত সি যেন এটা নতুন যুগৰ প্ৰথম মানৱ ! স্বাগতা, কাশ্মীৰীৰ তত্বাৱধানতে সি নিৰ্দিষ্ট কৰি থোৱা কোঠালৈ নিৰুদ্দেশ ভাৱে খোজ ল'লে ....।

# নিয়তিৰ অভিশাপ


ৰুমী গগৈ

স্নাতক প্ৰথম বৰ্ষ




বতৰটো পুৱাৰে পৰা গোমা হৈ আছে। ডিচেম্বৰ মাহৰ ঠাণ্ডা বতৰ। বহুদিন বৰষুণ নিদিয়াৰ বাবে ৰাস্তা-ঘাটবোৰ ধূলিৰে ধূসৰিত হৈ পৰিছে। সন্মুখৰ ৰাস্তাটোৰেদি গাড়ী-মটৰ মানুহ-দুনুহ অহা যোৱা কৰিব লাগিছে। চোতালতে এখন চকীত বহি অনিমেষ কাকতিয়ে সেই গোমা হৈ থকা চাই আছে। তেওঁৰ আজি কিয় জানো সেই পুৰণি কথাবোৰ মনলৈ আহিছে। আন্ধাৰ নামি অহাৰ লগে লগে অলপ ঠাণ্ডাও পৰিছে। তথাপিও তেওঁ যেন আজি সেই ঠাণ্ডা অনুভৱ কৰা নাই। মাত্ৰ তেওঁৰ মনত যেন সেই স্মৃতিবোৰে অহা যোৱা কৰিব লাগিছে।

এটি সুন্দৰ ভৱিষ্যতৰ কল্পনা কৰি বহুতো ৰঙীণসপোন বাস্তৱত ৰূপান্তৰিত কৰাৰ আশালৈ অনিমেষ কাকতিয়ে সংসাৰ পাতিছিল। তেওঁলোকৰ ঘৰ খনত আছিল মানুহ বুলিবলৈ তেওঁ, তেওঁৰ পত্নী ৰীণা আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা দিপু আৰু ঋতু। জীৱনৰ একা বেঁকা কাঁইটীয়া পথেৰে অনিমেষে কাকতিৰ চাৰিজনীয়া সংসাৰ খন বেচ সুখেৰে আগবাঢ়ি গৈছিল। কিন্তু তেওঁৰ পত্নী ৰীণাই ঋতুৰ জন্মৰ দুবছৰ পাছতেই এই পৃথিৱীৰ পৰা চিৰকালেই বিদায় লৈছিল। ছোৱালীজনীক কোলাত লৈ অনিমেষে সেইদিনা খুব কান্দিছিল। মাকৰ মৃতদেহটোলৈ চাই দীপুৱে যেনেকৈ ফেঁকুৰি ফেঁকুৰি কান্দিছিল। সেই দৃশ্যটো মনত পৰিলে অনিমেষৰ মনটো আজিও হাহাকাৰ কৰি উঠে। দীপুৰ মাকৰ শ্ৰাদ্ধ হৈ যোৱাৰ পিছত তেওঁলোকৰ ঘৰখনত কিছুমান অশান্তিয়ে দেখা দিলে। ঘৰখনৰ কামৰ পৰা ল'ৰা-ছোৱালীকেইটাক আলপৈচান ধৰোতে মেলোতে তেওঁ অফিচলৈ যাব নোৱাৰা হৈছিল। কেইবামাহো ছুটীলৈ তেওঁ এই গধুৰ দায়িত্ববোৰ সমাধা কৰি গৈছিল। সেই সময়তে ওচৰ চুবুৰীয়া কেইজনমানে তেওঁক আকৌ বিয়া কৰিবলৈ উপদেশ দিছিল। কিন্তু তেওঁ দীপুৰ মাকৰ স্মৃতি পাহৰিব পৰা নাছিল, মানুহগৰাকীৰ পতিব্ৰতা, অমায়িক আচৰণ, মৰম লগা হাঁহি আদি প্ৰতিটো আচৰণেই তেওঁৰ হৃদয়ত সজীৱিত হৈ আছিল। সেয়ে তেওঁ এটা কাম কৰা ল'ৰাকে বন্দবস্ত কৰি কামৰ বোজা পাতলাইছিল। কেতিয়াবা তেওঁ একেবাৰে নিসংগ অনুভৱ কৰি নীৰৱে দুখ প্ৰকাশ কৰিছিল। তেওঁ যেন অনুভৱ কৰিছিল যে তেওঁ অকালতে বুঢ়া হৈ গৈছে। কিন্তু পিছ মুহূৰ্ত্ততে সকলো দলিয়াই এটা মাত্ৰা কথা ভাবিছিল যে, তেওঁ ৰীণাৰ আশা পূৰণ কৰিবলৈ কে ল'ৰা-ছোৱালীকেইটাক সকলো পিনে শিক্ষিত কৰি তুলিব।

এনেকৈয়ে বহু কষ্টৰে দেউতাকৰ নিঃস্বাৰ্থ চেষ্টাত দীপু আৰু ঋতুৱে ক্লাছ ফাইভ পাইছিলগৈ। অনিমেষে দীপুৰ আৰু ঋতুৰ মাজত সোণালী ভৱিষ্যতৰ সম্ভাৱনাৰে দূৰত এগছি আশাৰ বন্তি জ্বলা দেখিছিল।

কিন্তু নিয়তিৰ কি পৰিহাস। অনিমেষৰ জীৱনলৈ যে এটুকুৰা ক'লা মেঘ বৈ আহিল। সেইদিনা আছিল সম্ভৱ বুধবাৰ। অনিমেষ অফিছলৈ যোৱা নাছিল। দীপু আৰু ঋতুৱে স্কুললৈ ওলাই দেউতাকক চিঞৰি চিঞৰি কৈছিল, "দেউতা আমি যাওঁ, বাইবাই' অনিমেষ সিহঁতক পদূলিলৈকে আগবঢ়াই কৈছিল, "ভালদৰে যাবা; হৰিকাইৰ হাতত ধৰি লোৱা! " All the best", সিহঁতক উলিয়াই দি তেওঁ অফিছৰ বাকী থকা কামবোৰ কৰি গৈছিল। এনেকৈয়ে কিমান সময় গৈছিল তেওঁ গম পোৱা নাছিল। কাম শেষ কৰিয়েই তেওঁ বিছনাখনত দীঘল দিও বুলি গৈছেহে মাত্ৰ। এনেতে ওচৰৰ দীনেশে ফোপাই জোপাই আহি চিঞৰিলেহি। দীনেশৰ চিঞৰ শুনি অনিমেষ ওলাই আহি কি হ'ল, কি হ'ল বুলি সুধিলেহি। তেতিয়া দীনেশে মাৰ্কেটৰ ওচৰত বোমা ফুটিল বুলি ফোপাবলৈ ধৰিলে। অনিমেষ লৰালৰিকৈ দৰ্জাখন বন্ধ কৰি বাইকখন উলিয়াই দীনেশক লগত লৈ দীপুহঁতৰ স্কুললৈ বুলি ওলাই গ'ল। দীপুহঁতৰ স্কুলত খবৰ লৈ গম পালে যে দীপুহঁত স্কুল পোৱাহিয়েই নাই। অনিমেষৰ বুকুখন চিৰিং কৰি গ'ল। লগে লগে অনিমেষ বজাৰখনৰ ফালে গৈ দীপুহতৰ খবৰ ললে। বহুতো বিচাৰ খোচাৰ কৰাৰ পিছত গম পালে যে দীপুহঁত এই পৃথিৱীত নাই। বোমা বিস্ফো ৰণ হোৱা মুহূৰ্ততে এই পৃথিৱীত নাই। বোমা বিস্ফোৰণ হোৱা মুহূৰ্ততে সিহঁতে বজাৰখনৰ ওচৰ পাইছিল গৈ। তাৰপিছত নাই; আৰু অনিমেষে ভাবিব নোৱাৰে। তেওঁৰ চকুৰ পৰা বাধাহীনভাৱে ধাৰাসাৰে চকুলো বৈ আহিছে। অকালতে বুঢ়া হোৱা অনিমেষ এতিয়া নিসংগ। মাত্ৰ কাম কৰা ল'ৰাটোৰ বাহিৰে। ঘৰটোৰ ভিতৰত যেন সি সদায় দীপু-ঋতুৰ মাত শুনে, " দেউতা দেউতা দেউতা .......।" অনিমেষৰ মূৰটো খুব বিষাইছে। সি জোৰেৰে মূৰটো টিপি ধৰিলে। এনেকৈয়ে ফুলৰ কলি নৌ ফুলোতেই অনিমেষৰ সকলো সপোন নিয়তিয়ে মৰহাই পেলালে।

# শেষৰজাক বৰষুণ

সোনমণি বড়া
স্নাতক তৃতীয় বৰ্ষ

আকাশখন এতিয়াও গোমা হৈ আছে। চিপ চিপকৈ দি থকা বৰষুণ জাকৰ কাৰণে ৰাস্তাটো বৰকৈ বেয়া হৈছে। ৰাতিপুৱাৰে পৰা কেৱল একেৰাহে বৰষুণ ...। সেই বৰষুণৰ মাজতেই মানুহৰ ব্যস্ততাও বাহিছে। ইচ্ছা নথকা স্বত্বেও তাই অন্য দিনৰ দৰে ৱালখনত ভেঁজা দি খিৰিকীখন খুলি দিলে। ৰুমৰ কাষতে থকা ফুলনি খনৰ পৰা হাস্নাহানাৰ চিনাকী সুবাস এটা তাইৰ নাকত লাগিলহি। অজানিতে তাইৰ মনটো উৰা মাৰিল অতীতলৈ .....। সৰুতে কিমান যে উৎপতিয়া অথচ গহীন যেন লগা ছোৱালীজনী, মৰমৰ অভিমানেৰে ভৰা, বৰষুণত তিতি ভাল পোৱা ছোৱালীজনী কিন্তু তাই এতিয়া নিজে নিজেই আচৰিত হোৱাৰ দৰেই হ'ল কিয়নো এতিয়া বৰষুণত তিতি তাই অকণো ভাল নাপায়।



আহাৰ মাহত এনেও ভৰ বাৰিষা হয়েই। পাকঘৰত খটং কৰা শব্দ এটা শুনিহে তাই সম্বিৎ ঘূৰি আহিলে। ওচৰতে থকা ঘড়ীটোলৈ চালে ইতিমধ্যে ঘড়ীৰ কাটা কেইডালে ন বাজি কেইমিনিটমান সময় অতিক্ৰম কৰিছে। তাই খৰ ধৰকৈ বাথৰুমলৈ গ'ল। মুখখন ধুই এসাজ কাপোৰ আলমাৰিটোৰ পৰা উলিয়াই আনিলে। পাতল গোলপীয়া কাপোৰ সাজ তাইৰ জোৱোণত দিয়া, সেইকাপোৰ সাজেৰে তাইক বৰ ধুনীয়াজনী লাগে। সেইজোৰকে তাই দেহাটোত মেৰিয়াই অফিচলৈ বুলি ওলাল।

ঘৰৰ পৰা অফিচলৈ বেছি দূৰ নহয় দহ বজাত পাবগৈ লাগিব। ৰিক্সা এখনত উঠি তাই অফিচ পালেগৈ। সকলোৱে ৰাতিপুৱাৰ

সম্ভাষণ জনালে। তাইও সহাঁৰি জনাই কামত ব্যস্ত হ'ল। অভ্যাসবশতঃ কলমটো ওঁঠৰ ফাকত গুজি লওঁতেই চকীদাৰজনে মাত লগালে "গুড্‌মর্ণিং ............ জীনা .......... মেডাম। কফি খাব টেবুল খনতে ৰাখিছো।"

হয় তাইৰ নাম জীনা বৰুৱা। তাই ইন্দিওৰেঞ্চৰ কোম্পানীত চাকৰি কৰে। ঘৰ শিৱসাগৰৰ কলঞ্চুপাৰত। তাইৰ স্বামীৰ নাম ৰাজদ্বীপ বৰুৱা। এটা প্রতিষ্ঠিত কোম্পানীত চাকৰি কৰে কাৰণে চিঙ্গাপুৰত থাকে। ঘৰটোত তাই প্রায়েই অকলশৰীয়াকৈ থাকিব লগা হয়। বনকৰা ছোৱালীজনীয়ো বেমাৰ হোৱাত ঘৰলৈ গুচি যাব লগা হ'ল। সেয়ে অকলশৰীয়া মুহূর্তবোৰত স্বামীৰ অনুপস্থিতি তাই বাৰুকৈয়ে অনুভৱ কৰে। এনেকৈয়ে তাইৰ জীৱনটো নিৰসভাৱেই পাৰ কৰিছে। ব্যস্ততাৰ মাজতেই কম্পিউটাৰটোত গান এটা লগাই কামত মনোযোগ দিলে। বহুতো কাম আছে তাইৰ। প্রথমতে তাই "এডভাইজাৰ" হিচাপে নিযুক্তি লাভ কৰিছিল। পাছত তাইৰ কঠোৰ পৰিশ্ৰম, বুদ্ধি আৰু সাহসৰ ফলত "চুপাৰভাইজাৰ" পদলৈ প্রমোচন পালে।

এই ইঞ্চিওৰেঞ্চ কোম্পানীবোৰত চাকৰি কৰি দৰমহা পাবলৈ কিমান কষ্ট সেয়া একমাত্র তাইৰ বাহিৰে আৰু চাগে আন কোনেও সেয়া উপলব্ধি কৰিব নোৱাৰিব। কলেজত থাকোতে তাই অনুৰাধা শর্মা পূজাৰীৰ "হৃদয় এক বিজ্ঞাপন" নামৰ উপন্যাসখন পঢ়িছিল। কিন্তু এতিয়াহে সেই উপন্যাসৰ আচল ৰহস্যবোৰ উপলব্ধি কৰিব পাৰিছে। "সঁচাকৈয়ে সাগৰৰ গভীৰতা অনুভৱ নকৰাজনে হৃদয়ৰ গভীৰতা যেনেদৰে অনুভৱ কৰিব নোৱাৰে, তেনেদৰেই আকাশ নোচোৱাজনৰো হৃদয়ৰ বিশালতা আৰু জীৱনৰ বং থাকিব নোৱাৰে।" উপন্যাসৰ এই বাক্যকেইটা তাই আজি ভালদৰে উপলব্ধি কৰিছে। অনুভৱবোৰে তাইক আজি জুমুৰি দি ধৰিছেহি। শৈশৱৰ সোণালী দিনৰ পৰা বর্তমানলৈ সকলোবোৰ চিন্তা তাই মানসপটত সজীৱ হৈ উঠিল। শৈশৱৰ জীনাজনী এতিয়া বহুত ডাঙৰ হ'ল। মাতৃত্বৰ বোজা বহন কৰিব পৰা হ'ল। তাইৰ বুকুত এটা অনামী সুখ মাক হোৱাৰ আনন্দত।

তাই সৰু হৈ থাকোতে মাক-দেউতাকে তাই নিঠৰুৱা কৰি থৈ গৈছিল। মোমায়েকৰ ঘৰত থাকি তাই পঢ়া-শুনা কৰিছিল আৰু নিজৰ ইচ্ছা মতেই ৰাজৰ লগত বিয়াত বহিছিল। আজি দেওবাৰ তাই ঘৰতে থাকিব পাৰিব। দিনটোৰ ব্যস্ততাৰ মাজতেই তাই দুই এটা গল্প, কবিতা নিলিখা নহয়। তাতে নতুন আলহীক আদৰণি জনোৱাৰ প্রস্তুতি ইতিমধ্যে চলিছেই। তাইৰ কিমান যে আশা আৰু কল্পনা.....। ৰাজেও কৈছে তাইক নিজৰ কাষলৈ লৈ যোৱাৰ কথা। তাই চাকৰি নকৰিলেও সি বেয়া নাপায়। কিন্তু তাইওঁ বৰ আকোঁৰগোজ মনোভাৱৰ ইমানখিনি পঢ়া-শুনা কৰি কেৱল ঘৰতে বহি থাকিবনে? কিবা এটাত ব্যস্ত থাকিলে মনটো ভালে থাকিব। এইবোৰ আপত্তি মাজে সময়ে ৰাজৰ আগত তাই বর্ণনা কৰে। তাইৰ ইচ্ছাৰ বিৰুদ্ধে কিবা এটা ক'লে শেষত কি হ'ব সেয়া তাৰ ভালদৰে জনা আছে। সেইকাৰণে সি তাইৰ কিবা এটা কলেও মনে মনে থাকে। কিন্তু এতিয়া ৰাজৰ অনুপস্থিতি সঁচাকৈয়ে অনুভৱ কৰিছে আৰু কৈ দিবৰ মন গৈছে যে তাই আৰু চাকৰি নকৰে।

বিয়াৰ এবছৰৰ পাচৰে পৰা সিহঁত অকলশৰীয়া হৈ পৰিছে। অতীতৰ কিছুমান মুহূর্তৰ কথা ভাবিলেই তাই বৰ নষ্টালজিক হৈ পৰে — ৰাজৰ যে কিমান ঠেহ-পেচ, অফিচৰ পৰা অহাৰ লগে লগেই চৰবত এগিলাচ দিয়া, তাৰ কাৰণে ভাত খাবলৈ বৈ থকা আৰু ৰাজৰ পচন্দৰ মতে খোৱাৰ আহাৰ ৰেডি কৰা তাৰ লগেতে তাৰ অভিমান আৰু উচুপনিবোৰ আছেই। ফোনটোৰ ক্রিং ক্রিং শব্দত তাই চকামকাকৈ উঠি ৰিচিভ কৰিলে সিফালৰ পৰা ৰাজৰ কণ্ঠ ভাঁহি আহিল।

ৰাজ কালিলৈ ফ্লাইটত ঘৰলৈ আহিব। তাইৰ কি যে ফুর্তি কিমান দিনৰ মূৰত যে সি ঘৰলৈ আহিব? ৰাতিপুৱাই শুই উঠি তাই ৰুমকেইটা ভালদৰে সজাই ৰাখিলে। ডাইনিং টেবুলত খোৱাবো যোগাৰ কৰি ৰাখিছে। এতিয়া আৰু বিশেষ একো কাম নাই কেৱল ৰাজ অহাৰ অপেক্ষাত ...।

পুৱাৰ বৰষুণজাক ক্রমে ঘন হৈ আহিছে। বাৰান্দাতে বহি জীনাই চাহকাপ হাতত লৈ পেপাৰখনত এবাৰ চকু ফুৰালে। প্রথম পৃষ্ঠাটোতে ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে "ছিংগাপুৰৰ পৰা গুৱাহাটী অভিমুখী জেটএইংচৰ ফ্লাইটখন দুর্ঘটনাগ্ৰস্ত অৱস্থাত" তাই আৰু পঢ়িব নোৱাৰিলে, পেপাৰখন ফালি পেলালে। হিয়াজুৰি কান্দিবলৈ ধৰিলে। সকলো সপোন তাইৰ ভাঙি ছিঙি চুৰমাৰ হৈ গ'ল, নোৱাৰে তাই অকলশৰে থাকিব। ৰাজৰ অবিহনে এই পৃথিৱীত জীয়াই থাকিব। তাই অচেতন হৈ গ'ল। হঠাৎ তাইৰ গোটেই হৃদয়খন কলীয়ামেঘে আৱৰি ধৰিলে। তাইৰ জীৱনলৈ এটা ডাঙৰ ধুমুহা আহিল। বৰষুণজাক ক্রমে ঘন হৈ আহিছে। মুষলধাৰে নামি আহিছে বৰষুণজাক। সকলোবোৰ মলিনতা ধুৱাই নিকা কৰি পেলাইছে তাইৰ বাবে এই সমগ্র বিভীষিকাৰ অন্তত এইজাক বৰষুণ শেষৰজাক বৰষুণ।



# সংগ্ৰাম


## কৃপাশ্ৰী দত্ত

উঃমাঃ দ্বিতীয় বৰ্ষ


ডিচেম্বৰ মাহৰ হাড় কপোঁৱা জাৰ। চাৰিওফালে মাথো ফেঁহু বৰণীয়া কুহেলিকা। চৰাইৰ কিচিৰ-মিচিৰ কাকলি আৰু দূৰৈৰ ৰেল গাড়ীখনৰ উকিৰ শব্দই পৰিৱেশটো জীপাল কৰি তুলিছে। ডিচেম্বৰ মাহত এই সময়কণত শোৱাৰ আমেজেই সুকীয়া। এনে এটা মনোৰম পৰিৱেশত প্ৰত্যেক ব্যক্তিয়ে নিদ্ৰাদেৱীৰ কোলাত মূৰ থৈ সপোন ৰাজ্যত বিচৰণ কৰিব খোজে। কিন্তু দুৰ্ভগীয়া তপনৰ জীৱনতহে বিধাতাই এই স্বৰ্গ সুখকণ নিলিখিলে। শোৱলৈ মন থকা স্বত্বেও পেটৰ তাড়নাতে সি নৱ বিবাহিতা পত্নী ৰুণুমাক অকলে এৰি থৈ শোৱা পাটি এৰিব লগা হৈছে। কাৰণ আজি সেই অঞ্চলৰ স্বনামধন্য ব্যৱসায়ী প্ৰকাশ কটকীৰ শুভ বিবাহ। অঞ্চলটোৰ বিয়া সবাহত আকৌ তপনকাই কণাৰ লাখুটি। সেয়ে সি খৰ ধৰকৈ গা-পা ধুই গোঁসাই থাপনাৰ আগত ধূপডাল জ্বলাই জুইশালত চাহৰ কেটলিটো তুলি দিলে। ৰুণুমালৈ বাট নাচাই সি গুৰ এচপৰাৰে ৰঙা চাহ এবাতি খাই দিনটোলৈ ওলাই গ'ল।

তপন বিয়াঘৰ পায়গৈ মানে লাজ লাজকৈ পূব আকাশত সুৰুযৰ ৰক্তিম আভা উদ্ভাষিত হৈ উঠিল। গান নাচ সু-মধুৰ ধ্বনিত বিয়াঘৰৰ পৰিৱেশ উখলমাখল হৈ উঠিছে। দুখৰ মাজতো তপনৰ মনটো আনন্দত নাচি উঠিল। গানৰ লহৰে সি বাচন ধোৱা, ঠাই সৰা, টেবুল চাফা কৰা, আদি কামবোৰ নিয়াৰীকৈ কৰি গ'ল। খোৱা-বোৱাৰ প্ৰতি ধাণ্ডা দিবলৈ যেন তাৰ আহৰিয়েই নাই। কিন্তু, মনৰ জোৰতে বহুত কাম কৰিলেও তাৰ পেটটো ভোকত কলমলাই উঠিল। সি লাহেকৈ উঠি গৈ দৈ চিৰা আৰু মিঠাইৰে পৰিপূৰ্ণ ডিচ্ এখন লৈ যাবলৈ বহিল। খাদ্য সামগ্ৰী দেখি তাৰ ৰুণুমাৰ খাবলৈ নোপোৱা শেতা পৰা মুখখন আৰু আনহাতে খাদ্যসামগ্ৰীৰ সু-ঘ্ৰাণে তাৰ পেটৰ ভোক দুগুণে বঢ়াই তুলিলে। এগৰাহ খাবলৈ লওঁতেই এখন বলিষ্ঠ হাতৰ পূৰ্ণহতীয়া চৰ তাৰ গালত পৰিল। সি ঘূৰি চাবলৈ লওঁতেই পুনৰ আৰু এটা চৰ তাৰ আনখন গালত পৰিল। এইবাৰ সি চৰ মাৰোতাজনৰ মাত স্পষ্টকৈ শুনা পালে ঐ, কামৰ সময়ত কাম নকৰি খাবলৈ আহিছ। আগতে কাম কৰ। দেখা নাই মানুহৰ ভিৰ বাঢ়িছে। তইঁতি টকাৰ বাবেহে কাম কৰ'। গতিকে যিমান পাৰ সোনকালে কাম কৰি যা। খোৱাৰ চিন্তা এৰ। অ আৰু শুন এওঁলোক মোক Business Partner। গতিকে চাবি যাতে তেওঁলোকে ইচ্ছাকৰা ধৰণে খাবলৈ পায়।" তপনৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। এচামক বিচৰামতে খাবলৈ দিব লাগে আৰু তাৰদৰে দুখীয়া চামে ক্ষুধা নিবাৰণৰ বাবেও এমুঠি খাবলৈ নাপায়। কাকো একো নকৈ সি বিয়াঘৰৰ পিছ দুৱাৰেদি ঘৰলৈ খোজ দিলে।

ওৰেটো বাট তাৰ ৰুণুমাৰ কথাকে মনলৈ আহিল। কিমান যে আশা কৰিছিল তাই গিৰিয়েক বিয়াৰ পৰা তাইলৈ চিৰা, দৈ, লালমোহন আনিব। কিন্তু তাইৰ আগতে দেখুন চেঁচা পানীহে পৰিব। যিমানেই সি ঘৰৰ ওচৰ পাইছে সিমানেই তাক পত্নীৰ মুখখনে বৰকৈ আমনি দিব ধৰিছে। দূৰৈৰ পৰাই সি দেখিলে তাৰ পত্নীয়ে হাতত চাকিটো লৈ নওলা মুখত তাৰ বাবে বৈ আছে। সি গৈ নওলামুখত পোৱাৰ পাছত ৰুণুমাই ওচৰ চাপি কিবা এষাৰ ক'ব খুজিও থমকি ৰৈ গ'ল। তপনেও তাইলৈ বাট নাচাই ভৰি হাত ধুই বিচনাতে বাগৰ সলালে। ভুক্তভোগী ৰুণুমাৰো তপনৰ মনৰ বতৰা জনাত বেছি পৰ নালাগিল। তাইও চাকিটো নুমুৱাই তপনৰ কাষতে বাগৰ দিলে। কিন্তু হয়তো তাই এটা বৰ সুন্দৰ তথা লোভনীয় গন্ধ পালে। গন্ধটিৰ উৎসৰ উমান পাই তাই তপনৰ কৰ্মৰ হাত দুখন জোৰেৰে দুবাৰমান শুঙি চালে। কাৰণ সুদীৰ্ঘ তিনিদিন অনাহাৰে থকাৰ অন্তত প্ৰকাশ কটকীৰ বিয়াৰ আতিথ্য সামগ্ৰীৰ গন্ধই তাইৰ পেটৰ ভোক বহু পৰিমাণে লাঘৱ কৰিলে। এইবাৰ তপনৰ ধৈৰ্য্যৰ বান্ধ খুলি পৰিল। সি সৰু ল'ৰা এটাৰ দৰে ফেঁকুৰি উঠিল। সঁচাই সিহঁত বৰ দুৰ্ভগীয়া। স্বামী হিচাপে সি পত্নী ৰুণুমাৰ কোনো প্ৰয়োজন পূৰণ কৰিব পৰা নাই। যাৰ ফলত অনাহাৰে আৰু সৰ্বহাৰে থকাটো সিহঁতৰ এটা Life style ত পৰিণয় হ'ল। বজাৰৰ জুইৰ দৰে দামৰ লগত সিহঁতৰ দিন হাজিৰা কৰা টকাকেইটা অপ্ৰয়োজনীয় হৈ পৰিল। পেটৰ পেৰণিত কঁকালত গামোচা বান্ধিবলৈ নাইবা গামোচাৰ ঠাইত অন্য কাপোৰ বান্ধিবলৈও তাৰ দৰে দুখীয়াৰ অভাৱ। সিহঁত মাথো সমাজৰ লাঞ্চিত বঞ্চিত, অৱহেলিত আৰু নিষ্পেষিত। সিহঁতৰ প্ৰয়োজন মাথো ধনী শ্ৰেণীৰ আল পৈছান ধৰিবলৈহে। সিহঁতৰ ধনীৰ শোষণৰ সামগ্ৰী। সঁচাই তপনৰ দৰে লোকসকল বৰ দুৰ্ভগীয়া। সিহঁতৰ দুখৰ জানো অন্ত পৰিব? পাবনে ৰুণুমাৰ দৰে তিৰোতাই পেটপুৰাই এসাঁজ ভাত খাবলৈ? এই জটিল প্ৰশ্নটি বৰ্তমান সন্দেহৰ আৱৰ্তত..

# ভগ্ননীড়

**ৰিজুমণি বৰগোঁহাই**
স্নাতক তৃতীয় বৰ্ষ



কল্পনা প্ৰৱণতা প্ৰতিজন মানুহৰ এক সহজাত প্ৰবৃত্তি। প্ৰত্যেকেই বিচাৰে জীৱনটো তেওঁলোকে বিচৰাধৰণে অতিবাহিত কৰিবলৈ, প্ৰত্যেকেই সপোন দেখে এখন সুখী সংসাৰৰ, এটি সুখী পৰিয়াল, এটি সপোন পজাৰ আৰু ক'ত যে কি .........? হয়তো ইয়াৰ আকাশৰ দৰে সীমাহীন ..........। এনে এখন সুখী সংসাৰৰ, এটি মন্দিৰৰ কল্পনা থানেশ্বৰ বৰুৱা আৰু তেখেতৰ পত্নী ৰেণু বৰুৱাই কৰিছিল। বৰুৱা দম্পতী গাওঁৰে এখন হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী। শিক্ষক হিচাপে দুয়োৰে যথেষ্ট নাম আছে। তেওঁলোকৰ বৈবাহিক জীৱনৰ একমাত্ৰ সাক্ষী অম্লান, তেওঁলোকে মৰমতে 'সোণ' বুলি মাতে। সোণক তেওঁলোকে সামাজিক ভাৱে সকলো শিক্ষাই দিছে আৰু সিও মাক-দেউতাক গঢ় দিয়াৰ গঢ় লৈছে।

সোণে গুৱাহাটীৰ মেডিকেল কলেজৰ পৰা সুখ্যাতিৰে ডাক্তৰী পাছ কৰাৰ পাছত আমেৰিকালৈ উচ্চশিক্ষাৰ বাবে আমন্ত্ৰিত হয়। মাক-দেউতাকে সি গাওঁতে থাকি গাওঁৰ ৰাইজক সহায় কৰাতোহে বিচাৰিছিল, কিন্তু একমাত্ৰ পুত্ৰৰ আশাক নিৰাশা কৰিব নোৱাৰি অনিচ্ছা স্বত্বেও অম্লানক অনুমতি দিছিল। অম্লান আমেৰিকালৈ যোৱাৰ দিনা বৰুৱা দম্পতীয়ে হিয়া উজাৰি কান্দিছিল ......। বৰুৱাই কোনো মতে ধৈৰ্য্য ধৰি বৰুৱানীক বুজাইছিল নাকান্দিবা বুজিছা, সোণে আমাৰ খ্যাতি বঢ়াবলৈহে গৈছে। সি এদিন আমাৰ সপোন পঁজা বাস্তৱত সাজিব, আমাৰ সংস্কাৰ অথলে নাযায় ....।

সোণে প্ৰায়ে টেলিফোন কৰি মাক-দেউতাকৰ খবৰ লয় আৰু আমেৰিকাৰ বিভিন্ন কথা কয়। সেইদিনা বৰুৱানীয়ে চকুৰ

পানীৰে বাট নেদেখা হয় আৰু কয় সোণ তই গুচি আহ নালাগে বিদেশৰ উচ্চ শিক্ষা। সোণে ফোন কৰাৰ পিছত বৰুৱা দম্পতীয়ে সোণৰ ভৱিষ্যতকলৈ বিভিন্ন কথা পাতে। বৰুৱানীয়ে প্ৰায়ে কয় সোণ ঘূৰি অহাৰ পাছত এজনী ভাল ছোৱালী চাই তাৰ বিয়া পতাৰ কথা ভাবিছো আৰু কি ভাবিছো জানে মই তাৰ বিয়া বৰ ধুম-ধামেৰে পতাৰ কথা ভাবিছো। বোৱাৰীক যে মই খুউব মৰম কৰিম নিজৰ মাকৰ দৰে কাৰণ আমাৰটো ছোৱালী নাই আৰু বিভিন্ন কথা পাতিম বোৱাৰীৰ দৰে নহয় নিজৰ ছোৱালীৰ দৰে। মাজতে বৰুৱাই ৰসিক কৰি কয় শাহু-বোৱাৰীৰ মেলৰ মাজতে এই দুৰ্ভগীয়াৰ কথাও এবাৰ ভাবিবা। ওঃ সেই সময়ত আপোনাৰ দৰে বৃদ্ধৰ ফালে চাবলে নিশ্চয় সময়ে নোলাব। অ' তাৰমানে মই তেতিয়া বৃদ্ধহে হ'ম গৈ। তাৰ পিছত দুয়োৰে হাঁহি ..........।

এনেদৰে বৰুৱা দম্পতীয়ে অম্লানৰ অনুপস্থিতিৰ বিষণ্ণতা স্বত্বেও নিজৰ দৈনন্দিন কাম-কাজ চলাই নিলে। ইতিমধ্যে অম্লানেও উচ্চ শিক্ষা সমাপ্ত কৰি বিদেশৰ এখন যথেষ্ট নাম থকা চিকিৎসালয়ত কাম কৰাৰ বাবে আমন্ত্ৰণ পায় আৰু মাক-দেউতাকৰ অনিচ্ছা স্বত্বেও তাতে যোগদান কৰে। বৰুৱা দম্পতীয়ে পুনৰ পুত্ৰ স্নেহৰ সন্মুখত হাৰ মানিলে। ইতিমধ্যে বৰুৱা তেওঁৰ পত্নীয়ে এবছৰৰ অগা-পিছাকৈ অৱসৰ গ্ৰহণ কৰিছে। অৱসৰৰ পাছত তেওঁলোকৰ সময়বোৰ নাযায় - নোপোৱাই যেন অনুভৱ হ'বলৈ ধৰিলে। অম্লানেও অফিচৰ কামৰ হেঁচাত আগতকৈ কম ফোন কৰে আৰু মাক দেউতাকেও এই বিষয়ে বিশেষ আপত্তি নকৰে। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে অম্লানৰ ফোনৰ সংখ্যা একেবাৰে কমি আহিল আৰু সি প্ৰায় তিনিমাহ মান ঘৰলৈ ফোন কৰা নাই। বৰুৱানীয়ে পুত্ৰৰ কি বা হৈছে, কিয় ফোন কৰা নাই ইত্যাদি ভাবি নিজৰ স্বাস্থ্যও অসুস্থ কৰি তুলিছে। বৰুৱাই পত্নীৰ অৱস্থা দেখি এদিন অম্লানৰ অফিচৰ পৰা তাৰ ব্যক্তিগত নম্বৰটো লৈ ফোন কৰিলে। যি দেউতাকৰ খবৰ লোৱাৰ পৰিৱৰ্তে ক'লে যে কিয় যিকোনো সময়তে ফোন কৰি Disturb দিয়া; তোমালোক India মানুহবোৰৰ সময়ৰ জ্ঞান একেবাৰেই নাই। এতিয়া ৰাখা মই busy আছো। পুত্ৰৰ কথা শুনি পিতৃ-মাতৃৰ হিয়াই কান্দি উঠিল।

বৰুৱানীয়ে অন্তৰখনক বুজাব নোৱাৰি এমাহ পিছত পুনৰ ফোন কৰিলে। কথাৰ মাজতে ক'লে সোণ তই অহা মাহত ঘৰলৈ আহিবি আমি তোৰ বাবে কইনা চাইছো। প্ৰত্যুত্তৰত সোণে ক'লে তোমালোকেও যে কি Meaningless কামবোৰ কৰা। অ' মই ক'বলৈ পাহৰিছিলোৱে তিনিদিনৰ আগতে মোৰ বিয়া হৈ গৈছে ইয়াৰ এজনী American ছোৱালীৰ সৈতে। বেয়া নাপাবা, Sorry। কথাষাৰ বৰুৱানীৰ কাণৰ কাযত এটা ব'মা বিস্ফোৰিত হোৱাৰ দৰে হ'ল। বৰুৱানীৰ পুতেকৰ বিয়াৰ সপোন সপোন হৈয়ে ৰ'ল, মন্দিৰ সজাৰ যি ইচ্ছা হৈয়ে ৰ'ল ........। বৰুৱানীৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিল আৰু এদিন তেওঁৰ মৃত্যু হ'ল। অম্লানলৈ মাকৰ মৃত্যুৰ খবৰ পঠিওৱা হ'ল, কিন্তু অম্লান মাকৰ শ্ৰাদ্ধৰ দিনা ৰাতিপুৱাহে পালেহি।

মাকৰ শ্ৰাদ্ধৰ তিনিদিনৰ পাছত অম্লান দেউতাকক অকলে এৰি যাবলৈ ওলাল। দেউতা আমি আজি যামগৈ এওঁ ইয়াৰ পৰিৱেশৰ লগত মিলিব পৰা নাই আৰু মোৰো ছুটী নাই সেয়ে ...। তুমিও আমাৰ লগতে যাব নোৱাৰিবা কাৰণ তাৰ পৰিৱেশৰ লগত মিলিব নোৱৰিবা। সেয়ে মই ভাবিছো তুমি গাঁৱৰ মাটিবাৰী বোৰ বিক্ৰী কৰি কোনোবা এখন বৃদ্ধাশ্ৰমতে থাকিবলৈ লোৱা লগো বহুত পাবা আৰু মইও

India লৈ ঘূৰি নাহো, টকা-পইচাৰ প্ৰয়োজন হ'লে ক'বা। পুতেকৰ কথাখিনিয়ে বৰুৱাৰ অন্তৰ আত্মা কঁপাই তুলিলে, যেন এজাক ধুমুহাই তেওঁক কোবাই গ'ল ....। অম্লানৰ কথাখিনি বৰুৱাৰ মনলৈ অনিঃশেষ আহি থাকে। ক্ৰমশঃ তেওঁ ঘৰ-দুৱাৰ আৰু নিজৰ স্বাস্থ্যৰ প্ৰতি আওকাণ কৰিবলৈ ধৰিলে আৰু মুখেৰেও কিবা কিবি বলকি থাকে হয়তো তেওঁৰ মানসিক বিচ্যুতি ঘটিবলৈ আৰম্ভ কৰিছে ....

# বাস্তৱ, স্বপ্ন আৰু অন্যান্য

মণিকা সন্দিকৈ

স্নাতক প্ৰথম বৰ্ষ



নগৰকেন্দ্ৰিক ব্যস্ততা। ৰাজপথত অসংখ্য গাড়ী-মটৰ, ৰিক্সা, চাইকেল, স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ ভিৰ। নগৰখনৰ উপকণ্ঠ অঞ্চলবোৰৰ ৰাস্তাৰ দুয়োফালে পৰি আছে চানাৱালা, ফুচকাৱালাৰ পৰা চানা ফুচকা খাই পেলাই দিয়া কাগজৰ দ'ম। কলেজ, স্কুলবোৰৰ ওচৰৰ ঠাইবোৰত পৰি আছে নানা পেকেট কিম্বা কাগজৰ টুকুৰা। নগৰৰ ড্ৰেইনবোৰত নানা পলিথিন, কাগজ, দোকানৰ পেলনীয়া সামগ্ৰী, কাষৰ তিনিআলি, চাৰিআলিবোৰত নাইবা আন ঠাইত কোনো আদ্যৱন্ত ঘৰৰ মাক-দেউতাকৰ অযোগ্য সন্তান( !) বিলাক লগ হৈ পতা বিশ্বকৰ্মা, জন্মাষ্টমী, গণেশ পূজা ( যিবোৰ ধৰ্ম সংস্কৃতিৰ নামত অপসংস্কৃতিলৈ গতি কৰিছে) সেই পূজাথলী সমূহৰ পেলনীয়া ফলমূলৰ বাকলি, প্লাষ্টিকৰ বটল, গিলাছ কলগছৰ টুকুৰাবোৰ দলিয়াই দিয়া হৈছে। পানী যাব নোৱাৰাকৈ বন্ধ হৈ ৰোৱা জাঁৱৰ-জোথৰৰ সৈতে ড্ৰেইনবোৰৰ পৰা ওলোৱা উৎকট গোন্ধত হাৰাশাস্তি ভুগিছে পথাচাৰীসকলে, যাৰ ফলস্বৰূপে তেওঁলোকে হাতখন নাকত নিদিয়াকৈ পাৰ হৈ যাব পৰা নাই। আকৌ অঞ্চলবোৰৰ উদণ্ড ডেকাবোৰৰ আড্ডামৰা ঠাইবোৰত পৰি আছে শিখৰ, ৰজনীগন্ধা আৰু বহু নাম নজনা নিচাযুক্ত খালী পেকেট .......... কাষৰ হোটেলখনৰ পৰা পেলাই দিয়া আধাখোৱা ভাত, পৰঠাবোৰ দেখি 'পাম খাম' বুলি অপেক্ষাৰত চেৰেলা কুকুৰকেইটা জপিয়াই পৰিছে ক্ষুধাৰ তাড়না পূৰণৰ মহাৰণত .......... যেন দুজন মল্ল যুজাৰুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰ মল্লযুদ্ধহে। কেইজনমান ল'ৰাই দেউতাকে লৈ দিয়া বাইকখন উৰুৱাই নিছে ফুল স্পীডত ....

এই ভিৰ, উৎকট গেলা গোন্ধ, ফুল স্পীড তল পেলাই প্ৰতিক্ৰিয়াবিহীন এ.চি.ৰ মৃদু বতাহৰ মাজত আৰামেৰে আগবাঢ়ি গৈছে প্ৰখ্যাত (!) ৰাজনীতিবিদ চন্দন কলিতাৰ গাড়ী, উদ্দেশ্য - নিৰ্বাচনৰ আগমূহূৰ্তত মজদুৰ অৰ্থাৎ চাহ বাগানীয়া লোকসকলৰ মাজত এবাৰ দেখা দিয়াৰ। চন্দন কলিতা। চন্দন কলিতা, তেওঁৰ পত্নী সুলক্ষণা আৰু একমাত্ৰ ছোৱালী সুদৰ্শনাৰ সৈতে কলিতাহঁতৰ বাহিৰৰপৰা ৰংচঙীয়া অভাৱবিহীন এক বিলাসিতাপূৰ্ণ জীৱন, যাৰ ভিতৰত নাই কোনো মানসিক অভাৱ পূৰণৰ সামগ্ৰী কিম্বা মুখ, হাঁহিৰ নিজৰা। পত্নী সুলক্ষণা পতিৰ

ধন দৌলতৰ তলৃত নিৰ্বাক, নিস্পন্দ। কলিতাই সমাজৰ আগত কয় দেশৰ প্ৰগতিৰ কথা, সুনাগৰিক হোৱাৰ কথা, দৰিদ্ৰক উদ্ধাৰ কৰাৰ কথা, কিন্তু সেই উপদেশ উপদেশ হৈয়েই ৰয়, আৰ্হি নহয় কোনেদিনে। নিৰ্বাচনৰ কিছুদিনৰ আগত তেওঁৰ কিছুমান মানুহে নিৰক্ষৰ লোকসকলৰ মাজত ৰিলাই দিয়ে কিছু কম্বল, টকা কিম্বা নিচাযুক্ত পানীয়। তেওঁলোক নিৰক্ষৰ, দুবেলা-দুমুঠি খাই জীয়াই থকাৰ লক্ষ্য তেওঁলোকৰ, দেশৰ উন্নতি, অনুন্নতি তেওঁলোকৰ জ্ঞানৰ বাহিৰৰ। কেইটামান বস্তুৰ বিনিময়ত সিহঁতে ভোট দিয়ে, জয়ী হৈ ৰয় কলিতা। কিন্তু সেইসকলৰ সপোনবোৰ সপোন হৈয়েই ৰয় ... আজীৱন .......

চন্দন কলিতাৰ পত্নী মানসিকভাৱে ভাগি পৰিলেও তেওঁৰ একমাত্ৰ ছোৱালী সুদৰ্শনাক দেউতাকৰ আদৰ্শৰ বিপৰীতে গঢ়ি তোলাত আপ্ৰাণ চলাইছে তেওঁ। তাই এতিয়া দ্বাদশ শ্ৰেণীৰ ছাত্ৰী। ধন-দৌলততকৈ তাই ভাল পাই মানৱীয়তাক, বুজিব খোজে নিৰক্ষৰ , দৰিদ্ৰ চহা লোকসকলৰ জীৱনৰ স্পন্দন।

অনিল বৰুৱা সেই অঞ্চলৰে এজন আদৰ্শ শিক্ষক তথা সমাজসেৱক। তেওঁৰ কন্যা সুকন্যাৰ লগত সুদৰ্শনাৰ বন্ধুত্ব। যেতিয়াই আজৰি পায় সিহঁতে পাতিব খোজে মানুহৰ কথা, মানৱীয়তাৰ কথা, মূল্যবোধৰ কথা, প্ৰকৃতিৰ কথা। সিহঁতৰ অঞ্চলবোৰতে থকা পিছপৰা (বস্তি) অঞ্চলৰ পখিলা খেদা শৈশৱক কামৰ মাজত আৱদ্ধ কৰি থোৱা সেইসকল শিশুৰ শৈশৱৰ বেদনাক বুজ লয়, বুজ লয় তেওঁলোকৰ নিৰক্ষৰ পিতৃ-মাতৃৰ অন্তৰৰ তাড়না। যাৰ মাথো আন চিন্তাৰ স্থান নাই মাথো কেনেকৈ দিন-হাজিৰা কৰি দৈনিক দুবেলা দুমুঠি যোগাৰ কৰো। পিতৃৰ মূল্যবোধহীন, মানৱীয়তাবিহীন আভিজাত্যৰ গৌৰৱক ঘৃণা কৰা সুদৰ্শনাৰ অন্তৰে কান্দি উঠে তেওঁলোকৰ বাবে। সুদৰ্শনা, সুকন্যা আৰু আন সহপাঠী সকলে দকৈ ভাবিছে কথাবোৰ, তেওঁলোকে সিদ্ধান্ত কৰিছে যে সমাজৰ কুকৰ্ম, কু অভিসন্ধি, কুনীতি আঁতৰাবৰ বাবে সেইবোৰ ৰোধিবৰ বাবে সৎ, উপযুক্ত আৰু সুচিন্তিত শিক্ষাৰে সকলো লোক শিক্ষিত হ'ব লাগিব। নিৰক্ষৰতাক দূৰ কৰি সকলোৰে জ্ঞানৰ বিকাশ ঘটালেহে এচাম কু-অভিসন্ধিকাৰী লোকৰ হাতৰ পৰা দেশ তথা সমাজ প্ৰগতিৰ পথত আগবাঢ়িব। ইয়াৰ বাবে লাগিব সমৰ্থবানসকলৰ সহায় তথা ঐকান্তিক প্ৰচেষ্টা।

কাইলৈ শিশু দিৱস, শিশু দিৱস উপলক্ষে তেওঁলোকে সেই দৰিদ্ৰ, নিৰক্ষৰ শিশুসকলৰ উন্নতিৰ অৰ্থে সহায়ৰ হাত আগবঢ়াবৰ অৰ্থে তেওঁলোকে যোৱা বছৰ এটি সংঘ প্ৰতিষ্ঠা কৰিছিল, যদিও সেইটো আধাতে মাৰ যোৱা অৱস্থা হৈছিল। কিন্তু সুদৰ্শনা, সুকন্যা আৰু সুকন্যাৰ দেউতাকৰ নেৰানেপেৰা প্ৰচেষ্টাত পুনৰ এই সংঘ প্ৰাণ পাই উঠিল। তেওঁলোকে এই নিৰক্ষৰ শিশুসকলৰ বাবে "নিৰক্ষৰতা বনাম স্বাক্ষৰতা" নামৰ এখনি উন্নয়নমূলক আঁচনি গঢ়ি তুলিছে। কাইলৈ শিশু দিৱস উপলক্ষে আজি সংঘত এখনি সভা আয়োজন কৰা হৈছে। সুদৰ্শনাই সুকন্যাৰ লগত মিটিংলৈ একেলগে যাম বুলি সুকন্যাৰ ঘৰলৈ আহিল। সুকন্যাৰ দেউতাক মিটিংলৈ ওলাই বাৰাণ্ডাতে বহি আছিল।

ঃ খুড়া ভালনে?

ঃ ভালেই, আহিলা।

ঃ অ' খুড়া, সুকন্যা ওলাইছেনে?

সুকন্যাক চিঞৰি তাই ভিতৰলৈ সোমাই গ'ল। অলপ সময়ৰ পিছত তিনিও সভাত উপস্থিত হ'লগৈ। সভাত সংঘৰ আন আন সদস্য অৰ্থাৎ তেওঁলোকৰ সহপাঠী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ লগতে নিমন্ত্ৰিত সকলো অভিভাৱকৰ লগতে তেওঁলোকৰ সন্তানসকল উপস্থিত হ'লহি। সভাপতি অনিল বৰুৱাদেৱে তেওঁলোকৰ আঁচনিখনৰ ব্যাখ্যা দাঙি ধৰি ক'লে যে — এই আঁচনিখনৰ মুখ্য উদ্দেশ্য হ'ল — যি সকল আৰ্থিকভাৱে পিছপৰা লগতে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত তেওঁলোকৰ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰি সমাজৰ একোজন সৎ, নিষ্ঠাবান ব্যক্তি হিচাপে গঢ়ি তুলি তেওঁলোকৰ সৃজনীশক্তি, প্ৰতিভা, ব্যক্তিত্বৰ বিকাশ ঘটোৱা। ইয়াৰ উপৰিও প্ৰতি দেওবাৰে তেওঁলোকক ছবি আঁকা, নচা, গান গোৱা, নানা সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ লগতে তেওঁলোকৰ শিক্ষাৰ মূল্যায়নৰ ব্যৱস্থা কৰা। আঁচনিৰ সদস্যসকল লগ হৈ এটা ন্যাস গঠন কৰি পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰিলে যাতে শিশুসকলৰ যাৱতীয় সামগ্ৰী তথা পঢ়াৰ খৰচ বহন কৰিব পাৰে। তেওঁলোকক শিশু দিৱসৰ দিনা সংঘত উপস্থিত হ'বলৈ আহ্বান জনাই সভাখন ভংগ হ'ল।

মিটিংখনৰ পৰা আহি সুদৰ্শনা সোমাই পৰিল অনুভূতিবিহীন সেই শূণ্য কবৰস্থান সদৃশ অট্টালিকাত। দেউতাকে সদায় ৰাতি নিচাসক্ত হৈ আহি মাকৰ লগত কাজিয়া কৰে। আজিও তাৰ ব্যতিক্ৰম নহ'ল। সৰুৰে পৰা অভ্যস্ত হৈ পৰিছে তাই এইবোৰত।

কাইলৈৰপৰা আৰম্ভ হ'ব কোনোদিন আখৰৰ মুখ নেদেখা কিছু শিশুৰ জীৱনত শিক্ষাৰ আদিপাঠ। কামৰ বোজাৰ মাজত শৈশৱ পাৰ হোৱা এই অবুজ, কোমল অন্তৰৰ শিশুসকলৰ জীৱনত বিকশিত হ'ব প্ৰতিভা, শিক্ষাৰে প্ৰস্ফুটিত হ'ব তেওঁলোকৰ মন। নতুন জীৱন পাব তেওঁলোকে .......... কিন্তু চন্দন কলিতা, নিজ অভিজাত্যৰ গৌৰান্বিত এনে হাজাৰ উপদেশ দিয়া আদৰ্শবিহীন লোকৰ জীৱন কোনে পৰিৱৰ্তন কৰিব ......... কোনে???

ভাবি ভাবি নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল সুদৰ্শনা...

বিহুৰ আগৰ বজাৰ ........। ভোগালীক সাৰ্থক কৰি তুলিবলৈকে মানুহবোৰে ঠায়ে ঠায়ে ভিৰ কৰিছে। আমাৰ সৰু চহৰখনত 'শ্যাপিং মল' এটা আজিও হৈ উঠা নাই। বজাৰখন তেনেই সিঁচৰতি। পূৰে যদি আলু কচু, পশ্চিমেহে তেল মছলা। - নতুন চিনেমা এখন ৰিলিজ হোৱাৰ লগে লগে বাহিৰত পঢ়িবলৈ যোৱা কেইজনীৰ ফ'ন আহেই — " ............ অ'ই, কালি মাল্টিপ্লেকসে' ( চিনেমা হ'ল)ত "থ্ৰী ইডিয়টছ্" চালো। চাবি না – কি যে জমনি নহয় .......।" – সঁচাই, চিনেমা চোৱাৰ মজা থিয়েতাৰ বা হলততহে। লগৰ ল'ৰা-ছোৱালীৰ লগত গৈ — পপকৰ্ণ চোবাই।

সিহঁতৰ উৎসাহতে উৎসাহিত হৈ "হয় দেই তহঁতৰহে ভাল আৰু ........" জাতীয় মন্তব্য এটা দি ফ'ন থলেও কিয় জানো মৃদুকৈ হিংসাৰ ভাৱ এটাইও সততে মনৰ মাজত গা কৰি উঠে। – "ছেঃ আমাৰ ইয়াতো এটা থকা হ'লে ।" – সেই যে ৯৫' মানতে চিনেমা হল কেইটা বন্ধ হ'ল, আজিলৈকে খোলাৰ নাম নাই। হিংসাটো কেতিয়াবা মা-দেউতাহঁতৰ গা-লৈকো বিয়পি যায়। "চাবি না ...।" আৰে। চালোৱেই যেনিবা ওচৰৰ দোকানৰপৰা C.D. এখন আনি। ডুপ্লিকেট C.D. ৰ অন্ধকাৰৰ মাজত হিৰ' হিৰ'ইনৰ মাজত পাৰ্থক্য বিচাৰি পাওঁমানে Intervel পায়হি। হিৰ'ই ডাইলগ কওঁতে দেখোন হিৰ'ইনৰহে ওঁঠ লৰে। ধুৰৰ্ .... এনেকৈনো আৰু চিনেমা চাইনে' গতিকে চিনেমা চাই আনন্দ কৰাৰ কথা আমাৰ ইয়াত ভাবিবই নোৱাৰি। সেয়েহে এই সকলোবোৰৰ ক্ষতিপূৰণ হিচাপে, বিহুৰে পূজায়ে আমি সাতোজনী বান্ধৱী লগ হৈ বজাৰ কৰিবলৈ যাওঁ। সময় অলপ বেছি লাগিলেও স্ফূৰ্তিটো অলপ বেলেগ হয়েই,লগতে ইজনীৰ লগত সিজনীৰ কাপোৰ কানি মিলি যোৱাৰ দৰে 'সাংঘাটিক' সমস্যা কিছুমানৰো সম্ভাৱনা কম থাকে।

# আশংকা

**মৃগাক্ষী ফুকন**
স্নাতক তৃতীয় বৰ্ষ



একেটা উদ্দেশ্যৰে আজিও আটাইকেইজনী ওলাই আহিছো। বজাৰখন ওচৰতে কাৰণে ইমান ভয় নাই। সময়টোও তাতে ভৰ দুপৰীয়া। বজাৰত মানুহ অলপ হ'লেও কম হয়। মাক কৈ আহিছো, “সন্ধ্যা লগাৰ আগতেই ঘৰ পাই যামহি।” চিন্তা কৰিব নালাগে”। তথাপিও গে'ট পাৰ হোৱালৈকে মায়ে কৈয়ে আছিল -- “সোনকালে আহিবি, দিন-কাল ভাল নহয়। বেছি ভিৰ হোৱা ঠাইত বৈ নাথাকিবি।” দেউতাই তেনেকৈ একো কোৱা নাই যদিও মই ঘূৰি নহালৈকে আগফাল পাছফাল কৰি থাকিব।

বৰ ভয়াতুৰ মোৰ মা-দেউতাহঁত। আচলতে কেৱল মোৰেই নহয়, দেৱীকা, হিয়া, অৰুন্ধতী .... সকলোৰে। --- পিছে কিয় জানো, বাহিৰত নেদেখুৱালেও, এই সকলোবোৰতকৈও মোৰহে ভয়টো অলপ বেছি। ---- মায়ে সদায় ৰাতিপুৱা বাতৰি কাগজখন সবেই শুনাকৈ বৰ ডাঙৰ-ডাঙৰকৈ পঢ়ে। দেউতাৰো ‘নিউজ’ দিয়াৰ সময়ত T.V. ৰ ভলিমউম বঢ়াই লোৱাটো পূৰণা অভ্যাস। সেইকাৰণেই হবলা -- ক'ৰবাত ধুপপ্’ কৰিলেই মোৰ ধমনীৰ ধিপ্-ধিপ্ তুৰন্তে বাঢ়ি যায়। -- তাতে দেৱীকাই কোৱাৰ দৰে মোৰ ‘কমন চেন্স’ বোলা বস্তুটোও অলপ কম। কথাবোৰৰ গভীৰতালৈ মই নাযাওঁৱেই। ওপৰতে যি দেখিলো শুনিলো বচ্ সিমানেই। মোৰ জ্ঞানৰ পৰিসৰ তাতেই সীমাবদ্ধ। ক'বলৈ লাজ লাগিলেও, ১৫' আগষ্ট আৰু ২৬ জানুৱাৰী -- দিনকেইটা প্ৰকৃততেই আনন্দৰ দিন বুলি মই বহুত দেৰিকৈহে বুজি পাইছিলো।

ইতিমধ্যে মোৰ বস্তু কিনা হৈছিলেই, বাকী কেইজনীৰ পিছে পিছে এনেয়ে ঘূৰিহে ফুৰিছো। বন্দিতাই তাইৰ চিনাকি দোকান এখনলৈ সবকে টানি-আঁজুৰি লৈ আহিছে। সস্তাতে ভাল কাপোৰ পায় বোলে। দোকানৰ ভিতৰত বৰ ভিৰ দেখি জয়া আৰু মই বাহিৰতে ৰ'লো। পাৰ্কিং এৰিয়াটো গাড়ী, চাইকেল। এজনীয়ে মাকক বেলুন এটা বিচাৰি নগুৰ নাগতিখন কৰিছে। মাকেও তাইক বুজাই শেষ কৰিব পৰা নাই যে -- ‘বেলুন বিহুত নোলায় নহয়, পূজাতহে ওলায়।” দৃশ্যটো দেখি হাঁহি উঠি গ'ল। -- বতৰটো গোমা কৰি আহিছে। অৱশ্যে মানুহৰ ভিৰটো আগতকৈ বাঢ়িলহে। উৎসৱৰ উচাহ -- বতৰে দমাব নোৱাৰে। ঘড়ীলৈ চালো - চাৰি বাজিলেই, মায়ে ছাগে ঘৰত চিন্তা কৰি আছে। -- “ঘৰলৈ যাবৰ হ'ল জয়া, ইহঁতৰ হোৱাই নাই নে ...... ?” কথাষাৰ কৈ পিছলৈ ঘূৰিছিলোহে ....। গুৰুম্কৈ, বুকু কঁপি যোৱা শব্দ এটা হ'ল। মই জিকাৰ খাই -- চকুকেইটা মুদি -- কাণ দুখন হঠাৎ বন্ধ কৰি দিলো। কপালত কিবা এটা আহি চিটিকি পৰা যেন লাগিল। মাৰ কথাকেইটা কাণত বাজিবলৈ ধৰিলে -- “ ঘৰলৈ সোণকালে আহিবি .... বেছি ভিৰ হোৱা ঠাইত ....” হে ' ভগবান! সদায় ভয় কৰি থকাটোৱে নহয়তো! ......বুকুৰ ধু-ধপনিত বাহিৰৰ একো শব্দই মোৰ কাণত সোমোৱা নাই, .... সৰু ছোৱালীকেইজনীৰ মুখখন মনত পৰিল। চকুকেইটা মেলিবলৈকে ভয় লাগিছে দেখুন ..। তেনেতে জয়াই চিঞৰি মোক মতা যেন শুনিলো -- “ অ'ই কি হ'ল তোৰ থৰ লাগিলি যে? ইমান ভয়নে তোৰ, জোৰকৈ মেঘেহে গাজিছিল। অলপ অলপ বৰষুণো দিছে। ঘৰলৈ যাওঁ ব'ল।” - উশাহটো ঘূৰাই পোৱা যেন লাগিল। লাহেকৈ চকুকেইটা মেলি চালো, সৰু ছোৱালীজনী তাত নাই, বন্দিতাহঁতো হাঁহি হাঁহি দোকানৰপৰা ওলাই আহিছে। তথাপিও মনৰ সন্তুষ্টিৰ কাৰণে কপালখন ৰুমালেৰে মচি চালো। উস্ ! ৰঙা নহয় ........ !!!



# কবিতাৰ কুঁকি



## আলফুলীয়া অনুভৱ



# লখিমী



সোণগুটিৰ পথাৰৰ লখিমী তাই
দুহাতে সাৰতি, আলফুলে ৰ'দালিক
আঁচলত ভৰাই, কুহেলিকাৰ ওৰণি খহাই
নীলিমাৰ বোকোচাত সাতুৰি নাদুৰি ফুৰা
শৰালি জাকো থমকি ৰয়,
শুনাই যায় তাইক গান
এটি সোণালী গান...

উন্মনা মলয়াই কোৱাই যায়
তাইৰ আঁচল,
আলফুলে আঁকি চুমা মৰমৰ
ঢৌ খেলাই যায়,
তাইৰ দীঘল চুলিটাৰিত
কি যে মোহনীয়া !


**নীহাৰীকা ফুকন**
স্নাতক ১ম বাৰ্ষিক




পাহোৱাল ডেকাটিৰ বিৰিয়াত
হালি জালি যোৱা
সেই ডাঙৰি দুটাৰ জিৰিক্ জিৰিক্ শব্দই
তাইৰ নৃত্যত জগাই নৱমূৰ্চ্ছনা
নাচোনৰ তালে তালে
পথাৰৰ হোলাটিত
ইকৰাৰ নাও সাজি
তাইও হৈ চায়
সাধুকথাৰ পানচৈ
বিলীন হৈ কৃষকৰ প্ৰাণ

এই সোনগুটিৰ পথাৰখনত
এৰি থৈ স্বপ্ন বাস্তৱৰ মৰীচিকা
জহা মানিকী মধুৰিৰ বামধেনু আঁকি
লেচেৰি বুটলি ফুৰা,
সোণগুটিৰ পথাৰৰ
তাইয়ে লখিমী, পথাৰ জীয়াৰী।



# হেমন্তৰ সন্ধিয়াত আত্মকথন


**যুটীকা বড়া**
স্নাতক তৃতীয় বৰ্ষ


আজি হেমন্তৰ এটি সন্ধিয়া
মৰমৰ, বুলি মমডাল জ্বলাই
লিখিলো তোমালৈ 'মমতাৰ চিঠি'
আজি মোৰ হৃদয়ত নাই কোনো
অনুকম্পা মমতাৰ দৰে।

আজি নাই কোনো দিগন্তপ্ৰসাৰী
ভাস্কৰ, অৰুণৰ জ্যোতিময় ৰূপ।
যদিওবা আছে জ্বলি থকা তুহঁজুইৰ
কদৰ্য্যময় ৰূপ
পাৰিমনে আজি মই মুনিচুণি পোহৰত
জুমি চাব অতীতৰ সেই সোণোৱালী দিন
আছে জানো সেই দিন?
নাজানো ক'ৰ যাযাবৰী বুৰঞ্জীত
অলেখ যুগৰ সাধু হৈ
হেৰাই গ'ল সেই দিন
নাজানো কোনেনো শুনাব মোক সাধু
হেমন্তৰ এই বিষণ্ণতাৰ চোতালত
কোন আজি ওমলিব জোন হৈ
তমসাচন্ন আকাশৰ মোহনাত।

# বন্ধু তুমি এদিন আহিবা

(শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাময় জীৱনটোক সুৱঁৰি)

**নাং নিতুস্মিতা ফুকন**

স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

বন্ধু তুমি এদিন আহিবা
এটা কবিতা লৈ ... মই সুখী হ'ম।
তুমি আহিলে বন্ধু
মোৰ এই অচঞ্চল আমন্ত্ৰণ গভীৰ ভাবে বিবেচনা কৰিবা
স্পৰ্শ কৰিবা মোৰ এই নিষ্পাপ হৃদয়ক গভীৰ ভাবে
মোৰ এই দীৰ্ঘকালীন অপেক্ষাক বন্ধু তুমি উলংঘা নকৰিবা
বন্ধু তুমি এদিন আহিবা
এটা কবিতা লৈ ... মই সুখী হ'ম।

তুমি আহিলেই
সুখেৰে দুখৰ ওচৰলৈ যাম
নিৰস্ত্ৰ কৰিম হৃদয়ক ৰক্তাক্ত হোৱাৰ পৰা
মোৰ ঘৰৰ দুৱাৰ খিৰিকীয়েদি সোমাই আহিব
পোহৰত আলোকিত হৈ উঠিব সময়ৰ আগ-চোতাল
বন্ধু তোমাৰ কবিতাৰ শব্দবোৰৰ গভীৰতাৰ পৰা উত্থিত খলকনিত
তোমাক কাষতে পোৱা ইচ্ছা

তুমি আহিলেই মই ব্ৰজ হোৱা আকাংক্ষা
সকলো দুখৰ উশাহে বন্ধু তোমাৰ কবিতাই সকলোকে
অন্ততঃ এবাৰ হলেও আচ্ছন্ন কৰি যায়
আৰু মই সেই আচ্ছন্নতাত এবাৰ হলেও
নিজকে বিচাৰি পাঁও বন্ধু তোমাৰ কবিতাত
কবিতাৰ শাখা-প্ৰশাখাত
বাগৰি পৰে জুই, জুইৰ পৰা জন্ম আমি
বন্ধু তুমি এদিন আহিবা
এটা কবিতালৈ —— মই সুখী হ'ম
বন্ধু তুমি এদিন আহিবা।

# একেই আছ'নে তই গাঁৱলীয়া ছোৱালী ?

**কাবেৰী গগৈ**

উঃমাঃ দ্বিতীয় বষ

আজিও একেই আছনে তই
গাঁৱলীয়া ছোৱালী ?
আছেনে একে হৈ তোৰ
সৰল মনটো,
আৰু হৃদয়ৰ নিভাঁজ মৰমবোৰ একা ?
মোৰেই অনুৰোধ সলনি ন'হবি তই।

আধুনিকতাৰ পৰশত কৃত্ৰিম হৈ গ'লিনেকি তই ?
আজিও অপেক্ষা কৰ'নে তই
নঙলামুখেৰে পাৰ হৈ যোৱা
চেনাইৰ চিনাকী সুহৰিলৈ
চোতাল সৰাৰ চলেৰে চাৰ'নে
বাৰে বাৰে পদূলিমুখলৈ ?

নে তয়ো সুহৰিৰ সলনি আজি অপেক্ষা কৰ'
একোটি মিছকল অথবা এছ. এম. এছলৈ
বাৰে বাৰে ডায়েল কৰি কষ্ট হৰ'
কাৰোবালৈ বুলি ...
মোৰেই অনুৰোধ, সলনি নহ'বি তই।
এতিয়াও বাৰু তই যাবনে লগৰীয়াৰ সতে
বুকুত গামোচা বান্ধি জাকৈ বাবলে ?
বৰষুণত ভিজা শৰীৰত তোৰ
কেঁচা মাটিৰ সেই চিনাকী গোন্ধ।
মৰমৰ দীঘেৰে চেনেহৰ বাণিৰে
বৱনে এতিয়াও, চেনাইৰ বাবে
একোটা সুখৰ কমিজ, ৰঙানীলা এখন সপোনৰ গামোচা ?
মোৰ শপত সলনি ন'হবি তই
কংক্ৰীতময় পৃথিৱীত যন্ত্ৰ হৈ নপৰিবি
একেই থাক আজলীজনী হৈ চিৰদিন
একেই থাক অ' মোৰ গাঁৱলীয়া আজলী ছোৱালী।

# হেঁপাহ

পামী গগৈ
স্নাতক তৃতীয় বৰ্ষ



তেজ, ধূলি, বাৰুদৰ ধোঁৱাৰে
ক'লা পৰিল আই তোৰ সোণ
নিথৰ দুচকুত যন্ত্ৰণাবোৰৰ স'তে
আপোন মুখবোৰ ভাঁহি ফুৰিছে
মোকযে শেষকণ উশাহো ধোঁৱা হ'বৰ হ'ল ....।

আৰুতো নাই বাকী অকণো সময়
মাটিৰ আশাত বলীয়া নহওঁ
আই তথাপিও এবাৰ শুনিব খুজিছিলো
সন্ধিয়া পৰৰ সুৰ
ময়োতো এতিয়া মাটিৰ চাকিৰ দৰে ...।

কুঁৱলীৰ পথাৰত ধানৰ গোন্ধ
দুচকুৰে বিচাৰিছে
ল'ৰালিৰ খোজবোৰ আছেইবা পৰি
আৰু যে হেঁপাহ শুনিবৰ
ৰিঙিয়াই মতা তোৰ মাত ...।

মোৰ যে এটা হেঁপাহ আছিল
নদীখন চুই চোৱাৰ, আকৌ এবাৰ
.... পিছে সিহে মোৰ বুকুৰেদি বৈ গ'ল
তাত হ'লে বান নাছিল আই,
সিটো স্মৃতি হ'ব খোজা এৰাসুঁতি ...।
এটাই আছিল মোৰ চিনাকী বাট
যিফালেদি বহাগ আহিছিল
আৰু বাগৰিছিল কাজল সন্ধ্যা।
এটাইটো মোৰ বাট
নেদেখিলো মই, কোনটো দিনত
মোৰ বাটতো ৰঙচুৱা ধূলিৰে ঢাকিছিল ...।
এতিয়াতো সকলো অভিমানী
কিয় হেৰাল মোৰ বাটৰ ল'ৰালী?
আই তোৰ আঁচলৰ গোন্ধ ...।

টিপচাকিৰ পোহৰো নহয় আই
মোৰ চকুত এতিয়া তৰাৰ টিমিক- ঢামাক ...।
বাৰুদৰ ধোঁৱা লাগি কলিজা শুকাল
তেজতে মিতিৰালি বাবেই
কিমানবোৰ সপোন হেৰাল।
অলেখ আৰ্তনাদত ঠুনুকা হেঁপাহ ভাগি
ছাঁইহে মাথোঁ ৰ'ল .....।

বুকুৰ নশুকুৱা ঘাঁবোৰ অলেখ সৰা চকুলোহে
উটুৱাই নিলে কিমানৰ কিমানবোৰ সময় ;
আৰু এয়া ... এতিয়া মোৰযে ইমান অভাৱ
আশা -- এটা বুকুৰ তলিৰ হতাশ ......।

জানো আই ... তইযে সেমেকিবি
তথাপি মোৰ শূণ্য চকুত
তথাপি হেঁপাহ নামিছে ...

... নিয়ৰ সৰক টোপালে টোপালে
মোৰ দুটি তৰা লুকাবৰ পৰত।।

# মা

সোণালী দেউৰী
স্নাতক তৃতীয় বৰ্ষ



মা, তাইৰ আদৰত মই ডাঙৰ হোৱাৰ দৰে
তইয়ো যে এদিন তহঁতৰ আই-বোপাইৰ আদৰত
লহ্‌পহ্‌কৈ ডাঙৰ হৈছিলি
আৰু তেওঁলোকৰ অজানিতেই মনত বহুতো আশা লৈ
মোৰ পিতাইৰ পিছে পিছে খোজ দিছিল
পিতাইৰ ঘৰলৈ

এফালে নিজৰ ঘৰখন এৰি অহাৰ দুখ
আনফালে নতুন এখন ঘৰ নতুন এজাক মানুহক
ওৰেটো জীৱনলৈ তোৰসতে সাঙুৰি লোৱাৰ
তীব্ৰ হেঁপাহ

আৰু হয়তো এদিন এনেকৈয়ে
মই তোৰ উদৰত স্থিতি ল'লো
একলা দুকলাকৈ তোৰ গৰ্ভত বাঢ়িবলৈ ধৰিলো
তোৰ স্ফীত উদৰৰ পৰা ভাঁহি অহা
এক নিষ্পাপ শিশুৰ কল্‌কলনি
হয়তো পিতায়ে শুনিবলৈ পালে
লাহে লাহে তই বাহিৰলৈ ওলাবলৈ লাজ কৰা হলি
কিজানিবা তোলৈ কোনোবাই থৰ লাগি চায়

মা, তোক বাৰু মই বৰ কষ্ট দিছিলো নেকি?
তেতিয়া হয়তো যন্ত্ৰণাত তই ছট্‌ফটাইছিলি
বিষত সহ্যৰ সীমা পাৰ হৈ যোৱাত
তই কিজানি মনে মনে চকুলো টুকিছিলি
কোনোবাই দেখিব বুলি লাজো কৰিছিলি

আৰু এনেকৈয়ে ন মাহ দহদিন যোৱাত
মাঘৰ কোনোবা এটি পুৱতি নিশাত
অসহ্য প্ৰসৱ যন্ত্ৰণাত ছট্‌ফটাই

মোক এই পৃথিৱীৰ মুখ দেখুৱালি
ইমান যন্ত্ৰণাৰ মাজতো
তই মাতৃত্বৰ গৌৰৱত উজ্বলি উঠিছিলি
তোৰ সেমেকি থকা দুচকুৰেও
এক অনামী আনন্দত তিৰ্‌বিৰাইছিল

মা মানুহে যে কয়
নাৰীৰ জীৱনে পূৰ্ণতা লাভ কৰে তেতিয়া
যেতিয়া এগৰাকী নাৰী মাতৃ হয়
কিন্তু নাৰীয়ে সকলো সুখ আনন্দ
যন্ত্ৰণাৰ মাজেদিহে পায় কিয়?

মোৰ পিতাইৰ ঘৰখন তই আপোন কৰি লোৱাৰ দৰে
মোকো যে কৰ কোনোবা নতুন এখন ঘৰক
আপোন কৰি ল'বলৈ
তেওঁলোকৰ সুখ-দুখৰ সতে সমভাগী হ'বলৈ

মা, তোৰ কথা সাৰোগত কৰিয়েই
মইয়ো শিকি লম
জীৱনটোক নতুনকৈ সজোৱাৰ কৌশল
জয়ী হ'বলৈ চেষ্টা কৰিম
জীৱন পৰিক্ৰমাৰ প্ৰতিটো পৰীক্ষাত

পলে অনুপলে মোৰ মনৰ মাজত
তেতিয়াও সজীৱ হৈ থাকিব এখন পৰিচিত ছবি
কাৰণ, তই যে মোৰ মৰমৰ মা

# অনুভৱৰ দলিচাত ...


## আশাশ্ৰী দুৱৰা
স্নাতক দ্বিতীয় বৰ্ষ


যদি অনুভৱ কৰিব নোৱাৰা গভীৰভাৱে
তেন্তে কেনেকৈ বুজিবা
ভালপোৱাৰ আকাশখন কিমান বিশাল ...
কৃত্ৰিমতাৰে ভৰা যান্ত্ৰিক জীৱন ...
ব্যস্ততাৰ মাজতো সুৰুঙা উলিয়াই
ওলাই আহিবাছোন কেতিয়াবা বাহিৰলৈ
জোনাক নিশা জোনাকীৰ সৈতে
কথা পাতিবলৈ ...
অনুভৱ কৰিবা
কিমান সজীৱ
তোমাৰ চৌপাশৰ সেউজীয়াবোৰ ...
কেতিয়াবা নিসংগতাকো সংগী কৰি
ৰোমন্থন কৰিবাচোন
ভাল লগা অতীতৰ স্মৃতিবোৰ,
মিতিৰালি কৰিবলৈ শিকিবা
ফুল, তৰা অথবা জোনাকৰ সৈতে
নতুবা আকাশৰ বিশালতাখিনি
উপলব্ধি কৰিবা,
বিশাল হৈ পৰিব তোমাৰো হৃদয় ...
আৰু কেতিয়াবা
খুলি কবাচোন বতাহজাকক
হিয়াৰ গুপুত দুখবোৰৰ কথা
কিজানিবা আনি দিব পাৰে ই
হেৰাই যাব ধৰা কোনোবা
আপোনজনৰ ঠিকনা ...।।





# মনত পৰেনে তোমাৰ


## সুস্মিতা মহন
স্নাতক প্ৰথম বৰ্ষ


মনত পৰেনে তোমাৰ
নিতাল, নিস্তব্ধ
এটি জোনাকী সন্ধ্যা
কহুঁৱাৰ বননিৰ মাজত
বাজি উঠিছিল
এক মিলনৰ সুৰ
সিঁচৰতি হৈছিল
এমুঠি জোনাক
বলিছিল ফাগুনৰ উতনুৱা বা
মনত পৰে ...
সেই নিৰিবিলি গধূলি
নীলিম আকাশত
মুক্ত এজাক পক্ষী
প্ৰস্ফুটিত হৈছিল আনন্দৰ ঢৌ
উটি-ভাঁহি ফুৰিছিল
সাগৰৰ ঢৌ-ঢৌপালনি
এক সীমাহীন মৰমৰ আকুলতা
মুক্ত আকাশ, মুক্ত বতাহ
এক আকাশ, মুক্ত বতাহ
এক প্ৰশান্ত কামনা
ও অনাবিল তৃপ্তি
কিন্তু ... ক্ৰমাৎ যেন
ৰঙা সুৰুযে
ছানি ধৰিলে আকাশ
নিষ্ঠুৰ নিয়তিয়ে মৰম
কাঢ়ি লৈ যায়
জোনাকী পক্ষীৰ যেন
কবলৈ ধৰিলে বিদায়
'বিদায়' — এই মৌন নিথৰ মুহূৰ্তত
মাথো কামনা কৰিলো
এই যেন এবাৰ আকৌ
ঘূৰাই পাঁও এই সময়।।



# বৰকৈ মনত পৰিছে তোমালৈ

**ঋতুস্মিতা বৰা**
স্নাতক তৃতীয় বৰ্ষ

বৰকৈ মনত পৰিছে আজি তোমালৈ!
বহাগৰ প্ৰথমজাক বৰষুণ পৰিছিল
আজি পুৱাই।
বিষাদৰ নীলা আকাশখন
আজি লৰৰি আহিছিল
স্পৰ্শৰ আশাত
সেউজী প্ৰেমিকাক।

সেউজীয়া দুপৰীয়াটো চাবলৈ
ওলাই আহিলো।
আকাশৰ মৰমৰ চিনচোন নাই !
ইমান বিৰহৰ পাছত আহিছে,
সেউজীয়া সোপাকে শুহিলে।

জানা আজি তোমালৈ বৰকৈ মনত পৰিছে
বহাগৰ প্ৰথমজাক বৰষুণ
ইমান মাতিলে -- 'আহা সখি'
নগ'লো ...
স্মৃতিৰ কোলাত দুলি দুলি
সুৰুঙাইদি চালো
আকাশৰ আলসুৱা চকুলো ...।
উসঃ বৰ নীলা
ৰংবোৰ চোন নাই !
জানা নগ'লো
স্মৃতিৰ কোলাৰ পৰা নামি
সেউজীয়া দুপৰীয়াটো চাবলৈ আহিলো
কোনোচোন নাই, নিৰ্জন!
আসঃ বৰ নিৰ্জন!!



# শ্ল'গান নিদিবা

**নিৰ্মালী ডাৰিগ**
স্নাতক প্ৰথম বৰ্ষ

এইখনেই আজিৰ সমাজ
য'ত ব্যাপ্ত আজি
ভিন্নমুখী সুৰুষৰ ভিন্নতাৰ ৰেঙনি।

নক'বাতুমি তেনেকৈ
এগৰাকী নাৰীৰ দৰেই
আজি সমস্ত নাৰীৰ মন
একেসুৰীয়া।
নাভাবিবা তুমি তেনেকৈ
এগৰাকী কলংকিতা নাৰীৰ দৰেই
আজিৰ সমস্ত নাৰীৰ
হৃদয়ানুভূতি।
যিদৰে পৃথক তুমি
আনবোৰ পুৰুষৰ পৰা
নোহোৱা তুমি নিকৃষ্ট
মনৰ ...
তোমাৰ উমাল স্পৰ্শত
সমগ্ৰ পৃথিৱী সেউজীয়া
হৈ পৰে।
তোমাৰ ক্লান্ত দেহলৈ
ফৰিংফুটা জোনাক নামে।
যদি মই কওঁ তোমাৰ দৰেই
সমগ্ৰ যুৱমানসিকতাৰ
ভোক, পিয়াহ, ক্লান্ত একে?
নহয় ... কেতিয়াও ...
তেন্তে ক'ব পাৰোনেকি
যুৱ সমাজ মানেই
উচ্ছৃংখলতা, যুৱ চিন্তা মানেই
নিকৃষ্ট ???
ভুল হ'ব নহয়নে?
এইয়াই আজিৰ পৃথিৱী
এইয়াই আজিৰ সমাজ
ৰ'দ, বতাহ, বৰষুণেৰে
ঘ্ৰাণিত আজিৰ
চিৰশ্বাশত পৃথিৱী।

# শৰতৰ গীত

**ৰশ্মি ভৰালী**
উঃমাঃ ২ য় বৰ্ষ

কুঁৱলীৰ আঁচল ঢাকি শৰৎ তুমি,
ধৰালৈ আহিলা নামি।
তোমাৰ পৰশ পায়,
চঞ্চলা ঋতুৱে আশাৰ গীত গায়।
কঁহুৱা বৰহি ফুলিছে উপচি,
লুইতৰ দুই পাৰে।
স্নিগ্ধ জোনাকত, নিয়ৰসিক্ত দূৱৰিত
শুকুলা শেৱালি সাৰ।
কুঁৱলী আঁৰে আঁৰে প্ৰকৃতিৰ অৰূপে
ব্যক্ত কৰে অবুজ ভাষা,
মিঠা মিঠা আৱেগেৰে, আবেলিৰ মলয়াই
ধৰাক কৰে উন্মাদ।
সেউজ পথাৰখনিয়ে তোমাৰ সান্নিধ্যত
ৰঙতে বাউলী হয়,
বব সুৰুযেও খেলিছে লুকা-ভাকু
ডাৱৰৰ আঁৰতে ৰয়।
বিৰিখৰ ডালত সখিয়তীজনীয়েও
তোমাৰ বতৰা পায়।
বাট চাই ৰয় মৰমৰ সখালৈ,
যৌৱনৰ গীত গাই।



# সংঘাত

**জাহ্নৱী ভট্টাচাৰ্য্য**
স্নাতক দ্বিতীয় বৰ্ষ

সৰ্পিল গতিত গুছি গ'ল সময়
অতীত, বৰ্তমান আৰু ভৱিষ্যৎ।
সমস্যাৰে জৰ্জৰিত পৃথিৱী
কেউফালে মাথো লুণ্ঠণ, হত্যা
একবিংশ শতাব্দীত থিয় হৈ
চৌদিশে শুনিছো মাথো কোলাহল,
মানসিকতা হেৰাই যোৱা সংঘাত
আধা লিখা কবিতাৰ পংক্তি
বিচাৰি হৃদয় হাহাকাৰ।
পাহৰিছো হৰ্ষধ্বনি, উৎসৱ মুখৰ পৰিবেশ
সোণালী শৈশৱৰ মৰ্ম্মৰ ইতিহাস
মোৰ সমস্ত সত্বা ডুব যোৱাৰ আশংকা,
অৰণ্যতো আজি ভয়াবহতা
ভৰদুপৰ ৰাজপথত
যাত্ৰীৰ ভিৰৰ মাজত
ভয়াবহতাৰ ক্ৰুৰ মাথো দুখনি হাতত।
হৃদয়ে বিচাৰে মধুৰ কবিতা
খোলা খিৰিকীৰে বহু দূৰলৈ দেখিলো ...
আন্ধাৰ, কুঁৱলী ভৰা শীতল আবেশ
খোলা খিৰিকীৰে সোমাই আহিলে ...
শীতল, হৃদয় কঁপাই যোৱা স্নিগ্ধ বতাহ।
সেমেকা মনত ভাবিছো ...
আজি লিখো এটি নতুন কবিতা
প্ৰতিভাত হওঁক তাতে মোৰ
জীৱন যৌৱনৰ প্ৰতিধ্বনি
এটি সমস্যা বিবৰ্জিত জীৱন।



# শাওনৰ একাজলি ৰং

জ্যোতিকা গগৈ
স্নাতক তৃতীয় বৰ্ষ

শাওনৰ পথাৰে মাতিছে ৰিঙিয়াই
তুমি বাৰু শুনিছানে নাই।
"সেউজীয়া আচঁলেৰে
লখিমী আদৰে"
তুমি বাৰু দেখিছানে নাই
শাওনৰ পথাৰ
কেচাঁ মাটিৰ গোন্ধে আমোল-মোলাই।।
নাঙলৰ সীৰলুত লাগে কেঁচা সোণ
জাগে মনবৰ ককাইৰ নতুন সপোন।
মূৰৰ পাগটিত কেচাঁ ঘাম কঁপালৰ
তামোল-পাণৰ, ৰঙা সাঁচতিখনি
কঁকালৰ।।
"দুপৰৰ তিৰবিৰ ৰ'দটি
ৰোৱনিৰ ৰঙা মুখৰ ৰংটি।"
সেউজীয়া আঁচলখনি শাওনৰ পথাৰখনি
উজ্বলি উঠিছে কঠিয়াৰ বুলনিত
লিহিৰি লিহিৰি হাতত মুঠিত।।
ৰিনিকি ৰিনিকি কৈ দেখো দুৰণিত ছায়াটি
হয়নে নহয় বাৰু হলধৰ ককাইটি
আলিৰ দোমোজাতে পৰিছে বহি
ভাগৰুৱা দেহাটিৰে দেহি।।
আহো কি নাহো কৈ দিছে ধীৰে খোজটি
মেতমৰা ভাৰখনি গধুৰ বোজাটি।
মাৰো-নামাৰোকৈ মাৰিছে ৰিঙি
শুনি ৰোৱণিৰ ওঠত উঠিছে হাঁহি বিৰিঙি।।
বোকা-মাটিৰ অভিন্ন বন্ধনেৰে গঢ়া
চহা নৈ পৰীয়া গ্ৰাম্য জীৱন
বুকুত এটি স্নিগ্ধ সেউজ স্বপ্নাভৰণ।।

# হেৰুৱাৰ বেদনা

যামিনী মহন্ত
উঃমাঃ ১ম বাৰ্ষিক

সজল চকুযুৰিৰ কোনোবা এটা কোণেদি
বাগৰি আহিল দুধাৰি
পৱিত্ৰ মুকুতাৰ মালা
যি বেদনা সিক্ত হৃদয়ৰ এক স্বাক্ষৰ
এই শুধ বগা মুকুতা মালা ধাৰীৰে মই
কৰিব খোজো সেই মধুৰ ক্ষণৰ আৰাধনা
যি ইতিমধ্যে স্মৃতিৰ গভীৰতাত জাহ গৈছে
জাহ গৈছে মোৰ হৃদয়ৰ কোনোবা এটা কোণত

নাজানো !
এই স্মৃতি আজীৱন কঢ়িয়াই নিব পাৰিম
হয়তো নোৱাৰিবও পাৰোঁ
কেইটামান মাথো হৃদয়স্পৰ্শী শব্দ
যিয়ে মোক দি গ'ল জীয়াই থকাৰ প্ৰেৰণা
তুমি অবিহনে জীৱন গঢ়াৰ সান্ত্বনা
মোৰ স্বপ্ন-দুস্বপ্নৰ সাতোৰঙী কাৰেঙক
থান বান কৰি
তুমি আঁতৰি গ'লা বহু দূৰলৈ ...
তোমালৈ এতিয়া মোৰ বহু যোজন বাট।

যাতনাৰ নৈ খন সাঁতুৰি-নাদুৰি মই
ক্লান্ত হৈ পৰিছোঁ
মোক অলপ শান্তি দিয়া
অলপ মাথোঁ ... শান্তি
তুমিতো নাজানা,
হয়তো অনুভৱো কৰিব নোৱৰা
হেৰুৱাৰ বেদনা যে কিমা ... ন গভীৰ,
এতিয়া, মোৰ হৃদয়ত জাগি উঠিছে কেৱল
অলপ মৰমৰ ধ্বনি
মৰমৰ ... কেৱল মৰমৰ ...

# সেই ঠিকনাটোৰ আঁত ধৰি

**নমিতা শইকীয়া**
স্নাতক প্ৰথম বৰ্ষ

আপুনি দিয়া টিকনাটোৰ আঁত ধৰি
শৰতৰ কোনো এক স্বপ্নময় সন্ধিয়া
যাব খুজিছো আপোনাৰ ঘৰলৈ
লগত লৈ যাম এখন ৰিক্ত হৃদয়
মই-যোৱা খবৰ পাই
উদুলি-মুদুলি হ'বনে আপোনাৰ মনৰ পদুলি
ৰৈ থাকিবলৈ আপুনি লাজসনা হাঁহিৰে
মোক স্বাগতম জনাবলৈ বুলি
কোঁচভৰি বুটলিবলৈ দিবনে আপোনাৰ পদুলিৰ
মোৰ প্ৰিয় শুকুলা শেৱালি
কেনেকুৱা হ'ব বাৰু সেই সময় !
আপোনাৰ পিৰালিত নাচিবনে এপাহ খৰিকাজাঁই
মই যোৱা খবৰ পাই
হাঁহিবনে মিচিকিয়াই আকাশৰ জোনবাই
আৱেগৰ বৰষুণে জীপাল কৰিবনে হৃদয়
তৰংগায়িত আহিনৰ পূৰঠ নঁৰাৰ পেপা এটাই
মাতিবনে ৰিঙিয়াই
অভিমান কৰিছে
অপেক্ষা কৰিব নালাগে বেছিদিন
কটাব নালাগে বিনিদ্ৰ ৰজনী
কাজলসনা গধূলি এটাত
দুচকুত এজাক সপোনলৈ মই যাম
শাঁত পেলাবলৈ আপোনাৰ চাতকী হৃদয়
আপুনি দিয়া ঠিকনাটোৰ আঁত ধৰি ।।

---



# বেদনাৰ সুৰ

**জুলীমণি বড়া**
উঃমাঃ প্ৰথম বৰ্ষ

শুনিছানে কেতিয়াবা গহীন পুৱতি নিশা
দিশহাৰা পখীৰ বিননি,
যি সুৰে পখীৰ হিয়াৰ অনেক কৰুণ কাহিনী,
ফুটি উঠে বিননিৰ সুৰত
সেই সুৰে মোৰ হৃদয় দুৱাৰলৈ উজাৰি আনে,
সকলো দুখ স্মৃতি বেদনাৰ ৰূপত,
কৰুণ মিশ্ৰিত কণ্ঠে গীত গোৱা
পখীটীৰ নামেই বা কি ?
দেখিছানে কেতিয়াবা গহীন পুৱতি নিশা !
বিশাল আকাশত নাম ঠিকনা বিহীন
মাথোঁ এটি তৰা,
যি তৰাই সমগ্ৰ আকাশখন পোহৰ আভাই জ্যোতিষ্মান কৰে

সেই তৰা হয়তো অতুলনীয় গুণৰ সমাহাৰ।
কোন বাটৰুৱা দুপৰ নিশা
বাঁহি বজাই আঁহতৰ তলত,
পখীৰ গীতৰ তালত মধুৰ বাঁহীৰ সুৰত
বৃন্দাবনত কৃষ্ণ বিৰহত আকুল হোৱা গোপীৰ হৃদয়ৰ দৰে,
মোৰো হৃদয় চঞ্চলমনা হৈ উঠিছে,
হেৰ' বাটৰুৱা আৰু নবজাবি বাঁহী,
বাটৰুৱা আৰু নবজাবি বাঁহী।।

---

# বিষন্নতাৰ এটি আবেলি


## সোনমণি বড়া
স্নাতক তৃতীয় বৰ্ষ


পশ্চিমৰ আকাশত বেলি লহিয়াওঁতেই
বগলীৰ জাকটোও ঘৰমুৱা হওঁতেই,
ৰিব্ ৰিব্ মলয়াজাকে কৈ গ'ল কাণে কাণে
তুমি আহিবা বুলি।
কিমান যে আশা কৰি ওৰে আবেলিটো
বাটলৈ চায় আছিলো মই বৈ,
বুকুৰ মাজত ৰাখিছিলো সংগোপনে
হিয়াৰ মৰমবোৰ
তুমি অহাৰ বাতৰি পাই।
তুমি আহিবা বুলি
নাহৰজোপাৰ কেঁচা পাতবোৰত
বতাহে কোবা কুই কৰিছিল
খৰিকাজাঁই জোপাও নকৈ ফুলিবলৈ আৰম্ভ কৰিছিল,
শাওনৰ পথাৰত কঠিয়াডৰা সজাল হৈ উঠিছিল,
এনেদৰেই পাৰ কৰিছিলো নঙলামুখত বৈ
ওৰেটো আবেলি, তোমাৰ কথাকে সুঁৱৰি
কেৱল তুমি আহিবা বুলি।



# নিশাৰ কবি


## কাশ্মিৰী গগৈ
স্নাতক দ্বিতীয় বৰ্ষ


আজি তোমাৰ কবি সাৰে থাকিব,
তোমাৰ বাবে পাৰ কৰিব এটা উজাগৰি নিশা,
কবিৰ প্ৰেম শৰৎ
কবিৰ প্ৰেমিকা জোনাক
আৰু ভাৱনা কবিৰ সংগী।

আজি কবি সাৰে থাকিব,
বৃষ্টি হ'ব নিয়ৰৰ,
জোনাকক খেদি খেদি
কবিয়ে মহতিয়াব
সেউজীয়া পথাৰ।

আজি কবিৰ ভাগৰ নালাগিব,
গুণ গুণাই ফুৰিব এমুঠি কবিতা,
অথবা কান্দিব বুকু উজাৰি।
আজি কবিৰ চকুলো ওলাব,
তুমি নুবুজা চকুলো
পোৱা নোপোৱাৰ দোমোজাত
বুজা নুবুজাৰ দোমোজাত
দুলি থাকিব ৰাতি।
কেঁচা টোপনি আৰু
আধা ভগা সপোনৰ মাজত শৰৎ
আৰু কবিৰ বুকুৰ মাজত জোনাক থাকিব
উৰে ৰাতি উজাগৰে,
সেয়ে ........ ! আজি
সেয়ে আজি কবি সাৰে থাকিব,
পাৰ কৰিব এটি উজাগৰি নিশা
আৰু লিখিব তোমাৰ বাবে
এটি কবিতা,
তোমাক দিব এটি নিশাৰ কবিতা...



# পথাৰ


প্ৰিয়ংকা ভূএগ
স্নাতক প্ৰথম বৰ্ষ


আঘোণ মাহ শেষ হ'ল
তই বাৰু কিয় নাহিলি
মোৰ চেনেহী ধন?
আঘোণৰ কুঁৱলি হৈ
তই নাহিলে জান'
বিৰিয়াই বুকু ভেদোযেন কৰে
পথাৰৰ বঁকিয়াত চকুলো
কতবাৰ পৰে
হিয়াখনো ক্ৰমে
উদং পথাৰ হৈ পৰে।
তইবিহীন ৰবাব টেঙাকণো জান'
তেনেই সোৱাদ নথকা
তোৰো ভাগৰ লগা নাইনে বাৰু
মোক বৰ সেৱানীৰ পূণ্যধৰ সজাই
আঘোণ শেষ হ'ল, কি হ'ল?
বহাগ ৰঙে-ৰসে ভৰপুৰটো আছে
আহিবি সেই মুকলি বিহুলৈ
দুয়ো গুচি যাম
সিপাৰৰ নিৰ্জনতালৈ
ঠিক জংকী-পানেইৰ দৰে
ক্ৰমে চহ কৰিমগৈ ...
আমাৰ বুকুৰ উদং পথাৰ।

# দুটা কবিতা


ঋতুস্মিতা বৰা
স্নাতক তৃতীয় বৰ্ষ


## সাধুকথা

হেৰা, সাধুকথাৰ নলীনাক্ষ
তোমাৰ দেহাত সোণালী দাগ
কিহৰ?
কোন প্ৰেয়সীৰ প্ৰেমৰ অভিশাপ
দেহত হানি
গৌৰৱ কৰা আনৰ আগত

## ইতিহাস

হেৰা, অশ্ৰুলেখা
অশ্ৰুৰে নেলেখিবা
দুঃখৰ ইতিহাস
জেৰেঙাৰ পথাৰৰ
কৌটকোৱাৰ কাঁইটত
জয়াৰ কৰাল মৰা তেজ।
পথাৰৰ দূবৰিত আজিও জিলিকে
জয়াৰ অশ্ৰুকণা।





# আশাৰ গধূলি


## ভাগ্যশ্ৰী চাংমাই
স্নাতক প্ৰথম বৰ্ষ


এটি তৰা
ধূসৰতাৰ আবেশত জ্বলি আছে
আশাবোৰতো জানো থাকিব পাৰে
মৃত্যুৰ বগা চাদৰ !
কঁপি উঠে কেতিয়াবা অন্তৰাত্মা
খহটা শিলবোৰ মৌন হৈ পৰে
ৰয় নৈ পাৰত ...
নিটোল গধূলি
শীতৰ তমসাচ্ছন্ন মায়াজালত
বিদীৰ্ণ হৈ পৰে
সিহঁতৰ শৰীৰবোৰ,
বতাহে স্পৰ্শ কৰি যায়
এটি নিৰন্ত্ৰ মনক ...
আৰু গজালি মেলে
এটি শূণ্যই ...
বুকুত শিপাই যায়
শীতাত এটি দুখে,
আলোড়িত হয়
এটি নিৰ্জীৱ ছন্দ
দুচকুত আঙুলি বুলাই যায়
তেজগোৰা এটি সপোনে
দৌৰি ফুৰা হয়
সেই সপোনৰ পিছে পিছে ...
এটি মাত্ৰ আশাত
মৃত্যু আছে বাবেইতো
জীৱনৰ মূল্য আছে।

# ৰূপালীম

(জ্যোতিপ্ৰসাদৰ ৰূপালীম নাটৰ 'ৰূপালীম' চৰিত্ৰৰ আধাৰত)


## মিতালী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ


(১)
বিনন্দীয়া ৰূকমীৰ
এপাহী বনৰীয়া ফুল তই ৰূপালীম
চাংঘৰত ফুলে তোৰ দুচকুৰ সপোনবোৰ
টুলবুল টুলবুলকৈ ...।

(২)
মাতৃহীনা গাভৰু তই
বৃদ্ধ পিতৃৰ উশাহ-নিশাহ তই
মায়াবৰ তই বুকুৰ আপোন।।

(৩)
সৰলমনা গাভৰু তই
পাহাৰী নিজৰাৰ দৰেই তোৰ মন
সেইবাবেই হয়তু নিচিনিলি তই
ইতিভেনৰ ঈৰ্ষাৰ দাবানল।।

(৪)
ইচ্ছা কৰা হ'লে হ'ব পাৰিলিহেঁতেন
ৰজা মনিমুগ্ধৰ তই বুকুৰ ধন
ৰাজকাৰেঙক কৰি লৈ তোৰ
উশাহৰ হেঁপাহৰ ঘৰখন।।

(৫)
নিজৰ স্থিতিত অটল থাকি
মনিমুগ্ধক তই পোহৰ দিলি
তথাপিও তই যে ৰূপালীম
সতী হৈও অসতী হৈ ৰলি।।

# শীতৰ আবেলিৰ কেনভাছত স্মৃতিৰ ছবি আঁকি




**সোনমণি বৰা**

স্নাতক দ্বিতীয় বৰ্ষ


শীতৰ আবেলিৰ কেনভাছত স্মৃতিৰ ছবি আঁকি
দেখিলো ধৰাৰ বুকুত এক নিভাজ প্ৰতিচ্ছবি,
শীতৰে দুবৰি বনত টোপে টোপে নিয়ৰ সৰা
এটি সুন্দৰ আবেলি,
অথবা প্ৰকৃতিৰ ধৰাৰ এই নিভাজ হিয়াৰ বুকুত
প্ৰতিটো শেৱালিৰ পাপৰিত পৰি ৰোৱা,
প্ৰতিটো নিয়ৰসিক্ত কণাৰ টোপাল।
কিমান যে সুন্দৰ শীতৰ এই আবেলি
তন্ময়তাই গাড় কৰি উঠিছে চৌদিশ,
চৌপাশত কেৱল কুঁৱলী আৰু নিয়ৰসিক্ত ফুলগছবোৰ
অথবা মকৰাজালখন।
কুৱঁলীয়ে কেতিয়াবা মকৰাজালখনো ছিঙি পেলায়
ফলত মকৰজনীয়ে হেৰুৱা তাৰ দিকশূণ্যতা।
শীতৰে সেমেকা আবেলিত,
কোনোবা আঘোণৰ পথাৰত ডাৱনীজনীয়ে সোনগুটি
চপাইছে।
খৰিকাজাই জোপাও চোন নিয়ৰকনাই আৱৰি ৰাখিছে
আৰু শেৱালীৰ পাপৰিত পৰি ৰৈছে নিয়ৰ কণা,
হে শৰত,
কি যে অপূৰ্ব তোমাৰ এই
প্ৰকৃতিৰ বিচিত্ৰ লীলা,
তুমি যেন সদায়েই জীপাল হৈ ৰোৱা,
প্ৰতিটো শেৱালিৰ পাপৰিত অথবা
গোলাপৰ পাপৰিত।

# আবেলি, মই আৰু তোমাৰ অন্ধ অনুৰাগী


**পৰী গগৈ**

স্নাতক প্ৰথম বৰ্ষ


সুদূৰৰ নদীখনৰ সিপাৰৰ
সেউজীয়াবোৰত হেৰাই যাব খোজা
কমলাবুলীয়া বেলিটোৰ
ৰঙচুৱা স্পৰ্শ লৈ
তুমি কাৰ বাৰু প্ৰতীক্ষা কৰা?
পথাৰৰ নৰাৰ পেপাঁৰ মাতত
পকাধানৰ চিনাকী গোন্ধৰ মাজত
তুমি কাৰ বাবে অপেক্ষাৰত।
আবেলি
মই তোমাৰ প্ৰেমৰ অনুৰাগী
যদিওবা, তুমি ছাঁইৰঙী
তথাপি তোমাৰ উমাল উত্তাপৰ
বাবে মই উন্মনা
নিয়ৰসৰা দুবৰিৰ বাটচৰাত
হিমচেঁচা সুবাসৰ মাজত
বিষন্নতাত মই
উচুপি উঠো
মন্নো হেৰাই যাব খোজো
মিঠা ৰ'দ চেৰেঙাৰ মাজত
আবেলিৰ বেলিৰ শেষ
কিৰণে ৰঙচুৱা কৰা
লঠঙা গছ বনৰ
নিসংগতাত ...
তোমাৰ মনৰ বতৰা নজনাকৈয়ে
মই চোন হেৰাব খোজো
তোমাৰ মাজত
কি কৰিম আবেলি
মই যে তোমাৰ অন্ধ অনুৰাগী।



# সুবাসিত এই শীতৰ আবেলি


**সুদৰ্শনা দিহিঙ্গীয়া**
স্নাতক প্ৰথম বৰ্ষ


অস্তগামী সুৰুজৰ উমাল স্পৰ্শই
প্ৰাণৱন্ত কৰি তোলে এই শীতৰ আৱেলি,
পুৱাৰ নিহাঁলীৰ যেন নতুন ৰূপ
দেখা যায় এই আৱেলিত ...
শাৰদীয় আৱেলিৰ চৌপাশে
যেন ভাঁহি থাকে কবিৰ অৰুন্ধতীৰ
কেশদমৰ সুৱাস ...
এই শীতৰ আৱেলি যেন
নষ্টালজিক প্ৰেমৰ ৰং ...
যেন ক'ৰবাত ভাঁহি অহা
দুৰন্ত প্ৰেমিকৰ বাঁহীৰ সুৰ ...
বিশ্বখনিকৰ অপূৰ্ব সৃষ্টিৰ যেন
ই এক বিন্দু মাথোন,
সোণগুটিৰ পথাৰখনলৈ ধীৰে ধীৰে
নামি অহা কুৱঁলীবোৰ যেন এক
মিঠা সপোন ...।।
শীতৰ আৱেলিৰ চেঁচা বতাহজাকে
কোঁচত লৈ আনে শেৱালীৰ সুৱাস...
মায়া, তোমাৰ বুকুৰ মৰমথিনিৰ
সুবাসিত এই শীতৰ আমেজভৰা আৱেলি।

# দুটি গীত


**কুসুম ফুকন**
শিক্ষা বিভাগ


ভাল লাগে
সেই ক্ষণ
যি ক্ষণ
মৌন নহয়,
ভাল লাগে
সেই জীৱন
যি জীৱন
সংগ্ৰাম নহয়।

ভাল লাগে
সেই লিখা
যি লিখা
তেজৰ হয়,
ভাল লাগে সেই কথা
যি কথাত
কথা ৰয়।

ভাল লাগে
সেই গীত
যি গীতে
প্ৰাণৰ কথা কয়,
ভাল লাগে
সেই গতি
যি গতি ৰুদ্ধ নহয়।

নিমিলা অঙ্কৰ
উত্তৰ বিচাৰি
কিবা উপাৰ্জ্জিলা
জীৱনৰ বাবে
পালা জানো পাৰাপাৰ।

অভিজাত্যৰ গোন্ধে
আমোল মোলাই
চৌদিশ পেলালে জিনি
বাট এৰি অবাটে

বহু দূৰ গ'লা,
আপোনক নেপালা চিনি।

মানুহৰ মৰণ নাই
মাটিৰ পৃথিৱীক
জ্ঞানীজনে কিয় ক'লে
বহুজনৰ দেখোন
আত্মদাহ হয়
মৰম অহঙ্কাৰৰ মাজে।।





# ঋতুৰাণী

**জাহ্নৱী পংখী বৰুৱা**
স্নাতক দ্বিতীয় বৰ্ষ

স্ৰোতস্বিনীৰ পাৰে পাৰে
শুভ্ৰ কহুৱাৰ শোভা,
মলয়াৰ পৰশত হালি জালি
নাচে কুঞ্জ লতা।

স্ৰোতস্বিনীৰ পাৰে পাৰে
শুভ্ৰ কহুৱাৰ শোভা,
শৰতৰ মলয়াই নমাই আনে
শ্যামলিমাৰ মধুৰ ৰূপ যৌৱনা।
নিৰ্মল আকাশত অসংখ্য তৰাৰ
স্নিগ্ধ চন্দ্ৰমাৰ যেন তুলনা নাই,
ৰূপোৱালী কিৰণে পৰাণজুৰায়
মলয়াৰ শান্ত পৰিবেশ নিৰ্মলতা।
ভিন্ন ৰঙৰ সমাহাৰ
ভিন্ন জনৰ ব্যস্ততা,
উৎসৱ মুখৰ হৈ উঠে
পূজা স্থলীত ভক্তৰ ভীৰ।
শংখ ঘণ্টা উৰুলী জাতেদ
ঢাক ঢোলৰ শব্দই কলুষতা আঁতৰাই
মুখৰিত কৰি তোলে যেন
এই ধৰা খনি।
প্ৰকৃতি কৰুণাময়ী স্নেহময়ী তুমি
তোমাৰ বিচিত্ৰ ৰূপত ব্ৰহ্মাণ্ড ভেদি
বৈ আহে প্ৰেমৰ নিজৰা

---



# ভগ্ন হৃদয়

**সুপ্ৰিয়া গগৈ**
স্নাতক প্ৰতম বৰ্ষ

কেনে আছা তুমি
কুশলে আছানে দুচকুত
এটা সপোন আঁকি
প্ৰাপ্তিৰ সপোন ...
তোমাৰ হেঙুলৰঙী সপোনবোৰে
উৰা মাৰেনে আজিকালি সীমনালৈ,
নে ব্যস্ততাৰ মাজত আজিকালি সপোনেই
দেখিবলৈ আহৰি নোপোৱা হ'লা
আজিও দেখো মই সপোন ...
আশাৰ সঞ্জীৱনী ঢালি
মৰাশৰ দৰে সপোনবোৰ
পুনৰ চেষ্টা কৰো জীয়াই তুলিবলৈ।
শৰৎৰ নিশা তোমাক
লগপোৱাৰ বাবেই হয়তো
মোৰ বুকুত শেৱালি ফুলিছিল,
বসন্তই নতুন গান ৰচিছিল !
দুখৰ আবৃত বতাহত
দুৰু দুৰুকৈ সুখৰ
তৃযা জ্বলি উঠিছিল,
সেয়াই জানো প্ৰেম নাছিল ?
এতিয়াও মোৰ হৃদয়ত
ৰিৰিয়াই বাজি উঠে
ভালপোৱাৰ গান, নিৰৱতাৰ মেলা।
তুমি গুছি যোৱা দূৰলৈ
তামৰঙী সপোনৰ মদিৰা পান কৰি,
আৰু মই তিতি-বুৰি ৰৈ থাকো
ভালপোৱাৰ বৰযুণত।
তুমি মোক দি যোৱা
ধূসৰ বৰণীয়া
এখন দুখৰ আকাশ।
মোৰ শুভকামনা, প্ৰেৰণা
এই সকলোবোৰ লৈ তুমি
সুখী হোৱা,
ফুলি উঠক তোমাৰ ওঁঠত
হাঁহিৰ হাচনাহানা
আৰু তিতি ৰোৱা
সফলতাৰ মুযলধাৰ বৃষ্টিত।।



# দেউতাৰ চিঠি

**স্বপ্না লাহন**
স্নাতক তৃতীয় বৰ্ষ

মৰমৰ
সোণজনী,
তই ভালে আছনে
কিবা অসুবিধা হৈছে নেকি
ভালকৈ পঢ়িছ নাই
এইবাৰ কলেজ পাছ কৰিবি নহয়,
ভালকৈ পঢ় আই।

আমাৰ বৰ ভাল নহয়
তিনি বাৰকৈ অহা বলীয়া বানে
খেতিটোকে কৰিবলৈ নিদিলে।
ভায়েৰটো স্কুললৈ গৈ আছে
চাইকেল এখন কিনি দিও বুলি ভাবিও নোৱাৰিছো
তাৰ লগৰ সবেই চাইকেল নিয়ে
আমাৰ ই সে ....
তাৰ মেট্ৰিক পৰীক্ষাও পালেহি
কিতাপ দুখনমান কিনিবলৈ থাকিলেই
তই চিন্তা নকৰিবি
সি লগৰ ল'ৰাৰ পৰা কিতাপ আনি খুউব পঢ়ে।

মাৰৰ বুকুৰ বিষটোৱে এৰা নিদিয়ে ছাগৈ
পাকঘৰৰ ধোঁৱাই খোৱা মানুহজনী দেখিলে
মোতকৈ বয়স হোৱা যেন হে লাগে অ'
কথাই প্ৰতি অকল তই তই তই হে ...।

মাৰলে মোৰ হাঁহি উঠে জান।
মোৰো ককালৰ বিষটো গাৰ ছাঁৰ দৰে হ'ল
হেৰৌ, ছাঁটো জানো বেলেগ কৰিব পাৰো
বোলো থাক লগতে...
দিনটোৰ কামৰ হেঁচাত বৰ গম নাপাওঁ
ৰাতি হলেহে
বিষটোৱে ওক দিয়ে

গাই-গৰু কেইটাৰ ভালেই
ছাগলীজনীয়ে পোৱালী এটা দিলে।
বৰ মৰম লগা,
বলধ টো বিকিলো
তাৰে মাৰক ব্লাউজ এটা আনি দিলো
হাটৰ পৰা।

তোলৈ চিঠিখন কালিয়েই লিখিব লৈছিলো
ৰাতি —
ভায়েৰৰ পৰা চাকিটো লৈ
আঁকডাল মাৰোতেই কেৰাচিন শেষ হ'ল
চাকিটো নুমাই গ'ল
আজি দিনে পোহৰে লিখিছো সেয়েহে
কালি ৰজনী ছাৰৰ ঘৰৰ জেওৰাখন বাটিলো
যি কেইটা পালো
সেই কেইটাও তোলৈ দিছো
মণি অৰ্ডাৰৰ পইচা কেইটা পালে
চিঠি এখন দিবি, নহ'লে
চিন্তা লাগি থাকিব।

আই, মোৰ সোণজনী
তই বুজা ছোৱালী
তই দুখ বুজা ছোৱালী
ভালকৈ পঢ়
কিমান আশা তোক লৈ...
এই আশাবোৰেই আমাৰ
ঘৰখনক জীয়াই ৰাখিছে।
তই পঢ় .. আই, তই পঢ়...
তই ডাঙৰ মানুহ হ।
মোৰ আৰ্শীবাদ সদায় তোৰ লগত আছে।
ইতি
তোৰ দেউতা



# অনুভৱৰ জলঙাইদি...



স্মৃতি-বিস্মৃতিৰ
শেতেলীত কোন?



## সোঁৱৰণিৰ পম খেদি'....

ডিম্পী গগৈ
স্নাতক প্ৰথম বৰ্ষ

# কটনিয়ান হ'বলৈ গৈ....






সকলো শিক্ষাৰ্থীৰেই এখন নামজ্বলা শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰাৰ এটি সপোন থাকে আৰু সেই সপোনেই তেওঁলোকক সফলতা অৰ্জন কৰাত সহায় কৰে। ঠিক তেনেদৰে মইও এটি সপোন বুকুত বান্ধি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ শিৱসাগৰৰ ছোৱালী কলেজত নাম ভৰ্তি কৰি ৰংপুৰ ছাত্ৰী নিবাসৰ বাসিন্দা হ'লো আৰু সপোন বাস্তৱায়িত কৰিবলৈ ২০১০ বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে নিজকে সাজু কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলালো।

এদিন দুদিনকৈ পৰীক্ষাৰ দিন চমু চাপি আহিল আৰু লগতে মোৰ উৎকণ্ঠাৰো সীমা নোহোৱা হ'ল। কাৰণ এই পৰীক্ষাৰ লগত মোৰ সপোন জড়িত, জীৱন জড়িত।

অৱশেষত পৰীক্ষাৰ প্ৰথম দিনটো আহি পালে। এটা দুটাকৈ ছয়টা বিষয়ৰ পৰীক্ষা শেষ হ'ল। ভয়, উৎকণ্ঠা, ডিঙি শুকাই যোৱা , প্ৰশ্ন নেদেখাৰ বাবে পৰাটো এৰি অহা, ইংৰাজী বানান ভুল, Education ত মোৰ অংকৰ উত্তৰ আন ১০ জনীৰ লগত নিমিলা, চকুৰ পানী, পৰীক্ষা বেয়া হৈছে বুলি এদিন লঘোণ, মাৰ বুজনি আদি সকলো সম্ভাৱেৰে পৰীক্ষাৰ দিন কেইটা শেষ হ'ল।

হোষ্টেলৰ পৰা ঘৰমুৱা হলো। বিহু খোৱা, ফুৰিবলৈ যোৱা, বজাৰ কৰা, তিনিমহীয়া কম্পিউটাৰ ক্লাছ কৰা আদিৰে দিনকেইটা পাৰ কৰিলো। সেই দিনকেইটাত ৰিজাল্ট বুলি কোৱা হাঁহি আৰু কান্দোনেৰে ভৰা মানুহটোলৈ মনতে নপৰিল। পাহৰিয়েই গ'লো যে তেওঁৱে কঢ়িয়াই আনিব মোৰ জীৱনৰ লাখুটি। যাক সাৰথি কৰিয়েই আগুৱাব লাগিব খলা-বমা পথেৰে।

এদিন ঘপকৰে News Live নামৰ ভাল আৰু বেয়া এটাকো শান্তিত থাকিবলৈ নিদিয়া চেনেলটোৰ পৰায়ে গম পালো যে ২৬ মে' তাৰিখে আমাৰ ৰিজাল্ট দিব। লগে লগে মোৰ চিৰিয়েল চাম বুলি হাঁহি মুখে বহি থকা মুখখন শুকাই গ'ল। কথাটো শুনাৰে পৰা মনটোত অনবৰতে এটা ভয়ে বাস কৰিবলৈ ল'লে। ক'তো শান্তিত থাকিব নোৱাৰা হ'লো । বাৰে বাৰে মোৰ সপোনটোৰ কথা মনলৈ আহি থাকিল।

২৬ তাৰিখৰ দিনটো ইমান সোনকালে আহি পালে যে ৰিজাল্ট দিব বুলি শুনাৰ পৰা গোটেই কেইটা দিন লগাই লগাই মুঠতে এৰাতি যেনহে লাগিল। আগদিনা ৰাতি টোপনি নধৰিল গোটেই ৰাতি ছট্‌ফটাই বাগৰি থাকিলো। পুৱা সোনকালেই উঠি গা-পা ধুই কাকো মাত বোল নকৰাকৈ নিজৰ কোঠাত সোমাই প্ৰশ্নকাকত কেইখন উলিয়াই বাৰে বাৰে হিচাপ কৰিব ধৰিলো। প্ৰতিবাৰ হিচাপ কৰোঁতেই বেলেগ বেলেগ নম্বৰ ওলাই। এইবোৰ কৰি থাকোতে কেতিয়ানো টোপনিয়ে হেঁচা মাৰি ধৰিলে গমেই নাপালো। মাৰ মাততহে সাৰপাই ঘপহ কৰে উঠি ঘড়ীটোলৈ চাই দেখিলো ১০ বাজিলেই। ইফালে সিফালে চাই দেউতাক ঘৰত নেদেখি ক'লৈ গ'ল মাক সোধাত ৰিজাল্ট চাবলৈ গ'ল বুলি কলত মোৰ বুকুখন ধপং কৰি গ'ল। মানে মোৰ ৰিজাল্টলৈ বেছি দেৰী নাই।

১০-১১ বজাৰ সময়খিনিত বহু কেইবাৰ বাথৰুমলৈ যাব লগীয়া হ'ল। চকুৰ পানীও টুকিলো। ঠিক ১১ বাজি ৩ মিনিট যোৱাতেই হঠাৎ ফোনটো বাজি উঠিল। দেখিলো দেউতাই কৰিছে। ৰিচিভ কৰিবলৈ মোৰ আঙুলিকেইটা আগবাঢ়ি নগ'ল। মায়েই ৰিচিভ

কৰিলে। প্ৰথম বিভাগ, তিনিটা বিষয়ত লেটাৰ মাৰ্ক, ষ্টাৰ আৰু কলেজৰ ভিতৰতে সৰ্বোচ্চ মাৰ্ক। এইয়াই মোৰ ৰিজাল্ট। মই নিস্তব্ধ হৈ ৰ'লো আৰু দীঘলীয়াকৈ এটা উশাহ ল'লো। খন্তেকৰ বাবে মনটো ভাল লাগি গ'ল। অৱশ্যে মোৰ এই ভাল লগা কেইটামান মুহূৰ্তৰ ভিতৰতে সীমাবদ্ধ হৈ ৰ'ল।

হাইস্কুলৰ একেখন বেঞ্চৰে ছাত্ৰী প্ৰিয়ংকাই ষ্টেণ্ড কৰিলে। তাইক টি. ভি.ত দেখিবলৈ পালো আৰু মনে মনেই তাইলৈ বহুত শুভেচ্ছা জনালো। পিছ মুহূৰ্ততে মোৰ চকুৰে সৰাসৰে চকুলো নিগৰিব ধৰিলে মোৰ আৰু তাইৰ ৰিজাল্টৰ আকাশ -পাতাল পাৰ্থক্য দেখি আৰু মোৰ এই ৰিজাল্টে মোৰ সপোনক বাস্তৱত ৰূপ দিবলৈ সক্ষম হ'বনে নহয় তাক ভাবি।

যিমান পাৰি মনটোক বুজাবলৈ চেষ্টা কৰিলো। লাহে লাহে সময় গৈ থাকিল। এইবাৰ আহিল এড্‌মিশ্বনৰ কথা। আত্মীয়-স্বজন আৰু মা-দেউতাৰ সমৰ্থন লৈ মোৰ সপোনৰ কলেজ কটন কলেজত নামভৰ্তি কৰিবলৈ সাজু হ'লো। ফৰ্ম ফিলাপ কৰিলো, প্ৰছপেকটাছ চালো। আমাৰ ছোৱালী কলেজৰ মেগাজিনখনৰ সমান সেই প্ৰছপেকটাছ। সেইখনৰ পৰাই কলেজখনৰ বিষয়ে বহুত কথা জানিব পাৰিলো সিমানে মই ভয়ত কম্পিত হৈ পৰিছিলো। কাৰণ সেইখন সাধাৰণ ল'ৰা ছোৱালীয়ে পঢ়িব পৰা কলেজ নহয়। যি কি নহওক বুলি ভাবি ৩০ জুনৰ এডমিশ্বনৰ দিনটোলৈ বুলি আশাৰে, উৎকণ্ঠাৰে বাট চাই ৰ'লো। অৱশেষত সেই দিনটো আহি পালে। আগদিনাই গৈ বাইদেউৰ ঘৰত থাকিলোগৈ। সেইদিনা ৰাতিপুৱা সোনকালে উঠি প্ৰয়োজনীয় কাগজ পত্ৰবোৰ লৈ দেউতা আৰু মই কটন কলেজ অভিমুখে ঢাপলি মেলিলো। কৃত্ৰিমতাৰে ভৰা সেই মহানগৰীত কোনেও কালৈ চাবলৈ আহৰি নাই মাথো ব্যস্ত ব্যস্ত ... গোটেই ৰাস্তাটো মোৰ এটা ভাৱনাই মনলৈ আহিল ...

কোনে জানে তোমাৰ সপোন হ'বনে পূৰণ,
আকাশতে থকাজনে লিখে কপালৰ লিখন।

বাৰে বাৰে ভগৱানৰ নাম ল'লো। লগে লগে গাড়ী গৈ কটন কলেজৰ গেটৰ সন্মুখত ৰখিলগৈ। বুকুখন ঢপং কৰি গ'ল। এখোজ দুখোজকৈ আগবাঢ়ি গ'লো। আৰু মানুহ এজনক সুধি গণিব নোৱাৰা মানুহেৰে ঠাহ খাই থকা এটা বৃহৎ অডিটৰিয়াম হললৈ। অসমৰ বিভিন্ন প্ৰান্তৰ মেধাৱী ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰে ভৰি পৰিছে হলটো। হেচা ঠেলা খাই অকণমান আগলৈ গৈ কথমপি ষ্টেজটো দেখি পোৱাত ৰ'লোগৈ। ষ্টেজত হয়তো প্ৰিন্সিপাল আৰু বিভিন্ন বিষয়ৰ ছাৰ-বাইদেউ সকল বহি আছে। অলপ সময়ৰ পাছতে English Major ৰ এডমিশ্বন আৰম্ভ হ'ল। তাৰপাছতেই আৰম্ভ হ'ল Economics Major ৰ এডমিশ্বন। যিটোৰ বাবে মই আশাৰে বাট চাই আছিলো। যি মোৰ সপোন আছিল। General, OBC, SC, ST সকলো কোটা শেষ হৈ গ'ল কিন্তু মোৰ নাম নোলাল। মই শিল পৰা কপৌৰ দৰে হ'লো। মাথো শুনাপালো- Economics Major ৰ Last Percentage 85% । চকুৰে হৰ হৰাই চকুলো বব ধৰিলে। লগে লগে দেউতা আৰু মই বাহিৰলৈ ওলাই আহিলো। আকাশখনলৈ চালো ৰাতিপুৱা ওলাই আহোতে দেখা সোণালী আকাশখন এতিয়া নাই, আকাশখন তেতিয়া ক্ৰমাৎ ক'লা হৈ পৰিছে হয়তো অলপ পাছতে ডাঙৰ বৰষুণ দিব। মোৰ মনটোৰ দৰেই সলনি হৈ থাকিলে আকাশখন। দেউতাই জেপৰ পৰা ওলিয়াই দিয়া ৰুমালেৰে চকুৰপানীখিনি মচি ল'লো। মোৰ সপোন, আশা মুহূৰ্ত্ততে চুৰমাৰ হৈ গ'ল। মোৰ মনটো বিদ্ৰোহী হৈ উঠিল সেইখন কলেজৰ প্ৰতি চিঞৰি চিঞৰি কবৰ মন গৈছিল 'যদিহে তেওঁলোকে সঁচাই মেধাবি বিচাৰিছে তেনেহ'লে কিয় 2nd Division পাই অহা শিক্ষাৰ্থীক এডমিশ্বন দিছে। যদিও তেওঁলোকৰ বাবে বিশেষ কোটাৰ ব্যৱস্থা আছে তথাপি মেধাৰ দিশৰ পৰা যেন আমি তেওঁলোকতকৈ ওপৰত। যাৰ বাবে মোৰ দৰে বহু মেধা শিক্ষাৰ্থীৰ মুখত যে চেঁচা পানী পৰিল, দুখেৰে ঘৰমুৱা হ'ব লগা হ'ল। সেই সময়ত মোৰ যেনেকোৱা লাগিছিল তেনেকোৱা হয়তো মোৰ দৰে নিৰাশ হোৱা বহুতৰে মনত আজিলৈকে বিয়পি আছে তেজৰ দৰে।

চুৰমাৰ হোৱা সপোন, বেদনাসিক্ত নয়ন আৰু হতাশাক বুকুত বান্ধি সেইদিনা ৰাতিয়েই ঘৰমুৱা হ'লো। গোটেই ৰাস্তাটোত বাৰে বাৰে চকুৰ পানী মচিব লগা হৈছিল। ভগৱানক মোৰ ক'বলৈ মন গৈছিল কিয় দেখুৱাইছিলা এনেকুৱা সপোন যাৰ বাবে মই আজি ইমান কষ্ট সহিব লগা হৈছে। মোৰ এই সপোন হয়তো এই জনমত পূৰণ নহ'ব। সপোন সপোন হৈ ৰ'ল। এতিয়াহে বুজিব আৰু উপলব্ধি কৰিলো যে মানুহে বেছি সপোন ধিয়াই থকাতকৈ বাস্তৱৰ সৈতেহে যুঁজিবলৈ চেষ্টা কৰিব লাগে।

বহুদিনলৈকে মোৰ মনটোক বুজাব পৰা নাছিলো আৰু পঢ়িবও পৰা নাছিলো। মোৰ এনেকুৱা লাগিছিল যেন নিজকে কটনিয়ান বুলি ক'বলৈ গৈ বৰ ডাঙৰ উজুটি খালো। অৱশ্যে লাহে লাহে বুজিবলৈ চেষ্টা কৰিলো আৰু বৰ্তমান মই সেই অতীতক পাহৰি বৰ্তমানৰ সৈতে মিলি যাবলৈ বিচাৰিছো।

এই লেখাটোৰ জৰিয়তে মই আমাৰ ছোৱালী সকলক ক'ব বিচাৰো যে যদিহে তেওঁলোকৰ এনেধৰণৰ লক্ষ্য আছে তেনেহ'লে তাক বাস্তৱত ৰূপ দিবলৈ যৎপৰোনাস্তি চেষ্টা চলায়।

যদিও ছিট নাপাই উভটিলো তথাপি সেইখন মোৰ সপোনৰ কলেজ সদায় সপোনেই হৈ থাকিব। য'ৰ পৰা মই লৈ আহিলো এসোপা নতুন মুখ আৰু বহুতো তিতা মিঠা অভিজ্ঞতা, যিবোৰ পাহৰিব নোৱাৰিম শেষ নিশ্বাস এৰালৈকে।

মোৰ বৰ্তমানৰ কলেজ "শিৱসাগৰ ছোৱালী কলেজ"ৰ লগতে সেইখন কলেজৰ প্ৰতিও মোৰ মৰম আৰু শ্ৰদ্ধা সদায় থাকিব... ।



# বোলছবিৰ মাজেৰে বান্ধৱীলৈ প্ৰেৰণ কৰা এটা লেফাফা

**পল্লৱী বৰা**
স্নাতক প্ৰথম বৰ্ষ

মৰমৰ 'মানসী',

আশা কৰো "বিধাতাই" তোমাক কুশলেই ৰাখিছে। আজি বহু দিনৰ মূৰত তোমালৈ বুলি হাতত কলম তুলি লৈছো। মনত পৰেনে তোমাৰ, সেই তাহানিৰ "ৰামধেনু" আৰু হালধীয়া চৰায়ে বাওঁধান খোৱা"ৰ দৃশ্য একেলগে উপভোগ কৰাৰ কথা? আৰু যে " কাল সন্ধ্যা" ঘৰ সোমাওঁতে "অজলা ককাই" আৰু "ভাইটি"ৰ পৰা গালি খোৱাৰ কথা?

জানানে, তোমালোক সেউজপুৰৰ পৰা যোৱাৰ পাছত বহু ঘটনাই ঘটি গ'ল। ডাঙৰ দাদা আৰু "আজলী নবৌ"ৰ সংসাৰলৈ এতিয়া "পাহাৰী কন্যা " আহিল। তাইৰ "মইনা চৰাইৰ মইনা মাত" যাৰে সকলোকে মুহি পেলালে। আমাৰ লগৰ যে "শেৱালী" তাই দুবছৰৰ আগতে "চুৰেণ চোৰৰ পুতেকৰ" লগত পলাই গৈ "ঘৰ সংসাৰ" পাতিলগৈ। যোৱা বহাগত "বৰলাৰ সংসাৰ" খনো হ'ল। "এণ্টনি মোৰ নাম বুলি কৈ ফুৰা এণ্টনি কাই এতিয়াও " জীৱন বাটৰ লগৰীৰ" সন্ধানত আছে। তেওঁতকৈ কেইবা বছৰৰ সৰু "বাস্তৱে" "অনামিকাক" "অগ্নিসাক্ষী" কৰি ঘৰ সোমোৱালেহি। আগৰ সেই ভয়াতুৰ "জুমন-সুমন" এতিয়া আমাৰ গাৱঁৰ "মহাৰথী" হ'ল।



"জীৱন নদী দুটি পাৰৰ" "মৰম নদী গাভৰু ঘাট" পাৰ্কত বহি "হিটলাৰ"ৰ কাহিনী কোৱা "ককা দেউতাৰ ঘৰ জোৱাই" ঘৰ বাৰী "ত্যাগ" কৰি এতিয়া সন্ন্যাসী হ'ল। "বাস্তৱ" জীৱনৰ "সংঘাট"ৰ "ঘাট-প্ৰতিঘাট"ৰ "প্ৰত্যাহ্বানৰ" "যোগ-বিয়োগত" হাৰ মানি তেখেতে এই " অন্তহীন যাত্ৰা"ত বিলীন হ'ল।

অ' ক'বলৈ পাহৰিছিলোৱে, তোমাৰ আৰু "অনিৰ্বাণ"ৰ "হিয়া দিয়া আৰু নিয়া" ৰ কথা এতিয়া ঘৰৰ সকলোৱে গম পাইছে। দেউতা আৰু মায়ে তোমাকেই "সৰু বোৱাৰী" কৰাৰ "সপোন" দেখিছে। "অনিৰ্বাণে" তোমালৈ কলিকতাৰ পৰা "গঙ্গা চিলনীৰ পাখী" আৰু "সোণৰ হৰিণ" আনি থৈছে। "সাগৰলৈ বহু দূৰ" বাবে সি সাগৰ চাব নোৱাৰিলে।

আৰু এটা কথা, "মাঘত মামণিৰ বিয়া" বুলিটো গম পাইছায়ে। গতিকে নহাকে নাথাকিবা। ইয়াৰ পাছতেই তোমাৰো "কন্যাদান"ৰ সময় আহি আছে।

তোমাৰ বান্ধৱী
"কাদম্বৰী"
"একত্ৰিশ জুন"



## মৰমৰ এনাজৰীৰে

# বন্ধু আৰু বন্ধুত্ব

**পৰি দাস,** স্নাতক প্ৰথম বৰ্ষ

ইংৰাজী কবি Cowper এ কৈছে —

"Society friendship and love
Divinely bestiwed upon men."

"সমানে সমানে কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ" এই কথাষাৰ বন্ধুত্বৰ মাজলৈ টানি আনিব পাৰে। কিছুমানে এই বন্ধুত্ব শব্দটোৰ বহুতে অপব্যৱহাৰ কৰে যাৰ ফলত বিশ্বাসবোৰ নাইকিয়া হৈ যায়। গভীৰ মৰম চেনেহৰে আপোন কৰি লোৱা এজন বন্ধুৱে যদি কেতিয়াবা বিশ্বাসঘাটকতা কৰে তেনে সময়ত বন্ধুজনক শত্ৰু হিচাপে গণ্য নকৰি এজন আপোন বন্ধুৰ মানসিক বিকৃতি ঘটিছে বুলি ধৰি লৈ সেইজনৰ মানসিক অৱস্থাৰ পৰিৱৰ্তন ঘটোৱালৈ চেষ্টা কৰিলে বন্ধুত্বও অটুট থাকিব আৰু নিজেও সুফল লাভ কৰিব পাৰি। ঠেকা খাই নিজৰ ভুল বুজি ওচৰ চপা বন্ধুজনক আকোঁৱালি ল'লে পৰৱৰ্তী সময় ছোৱাত সহায় সহযোগিতা লাভ কৰিব পাৰি।

বৰ্তমান সময়ত দ্ৰুতগতিত জনপ্ৰিয় হৈ উঠিছে নেদেখাজনৰ লগত বন্ধুত্ব। চাটিং মেইলৰ যোগেদি নেদেখাজনৰ মনৰ জগতৰ অংশীদাৰ হোৱা আমেজেই সুকীয়া। আজিকালি ম'বাইল ফোনেও এনে বন্ধুত্বক সুত্ৰধাৰৰ কাম কৰে।

শেষত বন্ধুত্ব সম্পৰ্কে ক'ব পাৰি যে বন্ধুত্ব প্ৰতিজন ব্যক্তিৰ জীৱনৰ এক অপৰিহাৰ্য্য অংগ। বন্ধুত্বৰ বান্ধোন সবল কৰি ৰাখিবলৈ আমি প্ৰত্যেকেই চেষ্টা কৰা উচিত। প্ৰতিজন বন্ধুৱেই ইজনে সিজনৰ সৈতে আত্মীয়তাৰ বান্ধোন স্থায়ী কৰিবলৈ দুয়োজনৰ পৰস্পৰে পৰস্পৰৰ নিঃসঙ্গতাক ৰক্ষা কৰা প্ৰয়োজন। প্ৰকৃত বন্ধুৱে জীৱনৰ সঠিক পথৰ সন্ধান দিয়ে আৰু মনলৈ এক স্বৰ্গীয় প্ৰশান্তি আনি দিয়ে।

"Friendship is a flower in heart garden and friend is the important part of human life because man is social being," ----

( মোৰ মৰমৰ বন্ধু-বান্ধৱীসকললৈ আৰু মোৰ অতিকে মৰমৰ best friend লৈ বুলি একলম)

"বন্ধুত্ব হ'ল এজনৰ মনৰ স'তে
আন এজনৰ মনৰ একান্তবোধ"

"বন্ধুত্ব" হৈছে দুখন হিয়াত ক্ৰিয়া কৰা এটা আত্মা। বন্ধুত্ব বুলিলে আমি বুজো আন্তৰিকতা, মৰম স্নেহ, মনৰ মিল থকা, সুখ-দুখৰ সমভাগীৰ এখন প্ৰতিচ্ছবি। বন্ধু শব্দটোৰ সাধাৰণ অৰ্থই হৈছে দুজন ব্যক্তিৰ মাজত বহুখিনি একেধৰণৰ মনৰ মিল, প্ৰায় একেধৰণৰ ভাৱধাৰা, ইজনে সিজনৰ সুখত সুখী আৰু দুখত দুখী হোৱা অৰ্থাৎ দুয়ো দুয়োজনৰ প্ৰকৃত শুভাকাংক্ষী, ইজনে সিজনক গভীৰ ভাৱে ভালপোৱা, বিশ্বাস কৰা, দুয়োজনেই পৰস্পৰ গঠনমূলক সমালোচক আৰু লগতে দুয়োজনৰ যেন আত্মিক কিবা এটা মিল আছে। কোৱা হয় যে, "যাৰ বন্ধু নাই তাৰ একোৱেই নাই।" সচাঁকৈয়ে বন্ধুহীন জীৱন দশোদিশ শূণ্য। বন্ধুত্ব এবাৰ গঢ়ি উঠিলে তাক অটুট ৰাখিবলৈ সদায় চেষ্টা কৰিব লাগে। সেয়ে বন্ধুত্বৰ ভাব গঢ় লৈ উঠাৰ আগতে বন্ধুজন কেনে মানসিকতাৰ তাক জানি ল'ব লাগে যিহেতু সেই বন্ধুজনেই হ'ব লাগিব জীৱনৰ প্ৰকৃত বন্ধু আৰু সেই বন্ধুত্বই হ'ব লাগিব দৃঢ়।

প্ৰতিজন মানুহৰে জীৱনৰ সুখ-দুখ, পোৱা-নোপোৱা, খং-ক্ষোভ, মান-অভিমান আৰু লগতে জীৱনৰ হিচাপ-নিকাচৰ বিষয়ে কৈ শান্তি লভিবৰ বাবে অন্ততঃ এজন সহনশীল শ্ৰোতাৰ প্ৰয়োজন হয়। মানুহৰ জীৱনত সুখ-দুখ আছেই। আৰু যদি অকল সুখকে থাকিলেহেতেন দুখ কি বস্তু কোনেও চিনি নাপালেহেতেঁন আৰু দুখৰ উপায় যদি অকল মৃত্যুৱে হলহেতেঁন তেন্তে পৃথিৱীত কোনোৱে জীয়াই নাথাকিলেহেতেঁন সেয়ে এইবোৰৰ মাজেৰেই আমি জীৱনটো ৰঙীন কৰি তুলিব লাগিব। মানুহে হৈছে সংগপ্ৰিয়। সেই কাৰণে এই সুখ-দুখবোৰৰ সমভাগীৰ হ'বৰ বাবে এজন প্ৰকৃত বন্ধুৰ আৱশ্যক। যিজনক অন্তৰ খুলি সকলো কথা নিঃসংকোচেৰে ক'ব পাৰি সেইজনেই হৈছে প্ৰকৃত বন্ধু। তেওঁ কাৰোবাৰ সহপ্ৰাৰ্থীও হ'ব পাৰে বা বয়সত ডাঙৰ সৰু হ'ব পাৰে; ককাই-ভনী, মাহী-পেহী, খুৰা-খুৰী, স্বামী-স্ত্ৰী, মাক-দেউতাক, প্ৰেমিক-প্ৰেমিকা নাইবা একেটা অনুষ্ঠানত কাম কৰা দুজন ব্যক্তি হ'ব পাৰে।

# R.C.N.ৰ স্মৃতিবোৰ...

**কংকনা কোঁৱৰ**
স্নাতক তৃতীয় বৰ্ষ

R.C.N. ৰ সম্পূৰ্ণ নাম হৈছে 'Rongpur Chatri Nivas'. এটা মিঠা শব্দৰে আবৃত্ত আমাৰ ছাত্ৰী নিবাসটো। ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ পুৰণি নাম আছিল 'ৰংপুৰ'। শিৱদৌলৰ গাতে লাগি থকা "শিৱসাগৰ ছোৱালী কলেজ"ৰ আৱাসগৃহক 'ৰংপুৰ ছাত্ৰী নিবাস' নামেৰে নামাকৰণ কৰা হয় আৰু সকলোৱে চুটিকৈ R.C.N. বুলি কয়।

তিনিবছৰ কটোৱা R.C.N.ৰ স্মৃতিবোৰ মোৰ জীৱনত এক পাহৰিব নোৱাৰা স্মৃতি, যি মোক বাৰুকৈয়ে জোৰ দিছিল এই আৱাসগৃহত থাকিবৰ বাবে। মইও বহুত আশা কৰিছিলো ইয়াতে থাকিবৰ বাবে আৰু অৱশেষত পূৰণ হৈছিল ২০০৮ চনৰ ৬ জুলাইত। মনত কিছু ভয় আৰু কিছু সাহস লৈয়ে সোমাই গৈছিলো হোষ্টেলৰ ভিতৰলৈ। সোমাই যাওঁতে বাটতে আমাৰ প্ৰাক্তন 'চুপাৰ' উৎপলা বাইদেউৱে মোক কৈছিল (তুমি আহিছা) আৰু এজনী Senior বাক মই কোনটো ৰুমত পৰিছো চাই দিবলৈ কৈছিল। সেইমতে হোষ্টেলৰ কৰ্মচাৰী লাৱণ্য বাইদেউ আৰু বৰমায়ে মোৰ বস্তুবোৰ তলৰ ৪ নম্বৰ কমলৈ লৈ গৈছিল আৰু মই পিছে পিছে গৈ সেই ৰুমত প্ৰৱেশ কৰিছিলো। প্ৰথমতে ভয় লাগিছিল কিন্তু অলপ পিছতে সেই ভয় আঁতৰি গৈছিল। Senior বাহʼত ইমান ভাল আছিল তেওঁলোকে আমাক বহুত মৰম আৰু সহায় কৰিছিল। মই তেওঁলোকক কেতিয়াও পাহৰিব নোৱাৰো।

R.C.N. আমাৰ বাবে এখন নিজা ঘৰৰ দৰে। মেডিকেলকে ধৰি সকলোখিনি সুবিধা ইয়াত পোৱা যায়। ৰাতিপুৱা শুই উঠাৰ ফৰা সকলো নিজৰ কামত ব্যস্ত হৈ পৰে দিনটোৰ বাবে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে। সোনকালে উঠি গা-ধোৱা, ডাইনিংহলত ডিচ্ দিয়া, গধুলি প্ৰাৰ্থনা কৰিবলৈ যোৱা, চাহ অনা আদি মোৰ, আমাৰ সকলোৰে বাবেই স্মৃতি হৈ ৰʼব। ইয়াৰ উপৰিও আমাৰ হোষ্টেলত বৃহস্পতিবাৰে পিছবেলা বজাৰ যাবলৈ দিয়ে। প্ৰায় বিলাক ছোৱালীয়ে বজাৰলৈ যায় নিজৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিবলৈ। দেওবাৰে দিনটোও আমাৰ ছোৱালীবোৰৰ কাৰণে এটা বিশেষ দিন। ৰাতিপুৱাৰ পৰা গধুলিকৈ। ৰাতিপুৱা নিজৰ ভাগে ভাগে পৰা Social Service কৰি পাতলীয়া আহাৰ গ্ৰহণ কৰা, লাইব্ৰেৰীৰ পৰা কিতাপ, উপন্যাস আদি লোৱা, তাৰ পিছত দুপৰীয়া ভাত খাই টি.ভি চোৱা ইত্যাদি ... ইত্যাদি... কাৰোবে যেন সময় নাই সেইদিনা। তাৰ মাজে মাজে ভিজিটিং ৰুমলৈ চোৱা। সকলো যেন সঁচাকৈয়ে ব্যস্ত সেইদিনা।

আমাৰ হোষ্টেলত মাজে মাজে সৰু-সুৰা দুটামান উৎসৱও আয়োজন কৰা হয়। আৰম্ভণিতে হোষ্টেললৈ অহা নৱাগতা ছাত্ৰীসকলৰ বাবে আদৰণি সভা আয়োজন কৰা। তেওঁলোকৰ লগতে চিনাকী হৈ তেওঁলোকে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰা আদি আমাৰ হোষ্টেলত প্ৰতিবছৰে চলি অহা এটা পৰম্পৰা। প্ৰতি বছৰে চলি অহা আন এটা পৰম্পৰা হৈছে বিদায় সম্বৰ্দ্ধনা সভা। এই সভাত শেষৰ বছৰৰ ছাত্ৰীসকলক বিদায় জনোৱা হয়। ৩১ ডিচেম্বৰত সকলোৱে মিলি বনভোজ খোৱা আৰু ৰাতিলৈ কেকুকুইন আৰু মিছ হোষ্টেল আদি পতা হয়। ইয়াৰ উপৰি সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, আৰু জন্মাষ্টমী আদিও পতা হয়। বছৰৰ শেষলৈ কলেজ সপ্তাহৰ বাৰ্ষিক খেলসমূহত কোনে কʼত যোগদান কৰিব। হুঁচৰি, নাটক, নৃত্য আদিৰ প্ৰেক্টিচ। ইত্যাদি ... ইত্যাদি... বহুত জমি থাকে এইকেইটা দিনত।

এইকেইটা দিনক এৰি আমি সঁচাকৈ বহুত দুখীত হʼম।

চাওঁতে চাওঁতে সময়বোৰ আমাৰ মাজৰ পৰা দ্ৰুতগতিৰে আগবাঢ়িবলৈ ধৰিছে আৰু কেইদিনমানৰ পিছতেই আমি এই হোষ্টেল এৰি যাবগৈ লাগিব। হোষ্টেলৰ এই মধুৰতম স্মৃতিবোৰে মোক বাৰুকৈয়ে আমনি কৰি থাকিব। সঁচাকৈয়ে R.C.N. মোৰ বাবে এক পাহৰিব নোৱাৰা স্মৃতি হৈ ৰʼব।

# অনুভৱৰ শেতেলীত

## "প্ৰেম"

**কাশ্মিৰী শৰ্মা**

স্নাতক দ্বিতীয় বৰ্ষ



জীৱনৰ চিৰস্বাস্বত সৌন্দৰ্য্যানুভূতি প্ৰেম, যাক সময়ৰ কঠিনতাই ম্লান কৰিব নোৱাৰে সমুলি। ই বৈ যায় কলিজাৰ মাজেৰে নিশব্দে.... নিৰৱে...।

এই প্ৰেমেৰেই কি ভিন্ন ৰূপী সংজ্ঞা ? এই সংজ্ঞাবোৰ মাথো উপলব্ধিৰ সংজ্ঞা। যি প্ৰেম কৰা নাই সি কেতিয়াও দিব নোৱাৰে প্ৰেমৰ এক নিভাজ উক্তি। সময়ৰ কঠিনতাই আৰু সময়ৰ যান্ত্ৰিকতাই কেতিয়াও ম্লান কৰিব নোৱাৰে প্ৰেম নামৰ মিঠা অনুভূতিৰ প্ৰস্ফূলনক।

এইবোৰ কথাটো আমি সকলোৱে জানো। অথচ আমাৰ জ্যেষ্ঠজনৰ মানসিকতাত প্ৰেম মাথো বয়সৰ ভূল আৰু ইয়াৰ নাম যেন "পাপ"। হয় জানো ?

অৱশ্যে বৰ্তমানৰ প্ৰেমে এনে এক চৰম পৰ্যায় পাইছে যে ইয়াৰ সংজ্ঞাই পৰিৱৰ্তন হৈ গৈছে। চেল ফোনৰ যুগৰ উৰণীয়া প্ৰেম য'ত অশ্লীল শব্দটো মাজে মধ্যে সোমাই যায়। অথচ তাৰ মাজতো বৈ যায় বহু জনৰ সঁচা প্ৰেম। অতীতৰ সেই নিভাজ প্ৰেমৰ দ'ৰে নহ'লেও প্ৰকৃত ভালপোৱাৰ সন্ধান কিছু সংখ্যকৰ মাজত পোৱা যায় আৰু তেওঁলোকেও প্ৰত্যেক খোজতেই উজুটি খাই। ইয়াৰ এটা প্ৰধান কাৰণ কূলগত পাৰ্থক্য।

আধুনিকতা আৰু বিশ্বায়নৰ এই যুগতো বহুতো মানুহৰ বিশেষকৈ গাঁৱলীয়া মানুহৰ কোঁহে কোঁহে কূলগত সংকীৰ্ণতা প্ৰবাহমান হৈ আছে। এইবোৰৰ বাবেই প্ৰেম নামৰ বস্তুটোৰ অস্তিত্ব থাকিও শেষ হৈ যোৱাৰ উপক্ৰম হয়। কিয় আৰু বহু মানুহে এতিয়াও মানুহ আৰু মানুহৰ মাজত পাৰ্থক্য অনাৰ .চষ্টা কৰি থাকে। আজিৰ সমাজত প্ৰায় সকলোৱেই শিক্ষিত। কিন্তু শিক্ষিতৰ নাম লৈ অশিক্ষিতৰ দৰে আচৰন কৰিলে তেওঁলোকক শিক্ষিতৰ নাম দিব পাৰি জানো। যেতিয়া ল'ৰা-ছোৱালীয়ে প্ৰেম কৰে তেতিয়া এই ডাঙৰ ডাঙৰ ডিগ্ৰীধাৰী মানুহ বিলাকে ল'ৰা-ছোৱালীক গালি পাৰে যে " এইবোৰ কৰিবলৈকে তহঁতক পঢ়ালো, পঢ়ি শুনি ইয়াকে শিকিলি।" পঢ়া-শুনা কৰিলে কি প্ৰেম চিনি পাব নালাগে নেকি? প্ৰেম এটা অনুভূতি। ইয়াক পঢ়া-শুনাৰ লগত ৰিজনী দিয়াৰ কোনো অৰ্থ নাই। প্ৰেমৰ এটা নিজস্ব সংজ্ঞা আছে। প্ৰেম অশিক্ষিতৰ বাবে সুকীয়াকৈ ৰখা বস্তু নহয়। প্ৰেম প্ৰেৰণা, উৎসাহ, উদ্যম। প্ৰেমৰ মাধ্যমেৰে শতজন কবি সাহিত্যিকৰ সৃষ্টি হৈ আহিছে। অসাধ্য সাধন কৰে প্ৰেমে।

অৱশ্যে এই কথা অনস্বীকাৰ্য যে সকলো সময়তে, সকলোৰে ক্ষেত্ৰত প্ৰেম বা ভালপোৱা শুদ্ধ নহ'বও পাৰে। ভালপোৱাৰ অন্ধতাই বহুসময়ত বিপৰ্যয় মাতি আনে। তথাপি সকলো বাদ কৰি কেৱল কূলগত পাৰ্থক্য প্ৰেমৰ ক্ষেত্ৰত প্ৰত্যাহ্বান হোৱা উচিত নে?

এই ক্ষেত্ৰত মই সকলোৰে মতামত জানিবলৈ অধিক উৎসুক। সকলোৰে লগত মত বিনিময় কৰি ক'বৰ মন যায় প্ৰেমক সন্মান কৰক, ইয়াক লুপ্ত হ'বলৈ নিদিব। প্ৰেমহীন পৃথিৱীৰ কোনো অস্তিত্ব নাই। প্ৰেমক জীপাল কৰক সঁচা মন আৰু সঁচা অন্তৰৰ নিৰ্মলতাৰে ...

"প্ৰেমক ভয় কৰা মানে জীৱনক ভয় কৰা আৰু যিসকলে জীৱনক ভয় কৰে তেওঁলোকৰ ইতিমধ্যে তিনিটা অংশ মৃত হৈছে।"—বাৰ্টাণ্ড ৰাছেল।

মই নাজানো প্ৰিমৰ বিফলতাত আত্মহত্যা কৰা জন প্ৰকৃততে কিমান শুদ্ধ। কিন্তু প্ৰেমৰ পৰিধি যে মৃত্যু পৰ্য্যন্ত বিস্তৃত এয়া তাৰ এক চাক্ষুক উদাহৰণ।



# বৰ্ষা

## এটি সেউজীয়া অনুভৱ

**বন্দিতা চেতিয়া**

স্নাতক তৃতীয় বৰ্ষ

বৰ্ষা ঋতুৰ কথা ভাবিলেই মনলৈ আহে ... জিৰজিৰকৈ নামি অহা সপোনসনা ...এজাক বৰষুণৰ কথা ...। গীতৰ ভাষাৰে ক'বলৈ গ'লে "টোপাল টোপালবৰষুণে আহি চকুৰ পতাত চুমা সিঁচি দি যায়" ... চকুযুৰি মুদি কল্পনা কৰিলেই অনুভৱ হ'ব... কেনে চুমা হ'ব পাৰে সেয়া? বৰষুণ ... জিৰিজিৰকৈ আকাশৰ বুকু ফালি নামি অহা যেন ডাৱৰৰ অশ্ৰুধাৰা ... জীপাল কৰি তোলে ই ধৰাৰ বুকু ... প্ৰতিজন মানুহৰ দেহ মনলৈ কঢ়িয়াই আনে সজীৱতা ... মন আকাশত আঁকে সৃজনীশীলতাৰ সাতোৰঙী ৰামধেনু ...। ভৰাই পেলাই বুজাব নোৱাৰা এক তৃপ্তিৰ আৱেশেৰে দেহ-মন। বৰষুণৰ কথা ভাবিলেই নানা ভাৱেৰে উপচি পৰে মনৰ সেউজীয়া পথাৰ ... এই যেন বাগৰি পৰিব তাৰ এটোপাল-দুটোপাল বিষাদ, আনন্দ আৰু ... বহুতো কিবাকিবি ...। মন যায় খিৰিকীৰ মুখত বৈ এছাৰকণিৰ সোৱাদ লোৱাৰ ... এবাৰ বৰষুণত তিতাৰ ... পথাৰৰ বোকা গচকাৰ ...। আমনি নকৰাকৈ নাথাকে ছাতিৰ অভাৱত স্কুললৈ যাব নোৱাৰাৰ দৃশ্যই ... মূৰত জাপি লৈ পথাৰত ব্যস্ত খেতিয়কৰ ছবিয়ে ...পথাৰৰ বুকুত সেউজী দলিচা পাৰিবলৈ ব্যস্ত হৈ পৰা ৰোৱনিহঁতৰ ছবিয়ে। বৰ্ষাৰ ভৰপূৰ নৈয়ে খেতিয়কৰ সপোনৰ, আশাৰ সেউজী পতাৰ খনিক মহতিয়াই লৈ যোৱা দৃশ্যইও মনত আমনি নকৰাকৈ নাথাকে। মনলৈ আহে বানে কঢ়িয়াই অনা দুৰ্দশা ... আকাল বাৰিষাৰ মহ, ডাঁহ, জোক আদিৰ কথাও ...। তথাপিও বৰষা সকলোৰে বাবে এটি মিঠা অনুভৱ ... আশাৰ কিৰণ ... মধুৰ সপোনৰ সৃষ্টি ...। বৰষা ঋতুত আছে বহুতো প্ৰতিশ্ৰুতি ... তাত নাই কোনেও কাৰো প্ৰতিশ্ৰুতি ভংগ কৰাৰ সম্ভাৱনা, আশংকা ..। সেয়েহে কবিৰ ভাষাৰে ক'বলৈ মন গৈছে ... "বৰষাৰ ঋতু ভালপাওঁ মই।"

# অনুভৱে কৰোৱায় চুক্তি জীৱনৰ স'তে

**পল্লৱী গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ

কৌতুহলৰ আবেষ্টনিত কুচি মুচি সোমায় থকা এটা বাস্তৱৰ লগত পৰিচিত হোৱাৰ দিনৰ পৰাই এটা শব্দই বুজি উঠিছিলো, যিটোৱে নেকি 'জীৱন'। জীৱন হৈছেতো এটা স্পন্দনশীল বাস্তৱ, যাৰ স্পন্দনত .... আছে সুখ-দুখৰ পোৱা-নোপোৱা আৰু আশা নিৰাশাৰ। এই স্পন্দনক বুজি উঠাৰ দিনৰ পৰাই চুক্তিবদ্ধ হৈছিলো এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব লাগিব নহ'লে জীৱন জিকি যাব; সেয়েহে জীৱনৰ লগত বুজা বুজিৰ সম্পৰ্ক বজাই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলায় আহিছো। আমাৰ ভালপোৱা বেয়াপোৱাবোৰ জীৱনৰ ভালপোৱাতোকে কেতিয়াবা জীৱনে বেয়া পায় আকৌ কেতিয়াবা আমাৰ বেয়াপোৱাবোৰ জীৱনে ভাল পায়। মন আৰু মগজুৰ মাজত যিদৰে তুমুল সংঘৰ্ষ হয় মাজে মাজে ঠিক তেনেদৰে আমাৰ ব্যক্তিত্ব আৰু জীৱনৰ মাজতো সংঘৰ্ষ বিলাকৰ অৱতাৰণা হয়। কোনো বিকল্প নোহোৱাকৈ নেপথ্যই নেপথ্যই প্ৰত্যাহ্বানবিলাক নামি আহে সুৰমুৰকৈ। বসুন্ধৰাৰ পৰিবেষ্টিত সুকোমল কোলাত জীৱনৰ ভাষ্যবিলাকৰ বহুত উম পোৱা যায় আৰু কেতিয়াবা পোৱা যায় হাড় কপোৱা ঠাণ্ডা। ব্যৱহাৰিক ভাৱে পৰ্য্যবেক্ষণ কৰি চোৱাৰ প্ৰয়োজন হয়। জীৱনৰ লগত আমাৰ ব্যক্তিত্বৰ সামঞ্জস্যতা। জীৱনৰ পৰিধি বিচাৰি বিচক্ষণতাৰ প্ৰাকক্ষণতে যদি আমি পৰাজিত হওঁ এই নিশ্চয়কৈ আমাৰ বাবে বিফলতাৰ বাদে আন একো নহয়। আজি আমি সকলোৱে জীৱনৰ লগত বুজাবুজি ৰাখিবলৈ গৈয়ে শিকিছো হেৰুৱাবোৰ পাবলৈ। অভিজ্ঞতাৰ জিভাৱে সুখ অনুভৱৰ সোৱাদ ল'ব বিচাৰিছো। নোপোৱা বোৰতকৈ পোৱাবোৰতে সুখী হ'ব চেষ্টা কৰিছো কিয়? কাৰণ আমিয়ে চুক্তিবদ্ধ জীৱনৰ লগত প্ৰতি মুহূৰ্তত। আমি নিতৌ নিজকে উন্মোচন কৰো এক নতুন ৰূপত আৰু প্ৰয়াস কৰো পাবলৈ এক নতুন সুৰুজৰ ৰাঙলি কিৰণক । জীৱন বেটুপাতৰ ছবি যদিওবা ব্যংগ হয় কেতিয়াবা তথাপি এই ব্যংগতাই অনৰ্থক কৰি নুতুলিবও পাৰে ইয়াৰ আভ্যন্তৰীণ পৃষ্ঠা। যদিহে পঢ়ি নাচাওঁ জীৱন নামৰ কিতাপখনৰ আভ্যন্তৰীণ পৃষ্ঠা তেন্তে অপৰাগ হৈ ৰ'ম বুজি উঠিবলৈ ইয়াৰ সংজ্ঞা। মাতাল ৰাতিৰ শেতেলিত মুৰ গুজি আমি টোপনি যাওঁ সেইবুলি জানো টোপনিৰ উদ্দেশ্য সপোন? তথাপিযে আমি সপোন দেখো কেতিয়াবা নভবাকৈ কেতিয়াবা নিবিচৰাকৈ। যদিওবা সপোনৰ মোহনাত শূণ্যতা, তথাপি আমি এই শূণ্যতাৰ আকাৰ বিচাৰো। সপোন ৰচো জীৱনক উপহাৰ দিবলৈ, জীৱনক প্ৰত্যাহ্বান জনাবলৈ কোনো ক্ষেত্ৰত। এনেদৰে প্ৰত্যাহ্বান, উপহাৰ, উপহাস আদিয়ে বুজা বুজিৰ চুক্তিখন টানি আনে আৰু আমাক স্বাক্ষৰ বহন কৰায়। সুখৰ অনুপস্থিতিত সুখৰ অনুভৱ এইয়াইতো সৰ্বজন গ্ৰহণীয়তা। জীৱনৰ মোহতে বন্দী আমি আশাবাদী কয়দী। পলাই যাব পাৰো বন্দীশালৰ পৰা কিন্তু থাকোতে থাকোতে বন্দী জীৱনে ভাল লগা হয়। মুকলি আকাশ , মুক্ত বতাহে বেয়া লগাৰ উপক্ৰম হয়। অভ্যাস হৈ যায় যেন ভাল পাবলৈ মাথো আমাৰ চৌপাশৰ সুউচ্চ সমস্যাৰ দেৱাল। হাঁহি-কান্দোন, আশা-নিৰাশা, সংঘাত আদিৰ সমাহাৰে যদি জীৱন তেন্তে জীৱনৰ লগত বুজাবুজি কৰাত কোনো আপত্তি থাকিব নোৱাৰে। এখোজ জীৱনক এখোজ নিজে আগবাঢ়ি যোৱাতে যেন আমাৰ জীৱনৰ সাৰ্থকতা প্ৰতিফলিত হোৱাৰ অনুভৱ হয়। বুজাবুজিয়ে ধ্বংস কৰে শত্ৰুতা, সেয়েহে আমি বুজিব বিচাৰো এজনে আনজনক। মিত্ৰতা ৰাখি অতিবাহিত কৰিব বিচাৰো জীৱনৰ যাত্ৰা। অগ্ৰসৰ হওঁ প্ৰতি পল-অনুপল। ধাৱমানিত পদক্ষেপেৰে আগবাঢ়ি যাও নিতৌ এখন চুক্তি লৈ জীৱনৰ ওচৰলৈ এবুকু আশা লৈ হতাশাৰ পৰা আঁতৰি বুজা-বুজিৰ কামনাৰে মাথো এটা প্ৰয়াস লৈ জীৱনক বুজি পোৱাকৈ, জীৱনৰ সৈতে বুজা বুজি চুক্তিপত্ৰত স্বাক্ষৰ বন্য ঢালি দিবলৈ। আমি জয়ী হ'ব বিচাৰো। জীপাল আশাৰ অংকুৰিত গজালিটোক লৈ। সেয়েহে আমি সফলতাৰ চূড়াত বগাবলৈও কুণ্ঠাবোধ নকৰো আৰু অদম্য সাহসৰে অপ্ৰাণ প্ৰচেষ্টাৰে বগাবলৈ চেষ্টা চলাই আহিছে আৰু বগাই আছো, বগাই আছো, মাথো বগাই থাকিম সুখৰ চৰম বিন্দু স্পৰ্শ নকৰা পৰ্যন্ত।

# সময়ৰ বোকোছাত

## মোৰ অনুভৱ

জুলীমণি বড়া
উঃমাঃ প্ৰথম বৰ্ষ

সময়ৰ বোকোছাতে ঃ- দুৰন্ত গতিৰে আগবাঢ়ে সময়ৰ ডেউকা। যিমানেই আগবাঢ়ে সিমানেই আতংকিত হৈ পৰে সময়। কিয়নো সময় এতিয়া নিৰ্মম বাস্তৱ, সময় এতিয়া নিতান্তই মাতাল, সময় এতিয়া দুৰ্য্যোগ, অনিশ্চয়তা, দুৰ্নীতি আৰু অমানৱীয়তাৰে আৱৰ্তিত।

সময়ৰ সকৰুণ মাদকতাত অন্তৰ্নিহিত হৈ পৰিছে কৰুণা, একতা, ভ্ৰাতৃত্বভাৱ, জীৱন আৰু প্ৰেমৰ প্ৰতি থকা হেঁপাহ —। তাৰ বিপৰীতে মানুহৰ উৰ্বণীয়া মন ব্যস্ত হৈছে এক বিচ্ছিন্ন চেতনাৰে কেৱল নিজৰ অস্তিত্বৰ সন্ধান কৰাত ....।

"হে দুঃসময়, তুমি আঁতৰি যোৱা
তোমাৰ শূণ্য স্থানত জী উঠক
মৰমৰ অজস্ৰ সেউজীয়া।"

হৃদয়ৰ অনুভৱ ঃ- হৃদয় থাকেনে সকলোৰে? পৰিচালিত হয়নে সকলো হৃদয়ৰ দ্বাৰা?

এয়া, এক দুৰ্বোধ্য প্ৰশ্ন। কোনেওটো বুকু ডাঠ কৰি ক'ব নোৱাৰেময়েই হৃদয়বান বুলি, ক'তোটো পোৱা নাযায় হৃদয়বান জোখা তুলা-চালনী।

হৃদয় নিশ্চয় নাথাকে সকলোৰে, থাকিব নোৱাৰে কাৰণ সকলোৰে হৃদয় থকা হ'লে নিশ্চয় নহ'লহেতেন সন্ত্ৰাসৰ নৃশংসতা, হয়তো নাথাকিলে হেতেন। নাৰ্চিংহোমলৈ ঢাপলি মেলা চিকিৎসকৰ বগা সাজৰ আঁৰৰ কুটিলতা, ৰাজনীতিজ্ঞৰ আভূৱা ভুৱাৰ প্ৰতিযোগিতা, নিৰাপত্তাৰ নামত খাকী সাজেৰে চান্দা তোলাৰ প্ৰৱণতা অথবা হ'লহেতেন জানো কিশোৰী যৌন নিৰ্য্যাতিতা হোৱা আৰু ডাষ্টবিনত মৃত নৱজাতক উদ্ধাৰ হোৱাৰ বাতৰিৰ শিৰোনাম হয়, তেওঁলোকৰ হৃদয় নাথাকে, থাকে চকু। সেইবাবেই তেওঁলোকক মই দুৰ্ভগীয়া বুলি ক'ব খোজো, বুকুত হাত থৈ দৃঢ়তাৰে। কাৰণ তেওঁলোকে বিচাৰিব নাজানে নিজৰাৰ স্বচ্ছতা .... জোনাকৰ মাদকতা ... পৃথিৱীৰ ভালপোৱা।

তেওঁলোকৰ প্ৰতি মই পুতৌ অনুভৱ কৰো কিয়নো পৃথিৱীৰ সমস্ত সেউজীয়া উপভোগ কৰাৰ পৰা বঞ্চিত। তেওঁলোক কেৱল নিজক লৈ ব্যস্ত থকা এওঁলোকে বৰষুণত তিতিব নাজানে, ভাল পাব নাজানে পথাৰৰ সোণালী গোন্ধ আৰু অনুভৱ কৰিব নাজানে শেৱালিৰ স্নিগ্ধতা।

"হে হৃদয়হীন, তোমালোকে অনুভৱ কৰিব নাজানা প্ৰতিক্ষাৰ সুন্দৰতা,মায়াবী আৱৰণেৰে আৱৰিলেও তেওঁলোকৰ সহচৰ সংগী নিতান্ত নিঃকিনতা ....।"

জীৱনৰ সন্ধান ঃ- জীৱন মানেইতো হৈছে এটি নিজৰা। খৰস্ৰোতা কলস্বিনী পাহাৰী নিজৰা ...। কুল কুল সুৰেৰে যি গতি কৰে অবিৰাম অযুত ভাঁজেৰে নিজৰাই মিতিৰালি পাতে জীৱনৰ সৈতে ....।

"ফুলজোপাক মৰমেৰে সুধিলো ইমান ধুনীয়াকৈ ফুলিছা কিহৰ আবেগত।
কাঁইটেৰে পাহিবোৰ আৱৰি ফুলে ক'লে জীৱনৰ পৰশত।"

এৰা, বুকুত এমুঠি প্ৰত্যাশা কঢ়িয়াই জীৱনেও প্ৰেৰণা দিয়ে। মনে প্ৰাণে সুন্দৰ হ'বলৈ, কুহিঁপাতক আৰু সেউজীয়া কৰিবলৈ ...।

কেতিয়াবা অনুভৱ কৰানে যদি হেৰাই যায় জীৱনৰ প্ৰেৰণা ... যদি হাত বাউল দি নামাতে জীৱনে দূৰৈৰ পৰা ... জীয়াই থাকিবলৈ ...

"জীৱন, যদি মৃত্যু আহে নিশব্দে তোমাক নিচুকাবলৈ,
তুমি এপলকো নুশুৱা,
কিয়নো শুলেই ইমান ভয়
শেষ হ'ব তোমাৰ আকুলতা প্ৰান্ততঃ

অনুভৱ কৰানে বতাহৰ শব্দ? বিচৰানে বতাহৰ মাদকতা? যি মৃদু পৰশেৰে চুই যাব খোজে সকলোৰে হৃদয়— ভাল পোৱানে বতাহক যি উৰুৱাই নিয়ে শেৱালীৰ শুভ্ৰতা, চাদৰৰ আঁচল অথবা অবাধ্য ডোপাটা ...

এবুকু প্ৰত্যাশা লৈ বাট চাওঁ এই বতাহতেই যেন বিয়পি পৰক মানৱতাৰ স্নিগ্ধতা, এই বতাহতেই নামি আহক অযুত আকুলতা, এই বতাহতেই উটি যাওঁক ধ্বংসৰ যন্ত্ৰণা, ...আৰু এই মলয়া বতাহতেই উভতি আহক হেৰুৱাৰ খোজা নিজস্বতা ...।

"স্নিগ্ধ মলয়াহীন জীৱন যেন আজি উদাস নীলপৱন,
তোমাৰ মৰমী পৰশেৰে উভতাই আনা তোমাৰ হেৰুৱা সুবাস।"

# অনুভৱৰ স্বৰ ঃ-

# শিৱসাগৰ গাৰ্লচ কলেজ আৰু মোৰ অনুভৱৰ সেউজীয়াজনী

অবিস্মিতা দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

**গাৰ্লচত সেউজীয়াৰ প্ৰৱেশ ঃ-**

গাৰ্লচ কলেজৰ গেটখনেৰে সোমাই আহিল এগৰাকী নাৰী; মোৰ অনুভৱৰ সেউজীয়াজনী। মিলি গ'ল এজাক সেউজীয়াৰ লগত চাৰিওফালে এজাক যৌৱনা সেউজীয়াৰ দল। তাকে দেখা হ'লে কোনোবাই লিখিও পেলালেহেতেঁন —

*এটি দুটি সেউজীয়াৰ টোপাল নহয়,*
*মোৰ দুচকুত আজি এসাগৰ সেউজীয়া*
*জীৱনৰ ঠিকনা বিচৰা*
*দৌলৰ ছাঁত ক্ষন্তেক জিৰুৱা;*
*এসাগৰ সেউজীয়া*

**কলেজত সেউজীয়া ঃ-**

গুড মৰ্নিঙৰ পৰা ইভিনিঙলৈ সেউজীয়াজনী গাৰ্লচ কলেজত ৯ বজাৰ পৰা ৪ বজালৈ ক্লাছৰ হেঁচা, মাজে মাজে ব্ৰেক, অ.আ.ক.খ. শিকিলেই যেতিয়া বাকীবোৰ পঢ়া শুনা কৰিবই লাগিব। পঢ়া, পঢ়া আৰু পঢ়া। জীৱন গঢ়া। এক বজাৰ লগে লগে কোনো কোনোৰ দুৰ্ভেদ্য গড় ভেদি যোৱাৰ দুঃসাহস। কিছু সেউজীয়া অণু কমি যায় সুজীয়াৰ বৃহৎ সমদল।

**ক্লাচৰুমত সেউজীয়া ঃ-** অলপ মৰমৰ বুজনি, অলপ কঠোৰতা, বেছি পঢ়া শুনাৰ ৰণাঙ্গনৰ মাজত সেউজীয়া। প্ৰশ্নৰ উত্তৰ দিয়াৰ ভয়ত তলমূৰ কৰা সেউজীয়াজনীৰ মনত পঢ়াৰ চাপ। বেলপৰাৰ লগে লগে সেউজীয়াৰ ৰেলগাড়ী। পাছৰ্কৰ্ছৰ পাছত ডবা ভাঙি সেউজীয়া জনী মেজৰ ৰুমত এইবাৰ আৰু ছিৰিয়াছ, কেৰিয়াৰ সচেতন সেউজীয়াজনী। জীৱনৰ লক্ষ্য গঢ়াত সফল হোৱাৰ হেজাৰ চেষ্টা।

**কেন্টিনত সেউজীয়া ঃ-**

ক্লাছৰ ব্ৰেকত কেন্টিনত খোৱাৰ পৰ্ব। চাহ, চিংৰা, পৰঠা, পাঁচ টকা, তিনিটকা, চাৰিটকা একাকাৰহৈ যায়। 'মোৰটো আজি তয়েই দি দেচোন, মই কালিলৈ ধাৰ মাৰিম।' বন্ধুৰ প্ৰতি সেউজীয়াৰ আহ্বান। পুনৰ দৌৰ ক্লাছলৈ, পঢ়িবলৈয়েটো গাৰ্লচ কলেজলৈ আহিছো, এনে ভাৱ।

**চানাৱলাৰ ওচৰত সেউজীয়াজনী ঃ-** সেউজীয়া জনীয়ে বন্ধু বা গ্ৰুপেৰে সেউজীয়াক কয় 'বলনা চানা খাওঁ'। আলুবাদাম, আলুমুড়ি। ক'ত পাবা বেলেগত, কিযে স্বাদ লগতে কথাৰ মহলা। আহ হা ...

**লাইব্ৰেৰীত সেউজীয়া ঃ-** ক্লাছ ব্ৰেকত জ্ঞানসন্ধানী সেউজীয়াজনীয়ে কিতাপৰ বুকুত মুখ গুজি আছে, এঘণ্টাতে ইণ্টাৰনেটত পৃথিৱী দৰ্শন কৰিছে। নিমাত সেউজীয়াজনী। লাইব্ৰেৰীত এসাগৰ বোবা সেউজীয়া।

**গাৰ্লচ কমন ৰুমত সেউজীয়াজনী ঃ-** অফ্ পিৰিয়দ, সেউজীয়াজনীয়ে ক'ত? কিয়? কমনৰুমত আকৌ। কিছু বিন্দাচ অনুভৱ, কিছু বিন্দাচ আড্ডা। নিউজ লাইভৰ 'দেওবৰীয়া আড্ডাইও হাৰ মানিব। ৰীতা চৌধুৰী, প্ৰণৱ বৰ্মণৰ পৰা সৌন্দৰ্য্য চৰ্চালৈ লেটেষ্ট ড্ৰেছৰ পৰা SMS লৈ। বহু প্ৰতিভাও অঙ্কুৰিত হয়, প্ৰাণ পায় উঠে এখন বহু সেউজীয়াৰ বসাল পৃথিৱীয়ে।

**লগৰীয়াৰ পৰা বিদায় ক্ষণত সেউজীয়াজনী ঃ-**

"অ' ই বাই। কালিলৈ আহিবিতো। মোক হ'লে নাহিলে জনাবি হা। অকলে অকলে ক্লাছ কৰি মোৰ যে ভাল নালাগে।"

গতানুগতিক ভাৱে বিদায় লয় মোৰ সেউজীয়া জনীয়ে লগৰ আন এজাক সেউজীয়াৰ পৰা গেটৰূপী দুৰ্ভেদ্য গড় ভেদিয়েই পিন্ধি লয় সেউজীয়াজনীয়ে মুখা। ভাগি যায় পুনৰ এটা ৰাতিৰ বাবে সেউজীয়া সমদল। সেউজীয়াজনীও মোৰ হেৰাই যায় পদপথত।

এইদৰেই দিনৰ পাছত দিন যায়। গাৰ্লচ কলেজত জীৱনৰ মধুৰতম সময় অতিবাহিত কৰে মোৰ অনুভৱৰ সেউজীয়াজনীয়ে। কলেজৰ বেয়া সহিব নোৱাৰা মোৰ সেউজীয়াজনী হয়তো এদিন হেৰাই যাব কিন্তু তাইৰ মনত যে সদায়ে শিৱসাগৰ গাৰ্লচ কলেজ শ্ৰেষ্ঠ হৈ থাকিব। গৌৰৱে নাৰীৰূপে থিয়দি সেউজীয়াজনীয়ে হয়তো ক'ব — 'মই যে, শিৱসাগৰ গাৰ্লচ কলেজৰ এজাক সেউজীয়াৰে এজনী।'

# ধৰাৰ্লৈ যেতিয়া বৰষা নামে...

**অপৰাজিতা দত্ত**
স্নাতক তৃতীয় বৰ্ষ

হঠাতে আকাশখন কলীয়া ডাৱৰে আৱৰি ধৰে। আকাশৰ বুকুত যেন আলসুৱা মেঘবোৰে কিবা এক অনাবিল আনন্দত মৃদং বজায়। চমক্ চমক্ বিজুলীয়েও নাচোন তোলে। চিক্‌মিক্ বিজুলীৰ জিলিকণিৰ লগে লগে হোৰ্ হোৰ্ ধ্বনিৰে অহা বৰষুণৰ টোপালবোৰে পৃথিৱীৰ বুকু জীপাল কৰি তোলে। কলহৰ কাণে ডলা বৰষুণৰ শব্দ যেন সগৌৰৱে জাননী দিয়ে - ধৰালৈ বৰষা নামিল।



ঝৰ্ ঝৰ্ ঝংকাৰ তোলা এই বৰষুণৰ তালে তালে নদ-নদীৰ বুকুত পানীৰ ধল নামে। উপচি উঠে নদীৰ বুকু। পাহাৰৰ বুকুৰ পৰা কুলকুল সুৰেৰে বাগৰি অহা জান-জুৰি নিজৰাবোৰেও যেন নতুনত্বৰ পৰেশেৰে আপ্লুত হৈ গাত নতুন ৰহন সানি লয়লাসে নাচে। চিৰবিনন্দীয়া প্ৰকৃতি উদ্ভাষিত হৈ উঠে নতুন আশা, নতুন উন্মাদনাৰে। গ্ৰীষ্মৰ প্ৰখৰ ৰ'দত নিঃসাৰ হৈ পৰা জীৱজগতলৈ কঢ়িয়াই আনে স্বস্তিৰ উন্মেষ তৰা। বৰষুণৰ টোপালবোৰে যেন দি যায় জীৱনৰ প্ৰতিশ্ৰুতি। প্ৰকৃতিৰ বুকুত যেন শ্যামলীৰূপৰ আৱৰণ সানে।

বাৰিষা আহে -- শীতলাই তোলে তপত বলুকাভৰা মৰহা পৃথিৱী। উৰ্বৰ কৰি তোলে খেতিয়কৰ স্বপ্নৰে স্বপ্নময় বিশাল খেতিভূমি। সোণতলি চহাই সোণগুটি গজাবলৈ উদ্বাউল হৈ উঠে খেতিয়কসকল নাঙল আৰু গৰুহালৰ সম্বলেৰে জীৱিকাৰ সপোন ৰচা খেতিয়কৰ বাবে যেন সৃষ্টিৰ মাদকতাভৰা বৰষাৰ অপূৰ্ব দানৰ দ্বাৰাহে সপোন হৈ পৰে সেউজীয়া। কিন্তু .... সৃষ্টিৰ সত্তাই জানো বিৰাজিত বৰষাত মাজত।

মহিমাময় বৰষাৰ এফালে যদি সৃষ্টিৰ মাদকতা - আনফালে কালৰূপী ধ্বংসকামিতা। সৃষ্টিৰ প্ৰতিশ্ৰুতি লৈ নামি অহা বৰষুণবোৰে বঢ়াই তোলে জলতৰংগ। ভাৰসাম্যহীন কৰি তোলে পৃথিৱীৰ বুকুত থকা নদ-নদী জানজুৰিবোৰ। আৰম্ভ হয় অভিশাপ স্বৰূপ বানপানীৰ অবিৰত তাণ্ডৱ। সংহাৰকাৰী বানৰ চাকনৈয়াত পৰি জীৱজগত হৈ পৰে বিবুদ্ধি। জীৱনৰ স্থিতিলৈও আহি পৰে অনিশ্চয়তা।

বানপানী আহে আৰু যায়। কিন্তু বানপানীৰ ক্ৰুৰ স্পৰ্শ আৰু উত্তাল তৰংগৰাজিয়ে কাঢ়ি লৈ যায় মানুহৰ চকুৰ টোপনি, মুখৰ হাঁহি আৰু জীয়াই থকাৰ সুখ-স্বাচ্ছন্দ্য সৰ্বস্ব। কপালৰ ঘাম পেলাই অৰ্জা, শ্যামলীৰূপেৰে লহ্‌পহ্‌কৈ বাঢ়ি প্ৰায় সজাল ধৰিবলৈ আৰম্ভ কৰা কঠীয়াবোৰ পানীত জাহ যোৱা দেখি খেতিয়কৰ বুকুৰ আমঠু ক'লা পৰে। স্বপ্নভংগৰ বেদনাত বুকুভাঙি নামি আহে গভীৰ হুমুনিয়াহ।

তথাপিও ...., বৰষা যেন সকলোৰে কাম্য। বৰষাৰ বদান্যতাৰ ওপৰত নিৰ্ভৰশীল মানুহ। ধৰালৈ যেতিয়া বৰষা নামে, লগত যেন কঢ়িয়াই আনে গভীৰ প্ৰশান্তি ...



# এক যাত্ৰাত..

**ঋতুস্মিতা বৰা**
স্নাতক তৃতীয় বৰ্ষ

জোনাকৰ
নিৰ্মলতা
বৰ্ষাৰ সমবেদনা
মলয়াৰ দুষ্টালি
..................
কোনেই বা আছে
ইমান নিবিড়....?

সচাঁই প্ৰকৃতিৰ সমান নিজা নিবিড় আৰু কি আছে?
"জোন বাই এ বেজি এটি ....."

দিনে কিমান গাভৰু প্ৰেমত পৰে জোনটোৰ? প্ৰথম যৌৱনত জোনটোলৈ চাওঁতে সকলোৱে চাগে এক বেলেগ অনুভৱেৰে শিহৰিত হয় – 'আঃ জোনটো সচাঁই ইমান সুন্দৰ! তেন্তে বৰ্তমানলৈকে কিমান প্ৰেমিকাৰ প্ৰেমিক হ'ল জোনটো? কি মায়া নীলিমত জিলিকা সেই চিৰন্তন প্ৰেমিকৰ। যিমান দিন হওঁক, যিমান প্ৰেমিকাৰে নহওঁক প্ৰেমিক একে যে মমতাৰে প্লাৱিত কৰে সকলোৰে মন .... ! হৃদয় ....!!

।। এক যাত্ৰা ।।

মোৰে লগত যে আলাপত ম্যান হৈ গতিয়মান হৈছিল জোনাকৰ ঘৰ। নকে যে প্ৰেমত পৰিছিলো মই ন চন্দ্ৰাৰ। মেঘৰঞ্জনীৰ আঁৰে আঁৰে লুকাচুৰি খেলি খেলি বুজাইছিল যে মোক প্ৰেমৰ ভাষা, সুখৰ কথা। যাত্ৰাত স্থবিৰতা। মোৰ গতিৰুদ্ধতাক মোৰ অৱৰোদ্ধতাক মোৰ দুখ বুলি জোনটোও যে লুকাই পৰিছিল মেঘনাত। পুনৰ মোৰ গতিয়মানতা। মোৰ গতি যেতিয়া পুনৰ আৰম্ভ হৈছিল, আকৌ যে জোনাক সিঁচি ওলাই আহিছিল জোনাকৰাজ। মই যে মই বেয়া পোৱা নাছিলো অদৃশ্য হওঁতেও অসীমত। মই জানিছিলো বুজিছিলো মনৰ কথা জোনটিৰ ....



# স্মৃতিৰ একলম

**স্বপ্না দেৱী**

স্নাতক তৃতীয় বৰ্ষ

স্মৃতি.......। দুটি শব্দৰে গঠিত এক তিতা মিঠা অনুভূতি। স্মৃতিবোৰে আমাৰ জীৱনৰ যিকোনো মুহূৰ্ত্ততে আহি আমাৰ মনটোকে ব্যাকুল কৰে। স্মৃতিবুলিলেই প্ৰায় অতীতৰ সোণালী দিনবোৰৰ কথাই ৰোমন্থন হয়। স্মৃতি বোৰৰ ভিতৰত কিছুমান স্মৃতি গোটেই জীৱনটোৰ বাবে স্মৰণীয় হৈ ৰয়। এই তিতা মিঠা অনুভূতি বোৰৰ ভিতৰত বিশেষকৈ শিক্ষা জীৱন অৰ্থাৎ কলেজীয়া জীৱনৰ স্মৃতিবোৰ অতিকে সুমধুৰ। কলেজীয়া জীৱনৰ এই সুন্দৰ দিনবোৰ মইও উপভোগ কৰিছো। শিৱসাগৰ ছোৱালী কলেজত পঢ়াৰ আশা লৈ ২০০৮ চনৰ কোনো এটি দিনত মই এই কলেজৰ স্নাতক ১ম বৰ্ষত নাম লগালো। বুৰঞ্জী বিষয়টোক নিজৰ মাধ্যম কৰি ল'লো যদিও বুৰঞ্জী মাধ্যমৰ শিক্ষাগুৰু সকলৰ অপ্ৰাণ চেষ্টাত এই বিষয়টোক আজি জানিব পাৰিছো। বুজিব পাৰিছো ইয়াৰ অসীম গুৰুত্ব । চকুৰ পলকতে এই তিনিটা বছৰপাৰ হ'ল আৰু বৰ্তমান মই কলেজৰ অন্তিম পৰ্য্যায়ত থিয় দিলোহি। আজিও মনলৈ আহে কলেজৰ সেই প্ৰথম দিনটো আৰু আজি এই বিদায় বেলাত সেই পুৰণি দিনবোৰৰ সোঁৱৰণী যেন মোৰ মনলৈ বাৰে বাৰে আহিছে। কলেজৰ এই তিনিটা বছৰত প্ৰিয়জনৰ শিক্ষাগুৰু সকলৰ পৰা জীৱনটোক গঢ়ি তোলাৰ বহু মূল্যৱান পৰামৰ্শ লাভ কৰিলো। জানিব পাৰিলো তেওঁলোকৰ পৰা জীৱনৰ প্ৰকৃত আদৰ্শ। সেয়ে কেৱল বুৰঞ্জী বিভাগৰে নহয় প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষাগুৰু, মাননীয় অধ্যক্ষ মহোদয় আৰু এই কলেজখনলৈ মোৰ সদায় এক আন্তৰিকতা থাকিব। কলেজৰ এই তিনিটা বছৰত মই বহু ছাত্ৰীৰ সংস্পৰ্শলৈ আহিছিলো। তেওঁলোকৰ পৰা বহু কথাই জানিব পাৰিছিলো। এই কলেজত কেৱল শিৱসাগৰৰে নহয়। অসমৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰী সকলে শিক্ষা লাভৰ বাবে, নিজৰ জীৱনটোক গঢ়াৰ উদ্দেশ্যে আহে। সেয়ে এনে এখন কলেজত পঢ়াৰ সুবিধা লাভ কৰাত মই অতিকে গৌৰান্বিত। এই কলেজৰ কিছুমান কথাই মোৰ মনটোক অতিকে ব্যাকুল কৰিব। বিশেষকৈ বুৰঞ্জী মাধ্যমত লগ পোৱা বান্ধৱীসকল, কলেজৰ কেন্টিন, কলেজৰ লাইব্ৰেৰী আৰু অসংখ্য ....

এই খিনিতে বুৰঞ্জী মাধ্যমত লগ পোৱা ছাত্ৰী সকল মোৰ বাবে সদায়ে স্মৰণীয় হৈ থাকিব। তেওঁলোকৰ পৰা এই তিনিটা বহু নজনা কথাই জানিব পাৰিলো। তেওঁলোকৰ মৰম স্নেহ, সহায় সহযোগিতা দ্বাৰা মোৰ মনটি আপ্লুত হৈ থাকিব চিৰজীৱনলৈ। গতিকে আজি কলেজৰ এই বিদায় বেলাত মোৰ তৰফৰ পৰা তেওঁলোকৰ আহিব লগীয়া জীৱনটোৰ বাবে শুভকামনা থাকিল। তেওঁলোকৰ ভৱিষ্যত যাতে সুন্দৰ, উজ্জ্বলময় তাৰ শুভকামনা আৰু এই কলেজলৈ ধন্যবাদৰ করুণ সুৰেৰে মোৰ এই লেখাৰ ইয়াতে শেষ কৰিছো। যদিও মোৰ জীৱনৰ পৃষ্ঠাত ই সদায় স্মৰণীয় হৈ ৰ'ব।



# সোঁৱৰণি মোৰ হেৰুৱা দিনৰ...

**ময়ূৰী দত্ত**

স্নাতক দ্বিতীয় বৰ্ষ

*জীপচি কল্পনা কল্পনা মোৰ উৰি যায়*
*বাঘজৰী ছিঙি।*
*চিন্তাৰ বিলাসে মোক ক'ব খোজে*
*অতীতৰ হেৰুৱা দিনৰ এটি গোপন কাহিনী...*

(নবকান্ত বৰুৱা)

বসন্তৰ বুকুত হেনো আঁকা আছে এসোপা সপোন ...। বসন্তই হেনো কঢ়িয়াই আনে সেউজীয়া এসোপা অনুভৱ...। আকাশৰ অভিমান তচনচ কৰি সেউজীয়াৰ তৃষ্ণাত আতুৰ হৈ থকা পৃথিৱীৰ উদাসীনতা আতৰাবলৈকে বসন্তই আয়োজন কৰে বৰষাৰ। বসন্তৰ আগমনে হৃদয়ত সপোন জগায় আৰু সেই সপোনৰ মতলীয়া ৰাগিত ৰঙীন হৈ উঠে হৃদয় বাগিছাখনো। খুব ভাল লাগে এই বসন্ত ঋতু। ভাল লগাটো স্বাভাৱিক। কিমান সুন্দৰ হয় প্ৰকৃতি এই ঋতুত যেন কোনোবা পাৰ্গত শিল্পীয়ে বগা সেউজীয়াৰে বুলাই দিয়া এখন কেনভাচহে ...। কিয় আহে বসন্ত ঋতু ... ??? আহে ছাগে অতীতৰ তিতা আৰু মিঠাৰে পুষ্পিতা স্মৃতিৰে হৃদয়ৰ বন্দৰত অনেক ভাৱৰ জোৱাৰ তুলিম বুলি ...!! প্ৰকৃতিৰ কমনীয়তাৰে সকলোকে থৰ লগাই বসন্তই হয়তু সুযোগ দিয়ে অতীতৰ হেৰুৱা ফুলবোৰ বিচাৰি চোৱাৰ। বসন্তৰ মতলীয়া দ্ৰুতিত প্ৰতিজন সপোনপ্ৰয়াসী লোকেই উন্মিলন ঘটাব পাৰে বাস্তৱ আৰু স্মৃতিৰ অনুৰণনক। বসন্তৰল কুলি কেতেকীৰ মাতত, দুবৰিৰ পৰা ভাঁহি অহা টেঙাফুলীয়া গোন্ধত মোৰো সোঁৱৰণিৰ হেওঁতাৰে গুৰি গুৰিকৈ সৰি পৰিছে শৈশৱৰ কিছুমান টুকুৰা স্মৃতি, কিছুমান খণ্ডিত চিত্ৰ। শৈশৱতে বসন্তৰ এই দিনবিলাকত ঢাপলি মেলি ফুৰিছিলো বাৰীৰ ঢাপত জেতুকা বিচাৰি। চমু আৰু মোৰ মাজত এখন অঘোষিত প্ৰতিযোগিতা চলিছিল জেতুকাৰ ৰং কাৰ হাতত বেছিকৈ লাগে এই লৈ। গৰু বিহুৰ দিনা ছাটৰ জাতিলাউ বেঙেনাৰ কোব খাও বুলি বোপাই দাদাহঁতৰ বাৰীৰ জপনা ভাঙি দৌৰিছিলো। মুন দাদা, ধুন দাদাৰ লগত কণী যুঁজত হাৰি ঘৰলৈ উভটি অহাৰ বাটত দুচুকৰ কোণত জিলিকাই তুলিছিলো দুটোপাল অশ্ৰু। শৰতৰ সেমেকা পুৱাত

দূৰৈৰি বুকু শুৱনি কৰা । শেৱালী বুটলিবলৈ ৰাতিপুৱা সোনকালে উঠিছিলো। বাৰিষা মাৰ চকুৰ আৰ লৈ ফটা জালেৰে দৰিকণা পুথি ধৰিবলৈ লগ বিচাৰি হাবাথুৰি খাইছিলো। ফাগুণৰ ধূলিময় দুপৰীয়া পথাৰৰ মাজত দৌৰি দৌৰি চিলা উৰুৱাইছিলো। কিন্তু জীৱনৰ গতিময়তা আৰু সময়ৰ চাকনৈয়াই সলনি কৰি পেলালে সময়বোৰ; কিন্তু একেই আছে মোৰ গাওঁখন, গাঁৱৰ শাৰী শাৰী সেউজীয়া চাহ গছবোৰ, গাঁৱৰ সৰু ৰাস্তাটোৰ দুয়োকাষে থকা শাৰী শাৰী সোণাৰুবোৰ, কৃষ্ণচূড়াবোৰ, ঘৰৰ পিছফালে থকা পথাৰখন, পথাৰৰ সৰু সৰু টিপকেইটাত থকা চিনাকি অচিনাকী গছবোৰ। মাত্র সলনি হ'ল সময়বোৰ। হেৰাই গ'ল অতীতৰ সপোন সপোন লগা ধেমালীবোৰ। গতানুগতিক ব্যস্ততা, কলেজৰ ক্লাছৰ ৰুটিনখনে আজুৰি নিলে শৈশৱৰ নিষ্পাপ ধেমালীবোৰ। কোনোবাই কৈছিল, হেৰুৱাব নিবিচৰা বস্তুবোৰ সোনকালেই হেৰুৱাব লগা হয়।' সেয়ে একো পাম বুলি ভাবিবই নালাগে। মোৰ শৈশৱটোৰ দৰেই কেইদিনমানৰ পাছত হয়তু হেৰুৱাই পেলাম কলেজখন, কলেজৰ কেণ্টিনৰ টুকুৰা টুকুৰা হাঁহিবোৰ। যৌৱনৰ প্ৰাণোচ্ছল বতাহজাকৰ মাদকতাত খিলখিলাই উঠা আমিবোৰৰ হাঁহি ধেমালীবোৰ। সকলোবোৰ আজুৰি নিব সময়ে। যিদৰে হাতৰ মুঠিয়েদি বালি সৰকাদি সৰকাই নিলে সময়ে মোৰ শৈশৱটোক। কলেজৰ দীঘলীয়া বন্ধত যেতিয়া হোষ্টেলৰ পৰা ঘৰলৈ যাও ৰ'লাগি চাই ৰও আলকেকুৰীটোৰ ওচৰত থকা ঔটেঙা জোপালৈ তাৰ কাষত থকা লেটেকু পনীয়লৰ বাৰীখনলৈ যাৰ স'তে জড়িত আছে জীৱনৰ বহু নষ্টালজিয়া। চাই ৰও স্কুলৰ পৰা আহি নাকে কাণে ভাত কেইটা গুজি উপস্থিত হোৱা ফিল্ডখনলৈ। এতিয়াও প্ৰতিধ্বনিত হয় অতীতৰ ধেমালীবোৰ, উফৰি আহে লগৰ সমনীয়াৰ লগত অভিমান কৰি ঠেহ পতা সময়ৰ স্মৃতিবোৰ।

সঁচাই জীৱনৰ এক অবিস্মৰণীয় স্মৃতি জৰিত হৈ আছে মোৰ গাঁওখনৰ স'তে যিয়ে মোক শিকালে মানুহক ভাল পাবলৈ, প্ৰকৃতিৰ প্ৰেমিকা হ'বলৈ। কিন্তু মোৰ গাঁৱখনৰ সতে জৰিত সকলোবিলাক বাস্তৱেই স্মৃতি হৈ যোৱাৰ উপক্ৰম ঘটিছে ক্ৰমশঃ। সেউজ আৰু নীলাবোৰ অপৰিচিত হৈ পৰিছে আমাৰ বাবে। অনুভৱৰ চেতনাত ধুসৰ হৈ পৰিছে জোনাক, শৰৎ আৰু সূৰ্য্যাস্তৰ গান। আমাৰ সময় নাই এতিয়া জোনাকভৰা ৰাতিবোৰ উপভোগ কৰিবলৈ। নদী পথাৰ শব্দবোৰ ক্ৰমাৎ অনুভৱৰ চেতনাৰ পৰা হেৰাই যাব ধৰিছে। প্ৰকৃতিৰ উমাল পৰশৰ পৰা আমি নিজকে বিচ্ছিন্ন কৰি পেলাইছো। অনুভৱী হৃদয়খনৰ অনুভৱবোৰ বিসৰ্জন দিছো জন মিল্টনৰ 'পেৰাডাইজ লষ্ট' বিভাস চৌধাৰীৰ 'ইংলিছ ছচিয়েল এণ্ড কালচাৰেল হিষ্ট্ৰিৰ' মাজত। নপঢ়িলে যে নহয়। মা-দেউতাৰ দাবী 'এই কম্পিটিটিভ যুগত এটা ভাল পাৰ্চেন্টেজৰ অধিকাৰী হ'বই লাগিব। আস্ বিষাই উঠে বুকুখন ..। হোষ্টেলৰ খিৰিকীৰ কাষত বহি কংক্ৰিটৰ দেৱালখনৰ সৰু সৰু ফুটাইদি সৰকি অহা জোনাকবোৰ চুই চোৱাৰ বিফল প্ৰচেষ্টা কৰো।

কেতিয়াবা ভাবো বহুত ডাঙৰ হ'লো নেকি বাৰু ...? জীৱনটোক নতুন দৃষ্টিৰে চাব পৰাকৈ , জীৱনটোক বুজিব পৰাকৈ ... ! উত্তৰ বিহীন একো একোটা প্ৰশ্ন। বাস্তৱৰ দুপৰীয়া কেতিয়াবা উচুপি উঠে অতীতৰ সেউজীয়া ফুলবোৰে। বিষাদৰ গান এটি হৃদয়ৰ চৌপাশে ৰু-ৰুৱাই বাজি থাকে কিবা হেৰুৱাৰ দুখত। স্মৃতিৰ ৰবচাবনত জিলিকি উঠে শৈশৱৰ নিষ্পাপ ধেমালীবোৰ। জীৱনৰ দোকমোকালিত উক দি উঠে শৈশৱৰ মৰমবোৰ। আকৌ এবাৰ মন যায় শৈশৱৰ অভিমানী, মিঠা সময়ছোৱালৈ উভটি যাবলৈ... পখিলাৰ পিছে পিছে দৌৰি ফুৰিবলৈ ...। আকৌ এবাৰ মন গৈছে দেউতাৰ ঘামৰ চিনাকী গোন্ধত চোতালত বহি সাধু শুনিবলৈ ..., মাৰ নিচুকণি গীতত টোপনি যাবলৈ । আজি সেয়ে জীৱনৰ আটাইতকৈ মাদকতাপূৰ্ণ সময়খিনিত ভৰি দিও সেয়ে অনুভৱ কৰিছো শৈশৱ সপোনেৰে ভৰপূৰ, জীৱনৰ ৰঙীন স্কেচছ।



# কলেজীয়া ছোৱালীৰ

# টুকুৰা টুকুৰ সপোনবোৰ...

পিকুমণি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

আকাশ -- ডাৱৰহীন, মেঘযুক্ত, নীলা ...। সৰু সৰুকৈ, দুই-তিনি মিলিমিটাৰকৈ ভাগ হৈ থকা ঢেৰ সৰু সৰু আকাশ! কণ কণ ভাগ হৈ থকা আকাশবোৰক যোৰ দি এখন কৰি দিবলৈ মন গ'ল -- বাঁওহাতখনেৰে হেঁচা এটা দিলো খিৰিকীত স্থায়ীভাৱে লগাই থোৱা মচকুইট' নেটখনত। নেটখনৰ একো সাৰ-সিকটিয়েই নাই। টিঙিচকৈ খংটো উঠি আহিল নেটখনৰ ওপৰত। হাতখন নমাই আনিলো লাহেকৈ -- সৰু সৰু আকাশবোৰক যেন নমাই আনি মুঠি মাৰি ৰাখিম আলফুলে। মচকুইট' নেটখন নথকাহেঁতেন !!! চুই চালোহেঁতন আকাশে গম নোপোৱাকৈ -- আকাশক, আলফুলে! নমাই আনিলোহেঁতেন ডাৱৰ সনা সপোনবোৰ, নমাই আনিলোহেঁতেন দুয়োকাষে ডেউকা লগাই উৰি যোৱা কণ কণ আশাবোৰ -- নিশাৰ আকাশত আপোন মানুহলৈ চাই চাই দুচকু উজলোৱা তৰাবোৰ ... নমাই আনিলোহেঁতেন সন্ধ্যাৰ মায়াসনা আকাশখন -- এখন ৰূপোৱালী পোহৰেৰে ধোওৱা চোতালত জোনাকে ধৰিবলৈ দৌৰি দৌৰি কৰি থকা সময়বোৰ নমাই আনিলোহেঁতেন, চুৰি কৰি আনিলোহেঁতেন সময়ৰ হাতৰ পৰা মোৰ শৈশৱ !!! পৰা হ'লে আকাশ চুব !!! আম ! কলেজীয়া ছোৱালীৰ কি দুৰন্ত স্বপ্ন! 'ভিছন ছাত্ৰী নিবাস'ৰ চতুৰ্থ মহলাৰ ১৬ নং ৰুমৰ সন্ধ্যা -- নিশ্চুপ হৈ ৰয় সময়। এখন ডাবল, এখন ছিংগল বিচনাত মচকুইট নেটেদি জোনালীয়ে ধুৱাই নিয়া ৰুমটোৰ পৰা চাই থাকো সন্ধ্যাৰ ৰহস্যময় আকাশক তিনিটি প্ৰাণীয়ে মই, টিংখাংৰ প্ৰিয়ম চিৰিং ফুকন আৰু ডিমৌৰ ময়ূৰী দত্তই। ১৬ নং ৰুমত মচকুইট নেটেদি চেপা খাই অহা জোনাকবোৰ গধুৰ হ'বলৈ আৰম্ভ কৰে প্ৰায়ে যেতিয়া ম'বাইলত তপন দাসে আবৃত্তি কৰে "সন্দিকৈ কলেজৰ তুমি সাগৰিকা বৰদলৈ ...." অথবা জুবিন গাৰ্গ ডুব গৈ থাকে "অনামিকা দুৰৱাৰ স'তে মোৰ অন্তিম আলাপ'ত।

কলেজীয়া ছোৱালী, --- কলেজীয়া ছোৱালী আমিবোৰ। সপোন খেদি ফুৰা এজাক মুক্ত পখিলা ... আকাশ চুব খোজা ছোৱালী আমিবোৰ !!! যৌৱন -- ন কইনাৰ গাত সনা হালধিৰ দৰে হালধীয়া আমাৰ বাবে। কেনেকৈ? কেনেকৈ বাৰু জানিলে জিতু কুমাৰ চমুৱাই কলেজীয়া ছোৱালীৰ মনৰ কথাবোৰ??? বাৰে বাৰে খেপিয়াই খেপিয়াই বিচাৰি ফুৰো চমুৱাৰ 'ৰদালি ও ৰ'দ দে'ৰ অনুভৱৰ জগতখনত --

"কলেজীয়া ছোৱালীয়ে সৰু সৰু সপোনবোৰ
লানি লানি বটলত ভৰাই
চিনেমা হলত চিনেমা চাই
প্ৰতিটো ভুল হিচাপৰ বাবে
ৰুমমেটৰ গালি খায়

কেনেকৈ? কেনেকৈ ক'ম জিতু কুমাৰ চমুৱা, জাৰে জহে সপোনবোৰ ইকাটি সিকাটি কৰি যতনাই যতনাই যে আমনি লাগিছে মোৰ !

হোষ্টেলীয়া ছোৱালীৰ কোনোৰে ঘৰলৈ মনত পেলাই সজল কৰে দুচকু। কোনোৰে ঘৰলৈ যাবলৈ আক' তিলমানো আগ্ৰহ নকৰে -- ঘৰত কাঢ়া ৰেষ্ট্ৰিকচন, কাৰোবাৰ শুৱা বিচনাখন মাকৰ ৰুমত, কাৰোবাৰ ঘৰত নেটৱৰ্কৰ প্ৰবলেম -- ফুচফুচাই ফুচফুচাই কিমান মাৰিবা নাইট চিপ!!! টানে, ভালকৈয়ে টানে কলেজীয়া ছোৱালীক ভিন ভিন কোম্পানীৰ ছিমৰ অপাৰে - এয়াৰটেল, ভ'দাফ'ন, ৰিলায়েন্স, আইডিয়া, এছ.টেল, বি.এছ.এন. এলৰ, শব্দ তৰংগই দূৰে দূৰে থকা দুখন হৃদয়ৰ অনুভৱবোৰ অনা নিয়া কৰে - - এঘণ্টা, দুঘণ্টা, তিনিঘণ্টা ... কাৰোবাৰ বাবে উৰে নিশা -- দিনত যে আমনিদায়ক ক্লাছ !!! টেবুলত কিতাপৰ জাপৰ মাজত চেপা খাই সোমাই থাকে আলেকজেণ্ডাৰ পপ'ৰ 'দ্য ৰেপ অব দি লক'

এমিলি ব্ৰন্টিৰ ‘ ওদাৰিন হাইটছ’ জন মিল্টনৰ ‘পেৰেডাইজ লষ্ট’ ! দিনৰ পিচত দিন মেল নাখায় কিতাপৰ পাত ! ব্যস্ত জীৱন, ব্যস্ত যাত্ৰা পথ -- ব্যস্ত পথত দৌৰি ফুৰা ক্লান্ত পথিক আমিবোৰ হোষ্টেলৰ পৰা কলেজৰ পৰা টিউশ্যনৰ পৰা আকৌ হোটেল, হ'মৱৰ্ক, হ'ম এছাইনমেণ্টৰ প্ৰকোপত ‘উপভোগ’ নামৰ বস্তুটো নষ্ট সপোনৰ দৰে হৃদয়ৰ কোনো এচুকত হেৰাই যায়। যাওঁ, সোমাই যাওঁ এলিজাবেথৰ বেৰেট ব্ৰাউনিং, শ্যেলী, কীটছৰ কবিতাৰ কেকুঁৰিয়ে কেকুঁৰিয়ে। বিচাৰি ফুৰো জীৱনৰ ৰহস্য। জীৱন গঢ়াৰ কিমান যে হেঁপাহ কলেজীয়া ছোৱালীৰ !! ফুৰিছো, অলেখ সপোন কঢ়িয়াই ফুৰিছো। ঘৰৰ পৰা হোষ্টেললৈ কঢ়িয়াই অনা অলেখ সপোন .... ।হোষ্টেললৈ বুলি ঘৰলৈ আহোতে মা-দেউতাক সেৱা কৰি আহোতে শিৰত দিয়া আৰ্শীবাদকণৰ লগত জাপি দিয়া সপোনবোৰ ! এবুকু সম্ভাৱনা কঢ়িয়াই ডাঙৰ এয়াৰ বেগটো লৈ দুভৰি পদুলিৰ বাহিৰত থোৱাৰ পাচত অভ্যাসবশতঃ ঘূৰি চাওঁ ঘৰখনলৈ -- পদুলিৰ সিপাৰে ৰৈ থকা চিন্তাক্লিষ্ট মাৰ মুখখন, দুহাত সাৱটি বাৰাণ্ডাৰ পৰা চাই থকা দেউতাৰ মুখখন, পূবা-পশ্চিমাকৈ থকা ঘৰটোৰে উত্তৰৰ দিশৰ খিৰিকিখনক সাৱটো সাৱটো কৈ থকা খৰিকাইজোপা, ককালত হাতদুখন ভেজা দি ডিঙিটো বেঁকা কৰি দাদাই চকুৰে ‘যা’ বুলি দিয়া ইঙ্গিত সকলোৰে যেন মৌনভাৱে বিদায় জনায়। মূৰ ঘূৰাই অহা বাটেদি তলমূৰ কৰি খোজ পেলাওঁতে নজনাকৈয়ে সৰি পৰে দুটোপালমান দুখ -- কোনোবাই যেন কাণে কাণে কিবা এটা কৈ দুগুণে জ্বলাই দিয়ে বুকুখন - “ নাৰীৰ যে নিজা ঘৰ নাই।” শৈশৱৰ পৰা নলে গ'লে লগা বান্ধৱী তৃষ্ণা। মেট্ৰিকটো পাচ কৰিয়েই পলাই গৈছিল ল'ৰা এজনৰ সৈতে। পথ দুৰ্ঘটনাত এদিন গিৰিয়েক ঢুকাল। শাহুৰেকৰ ঘৰত কেটেৰা জেঙেৰা খাই থাকিব নোৱাৰি মাকৰ ঘৰলৈ গুচি আহিল আকাশ ভাল পোৱা ছোৱালীজনী। মাকৰ ঘৰতো আক' ককায়েকৰ বাবে তাই হেনো এটা বোজা! ঘৰ? তাইৰ হেনো এতিয়া ঘৰেই নাই। সপোন??? ওহো, সপোন নেদেখা যে বহুদিন হ'ল তাইৰ !!!

কলেজৰ ক্লাছবোৰত শেষৰ বেঞ্চখন আমাৰ দখলত সদায়। পঞ্চলিশ মিনিটৰ মেজৰ আৰু পাচক'ৰ্চৰ লেকচাৰকেইটা ফু মাৰি উৰুৱাও। ডেনিয়েল ডেফ'ৰ ! ৰবিনচন ক্ৰুচ’, জনাথন চুইফটৰ ‘গালিৰ্ভাচ ট্ৰেভেলছ’ -- ও এখন কোণেদি সোমাই মগজুত দুপাকমান মাৰাথান মাৰি ইমান কাণেদি উলাই ফৰিং ছিটিকা দিয়ে। ক্লাছত ‘ প্ৰক্সি’ মাৰি কৃষ্ণচূড়াৰ তলত হাঁহিৰে আড্ডা জমাই থকা সময়খিনিত গম নোপোৱাকৈয়ে অনুশোচনাত দগ্ধ হৈ থাকে অপৰাধী হৃদয়। মেজৰৰ ক্লাছত ইপ্সিতা ভট্টাচাৰ্যই মিল্টনৰ ‘ পেৰেডাইজ লষ্ট’ বিচাৰিফুৰোতে নিৰপৰাধী সজাবলৈ চেষ্টা কৰে আমাক -- “ Todays all our misfortunes are due to the faults of Adam and Eve!!!” অপৰাধ হৃদয়ৰ পৰা মানুহে নিজকে বচোৱাৰ কি যাদুকৰী মন্ত্ৰ !!! এখন হৃদয় কলেজীয়া ছোৱালীবোৰৰ মাজত ভ্ৰমি ভ্ৰমি তিক্ত হৈ পৰে। নৈৰাশ্য আৰু বিষন্নতাই কুজা কৰি অনা হৃদয় মোৰ। চাইৰেনৰ শব্দ, ব্যস্ত ৰাজপথৰ তীব্ৰবেগী গাড়ীবোৰে মৰা বিকট চিএৰবোৰৰ পৰা আতৰি থাকি ভাল পোৱা হ'ল এইখন হৃদয়। অকলৈ থাকি বাল পোৱা হ'ল, নিৰিবিলি গধূলিৰ শেৱালিৰ সুগন্ধ আৰু আঘোণৰ পথাৰ গোন্ধটো য'তে ত'তে বিচাৰি ফুৰা হ'ল। কেনেকৈ বুজাম হৃদয় তোক কেনেকৈ কটাও বিষন্নতাৰ ৰাতিবোৰ ...। নৈৰাশ্য আৰু যন্ত্ৰণাৰ বাহিৰে হৃদয়ৰ কোঠাটো উদং মোৰ! কেনেকৈ? কেনেকৈ বুজাম তোক আকাশৰ সতে দুপৰ নিশা কি কথা থাকে মোৰ লানি লানি বটলত সপোন ভৰাবলৈ সপোনৰ অভাৱ মোৰ ! কেনেকৈ বুজাম? - আকাশ চুবলৈ বুলি জাপ মাৰোতে মাৰোতে ভৰিৰ তলৰ মাটিডোখৰ কোনোবা এটা মুহূৰ্ততে আটাইবোৰ সপোন চুৰ কৰি কেনেকৈ,কেতিয়া দৌৰিল ....!!!

... এটি গানেৰে<br>
চৰাইবোৰে মোক ধৰিলে<br>
তাৰ পিছত এটা হাঁহিৰে মোৰ দুখৰ<br>
চকু বান্ধিলোঁ<br>
এদিনৰ পিছতে দুখে<br>
মোক ধৰি পেলালে প্ৰেমেৰে ...”<br>
(মৰিন ছৰেস্কু)

মৰমৰ

বান্ধৱী শ্ৰুতি,

পত্ৰৰ আৰম্ভনীতে পঠালো তোলৈ অলেখ মৰম আৰু হিয়াভৰা শুভকামনা, তোৰ শিক্ষা জীৱনলৈ। আশা ৰাখিছো তই ভালে আছ।

নতুন কলেজীয়া জীৱনটোৰ মিঠা মিঠা অনুভৱবোৰ তোৰ লগত বহি প্ৰকাশ কৰাৰ দিনলৈ আৰু ধৈৰ্য্যৰে ৰ'ব নোৱাৰিলো। সেইকাৰণে মনৰ অনুভৱবোৰ প্ৰকাশ কৰিলো চিঠিৰ মাজেৰেই। কলেজীয়া জীৱনলৈ যে আমি স্কুলত পঢ়ি থাকোঁতে কিমান কল্পনা কৰিছিলো। ভাবিলেই মন পুলকিত হোৱা সেই কলেজীয়া জীৱনৰ পাতনি মেলিবলৈ বুলি খোজ পেলালো। ঐতিহ্যমণ্ডিত, আহোম ৰাজত্বৰ চানেকি স্বৰূপে শ শ বছৰ ধৰি গৌৰৱে ঠিয় দি থকা শিৱদৌলৰ কাষত অৱস্থিত "শিৱসাগৰ ছোৱালী কলেজ"ত । প্ৰথম খোজ পেলাইয়ে আচহুৱা পৰিৱেশ আৰু অচিনাকি মুখবোৰৰ মাজত নিজকে এজনী কলেজীয়া ছাত্ৰী বুলি মনে মনে গৌৰৱ বোধ কৰিছিলো। মনে মনে অনুভৱ কৰিলো মই ডাঙৰ হৈছো। তহঁত বোৰৰ অনুপস্থিতিয়েও মাজে মাজে মনটো বেয়া কৰি দিয়ে। তথাপিও নতুন নতুন বান্ধৱীবোৰৰ মাজত তহঁতৰ মুখবোৰ বিচাৰিবলৈ প্ৰয়াস কৰো। মাজে মাজে হতাশাত ভুগো। স্কুলীয়া দিনকেইটা শেষ হোৱাৰ কথা ভাৱি তহঁতৰ লগত কৰি অহা হাঁহি ধেমালিবোৰৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো সেইদিনা। তথাপিও নতুন জীৱনটোৰ নতুন পৰিৱেশত নিজকে বিলীন কৰি দিয়া প্ৰয়াস কৰিছিলো।

আৰম্ভ কৰিছিলো যেতিয়া কলেজৰ প্ৰথম দিনৰ প্ৰথম ক্লাছ। আমনি কৰিছিল মোক স্কুলীয়া ছাৰ-বাইদেউৰ অনুশাসন ভৰা কথাবোৰে। দোষ লাগিছিল ভাবি যে পাহৰণিৰ গৰ্ভত নহলেও স্মৃতিৰ গৰ্ভত বিলীন হৈ গ'ল মোৰ শৈশৱ, কৈশোৰৰ মিঠা মিঠা দিনবোৰ। তথাপিও এটা নতুন শিক্ষা জীৱন আৰম্ভ কৰাৰ গৌৰৱ বোধে মোক পুলকিত কৰিছিল। ডাঙৰ কেম্পাছ, ডাঙৰ ডাঙৰ শ্ৰেণীকোঠা, লাইব্ৰেৰী সকলোৱে অভিভূত কৰিছিল মোক। মাথো আমনি কৰিছিল সেই সকলোবোৰত তহঁতবোৰৰ অনুপস্থিতিয়ে। তহঁত থকা হ'লে চাগে মোৰ কলেজীয়া জীৱনৰ প্ৰথমটো দিন আৰু মধুৰ হ'লহেঁতেন। আটাইকেইজনীৰ হাঁহিৰ লহৰে এই পুলক ভৰা প্ৰথম দিনটোৰ অনুভৱ আৰু জীপাল কৰি তুলিলে হেঁতেন।



আচহুৱা ভাৱেই পাৰ কৰা গোটেই দিনটোৰ অন্তত এক মিঠা মিঠা অনুভৱ লগত লৈ ঘৰলৈ উভতিলো আৰু এইয়া অনুভৱখিনি ভাষাৰে তোলৈ বুলি চিঠিত প্ৰকাশ কৰিলো।

বিশেষ আৰু নিলিখো। লিখি শেষ কৰিব নোৱাৰো, কৈ শেষ কৰিব নোৱাৰো মোৰ কলেজীয়া জীৱনৰ প্ৰথম দিনৰ সেই অনুভৱবোৰ লিখি থাকোতে বহুত দীঘলেই হৈ গ'ল। আজিলৈ সামৰিছোঁ। তোৰ সেই অনুভৱ মোক জনাবলৈ নাপাহৰিবি। তাৰ বাবে আশাৰে বাট চাই ৰ'লো। পুনৰ হিয়াভৰা মৰমেৰে

ইতি

তোৰ মৰমৰ বান্ধৱী

গায়ত্ৰী শইকীয়া

ঠিকনা ঃ

শ্ৰী শ্ৰুতিধাৰা বিশ্বাস

গুৱাহাটীমেডিকেল কলেজ

গুৱাহাটী

পিন - ৭৮৫০০১

**গায়ত্ৰী শইকীয়া**

স্নাতক তৃতীয় বৰ্ষ

অতি,

মৰমৰ বান্ধৱী

প্ৰিয়াঙ্গনা

প্ৰেৰক

শ্ৰীমতী নিতুস্মিতা ফুকন

শিৱসাগৰ - ৭৮৫ ৬৪০

পোন প্ৰথমে মোৰ পিঠিৰ উমসনা মৰম ল'বা। শীতৰ এই মধুৰ ক্ষণতে তোমালৈ হঠাতে মনত পৰিল, সেয়েহে এখন উকা কাগজৰ কেইটিমান শব্দকে মোৰ যাদুসনা মৰম হিচাপে চিঠিৰ আকাৰে পঠিয়ালো। আশা কৰো তুমিয়েই উমাল চেনেহ দুহাতেৰে আঁকোৱালি ল'বা। পত্ৰৰ দ্বাৰা মোৰ সশ্ৰদ্ধ প্ৰণাম তোমাৰ ঘৰৰ জ্যেষ্ঠ জনক আৰু আন্তৰিক মৰম অনুজসকলক দিবা। ভাবিব পাৰো অদৃশ্য জনাৰ আৰ্শীবাদে তোমালোক সকলোটিৰে মঙ্গল। আমাৰো তেখেতৰ কৃপাত সকলোৰে ভালেই। ব্যস্ততা পূৰ্ণ জীৱনটো জানা প্ৰিয়া, কেতিয়াবা নিজকে বৰ স্বাৰ্থপৰ যেন অনুভৱ হয়। সময়ৰ সোঁতত যেন আমি উটি যাব ধৰিছো যেন চাৰিও ফালে পানীৰ ঢৌ ক'তো বাচিবৰ বাবে অলপমান শুকান মাটি নাই। ঠিক তেনেকৈ আমাৰ জীৱনটো কেৱল চেষ্টা কৰিছো, কিন্তু গন্তব্যস্থান বিচাৰি পোৱা নাই। লিখিবলৈ ভাবিলেও চিঠি এখন লিখিবলৈ এটা বিষয় বিচাৰি পোৱাটো টান। কেৱল লিখো বুলিলেইটো এখন কাগজত কেইটামান শব্দৰে এখন পত্ৰৰ ৰূপ দিবৰ পাৰিলেও ক'ৰবাত যেন খুঁট ৰৈ গৈছে। তোমাক লগ নোপোৱাৰ বহু দিনেই হ'ল। মনৰ বহুতো কথা সাঁচি ৰাখিব লগা হৈছে মনতে। হয়তো কেতিয়াবা পাহৰণিৰ গৰ্ভত কিছুমান কথা বিলীন হৈ যাব পাৰে। সেয়েহে আজি তোমাক এই পত্ৰৰ দ্বাৰাই এটি স্মৰণীয় দিনৰ কথা ব্যক্ত কৰিব খুজিছো।

মানুহৰ জীৱনত কলেজীয়া জীৱনটো যেন বৰ মধুৰময়। যি হয়তো কলেজীয়া জীৱনৰ সোৱাদ পোৱা নাই সি বৰ দুৰ্ভগীয়া। এখন কলেজতেই আৰম্ভ হয় জীৱনটোৰ বাবে বহুতো জ্ঞানৰ সফুঁৰা। আৰম্ভ কৰে নিজকে প্ৰতিষ্ঠিত কৰিবৰ বাবে শিক্ষা গ্ৰহণৰে শিক্ষিত হ'বলৈ। ময়ো তেনে এক সপোন এৰি সোণাৰি পদ্মকুমাৰী বৰুৱা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ শেষ কৰি শিৱসাগৰ ছোৱালী কলেজত অসমীয়া বিভাগৰ ছাত্ৰী হিচাবে নাম ভৰ্ত্তি কৰোহি। সঁচাকৈ বৰ স্মৰণীয় মোৰ কলেজীয়া জীৱনৰ প্ৰথম দিনটো। শিৱসাগৰ নগৰৰ মাজমজিয়াত থকা ঐতিহাসিক শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী হিচাপে নিজকে চিনাকী দিবলৈ মোৰ সৰুৰে পৰা এটি সপোন আছিল। এতিয়া যেন সফল হ'ল। ২০০৮ চনৰ এক জুলাই তাৰিখৰ পৰা আৰম্ভ হয় আমাৰ প্ৰথম শ্ৰেণী সমূহ। কিমান যে ভাল লাগিছিল সেইদিনা মই তোমাক ভাষাৰে বুজাব নোৱাৰোঁ। পুৱাই উঠি কলেজৰ নিৰ্দ্ধাৰিত সাজ পাৰ পিন্ধি কলেজলৈ আহিলো। প্ৰথমতে আনন্দ লাগিছিল যদিও কলেজত প্ৰৱেশ কৰাৰ পিছত অলপ ভয়ৰ অনুভৱ হৈছিল। কিন্তু সেই ভয় সম্পূৰ্ণ ৰূপে নাইকিয়া হৈ গ'ল কিছু সময়ৰ পিছতে। "অসমীয়া বিভাগৰ" শ্ৰেণী কোঠা নং ৯ ত সকলো ছাত্ৰীকে দেখি ভাল লাগিছিল। প্ৰথমতে অলপ আচহুৱা লাগিছিল যদিও সকলোৰে লগত চা-চিনাকী হৈ পৰাত সকলো মিলি গ'লো স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী ৰূপে। কিছু সময়ৰ পাছতে বিভাগীয় প্ৰমুখ শ্ৰদ্ধেয় ৰঞ্জিত ৰঞ্জন তামুলী ছাৰে আহি সকলোৰে লগত চিনাকী হৈ বিভাগীয় সম্পৰ্কীয় কিছু কথা তথা জীৱন সম্পৰ্কীয় বহুতো কথা বুজাই দিছিল। তাৰ পিছত বিভাগীয় অন্য প্ৰবক্তা ড° ৰশ্মিৰেখা গগৈ বাইদেউ, সংগীতা হাজৰিকা বাইদেউ, কাকলি সোণোৱাল বাইদেউ আৰু শান্ত্বনা দুৱৰা বাইদেউ আহি আমাৰ লগত চিনাকী হ'লহি।

পিছত পৰ্য্যায়ৰ ক্ৰমে সকলোবোৰ শ্ৰেণীতে শ্ৰদ্ধেয় শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পৰিচয় জানিব পাৰি আৰু প্ৰতিটো বিষয়ৰে কিছু জ্ঞান আয়ত্ব কৰিব পাৰিছিলো। খুব ভাল লাগিছিল সেইদিনা তোমাক ক'ব নোৱাৰো। কেতিয়াবা ল'গ পালে সকলোবোৰ বিতংকৈ কম। মুঠৰ ওপৰত জানি থোৱা স্মৃতিৰ মানস পটত ৰৈ যোৱা এটি স্মৰণীয় দিন।

সময় বৰ গতিশীল, কেনি যায় কেনেকৈ যায় কব নোৱাৰো এতিয়া মোৰো সময়ৰ নাটনি বাবে চিঠিখন বহলাই লিখাত কিছু বাধা আহি পৰিছে। সেয়েহে আৰু বেছি লিখি তোমাৰো অমূল্য সময়কন নষ্ট কৰিব নোখোজো। আশা ৰাখিছো পত্ৰৰ উত্তৰ সময় উলিয়াই মোলৈ দিবা। সদৌ শেষত আন্তৰিক মৰম আৰু শুভেচ্ছাৰে মোৰ চিঠিৰ সামৰণি মাৰিব খুজিছোঁ।

ইতি

তোমাৰ বান্ধৱী

নিতুস্মিতা



ঠিকনা -

প্ৰতি,

শ্ৰীমতী প্ৰিয়াঙ্গনা সন্দিকৈ

প্ৰযত্নে -শ্ৰীযুত দীপক সন্দিকৈ

সোণাৰী, শান্তিপুৰ, ডাক- সোণাৰী,

জিলা -শিৱসাগৰ (অসম), পিন - ৭৮৫ ৬৯০

শিৱসাগৰ
০৮-১২-০৯

প্ৰতি, মৰমৰ চুনুলৈ

প্ৰথমে মোৰ হিয়াভৰা মৰমৰ লগতে শ্ৰদ্ধা গ্ৰহণ কৰিবা। ভাল বেয়াৰ লগতে দিনবোৰ তুমি, মই, আমি পাৰ কৰিছো। হাইস্কুলীয়া দিনবোৰ-এৰি আহি নতুন এটা আৱেষ্টনীৰ লগত নিজকে খাপ খোৱাব লাগিছে। হাইস্কুলীয়া দিনবোৰ মনত পেলালে নষ্টালজিয়া হৈ পৰাৰ বাদে আন একো উপায় নাই। হ'লেও নিজৰ লক্ষ্য, ভৱিষ্যতক নেওচি লগতে সময় পাৰ কৰি আমি নিজক কেতিয়াও গৰাহৰ বুকুলৈ ঠেলি দিব নোৱাৰো। তুমি, মই, আমি সকলোৱে জানো যে আমাৰ ভৱিষ্যত সপোনবোৰৰ লগতে পৰিচয়েই আমাৰ ব্যক্তিত্ব সাধনত সহায় কৰিব, লগতে বৰ্তমানৰ সমাজতনিজকে প্ৰতিষ্ঠা কৰিব পাৰিম বুলি মই ভাবো। মোৰ আশা, তুমিও যাতে তোমাৰ প্ৰচেষ্টা অব্যাহত ৰাখা। চেষ্টাৰ অসাধ্য একো নাই। বাৰু বাদ .....। মই মোৰ কেলজীয়া জীৱনৰ পাতনি মেলিছিলো স্ত্ৰী শিক্ষাৰ প্ৰকাশ কেন্দ্ৰ "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত। কলেজীয়া দিনবোৰৰ মিঠা অনুভৱ এক স্মৰণীয় বিষয়ৰ টোপাল। যি টোপালৰ কোনো দিন নিঃশেষ নহয়। আমি বিচাৰিলেও তাক পাহৰিব বা মুচি পেলাব নোৱাৰো। য'ত আমাৰ শ্ৰদ্ধা, মৰম আৰু এসাগৰ কোমল অনুভৱে ঠাই পাইছে।

প্ৰথম দিনা কলেজলৈ বুলি আহিছিলো প্ৰায় ৮ মান বজাত আমাৰ ইউনিফৰ্মৰসৈতে। যি ইউনিফৰ্ম আছিল সেউজীয়া পাৰি দিয়া চাদৰ, বগা ব্লাউজ, মুগা ৰঙৰ মেখেলা। এই কলেজ খনৰ পঢ়াৰ প্ৰথম আকৰ্ষণ হিচাপে ইউনিৰ্ফযোৰক মই ক'বলৈ বিচাৰো। মই ফুলেশ্বৰী বালিকা বিদ্যালয়ত পঢ়িবলৈ আহিছিলো মোক এই ইউনিৰ্ফযোৰে বৰকৈ আকৰ্ষিত কৰিছিল। আৰু মই তেতিয়াৰে পৰা অধিক আগ্ৰহী এই কলেজখনৰ প্ৰতি। যিকি নহওঁক প্ৰথমদিনা কলেজলৈ আহি প্ৰথম গেটখন খুলি ভৰিখন আগবঢ়াওতেই মোৰ খুব ভয় লাগিছিল। কাক মাতিম, ক'ত ক্লাছ কৰিম, ৰুটিন কি আমাৰ ছাৰ-বাইদেউ কোন ইত্যাদি কথাবোৰ একেবাৰে নাজানিছিলো। তেনেতে হাইস্কুলৰ বান্ধৱী টিনা, মীনা ৭ নং শ্ৰেণীকক্ষৰ ওচৰত লগ পালো। যিটো এতিয়া আমাৰ বিভাগীয় শ্ৰেণীকোঠা বুলি সকলোৱে জানে।



টিনা, মীনাই চুনুক লগ লগাই দিলে যি মোৰ হাইস্কুলৰ বান্ধৱী আছিল। আৰু এতিয়া মোৰ এগৰাকী অন্তৰঙ্গ বান্ধৱীৰ লগতে মোৰ এগৰাকী ভাল গাইড। লাহে লাহে এজনী এজনীকৈ ছোৱালীবোৰ আহিবলৈ ধৰিলে। এজনী এজনীকৈ ছোৱালীবোৰৰ লগত চিনাকী পৰ্ব আৰম্ভ হ'ল। তাৰ পাছত আমাৰ বিভাগীয় অধ্যাপক মোৰ সন্মানীয় লগতে শ্ৰদ্ধাৰ ৰঞ্জিত তামুলী ছাৰ ৭ নং কোঠালৈ সোমাই আহিল। লাহেকৈ ছাৰে আমাক সকলোকে নাম ঠিকনা সোধাৰ লগতে আমি কিয় অসমীয়া বিষয়টো সন্মানীয় বিষয় হিচাপে ল'লো, সেই প্ৰশ্নটো সকলোকে সুধিলে। সকলোৰে মন্তব্য বেলেগ বেলেগ। কিন্তু মই অসমীয়াত মাত্ৰ ৫৮ নম্বৰ পাইছিলো, যিহেতু এজনী অসমীয়া ছোৱালী হোৱাৰ বাবদ মই ভাৱো মই বহুত কম নম্বৰ পাইছিলো। সেইবাবে অসমীয়াত মেজৰ ল'লো বুলি কৈছিলো। প্ৰথম দিনা ছাৰে যিখিনি আমাক বিষয়টোৰ প্ৰতি থুল-মুল আভাষ দিছিল, সঁচাকৈয়ে বিষয়টোৰ প্ৰতি আৰু আগ্ৰহ জন্মিছিল। প্ৰথমে অসমীয়াত মেজৰ লোৱা কথাটোৰে মোক বহুত তলত যেন আছে, যেনিবা মই কোনো বিষয়ত মেজৰ নাপাইহে অসমীয়াত মেজৰ লৈছো এনে ভাৱ হৈছিল। কিন্তু এতিয়া মই গৌৰৱবোধ কৰো যে মই শিৱসাগৰ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ ছাত্ৰী। প্ৰথম দিনটো যিমান ভয় লাগিছিল সিমান ভালো লাগিছিল। মোৰ কলেজীয়া জীৱনৰ পাতনি মেলিছিলো আৰু আজি চাওঁতে চাওঁতে মই তিনিটা বছৰ চকুৰ প্ৰচাৰতে পাৰ কৰিবলৈ ওলাইছো। ভাৱিলে বেয়া লাগে প্ৰথম দিনটোৰ পৰা আৰম্ভ কৰি আজিৰ দিনলৈ। কলেজত কটোৱা প্ৰতিটো দিনেই মোৰ কাৰণে গুৰুত্বপূৰ্ণ। সেয়া হাঁহিয়েই পাৰ কৰোঁ লাগে, কান্দিয়েই পাৰ কৰো। সঁচাকৈ সবাটোতকৈ ডাঙৰ প্ৰথম দিনা যেতিয়া ছাৰে (তামুলী) কথাখিনি কৈছিল বা ডিপাৰ্টমেণ্টৰ বিষয়ে জনাইছিল এনে লাগিছিল সেয়া আমাৰ শিক্ষাগুৰু নহয়, বৰং অভিভাৱকহে সঁচাকৈয়ে পাহৰিব নোৱাৰো কলেজীয়া জীৱনৰ প্ৰথম দিনটো মই ভয় আৰু আনন্দ দোমোজাত পাৰ কৰিছিলোঁ। শেষত এসাগৰ শ্ৰদ্ধা আৰু এআকাশ মৰমেৰে

তোমাৰ বান্ধৱী

**মৌচুমী**



*টাই আহোম সংস্কৃতি বিকাশ কেন্দ্ৰৰ সৌজন্যত মে-ডাম-মে-ফি ৰ উপলক্ষে শিৱসাগৰ জিলাভিত্তিত আয়োজিত তলীতে চিঠি লিখা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত। বিষয় মৃত্যুৰ আগমুহূৰ্তত জয়মতীয়ে গদাপাণি ৰাজকোঁৱৰলৈ লিখা এক কাল্পনিক চিঠি*

শ্ৰী হৰি

জেৰেঙা পথাৰ
১৬০১ শক
১০ চ'ত

প্ৰাণধিক

বঙহৰদেউ,

সেৱা জানিব। সিদিনা নগাৰ বেশত দেখাৰ পাছৰ পৰা আপোনাৰ বতৰা পোৱা নাই। কৰুণাময় পৰমেশ্বৰে নিশ্চয় কুশলেই ৰাখিছে। চুলিক্‌ফা ৰজাদেৱৰ চৰিয়াই আপোনাৰ বতৰা বিচাৰিয়ে ফুৰিছে। মোকো কেইবাবাৰো বৰচ'ৰালৈ মতাই নি আপোনাৰ সন্ধেদ বিছাৰিছিল। মই নজনা বুলি কোৱাত মোক বোলে পোকৰে শূল ভৰাই মৰাব। পাচে লাই লেচাইক আই দেউতা আৰু পিতাদেউক গতাই পৰমেশ্বৰক চিন্তি ৰজাৰ মানুহৰ লগতে হাউলী এৰি বৰচ'ৰা পালোহি। ৰজাৰ আগত আপোনাৰ বতৰা নিদিয়াত জেৰেঙা পথাৰত নাহৰ কাঠৰ হুল পুতোৱাই ওপৰলৈ বেজিৰ আগৰ দৰে জোঙা কৰোৱাই মোক শূলত দিম বুলিলে। পিছে মই মাদুৰিয়াল লাই থেপেনা বৰগোঁহাইৰ জীয়ৰী। স্বৰ্গদেউ চুকাফাই পাতি থৈ যোৱা আহোম ৰাজ্যৰ বেলি মাৰ যাঁও যাঁও। অত্যাচাৰী ল'ৰা ৰজাই অংগক্ষত কৰাই এজনো কোঁৱৰ ৰাজ্যত নোহোৱা কৰিলে একমাত্ৰ ৰাজপাট নিস্কণ্টক কৰিবৰ বাবেই। আপোনাৰ বাদে ৰাজপাট যোগ্য কোঁৱৰ ৰাজ্যত এজনো নোহোৱা হ'ল। সেয়েহে মই কাবৌ কৰিছো বঙহৰদেউ আপুনি ধৰা নিদিব। পোনা দুটি আৰু মোৰ কথা এৰি আপুনি ৰাজ্যৰ কথা ভাবক। ৰাজ্য ৰক্ষাৰ মহান ব্ৰতত ব্ৰতী হওঁক। অত্যাচাৰী ৰজাৰ কৱলৰ পৰা ৰাইজক ৰক্ষা কৰোতা কেও নাই। বঙহৰদেউ, আপুনি নিচিন্ত থাকক ল'ৰাৰজাৰ চৰিয়াই মোৰ পৰা এযাৰো মাত নাপায়। মোৰ শিৰা -উপশিৰাত প্ৰবাহিত হৈ আছে পুলিন পুথাও সকলৰ স্বাধীনচেতীয়া ৰক্ত। দেশ মাতৃৰ সেৱাত মই নিজকে উচৰ্গিত কৰি আপোনাৰ লগতে দেশক ৰক্ষা কৰিম। দুনাই মোক চাবলৈ আহি ৰজাৰ চৰিয়াৰ হাতত ধৰা পৰে বুলি মোৰ ভয় হয় বঙহৰদেউ। আপুনি চিনাকি দিলে মোৰ মহাব্ৰত সাধনাৰ বাটত বিধি পথালি দিয়া হ'ব, লগতে আপোনাৰ জীৱনৰ মহৎ উদ্দেশ্যও সাং হ'ব। এতেকে আপুনি কিছুদিন আঁতৰি গৈ আত্ম গোপন কৰি থকাই মই মংগল যেন দেখো। চুবুৰীয়া নগা পৰ্বততে থাকিবগৈ পাৰে দেখোন। দুৰ্গম হাবিতলীয়া ঠাইত ৰজাৰ চৰিয়াই সহজে নিশ্চয় নাপাইগৈ। নহ'লে কিছুদিন ভাটীৰ কামৰূপ ৰাজ্যতে থাকক গৈ বঙহৰদেউ। গুৱাহাটীৰ বন্দৰ বৰফুকন ভিনিহিদেৱেকৰ তাতেই আত্মগোপন কৰককগৈ। তাৰ পাছত অঙহী-বঙহীৰে সৈতে আলোচনা কৰি যিকোনো উপায়েৰে নহওঁক ল'ৰা ৰজা চুলিক্‌ফা ৰজাদেৱক পদচ্যুত কৰক আৰু স্বদেশ বচাওক। স্বদেশ -স্বজাতিৰ ৰক্ষাৰ হকে আত্মনিয়োগ কৰক। ল'ৰাৰজাক ৰজা ভাঙি ৰাজপাটত বহিবৰ যোগ্যতাৰ একমাত্ৰ মোৰ বঙহৰদেউৰহে আছে তাত মোৰ মূৰৰ চুলিডালমানো সন্দেহ নাই। আপোনাৰ বীৰত্ব আৰু প্ৰতাপৰ আগত যে ল'ৰাৰজা ধুলিস্যাৎ হ'বই ই ধ্ৰুৱপ। গাভৰু কালতে মই শুনিছিলো বোলে আপোনাৰ সাহসিক কাৰ্যকলাপ দেখি তুংখুঙৰ প্ৰজাবিলাকে আচৰিত মানিছিল। দহ- বাৰ বছৰ বয়সতে বোলে আপুনি হাতীত উঠি চিকাৰ কৰিব পাৰিছিল আৰু বাঘ মৰা আৰু অন্যান্য বীৰোচিত কাৰ্যত যোগ দিছিল। সেই কুমলীয়া বয়সতে আপোনাৰ গাত মহত্বৰ লক্ষণ ফুটি উঠিছিল আৰু অত্যাচাৰী মানুহক ঘৃণা আৰু দুখীয়া নিচলা ৰুগীয়া মানুহক পুতৌ কৰিছিল। ডেকা বয়সতে বিশেষ যতন আৰু কৌশলেৰে তুংখুঙীয়া ফৈদৰ লগত অন্যান্য ৰাজঘৰীয়া ফৈদৰ অৰিয়া অৰি ওৰ পেলাই মিত্ৰতা স্থাপন কৰাৰ কথা মোৰ জানো মনত নাই? গতিকে বঙহৰদেউ মই কাবৌ কৰিছো ৰজা ঘৰীয়া চৰিয়াৰ পৰা নিলগে থাকি সাৱধানে চলা-ফুৰা কৰি মহৎ উদ্দেশ্য সাধনত ব্ৰতী হওঁক, দেশ মাতৃক ৰক্ষা কৰক। মোৰ পৰমেশ্বৰৰ ওচৰত এয়ে প্ৰাৰ্থনা যাতে আপোনাক কুশলে ৰাখি ইন্দ্ৰবংশী আহোম স্বৰ্গদেউসকলৰ ৰাজপাট সুদৃঢ় কৰে। আপুনি সোণৰ সিংহাসনত আৰোহণ কৰি প্ৰজাৰ মংগল সাধন কৰক এয়ে মোৰ অন্তিম ইচ্ছা। আপোনাৰ বতৰা নিদিয়াৰ বাবেই হয়তু দুই এদিনতে মোৰ মৰণ মিলিব। ৰজাঘৰীয়া চাউদাঙে মোক হত্যা কৰিব। তাত মোৰ কোনো আক্ষেপ নাই। পোণা দুটিক গতালো। মোৰ অবিহনে ইহঁতে পিত-মাতৃ দুয়োৰে মৰম আপোনাৰ পৰাই পাব বুলি আশা কৰিলো। ইহঁতক ৰাজোচিত শিক্ষাৰে শিক্ষিত কৰিব নিশ্চয়। আপোনাক দেশ মাতৃৰ সেৱালৈ আগবঢ়াই মই এতিয়া সুখী। ৰাজপাটত বহাটো নেদেখাৰ দুখে বা পৃথিৱীৰ কোনো বস্তুৱেই মোক আৰু প্ৰলোভিত কৰি মোক ব্ৰতৰ পৰা আঁতৰ কৰিব নোৱাৰে। ৰাজ্যৰ সুদিন আৰু আপোনাৰ মংগল কামনা কৰি বিদায় মাগিলো। পৰ জনমত আকৌ দেখা হোৱাৰ বাসনালৈ সেৱাৰে —

আপোনাৰ জয়া

**সুদৰ্শনা দিহিঙীয়া**
স্নাতক ২য় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

## প্ৰাক্তন ছাত্ৰীমঞ্চ

# নষ্টালজিয়াত ঃ আপোনত্ব আৰু শিৱসাগৰ ছোৱালী কলেজ

**মাধুৰীমা ঘৰফলীয়া**
প্ৰাক্তন ছাত্ৰী

"কাকোৰে হেৰুৱাব নুখুজিলেও
হেৰাই যায়
আচলতে ভাল পোৱাই একোকে
ধৰি ৰাখিব নোৱাৰে
ভালপোৱাৰ প্ৰতি কিবা আকৰ্ষণ থাকিলে
নিজেই বৈ যায়।
কোনে জানে ...
কোনে জানে, কোনোবাদিন
আকাশৰ সীমাহীন ভালপোৱা দেও দি
হেৰাই যাব পাৰে ইয়াৰ নীলাখিনি..."

সোঁৱৰণ! কিয় যে টানি আজুৰি নৈ ফুৰে দলিয়াই পেলাব খুজা সকলো ভাল লগা বেয়া লগা অতীত। সেই যে মাৰ আচলৰ পৰা আৰম্ভ কৰি আইতাৰ সাধু কথালৈকে ... ভৰ বাৰিষাৰ দোপালপিটা বৰষুণত তিতা আবেলিটোৰ পৰা আঘোণৰ কেঁচা নবানিৰ মাজৰ লেছেৰিডালৈকে। সকলো সামৰি থকা ধূলিয়ৰি শৈশৱটো। একো বুজি নোপোৱাৰ আগতেই হেৰাই গ'ল। হেৰাই গ'ল এটা এটাকৈ ভালপোৱা ভাললগা দিনবোৰ। মাথো বৈ গ'ল পাহৰিব নোৱৰা কিছুমান অনুভূতি আৰু সোঁৱৰণ।

শিৱসাগৰ ছোৱালী কলেজ। এক নামহীন অনুভূতিয়ে আজিও জোকাৰি যায় মনটোক। অলিয়া বলিয়া ফাগুনৰ বতাহজাকে খেলি মেলি কৰি পেলোৱা বৰপুখুৰীৰ ঢৌবোৰে যেন ইয়াতে খুন্দা মাৰে। স্থৱিৰ হৈ যাব খোজা সপোনবোৰ, আদৰ্শবোৰ নতুনকৈ সজাল ধৰে ... ইয়াতেই ...

কত যোজন আঁতৰি আহিলো উভতি যোৱাৰ কোনো সুৰুঙা নৰখাকৈয়ে। তথাপি এক তীব্ৰ তাগিদা অনুভৱ হয় বুকুৰ আভ্যন্তৰত। এৰা, এইয়া যে আমাৰ কলেজ। শৃংখলাবদ্ধ শব্দটোৱে যেন আবৰি ৰাখে কলেজৰ ভিতৰৰ বতাহখিনিও। অথচ নিয়ম ভংগ কৰি কেতিয়াবা ক্লাছত জিমলি বাইদেউৱে সুধিব পাৰে বেনথামৰ সুখ-দুখৰ দৰ্শনৰ সৈতে নিজস্ব দৰ্শনৰ মতামত। ডিচেম্বৰ মাহৰ কুঁৱলীখিনি কলেজ সপ্তাহৰ নামত গাত ছটিয়াই লৈ ছাত্ৰীৰ সৈতে উৰুলিকৃত হ'ব নোৱাৰিলেও কবিতাৰ অৰণ্যত ডুব গৈ আনকো ডুবাব পাৰে প্ৰবীন শৰ্মা ছাৰ, কিশোৰ দেউৰী ছাৰে। অথবা অজন্তা বাইদেউৰ বিহু নাচে প্ৰমাণ কৰি দিব পাৰে অলপ সময়ৰ বাবে হলেও মন গলেই নিজকে উভতাই চাব পাৰি আগৰ দৰে। প্ৰতি বছৰে শ শ নতুন ছোৱালীৰ চাৰ্টিফিকেট সামৰি ৰখা গীতাঞ্জলী বাইদেউ, চিত্ৰলেখা বাইদেউৱে বহু বছৰৰ পাছতো অকস্মাৎ লগ পালে নাম কাঢ়ি সুধিব পাৰে "ভালনে তোমাৰ"। কেনেকৈ পাহৰিব পাৰি অমিয়া বাইদেউহতঁৰ অভিভাৱক সুলভ মৰমবোৰ।

কিয় যে ইমান পাষাণ এই সময়, শিপাৰে সৈতে উঘালি পেলাই অনুভূতিৰ প্ৰতিটো কলাজ আৰু সন্মুখত আৰি দিয়ে ভৱিষ্যতৰ এক ৰঙীন সপোন। ব'টানীৰ পাত লুটিয়াই ৰূপজ্যোতিবায়েতো সেই একে সপোনেই দেখিছিল ৰংপুৰ ছাত্ৰী নিবাসৰ কোনোবাটো ৰূমত। এক সহজ নাৰীৰ দৰেই স্বামীৰ হাতত মৃত্যু হ'ল তেওঁৰ। এৰি থৈ গ'ল পৃথিৱীৰ প্ৰতি, মানুহৰ প্ৰতি সীমাহীন ঘৃণা। ক্ৰিকেটৰ বল দলিয়াই ফুৰা ৰুমী বায়ে জানো ভাবিছিল কোনোবাদিন ৰহস্য কৰিয়ে আঁতৰি যাব এই পৃথিৱীৰ পৰা নিজে নিজে।

সময়! আকৌ সময়েই আঘাট কৰে। শিৱসাগৰ ছোৱালী কলেজৰ বাকৰিত বহি আনে নেদেখা সপোন দেখুৱাই অস্বাভাৱিক কৰিব খুজে। এৰা সকলোৰে দৰে হলেতো নহ'ব। নহ'লে কিয়েবা বিশেষত্ব বহন কৰি লৈ ফুৰিব এই কলেজৰ সন্তান হিচাপে। সকলো প্ৰাচুৰ্য্যই মহান কৰা ৰহস্যময়ী নাৰীৰ ৰহস্যৰে আবৃত হৈ সগৌৰৱে ক'ব পাৰিব লাগিব হয়, মই শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী।

(শিৱসাগৰ ছোৱালী কলেজক সঁচা অৰ্থত ভালপোৱা প্ৰতি গৰাকীৰ ছাত্ৰীৰ হাতত)

# English Section







# Education from Philosophical Perspective

**Mrs. Gairika Devi**
Dept. of Education

Philosophy is the key to love and wisdom. In fact, if we are to educate, we must do it with a sense of direction. Our life demands not only knowledge but also wisdom. Without it education is of no avail. In fact from the dawn of civilisation man has been marching in search of wisdom and he is still doing so. This eternal search goes on. Various experiments are projected through education so that humanity, happiness and harmony be wedded together.

Philosophy of education is howeverunlimited in its approach. Exploration and experimentation are the twin methods of unveiling the mystery of life. It is imperative that there should be a direction and destination for whatever we want to do.

Thus Philosophy of education in general can be traced to the Greek word. " Philosophia" which is made up of two words -- "Phileo" (love) and Sopphia (wisdom). Therefore philosophy implies "love of wisdom". Wisdom is not the same thing as knowledge. It is more than knowledge. ("Wisdom includes knowledge and goes beyound it to find relationships and to discover implications")

It will be easier to know about the nature of philosophy if the characterstics of philosophy are discussed. The chief characteristic are like -------

a) Philosophy as a love of wisdom. A person become wise by knowledge and understanding.

b) Philosophy is an activity -- It is a mental activity, thinking about the problem of life, its natures and purposes.

c) Philosophy as a comprehensive picture of the universe. Philosophy in India emerged as a result of reflection over the experiences and problems of life.

Above all Philosophy is also characterise as aguide to a way of life.

It is an absolute truth that Education is closely related with Philosophy Education follows the way points out by Philosophy. Philosophy also has interdependence on Education. Because Philosophical thoughts innovated by Philosophers are propagated by education. Both Philosophers and Educationist consider this interdependence as relations between these two discipline.

Significance of education cannot be fully appreciated unless it is looked at in proper perspectives. Education has more than are perspectives viz, philosophical,

Sociological and pshychological. A Comprehensive view of education leads to a sound philosophy of education.

The word education is viewed differently in different ages. History shows that the most primitive tribes viewed education as a means for securing social solidarity and uniformity.

During Medieval period of education was used to serve political and religious ends.

With realistic tandencies during the seventeenth century we find the beginning of the psychological, scientific and sociological movements in education which are trying to reach their peak today.

It is noteworthy that "philosophical perspective provide the basis of education seeks to support the need for a direction which education should follow. It provide directives and offer values to which education to be oriented from time to time. It is assumed that the knowledge of metaphysies and ethical thinking helps an educationist to put education in the proper perspectives .In fact, philosophical basis makes education more purpesive towards ends which are fundamentally good. The importance of philosophical basis on education is beautifully traced by great philosopher.

Reid - " If education is a purposive activity of the utmost importance for the welfare and growth of young human being the most careful critical and constructive thought about ultimate purpose of education is surely necessary."

Coming to the actual point, we can say various domains of human life are touched my means of education. In other words, thinking, feeling and acting are enriched by means of educational experience.

It is obvious to have a philosophical foundation of education without a philosophical foundation of education. Without a philosophical basis education tendes to lose its direction is important as it is the application of philosophy in the field of education. On the whole we attempt to educate for helping individuals to reach perfections. To attempt to educate is to do something intentional and purposive towards what is belived and to be good.

At the end, I want to conclude my paper by mentioning the words of Fitche "The art of education will never attain complete clearness in itself without philosophy. Actually, Philosophy is that it is the theory in the most general phases.

---------

# MODERN LITERATURE AND EXISTENTIALISM

**Kritanjali Konwar**
Assist. Professor, Dept. of English
Sibsagar Girls' College

Existentialism is the name of the philosophical tendency which manifested itself in Germany a few year after World War I and later spread to France and Italy so that immediately after World War II it was not only influential in academic circles there but was widely talked about in literary cafes and the semi popular press. Since existentialism is a tendency or attitude rather than a philosophical school, there are a few doctrines common to all exponents of it. Existentialism flourished in continental Europe during the nineteenth and twentieth century. Most of the members of existentialist group are interested in the nature of existance or being by which they usually mean human existence. Although the philosophers generally considered being existentialists often disagree with each other and sometimes even resent being classified together, they have been grouped together because they share many problems, interests, and ideas. The most prominent existentialist thinkers include the great Danish thinker Soren Kierkegaard, the French writers Albert Camus, Jean-Paul Sarte, and Gabriel Marcel and German philosophers Karl Jaspers, Edmund Husserl, Friedrick Nietzsche and Martin Heidegger. The Russian religious and political thinker Nicolas Berdyaev and the Jewish philosopher Martin Buber were also famous existentialists.

existentialism is largely a revolt against traditional European philosophy which reached its climax during the late eighteenth and early nineteenth century. Principles of knowledge that would be objective, universally true, and certain were produced. Existentialists rejected the methods and ideals of science as being improper for philosophy. They investigated what it is like to be an individual human being living in the world instead of making the traditional attempt to grasp the ultimate nature of the world and abstract systems of thought. They stress the fact that every individual is only a limited human being. Each must face important and difficult decisions with only a limited knowledge and time in which to make these decisions. Existentialism may be generally characterized as a protest against views of the world and policies of action in which individual human beings are regarded as helpless playthings of historical forces

ক্ৰীড়া...!! ক্ৰীড়া হৈছে সকলোৰে জীৱনৰ লগত জড়িত এক ৰঙীণ অধ্যায়। ই হৈছে আমাৰ ব্যস্ততাৰে ভৰা জীৱনৰ অৱসাদ বিনোদন তথা মনোৰঞ্জনৰ এক প্ৰধান আহিলা। আমাৰ শৰীৰ-মন সুস্থ-সবল কৰি ৰাখিবলৈ খেল-ধেমালীৰ খুবেই প্ৰয়োজন। ই আমাৰ মানসিক উৎকৰ্ষও সাধন কৰে। ই আমাক দায়িত্ববোধ, কৰ্তব্যবোধ, সচেতনতা, শৃংখলাবদ্ধতা, মিলাপ্ৰীতি আদিৰ উপলব্ধি কৰোৱাৰ উপৰিও, সমাজ এখনৰ লগত মিলি চলিব পৰাকৈ বা সমাজ এখনক উন্নতিৰ শিখৰলৈ লৈ যাব পৰাকৈও কিছুমান গুণ প্ৰদান কৰে। খেল-ধেমালীয়ে আমাক শিকায় যে কেনেকৈ অনুশাসন অৰ্থাৎ শৃংখলাবদ্ধতাৰ মাজত থাকি দলবদ্ধভাৱে কাম কৰিলে সফল হ'ব পাৰি। তদুপৰি ইয়াক এক মাধ্যম হিচাপে লৈ নিজৰ লগতে দেশৰো নাম পাৰি। সেয়েহে, ক্ৰীড়াক আমাৰ ব্যস্ত জীৱনত অলপ হলেও ঠাই দিয়াতো উচিত।

ক্ৰীড়াত আমি দুই প্ৰকাৰে ভাগ ল'ব পাৰো। প্ৰতিযোগী হৈ আৰু নীৰৱ দৰ্শক বা সৰব সমৰ্থক হৈ। কিছুমানে খেল-খেলি ভালপায় আৰু আন কিছুমানে আনৰ খেল চাই ভাল পায়। ক্ৰীড়া মানে অকল জয়লাভ কৰাটোকে নুবুজায়। ক্ৰীড়াত যোগদান কৰা আৰু খেলৰ নীতি-নিয়মবোৰ মানি মনোযোগেৰে খেলাটোহে আচল কথা। আৰু এটা কথা..., ক্ৰীড়াত প্ৰতিযোগী হিচাপে যোগদান নকৰিলেও সৰব সমৰ্থক হিচাপে যোগদান কৰি প্ৰতিযোগীসকলৰ মনোবল বৃদ্ধি কৰিব লাগে। নিজে নেখেলিলেও আনক খেলিবলৈ উৎসাহ দিব লাগে।

এতিয়া আহো ২০০৯-১০ বৰ্ষৰ "ছাত্ৰী একতা সভা"ৰ কাৰ্য্যকাললৈ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমাৰ সন্মুখত আহি পৰিছিল বছৰটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্য - শিৱসাগৰ ছোৱালী কলেজৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ"। যাৰ বাবে ছাত্ৰী সকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। প্ৰতিবাৰৰ দৰে এইবাৰো অতি উৎসাহেৰে ২০০৯ বৰ্ষৰ ১০ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰৰ লৈকে "কলেজ সপ্তাহ"ৰ আয়োজন কৰা হৈছিল। যাতে কোনো ভুল-ত্ৰুটি থাকি নাযায় তাৰ বাবেও যথেষ্ট চেষ্টা কৰা হৈছিল।

খেল বিভাগৰ সম্পাদিকাৰ গধুৰ দায়িত্বটি লৈ "কলেজ সপ্তাহ"ত মোৰ বিভাগৰ কাম-কাজবোৰ আগবঢ়াই নিছিলো খেল বিভাগৰ সহকাৰী সাধাৰণ সম্পাদিকা সংগীতা দাস, আৰু উপদেষ্টাদ্বয় সঞ্জয় দাস ছাৰ আৰু প্ৰাঞ্জল পঙ্কজ বৰুৱা ছাৰৰ সহযোগত। এইক্ষেত্ৰত প্ৰিন্সিপাল ছাৰৰ আমাৰ লগত পূৰ্ণ সহযোগিতাৰ বাবে আমি কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হোৱা নাছিল। খেল-ধেমালি আৰম্ভ হোৱাৰ দুদিন আগৰ পৰাই বুবুদা আৰু শ্ৰীকান্ত দা এওঁলোক দুজনেও আমাক যথেষ্ট সহায় কৰিছিল। এই সুযোগতে মই এওঁলোক সকলোলৈ

কে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অশেষ ধন্যবাদ জনাইছো। দুদিনীয়া কাৰ্য্যসূচীৰে আয়োজন কৰা খেল শিতানৰ প্ৰতিযোগিতাসমূহৰ আৰম্ভণি হৈছিল মাৰ্চ্-পাচ্ আৰু আমাৰ বিশেষ আয়োজন ছাৰ সকলৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতাৰে। এইবাৰৰ প্ৰতিযোগিতা সমূহ আছিল এনেধৰণৰ - মাৰ্চ্-পাচ্ প্ৰতিযোগিতা, দৌৰ প্ৰতিযোগিতা (১০০ মিঃ, ২০০ মিঃ, ৪০০ মিঃ আৰু ৪×১০০ মিঃ ৰিলে দৌৰ), শ্বট্-পুট, ডিচ্কাচ থ্ৰ', জেভেলিন থ্ৰ', লং-জাম্প, হাই-জাম্প, ৰছী টনা, চকী-খেল আৰু কাবাডী। ইয়াৰ লগতে আমি আয়োজন কৰিব বিচৰা আন কেইবিধ প্ৰতিযোগিতা আছিল - ক'ক ফাইট, ক্ৰিকেট, বাস্কেট বল আৰু ফুটবল। কিন্তু বিশেষ অসুবিধাৰ বাবে আমি ক'ক ফাইট্ আৰু ক্ৰিকেট অনুষ্ঠিত কৰিবলৈ সক্ষম নহ'লো। তাৰ বাবে মই ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো আৰু আন খেল দুবিধৰ বাবে ইচ্ছুক ছাত্ৰী মাত্ৰ ৫/৬ গৰাকীতকৈ বেছি নোলাল। (এইবাৰ যিহেতু ৬ দিনীয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ"ৰ আয়োজন কৰা হৈছিল আৰু খেল-ধেমালীৰ বাবে মাত্ৰ এদিনৰ বাবেহে খেলপথাৰ আমাক দিয়া হৈছিল।)

"কলেজ সপ্তাহ" আৰম্ভ হোৱাৰ প্ৰায় এমাহ মানৰ আগতে ছাত্ৰী সকললৈ ফুটবল প্ৰশিক্ষণৰ এটা সুযোগ আহিছিল। বিশেষ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়াই কলেজৰ ছাত্ৰীৰ এটা ফুটবলৰ দল গঠন কৰি আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত ভাগ লবৰ বাবে আৰু লগতে, তাৰ পৰা জিলাভিত্তিত মহিলা ফুটবল খেলুৱৈ নিৰ্বাচনৰ বাবে। কিন্তু অতি দুখজনক কথা যে ছাত্ৰী সকলে এই বিষয়টোৰ প্ৰতি কোনো সহাঁৰি নজনালে...। এনে সুবিধা বাৰে বাৰে নাহে। গতিকে, এনে সুবিধা পুনৰ আহিলে ছাত্ৰীসকলে যেন গ্ৰহণ কৰে... এয়ে মোৰ অনুৰোধ।

এইবাৰৰ "কলেজ সপ্তাহ"ৰ ক্ৰীড়া শিতানত প্ৰতিযোগী ছাত্ৰীৰ লগতে খেল চাবলৈ যোৱা ছাত্ৰীৰ সংখ্যা আপেক্ষিক ভাৱে বৃদ্ধি হোৱা দেখা গৈছিল আৰু কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই যথেষ্ট উৎসাহেৰে যোগদান কৰিছিল। খেল পথাৰত আমি আশা কৰাতকৈ অধিক যোগদানকাৰী আছিল...। যিটো এটা অতি প্ৰশংসনীয় কথা...!! খেলৰ প্ৰতিযোগিতাসমূহ আগবঢ়াই নিয়াত আমাক সহায় কৰা - মিলি ছাৰ, ৰণ্টু ছাৰ, দেউৰী ছাৰ, প্ৰবীণ শৰ্মা ছাৰ, ৰঞ্জন দাস ছাৰ, প্ৰাঞ্জল ৰাজখোৱা ছাৰ... প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকা, অফিচৰ কৰ্মচাৰী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ লগতে কেন্টিনৰ কৰ্মচাৰীসকলৰ ওচৰতো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিযোগীসকল, খেল-ধেমালিত আমাক সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰী সকলৰ লগতে কলেজৰ সমূহ ছাত্ৰীলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ যাচিলো। "কলেজ সপ্তাহ" হৈছে ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা জগাই তুলি আনৰ আগত পৰিচয় কৰাই দিব পৰা এক সোণালী সুযোগ। সেয়েহে, ইয়াত যোগদান কৰিবলৈ মই ছাত্ৰীসকলক বিনম্ৰ অনুৰোধ জনাইছো।

"কলেজ সপ্তাহ"ৰ দিনকেইটা খুব ব্যস্ততা আৰু আনন্দ উল্লাহৰ মাজেৰে পাৰ হৈ গৈছিল - মাৰ্চ্-পাচ্ ৰ দলসমূহৰ সম্পূৰ্ণ দায়িত্ব মই নিজে লোৱাৰ উপৰিও আন প্ৰতিযোগিতা সমূহতো কলেজৰ N.C.C. দলটোৰ দায়িত্ব লব লগা হৈছিল। মোৰ শিতানৰ প্ৰতিযোগিতা সমূহ শেষ হোৱাৰ পাছত আন শিতানবোৰৰ কামতো সহায়ৰ হাত আগবঢ়োৱাৰ লগতে সুবিধা পালে আন প্ৰতিযোগিতা সমূহত ভাগও ললো। এইদৰেই এই বছৰৰ আমাৰ মহাবিদ্যালয়ৰ "কলেজ সপ্তাহ"ৰ দিন কেইটা গোটেই জীৱনৰ বাবেই মোৰ চিৰস্মৰণীয় হৈ ৰ'ল।

"কলেজ সপ্তাহ"ৰ পাছত কলেজত আয়োজন কৰা সৰস্বতী পূজা, নৱাগতা আদৰণি সভা, N.A.A.C. ৰ কলেজ পৰিদৰ্শন আদি অনুষ্ঠানবোৰতো কিছু পৰিমাণে সহায়ৰ হাত আগবঢ়াইছিলো। যিহেতু মই এইবাৰৰ "অসম ৰাজ্যপালৰ সোণৰ পদক (২০১০)" প্ৰাপ্ত এগৰাকী N.C.C. কেডেট। লগতে **Best Shooter of North East (N.C.C.)**। সেয়েহে, মাজে মাজে কিছুমান N.C.C. কেম্প আৰু N.S.S. কেম্পতো যাব লগা হোৱাৰ বাবে আৰু আন কিছুমান ব্যক্তিগত অসুবিধাৰ বাবেও কিছুমান অনুষ্ঠানত সম্পূৰ্ণকৈ জড়িত হ'ব নোৱাৰিলো যদিও "ছাত্ৰী একতা সভা"ৰ কাম-কাজবোৰত পাৰ্য্যমানে সহায় কৰিবলৈ চেষ্টা কৰিছিলো। ইয়াৰ বাবে মই কলেজ কৰ্তৃপক্ষ আৰু ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত, অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে পুনৰবাৰ ক্ষমা খুজি, "শিৱসাগৰ ছোৱালী কলেজ"ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ এবছৰীয়া কাৰ্য্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ"

'জয়তু ছাত্ৰী একতা সভা"

**প্ৰতিমা হাজৰিকা**

খেল বিভাগৰ সম্পাদিকা

'২০০৯-১০ বৰ্ষ'

শিৱসাগৰ ছোৱালী কলেজ



# ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদন লেখাৰ আগমুহূৰ্ত্তত মই সেই সকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকলৰ প্ৰচেষ্টাত উজনি অসমৰ প্ৰথমখন মহিলা শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়" খন গঢ় লৈ উঠিছিল। আজি এই মহাবিদ্যালয়খন উপনীত হৈছে অসমৰ এক আগশাৰীৰ শিক্ষানুষ্ঠান হিছাপে। এই খিনিতে মই মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মোক খেল বিভাগৰ সহকাৰী সম্পাদিকাৰ পদত ভোটদান কৰি বিজয়ী কৰাৰ বাবে সমূহ ছাত্ৰীবৃন্দলৈ মোৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

প্ৰথম মহাবিদ্যালয় খনত ভৰি দিয়াৰ দিনাৰ পৰাই ভাবিছিলো মহাবিদ্যালয় খনক লৈ মই কি কৰিব পাৰো। তেতিয়াই মোৰ মনলৈ এটা ভাব আহিছিল যে, মই যিয়েই নকৰোঁ প্ৰথমতে মহাবিদ্যালয় খনৰ অন্যতম সদস্য হ'ব লাগিব। তেতিয়াহে মোৰ সপোন ৰচিব পাৰিম। অৱশেষত মোৰ সপোন বাস্তৱত পৰিণত হ'ল। মোৰ মনত তেতিয়া অনুভৱ হৈছিল এক বুজাব নোৱাৰা অনুভূতি ইয়াৰ আঁৰত আছিল মোৰ বান্ধৱীসকল আৰু মোৰ অভিভাৱক। তেওঁলোকৰ অনুৰোধত প্ৰতিদ্বন্দিতা আগবঢ়ালো আৰু বৃহৎ ভোটৰ ব্যৱধানত বিজয়ী প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হ'লো।

হে, সুধীবৃন্দ মানৱ জীৱনৰ উৎকৰ্ষ সাধনত ক্ৰীড়াৰ অৱদান অপৰিসীম। ক্ৰীড়া ক্ষেত্ৰৰ মাজেদিয়েই আমি আমাৰ স্বাস্থ্যৰ উন্নতি ঘটোৱাৰ লগে লগে ক্ৰীড়াৰ নৈ পুণ্যতাৰ যোগেদিয়ে একো গৰাকী ব্যক্তি বিশ্ব বিশ্ৰুত হৈ উঠিব পাৰে। ক্ৰীড়া ক্ষেত্ৰৰ পৰিসৰ বৰ বহল। একে গৰাকী ব্যক্তিয়েই বিভিন্ন ক্ৰীড়াত নিজৰ পাৰ্গতালি প্ৰকাশ কৰিব পাৰে। অৱশ্যে ইয়াৰ বাবে উপযুক্ত পৰিৱেশ। খেল পথাৰ, উন্নত প্ৰশিক্ষণৰ আৰু শিকাৰ আগ্ৰহৰ প্ৰয়োজন। সেয়ে ইংৰাজীত কোৱা হয় ---"Play up! Play up? And play the game". ক্ৰীড়াই আমাৰ সকলোৰে মনলৈ, সমাজলৈ আৰু দেশলৈ কঢ়িয়াই আনে অনাবিল গৌৰৱ, সন্মান আৰু আনন্দ। দায়িত্ব হাততলৈ কাৰ্য্যভাৰ চলাই যাওঁতে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিলো, যদিও মোৰ প্ৰিয় বান্ধৱী প্ৰতিমা হাজৰিকা আৰু ছাত্ৰী একতা সভাৰ বিষয়ববীয়ালৈ তথা মোৰ তত্বাবধায়ক অধ্যাপক সঞ্জয় দাস ছাৰ আৰু প্ৰাঞ্জল পংকজ বৰা চাৰৰ সহযোগত সকলো অসুবিধা আঁতৰ কৰিবলৈ সক্ষম হৈছিলো। তেওঁলোকৰ দিহা পৰামৰ্শৰ সহায়ত সকলোবোৰ প্ৰতিযোগিতা নিয়াৰিকৈ চলাই নিবলৈ সক্ষম হৈছিলো। দ্বিতীয়তে , বিগত বছৰ কেইটাৰ দৰে এইবাৰো অতি আনন্দ উল্লাহেৰে বিভাগীয় উপদেষ্টা তথা সম্পাদিকাৰ প্ৰচেষ্টাত সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। তৃতীয়তে, নৱাগতা ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ ছাত্ৰী সকলক একেটা শৈক্ষিক পৰিয়ালৰ সদস্যৰূপে লৈ এখনি আটক ধুনীয়া সভাৰ আয়োজন কৰা হয়। চতুৰ্থতে কলেজ পৰিদৰ্শনৰ বাবে অহা NAAC ৰ সময়ছোৱাত তিনিদিনীয়া কাৰ্যসূচী অনুষ্ঠান আয়োজন কৰা হৈছিল। পঞ্চমতে "NEWS LIVE " ৰ সহযোগত "দেওবৰীয়া আড্ডা" অনুষ্ঠানটি আয়োজন কৰা হৈছিল। জনসংযোগৰ মাধ্যমেৰে (NEWS LIVE) আমাৰ কলেজখন পোহৰলৈ অনাত এই প্ৰতিবেদনৰ দ্বাৰা NEWS LIVE .ৰ অনুপম চক্ৰৱৰ্তী, অতনু বৰা, প্ৰমুখ্যে আন আন কৰ্মকৰ্তালৈয়ো মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ষষ্ঠমতে, বহুবছৰৰ অন্তত সমূহীয়া ভাৱে "শিক্ষক দিৱস" আয়োজন কৰা হৈছিল। এনেকুৱা বিভিন্ন কাৰ্য্যকলাপ মনত গঢ়লৈ উঠিছিল যদিও, সময়ৰ অভাৱৰ কাৰণে সম্পূৰ্ণ কৰিব নোৱাৰিলো। তথাপিও মই ভাবো ভৱিষ্যতে এইখন মহাবিদ্যালয়ৰ লৈ আমাৰ কৰিব লগীয়া কাম বহুত আছে।

সৰ্বশেষত শিক্ষামূলক ভ্ৰমণ টোৰেই আছিল আছিল আমাৰ কাৰ্য্যকালৰ শেষ কাৰ্যসূচী। আমাৰ সহপাঠী, ভণ্টি, অধ্যক্ষ মহোদয়, শ্ৰীশিব প্ৰসাদ মিলি চাৰ আৰু শান্তনা দুৱৰা সন্দিকৈ বাইদেউৰ সহযোগতহে আমাৰ এই দায়িত্ব নিয়াৰিকৈ সক্ষম হৈছিল। ১৫ অক্টোবৰত গৈ পুনৰ ২৪ অক্টোবৰত আহি শিৱসাগৰ পাইছিলোহি।

আমাৰ এই এবছৰীয়া কাৰ্য্যকালৰ সময়ছোৱাত আমাৰ সকলো পদক্ষেপতে উৎসাহ প্ৰদান কৰি আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়া মাননীয় অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু মাননীয় উপাধ্যক্ষ মহোদয় কুসুম ফুকন বাইদেউলৈ মই মোৰ আন্তৰিক সেৱা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল আমাৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ। কিয়নো তেওঁলোকে আমাক জীৱন জ্ঞানৰ পোহৰ বিলাই। তাৰোপৰি আমি বেছি ভাগ সময় ঘৰৰ পৰা আঁতৰি শিক্ষাগুৰু সকলৰ লগত কটাবলৈ পাওঁ। সেয়েহে সকলো চাৰ-বাইদেউৰ ওচৰত আশীষ বিচাৰিছো যাতে আৰু ভৱিষ্যতে আগুৱাই যাব পাৰোঁ।

এই এবছৰীয়া কাৰ্য্যকালত মোক আৰম্ভণিৰ পৰা শেষলৈকে সকলো কামতে সহায় আগবঢ়োৱা মোৰ বান্ধৱী সকল, ভণ্টিসকল, শিক্ষাগুৰু সকল, ছাত্ৰী একতা সভাৰ বিষয়ববীয়া সকল, গ্ৰন্থাগাৰৰ ছাৰ বাইদেউ সকল লগতে কাৰ্য্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ ধন্যবাদ জনাইছো। মহাবিদ্যালয়ত কটোৱা দিনবোৰ মোৰ মানস পটত চিৰদিন সজীৱ হৈ ৰ'ব। কাৰ্য্যকালত অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে মই সমূহ শিক্ষাগুৰু তথা বান্ধৱী, ভণ্টি সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অতীত, বৰ্তমানৰ গৌৰৱ অক্ষুন্ন ৰাখি যাতে ভৱিষ্যতে সুনাম কঢ়িয়াই আনিব পাৰে। তাৰেই কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"
'জয় আই অসম'

**সংগীতা দাস**
ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা
২০০৯-১০



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধা জনাইছো যিসকল বৰেণ্য ব্যক্তিৰ মহান ত্যাগ, কষ্ট আৰু সাধনাৰ ফলত ঐতিহ্যপূৰ্ণ শিৱসাগৰ জিলাৰ মাজমজিয়াত নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজ প্ৰতিষ্ঠা হৈছিল।

বুৰঞ্জীয়ে পৰশা আহোম স্বৰ্গদেউৰ দিনত স্থাপিত হোৱা ঐতিহাসিক শিৱদ'লৰ কাষত জন্ম লাভ কৰা শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ এগৰাকী সক্ৰিয় সদস্যৰূপে অংশ গ্ৰহণ কৰিবলৈ পাই গৌৰৱ অনুভৱ কৰিছো।

শিৱসাগৰ ছোৱালী কলেজৰ ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে কলেজৰ সেৱা কৰিবলৈ যিসকল মোৰ অগ্ৰজ, সতীৰ্থ, অনুজ সকলে সুবিধা প্ৰদান কৰিলে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কাৰ্যকালৰ প্ৰতিটো কামতে দিহা-পৰামৰ্শ আগবঢ়োৱা ছাত্ৰী একতা সভাৰ সভাপতি তথা অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকনছাৰ, তত্বাবধায়ক প্লাবিতা দাস বাইদেউ, প্ৰণৱ ভৰালী ছাৰ, দীপ জোনালী ভূএগ বাইদেউ লগতে ৰঞ্জিত তামুলী ছাৰকে প্ৰমূখ্য কৰি কলেজৰ চিৰপুজ্য শিক্ষাগুৰুসকলক এই প্ৰতিবেদন জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰবছিন্ন গতিৰে চিৰদিন বৈ থাকে, সংস্কৃতিও তেনেকৈ ধাৰাবাহিক গতিৰে চলি থাকে। যি শিল্পকৰ্মত সম্যক সৃজনীশীলতা আছে, সৌন্দৰ্য্য আছে, মানৱতা আছে সিয়েই সংস্কৃতি। এই সংস্কৃতিক পূৰ্ণৰূপত বিকশিত কৰাৰ উদ্দেশ্যেৰে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠান হৈছে কিছুমান গীত-মাত, নৃত্যৰ প্ৰয়োভৱৰ নিজৰ প্ৰতিভাসমূহ আত্ম প্ৰকাশ কৰা এক আনন্দ। এই আনন্দ প্ৰকাশ কৰিবলৈ শিক্ষানুষ্ঠান সমূহে বিভিন্ন কাৰ্যসূচী হাতত লোৱা দেখা যায়। এই ক্ষেত্ৰত শিৱসাগৰ ছোৱালী কলেজ ব্যতিক্ৰম নহয়। এই উদ্দেশ্যেৰেই কলেজ স্থাপিত হোৱাৰ দিনৰ পৰাই বৰ্তমানলৈকে প্ৰতিবছৰে বাৰ্ষিক কলেজ সপ্তাহৰ আয়োজন কৰা হয়।

শিৱসাগৰ ছোৱালী কলেজৰ সাংস্কৃতিক সম্পাদিকা পদত অধিষ্ঠিত হৈ প্ৰথম পদক্ষেপ লৈছিলো বাৰ্ষিক কলেজ সপ্তাহ পালন কৰাৰ বাবে। বিগত বছৰবোৰৰ দৰে এইবছৰো ডিচেম্বৰ মাহৰ ১০ তাৰিখৰ পৰা ১৫ তাৰিখলৈ আৰম্ভ হৈছিল কলেজৰ অন্যতম আকৰ্ষণীয় অনুষ্ঠান 'বাৰ্ষিক কলেজ সপ্তাহ'। সকলো ছাত্ৰীয়ে অধীৰ আগ্ৰহৰে বাট চাই থাকে এই অনুষ্ঠানক উলহ-মালহৰে আদৰিবলৈ। ময়ো ছাত্ৰীসকলক সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ অংশ গ্ৰহণ কৰিবলৈ পাৰ্যমানে সহায় সহযোগ আগবঢ়াইছিলো। সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ হৈছে - শাস্ত্ৰীয় নৃত্য, একক নৃত্য, দলীয় নৃত্য, বিহু নৃত্য, হুঁচৰি, একক অভিনয়, একাংকিকা নাট

আৰু লোক সংস্কৃতিৰ আধাৰত অনুষ্ঠিত কৰা অন্য এক অনুষ্ঠান শুৱনি গাঁৱৰ চিনাকী ছবি। প্ৰতিখন প্ৰতিযোগিতাতে সৰহ সংখ্যক ছাত্ৰীৰ অংশ গ্ৰহণে প্ৰতিযোগিতা সমূহ জীপাল কৰি তুলিছিল। এনেদৰে ছাত্ৰীসকলে নিজৰ একাগ্ৰতা নিষ্ঠা, সহযোগ যদি অটুট ৰাখে তেন্তে সাংস্কৃতিক জগতখনৰ সৈতে সোনকালে নিজক চিনাকী কৰাবলৈ সক্ষম হ'ব।

সাংস্কৃতিক বিভাগৰ অন্য এক আকৰ্ষণীয় অনুষ্ঠান হৈছে - "শ্ৰীশ্ৰী সৰস্বতী পূজা"। ৩১ জানুৱাৰী দেওবাৰে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সৌজন্যত লগতে তত্বাবধায়ক ছাৰ বাইদেউৰ সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠানটি উলহ-মালহৰে পালন কৰা হয়।

সৰস্বতী পূজাৰ পাছতে নৱাগতা ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে "নৱাগতা আদৰণী সভা"খন আনুষ্ঠানিক ভাৱে অনুষ্ঠিত কৰা হয়। এই সভাখনত কিছুসংখ্যক সাংস্কৃতিক অনুষ্ঠান ছাত্ৰী সকলৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়।

প্ৰতিবেদনৰ এই পাততে উল্লেখ কৰি থওঁ ২০০৯-২০১০ বৰ্ষৰ ডুলীয়াজান কলেজত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃকলেজ যুৱ মহোৎসৱত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ ছাত্ৰীয়ে চাৰিটাকৈ বঁটা লাভ কৰি কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

আমাৰ কাৰ্যকালতে 'NAAC'ৰ এটা টীম আমাৰ কলেজ পৰিদৰ্শন কৰিবলৈ আহিছিল। তেওঁলোকক আদৰাৰ উদ্দেশ্য আমি কলেজৰ যথেষ্ঠখিনি কাম কৰিব লগা হৈছিল। 'NAAC'ৰ টীমৰ আগত আমাৰ কলেজৰ ছাত্ৰীসকলে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰিলে। তেওঁলোকে আমাৰ অনুষ্ঠান চাই অভিভুত হৈছিল। আমি অতিশয় গৌৰাম্বিত কিয়নো আমাৰ কাৰ্যকালতে 'NAAC'ৰ গণ্যমান্য সদস্যসকলৰ সৈতে মুখা মুখি হ'ব পাৰিছিলো।

আমাৰ কাৰ্যকালতে পোন প্ৰথমবাৰৰ বাবে ৫ চেপ্তেম্বৰ তাৰিখে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পবিত্ৰ জন্মদিনত চিৰপূজ্য শিক্ষাগুৰু সকলক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে 'শিক্ষক দিৱস' উদ্‌যাপন কৰিলো।

আমাৰ কাৰ্যকালৰ শেষ পৰ্য্যায়ত 'NEWS LIVE' য়ে আয়োজন কৰা দেওবৰীয়া আড্ডা বিষয়বৰীয়াক নিমন্ত্ৰণ জনাইছিলো আমাৰ ছাত্ৰী সকলৰ প্ৰতিভাসমূহ বিকাশ কৰাবলৈ। তেওঁলোকে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰিছিল আৰু ছাত্ৰীসকলক প্ৰতিভাসমূহক বিকশিত কৰিবলৈ সুবিধা প্ৰদান কৰিছিল। এইক্ষেত্ৰত 'NEWS LIVE'ৰ জেষ্ঠ সাংবাদিক অনুপম চক্ৰৱৰ্তীক এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ এই এবছৰীয়া কাৰ্যকালত কিমানদুৰ সফল হ'ব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য বিষয়। তথাপি সাংস্কৃতিক সম্পাদিকা পদত অধিষ্ঠিত হৈ সাধ্যনুসাৰে মোৰ সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলো। মানুহ মাত্ৰেই ভুল হয়। গতিকে মোৰ দায়িত্ব পালনত ভুল ত্ৰুটি হৈ যোৱাটো স্বাভাৱিক। অনিচ্ছাকৃতভাৱে যদি ভুল কৰিছিলো বা কাৰোবাক অজানিতে টানকৈ কৈছিলো তেন্তে বিদায় পৰত এই প্ৰতিবেদনৰ জৰিয়তে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছো।

শেষত কাৰ্যকালৰ প্ৰতিটো কামতে প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়োৱা বান্ধৱী প্ৰাৰ্থিতা, পূজা, প্ৰতিমা, সংগীতা, ৰবিতা, চিমি, প্ৰণামী, শিখা, প্ৰীতি, নিলাক্ষী, পিংকিবা, বিমঝিমবা, প্ৰাৰ্থনা বা, বিনীতা বা, তথা কলেজৰ অফিচ কৰ্মচাৰী দেৱ দা, বুবুদা, প্ৰণৱ দা, বকুল দা আদি সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজ উন্নতিৰ শিখৰত পদাৰ্পণ কৰাৰ আশাৰে সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'
'জয়তু ছাত্ৰী একতা সভা'

প্ৰিয়ংকা কলিতা
সাংস্কৃতিক বিভাগৰ সম্পাদিকা

# সংগীত বিভাগৰ সহঃসম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন



২০০৯-১০ বৰ্ষৰ সংগীত বিভাগৰ সহঃসম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক মুহূৰ্তত মই সেইসকল চিৰ নমস্য ব্যক্তিলৈ প্ৰণিপাত জনাইছো, যি সকল মহান ব্যক্তিৰ প্ৰচেষ্টাত শিৱসাগৰৰ একমাত্ৰ মহিলা মহাবিদ্যালয় 'শিৱসাগৰ ছোৱালী কলেজ' নামেৰে এটি জ্ঞানৰ মন্দিৰ স্থাপন কৰি আমাৰ জ্ঞান তৃষ্ণা পূৰণ কৰিলে।

সৰুৰে পৰা মনৰ মাজত এটি সোণোৱালী সপোন কঢ়িয়াই ফুৰিছিলো শিৱসাগৰ ছোৱালী কলেজত শিক্ষা গ্ৰহণ ক ৰাৰ, এই মহাবিদ্যালয়ৰ উন্নতিৰ বাবে সেৱা আগবঢ়োৱাৰ। মোৰ এই আশা বাস্তৱত পৰিণত হৈছিল ২০০৯-১০ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা ৰূপে নিৰ্বাচিত হোৱাত। এইখিনিতে, যিসকল অগ্ৰজ-অনুজ আৰু সহপাঠী বান্ধবীয়ে তেওঁলোকৰ বহুমূলীয়া ভোট দি মোক নিৰ্বাচিত কৰিলে, সেই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শিৱসাগৰ ছোৱালী কলেজৰ দৰে অসমৰ আগশাৰীৰ এখন শিক্ষানুষ্ঠানৰ ছাত্ৰী একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা পদত নিৰ্বাচিত হৈ মনত যথেষ্ট সাহস পালো আৰু দৃঢ় সংকল্প কৰিলো কলেজৰ হৈ যিমান পাৰো, সিমান সংগীতৰ দিশটো আগুৱাই নিম। কলেজৰ সকলো আগ্ৰহী ছাত্ৰীয়ে যাতে প্ৰয়োজনীয় আটাইবোৰ সা-সুবিধা লাভ কৰি নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সক্ষম হয়, তাৰ বাবে পাৰ্যমানে চেষ্টা কৰিম। অৱশ্যে এই ক্ষেত্ৰত কিমানদূৰ সফল হ'লো সেই আপোনাসবৰ বিচাৰ্যৰ বিষয়।

মোৰ কাৰ্যকালত হোৱা বিভিন্ন কাৰ্যক্ৰমনিকা ঃ——

কাৰ্যভাৰ গ্ৰহণ কৰি আমি "শিৱসাগৰ ছোৱালী কলেজ"ৰ ছাত্ৰী একতা সভাৰ সকলোৱে ব্যস্ত হৈ পৰিছিলো সকলোৱে আশাৰে বাট চাই থকা আৰ্কষণীয় অনুষ্ঠান, বাৰ্ষিক কলেজ সপ্তাহলৈ , ২০০৯-২০১০ চনৰ কলেজ সপ্তাহ অনুষ্ঠিত কৰা হৈছিল ২০০৯ চনৰ ১০ ডিচেম্বৰ পৰা। এই কলেজ সপ্তাহত প্ৰতিভাবান সকলো ছাত্ৰীকে তেওঁলোকৰ প্ৰতিভাসমূহ সমাজত প্ৰদৰ্শন কৰিবলৈ সুবিধা প্ৰদান কৰা হয়। লগতে মই নিজেও এইধৰণৰ সুবিধা মোৰ বিভাগীয় শিক্ষাগুৰু সকলৰ পৰা পাইছিলো। এইবাৰ বাৰ্ষিক কলেজ সপ্তাহৰ সংগীতানুষ্ঠান সমূহত অংশ গ্ৰহণকাৰীৰ সংখ্যা অধিক হোৱাৰ লগতে অতি সুন্দৰ আৰু শৃংখলাবদ্ধ হৈছিল।

ইয়াৰ পিচতে সকলোৰে আদৰৰ, সকলোৰে শ্ৰদ্ধাৰ আন উল্লেখনীয় অনুষ্ঠান হৈছে — শ্ৰীশ্ৰী সৰস্বতী পূজা। অধ্যক্ষ মহোদয় তথা সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দৰ সহায়-সহযোগত পৰম্পৰাগত ভাৱে পালন কৰি অহা সৰস্বতী পূজা আনন্দ আৰু উৎসাহ মাজেৰে পালন কৰা হয়। প্ৰতিবছৰৰ দৰে এইবাৰো শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱস ৮ জুলাই'ৰ দিনা আমি অতি শান্তিৰে পালন কৰো।

ইয়াৰ পিচতে উল্লেখ কৰিব লাগিব আমাৰ মহাবিদ্যালয়ৰ নৱাগতা আদৰণি সভা। প্ৰকৃতিয়ে যেনেদৰে, প্ৰকৃতি জগতৰ গছ-লতিকাৰ পুৰণি পকা পাত সৰাই, নতুন কুঁহিপাতৰ আগমন জনাই প্ৰকৃতি জগত সেউজীয়া কৰি তোলে। ঠিক সেইদৰে এই শুভ অনুষ্ঠানটোত নৱাগতা সকলক আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ মাজত কৃতি

ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়। বিভিন্ন ধৰণৰ গীত আৰু শিক্ষাগুৰু সকলে আগবঢ়োৱা আদেশ, দিহা-পৰামৰ্শৰ মাজেৰে এই অনুষ্ঠানৰ সামৰণি মৰা হয়।

আমাৰ কাৰ্যকালৰ সময়চোৱাতে কলেজ পৰিদৰ্শনৰ কাৰণে "NAAC" ৰ এটি তিনিজনীয়া বিশেষজ্ঞ দল আমাৰ মহাবিদ্যালয়লৈ আহিছিল। সেই সময়ছোৱাত আমাৰ বিভাগক দিয়া দায়িত্ব সমূহ সফলতাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শ, সহায়-সহযোগৰ লগতে উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু অধ্যক্ষা মহোদয়াৰ লগতে মোৰ বিভাগীয় উপদেষ্টা — শ্ৰীযুত শিৱপ্ৰসাদ মিলি চাৰ, শ্ৰীযুক্তা কাকলি সোণোৱাল বাইদেউ আৰু শ্ৰীযুক্তা কৃতাঞ্জলী কোঁৱৰ বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মোৰ বান্ধৱী সকল — সুনীতা, পিংকী, ৰিমঝিম, ৰশ্মি, অৰ্পনা, কাজু, সীমা, মণিদীপা, মুনমুন, হিমাদ্ৰী, মামুন, পল্লৱী আৰু মোৰ সকলো সহপাঠী তথা মোৰ অতি মৰমৰ অগ্ৰজ আৰু অনুজ সকললৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত যদি অজানিতে শিক্ষাগুৰু সকলৰ অবাধ্য হৈছিলো, অজানিতে যদি কাৰোবাৰ অন্তৰত আঘাত দিছিলো, সকলো জ্ঞাতে অজ্ঞাতে কৰা দোষৰ বাবে শিক্ষাগুৰু তথা সমূহ ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰিছো। লগতে আশিষ পোৱা কামনা কৰিছো যে জীৱনত সমাজৰ উন্নতি হৈ তথা সদায় যেন শুদ্ধ পথত চলি থাকিবলৈ শক্তি দিয়ে।

শিৱসাগৰ চহৰৰ নাৰী শিক্ষাক প্ৰাধান্য দিয়া "শিৱসাগৰ ছোৱালী কলেজ"খন যেন চিৰ কাল গৌৰান্বিত হৈ থাকে, কলেজখনৰ সৰ্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভবিষ্যত কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

**সংগীতা হাজৰীকা**

সংগীত বিভাগৰ সহকাৰী সম্পাদিকা



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

সৃষ্টিৰ দিনাৰে পৰা,
নিয়তিৰ স'তে হেৰা
মানুহৰ সংগ্ৰাম অক্ষয় .............।

প্ৰতিবেদনৰ প্ৰাৰম্ভনিতেই জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকলে আত্ম বলিদান দিলে সেইসকল মহান পূণ্যাত্মালৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। ৬০০ বছৰীয়া আহোম ৰাজত্বৰ গৌৰৱময় অতীত বহন কৰি দিখৌ নৈ দুয়ো কাষে বিস্তৃত্ব হৈ আছে উজনি অসমৰ বুৰঞ্জীয়ে পৰশা নগৰ শিৱসাগৰ। এই শিৱসাগৰ জিলাৰ সোঁমাজতে থকা জিলাখনৰ একমাত্ৰ মহিলাৰ শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"। এই শিক্ষানুষ্ঠানখন যি সকল, মহান শিক্ষানুৰাগী ব্যক্তিৰ উদ্যোগত গঢ় লৈ উঠিল সেই সকলো লৈকে আমাৰ সশ্ৰদ্ধ অঞ্জলি নিবেদিছোঁ, লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন চাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

শিৱসাগৰ ছোৱালী কলেজৰ দৰে মহান শিক্ষানুষ্ঠানৰ 'ছাত্ৰী একতা সভা'ৰ তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ প্ৰধান সম্পাদিকা ৰূপে মোক সৰ্বোচ্চ ভোট দি নিৰ্বাচন কৰাৰ বাবে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰী আৰু এই মহাবিদ্যালয়ৰে ছাত্ৰী নিবাস 'ৰংপুৰ ছাত্ৰী নিবাস'ৰ সমূহ আবাসী বৃন্দকে এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো। এই শিক্ষানুষ্ঠানৰ ছাত্ৰীয়ে তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ পৰা যি আশা কৰিছিল সেয়া কিমানদূৰ পূৰ্ণ কৰিব পাৰিলো সেৱা আপোনাসৱৰ বিচাৰ্য; কিন্তু এটা পৰিতাপৰ বিষয়যে, উজনি অসমৰ এনে এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানত তৰ্ক বা বক্তৃতা দিবলৈ ছাত্ৰীৰ অভাৱ। মোৰ কাৰ্যকালত মাত্ৰ ৭ গৰাকী ছাত্ৰীয়েহে তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ ওলাই আহিল। ছাত্ৰীৰ সংখ্যা অনুযায়ী প্ৰতিযোগীৰ সংখ্যা আৰু অধিক বঢ়াব নোৱাৰা বাবে সমূহ শিক্ষা গুৰুৰ ওচৰত এই সুযোগতে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। এটা কথা লক্ষ্য কৰি হতাশ হৈছোঁ যে, শিক্ষানুষ্ঠানত আয়োজন কৰা যিকোনো অনুষ্ঠানত ছাত্ৰীৰ উপস্থিতি অত্যন্ত দুখলগা, কিয়নো ছাত্ৰী একতা সভাৰ বিষয়ববীয়া সকলৰ পৰাই সকলোখিনি আশা কৰাতো অন্যায়, সকলো ছাত্ৰীয়ে পূৰ্ণ সহযোগিতা ইয়াত নিতান্তই প্ৰয়োজনীয়। আৰু লগতে একতা সভাৰ ছাত্ৰী সকলৰ ওচৰ সম্পৰ্ক থকাতো অতিকৈ প্ৰয়োজনীয়; যিটো আমাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰী সকলৰ ক্ষেত্ৰত মোৰ কাৰ্যকালত দেখা নাপালোঁ।

মোৰ কাৰ্যকালত হোৱা প্ৰতিযোগিতা সমূহ ঃ—

(১) তৰ্ক প্ৰতিযোগিতা

(২) বক্তৃতা প্ৰতিযোগিতা

(৩) আকস্মিক বক্তৃতা প্ৰতিযোগিতা

(৪) কুইজ প্ৰতিযোগিতা

(৫) গড়গাওঁ কলেজত হোৱা অসম ভিত্তিক কুইজ প্ৰতিযোগিতা খনিত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী শ্ৰীমতী হিমাশ্ৰী কটকী, শ্ৰী ৰিজু বৰগোঁহাই, আশাশ্ৰী দুৱৰা আৰু প্ৰান্তিকা বৰাই অংশ গ্ৰহণ কৰে।

কৃতজ্ঞতা ঃ— মোৰ কাৰ্যকালত প্ৰতিটো কামতে দিহা পৰামৰ্শ দি মোক সকলো প্ৰকাৰে কৰা মোৰ বিভাগীয় উপদেষ্টা ড° চালমা নাছৰিন বাইদেউ, শ্ৰীযুতা গৌৰীকা দেৱী বাইদেউ আৰু শ্ৰীমতী চিত্ৰলেখা গগৈ বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। বিভাগীয় প্ৰতিযোগিতা সমূহত নিমন্ত্ৰণ ৰক্ষা কৰি বিচাৰক ৰূপে সকলো প্ৰতিযোগিতা সুকলমে আগবঢ়াই নিয়া তথা পৰিচালনা কৰাৰ বাবে শ্ৰীযুত বুদ্ধীন মিশ্ৰ চাৰ, শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী চাৰ, শ্ৰীযুতা কৃতাঞ্জলী কোঁৱৰ বাইদেউ, শ্ৰীযুত জাকিৰ হুচেইন চাৰ আৰু লাইবেৰীয়ান শ্ৰীযুত অভিজিৎ বৰপূজাৰী চাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বিভাগীয় বিভিন্ন কামত সহায় আগবঢ়োৱাৰ বাবে সমূহ ছাত্ৰী একতা সভাৰ সদস্যা বৃন্দা তথা বান্ধৱী সোনমণি, ববিতা, পূৰালী, ময়ূৰী, মোৰ মৰমৰ নিবেদিতা বা, বৰ্ণালী বা আৰু ভণ্টি পৰী, মিতালী, মৌছুমী, হিমাক্ষী তথা ৰংপুৰ ছাত্ৰী নিবাসৰ ছাত্ৰী সকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম তেখেত সকলৰ সহায়ৰ অবিহনে ইমানবোৰ কাৰ্য অকলে সম্ভৱ নহ'লহেতেঁন।

আমাৰ কাৰ্যকালত যদি অজানিতে কৰবাত কিবা ভূল ত্ৰুটি ৰৈ গৈছে তেন্তে আমি প্ৰতিবেদনৰ যোগেদিয়েই ত্ৰুটি মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা কৰিছোঁ। সৰ্বশেষত শিৱসগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি তথা উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

জয়তু প্ৰৱাহিনী

ধন্যবাদেৰে

**শ্ৰীমতী নীলাক্ষী বড়া**

সম্পাদিকা

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

*Student you constitute the feature ropes*
*the strength to the country,*
*it depends upon how you devote*
*your time and energy.*

— মহাত্মা গান্ধী

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে নাৰী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা এই মহাবিদ্যালয়খনৰ যিসকল ব্যক্তিৰ অপ্ৰাণ প্ৰচেষ্টা আৰু মহান ত্যাগৰ ফলত এই অৱস্থা পাইছেহি তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া আৰু সমূহ শিক্ষাগুৰু, কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

ঐতিহাসিক শিৱসাগৰ চহৰৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ, এই মহাবিদ্যালয়খন বৰ্তমান স্ত্ৰী শিক্ষাৰ এক অন্যতম লেখত লবলগীয়া মহাবিদ্যালয়। সৰুৰে পৰা আনৰ মুখত এই মহাবিদ্যালয়খনৰ গুণানুকীৰ্ত্তন শুনি শুনি ক'ব নোৱাৰাকৈয়ে মই এই মহাবিদ্যালয়খনক ভাল পাবলৈ ধৰিলো আৰু ইয়াত অধ্যয়ন কৰিবলৈ মনত প্ৰবল ইচ্ছা জন্মিল। এই ইচ্ছাক বাস্তৱত ৰূপায়িত কৰিবলৈকে মই এই মহাবিদ্যালয়ত ভৰি দিলেহি আৰু তাৰোপৰি মই এই মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্য হ'বলৈ পাই নিজকে পৰম সৌভাগ্যৱান বুলি ভাবিছো। অৱশ্যে কিমানদুৰ সফল হ'লো মই নাজানো।

কাৰ্যভাৰ হাতত লৈয়ে মই প্ৰথম কাৰ্য্য হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো পৰিষ্কাৰ পৰিছন্ন কৰি চকী মেজসমূহ চাফাকৈ সজাই ৰখাৰ ব্যৱস্থা কৰিছিলো। লগতে এই শৃংখলাবদ্ধতা সদায়েই বৰ্তি থাকিবলৈ এখন ৰাজহুৱা জাননীও দিছিলো। মোৰ কাৰ্য্যকালতে ছাত্ৰী জিৰণি কোঠাৰ অতিকে প্ৰয়োজনীয় এটা প্ৰস্ৰাৱগাৰ সজাৰ লগতে পানীৰ সুব্যৱস্থাও কৰি দিয়া হৈছিল। তদুপৰি পৰিষ্কাৰ পৰিচন্নতাৰ ওপৰত গুৰুত্ব দি খোৱা পানীৰ সু-ব্যৱস্থাৰ বাবে একুৱাৰ-গাৰ্ডৰ ব্যৱস্থাও কৰি দিয়া হৈছিল।

মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰিয়াসপ্তাহে মোৰ কৰ্তব্যক দুগুণে বঢ়াই তুলিলে। ই মোৰ কাৰ্য্যকালৰ এক উল্লেখযোগ্য পদক্ষেপ। ক্ৰীয়াসপ্তাহৰ লগতে সংগতি ৰাখি মোৰ বিভাগৰ খেল সমূহ নিয়ম আৰু শৃংখলাবদ্ধভাৱে আয়োজন কৰা হ'ল। মোৰ বিভাগত খেলৰ পৰিমাণ বেছি নাছিল যদিও কমো নাছিল। মোৰ বিভাগৰ খেলসমূহ আছিল বেডমিণ্টন, টেবুল-টেনিছ,

লুডু, চাইনিচ চেংকাৰ, কেৰম, দবা, মেহেন্দী, পুডিং, কেশসজ্জা, পিঠাপনা, হালোৱা, সাজপাৰ, পুষ্পসজ্জা ইত্যাদি। বিগত কেইবছৰৰ তুলনাত এক তথ্যমতে এই বছৰত প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি পাইছিল। এই আপাহতে মই সমূহ প্ৰতিযোগীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু অনাগত ভৱিষ্যত যাতে ইয়াতকৈও অধিক প্ৰতিযোগীৰ অংশগ্ৰহণেৰে প্ৰতিযোগিতাক সাফল্যমণ্ডিত কৰে তাৰ আশা ৰাখিছো।

অতি গৌৰৱৰ কথা যে আমাৰ কাৰ্যকালতেই NAAC এ আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰিছিল। আমি ছাত্ৰী একতা সভাৰ সদস্যৰূপে আমাৰ কৰিবলগীয়া সকলোখিনি কাম কৰি কলেজৰ সুনাম আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো আৰু সেই মতে সফলো হৈছিলো।

মোৰ কাৰ্য্যকালত মোক সকলো সময়তে সকলো ক্ষেত্ৰতে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টাদয় শ্ৰীমতী ঈপ্সিতা ভট্টাচাৰ্য্য বাইদেউ আৰু ৰণ্টু গোঁহাই চাৰৰ কথা উল্লেখ নকৰিলে মোৰ প্ৰতিবেদনখনেই আধৰুৱা হৈ ৰ'ব। এই আপাহতে মই তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰোপৰি মোৰ শুভাকাংক্ষী চিত্ৰাময়ী, পল্লৱী, ময়ুৰী ভস্তি কৃপাশ্ৰী, পলী আৰু সমূহ ৰংপুৰ ছাত্ৰী নিবাসৰ আবাসী আৰু কলেজখনৰ সমূহ ছাত্ৰলৈ তেওঁলোকৰ সহায়ৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত মই সকলো কাম কাজ নিষ্ঠা সহকাৰে পালন কৰিছিলো যদিও কৰ্তব্যৰ তাড়নাত যদি কাৰোবাক কিবা বাক্য প্ৰয়োগ কৰিছিলো তাৰ বাবে শিক্ষাগুৰু আৰু ছাত্ৰীৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

আমাৰ অপৈণত কলমৰ দুৰ্বল সঞ্চালনত কৰবাত ভুল ত্ৰুটি ৰৈ যাব পাৰে। অনিচ্ছাকৃত ভাৱে ৰৈ যোৱা ভুলৰ ক্ষমা কৰে যেন।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীণ উন্নতিৰ লগতে উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ"

জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা"

ধন্যবাদেৰে —

**যুথিকা বৰগোঁহাই**

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

# বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

**শাস্ত্ৰীয় নৃত্য -**
- প্ৰথম - সুস্মিতা বৰুৱা
- দ্বিতীয় - নীতি কোঁৱৰ
- তৃতীয় - উৰ্মিমালা দুৱৰা
- উদ্‌গণিমূলক বঁটা - চন্দ্ৰলেখা হাজৰিকা
- প্ৰিয়ংকা বুঢ়াগোহাঁই

**একক আধুনিক নৃত্য -**
- প্ৰথম - উৰ্মিমালা দুৱৰা
- দ্বিতীয় - নীতি কোঁৱৰ
- তৃতীয় - সুস্মিতা বৰুৱা
- উদ্‌গণিমূলক বঁটা - মধুমতী দেৱী
- জোনমণি দুৱৰী

**দলীয় নৃত্য -**
- প্ৰথম - নয়না বৰুৱাৰ দল
- দ্বিতীয় - নাজনীনৰ দল
- তৃতীয় - প্ৰণামী সিংহৰ দল
- উদ্‌গণিমূলক বঁটা - ৰাইজিং ষ্টাৰ দল
- উৰ্মিমালা দুৱৰাৰ দল

**বিহু নৃত্য -**
- প্ৰথম - চন্দ্ৰলেখা হাজৰিকা
- দ্বিতীয় - নয়না বৰুৱা, পৰিস্মিতা দত্ত (যুটীয়া ভাবে)
- তৃতীয় - সংগীতা দাস

**জেং নৃত্য -**
- প্ৰথম - 'এনাজৰী' জেং বিহু দল
- দ্বিতীয় - 'দেৱাশ্ৰী চুতীয়া'ৰ দল
- তৃতীয় - 'ৰাংঢালী' দল

**হুঁচৰি -**
- প্ৰথম - ৰংপুৰৰ ৰংমন হুঁচৰি দল
- দ্বিতীয় - ধনশিৰী হুঁচৰি দল
- তৃতীয় - জাগৰণ হুঁচৰি দল
- সূৰ্য্যমুখী হুঁচৰি দল

**একাংকিকা নাটক -**
- শ্ৰেষ্ঠ দল - ধুমুহাৰ শেষত
- দ্বিতীয় শ্ৰেষ্ঠ দল - অমৃতৰ সন্ধান
- তৃতীয় দল - বিবেচিত নহ'ল।

- শ্ৰেষ্ঠ অভিনেত্ৰী - চন্দ্ৰলেখা হাজৰিকা (ধুমুহাৰ শেষত) চৰিত্ৰ - জুমি
- দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী - নমিতা বৰা (এখিলা সাৰ পাত) চৰিত্ৰ - মিনতি
- তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী - চাৰিনা চুলতানা ৰহমান (ধুমুহাৰ শেষত) চৰিত্ৰ - জুমলি
- প্ৰান্তিকা বৰা (জীৱনৰ বাটত এমুঠি আশাৰ ৰেঙণি) চৰিত্ৰ - দেৱকমল বৰুৱা
- শ্ৰেষ্ঠ পৰিচালিকা - চন্দ্ৰলেখা হাজৰিকা (ধুমুহাৰ শেষত)
- বৰ্ষ শ্ৰেষ্ঠ অভিনেত্ৰী - চন্দ্ৰলেখা হাজৰিকা

**শুৱনি গাঁৱৰ চিনাকী ছবি -**
- প্ৰথম - (বিয়নী মেল) চুম্পি গগৈ দল
- দ্বিতীয় - (আঘোণ ন সকাম) ঝৰ্ণা গগৈ দল
- তৃতীয় - (মাছ মৰা) ৰংঢালী দল

---

**বৰগীত প্ৰতিযোগিতা ঃ**
- প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা
- দ্বিতীয় ঃ প্ৰীতিৰূপা বুঢ়াগোহাঁই
- তৃতীয় ঃ চেতনা চেতিয়া
- পল্লৱী বৰা

**লোকগীত প্ৰতিযোগিতা ঃ**
- প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা
- দ্বতীয় ঃ মেঘালী হাজৰীকা
- তৃতীয় ঃ প্ৰাৰ্থনা ভূঞা
- চেতনা চেতিয়া

**ৰাভা সংগীত প্ৰতিযোগিতা ঃ**
- প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা

দ্বিতীয় ঃ সংগীতা হাজৰীকা

গীতাশ্ৰী বৰুৱা

তৃতীয় ঃ প্ৰণামী মজিন্দাৰ বৰুৱা

প্ৰাৰ্থনা ভূঞা

ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা

দ্বিতীয় ঃ প্ৰাৰ্থনা ভূঞা

তৃতীয় ঃ সংগীতা হাজৰীকা

গীতাশ্ৰী বৰুৱা

জ্যোতি সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা

দ্বিতীয় ঃ মেঘালী হাজৰীকা

প্ৰীতিৰেখা কলিতা

তৃতীয় ঃ হিৰণ্য ফুকন

প্ৰাৰ্থনা ভূঞা

পাৰ্বতী সংগীত প্ৰতিযোগিতা ঃ

প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা

দ্বিতীয় ঃ নম্ৰতা দত্ত

প্ৰণামী মজিন্দাৰ বৰুৱা

তৃতীয় ঃ সংগীতা হাজৰীকা

প্ৰাৰ্থনা ভূঞা

খেয়াল প্ৰতিযোগিতা ঃ

প্ৰথম ঃ প্ৰবজিৎ ক'ৰ

দ্বিতীয় ঃ প্ৰাৰ্থনা ভূঞা

তৃতীয় ঃ সুজাতা শৰ্মা

গজল প্ৰতিযোগিতা ঃ

প্ৰথম ঃ প্ৰণামী মজিন্দাৰ বৰুৱা

দ্বিতীয় ঃ প্ৰবজিৎ ক'ৰ

তৃতীয় ঃ প্ৰাৰ্থনা ভূঞা

ভজন প্ৰতিযোগিতা ঃ

প্ৰথম ঃ প্ৰণামী মজিন্দাৰ বৰুৱা

দ্বিতীয় ঃ প্ৰাৰ্থনা ভূঞা

তৃতীয় ঃ জাহ্নৱী পংখী বৰুৱা

প্ৰবজিৎ ক'ৰ

বিহুসুৰীয়া গীতৰ প্ৰতিযোগিতা ঃ প্ৰথম ঃ গীতাশ্ৰী বৰুৱা

দ্বিতীয় ঃ সংগীতা হাজৰীকা

তৃতীয় ঃ প্ৰাৰ্থনা ভূঞা

জাহ্নৱী পংখী বৰুৱা

আধুনিক প্ৰতিযোগিতা ঃ প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱা

দ্বিতীয় ঃ সংগীতা হাজৰীকা

গীতাশ্ৰী বৰুৱা

তৃতীয় ঃ প্ৰাৰ্থনা ভূঞা

প্ৰীতিৰেখা কলিতা

বিয়া নাম প্ৰতিযোগিতা ঃ

প্ৰথম ঃ প্ৰণামী বৰুৱাৰ দল।

দ্বিতীয় ঃ বৰ্ণালী দাসৰ দল

তৃতীয় ঃ জাহ্নৱী পংখীৰ দল

বিচাৰকৰ বিশেষ বঁটা ঃ প্ৰয়াসী দত্তৰ দল

জুৰি গগৈৰ দল

উৰুলিৰ বাবে ফলাফল ঃ

প্ৰথম ঃ বৰ্ণালী দাসৰ দল

দ্বিতীয় ঃ প্ৰণামী বৰুৱাৰ দল।

তৃতীয় ঃ জুৰি গগৈৰ দল

দিহানাম প্ৰতিযোগিতা ঃ প্ৰথম ঃ জাহ্নৱী পংখী বৰুৱাৰ দল

দ্বিতীয় ঃ নলিনী গগৈৰ দল

তৃতীয় ঃ পল্লৱী বৰাৰ দল।

বিচাৰকৰ বিশেষ বঁটা ঃ পুষ্পা দুৱৰি

---

**মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা বিভাগীয় প্ৰতিযোগিতা সমূহৰ ফলাফল সমূহ এনেধৰণৰ ——**

তৰ্ক প্ৰতিযোগিতা ঃ-

প্ৰথম স্থান ঃ জ্যোতিকা গগৈ

দ্বিতীয় স্থান ঃ সুদৰ্শনা দিহিংগীয়া

তৃতীয় স্থান ঃ স্বাতীশ্ৰী ঝা

বক্তৃতা প্ৰতিযোগিতা ঃ—

প্ৰথম স্থান ঃ ৰিমঝিম্ দাস

দ্বিতীয় স্থান ঃ স্বাতীশ্ৰী ঝা

তৃতীয় স্থান ঃ ইন্দ্ৰানী চেতিয়া

আকস্মিক বক্তৃতা ঃ-

প্ৰথম স্থান ঃ গায়ত্ৰী শইকীয়া

দ্বিতীয় স্থান ঃ (যুটীয়া ভাৱে) মৌচুমী হীৰা

প্ৰণতি বৰুৱা

তৃতীয় স্থান ঃ স্বাতীশ্ৰী ঝা

কুইজ প্ৰতিযোগিতা ঃ—

প্ৰথম দল ঃ বিপাশা হাজৰিকা, পয়োভৰা বৰা

দ্বিতীয় দল ঃ গায়ত্ৰী শইকীয়া, বৰ্ণালী দুৱৰা

তৃতীয় দল ঃ (কেইবাটাও দলে পাইছে)

(১) আশাশ্ৰী দুৱৰা, ৰিজু বৰগোঁহাই

(২) মুনমুন শেনচোৱা, জাহ্নৱী ভট্টাচাৰ্য্য

(৩) স্বাতীশ্ৰী ঝা, মনীষা দত্ত

# RESULT OF SPORTS : 2009

(Single)

**100 Metre Race** :

1st : Mamun Bora, TDC 2nd year.
2nd : Rakhi Bora, TDC 3rd year.
: Rajashree Boragohain, H.S. 2nd year.
3rd : Ashapurna Dutta, TDC 2nd year

**200 Metre Race** :

1st : Ashapurna Dutta, TDC - 2nd year
2nd : Riya Saikia
3rd : Rajashree Boragohain, H.S. 2nd year.

**400 Metre Race** :

1st : Rajashree Boragohain, H.S. 2nd year.
2nd : Trishna Saikia, TDC 1st year
3rd : Riya Saikia
: Mousumi Mohan.

**Result of Short-Put** :

1st : Jharna Handique. TDC 1st year.
2nd : Pranita Boruah, TDC 3rd year.
3rd : Momi Dutta, TDC 1st year.

**Result of Discuss Throw** :

1st : Jharna Handique. TDC 1st year.
2nd : Trishnamoni Gogoi, TDC 1st year.
3rd : Pranita Boruah, TDC 3rd year.

**Result of Jevelin Throw** :

1st : Pushpa Duwori, TDC 1st year.
2nd : Pranita Boruah, TDC 3rd year.
3rd : Rakhi Bora, TDC 3rd year.

**Result of Long-Jump** :

1st : Swapna Boruah, TDC 1st year.
2nd : Jharna Handique. TDC 1st year.
3rd : Rajashree Boragohain, H.S. 2nd year.

**Result of High-Jump** :

1st : Pushpa Duwori, TDC 1st year.
2nd : Jharna Handique. TDC 1st year.
: Jinkumoni Mohan, H.S. 1st year.
3rd : Miss Rajashree Boragohain, H.S. 2nd year.

**Musical Chair** :

1st : Miss Sangeeta Dsa, TDC 2nd year.
2nd : Miss Ashapurna Dutta, TDC - 2nd year
3rd : Miss Jyotika Hazarika, TDC 2nd year.

**(Group)**

**Result of 4x100 Metre Rilley, Race** :

1st i) Miss Jharna Handique
ii) Miss Trishna Saikia
iii) Miss Rumi Gogoi
iv) Miss Pinky Boruah

2nd i) Miss Mousumi Mohan
ii) Miss Krishna Kumari Boragohain
iii) Miss Junmoni Yein
iv) Miss Sangita Mohan

3rd **(Team - A)**
i) Miss Silpi Rajkhowa
ii) Miss Tutumoni Gogoi
iii) Miss Minakshi Chutia
iv) Miss Sikha Rajkhowa

**(Team - B)**
i) Miss Riya Saikia
ii) Miss Limi Konwar
iii) Miss Jyotika Hazarika
iv) Miss Papori Bora

**Result of Tug-of-war**

**The Winner Team :**

**(Political Science Department)**
i) Miss Jharna Handique (Captain)
ii) Miss Gitumoni Konwar

iii) Miss Mousumi Boragohain
iv) Miss Pushpa Duwari
v) Miss Bitumoni Boragohain
vi) Miss Pori Gogoi
vii) Miss Gayatri Saikia
viii) Miss Plabita Saikia

**1st Runners up :**

i) Miss Monidipa Gogoi (Captain)
ii) Miss Sangeeta Das
iii) Miss Trishna Gogoi
iv) Miss Sumi Boruah
v) Miss Karishma Phukon
vi) Miss Juri Saikia
vii) Miss Rajashree Boragohain
viii) Miss Munmi Rajkumari.

**2nd Runners up :**

**(N.C.C. Team)**

i) Miss Rumi Panging (Captain)
ii) Miss Junmoni Yein
iii) Miss Manashi Daring
iv) Miss Krishna Kumari Boragohain
v) Miss Roshmi Rekha Mili
vi) Miss Atiya Tanaz
vii) Miss Jhornali Dutta

**Result of Kabadi :**

**(Winner Team)**

i) Miss Monidipa Gogoi (Captain)
ii) Miss Munmi Rajkumari
iii) Miss Monidipa Boruah
iv) Miss Pinky Boruah
v) Miss Pallabika Saikia
vi) Miss Papori Bora
vii) Miss Juri Saikia
viii) Miss Rajashree Boragohain

**1st Runners up :**

**(Rongpur Team)**

i) Miss Riju Borgohain (Captain)
ii) Miss Manashi Mahanta
iii) Miss Kashmiri Gogoi
iv) Miss Litumoni Duwori
v) Miss Jyotika Hazarika
vi) Miss Prantika Bora
vii) Miss Manashi Boruah
viii) Miss Riya Saikia
ix) Miss Kripakshree Dutta

**2nd Runners up :**

i) Miss Ritumoni Yein (Captain)
ii) Miss Debashree Chutia
iii) Miss Ashapurna Dutta
iv) Miss Swapna Boruah
v) Miss Sumi Dutta
vi) Miss Diti Dihingia
vii) Miss Karishma Phukon
viii) Miss Sumi Boruah

**Result of March-Pass Competition :**

**1st** **N.C.C. Team**

i) Codey Mamu Gogoi (Commander)
ii) „ Angshumita Saikia
iii) „ Atiys Taraz
iv) „ Moyuri Devi
v) „ Nabashmita Gogoi
vi) „ Jyutika Bora
vii) „ Pranita Phukon
viii) „ Junmoni Yein
ix) „ Rimashree Das
x) „ Himakshi Das
xi) „ Sangita Mohan
xii) „ Rumi Panging
xiii) „ Dimpi Das
xiv) „ Krishnakumari Boragohain
xv) „ Siranjana Sharma
xvi) „ Preaty Das
xvii) „ Sangita Das

**2nd** **Economics Department**

i) Ritumoni Yein (Commander)
ii) Rashmi Boragohain
iii) Meghali Sharma
iv) Pronita Boruah
v) Priyanka Boragohian

vi) Ashapurna Dutta
vii) Juri Phukon
viii) Mousumi Dev
ix) Rashmi Bairagi
x) Sunia Konwar
xi) Simashree Borgohain
xii) Munmi Rajkumari
xiii) Munmi Phukon
xiv) Afsana Ahmed
xv) Debashree Chutia
xvi) Dipshika Gogoi
xvii) Munmi Changmai
xviii) Trishna Saikia
xix) Susmita Gogoi
xx) Munmun Konwar

**3rd Political Science Department**

i) Pori Gogoi (Commander)
ii) Purabi Dutta
iii) Debashree Dutta
iv) Bondita Borgohain
v) Saraswati Sharma
vi) Tina Panging
vii) Gitimoni Boragohian
viii) Preety Rajkumari
ix) Jhuma Mojumdar
x) Rimakshi Rajkumari

**March-Pass Special Prize**

**All Over Senior**

S.U.O. Pratima Hazarika
TDC 2nd year. (Pol. Science Deptt.)

**Drum Master**

Miss Tulumoni Boruah
TDC 1st year.

**Teacher 100 Meter Race Competition -**

1) Principal Sir (Dr. Hemanta Kumar Phukan)
2) Kishore Kumar Deuwi Sir.
3) Pranjal Pankaj Baruah Sir.
4) Sanjay Kumar Das Sir.
5) Prabni Sarma Sir.
6) Dugdha Sharma Sir
7) Shiva Prasad Mili Sir
8) Rantu Gohain Sir
9) Rajan Das Sir
10) Pranjan Rajkhowa Sir
11) Pranabjyoti Bharali Sir
12) Medhini Hazarika Sir
13) Inamul Hussain Sir
14) Abhijeet Borpujari Sir

**Result -**

1st : Rantu Gohain Sir
2nd : Shiva Prasad Mili Sir
3rd : Prabin Sarma Sir
Pranabjyoti Bharali Sir

**The Best Player of the Year - 2009**

Miss Jharna Handique
T.D.C. 1st year
Political Science Department.

# Result of T.D.C. Part - III Examination, 2010
# ( Result Declared on 08.07.2010)

Our Glory....

| | Arts New | Arts Old | Science New | Science Old |
|---|---|---|---|---|
| Total Candidates appeared | 274 | 47 | 20 | 01 |
| Total Candidates Passed | 243 | 34 | 20 | 01 |
| Pass percentage of College | 88.68 | 72.34% | 100% | 100% |
| University | 72.19 | 61,56% | 85.94% | 57.23% |

Details of Passed out

| | Arts New Course | Arts Old Course | Science New Course | Science Old Course |
|---|---|---|---|---|
| First Class with Distinction | 18 | - | 17 | - |
| First Class | 18 | - | 03 | 01 |
| 2nd Class | 130 | 07 | - | - |
| 2 nd Division | 17 | 01 | - | - |
| Simple Pass | 26 | 26 | - | - |
| Without for non clearance | 34 | - | - | - |
| of earlier examinations | 243 | 34 | 20 | 01 |

First Class with Distinction And Ranks

| Admit No. | Name of Candidates & Subject | | Marks | P.C. | Ranks |
|---|---|---|---|---|---|
| 10017 | Bandita Sarmah | Econ. | 586 | 65.11% | 19th |
| 10020 | Binita Chetia | Assamese | 663 | 73.67% | 1st |
| 10047 | Gayatree Saikia Raj. | Pol.Sc | 554 | 61.56% | 57th |
| 10049 | Gayatry Sarma | Eco. | 545 | 60.56% | 48th |
| 10051 | Gitamoni Dutta | P.Sc | 551 | 31.22% | 30th |
| 10060 | Joyshree Dewerah | P.Sc | 543 | 60.33% | 67th |
| 10081 | Manisha Mundra | Educ. | 650 | 72.22% | 5th |
| 10083 | Martina Gogoi | Pol.Sc | 568 | 63.11% | 45th |
| 10085 | Mayuri Borgohain | Assamese | 563 | 62.56% | 33rd |
| 10092 | Monmi Chetia | Assamese | 580 | 64.44% | 21st |
| 10110 | Neha More | Educ | 649 | 72.11% | 06th |
| 10147 | Pronami Gasm | Geography | 628 | 62.30% | 40th |
| 10154 | Rakhi Bora | Geography | 681 | 68.10% | 13rd |
| 10155 | Rashmi Rekha Boruah | Assamese | 545 | 60.56% | 47th |
| 10171 | Sabiha Nahid | English | 565 | 62.78% | 01st |
| 10182 | Sanjukta. Rajkhowa | Education | 645 | 71.67% | 07th |
| 10189 | Sima Geswami | Assamese | 586 | 65.11% | 15th |
| 10199 | Tinamoni Konwar | Pol. Sc | 550 | 61.11% | 61st |

## First Class and Ranks

| | | | | | |
|---|---|---|---|---|---|
| 10002 | Additiya Handique | Education | 556 | 61.78% | 51st |
| 10004 | Arpi Boruah | Geography | 667 | 66.70% | 18th |
| 10033 | Chimpi Hatimuria | Pol.Sc | 548 | 60.89% | 63rd |

| | | | | | |
|---|---|---|---|---|---|
| 10035 | Chupi Gogoi | Education | 573 | 65.67% | 40th |
| 10038 | Deepika Das | Geography | 710 | 71 | 5th |
| 10048 | Gayatri Saikia | Geography | 643 | 64.30 | 31st |
| 10058 | Himadri Kataky | Assamese | 558 | 62 | 36th |
| 10064 | Kabita Gogoi | Education | 568 | 63.22% | 43rd |
| 10069 | Krishma Bharadwaj | Geography | 628 | 62.80% | 40th |
| 10073 | Madhusmita Baruah | Education | 615 | 68.33% | 18th |
| 10089 | Monalisha Baruah | Geography | 600 | 60. | 58th |
| 10105 | Nalini Bala Gogoi | Assamese | 546 | 60.67% | 46th |
| 10113 | Nomita Buragohain | Education | 579 | 64.33% | 37th |
| 10120 | Pallabi phukon | Education | 556 | 61.78% | 51st |
| 10138 | Pranati Baruah | Assamese | 585 | 65 | 16th |
| 10169 | Runa Senchown | Geography | 605 | 60.50% | 55th |
| 10177 | Sangeeta Dehingia | Geography | 615 | 61.50% | 49th |

**First Class With Destinction & Ranks :-**

| Admit No. | Name of Candidates | Subject | Marks | Parcentage | Ranks |
|---|---|---|---|---|---|
| 22620001 | Anee Borah | Botany | 640 | 64% | 44th |
| 22620002 | Bipasha Hazarika | Physics | 611 | 61.10% | 50th |
| 22620003 | Citumoni Gogoi | Zoology | 714 | 71.40% | 06th |
| 22620004 | Dreamly Dutta | Zoology | 739 | 73.90% | 2nd |
| 22620006 | Minakshi Gandhia | Botany | 653 | 65.30% | 37th |
| 22620007 | Minakshi Senapati | Botany | 695 | 69.50% | 18th |
| 22620008 | Nabanita Handique | Botany | 665 | 66.50% | 31st |
| 22620009 | Nazmeen Sultana Rohman | Botany | 683 | 68.30% | 24th |
| 22620010 | Nibedita Dehingia | Physics | 702 | 70.20% | 15th |
| 22620011 | Nibedita Hazarika | Physics | 726 | 72.60% | 10th |
| 22620012 | Pallavi Buragohain | Botany | 662 | 66.20% | 34th |
| 22620013 | Parinita Masunder | Zoology | 687 | 68.70% | 16th |
| 22620014 | Peeyousmeyee Duarah | Zoology | 721 | 72.10% | 4th |
| 22620015 | Pinki Changani | Botany | 710 | 71% | 14th |
| 22620016 | Pooja Barat | Zoology | 660 | 66% | 23rd |
| 22620018 | Prastuti Bordoloi | Physics | 749 | 74.90% | 4th |
| 22620019 | Sultana Ahmed | Botany | 668 | 66.80% | 29th |

**First Class with Ranks ( New Course)**

| | | | | | |
|---|---|---|---|---|---|
| 22620005 | Kabita Gogoi | Botany | 710 | 71% | 14th |
| 22620017 | Prajnyajyoti Borah | Physics | 601 | 601% | 55th |
| 22620020 | Srutesrini Borah | Physics | 676 | 67.60% | 22nd |

**(Old Course)**

Roll -- 74 No. 01 Seema Konwer Chemistry

**Roll Nos and Names of the Candidates Obtaining Division**

First Division - Nil

Second Division - 17. Nos.

---------------

# FACULTY MEMBERS

**Principal : Dr. H.K. Phukan,** M.Sc., L.L.B., Ph.D., DAFE

***Deptt. of English :***
Dr. Leela Mahanta Borchetia, M.A., Ph.D. (HOD)
Abdul Hamid, M.A.
K.K. Konwar, M.A., M.Phil
S.P. Mili, M.A.
I. Bhattacharjyya, M.A., M. Phil

***Deptt.of Assamese :***
Ranjit Ranjan Tamuly, M.A., M.Phil
Dr. Rashmi Rekha Gogoi, M.A. Ph.D.
Sangeeta Hazarika, M.A., M.Phil
Kakoli Sonowal, M.A.
Santana Duwarah Handique, M.A.

***Deptt.of Political Science :***
Kishore Kumar Deori, M.A., M.Phil (HOD)
Dr. Jimli Bora, M.A., Ph.D.
Dr. Salma Nasreen, M.A. M.Phil, Ph.D.
Plabita Das, M.A., L.L.B.

***Deptt.of Economics :***
Tripti Mallika Baruah, M.A., M.Phil (HOD)
Budhin Misra, M.A., L.L.B., M.Phil.
Sorifa Begum,M.A.
Ajanta Borah, M.A., P.G.D.H.R.D.

***Deptt.of Education:***
Kusum Phukan, M.A., (HOD)
Anu Sharma, M.A.
Gairika Devi, M.A.
Rantu Gohain. M.A., B.Ed.

***Deptt.of Geography:***
Dugdha Sarmah, M.Sc., (HOD)
P.C. Mout, M.A.
Sanjay Das, M.Sc., B.Ed.
Madine Hazarika, M.A., M.Phil

***Deptt.of History:***
Mukuta Das Borkakoti,, M.A., (HOD)
Utpala Gohain, M.A.
Deepjonali Bhuyan, M.A., M. Phil
Prabin Sarmah, M.A., M. Phil

***Deptt.of Home Science:***
Dr. Monideepa Borthakur Chakravarty, M.Sc. Ph.D. (HOD)
Nazreen Ahmed, M.Sc.
Rita Borkotoky, M.Sc., B.Ed., M. Phil (On FIP)

Dr. Rajashree Phukan, M.Sc., Ph.D.
(On Lien Vacancy)
Ashapurna Phukan, M.Sc.

***Deptt.of Physics :***
Bhaskar Dutta, M.Sc. (HOD)
Pranjal Pankaj Baruah, M.Sc.
Gayatri Mohan, M.Sc., M. Phil

***Deptt.of Chemistry:***
Marjiana Begum, M.Sc. (HOD)
Pranabjyoti Bharali, M.Sc.
Pranjal Rajkhowa, M.Sc., M. Phil

***Deptt.of Mathematics :***
Samarjit Choudhury, M.Sc. (HOD)
Bidyut Baruah, M.Sc.
Ranjan Das, M.Sc., M. Phil

***Deptt.of Zoology :***
Deepsikha Dutta Bhuyan,
M.Sc. (HOD)
Zakir Hussain, M.Sc.
Chitralekha Gogoi, M.Sc., M. Phil

***Deptt.of Botany:***
Bimal Dutta, M.Sc. (HOD)
Inamul Hussain, M.Sc.
Nibedita Baruah, M.Sc.

***Deptt.of Computer Science:***
Sahida Begum.

***Library Staff :***
Abhijeet Borpujari, Librarian -
B.A., M. Lib, M. Phil
Sangeeta Das Baruah, Library Asstt.-
B.A.. B. Lib. Sc.

***Centre for Rural Development :***
Kaberi Mahanta, M.Sc.

## Office Staff:

Promod Gogoi, Supervisory Asstt.
Chitralekha Saikia Neog, UDA
Gagan Ch. Kakoty, UDA
Gitanjali Borthakur, LDA
Biren Gogoi, LDA
Rajkumar Sree Koncheng, LDA
Ankur Hazarika, LDA
Achinta Borah, LDA

## Other Staff :

Utpola Devi, Assistant- Co-Ord.,
Rabindranath Tagore
Study Centre
Syamali Saikia, Beautician Trainer
Purnima Bhuyan, Beautician Trainee Assitant
Parishmita Gogoi, Faculty, Sanskriti Play School
Tashmina Haque, Faculty, Sanskriti Play School
Santanu Dutta, Library Asstt.
Pranabjyoti Nath, LDA
Sonpowal Kalita, Grade-iv
Koilash Dutta, Lab. Bearer (Education Deptt.)
Debajyoti Kalita. Grade-iv
Srikanta Boruah, Grade-iv
Pronob Phukon, Lab. Bearer. (Geography Deptt.)
Prasanta Saikia, Grade-iv
Amiya Konwar, Library Bearer.
Paramananda Konwar - Grade-iv
Bitupan Das - Grade-iv
Bubu Bora - Grade-iv
Biplab Dutta, Lib-bearer
Ila Probha Khanikar, Library Trainee
Srutimala Boruah, Library Trainee
Bhaskar Bora, CRD,
Office Assitant
Putul Saikia - Grade-iv
Pranjal Saikia - Grade-iv
Bijoy Shill -Grade-iv
Arifa Begum, C.T.O., NCC
Rajesh Chetia - Grade-iv
Brojen Dutta - Grade-iv
Tejoshi Boruah, Office Assitant
Basanti Bora, Assistant Warden
Ranu Bora, Cook
Puspa Bora, Cook
Dimbeswar Das, Night Chowkidar
Kiran Hazarika, Cook
Anil Khanikar, Cook
Bogi Kumari, Menial
Jyoti Baruah, Knitting & Cutting Trainer
Bikash Saikia, Night Chowkidar
Tuni Das, Sweeper
Halima Begum, Sweeper








MOCK PARLIAMENT
AND
CULTURAL PROGRAMME
OF POLITICAL SCIENCE
26.11.09


MOCK TRIAL
SIBSAGAR GIRLS COLLEGE
21st SEPTEMBER 2008.















March pass by the Students
on the occasion of Annual Sports







Senior Under officer pratima Hazarika
Assam Governor's Gold Medalist (NCC) 2010
on 15 August 2010 at Boarding field Sivasagar ASSAM








10 6 2009




10 6 2009




SIBSAGAR GIRLS COL
ROAD MAP FOR DE
TOURISIM IN NORTH




Hearty Welcome to
NAAC PEER TEAM
MEMBERS
SIBSAGAR GIRLS' COLLEGE
Sivasagar, Assam

Hearty Welcome to
NAAC PEER TEAM





SIBSAGAR GIRLS' COLLEGE
SIVASAGAR
BANIABARI
CAMPUS




FISHERY CUM DUCKERY
(CENTRE FOR RURAL DEVELOPMET)


BANANA PLANTATION
(CENTRE FOR RURAL DEVELOPMENT)







প্রৱাহিনী